# জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতা

ড° প্ৰহ্লাদ কুমাৰ বৰুৱা

GOVT OF ASSAM
DIRECTORATE OF LIBRARY SERVICES

কিৰণ প্ৰকাশন
ধেমাজি

**JIVANANANDA DAS ARU NAVAKANTA BARUAR KABITA** A critical and comparative study of the poems of Bangla poet Jivanananda Das and Assamese poet Navakanta Barua written by Dr Prahlad Kumar Baruah Professor of Assamese Dibrugarh University Assam and Published by Sri Naba Kalita on behalf of Kiron Prakashan D K Market Dhemaji 787 057 Assam
1st Edition August 2007 Price Rupees 80/ only

**প্ৰকাশক**
শ্ৰী নব কলিতা
কিৰণ প্ৰকাশন
ডি কে মাৰ্কেট ধেমাজি ৭৮৭ ০৫৭
ফোন (০৩৭৫৩) ২২৫৮০৩

**প্ৰথম প্ৰকাশ** আগষ্ট ২০০৭ চন।

**প্ৰচ্ছদ** ৰাজীব বৰা

**মূল্য** ৮০ ০০ টকা

**ডি টি পি**
সোৰণ গোস্বামী
ডিব্ৰুগড়
(০৩৭৩) ২৩৭৫৭২০

**মুদ্ৰক**
ধেমাজি অফ্‌ছেট প্ৰিণ্টাৰ্ছ
ৰতনপুৰ ধেমাজি
ফোন ০৩৭৫৩-২২৪২৮৮

# অৱতৰণিকা

সাহিত্যৰ ছাত্ৰ হিচাপে সাহিত্যৰ সকলো দিশেই অধ্যয়ন কৰোঁ। তথাপি কবিতাৰ প্ৰতি বিশেষ ধৰণৰ অনুৰাগ আছে বাবে নিয়মীয়াকৈ কবিতা পঢ়োঁ আৰু কবিতা বিষয়ক বিবিধ প্ৰবন্ধৰ উপৰিও কবিতা বিষয়ক গ্ৰন্থও লিখিলোঁ কেইখনো। গ্ৰন্থকেইখন পাঠক সমাজে আন্তৰিকতাৰে গ্ৰহণ কৰি এই লেখকক প্ৰভূত প্ৰেৰণা যোগাই আহিছে। দুজন ভাৰতীয় কবিৰ কবিতাৰ তুলনামূলক সমীক্ষাপ্ৰধান এই লেখাটো কিন্তু কোনো প্ৰকাৰ প্ৰেৰণাদীপ্ত হৈ লেখা নাই। এই লেখাটোৰ অন্তৰালত আন এষাৰ কথা আছে, যিষাৰ কথাৰ বাবে এই কামটো কৰিব লগা হ'ল।

ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে গৌৰৱ কৰিবলগীয়া কথা এষাৰ আছে যে ভাৰতৰ অতি সীমিত সংখ্যক কেইখনমান বিশ্ববিদ্যালয়তহে তুলনামূলক সাহিত্যৰ স্বতন্ত্ৰ বিভাগ আছে। ডিব্ৰুগড বিশ্ববিদ্যালয়ত তুলনামূলক সাহিত্য অধ্যয়নৰ স্বতন্ত্ৰীয়া বিভাগ নাই যদিও অসমীয়া বিভাগত বিশেষ বিষয় হিচাপে তুলনামূলক সাহিত্য অধ্যয়ন সংযুক্ত হৈ আছে আৰু এনে কাৰণতে বিশ্ববিদ্যালয় অনুদান আয়োগে ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগক বিশেষ সাহায্যপ্ৰাপ্ত বিভাগ (D S A) হিচাপে স্বীকৃতি দিছে। এনে স্বীকৃতি সূত্ৰেই বিদ্যায়তনিক কাম কৰিবৰ বাবে ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগক বিশ্ববিদ্যালয় অনুদান আয়োগে সময়ে সময়ে আৰ্থিক অনুদান আগবঢ়াই আহিছে আৰু সেই অনুদানৰ আৰ্থিক সাহায্য লাভ কৰিয়ে এই গৱেষণা গ্ৰন্থখন যুগুত কৰা হ'ল।

গৱেষণামূলক গ্ৰন্থ লিখিবৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে আগবঢ়োৱা আৰ্থিক সাহায্য লোৱাৰ কথা ভবা নাছিলোঁ। বিভাগৰ সম্মানীয় অধ্যাপক-অধ্যাপিকাসকলে বৰকৈ জোৰ কৰাত সম্মতি দিলোঁ। অনিচ্ছাকৃতভাৱে দায়িত্বটো লৈছিলোঁ যদিও কামটো কৰি কিন্তু অত্যন্ত আনন্দিত হলোঁ। কাৰণ গৱেষণাধৰ্মী এই গ্ৰন্থখন যুগুত কৰোঁতে বহুত শিকিলোঁ।

অনুদান আয়োগৰ আৰ্থিক সাহায্যত গ্ৰন্থ এখন যুগুত কৰিবলৈ দায়িত্ব লৈ প্ৰথমতে সমস্যাত পৰিছিলোঁ বিষয়টোক লৈ। কিন্তু সমস্যাটো অতি সহজে সমাধান কৰি দিলে মোৰ সহকৰ্মীসকলে। বহু বছৰ ধৰি স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰি আহিছোঁ আৰু তুলনামূলক সাহিত্যৰ পাঠ্যক্ৰম অনুসৰি বাংলা ভাষাৰ কবি জীৱনানন্দ দাশৰ কবিতাৰ বিষয়েও পাঠদান কৰি আহিছোঁ। সেয়ে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক সমীক্ষা কৰিবৰ বাবে সহকৰ্মী সকলে পৰামৰ্শ দিলে। মোৰ মনঃপুত হ'ল

বিষয়টো। দুয়োজন কবিৰ কবিতাৰ বিষয়ে দীৰ্ঘ বছৰ ধৰি যিহেতু শ্ৰেণী কোঠাত পাঠদান কৰি আহিছোঁ আৰু দুয়োজন কবিৰ বিষয়ে যিহেতু বহু কেইটা প্ৰবন্ধ লিখি প্ৰকাশো কৰিছোঁ গতিকে মোৰ বাবে বিষয়টো বৰ কষ্টকৰ নহ'ব বুলি ভাবি 'জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্র্য বিচাৰ বুলি বিষয়টো নিৰ্দ্ধাৰণ কৰি লৈ কামত হাত দিলোঁ।

সাহিত্যৰ তুলনামূলক অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা বৰ বেছি। দৰাচলতে একাধিক লেখকৰ সাহিত্যৰ তুলনামূলক আলোচনাত লেখক দুজনৰ লেখনিৰ দোষ গুণসমূহ স্পষ্ট হৈ উঠাৰ উপৰিও লেখক দুজনৰ মন মানসিকতা আৰু দৃষ্টিভঙ্গীৰ সাদৃশ্য আৰু বৈসাদৃশ্যও স্বচ্ছ হৈ পৰে। সাহিত্যৰ বিষয়-বস্তুৰ সমৰূপতা থকা লেখনি বা লেখকৰ সাহিত্যৰহে যিহেতু তুলনামূলক বিচাৰ বিশ্লেষণ কৰা হয় গতিকে একে বিষয়ৰ সাহিত্যত লেখক দুজনৰ মন মানসিকতা দৃষ্টিভঙ্গী বোধ আৰু উপলব্ধিৰ সাদৃশ্য আৰু বৈসাদৃশ্যবোৰ আৱিষ্কাৰ কৰাত সুবিধা হয়। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুখন চুবুৰীয়া ৰাজ্যৰ দুটা ভিন্ন ভাষাৰ কবি। আনহাতে নৱকান্ত বৰুৱাতকৈ জীৱনানন্দ দাশ সাতাইশ বছৰ ডাঙৰ। কিন্তু সময় হিচাপে দুয়োজন কবিক প্ৰায় সমসাময়িক বুলি ক'ব পাৰি। বিশেষকৈ যিখিনি সময়ত ভাৰতৰ ৰাজনৈতিক সমস্যা অৰ্থনৈতিক সংকট সমাজ-সাংস্কৃতিক দ্বন্দ্ব আধুনিক সভ্যতাত গঢ় লৈ উঠা নশিক্ষিত শ্ৰেণীৰ নৈতিক অৱক্ষয় আধুনিক শিক্ষাৰ প্ৰসাৰৰ ফলত বৌদ্ধিক চিন্তাৰ বিশ্বায়ন (globalization) হৈছিল এনে এক বিচিত্ৰ সংঘাতজৰ্জৰ সময়তে দুয়োগৰাকী কবিয়ে কাব্য চৰ্চাত আত্মনিয়োগ কৰিছিল। এনে কাৰণতে দুয়োগৰাকী কবি বয়সৰ লেখত সাতাইশ বছৰৰ আগ পাছ যদিও দুয়ো গৰাকীকে সমসাময়িক কবি বুলি কোৱাৰ যুক্তি আছে।

সি যি কি নহওক — দুগৰাকী ভাৰতীয় কবিৰ কবিতাৰ তুলনামূলক বিচাৰ বিশ্লেষণ কৰিবলৈ কাম হাতত লোৱাৰ লগে লগে প্ৰাসঙ্গিক সহায়ক গ্ৰন্থৰ অভাৱৰ কথাষাৰ মনলৈ আহিল। মোৰ অতিপ্ৰিয় কবি জীৱনানন্দ দাশৰ বিষয়ে যথেষ্ট সংখ্যক বাংলা কিতাপ নিজৰ আছে। কিন্তু জীৱনানন্দৰ বিষয়ে বাংলা ভাষাত যে পৰ্যাপ্ত সংখ্যক কিতাপ আছে মই জানোঁ। এনে সময়তে সৌভাগ্যবশতঃ কলকাতা (নিমতা)ৰ শ্ৰী সুবৰ্ণ চক্ৰবৰ্তীক লগ পালো আৰু মইনো বৰ্তমান কি লিখি আছোঁ বুলি তেওঁ মোক সুধাত মোৰ সমস্যাটোৰ বিষয়ে কলোঁ আৰু মোৰ প্ৰয়োজনীয় কিতাপবোৰ কলিকতাৰ পৰা মোলৈ পঠাব পাৰিবনেকি বুলি সুধাত তেওঁ পৰম আগ্ৰহ আৰু আন্তৰিকতাৰে মোক আশ্বাস দিলে। স্বস্তিৰ নিশ্বাস পেলালোঁ আৰু লগে লগে প্ৰকাশক আৰু লেখকৰ নাম দি প্ৰায় এশমান কিতাপৰ তালিকা দিলোঁ। আশ্বাস দিয়া মতেই সুবৰ্ণ চক্ৰবৰ্তীয়ে মই বিচৰা সকলোবোৰ গ্ৰন্থ বিচাৰি নেপালে যদিও বহু সংখ্যক অতি মূল্যবান গ্ৰন্থ মোলৈ পঠাই দিলে। এই গ্ৰন্থখিনিৰ পৰা মই কিমান উপকৃত হলোঁ; বুজাই ক'ব নোৱাৰোঁ। মোক ইমান ডাঙৰ সহায় এটা কৰি দিয়া বাবে শ্ৰী সুবৰ্ণ

চক্ৰৱৰ্তীৰ শলাগ ললোঁ আৰু তেওঁৰ ওচৰত মই কৃতজ্ঞ হৈয়ো ৰ'লোঁ।

গ্ৰন্থখনি লিখিবলৈ লোৱা সময়তে নিজে চিন্তা কৰি প্ৰয়োজনীয় গ্ৰন্থবোৰ ঘৰুৱা পুথি ভঁৰালৰ পৰা বাচি বিচাৰি মোৰ লেখা ঠাইত দ'ম দ'ম কৰি সজাই দিয়া আদি কামেৰে মোক প্ৰভূত সহায় কৰিলে মোৰ সহধৰ্মিনী ড° উষাৰাণী বৰুৱাই। আনকি গ্ৰন্থখন লিখাৰ সময়ছোৱাত মাজে মাজে মোৰ স'তে আলোচনা কৰি দিশ কিছুমান স্পষ্ট কৰি দিও মোক সহায় কৰিলে। কাব্যৰ ছন্দ অলংকাৰ আদি দিশত তেওঁৰ জ্ঞান অতি স্পষ্ট বাবে দুয়োজন কবিৰ কবিতাৰ ছন্দ আৰু অলংকাৰবোৰ বাচি-বিচাৰি দি এইটো দিশত মোৰ কাম একেবাৰে সহজ কৰি দিলে। মোৰ লেখা মই পুনৰ পঢ়ি চাব নোৱাৰোঁ। ধৈৰ্য নাই। এটা অংশ লিখি শেষ হোৱাৰ লগে লগে মোৰ শ্ৰীমতীক দিওঁ আৰু তেওঁ পঢ়ি চাই ভুল-ভ্ৰান্তি পালে শুধৰাই দিয়ে। মুঠতে এইখিনি কৰাৰ উপৰিও প্ৰুফ চোৱা পৰ্যন্ত কামবোৰ নিজে মূৰ পাতি লৈ মোক যি সহায় কৰিলে তাক বুজাই ক'ব নোৱাৰোঁ। সঁচা কথা — গ্ৰন্থখনি যুগুত কৰোঁতে যিমান কষ্ট হ'ল তাৰ সমানে আধা মোৰ সহধৰ্মিনীৰ। সেয়ে অতি আন্তৰিকতাৰে তেওঁৰ শলাগ ললোঁ। বহুকেইখন মূল্যবান গ্ৰন্থ দি সহায় কৰিলে মৃদুল শৰ্মা আৰু ড জয়ন্ত কুমাৰ বৰাই। তেওঁলোকৰো শলাগ ললোঁ আৰু অতি কম সময়ৰ ভিতৰত সোৱণ গোস্বামীয়ে নিয়াৰিকৈ ডি টি পি কৰি দিয়া বাবে তেওঁৰো শলাগ ললোঁ। গ্ৰন্থখন প্ৰকাশৰ বাবে ধেমাজি কিৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী উদ্যোগী ব্যক্তি শ্ৰী নৱ কলিতাই আগ্ৰহ প্ৰকাশ কৰি শ্ৰদ্ধেয় পঢ়ুৱৈ সমাজৰ হাতত তুলি দিলে। তাৰ বাবে শ্ৰী নৱ কলিতাৰ শলাগ ল'লোঁ।

১০ জুলাই, ২০০৬ চন প্ৰহ্লাদ কুমাৰ বৰুৱা
সোমবাৰ

# বিষয়-সূচী


ভূমিকা বিষয় চিনাক্তকৰণ — ৯ ১৩

প্ৰথম অধ্যায় জীবনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময় — ১৪ ৩১

জীবনানন্দ দাশৰ সময় — ১৪

নৱকান্ত বৰুৱাৰ সময় — ২০

জীবনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়ৰ তুলনামূলক অধ্যয়ন — ২৭

দ্বিতীয় অধ্যায় জীবনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ জীৱন আৰু সৃষ্টি-সম্ভাৰ — ৩২ ৪০

জীবনানন্দ দাশৰ জীৱন আৰু সৃষ্টি-সম্ভাৰ — ৩২

নৱকান্ত বৰুৱাৰ জীৱন আৰু সৃষ্টি-সম্ভাৰ — ৩৭

তৃতীয় অধ্যায় জীবনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা-জগত — ৪১ ১৩৮

জীবনানন্দ দাশৰ কবিতাৰ ভাবনা-জগত — ৪১ ৭৫

সমকাল চেতনা আৰু সামাজিক-দায়বদ্ধতা ৪১ অৱক্ষয় চেতনা ৪৩ দ্বিধাগ্ৰস্ততা আৰু দ্বন্দ্ব ৪৬ প্ৰেম চেতনা ৫০ মৃত্যু চেতনা ৫৭ প্ৰকৃতি চেতনা ৬২ ইতিহাস-চেতনা ৬৬ জীৱন জিজ্ঞাসা আৰু জীৱনবোধ ৭১ নিঃসঙ্গ চেতনা ৭৪ ৰোমাণ্টিক-চেতনা ৭৭ আধ্যাত্মিক-চেতনা ৮০ আধুনিক-চেতনা ৮৬

নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা-জগত — ৮৭ ১৩৮

সমকাল চেতনা আৰু সামাজিক-দায়বদ্ধতা ৮৮ নগৰীয়া জীৱনৰ কদৰ্যতাৰ অনুভৱ ৯৪ অৱক্ষয় চেতনা ইতিহাস-চেতনা আৰু মানৱতাবাদ ৯৮ অন্তৰ্মুখিন বিষাদবোধ ১০৪ দ্বিধাগ্ৰস্ততাজনিতদ্বন্দ্ব ১০৭ নিঃসঙ্গ-চেতনা-১০৯ ঈশ্বৰবোধ ১১০ মৃত্যু চেতনা ১১৫ প্ৰেম চেতনা ১১৯; শান্তিৰ প্ৰয়াস ১২৬ জীৱন জিজ্ঞাসা ১২৯ আধ্যাত্মিক-চেতনা ১৩২ আধুনিক-চেতনা আৰু গতিধৰ্মী চিন্তা ১৩৪

**চতুৰ্থ অধ্যায়** **জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ৰূপ-বৈচিত্ৰ্য —**
**১৩৯ ১৯৬**

**জীৱনানন্দ দাশৰ কবিতাৰ ৰূপ বৈচিত্ৰ্য — ১৩৯ ১৭৩**
ছন্দ বৈচিত্ৰ্য ১৪০ অলংকাৰ বৈচিত্ৰ্য ১৪৫ প্ৰতীক ১৫০
চিত্ৰকল্প ১৫৮ ভাষা ১৭০

**নৱকান্ত বৰুৱাৰ কবিতাৰ ৰূপ বৈচিত্ৰ্য — ১৭৩ ৯৬**
ছন্দ বৈচিত্ৰ্য ১৭৪ অলংকাৰ বৈচিত্ৰ্য ১৭৯ প্ৰতীক ১৮২
চিত্ৰকল্প ১৮৮ ভাষা ১৯৪

**পঞ্চম অধ্যায়** সামগ্ৰিক তুলনামূলক বিচাৰ আৰু সামৰণি — ১৯৭ ২৪২
ভাব বৈচিত্ৰ্যৰ তুলনামূলক বিচাৰ — ১৯৭
ৰূপ বৈচিত্ৰ্যৰ তুলনামূলক বিচাৰ — ২৩৯
সামৰণি — ২৪১

**গ্ৰন্থপঞ্জী** — ২৪৩ ২৬০

# ভূমিকা ঃ বিষয় চিনাক্তকৰণ

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্ৰ্য বিচাৰ কৰিবলৈ যাওঁতে এটা প্ৰশ্ন হয় যে দুটা ভাৰতীয় ভাষাৰ দুজন কবিৰ কবিতা কিয় তুলনামূলক বিচাৰ কৰিবলৈ লোৱা হৈছে? এই প্ৰশ্নৰ উত্তৰ এতিয়াৰ যুগত তেনেই সহজ। কিছু বছৰৰ আগলৈকে সাহিত্যৰ তুলনামূলক বিচাৰ কাৰ্যটো অতি গুৰুত্বপূৰ্ণ আৰু অতি প্ৰয়োজনীয় এইষাৰ কথা আমাৰ দেশৰ মানুহে বুজি পোৱা নাছিল। কিন্তু পাশ্চাত্যৰ কিছুমান দেশত সাহিত্যৰ তুলনামূলক আলোচনা বহু আগৰ পৰা সণ্ডালনিকৈ চলি আহিছে। পোন প্ৰথম জাৰ্মানী আৰু ফ্ৰান্সত তুলনামূলক সাহিত্য বিচাৰ পদ্ধতি প্ৰৱৰ্তন হোৱাৰ পাছত অষ্ট্ৰিয়া চুইজাৰলেণ্ড পোলেণ্ড হাঙ্গেৰী যুগোশ্লোভিয়া ছোভিয়েত ৰাছিয়া আমেৰিকা কানাডা আদি দেশত তুলনামূলক সাহিত্য বিচাৰ জনপ্ৰিয় হৈ পৰিছিল আৰু সেইবোৰ দেশত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম ৰূপেও তুলনামূলক সাহিত্য গণ্য হৈ আহিছে। উল্লেখযোগ্য যে বহু পলমকৈ হলেও ভাৰতৰ যাদৱপুৰ বিশ্ববিদ্যালয়ত তুলনামূলক সাহিত্যৰ বিষয়টো স্বতন্ত্ৰ বিভা া হিচাপে প্ৰৱৰ্তন কৰা হয় আৰু তাৰ পাছৰ পৰাই মাদুৰাই দিল্লী আদি বিশ্ববিদ্যালযত স্বতন্ত্ৰ বিভাগ হোৱাৰ পাছত ১৯৯২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত তুলনামূলক সাহিত্যক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হয় আৰু বৰ্তমান অসমতো তুলনামূলক সাহিত্যৰ বিষয়টো জনপ্ৰিয় হ'বলৈ ধৰিছে।

সি যি কি নহওক — তুলনামূলক সাহিত্যৰ বিচাৰ যে অতীব প্ৰয়োজন এইষাৰ কথাত দ্বিমত থাকিব নোৱাৰে। আজিৰ যুগত জাতীয় ভাষা-সাহিত্য বোলা কথাষাৰ অৰ্থহীন হৈ পৰিছে। আচলতে ভাষা পৃথক হ'ব পাৰে কিন্তু সাহিত্য যিহেতু কলা গতিকে সাহিত্যৰ আবেদন বিশ্বজনীন। এই ক্ষেত্ৰত Rene Wellek আৰু Austin Warren ৰ এষাৰ কথা প্ৰণিধানযোগ্য। লেখক দুগৰাকীয়ে কৈছে — Truth in literature is the same as truth outside of literature i e Systematic and publicly verifiable knowledge [১] এই কথাষাৰ মানি নলৈ নোৱাৰি এই কাৰণেই যে সাহিত্যত যি সত্য প্ৰদৰ্শিত আৰু প্ৰতিষ্ঠিত হয় সেই সত্য সাহিত্যৰ বাহিৰত বাস্তৱ জীৱন আৰু জগতৰ ক্ষেত্ৰতো একে সত্য ৰূপে প্ৰমাণিত হয। এনে কাৰণতে ভিন্ন ভাষাৰ ভিন্ন সাহিত্যৰ তুলনামূলক বিচাৰ কৰা প্ৰয়োজন। কিন্তু এনে তুলনামূলক বিচাৰৰ বেলিকা ভিন্ন ভাষাৰ লেখক দুজনৰ সৃষ্টি

---

১ Rene Wellek and Austin Warren : Theory of Literature p 33

প্ৰতিভা আৰু সৃষ্টি সম্ভাৰৰ কিছু পৰিমাণে হলেও সাদৃশ্য আৰু সমৰূপতা থাকিব লাগিব। এই ফালৰ পৰা চাবলৈ গ'লে বাঙালী কবি জীৱনানন্দ দাশ আৰু অসমীয়া কবি নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক বিচাৰ কৰাৰ যুক্তিযুক্ততা আৰু প্ৰয়োজনীয়তা দুয়োটা আছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়ৰ মাজতো বৰ বেছি পাৰ্থক্য নাই। জীৱনানন্দ দাশৰ জন্ম ১৮৯৯ আৰু মৃত্যু ১৯৫৪ চনত আৰু নৱকান্ত বৰুৱাৰ জন্ম ১৯২৬ চন আৰু মৃত্যু ২০০২ চনত। জন্ম সাতাইশ বছৰৰ আগ পাছ মাত্ৰ। কিন্তু জন্মৰ চন তাৰিখৰ সামান্য পাৰ্থক্য থাকিলেও দুয়োজন কবিৰ সময়ৰ বৌদ্ধিক পৃষ্ঠভূমি প্ৰায় একে। কাৰণ দুয়োজন কবিয়ে ভাৰতৰ পৰাধীনতাৰ সময়তে জন্মগ্ৰহণ কৰিছে আৰু সেই ছোৱা সময়ৰ ভাৰতৰ ৰাজনৈতিক সংকট অৰ্থনৈতিক শোষণ-জৰ্জৰতা নতুন শৈক্ষিক বাতাবৰণ পৰিবৰ্তনমুখৰ সমাজ-সাংস্কৃতিক দ্বন্দ্ব মূল্যবোধৰ দ্বন্দ্ব একে। এনে বহুমুখী বাতাবৰণতে দুয়োজনৰ কবি মানস তথা বৌদ্ধিক বুনিয়াদ ৰচনা হৈছিল অৰ্থাৎ দুয়োজন কবিৰ বৌদ্ধিক পৃষ্ঠভূমি প্ৰায় একে। অৱশ্যে এটা পাৰ্থক্য আছে যে জীৱনানন্দ দাশৰ মৃত্যু হয় ভাৰতৰ স্বাধীনতা লাভৰ মাত্ৰ সাত বছৰৰ পাছতে ১৯৫৪ চনত আৰু তাৰ বিপৰীতে নৱকান্ত বৰুৱাৰ মৃত্যু হয় ২০০২ চনত অৰ্থাৎ ভাৰতে স্বাধীনতা লাভ কৰাৰ পচপন্ন বছৰৰ পাছত। এনে কাৰণতে জীৱনানন্দ দাশৰ তুলনাত নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনৰ পৰিধি বহুত বহল। কিন্তু জীৱন কালৰ তাৰতম্য থকা স্বত্ত্বেও দুয়ো গৰাকী কবিৰ ভাবনা জগত দুখনৰ বহু সাদৃশ্য আছে আৰু এনে কাৰণতো কবি দুগৰাকীৰ কবিতাৰ তুলনামূলক অধ্যয়ন হ'ব পাৰে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক বিচাৰ তুলনামূলক সাহিত্যৰ নীতিৰ পিনৰ পৰাও সমৰ্থনযোগ্য। কাৰণ তুলনামূলক সাহিত্যৰ তাত্ত্বিক সকলে মত পোষণ কৰি কৈছে যে তুলনামূলক সাহিত্য বিচাৰে সমালোচনাৰ পৰিসৰ বৃদ্ধি কৰে।[২] তদুপৰি তুলনামূলক অধ্যয়নৰ দ্বাৰা দুজন লেখকৰ সাহিত্যৰ গুণগত বৈশিষ্ট্যবোৰ অধিক স্পষ্ট হৈ পৰে আৰু দুয়োজন লেখকৰ ৰচনাৰ দোষ গুণবোৰো ধৰা পৰে। তুলনামূলক সাহিত্যৰ এনে গুণগত বৈশিষ্ট্য সম্পৰ্কে Anthony Trolopy এ কৈছে —

> "To see one poem or one picture or one building is to have little feeling for its qualities To see another example of the same thing which being another work of art is of course not the same but only comparable is to take the first step towards recognising what is in each case good original difficult intended "[৩]

২ প্ৰফুল্ল কটকী : তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ পৃঃ ২৮

৩ Anthony Trolopy : Yearbook of Comparative and General Literature XVIII (1968) P P 78-9

উল্লিখিত মন্তব্যটোৰ আধাৰত যদি চিন্তা কৰি চোৱা যায় তেতিয়া সহজে অনুমেয় যে আধুনিক বাংলা কবিতা আৰু আধুনিক অসমীয়া কবিতাক যি দুজন কবিয়ে কাব্যিক গুণবিশিষ্টতাৰে মহিমামণ্ডিত কৰি তুলিলে সেই দুয়োজন কবিৰ কবিতাৰ মৌলিক গুণগত বৈশিষ্ট্য অধিক স্পষ্ট হৈ পৰিব। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক অধ্যয়নৰ ইও এটা ইতিবাচক দিশ।

সাহিত্যৰ তুলনামূলক বিচাৰৰ বেলিকা দুজন বা ততোধিক লেখকৰ সাহিত্য আচলতে তুলনামূলক বিচাৰ উপযোগী হয়নে নহয় এই দিশটোও বিচাৰ কৰি চাবলগীয়া। যাৰ সাহিত্য তুলনামূলক বিচাৰ কৰিবলৈ লোৱা হয় সেই লেখক সকলৰ সাহিত্য এনে ধৰণৰ গুণসমৃদ্ধ হোৱা উচিত যে লেখক দুজনৰ সৃষ্টি-কৰ্ম প্ৰথমতে জাতীয় সাহিত্য ৰূপে আৰু দ্বিতীয়তে বিশ্বজনীন আবেদনপুষ্ট হ'ব লাগিব। এই ফালৰ পৰাও জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতা তুলনীয়। কাৰণ দুয়োজন কবিয়ে নিজ নিজ ভাষাৰ কাব্য জগত দুখনত এনে বিশিষ্ট স্থান দখল কৰি আছে যে দুয়োজন কবিৰ কবিতাই নিজৰ নিজৰ ভাষাৰ কবিতাৰ ইতিহাস ঐশ্বৰ্যমণ্ডিত কৰি তোলাৰ উপৰিও দুয়োজন কবিয়ে ভাৰতীয় কবি হিচাপে খ্যাতিমান। এই বিষয়ত জীৱনানন্দ দাশৰ বিষয়ে দীপ্তি ত্ৰিপাঠীয়ে কোৱা এষাৰ কথা প্ৰণিধানযোগ্য।

> এক বিমূঢ় যুগেব বিভ্ৰান্ত কবি জীবনানন্দ। পৌষেব চন্দ্ৰালোকিত মধ্যবাত্ৰিয় প্ৰকৃতিব মতো তাঁর কাব্য কুহেলীকুহকে আচ্ছন্ন। স্বভাবোক্তি অলংকাব ও বাক্ প্ৰয়োগেব দেশজ বীতিব মিলনে সৃষ্ট তাঁব আপাতসুবোধ্যতাব অন্তবালে এক দুৰ্জ্ঞেয় বহস্য বিবাজিত। বলতে কি আধুনিক কবিদেব মধ্যে একমাত্ৰ তাঁব কাব্যেই এ-যুগেব সংশয়ী মানবাত্মাব ক্ষতবিক্ষত বক্তাক্ত পবিচয়টি ফুটে উঠেছে। [৪]

আপোন যুগটোৰ এগৰাকী অন্যতম কবি হিচাপে জীৱনানন্দ দাশৰ বিষয়ে কৰা মন্তব্যটো যিদৰে গ্ৰহণযোগ্য সেইদৰে নৱকান্ত বৰুৱাৰ বিষয়ে এনেদৰে ভাবিব পাৰিনে নোৱাৰি ইও বিচাৰ্য। ক'বই লাগিব যে জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাও আধুনিক অসমীয়া কবিতাৰ ইতিহাসৰ অন্যতম কবি। এই বিষয়ে বিস্তৰ ব্যাখ্যালৈ নগৈ এগৰাকী সমালোচকৰ মত তুলি দিয়াই সমীচীন।

'জয়ন্তী' পছোৱাৰ প্ৰস্তুতি পৰ্বতে কাব্য-জীৱন আৰম্ভ কৰা নৱকান্ত বৰুৱাই 'ৰামধেনু' যুগৰ বিকাশ-পৰ্বত অগ্ৰণী কবি হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল।"[৫]

৪ দীপ্তি ত্ৰিপাঠী আধুনিক বাংলা কাব্য পরিচয় পৃ ১১৭

৫ নলিনীধৰ ভট্টাচাৰ্য 'কবিতা : আধুনিক যুগ' হোমেন বৰগোহাঞি (সম্পা) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য পৃঃ ৫০

সি যি কি নহওক — এই দুয়ো গৰাকী কবি যে শীৰ্ষস্থানীয় ভাৰতীয় কবি তাত সন্দেহ নাই আৰু দুয়োগৰাকী কবিৰ কবিতাই কবি দুগৰাকীৰ সমসাময়িক আৰু পৰৱৰ্তী কালৰ কবিসকলক দিক্‌দৰ্শন তথা প্ৰভাৱান্বিত কৰি আহিছে। গতিকে এনে দুগৰাকী কবিৰ কবিতাৰ তুলনামূলক অধ্যয়ন অতি প্ৰাসঙ্গিক আৰু প্ৰয়োজনীয়ও।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্ৰ্য বিচাৰ শীৰ্ষক শিৰোনামটোত তিনিটা দিশ স্পষ্ট হৈ আছে। প্ৰথমটো হ'ল জীৱনানন্দ দাশৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্ৰ্য দ্বিতীয়টো নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্ৰ্য আৰু তৃতীয়টো হ'ল — দুয়ো গৰাকী কবিৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্ৰ্যৰ তুলনামূলক বিচাৰ। এইখিনিতে প্ৰশ্ন হয় যে দুয়োগৰাকী কবিৰ কবিতাৰ সামগ্ৰিকভাৱে তুলনামূলক বিচাৰ কৰাৰ পৰিৱৰ্তে কেৱল ভাব আৰু ৰূপৰ তুলনামূলক বিচাৰ কৰিবলৈ লোৱা হ'ল কিয়? দুয়োজন কবিৰ কবিতাৰ তুলনামূলক বিচাৰ কৰিবলৈ লোৱা হৈছে যেতিয়া ভাব আৰু ৰূপৰ লগতে বিষয়-বস্তু আৰু ৰসবস্তু — এই দুটাকো সামৰি লোৱা উচিত আছিল। চাবলৈ গ'লে কথাষাৰ সঁচা। কাৰণ কবিতাই হওক বা যি শ্ৰেণীৰ সাহিত্যই নহওক — বিষয়-বস্তু ভাব-বস্তু ৰূপবস্তু আৰু ৰসবস্তু এই চাৰিওটাৰ বিচাৰ হ'লেহে সাহিত্যৰ পূৰ্ণাঙ্গ বিচাৰ হয়। কিন্তু এইষাৰ কথাও মনত ৰাখিব লাগিব যে কবিতাৰ আলোচনাত বিষয়বস্তু আৰু ৰসবস্তুক পৃথকে আলোচনা নকৰিলেও হয়। কাৰণ কবিতাত বিষয়বস্তু আৰু ভাববস্তু পৃথক হৈ নাথাকে। কবিতাৰ ভাৱেই বিষয়বস্তু হৈ পৰে আৰু এনে কাৰণতে বিষয়বস্তুৰ পৃথক আলোচনাৰ প্ৰয়োজন নাথা'কে। গল্প উপন্যাস আৰু নাটকৰ কথা অৱশ্যে সুকীয়া। আনহাতে কবিতাৰ ভাববস্তুৰ বিচাৰ কৰাৰ পাছত পৃথকে ৰসবস্তুৰ বিচাৰ নকৰিলেও হয়। কৰিব খুজিলে কৰিব পাৰি। কিন্তু ৰস যিহেতু ভাবনাশ্ৰয়ী গতিকে ভাব বিচাৰৰ লগতে ৰস বিচাৰ কৰি যাব পাৰি। কিন্তু কবিতাৰ ৰূপ বিচাৰ পৃথকে কৰিবই লাগিব। কাৰণ কবিতাৰ শৰীৰ শব্দনিৰ্মিত যদিও ছন্দ আৰু অলংকাৰযুক্ত শব্দ শৰীৰহে সৌন্দৰ্যশালী হয়। এনে কাৰণতে কবিতাৰ ৰূপবস্তুৰ স্বতন্ত্ৰীয়া বিচাৰৰ প্ৰয়োজন।

এইখিনি কথাৰে স্পষ্ট কৰি দিবলৈ চেষ্টা কৰা হ'ল যে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব বিচাৰৰ লগতে বিষয়বস্তু আৰু ৰসবস্তুৰ বিচাৰ স্বাভাৱিকতে হ'ব আৰু ইয়াৰ বিপৰীতে দুয়ো গৰাকী কবিৰ কবিতাৰ আঙ্গিক বৈশিষ্ট্য বা ৰূপগত বৈশিষ্ট্য পৃথকে বিচাৰ কৰাৰ প্ৰয়োজনীয়তা আছে। সেয়ে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপবৈচিত্ৰ্য বিচাৰ কৰোতে কবি দুগৰাকীৰ কবিতাৰ বিষয়বৈচিত্ৰ্য আপোনা আপুনি স্পষ্ট হৈ পৰিব আৰু এই আলোচনাটোত দুয়োগৰাকী কবিৰ সামগ্ৰিক মূল্যায়নো স্পষ্ট হৈ উঠিব।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপবৈচিত্ৰ্য — এই বিষয়টো বিশ্লেষণ কৰিবৰ বাবে মুঠতে পাঁচোটা অধ্যায়ত ভাগ কৰি লোৱা হৈছে। প্ৰতিজন

লেখক বা কবিয়ে আত্মপ্ৰকাশ আৰু আত্মপ্ৰতিষ্ঠা কৰে নিজৰ চিন্তা মেধা আৰু সৃজনীশীল প্ৰতিভাৰ বলত। অথচ ক'ব লাগিব যে একোজন লেখক বা কবি সমকালৰো সৃষ্টি। কাৰণ সমকালৰ ৰাজনৈতিক অৰ্থনৈতিক শৈক্ষিক সমাজ-সাংস্কৃতিক আৰু বৌদ্ধিক বাতাবৰণে লেখকৰ মন আৰু মানসিকতা চিন্তা আৰু চেতনাকো জোকাৰি দিয়ে আৰু ইয়াৰ ফলত লেখকৰ সন্ধানী দৃষ্টিভঙ্গী এটা গঢ়লৈ উঠে আৰু এনে সন্ধানী দৃষ্টিভঙ্গীৰ সৈতে সৃষ্টিশীল প্ৰেৰণা সংযোগ হয় বাবেই কবিতা বা সাহিত্য বিবিধ ৰূপত প্ৰকাশ পায়। অৰ্থাৎ সৃষ্টি হয়। এনে কাৰণতে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ বিচাৰ বিশ্লেষণ কৰাৰ আগতে দুয়োগৰাকী কবিৰ সময় অৰ্থাৎ কবি দুগৰাকীৰ সমকালৰ সমস্যা দ্বন্দ্ব আশা আৰু নিৰাশাৰে জৰ্জৰিত স্বৰূপটো বিচাৰ কৰা হৈছে প্ৰথম অধ্যায়ত।

এই আলোচনাৰ দ্বিতীয় অধ্যায়ত দুয়োগৰাকী কবিৰ কাব্যকৃতিৰ পৰিচয় দাঙি ধৰা হৈছে। দেখা যায় যে সংখ্যাৰ লেখতো দুয়োগৰাকী কবিৰ কাব্য সংকলন যথেষ্ট। দুয়ো গৰাকী কবিৰ কাব্যগ্ৰন্থৰ লগতে সামগ্ৰিকভাৱে দুয়োগৰাকী কবিৰ সাহিত্য কৃতিৰ অতি চমু আভাস দিয়া হৈছে দ্বিতীয় অধ্যায়ত।

প্ৰথম আৰু দ্বিতীয় অধ্যায়ত কবি দুগৰাকীৰ সমকাল আৰু দুয়োগৰাকী কবিৰ কাব্যকৃতিৰ আভাস দিয়াৰ পাছত তৃতীয় অধ্যায়তহে মূল বিষয়টোৰ ভিতৰলৈ সোমোৱা হৈছে। তৃতীয় অধ্যায়ত কবি দুগৰাকীৰ কবিতাৰ ভাবনা জগতৰ বিচাৰ কৰোতে দুয়োগৰাকী কবিৰ কবিতাত ভাবনা জগতখন কি কি দিশত বৈচিত্ৰ্যময় হৈ উঠিছে, তাৰ বিচাৰ বিশ্লেষণ কৰা হৈছে। দেখা গৈছে যে দুয়ো গৰাকী কবিৰ কবিতা বিশেষে ভিন ভিন ভাব চিন্তাই ভিন্নমুখী শাখা-প্ৰশাখা মেলিছে যদিও দুয়ো গৰাকী কবিৰ কবিতাৰ প্ৰধান ভাব ত্ৰিধাৰাবিশিষ্ট হৈ প্ৰকাশ পোৱা দেখা গৈছে। এই তিনিটা প্ৰধান ভাবৰ ধাৰা হ'ল ঐতিহ্যচেতনা প্ৰেমচেতনা আৰু মৃত্যুচেতনা। এনে কাৰণতে তৃতীয় অধ্যায়ত জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতৰ আলোচনাত ঐতিহ্য চেতনা প্ৰেম চেতনা আৰু মৃত্যু চেতনাই কবি দুগৰাকীৰ কবিতাৰ ভাবনা জগত দুখন কিদৰে গভীৰ তথা ঐশ্বৰ্যময় কৰি তুলিছে, এইবোৰ দিশৰ ব্যাখ্যা তৃতীয় অধ্যায়ত দিয়া হৈছে।

আলোচ্য বিষয়টোৰ দ্বিতীয়টো দিশ ৰূপবৈচিত্ৰ্য অৰ্থাৎ আঙ্গিকৰ বিষয়ে আলোচনা কৰা হৈছে চতুৰ্থ অধ্যায়ত। এইটো অধ্যায়ত দুয়োগৰাকী কবিৰ কবিতাৰ ছন্দ আৰু অলংকাৰৰ বৈভৱ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা হৈছে। কবি দুগৰাকীৰ কবিতাৰ ৰূপগত বৈশিষ্ট্য বিচাৰ কৰোঁতে প্ৰতীক চিত্ৰকল্প উপমা ৰূপক আদি অলংকাৰ আৰু বিবিধ প্ৰকাৰ ছন্দ কিদৰে প্ৰয়োগ হৈছে, এই দিশবোৰ চতুৰ্থ অধ্যায়ত উদাহৰণসহ ব্যাখ্যা কৰি দেখুওৱা হৈছে।

পঞ্চম অধ্যায়ত কবি দুগৰাকীৰ কবিতাৰ সামগ্ৰিকভাৱে তুলনামূলক আলোচনা কৰা হৈছে আৰু এনে তুলনামূলক আলোচনাৰেই বিষয়টো সামৰণি মৰা হৈছে।

# প্ৰথম অধ্যায়
# জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়

## জীৱনানন্দ দাশৰ সময়

লেখক সময়ৰ সৃষ্টি। সমকালৰ ৰাজনৈতিক অৰ্থনৈতিক শৈক্ষিক সমাজ সাংস্কৃতিক আৰু বৌদ্ধিক বাতাৱৰণে সমাজ মনত নতুন মূল্যবোধৰ জন্ম দিয়ে। এনে পৰিবৰ্তিত মূল্যবোধে লেখকৰ সচেতন মনত নানান ধৰণৰ চিন্তাৰ উদ্ৰেক কৰে আৰু এনে চিন্তাই লেখকৰ সৃষ্টিশীল মনক প্ৰেৰণাদীপ্ত কৰি তোলে।

লেখক তথা সমাজ মনত গভীৰ প্ৰভাৱ পেলোৱা অথবা সামাজিক মূল্যবোধৰ ৰূপান্তৰ ঘটোৱা দিশত ৰাজনৈতিক বাতাৱৰণেই প্ৰধান। দৰাচলতে ৰাজনৈতিক অৱস্থাৰ ওপৰতে সমাজ তথা জাতীয় অৰ্থনীতি নিৰ্ভৰ কৰে। সেইদৰে শৈক্ষিক সমাজ-সাংস্কৃতিক আৰু বৌদ্ধিকতাও প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰাজনীতিৰ ওপৰতে নিৰ্ভৰশীল।

জীৱনানন্দ দাশৰ জন্ম হৈছিল ১৮৯৯ খৃ ত আৰু মৃত্যু হয় ১৯৫৪ চনত। দেখা যায় যে ভাৰতে স্বাধীনতা লাভ কৰাৰ মাত্ৰ সাত বছৰৰ পাছতে জীৱনানন্দ দাশৰ মৃত্যু হয় আৰু এই ফালৰ পৰা চাবলৈ গ'লে জীৱনানন্দ দাশৰ সময় ভাৰতে পৰাধীনতাৰ গ্লানি বহন কৰি থকা সময়। দীৰ্ঘকাল জুৰি বৃটিশৰ অধীনত ভাৰতীয় মানুহে শোষিত হৈ জীৱন অতিবাহিত কৰিব লগা হৈছিল আৰু এনে শোষণৰ পৰা নিজকে মুক্ত কৰিবৰ বাবে ভাৰতীয় মানুহৰ মনত বৃটিশবিৰোধী চেতনা এটা ক্ৰিয়াশীল হৈ আছিল। এনে মুক্তিকামী চেতনাৰ বাবেই ১৮৫৭ খৃ-ত চিপাহী বিদ্ৰোহ হয় আৰু বৃটিশ বিৰোধী চিপাহী বিদ্ৰোহৰ যোগেদিয়ে ভাৰতত বৃটিশবিৰোধী ৰাজনৈতিক চেতনা ক্ৰমশ গণচেতনালৈ পৰ্যবেশিত হ'বলৈ ধৰে। কিন্তু সেইছোৱা সময়ত ভাৰতত শক্তিশালী একক ৰাজশক্তি নোহোৱা বাবে ভাৰতীয় মানুহে মাৰ বান্ধি বৃটিশৰ বিৰুদ্ধে থিয় দিব পৰা নাছিল। ইয়াৰ ফলত প্ৰবল প্ৰতাপী বৃটিশে ভাৰতীয় মানুহৰ বিদ্ৰোহী চেতনা সহজে মষিমূৰ কৰিছিল।

সি যি কি নহওক — পৰাধীন ভাৰতৰ জনগণে অভাবনীয়ভাৱে ৰাজনৈতিক অস্থিৰতাৰ দ্বন্দ্বত জৰ্জৰিত হৈ থকা সময়তে ১৯১৪ চনৰ পৰা প্ৰথম বিশ্ব যুদ্ধ চলিবলৈ ধৰে আৰু এই যুদ্ধই পোনপটীয়াকৈ ভাৰতক জড়িত কৰা নাছিল যদিও পৰোক্ষভাৱে হ'লেও ভাৰতত প্ৰথম বিশ্বযুদ্ধই ৰাজনৈতিক পাৰ্শ্বক্ৰিয়া সৃষ্টি কৰিছিল।

উনবিংশ শতিকাৰ শেষাৰ্দ্ধ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধ মুঠতে এই এশ বছৰ আছিল ভাৰতৰ ৰাজনৈতিক সংকটৰ সময়। প্ৰথম বিশ্ব যুদ্ধ চলি থকা সময়তে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বৰাজ আন্দোলনে ভাৰতীয় জনগণক ৰাজনৈতিকভাৱে জাগ্ৰত কৰে। কিন্তু গান্ধীৰ অহিংস আন্দোলনকো বৃটিশে হিংসাত্মকভাৱে দমন কৰিবলৈ ধৰে। বৃটিশৰ এনে হিংসাত্মক নীতিৰ স্বৰূপ দেখি সুভাষ চন্দ্ৰ বসু প্ৰমুখ্যে কিছুমানে গান্ধীৰ অহিংস আন্দোলনৰ প্ৰতি বিশ্বাস হেৰুৱালে আৰু হিংসাৰে আন্দোলন দমন কৰিবলৈ বিচৰা বৃটিশৰ বিৰুদ্ধে হিংসাত্মক আন্দোলন গঢ়ি তুলিলে।

ভাৰতত গান্ধীৰ অহিংস আন্দোলন আৰু সুভাষ চন্দ্ৰ বসুৰ হিংসাত্মক আন্দোলন — এই দুই বিপৰীতধৰ্মী আন্দোলন চলি থকাৰ সময়তে ভাৰতত আন এটা ৰাজনৈতিক মতাদৰ্শৰ সূত্ৰপাত হয়। ১৯১৯ চনত ছোভিয়েট ৰাছিয়াত আন্তৰ্জাতিক কমিউনিষ্ট কংগ্ৰেছ অনুষ্ঠিত হয় আৰু তাত যোগ দিবৰ বাবে ভাৰতৰ পৰা মানবেন্দ্ৰ ৰায় গৈছিল আৰু তাৰ পৰা মানবেন্দ্ৰ ৰায়ে কমিউনিষ্ট মেনিফেষ্ট কিছুমান আনি সচেতন শ্ৰেণীটোৰ মাজত বিতৰণ কৰি দিছিল। মুঠতে মানবেন্দ্ৰ ৰায়ৰ যোগেদি ভাৰতত কমিউনিষ্ট ৰাজনৈতিক মতাদৰ্শৰ পাতনি মেলা হয় আৰু ইয়াৰ পাছৰ পৰা ভাৰতত কমিউনিষ্ট মতাদৰ্শৰ প্ৰসাৰ ঘটিবলৈ ধৰে।[১]

এই খিনিতে উল্লেখযোগ্য যে ভাৰতত কমিউনিষ্ট সকল সংঘবদ্ধভাৱে শক্তিশালী হৈ উঠাৰ সময়তে তেওলোকে গান্ধীৰ অহিংস নীতিৰ প্ৰতি বিশ্বাস হেৰুৱাবলৈ ধৰিলে। তেওলোকে বিশ্বাস কৰিবলৈ ধৰিলে যে অহিংস নীতিৰে বৃটিশৰ বিৰুদ্ধে বিপ্লৱ কৰা মানে আৱেগিক উচ্ছ্বাসৰ বাহিৰে আন একো নহয়। তেওলোকৰ মতে এনে আৱেগিক আন্দোলন বুৰ্জোৱা মানসিকতাৰ বাস্তৱবিৰোধী উচ্ছ্বাসৰ বাহিৰে আন একো নহয়।

বংগীয় সমাজত গান্ধীৰ অসহযোগ আন্দোলনৰ সময়ত সাম্যবাদী চিন্তা ধাৰাৰ স্বৰূপৰ বিষয়ে দীপ্তি ত্ৰিপাঠীয়ে কৈছে —

> ১৯২৪ সালে সোভিয়েট কর্তৃপক্ষের সঙ্গে মানবেন্দ্র রায়ের মনোমালিন্যেব ফলে ভাবতে সাম্যবাদ প্রচাবের দায়িত্ব রজনী পাম দত্তেব হাতে পড়ে। ১৯২৭ ২৮ সালেব মধ্যে ভাবতেব কমিউনিষ্ট পার্টি প্রতিষ্ঠিত হয় এবং ১৯২৯ সালে মীরাট ষড়যন্ত্র মামলায় তাঁদেব কার্যকলাপ প্রথম জনসাধাবণের দৃষ্টি আকর্ষণ করে। প্রথম থেকেই কমিউনিষ্ট পার্টি অসহযোগ আন্দোলনের অসারতা প্রতিপাদন করে গণ-ধর্মঘট প্রভৃতির মাধ্যমে বৈপ্লবিক চেতনা সঞ্চাবের চেষ্টা করেন। অহিংস আন্দোলন তাঁদের মতে বুর্জোবা আন্দোলন — এব মূল লক্ষ্য

১ সমরেন রায় ঃ মানবেন্দ্রনাথ ও আন্তর্জাতিক কমিউনিজম পৃঃ ২৮

সাম্রাজ্যবাদেব ধ্বংস নয় ববং তাব কাছ থেকে কিছু আদায় কবে ধনতন্ত্রকেই শক্তিমান কৰা। [২]

বিংশ শতিকাৰ তৃতীয় দশকৰ পৰা বঙ্গদেশত সাম্যবাদী চিন্তাধাৰাৰ প্ৰভাৱ তীব্ৰতৰ হৈ আহিবলৈ ধৰে আৰু এই সাম্যবাদী চিন্তাধাৰাৰ প্ৰতি সচেতন মহলৰ মন আকৰ্ষিত হয়। বঙ্গদেশত সাম্যবাদী চিন্তাধাৰাই গা কৰি উঠা সময়ত জীৱনানন্দ দাশৰ মন আৰু মানসিকতা ভৰপূৰ হৈ আছিল তাৰুণ্যৰ চপলতাৰে আৰু এনে কাৰণতে জীৱনানন্দ দাশৰ দৃষ্টিভঙ্গীও পুৰাতন বিশ্বাসজনিত আবেষ্টনীৰ পৰা মুক্ত হৈ ৰূঢ় কঠিন বাস্তৱতাৰ মাজত সোমাই পৰিল। জীৱনানন্দ দাশৰ এনে নব্য মানসিকতা গঢ় লৈ উঠিছিল তেওঁৰ যৌৱন কালৰ বঙ্গীয় সমাজৰ সাম্যবাদী জোৱাৰৰ পৃষ্ঠভূমিত।

বিংশ শতাব্দীৰ প্ৰথম তিনিটা দশকত বঙ্গ দেশত গান্ধীৰ স্বৰাজ আন্দোলনে প্ৰভাৱান্বিত কৰিছিল শিক্ষিত শ্ৰেণী মানুহৰ পৰা আৰম্ভ কৰি অশিক্ষিত চহা সমাজলৈকে। কিন্তু সাম্যবাদী চিন্তা সীমাবদ্ধ হৈ আছিল সচেতন শিক্ষিত শ্ৰেণীটোৰ মাজত। ১৯২১ চন পৰ্যন্ত ভাৰতত কমিউনিষ্ট পাৰ্টি গঠন হোৱা নাছিল যদিও সাম্যবাদী চিন্তাৰ শক্তিশালী বাতাৱৰণ এটা কিন্তু গঢ় লৈ উঠিছিল। এনে বাতাৱৰণৰ ফলশ্ৰুতি স্বৰূপে ট্ৰেড ইউনিয়ন গঢ় লৈ উঠিছিল আৰু ট্ৰেড ইউনিয়নৰ যোগেদি শ্ৰমিক আৰু কৃষক সকলক সংঘবদ্ধ কৰা হৈছিল।[৩] আনহাতে মুজাফৰ আহমেদ আৰু নজৰুলৰ দৰে শিক্ষিত মধ্যবিত্তই একাধিক সংবাদ পত্ৰ প্ৰকাশ কৰি মাৰ্কসবাদৰ প্ৰচাৰ চলায়। মুঠতে মুজাফৰ আহমেদ নজৰুল নৃপেন্দ্ৰকৃষ্ণ আদি চিন্তা বিপ্লৱী সকলে ভাৰতত ৰুছ বিপ্লৱৰ আদৰ্শ প্ৰচাৰত আত্মনিয়োগ কৰে। উল্লেখযোগ্য যে এনে সাম্যবাদী বিপ্লৱী চেতনা স্বোচ্চাৰ হৈ উঠিছিল কলিকতাক কেন্দ্ৰ কৰি আৰু কলিকতাকেন্দ্ৰী এই সাম্যবাদী বিপ্লৱী আদৰ্শৰ প্ৰতি তৰুণ কবি জীৱনানন্দ দাশ উদ্বুদ্ধ হৈছিল। এনে কাৰণতে জীৱনানন্দ দাশৰ প্ৰথম কাব্য গ্ৰন্থ 'ঝৰা পালক (১৯২৭)ৰ কোমলকান্ত কাব্যিক ভাবানুভূতিৰ বিপৰীতে পৰবৰ্তী কাব্যগ্ৰন্থৰ কবিতা সমূহত জীৱনানন্দ দাশৰ দৃষ্টিভঙ্গী পৰিৱৰ্তন হ'বলৈ ধৰিলে। এই ক্ষেত্ৰত শশীনাথ ঝাই কৈছে —

'বিংশ শতকেব ক্রান্তি লগ্নে জীবনানন্দেব জন্ম দ্বিতীয় দশকেব শেষে গ্রন্থ প্রকাশ এবং তৃতীয় দশকেব মধ্য পর্বে তাব কবিতার দিক পরিবর্তন ঘটে। এই সচেতন পৰিবৰ্তিত চিন্তাব ফসল গুলি 'সাতটি তাবার তিমিব বেলা অবেলা কাল বেলা এবং 'আলো পৃথিবী গ্রন্থে আশ্রয় পেয়েছে। প্রথম জীবনে তিনি দেখেছিলেন নষ্ট এক পৃথিবীকে অভূতপূর্ব

২ দীপ্তি ত্রিপাঠী আধুনিক বাংলা কাব্য পরিচয় পৃঃ ১১

৩ শশীনাথ ঝা : 'জীবনানন্দের কবিতা : মার্কসীয় দর্শনের প্রভাব ও স্বীকৃতি তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃঃ ৯৬

অন্ধকাবকে। এলিয়ট প্রমুখ কবিদেব মত তাবও মনে হয়েছিল এথেকে মানুষেব মুক্তি নেই। মার্কসেব ইতিহাস চেতনা 'মানুষেব ইতিহাস শ্রেণী সংগ্রামেব ইতিহাস তির্যকভাবে পুষ্ট কবেছিল জীবনানন্দেব ক্ষয় তত্ত্বকেই। [৪]

সমকালৰ মার্কসীয় ভাবধাৰাৰ প্ৰভাৱত জীৱনানন্দৰ কবি মানস ইমানেই পৰিবৰ্তন হ'ল যে তেওঁ পৰম্পৰাগত সহজ বিশ্বাসপ্ৰৱণ আৱেষ্টনীৰ পৰা মুক্ত হৈ গভীৰভাৱে সমাজ সমীক্ষা কৰিবলৈ ল'লে তেওঁৰ কবিতাৰ যোগেদি। এই বিষয়ত শশীনাথ ঝাই কৈছে —

'জীবনেব তাৎপর্য ব্যক্তিব বিকাশ এবং সুস্থতাব প্রার্থনা — বিরুদ্ধ সমাজ পবিবেশ কবিকে বিমূঢ় বিভ্রান্ত করেছে। অগ্রজ ববীন্দ্রনাথ অটল অধ্যাত্মবোধে এ হতাশাকে অতিক্রম কবেছেন। কিন্তু জীবনানন্দ অলৌকিক শক্তি বা ঈশ্ববেচ্ছায় আস্থাবান ছিলেন না ফলতঃ ববীন্দ্রনাথেব জীবন সায়াহ্নেব হতাশা জীবনানন্দে চবম নেতিব জন্ম দিযেছিল।

কলকাতাব জীবন যাপন মন্দা এব, মহাযুদ্ধ এবং তৎপ্রসূত জনআন্দোলনগুলি স্পর্শকাতব কবিকে বাধ্য কবলো নতুন অনুসন্ধানে আত্মমগ্নতাব তিমিবে বিলাসী কবি ক্রমশ আত্মজিজ্ঞাসায সমাজ বিশ্ব ইতিহাসকে স্পষ্টভাবে বুঝতে চাইলেন অদৃষ্ট অপ্রতিবোধ্য মানব নিযতিকে স্পষ্টভাবে তিনি চিহ্নিত কবলেন সর্বকালে সর্বদুঃখেব উৎস তিনি কবলেন আবিস্কাব। আব জানলেন এব বিরুদ্ধে সংগ্রামে মানুষের জয অনিবার্য — ইতিমধ্যে এ বিজয়েব বক্ত পতাকা তাঁকে আশা দিল দিল প্রেবণা। মহাযুদ্ধেব সম্ভাবনা ববীন্দ্রনাথেব জীবন বিশ্বাস দেউলিয়া কবলেও তখনেই জীবনানন্দ নেতি থেকে আশ্রয পালেন ইতিতে। [৫]

সমকাল চেতনাৰ প্ৰভাৱৰ পৰা কোনো লেখকেই সম্পূৰ্ণ মুক্ত হোৱা সম্ভৱ নহয়। জীৱনানন্দ দাশ অত্যন্ত সমাজ সচেতন কবি আৰু সেয়ে তেওঁ সমকালৰ নব্য চিন্তা ধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈ থাকিব পৰা নাই। এই কথাষাৰ স্পষ্ট কৰি তোলাৰ প্ৰয়োজনতে শশীনাথ ঝাৰ মন্তব্যটো ইয়াত তুলি দিয়া হৈছে। দৰাচলতে জীৱনানন্দৰ দৰে প্ৰখৰ বুদ্ধিদীপ্ত কবিয়ে সমকালৰ সাম্যবাদী চিন্তাধাৰাৰ দ্বাৰা উদ্বুদ্ধ হৈয়ে বস্তুনিষ্ঠভাৱে সমাজ বীক্ষা কৰিছে আৰু এনে কাৰণতে মানুহৰ জীৱন ৰূঢ় বাস্তৱ দৃষ্টিভংগীৰে বিচাৰ বিশ্লেষণ কৰিছে তেওঁৰ কবিতাত।

---

৪ উল্লিখিত পৃঃ ৯৯

৫ উল্লিখিত পৃ ১০০ ১০১

যিকোনো এছোৱা সময়ত কেৱল এটা বা দুটা ভাবাদৰ্শ ক্ৰিয়াশীল হৈ নাথাকে। বৰং সমধৰ্মী আৰু বিপৰীতধৰ্মী ভিন্ন ভাবাদৰ্শৰ দ্বাৰা এছোৱা সময় বৈচিত্ৰ্যময় হৈ থাকে। জীৱনানন্দ দাশৰ সময়ো আছিল বহুধা বিভক্ত ভাবধাৰাৰে বৈশিষ্ট্যপূৰ্ণ। এনে বিশিষ্ট ভাবধাৰা সমূহৰ ভিতৰত ৰাজা ৰামমোহন ৰায়ৰ নতুন তথা গতিশীল চিন্তাপ্ৰসূত ব্ৰাহ্ম সমাজৰ ভাবাদৰ্শ অন্যতম। যুগ যুগ ধৰি চলি অহা সমাজৰ অন্ধবিশ্বাসজনিত কু'সংস্কাৰৰ বিৰুদ্ধে নতুন চিন্তা আৰু চেতনাৰে যি সমাজ সংস্কাৰ আন্দোলন ৰামমোহন ৰায়ৰ নেতৃত্বত গঢ লৈ উঠিছিল সেই আন্দোলন ৰামমোহন ৰায়ৰ পাছত দেবেন্দ্ৰনাথ ঠাকুৰ আৰু অক্ষয় কুমাৰ দত্ত আদি জনদিয়েক ব্যক্তিৰ দ্বাৰা ব্ৰাহ্ম সমাজৰ আদৰ্শই সমগ্ৰ ঊনবিংশ শতিকাত বঙ্গদেশত এটা প্ৰবল আলোডন তুলিছিল। উল্লেখযোগ্য যে এই ব্ৰাহ্ম ধৰ্মৰ আদৰ্শপুষ্ট দুটা পৰিয়ালত জন্ম হৈছিল ৰবীন্দ্ৰনাথ আৰু জীৱনানন্দ দাশ। গতিকে ৰবীন্দ্ৰনাথ আৰু জীৱনানন্দ দাশ ব্ৰাহ্ম পৰিয়ালৰ সংস্কাৰকামী অথচ অধ্যাত্মবাদী ধ্যান ধাৰণাৰ মাজতে জন্ম হৈ সেই অধ্যাত্মবাদী বাতাৱৰণৰ মাজতে দুয়োজন লালিত পালিত হৈছিল। কিন্তু মন কৰিবলগীয়া যে ৰবীন্দ্ৰনাথ ৰৈ গ'ল সেই আধ্যাত্মিক ভাবনা জগতখনতে কিন্তু জীৱনানন্দ দাশ সেই আধ্যাত্মিক ভাবনা জগতখনত আৱদ্ধ নাথাকি আধুনিক চিন্তা জগতত সোমাই পৰিল। কিন্তু সিয়ে হ'লেও পৰিয়ালৰ যিটো আধ্যাত্মিক বাতাৱৰণৰ মাজত জন্ম হৈ তেও ডাঙৰ দীঘল হৈছিল সেই প্ৰভাৱৰ পৰা তেও সম্পূৰ্ণ মুক্ত হোৱা সম্ভৱ নহ'ল। সেয়ে জীৱন জিজ্ঞাসাপ্ৰধান কাব্যিক দৃষ্টিভঙ্গী মাজে মাজে গুৰুগম্ভীৰ আধ্যাত্মিক গাম্ভীৰ্যৰ মাজত সোমাই পৰা দেখা গ'ল।

সমকালৰ চিন্তা আৰু চেতনাৰ পৰা কোনো লেখকেই মুক্ত হোৱা সম্ভৱ নহয়। জীৱনানন্দ দাশেও তেওঁৰ সময়ৰ বংগীয় সমাজৰ ভিন ভিন চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। অথচ বয়সৰ লগে লগে তেওৰ মনৰ পৰা কিছুমান সামাজিক মতাদৰ্শৰ মোহ হেৰাই গৈছিল। জীৱনানন্দ দাশৰ জীৱন কাল ভাৰতৰ পৰাধীনতাৰ সময়তে সীমাবদ্ধ বুলি ক'ব পৰা যায়। কাৰণ ভাৰতে স্বাধীনতা লাভ কৰাৰ মাত্ৰ সাত বছৰৰ পাছতে তেওঁৰ মৃত্যু হয়। কিন্তু তেওৰ তাৰুণ্য কাল আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ উত্তাল উচ্ছ্বাস সৰ্বস্ব। সেয়ে তেওঁৰ প্ৰথম কাব্যগ্ৰন্থ 'ঝৰা পালক'ৰ বহু কবিতাত দেশাত্মবোধৰ ভাব উথলি উঠা দেখা যায়। সেইদৰে বিবেকানন্দৰ অধ্যাত্ম-সমাজৰ যি আদৰ্শ সেই আদৰ্শয়ো বংগীয় সমাজক গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল আৰু এনেধৰণৰ ভিন্ন বৈশিষ্ট্যযুক্ত ভাবাদৰ্শৰ পৰা জীৱনানন্দ দাশ স্বাভাৱিকভাৱেই মুক্ত হোৱা সম্ভৱ নাছিল বাবে তেওঁৰ প্ৰথম পৰ্বৰ কবিতাত এফালে সমকালৰ বংগ দেশত আলোড়ন সৃষ্টি কৰা স্বৰাজ আন্দোলন প্ৰোথিত দেশাত্মবোধ আৰু আনফালে বিবেকানন্দৰ অধ্যাত্ম সমাজ চেতনাৰ প্ৰভাৱ সুস্পষ্ট হৈ পৰা দেখা যায়। এই বিষয়ে দেবী প্ৰসাদ বন্দ্যোপাধ্যায়ে স্পষ্টভাৱে কৈছে —

'সঞ্জয় ভট্টচার্য পরে 'ঝরা পালক -এ দেখতে পেয়েছেন অসহযোগের দিনের সত্যেন দত্ত সঞ্চারিত দেশাত্মবোধ আর তার ঠিক আগেকার বিবেকানন্দীয় সমাজ-চেতনা।'[৬]

আপোন সময়ৰ পৰা লেখকসকল মুক্ত হ'ব নোৱাৰে বাবেই লেখকৰ নিজৰ সময় হোৱাৰ ভিন্ন মতাদর্শ আৰু শুভ-অশুভ ভিন্ন প্রকাৰ বাতাবৰণেও একোজন লেখকৰ মনত প্ৰভাব পেলায় আৰু এনে প্ৰভাৱে লেখকৰ দৃষ্টিভঙ্গীও পৰিবৰ্তন কৰে। জীৱনানন্দ দাশৰ আজন্ম পৰিচিত ঘৰৰ ব্ৰাহ্ম সমাজৰ ভাৱাদৰ্শই যিদৰে প্ৰভাৱান্বিত কৰিছিল সেইদৰে ভাৰতৰ স্বাধীনতা আন্দোলন ৰাজা ৰামমোহন ৰায় আৰু বিবেকানন্দৰ সমাজ-দৰ্শনৰ প্ৰভাৱৰ পৰাও তেওঁ মুক্ত হ'ব পৰা নাছিল। উল্লিখিত ভাবাদৰ্শবোৰ আছিল আধ্যাত্মিক ভাবনা আধাৰিত মানৱতাবাদী আদৰ্শ আৰু এনে কাৰণতে এইবোৰ মতাদৰ্শৰ প্ৰভাৱত জীৱনানন্দৰ মন মানসিকতা আৰু জীৱন সম্পৰ্কে দৃষ্টিভঙ্গী সহজ-সৰল ৰূপত গঢ় লৈ উঠিছিল। কিন্তু তেওঁ যেতিয়া উচ্চ শিক্ষা ল'বৰ বাবে গাঁৱৰ জন্ম স্থানৰ পৰা ওলাই আহি কলিকতা মহানগৰীত থাকিবলৈ ল'লে তেতিয়াৰ পৰাই জীৱনানন্দৰ মানসিকতা পৰিবৰ্তন হ'বলৈ ধৰিলে।

গাঁৱৰ পৰিৱেশ আৰু মহানগৰীৰ পৰিবেশ এই দুই বিপৰীতধৰ্মী পৰিৱেশে জীৱনানন্দৰ মনত যি ধৰণৰ প্ৰশ্ন সংশয় আৰু দ্বন্দ্ব সৃষ্টি কৰিলে সিয়ে জীৱনানন্দৰ মানসিকতা আৰু দৃষ্টিভঙ্গীত নতুন ভাঁজ এটা সৃষ্টি কৰিলে। জন্মগতভাৱে ৰবিশালৰ নিজৰ পৰিয়ালৰ ব্ৰাহ্ম সমাজৰ আধ্যাত্মিক আদৰ্শ আৰু ব্ৰাহ্ম সমাজৰ আদৰ্শপুষ্ট চৌপাশৰ সমাজৰ নৈতিকতাবোধৰ পৰিমণ্ডলত জন্ম গ্ৰহণ কৰা জীৱনানন্দই শৈশৱ আৰু কৈশোৰত যি বাতাবৰণ পাইছিল সেই বাতাবৰণে তেওঁৰ মনত এক গভীৰ প্ৰশান্তিৰ ভাব গঢ়ি তুলিছিল আৰু এনে ভাবৰ বাবেই তেওঁৰ অন্তৰত মানুহৰ প্ৰতি গভীৰ বিশ্বাসবোধ গঢ় লৈ উঠিছিল। কিন্তু ১৯১৭ ৰ পৰা ১৯২১ চনলৈ এই চাৰি বছৰ কলিকতা মহানগৰীত থাকি নগৰীয়া মানুহৰ জটিল মানসিকতাৰ মুখামুখি হ'ল আৰু দেশী বিদেশী উভয় শ্ৰেণীৰ শোষক সকলৰ নিৰ্মম শোষণ লালসা দেখি তেওৰ অন্তৰত থকা পূৰ্বৰ সহজ বিশ্বাসপ্ৰৱণতা থানবান হৈ গ'ল। এয়া আছিল জীৱনানন্দৰ সময়ৰ এটা কদৰ্যপূৰ্ণ দিশ আৰু এই দিশটোৰ সৈতে পৰিচয় হোৱাৰ পাছৰ পৰা জীৱনানন্দৰ মনৰ পৰা আধ্যাত্মিক ভাবনা উৰলি যাবলৈ ধৰিলে। এই ক্ষেত্ৰত সুমিতা চক্ৰবৰ্তীয়ে কৈছে —

"মানুহকে নির্ভরতার আশ্রয় দান করবার জন্য পিতৃ স্বরূপ করুণাময় ব্রহ্ম হস্ত প্রসারিত করে রেখেছেন — এই বিশ্বাস মুছে গেল তাঁর মন থেকে। 'ঝরা পালক' (১৯২৭) তাঁর প্রথম কবিতা সংকলন। গতানুগতিক অর্থে মাঝে মাঝে 'ভগবান শব্দের প্রয়োগ থাকলেও

---

৬ দেবীপ্রসাদ বন্দ্যোপাধ্যায় 'জীবনানন্দ তাঁর সময় ও সমকাল' শঙ্খ ঘোষ (সম্পা) এই সময় ও জীবনানন্দ পৃঃ ১২

ধূসব পাণ্ডুলিপি (১৯৩৬) থেকে শেষ পর্যন্তও তাঁব কবিতায অধ্যাত্ম বিশ্বাসেব কোনো চিহ্ন পাওয়া যায় না। [৭]

মহানগৰীয়া জীৱনৰ কুটিলতাই জীৱনানন্দ দাশৰ মন মানসিকতা আৰু দৃষ্টিভঙ্গীৰ যি পৰিৱৰ্তন আনিলে সেই পৰিৱৰ্তনৰ বাবেই ধূসৰ পাণ্ডুলিপি'ৰ কবিতাৰ পৰা জীৱনানন্দৰ কবিতালৈ জটিলতা আহিল আৰু মানুহৰ জীৱনৰ অন্তৰ্লোকৰ বিচিত্র দিশবোৰত তেওঁ দৃষ্টি দিবলৈ ধৰিলে।

সি যি কি নহওক — জীৱনানন্দ দাশৰ সময় সম্পৰ্কে যিখিনি কথা কোৱা হ'ল এইখিনি কথাৰ পৰা স্পষ্ট হৈ উঠিল যে জীৱনানন্দ দাশৰ সময়ৰ ভিন্ন প্ৰকাৰ ৰাজনৈতিক বাতাৱৰণ ব্ৰাহ্ম সমাজৰ আধ্যাত্মিক ভাবাদৰ্শ প্ৰথম মহাসমৰৰ ধ্বংসাত্মক ৰূপ নৈকে গঢ়লৈ উঠা ধনতান্ত্রিক সমাজৰ এক শ্ৰেণীৰ অমানৱীয় শোষণ প্রবৃত্তি মহানগৰীয়া জীৱনৰ ব্যক্তিকেন্দ্রিকতা আদিয়ে জীৱনানন্দ দাশৰ সময় দ্বন্দ্বমুখৰ কৰি তুলিছিল। আগতে কৈ অহা হৈছে যে কোনো লেখকেই সমকালৰ বাতাৱৰণৰ প্রভাৱৰ পৰা মুক্ত হোৱা সম্ভৱ নহয়। জীৱনানন্দ দাশৰ বেলিকাও দেখা যায় যে তেওৰ সময়ৰ ভিন্নমুখী পৰিঘটনা আৰু পৰিস্থিতিয়ে জীৱনানন্দ দাশৰ মানসিকতাক সময়ে সময়ে গতিৰ ভাঁজ সলাবলৈ বাধ্য কৰাইছিল আৰু এনে পৰিৱৰ্তনশীল মানসিকতাই জীৱনানন্দ দাশৰ কবি মানস সুতীক্ষ্ণ কৰি তুলিছিল। তেওঁৰ সময় বিভিন্ন প্ৰকাৰ সমস্যা আৰু সংঘাতজৰ্জৰ আছিল সঁচা কিন্তু এনে বহুমুখী সংঘাতজৰ্জৰ সময়ৰ পৰা জীৱনানন্দ দাশে তেওৰ চিন্তা জগতখন ঐশ্বৰ্যশালী কৰি তুলিছিল।

## নৱকান্ত বৰুৱাৰ সময়

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক অধ্যয়নৰ প্ৰসঙ্গত দুয়োগৰাকী কবিৰ সময়ৰ বৈশিষ্ট্য পৃথকে আলোচনা কৰা হৈছে যদিও কবি দুগৰাকীৰ সময় কিন্তু প্ৰায় একে। জন্মৰ সময় হিচাপে নৱকান্ত বৰুৱাতকৈ জীৱনানন্দ দাশ মাত্র সাতাইশ বছৰ আগৰ। এই ফালৰ পৰা চাবলৈ গ'লে দুয়ো গৰাকী কবিক সমসাময়িক বুলি ক'ব পৰা যায়। আনহাতে দুয়ো গৰাকী কবিৰ জন্মস্থান হিচাপে ৰাজ্য দুখন বেলেগ কিন্তু দুয়োখন ৰাজ্যই ভাৰতৰ অংগ স্বৰূপে দুয়োখন ৰাজ্যৰ ৰাজনৈতিক সমস্যাবোৰ প্ৰায়ে একে। অৱশ্যে পৃথক ৰাজ্য হিচাপে ৰাজনৈতিক চেতনাৰ স্বৰূপৰ মাজত কিছু পাৰ্থক্য নথকা নহয়।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনৰ জন্ম হৈছিল ভাৰতৰ পৰাধীনতাৰ সময়ত। পাৰ্থক্য মাথোন ইমানেই যে অসমে ১৮২৬ খৃষ্টত ইয়াণ্ডাবু সন্ধিৰ যোগেদি ছশ বছৰীয়া স্বাধীনতা হেৰুওৱাৰ প্ৰায় দুশ বছৰ আগতে বঙ্গদেশৰ শাসন ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যায়।

৭ সুমিতা চক্রবর্তী জীবনানন্দ : সমাজ ও সমকাল পৃ ১৪

সি যি কি নহওক — নৱকান্ত বৰুৱাৰ কবি মানস গঢ় লৈ উঠাত যি ধৰণৰ বৌদ্ধিক পৃষ্ঠভূমিয়ে অৰিহণা যোগাইছিল সেই পৃষ্ঠভূমিৰ প্ৰধান দিশটো হ'ল আধুনিক অসমৰ ৰাজনৈতিক সমস্যা আৰু এই ৰাজনৈতিক সমস্যাই সৃষ্টি কৰা অসমৰ জন মানস। ১৮২৬ খৃ'ৰ ইয়াণ্ডাবু সন্ধিৰ যোগেদি অসমৰ জনগণে সুদীৰ্ঘ ছশ বছৰীয়া স্বাধীনতাৰ গৌৰৱ হেৰুৱাব লগা হোৱাত পৰাধীনতাৰ অসহ্যকৰ গ্লানিত ভুগিছিল আৰু সেই গ্লানিৰ পৰা মুক্তিৰ পথ বিচাৰি অসমৰ জনগণে মাৰবান্ধি থিয় দিছিল। ১৮২৬ খৃঃত অসমে স্বাধীনতা হেৰুওৱাৰ মাত্ৰ দুবছৰৰ পাছত ১৮২৮ খৃ'ত গোমধৰ কোঁৱৰ আৰু ধনঞ্জয় গোহাঁই প্ৰমুখ্যে জনদিয়েক স্বাধীনমনা ব্যক্তিৰ নেতৃত্বত বৃটিশবিৰোধী বিপ্লৱ এটা গঢ় লৈ উঠিছিল যদিও বৃটিশে এই বিদ্ৰোহক সহজে দমন কৰিলে।[৮]

উনবিংশ শতিকাৰ তৃতীয় দশকৰ গোমধৰ কোঁৱৰ আৰু ধনঞ্জয় গোহাঁইৰ বিদ্ৰোহ বৃটিশে দমন কৰিলে সঁচা কিন্তু এই বিদ্ৰোহৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া আছিল সুদূৰপ্ৰসাৰী আৰু এই ৰাজনৈতিক চেতনাই সমগ্ৰ উনবিংশ শতিকাটো অসমৰ জনগণক জাগ্ৰত কৰি তুলিছিল। এনে কাৰণতে ১৮৫৭ খৃ'ত সমগ্ৰ ভাৰতবৰ্ষত গঢ়লৈ উঠা চিপাহী বিদ্ৰোহৰ উন্মাদনা অসমৰ সচেতন মহলেও অনুভৱ কৰিছিল। ভাৰতৰ চিপাহী বিদ্ৰোহৰ যোগেদিয়ে অসমে বৃটিশৰ শাসনৰ পৰা মুক্ত হোৱাৰ আকাংক্ষাৰে সেই সময়ত কলিকতাত থকা মণিৰাম দেৱানে বিদ্ৰোহৰ প্ৰতি সমৰ্থনসূচক বিপ্লৱ গঢ়ি তুলিছিল। মণিৰাম দেৱানৰ নেতৃত্বত গঢ় লৈ উঠা এই বিদ্ৰোহৰ অংশীদাৰ সকল আছিল পিয়লি বৰুৱা মধুৰাম কোঁচ মুক্তিয়াৰ মধু মল্লিক মায়াৰাম বৰুৱা চিত্ৰসেন বৰবৰা গণেশচন্দ্ৰ বৰুৱা কমলা চাৰিঙ্গীয়া বৰুৱা দেউৰাম দিহিঙ্গীয়া ফুকন মৰঙি খোৱা গোহাঁই ইত্যাদি।[৯] কিন্তু এই বিদ্ৰোহো বৃটিশে মষিমূৰ কৰে।

১৮২৮ খৃ'ত গোমধৰ কোঁৱৰ ধনঞ্জয় গোহাঁই আদি স্বদেশানুৰাগী সকলৰ বিদ্ৰোহ আৰু এইমাত্ৰ উল্লেখ কৰা মণিৰাম দেৱান প্ৰমুখ্যে সচেতন মহলে কৰা বৃটিশ বিৰোধী বিদ্ৰোহ বৃটিশে অতি নিষ্ঠুৰভাৱে দমন কৰিলে যদিও অসমত বৃটিশ বিৰোধী গণ চেতনা নিঃশেষ হৈ যোৱা নাছিল। বৃটিশে ইষ্ট ইণ্ডিয়া কোম্পানীৰ যোগেদি অসমৰ জনগণক অৰ্থনৈতিকভাৱে শোষণ কৰিবলৈ ধৰাত অসমৰ সাধাৰণ প্ৰজাৰ মাজতো বৃটিশ বিৰোধী গণচেতনা জাগ্ৰত হৈ উঠিছিল।

এই খিনিতে উল্লেখযোগ্য যে ১৮২৮ খৃ ৰ পৰা ১৮৫৭ লৈকে এই ছোৱা সময়ত বৃটিশ বিৰোধী যি দুটা বিদ্ৰোহ হৈছিল সেই দুয়োটা বিদ্ৰোহৰ ভিতৰত প্ৰথমটো বিদ্ৰোহৰ নেতৃত্ব দিছিল ৰাজপৰিয়ালৰ ব্যক্তিয়ে আৰু দ্বিতীয়টোৰ নেতৃত্ব দিছিল কেইজনমান মধ্যবিত্তই। কিন্তু মন কৰিবলগীয়া যে বৃটিশৰ শোষণৰ বিৰুদ্ধে চিপাহী

---

৮ H K Borpuzarı **Assam in the Days of the Company** p 51

৯ বেণুধৰ শৰ্মা পোন প্ৰথম স্বাধীনতাৰ যুদ্ধ দূৰবীণ, পৃঃ ৮৭

বিদ্ৰোহকেন্দ্ৰী বিপ্লৱৰ পাছত ১৮৬০ খৃ ত জয়ন্তীয়া পাহাৰত পোন প্ৰথম প্ৰজা বিদ্ৰোহৰ সূত্ৰপাত হয়। এই বিদ্ৰোহ জয়ন্তীয়া পাহাৰত ব্যাপকভাৱে প্ৰজা বিদ্ৰোহলৈ প্ৰসাৰিত হোৱা বাবে বৃটিশে এই বিদ্ৰোহ সহজে দমন কৰিব পৰা নাছিল। ১৮৬৩ খৃ তহে এই বিদ্ৰোহ বৃটিশে দমন কৰিবলৈ সক্ষম হয়।

জয়ন্তীয়া পাহাৰত হোৱা গণবিদ্ৰোহৰ প্ৰভাৱ অসমৰ বিভিন্ন স্থানলৈ সম্প্ৰসাৰিত হয় আৰু ১৮৬১ খৃংত নগাঁৱৰ ফুলগুৰিত 'ৰাইজ মেল পাতি বৃটিশে অসমীয়া কৃষকৰ ৰাজহ বৃদ্ধি কৰাৰ প্ৰতিবাদত বিদ্ৰোহ কৰে।[১] ফুলগুৰি ঢেৱা নামেৰে প্ৰখ্যাত হৈ পৰা বিদ্ৰোহৰ প্ৰভাৱতে অসমৰ অন্যান্য ঠাইতো গণবিদ্ৰোহৰ চেতনা প্ৰবল হৈ উঠে। তাতে ১৮৬৮-৬৯ খৃংত অসম উপত্যকাত ৰাজহ পূৰ্বতকৈ দুগুণ বঢ়াই দিয়াত বিভিন্ন ঠাইত ৰাইজ মেল পাতি জনজাগৰণ গঢ়ি তোলে। এনে জনজাগৰণৰ ফল স্বৰূপেই ১৮৯৩ খৃংত ৰঙিয়াত ১৮৯৪ খৃংত লাচিমত আৰু ১৮৯৪ খৃংত পথৰুঘাটত বৃটিশ বিৰোধী বিদ্ৰোহ শক্তিশালী হৈ উঠে। কিন্তু বৃটিশে অসমৰ এই কৃষক বিদ্ৰোহ অতি কঠোৰভাৱে দমন কৰে।[১১]

১৮৬০ খৃষ্টাব্দৰ পৰা ১৮৯৪ খৃষ্টাব্দলৈকে চলি থকা অসমৰ কৃষক বিদ্ৰোহ বৃটিশে দমন কৰিলে যদিও অসমৰ জনচেতনাক কিন্তু নিঃশেষ কৰিব পৰা নাছিল। বৰং জনচেতনা অধিক প্ৰসাৰিত আৰু উজ্জীৱিত হৈহে উঠিছিল। এনে কাৰণতে কৃষক বিদ্ৰোহৰ মাজতে ৰাজকুমাৰ নৰনাৰায়ণ সিংহ, জগন্নাথ বৰুৱা প্ৰমুখ্যে জনদিয়েক সমাজ সচেতন শিক্ষিত মধ্যবিত্তৰ দ্বাৰা যোৰহাট সাৰ্বজনিক সভা গঠন হয়।[১২]

উল্লিখিত কৃষক বিদ্ৰোহৰ মাজতে জন্ম হোৱা যোৰহাট সাৰ্বজনিক সভাৰ উদ্যোক্তা সকললৈ মন কৰিলে দেখা যায় যে এই সংগঠনৰ কৰ্ণধাৰ সকল শিক্ষিত মধ্যবিত্ত আৰু এই সকলৰ বৃটিশ বিৰোধী আপত্তি বা দাবীবোৰ লিখিত ৰূপত দাখিল কৰিছিল। যোৰহাট সাৰ্বজনিক সভাৰ বিপ্লৱ আছিল সম্পূৰ্ণ শান্তিপূৰ্ণ আৰু বহু পৰিমাণে বৌদ্ধিক বিপ্লৱ। এনে বৌদ্ধিক বিপ্লৱৰ সম্প্ৰচাৰ ক্ৰমশ জনমুখী হৈ উঠিল আৰু অধিক বুদ্ধিনিষ্ঠ বিপ্লৱৰ ৰূপ দিয়া বাবে ১৯০৩ চনত অসম এছচিয়েচনৰ জন্ম হয়।[১৩]

১৯০৩ চনত জন্ম হোৱা অসম এছচিয়েছনে যি ধৰণৰ বৌদ্ধিক বিপ্লৱৰ জনপ্ৰিয়তা আনিলে সেই বিপ্লৱে অসমৰ সচেতন মহলক আলোড়িত কৰি থকাৰ সময়তে ১৯২১

---

১০ K N Dutta **Landmarks of the Freedom Struggle in Assam**, p 27

১১ ibid, p p 34 35

১২ Ajit Kumar Sarma An Account of Assam Association, Priti Baruah (ed.) **Commemoration Volume** Golden Jubille Handique Girls College 1939 1989 p 115

১৩ K N Dutta op cit p 41

চনত গান্ধীৰ স্বৰাজ আন্দোলন ঘোষিত হয় আৰু অসমতো অসম প্ৰাদেশিক জাতীয় কংগ্ৰেছ গঠন হয়।[১৪] অসমৰ জনসাধাৰণে অকলে অসমৰ পৰা বৃটিশ খেদি পঠোৱা সম্ভৱ নহয় বুলি বুজি পাই সচেতন মহলে গান্ধীৰ স্বৰাজ আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনায় আৰু এনে কাৰণতে সময়ত স্বৰাজ আন্দোলনত অসমৰ সকলো শ্ৰেণীৰ মানুহ জড়িত হৈ পৰিল।

সি যি কি নহওক — উনবিংশ শতিকাৰ কৃষক বিদ্ৰোহৰ যোগেদি যি গণচেতনা গঢ লৈ উঠিছিল সেই গণচেতনা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত দেশজোৰা গণতান্ত্ৰিক চেতনালৈ প্ৰসাৰিত হ'ল। মন কৰিবলগীয়া যে গান্ধীৰ স্বৰাজ আন্দোলন আছিল সম্পূৰ্ণ অহিংস আন্দোলন। কিন্তু গান্ধীৰ স্বৰাজ আন্দোলনৰ সময়তে সুভাষচন্দ্ৰ বসুৱে গান্ধীৰ অহিংস আন্দোলনত বিশ্বাস নকৰি অতি শক্তিশালী সশস্ত্ৰ বিপ্লৱ এটা গঢ়ি তুলিলে। উল্লেখযোগ্য যে এই সশস্ত্ৰ আন্দোলনৰ প্ৰভাৱ অসমতো পোনপটীয়াকৈ পৰিছিল। আনকি সুভাষ চন্দ্ৰ বসুৰ আই এন এ ৰ বন্দী সকলৰ মুক্তিৰ দাবীত অসমত শোভাযাত্ৰা পৰ্যন্ত হৈছিল।[১৫]

গান্ধীৰ অহিংস আন্দোলনৰ প্ৰতি বিশ্বাস নথকা সুভাস চন্দ্ৰ বসুৰ হিংসাত্মক আন্দোলনৰ দৰেই ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ পৰা ফালৰি কাটি আহি জন্ম হোৱা ভাৰত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ বিপ্লৱো তাৎপৰ্যপূৰ্ণ। এই দলৰ মতে কেৱল বৃটিশ সকলেই শত্ৰু নহয় কংগ্ৰেছী সকলো একেদৰে গণশত্ৰু। এনে মতাদৰ্শৰ বাবেই ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ বিপ্লৱৰ লক্ষ্য হৈ পৰিছিল কংগ্ৰেছী সকল।

আধুনিক অসমৰ ৰাজনৈতিক পৰিঘটনাসমূহৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে বিশেষকৈ বিংশ শতিকাৰ প্ৰথমৰ অৰ্দ্ধ শতাব্দী অতি বৈচিত্ৰ্যপূৰ্ণ। উল্লিখিত ভিন্নমুখী ৰাজনৈতিক ঘটনাবোৰতকৈয়ো ১৯৩৯ চনৰ পৰা ১৯৪৫ চনলৈকে চলা দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ বহুমুখী আৰু সুদূৰপ্ৰসাৰী আছিল। দ্বিতীয় বিশ্ব যুদ্ধই কেৱল মানুহৰ জীৱন আৰু কিছুমান দেশেই যে ধ্বংস কৰিছিল এনে নহয় মানুহৰ নৈতিকতাবোধ আৰু সামগ্ৰিকভাৱে মানৱীয় মূল্যবোধৰো অভাৱনীয় অৱক্ষয় ঘটাইছিল।

আধুনিক অসমৰ ৰাজনৈতিক সমস্যাৱলীয়ে অসমৰ জাতীয় জীৱনলৈ যি অস্থিৰতা আনিছিল সেইদৰে শোষণপ্ৰধান ৰাজনীতিৰ বাবেই অসমবাসীয়ে অৰ্থনৈতিক শোষণ জৰ্জৰ জীৱন কটাব লগা হৈছিল। ১৮২৬ খৃঃৰ ইয়াণ্ডাবু সন্ধিৰ পৰা ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰালৈকে এক শতাব্দীতকৈয়ো অধিক কাল বৃটিশে অসমক অৰ্থনৈতিক শোষণ কৰি থকাৰ পাছত অসমৰ জনসাধাৰণে ভাবিছিল যে স্বদেশী শাসন প্ৰৱৰ্তন হোৱাৰ পাছত অসম অৰ্থনৈতিক শোষণৰ পৰা মুক্ত হ'ব আৰু অসমৰ জনগণে অৰ্থনৈতিকভাৱে শোষণমুক্ত স্বচ্ছল অৱস্থা এটা লাভ কৰিব। কিন্তু অসমৰ জনসাধাৰণৰ আশা আৰু আকাংক্ষা মৰিমূৰ

১৪ ibid, p 43

১৫ দেবেশ্বৰ শৰ্মা হেৰাই যোৱা দিনবোৰ পৃঃ ২৯০

কৰি ভাৰতীয় শাসকসকলে অৰ্থনৈতিক শোষণ অব্যাহত ৰখাই নহয় বহু ক্ষেত্ৰত আগতকৈ অধিক শোষণ কৰিবলৈহে ধৰিলে। আনকি ভাৰত চৰকাৰে অসমক ভাৰতৰ উপনিৱেশ সদৃশ জ্ঞান কৰি অসমৰ উন্নতিৰ প্ৰতি সম্পূৰ্ণ আওকাণ কৰিবলৈ ধৰিলে। দেশৰ অৰ্থনৈতিক উন্নয়ণত যাতায়তৰ সুব্যৱস্থা অত্যন্ত প্ৰয়োজনীয়। এনে প্ৰযোজনীযতাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ জনসাধাৰণে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং এখন বিচাৰি জনোৱা দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে কৰ্ণপাত নকৰাত অসমবাসীয়ে গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী হাতত ল'লে। কিন্তু অসমবাসীৰ গণতান্ত্ৰিক আন্দোলনটোক দমন কৰিবৰ বাবে কেন্দ্ৰীয চৰকাৰে মধ্যযুগীয় সামন্ততান্ত্ৰিক নিষ্ঠুৰতা অৱলম্বন কৰা দেখা গ'ল। সেইদৰে তেলৰ দেশ অসমৰ তেল অসমতে শোধন কৰাৰ ব্যৱস্থা নকৰি বিহাৰৰ বাৰউনীত তেল শোধনাগাৰ স্থাপন কৰিবলৈ লোৱাত অসমৰ জনসাধাৰণে আপত্তি দৰ্শাইছিল যদিও অসমবাসীৰ দাবীৰ প্ৰতি আওকাণ কৰি কেন্দ্ৰীয় চৰকাৰ নিজৰ স্থিতিত স্থিৰ হৈ ৰ'ল। যাৰ ফলত অসমত দেশ জোৰা গণ আন্দোলন হৈছিল আৰু এই আন্দোলনতো কেন্দ্ৰীয় চৰকাৰে কঠোৰ দমন নীতি অৱলম্বন কৰা দেখা গ'ল।

স্বৰাজোত্তৰ কালত কেন্দ্ৰীয় চৰকাৰে অসমৰ উন্নযনৰ প্ৰতি সমূলি আওকাণ কৰা বাস্তৱ উদাহৰণ আৰু বহুত আছে। এনে উদাহৰণৰ বিস্তৃতিলৈ নগৈ ১৯৬২ চনৰ এটা ঘটনালৈ আঙুলিযাব পাৰি। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰোতে ভাৰতীয সৈন্য যেতিয়া পৰাংমুখ হৈ পাছ হুহকি আহিছিল তেতিয়া চীনা সৈন্যই অৰুণাচলৰ সীমা অতিক্ৰম কৰি পৰম বিক্ৰম প্ৰদৰ্শন কৰিছিল আৰু সেই সময়ৰ বৃহৎ অসম চীনৰ অন্তৰ্ভূক্ত হ'বৰ উপক্ৰম হৈছিল। তেনে এক জটিল সময়ত তদানীন্তন ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে চীনা শক্তিৰ ওচৰত সেও মানি অসমক ত্যাগ কৰিবলৈও কুণ্ঠাবোধ নকৰি অসমবাসীৰ প্ৰতি সহানুভূতিহে প্ৰদৰ্শন কৰিছিল। এনেদৰে স্বৰাজোত্তৰ কালছোৱাত কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰতি প্ৰদৰ্শন কৰা উদাসীনতা আৰু অসমক অৰ্থনৈতিক শোষণ কৰাৰ ফলত অসমৰ জনসাধাৰণৰ মন আস্থাহীনতাত আক্ৰান্ত হৈছিল।

নৱকান্ত বৰুৱাৰ সময়ৰ বিষয়ে পৰ্যালোচনা কৰোতে এইখিনিলৈকে আধুনিক অসমৰ ৰাজনৈতিক সমস্যা আৰু অৰ্থনৈতিক সংকটৰ বিষয়ে আলোচনা কৰা হ'ল এই কাৰণেই যে ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিয়ে এছোৱা সময় বা এটা যুগৰ জনচেতনা গঢ় লৈ উঠে। নৱকান্ত বৰুৱাৰ কবি মানস তেওঁৰ সময়ৰ কেনে পৰিস্থিতিৰ আধাৰত গঢ লৈ উঠিছিল তাকে দেখুৱাবৰ বাবেই আধুনিক অসমৰ ৰাজনৈতিক সংঘাত আৰু অৰ্থনৈতিক অৱস্থাৰ বিশ্লেষণ চমুৱাই কৰা হ'ল।

যুগ মানসিকতা গঢ লৈ উঠাত ৰাজনীতি আৰু অৰ্থনীতিৰ লগতে দেশৰ শৈক্ষিক অৱস্থায়ো বৰঙণি যোগায়। এনে কাৰণতে আধুনিক অসমৰ শৈক্ষিক অৱস্থাৰ বিষয়েও

আলোচনা কৰিব লগা হয়।

উনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰা অৰ্থাৎ ইয়াণ্ডাবু সন্ধিৰ সময়ৰ পৰা অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সংকট গুৰুতৰ আছিল যদিও ভাষিক আৰু শৈক্ষিক দিশত কিন্তু ইতিবাচক দিশ কিছুমান দৃষ্টিগোচৰ হয়। অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যোৱাৰ মাত্ৰ দহ বছৰ পাছতে অৰ্থাৎ ১৮৩৬ খৃঁণ্ত অসমীয়া ভাষাৰ পৰিবৰ্তে বাংলা ভাষাই অসমত ৰাজ্যভাষাৰ মৰ্যাদা লাভ কৰে।[১৬] কিন্তু মাইলছ ব্ৰনসন আৰু আনন্দৰাম ঢেকিয়াল ফুকন প্ৰমুখ্যে জনদিযেক ব্যক্তিৰ চেষ্টাত সাতত্ৰিশ বছৰৰ পাছত ১৮৭৩ খৃঁণ্ত অসমীয়া ভাষাই পুনৰ মৰ্যাদা ঘূৰাই পায়।

কিন্তু অসমীযা ভাষাৰ এই দুৰ্যোগটোৰ বিপৰীতে উনবিংশ শতিকাতে অসমত পশ্চিমৰ আৰ্হিত ইংৰাজী শিক্ষা প্ৰচলন হোৱাৰ উপক্ৰম হয়। ১৮৩৫ খৃঁণ্ত গুৱাহাটীত এখন ইংৰাজী ভাষাৰ স্কুল আৰু এখন বাংলা ভাষাৰ স্কুল প্ৰতিষ্ঠা হয়।[১৭] ইয়াৰ পাছৰ পৰা অসমত ইংৰাজী শিক্ষাৰ প্ৰসাৰ হ'বলৈ ধৰে আৰু গুৱাহাটী নগাঁও শিৱসাগৰ আদি অসমৰ প্ৰধান নগৰবোৰত ক্ৰমশ ইংৰাজী শিক্ষাৰ স্কুল প্ৰতিষ্ঠা হ'বলৈ ধৰে।[১৮] আনকি ১৮৭০ খৃঁণ্ত গঙ্গাগোবিন্দ ফুকনৰ যোগেদি শিৱসাগৰত স্ত্ৰী শিক্ষাৰ স্কুলো প্ৰতিষ্ঠা হৈছিল।[১৯]

উনবিংশ শতিকাত উৰ্বৰ হৈ উঠা অসমৰ শৈক্ষিক বাতাৱৰণৰ ভেটিতে বিংশ শতিকাৰ আৰম্ভণিৰ পৰা অসমত বহুমুখী শিক্ষানুষ্ঠান কিছুমান প্ৰতিষ্ঠা হয়। ১৯০০ চনত বেৰী হোৱাইটৰ যত্নত ডিব্ৰুগডত চিকিৎসা বিদ্যালয় প্ৰতিষ্ঠা হয়।[২] ইয়াৰ পাছত ১৯০১ চনৰ ২৭ মে'ত গুৱাহাটীত কটন কলেজ প্ৰতিষ্ঠা হোৱাৰ লগে লগে অসমত আধুনিক শিক্ষাৰ নতুন দিগন্ত এখন মুকলি হয়।[২১] তদুপৰি ১৯০৯ চনত অসমত কাঠ লো আৰু ফিটাৰৰ কাম শিকাবৰ বাবে কমেও দুখন কাৰিকৰী স্কুল খুলিবৰ বাবে মাণিকচন্দ্ৰ বৰুৱা প্ৰমুখ্যে চিন্তাশীল ব্যক্তি সকলে বৃটিশ চৰকাৰৰ সৈতে আলোচনা কৰে।[২২] বিংশ শতিকাৰ আৰম্ভণিতে ভিন্নমুখী শিক্ষানুষ্ঠান ইমানেই বৃদ্ধি হ'ল যে ১৯১৪ চনত চাৰ আৰ্চ ডেইল আৰ্লৰ প্ৰচেষ্টাত গুৱাহাটীত আৰ্ল ল কলেজ প্ৰতিষ্ঠা হয়।[২৩]

---

১৬ Birinchi Kumar Barua **History of Assamese Literature** p 104

১৭ A J Maffatt Mills **Report on the Province of Assam,** p 107

১৮ S K Bhuyan **Anglo Assamese Relations** p 573

১৯ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য **ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি** পৃ ৪১

২০ প্ৰফুল্ল দত্ত গোস্বামী **মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ** পৃঃ ৩২

২১ উল্লিখিত গ্ৰন্থ, পৃ ৩২

২২ উল্লিখিত গ্ৰন্থ, পৃ ৪২

২৩ উল্লিখিত গ্ৰন্থ, পৃ ৪৪

সি যি কি নহওক — ১৮৩৫ ৰ পৰা অসমত শিক্ষাৰ দ্ৰুত পৰিৱৰ্তন হৈছিল আৰু ভাৰতে স্বাধীনতা লাভ কৰাৰ মাত্ৰ এবছৰৰ পাছতে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাটোও মন কৰিবলগীয়া তাৎপৰ্য। মুঠতে অন্যান্য শিক্ষানুষ্ঠানসমূহে অসমত আধুনিক শিক্ষাৰ সম্প্ৰসাৰণত প্ৰভূত অৰিহণা যোগাইছিল কিন্তু কটন কলেজক কেন্দ্ৰ কৰি আধুনিক অসমৰ শৈক্ষিক তথা বৌদ্ধিক বাতাবৰণ এটা গঢ লৈ উঠিছিল যিটো বাতাবৰণৰ বাবেই পশ্চিমীয়া আৰ্হিত অসমীয়া সাহিত্যই বিকাশৰ দিশত দ্ৰুতভাৱে আগবাঢিছিল।

এইখিনিতে উল্লেখযোগ্য যে নৱকান্ত বৰুৱাৰ জন্মৰ পঁচিশ বছৰৰ আগতে কটন কলেজ প্ৰতিষ্ঠা হৈছিল আৰু এই পঁচিশ বছৰৰ ভিতৰতে কটন কলেজক কেন্দ্ৰ কৰি আধুনিক অসমীয়া সাহিত্যৰ বিবিধ দিশ উজ্জ্বলি উঠিছিল আৰু এইটো সময়ৰ পৃষ্ঠভূমিতে নৱকান্ত বৰুৱাৰ কবি মানস গঢ লৈ উঠিছিল।

নৱকান্ত বৰুৱাৰ কবি মানস গঢ় লৈ উঠাত ক্ৰমবৰ্দ্ধমান অসমীয়া আলোচনীৰ ভূমিকাও গুৰুত্বপূৰ্ণ। ১৮৪৬ খৃ ত প্ৰকাশ পোৱা 'অৰুণোদয়ে অসমীযা আলোচনীৰ বাট মুকলি কৰি দিয়াৰ পাছত ১৮৭১ খৃ°ত আউনীআটী সত্ৰৰ পৰা 'আসাম বিলাসিনী ১৮৭২ খৃ°ত 'আসাম মিহিৰ[২৪] ১৮৭৪ খৃ°ত তেজপুৰৰ পৰা প্ৰকাশিত মাহেকীয়া আলোচনী 'আসাম দৰ্পণ ১৮৭৬ খৃ°ত গোৱালপাৰাৰ পৰা 'হিত সাধিনী[২৫] ১৯৭৬ খৃ°ত গুৱাহাটীৰ পৰা 'চন্দ্ৰোদয়[২৬] একে বছৰতে গুৱাহাটীৰ পৰা 'আসাম দীপক ১৮৮২ খৃ ত হেমচন্দ্ৰ বৰুৱাৰ 'আসাম নিউচ ১৮৮৫ খৃ ত গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু আৰু ১৮৮৬ খৃ ত মৌ একে বছৰতে আউনীআটী সত্ৰৰ পৰা শ্ৰীধৰ বৰুৱাৰ 'আসাম তৰা ১৮৮৮ খৃ ত কৰুণাভিৰাম বৰুৱাৰ 'লৰা বন্ধু প্ৰকাশ পায়।[২৭]

উনবিংশ শতিকা অসমৰ জাতীয় জীৱনৰ বাবে সংকটময শতিকা যদিও এইটো শতিকাৰ ভিতৰতে উল্লিখিত আলোচনীসমূহে অসমীয়া সাহিত্য চৰ্চা আৰু সৃষ্টিৰ সাৰুৱা থলী এখন প্ৰস্তুত কৰি তোলে। উল্লিখিত আলোচনীসমূহে নিৰ্মাণ কৰা পৃষ্ঠভূমিতে চন্দ্ৰকুমাৰ আগৰৱালা লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে কলিকতা প্ৰবাসী ছাত্ৰ কেইজনমানৰ নেতৃত্বত ১৮৮৯ খৃষ্টাব্দত জোনাকী প্ৰকাশ পোৱাৰ লগে লগে আধুনিক অসমীয়া সাহিত্যৰ গৌৰৱময় যুগ এটাই পাতনি মেলে। জোনাকীৰ সমসাময়িকভাৱে 'বিজুলী 'উষা 'বাহী আদি আৰু বহু সংখ্যক আলোচনী প্ৰকাশ হয় আৰু অসমীযা সাহিত্যত ৰোমাণ্টিক ভাবধাৰাই এইখিনি সময়তে

২৪ 'আসাম মিহিৰ প্ৰথমতে বাংলা ভাষাত ওলাইছিল আৰু পাছত বাংলা আৰু ইংৰাজী দুয়োটা ভাষাত ওলায়। ই প্ৰথম সাদিনীয়া সংবাদ পত্ৰ।

২৫ বাংলাত ওলোৱা সাদিনীয়া।

২৬ ই ধৰ্মমূলক আলোচনী।

২৭ 'ল'ৰা বন্ধু প্ৰথম অসমীয়া শিশু আলোচনী।

শক্তিশালী ৰূপ লাভ কৰে।

জোনাকী আদি আলোচনীসমূহে অসমীয়া ৰোমাণ্টিক সাহিত্যৰ অধ্যায়টো আৰম্ভ কৰি দিয়াৰ পাছত ১৯২৯ চন 'আৱাহন প্ৰকাশ হয় আৰু এইখন আলোনীৰো সমসাময়িকভাৱে যথেষ্ট সংখ্যক আলোচনী প্ৰকাশ হোৱাৰ ফলত অসমীয়া ৰোমাণ্টিক সাহিত্যৰ গাম্ভীৰ্য আৰু পৰিসৰ পূৰ্বতকৈ বহুগুণে বৃদ্ধি হ'ল।

এইখিনিতে উল্লেখযোগ্য যে ভাৰতৰ স্বাধীনতা লাভৰ পাছত ১৯৫১ চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশ পোৱা 'ৰামধেনু আলোচনীৰ সময়ৰ পৰা আধুনিক অসমীয়া সাহিত্য ৰোমাণ্টিক আৱেষ্টনীৰ পৰা মুক্ত হৈ বাস্তববাদী চিন্তাধাৰা তথা আৱেষ্টনীত সোমাই পৰিল আৰু নবকান্ত বৰুৱা এই নতুন ভাবনা জগতখনৰে সৃষ্টি।

ইমানপৰে নবকান্ত বৰুৱাৰ সময় সম্পৰ্কে যিমানখিনি কথা কোৱা হ'ল এইখিনিয়ে নবকান্ত বৰুৱাৰ কবি মানসৰ বৌদ্ধিক পৃষ্ঠভূমি আৰু এই পৃষ্ঠভূমিৰ পৰাই শিক্ষা অভিজ্ঞতা আৰু প্ৰেৰণা গ্ৰহণ কৰি নবকান্ত বৰুৱাৰ কবি মানস গঢ লৈ উঠিছিল।

সময়ে মানুহৰ জীৱনলৈ পৰিবৰ্তন আনে আৰু এই পৰিবৰ্তনে মানুহৰ মন আৰু মানসিকতাৰো ৰূপান্তৰ সাধন কৰে। নবকান্ত বৰুৱাৰ যিটো সময় সেই সময়ে আধুনিক অসমীয়া কবিতাৰ উদ্দীপ্ত বাতাবৰণ এটা সৃষ্টি কৰিছিল আৰু সেই বাতাবৰণ বিৰাজ কৰিছিল নবকান্ত বৰুৱাৰ ঘৰত। নবকান্ত বৰুৱাৰ জ্যেষ্ঠ ভাতৃ দেবকান্ত বৰুৱা আৰু শেৱালি কবি ৰত্নকান্ত বৰকাকতি এই দুয়োজনেই নবকান্ত বৰুৱাৰ ঘৰত বহি প্ৰায়ে কবিতা চৰ্চা কৰিছিল। এই বিষয়ত নবকান্ত বৰুৱাই কৈছে —

> 'ঘৰুৱা পৰিবেশত কবিতাৰ চৰ্চা আছিল। মোৰ ককাইদেউ দেবকান্ত বৰুৱা আৰু শেৱালি কবি ৰত্নকান্ত বৰকাকতিৰ কাব্য চৰ্চাই মোক আকৰ্ষণ কৰিছিল।[২৮]

দেখা গ'ল যে আপোন যুগৰ বৌদ্ধিক বাতাবৰণে নবকান্ত বৰুৱাৰ ঘৰখনত যি ধৰণৰ কাব্য-চৰ্চাৰ পৰিবেশ গঢ়ি তুলিছিল ঠিক সেইদৰে আপোন যুগৰ বাতাবৰণে নবকান্ত বৰুৱাৰ কবি মানস গঢ়ি তুলিছিল।

## জীৱনানন্দ দাশ আৰু নবকান্ত বৰুৱাৰ সময়ৰ তুলনামূলক আলোচনা

জীৱনানন্দ দাশ আৰু নবকান্ত বৰুৱা বুলিয়ে নহয় যিকোনো লেখকৰ ক্ষেত্ৰত এবাৰ কথা সত্য যে লেখক সময়ৰ সৃষ্টি। আপোন যুগৰ চিন্তা আৰু চেতনাৰ সম্ভেদ মানুহ

২৮ নগেন শইকীয়া (সম্পা) ঃ আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ পৃঃ ৯৩

মাত্ৰেই সকলোৱে সমানে নাপায়। যি সকল সময় সচেতন আৰু বুদ্ধিদীপ্ত মনৰ অধিকাৰী তেনে মানুহেহে আপোন যুগৰ চিন্তা-জগতখনৰ খবৰ পায়। এই ফালৰপৰা চাবলৈ গ'লে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই আপোন যুগ সচেতন কবি। আগতে কৈ অহা হৈছে যে জীৱনানন্দ দাশ নৱকান্ত বৰুৱাতকৈ সাতাইশ বছৰ আগত জন্ম হৈছিল। কিন্তু ভাৰতৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সংঘাতময় অৱস্থাৰ দিশত দুয়োগৰাকী কবি একে সময়ৰে বুলিব পাৰি। দুয়ো গৰাকী কবিয়ে পৰাধীনতাৰ গ্লানি বহন কৰি জন্ম হৈছিল আৰু দুয়ো গৰাকীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সংকট আৰু সংশয়ৰ সৈতে পৰিচিত হৈ পৰিছিল। আনহাতে প্ৰথম মহাসমৰৰ ভয়াবহতাৰ সৈতে জীৱনানন্দ দাশৰ পৰিচয় আছিল কিন্তু নৱকান্ত বৰুৱাৰ জন্মৰ আগতে প্ৰথম মহাসমৰ শেষ হৈছিল। অৱশ্যে দ্বিতীয় মহাসমৰৰ বিভীষিকাৰ সৈতে দুয়ো জনৰ পৰিচয় আছিল যদিও নৱকান্ত বৰুৱাৰ পৰিচয় অভিজ্ঞতাপুষ্ট নাছিল। কাৰণ দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হওতে নৱকান্ত বৰুৱা তেৰ বছৰীয়া কিশোৰহে আছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধ চলি থকা সময়ত ভাৰতীয় মানুহে যি ধৰণৰ সন্ত্ৰাসত কম্পমান হৈছিল তাতকৈ অধিক যন্ত্ৰণা ভুগিছিল যুদ্ধই দি যোৱা সংশয় অবিশ্বাস নৈতিক প্ৰমূল্যৰ অৱক্ষয় মানুহৰ মাত্ৰাধিক ব্যক্তিকেন্দ্ৰী ভোগ-লালসাৰ পৰিণতিত। এই ফালৰ পৰা চাবলৈ গ'লে দ্বিতীয় বিশ্ব যুদ্ধৰ সৈতে নৱকান্ত বৰুৱাৰ পৰিচয যুদ্ধোত্তৰ বিষময় পৰিণতিৰ সৈতে আৰু তাৰ বিপৰীতে জীৱনানন্দৰ পৰিচয় যুদ্ধকালীন বিভীষিকা আৰু যুদ্ধোত্তৰ কালৰ ক্ষয়িষ্ণু মানৱতাৰ সৈতে। এইটো হোৱাটোৱেই স্বাভাৱিক। কাৰণ দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হওঁতে জীৱনানন্দ দাশৰ বয়স আছিল চল্লিশ বছৰ। গতিকে দ্বিতীয় বিশ্বযুদ্ধৰ সম্পৰ্কে জীৱনানন্দ দাশৰ অভিজ্ঞতা নৱকান্ত বৰুৱাতকৈ অধিক বেছি হোৱাটো স্বাভাৱিক। কিন্তু সিয়ে হ'লেও দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা মহামাৰীৰূপী মানুহৰ জীৱনৰ স‚কটৰ অভিজ্ঞতাই দুয়ো গৰাকী কবিকে কবিতা সৃষ্টিত প্ৰায় একে ধৰণৰ বোধ বুদ্ধি দৃষ্টি আৰু প্ৰেৰণাৰ যোগান ধৰিছিল। সেইবাবেই দুযো গৰাকী কবিৰ কবিতাত মানুহৰ জীৱন সম্পৰ্কে দ্বিধাগ্ৰস্ততা অবিশ্বাস আৰু অনিশ্চয়তাৰ দ্বন্দ্ব প্ৰধান হৈ পৰিছে আৰু মানুহৰ জীৱনৰ প্ৰতি দৃষ্টিভঙ্গী আৰু বিশ্লেষণো জটিল হৈ উঠা দেখা গ'ল।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময় বৈচিত্ৰ্যপূৰ্ণ। কবি দুজনৰ সময়ত পাশ্চাত্যৰ আৰ্হিত নগৰকেন্দ্ৰী এনে এটা সভ্যতা গঢ় লৈ উঠিছিল য'ত ব্যক্তিকেন্দ্ৰী ভোগবাদ যেন প্ৰতিযোগিতামুখী হৈ পৰিছিল। যাৰ ফলত একাংশ শিক্ষিত উচ্চবিত্ত আৰু মধ্যবিত্তই মানৱীয়তা আৰু নৈতিক মূল্যবোধক জলাঞ্জলি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল একমাত্ৰ ব্যক্তিগত ভোগ বিলাসৰ লালসাত। তথাকথিত আধুনিক সভ্য সমাজত ঠগ প্ৰৱঞ্চনা সাধাৰণ মানুহক শোষণ পীডন তেনেই সাধাৰণ কথা যেন হৈ পৰিছিল। নগৰকেন্দ্ৰী সভ্যতাত বিত্তবান শ্ৰেণীয়ে সাধাৰণ শ্ৰমিক-কৃষকক নিৰ্মম শোষণ পীড়ন কৰা কাৰ্য দুয়োজন কবিৰ সময়ৰ বিশেষত্ব আৰু সমকালৰ এনে অমানৱীয় কদৰ্যতা দুয়োগৰাকী কবিয়ে একেদৰেই অনুভৱ

কৰিছে। ভাৰতৰ শাসন ব্যৱস্থাই শোষণধৰ্মী আৰু এনে শোষণধৰ্মী শাসন ব্যৱস্থাৰ বাবেই আমাৰ দেশৰ শ্ৰমজীৱী কৃষক আৰু শ্ৰমিকে যি কঠোৰ শ্ৰম কৰে সেই শ্ৰমৰ ফল ভোগ কৰে অতি সামান্য। কিন্তু কৃষক আৰু শ্ৰমিকৰ কঠোৰ শ্ৰমৰ ফল ভোগ কৰে ধনী শ্ৰেণীয়ে। বিত্তবান শ্ৰেণীৰ নিৰ্মম শোষণৰ বলি হোৱা কৃষকৰ যন্ত্ৰণাময় জীৱন চিত্ৰ অংকন কৰি জীৱনানন্দ দাশে কৈছে —

সহসা দেখেছি তাবে দিনশেষে
মুখে তাব সব প্রশ্ন সম্পূর্ণ নিহত।
চাঁদেব ওপিঠ থেকে নেমেছে এ পৃথিবীব
অন্ধকাব নুব্জতাব মতো।

('বিস্ময় বেলা আবেলা কালবেলা)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাযো শোষকৰ কদৰ্যপূৰ্ণ স্বৰূপ দাঙি ধৰি কৈছে —

বালিৰ কণাত কত নাবিকৰ হাড়
ওপৰত উৰে ষ্টাৰ্লিং আৰু ডলাৰৰ কত চিলা
মাটিত বগায় কুমজেলেকুৱা দৃষ্টি
বিয়াল্লিছৰ জোৱাৰতো হেৰা নহ'ল ইয়াত ন ইতিহাস সৃষ্টি
সিয়নিত কোন শোৱে?
জগৎ শেঠৰ ক্ৰেনৰ চকাত তেজৰ চৰ্বি
এতিয়াও কোনে
দিয়ে

( প্ৰাণ গঙ্গাৰ বন্দৰ মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়ো জনেই গাঁৱৰ সহজ-সৰল পৰিৱেশৰ পৰা ওলাই গৈ কলিকতা মহানগৰীত উচ্চ শিক্ষা লৈছিল আৰু সেইখিনি সময়ৰ মহানগৰীয়া সমাজৰ চূড়ান্ত ব্যক্তিকেন্দ্ৰিকতা আৰু জঘন্য শোষণ পীড়নৰ চৰিত্ৰ দুয়োজন কবিয়ে তেওলোকৰ কবিতাত উদঙাই দেখুৱাইছে। কবি দুগৰাকীৰ এনে মানসিকতা আৰু দৃষ্টিভঙ্গী তেওঁলোকৰ সময়ৰ আধাৰতে গঢ় লৈ উঠিছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়ৰ তুলনামূলক বিচাৰ কৰি এতিয়ালৈকে যিখিনি কথা কোৱা হ'ল এইখিনি কথাত দেখা গ'ল যে দুয়োগৰাকী কবিৰ সময়ৰ স্বৰূপ যিহেতু একেই, গতিকে আপোন সময়ৰ পৰা দুয়ো গৰাকী কবিয়ে প্ৰায় একে ধৰণৰ অভিজ্ঞতা আৰু দৃষ্টিভঙ্গী গ্ৰহণ কৰিছে। কিন্তু সময় একে হ'লেও দুয়ো গৰাকী কবিৰ জন্ম স্থান যিহেতু পৃথক- গতিকে বংগদেশৰ আৰু অসমৰ সমস্যাৱলী সেইখিনি সময়ত একে নাছিল।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়ৰ বংগদেশ আৰু অসমৰ সমস্যাৱলী একে নাছিল। দৰাচলতে বংগদেশত বাঙালী জাতিৰ অস্তিত্বৰ সংকট যিদৰে নাছিল সেইদৰে বংগদেশক ভাৰত চৰকাৰে ঔপনিৱেশিক শোষণ কৰাও নাছিল। অসম কিন্তু ইয়াৰ বিপৰীত। সমগ্ৰ ঊনবিংশ শতিকা আৰু বিংশ শতিকাতো অসমে সময়ে সময়ে অসমীয়া জাতিৰ অস্তিত্ব বিলুপ্তিৰ সংশয়ত ভুগিব লগা হৈ আহিছে আৰু জাতীয় অস্তিত্ব ৰক্ষাৰ্থে মৰণ পণ কৰি সংগ্ৰাম কৰিব লগাও হৈছে। আনকি ১৮৩৬ খৃষ্টত অসমীয়া ভাষাই সুদীৰ্ঘ সাতত্ৰিশ বছৰ নিজৰ দেশতে স্থিতি হেৰুৱাব লগা হোৱাত অসমীযা ভাষাৰ পুনৰুদ্ধাৰৰ বাবে সংগ্ৰাম কৰিব লগা হৈছিল। সেইদৰে স্বাধীনোত্তৰ কালত বিমলাপ্ৰসাদ চলিহাৰ মুখ্য মন্ত্ৰীত্বৰ কালত চলিহাই অসমত অসমীযা ৰাজ্য ভাষাৰ সলনি বাংলা ভাষাক ৰাজ্য ভাষা কৰিবলৈ লোৱাত জনদিয়েক শ্বহীদৰ জীৱনৰ বিনিময়ত নিজৰ ভাষাৰ মৰ্যাদা ঘূৰাই আনিব লগা অৱস্থাও সৃষ্টি হৈছিল। এনেধৰণৰ জাতীয় সমস্যা আৰু সংঘাত কিন্তু জীৱনানন্দ দাশৰ সময়ৰ বংগদেশত উদ্ভৱ হোৱা নাছিল।

অসম আৰু অসমীয়া জাতিৰ ইতিহাস স০গ্ৰামৰ ইতিহাস। তাহানিৰ ছশ বছৰীয়া আহোম ৰাজত্ব কালৰ পৰা আৰম্ভ কৰি ১৮২৬ খৃষ্টত আহোম শাসন তন্ত্ৰৰ বেলিমাৰৰ পাছৰ সমগ্ৰ ঊনবিংশ শতিকাটোত অসমীয়া জাতিযে জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰাম কৰিব লগা হৈছিল। আনকি বি শ শতিকাৰ প্ৰথমাৰ্দ্ধ আৰু স্বাধীনোত্তৰ কালতো অসমীয়া জাতিৰ সংকট আঁতৰা নাই। এইখিনিতে উল্লেখযোগ্য যে অসমত বিভিন্ন সময়ত যি বিলাক সংগ্ৰাম হৈছিল সেইবিলাকৰ কিছুমানৰ নেতৃত্ব দিছিল শিক্ষিত মধ্যবিত্তই কিন্তু ঊনবিংশ শতিকাৰ কৃষক বিদ্ৰোহৰ সূত্ৰপাত ঘটিছিল সাধাৰণ প্ৰজাৰ মাজতহে। মুঠতে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়ৰ ব০গদেশ আৰু অসমৰ সমস্যা আৰু দ্বন্দ্বৰ বহুত অমিল। অথচ সামাজিক সমস্যাৱলী উপলব্ধি আৰু সমাজৰ দ্বন্দ্ব অনুভৱ দুয়োজন কবিয়ে প্ৰায়ে একে ধৰণেই কৰিছিল।

জন্ম সূত্ৰে লাভ কৰা পাৰিবাৰিক পৰিৱেশৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা কোনো মানুহৰ পক্ষেই সম্ভৱ নহয়। কাৰণ জন্মৰ পৰা পোৱা ঘৰুৱা পৰিৱেশৰ প্ৰভাৱতে শিশুৰ মন আৰু মানসিকতা গঢ় লৈ উঠে। অৱশ্যে পাছলৈ বয়স অনুসৰি বোধ বুদ্ধি আৰু অভিজ্ঞতা বৃদ্ধি হয় আৰু সমাজ দেশ আৰু সময় পৰিবৰ্তনৰ ফলত জন্মসূত্ৰে লাভ কৰা পাৰিবাৰিক পৰিৱেশৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাটোও স্বাভাৱিক।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুয়ো জনৰে ঘৰুৱা পৰিৱেশ পৃথক আছিল। আগতে কৈ অহা হৈছে যে জীৱনানন্দ দাশৰ জন্ম হৈছিল তদানীন্তন বংগদেশত গভীৰ প্ৰভাৱ পেলোৱা ব্ৰাহ্ম সমাজৰ আধ্যাত্মিক পৰিৱেশত। ১৮১৫ খৃষ্টত গঠন হোৱা ৰাজা ৰামমোহন ৰায়ৰ 'আত্মীয় সভা'ৰ যোগেদি ইংৰাজী শিক্ষাত গুৰুত্ব আৰু ধৰ্মভিত্তিক সকলো প্ৰকাৰ কুসংস্কাৰ দূৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। ৰামমোহন ৰায়ৰ এই সমাজ আন্দোলনক অধিক শক্তিশালী কৰি তোলাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল ঈশ্বৰচন্দ্ৰ

বিদ্যাসাগৰে। তদুপৰি বিবেকানন্দৰ ভাৰতীয় অধ্যাত্মবাদী দৰ্শন আধাৰিত যি সমাজ বিপ্লব সেই সমাজ বিপ্লৱৰ প্ৰভাৱে তদানীন্তন বাঙালী সমাজক আচ্ছন্ন কৰি ৰাখিছিল। এনে ধৰণৰ আধ্যাত্মিক আদৰ্শৰ মাজতে জন্ম হৈ ডাঙৰ-দীঘল হোৱা জীৱনানন্দ দাশৰ জীৱনৰ প্ৰথম ছোৱাৰ দৃষ্টিভঙ্গী আধ্যাত্মিক ভাবনাৰে সমৃদ্ধ আছিল। কিন্তু কলিকতাত পঢ়িবলৈ আহি আধুনিক জীৱনৰ কুটিলতা দেখাৰ পাছত তেওঁৰ মনৰ পৰা আধ্যাত্মিক ভাবনা ক্ৰমশঃ ক্ষীণতৰ হৈ আহিবলৈ ধৰে। কিন্তু মন কৰিবলগীয়া যে ধৰ্ম আৰু ঈশ্বৰৰ প্ৰতি আস্থাশীল নহ'লেও জীৱনানন্দৰ অৱচেতনাত আধ্যাত্মিক শীতলতা বৈ গ'ল আৰু এনে কাৰণতে তেওৰ কবিতা আধ্যাত্মিক গভীৰতাৰে সমৃদ্ধ হৈ পৰিল।

জীৱনানন্দ দাশৰ তুলনাত নৱকান্ত বৰুৱাৰ ঘৰুৱা পৰিৱেশ পৃথক। শংকৰদেৱৰ জন্ম স্থান নগাঁৱত জন্ম হৈযো নৱকান্ত বৰুৱাই তেওঁৰ ঘৰখনত আধ্যাত্মিক পৰিৱেশ পোৱা নাছিল। বৰং তেওঁ শৈশৱৰ পৰা পাইছিল কবিতা চৰ্চাৰ দৰে আধুনিক চিন্তা-ভাবনাৰ পৰিৱেশহে। অথচ নৱকান্ত বৰুৱাৰ কবিতা যে আধ্যাত্মিক গাম্ভীৰ্যৰ পৰা নিলগত সেইটোও নহয়।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুযোজন কবিৰ নিজৰ সময়ৰ শৈক্ষিক তথা বৌদ্ধিক পৰিৱেশৰো পাৰ্থক্য আছে। অসমত আধুনিক শিক্ষা প্ৰৱৰ্তন হোৱাৰ প্ৰায় দুশবছৰ আগতে বংগদেশত আধুনিক শিক্ষাৰ পোহৰ পৰিছিল। আনকি উচ্চ শিক্ষানুষ্ঠান হিচাপে কলেজ প্ৰতিষ্ঠাও অসমতকৈ বংগদেশত এশ বছৰ আগতেই হৈছিল। অসমত কটন কলেজ প্ৰতিষ্ঠা হৈছিল ১৯০১ চনৰ ২৭ মে'ত আৰু কলিকতাত ফৰ্ট উইলিয়াম কলেজ প্ৰতিষ্ঠা হয় ১৮০০ খৃ°ৰ ৪ মে'ত। গতিকে অসমতকৈ বংগদেশৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশ অধিক হোৱাটোৱে স্বাভাৱিক। অথচ নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব-বস্তুৰ গভীৰতা আৰু ৰূপবস্তুৰ বৈচিত্ৰ্য নিম্নমানৰ নহয়। আনহাতে জীৱনানন্দ দাশৰ জীৱন কাল ৫৫ বছৰ আৰু নৱকান্ত বৰুৱাৰ জীৱন কাল ৭৬ বছৰ। গতিকে কাব্য চৰ্চাৰ বাবে জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱাই অধিক সময় পাইছিল। অথচ এইষাৰ কথাও মন কৰিবলগীয়া যে নৱকান্ত বৰুৱাৰ আগবয়সৰ ৰচনা হে অৰণ্য হে মহা নগৰ কবিতাৰ যোগেদিয়েই তেওঁ কবি প্ৰতিভাৰ অনন্য পৰিচয় দিবলৈ সক্ষম হৈছিল। মুঠতে দুয়োজন কবিয়ে নিজৰ নিজৰ যুগ বা সময়ৰ বৌদ্ধিক বাতাৱৰণ বা পৃষ্ঠভূমিৰ দ্বন্দ্বাত্মক বাতাৱৰণৰ পৰা জ্ঞান আৰু অভিজ্ঞতা বোধ আৰু বুদ্ধি দৃষ্টিভঙ্গী আৰু সৃষ্টিশীল প্ৰেৰণা আহৰণ কৰিবলৈ সক্ষম হৈছিল আৰু দুয়োজনে এই আধুনিক বাংলা কবিতা আৰু আধুনিক অসমীয়া কবিতাৰ যুগ প্ৰতিষ্ঠাপক কবি হিচাপে খ্যাতি ৰাখি গৈছে।

---

২৯ ব্ৰাহ্ম সমাজৰ দ্বাৰা গঢ়ি তোলা সমাজ সংস্কাৰ আন্দোলনৰ বাবে বিশদভাৱে জানিবৰ বাবে তলত নাম দিয়া গ্ৰন্থসমূহ দ্ৰষ্টব্য।
(ক) F H Bradly Birt Twelve men of Bengal in the 19th Century
(খ) R. K Mukharjee The Rise and Fall of the East India Company
(গ) অসিত কুমাৰ বন্দোপাধ্যায় উনিশ বিশ
(ঘ) কাজী আব্দুল উদ্দুদ বাংলাৰ জাগৰণ
(ঙ) প্ৰণবৰঞ্জন ঘোষ ঃ উনবিংশ শতাব্দীৰ বাংলা মনন ও সাহিত্য

# দ্বিতীয় অধ্যায়
# জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ জীৱন আৰু সৃষ্টি-সম্ভাৰ

## জীৱনানন্দ দাশৰ জীৱন আৰু সৃষ্টি সম্ভাৰ

ৰবীন্দ্ৰনাথ ঠাকুৰৰ পাছত বাংলা কবিতাত আধুনিকতাৰ নতুন মাত্ৰাদান কৰা কবি হিচাপে জীৱনানন্দ দাশ অন্যতম। আনকি আধুনিক বাংলা কবিতাত এতিযালৈকে জীৱনানন্দ দাশ শীৰ্ষস্থানীয় কবি হিচাপে গণ্য হৈ আছে। পিতৃ সত্যানন্দ দাশ আৰু মাতৃ কুসুমকুমাৰীৰ সুযোগ্য সন্তান জীৱনানন্দ দাশৰ জন্ম হৈছিল পূৰ্ববঙ্গ (বৰ্তমান বাংলাদেশ)ৰ বৰিশালত ১৮৯৯ চনৰ ১৮ ফেব্ৰুৱাৰীত। ১৯১৫ চনত প্ৰবেশিকা পৰীক্ষা পাচ কৰি তেওঁ ব্ৰজমোহন কলেজত নাম ভৰ্তি কৰে আৰু ১৯১৭ চনত আই এ পাচ কৰি ১৯১৯ চনত কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা ইংৰাজীত অনাৰ্চসহ বি এ পাছ কৰে। ১৯২১ চনত ইংৰাজীত এম এ পাচ কৰে আৰু এম এ পাচ কৰিযে ১৯২২ চনত চিটি কলেজত টিউটৰ হিচাপে নিয়োজিত হয়। তাৰ পাছত ১৯৩০ চনত দিল্লীৰ ৰামযশ কলেজত অধ্যাপক হিচাপে যোগদান কৰে। ৰামযশ কলেজত কেইবছৰমান শিক্ষকতা কৰাৰ পাছত ১৯৩৫ চনত বৰিশালৰ ব্ৰজমোহন কলেজত নিযোজিত হয়।

জীনানন্দ দাশে একে ঠাইতে দীৰ্ঘ বছৰ চাকৰি কৰা নাছিল। বিভিন্ন কাৰণত চাকৰিৰ স্থান সলাই থকাটো যেন তেওঁৰ চাকৰি জীৱনৰ বৈশিষ্ট্য। বৰিশালৰ ব্ৰজমোহন কলেজৰ পৰা ওলাই আহি ১৯৫০ চনত খড়গপুৰ কলেজত যোগদান কৰে। ইয়াতো মাত্ৰ দুবছৰ শিক্ষকতা কৰি ১৯৫২ চনৰ নৱেম্বৰত কলিকতা চহৰৰ সমীপৰ বিবেকানন্দ কলেজত নিয়োজিত হয়। কিন্তু ইয়াতো ১৯৫৩ চনৰ ফেব্ৰুৱাৰীলৈকেহে থাকে আৰু আৰু ১৯৫৩ চনৰ মাৰ্চ মাহৰ মাজভাগত হাওৰা গাৰ্লছ (বৰ্তমান বিজয়কৃষ্ণ কলেজ) কলেজত অধ্যাপক হিচাপে নিয়োজিত হয় আৰু এইখন কলেজতে তেওঁৰ চাকৰি জীৱনৰ বুলিয়ে নহয় জীৱন নাটৰো সামৰণি পৰে।

ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে গোটেই জীৱন সাহিত্যৰ চিন্তা-চৰ্চাত জড়িত ব্যক্তি জীৱনানন্দ দাশৰ সৃষ্টিশীল মন জীৱনৰ আগ বয়সতে গঢ় লৈ উঠিছিল। ছাত্ৰাৱস্থাতে লেখক হিচাপে আত্মপ্ৰকাশ কৰা জীৱনানন্দ দাশে বাংলা আৰু ইংৰাজী উভয় ভাষাতে

কবিতা আৰু গীত ৰচনা কৰিছিল। ১৯১৯ চনতে 'ব্ৰহ্মবাদী পত্ৰিকাত 'বৰ্ষ-আবাহন নামৰ কবিতা প্ৰথম প্ৰকাশ হয়।ইয়াৰ পাছৰ পৰা তেওঁ কাব্য চৰ্চা অবিৰতভাৱে চলি থাকে।জীৱনানন্দ দাশ কবি হিচাপে খ্যাত যদিও তেও কবিতাৰ উপৰিও সমালোচনামূলক সাহিত্য গল্প আৰু উপন্যাসো লিখিছিল। তদুপৰি সময়ে সময়ে তেও বিভিন্ন পত্ৰিকাও সম্পাদনা কৰিছিল।

**জীৱনানন্দ দাশৰৰ সৃষ্টি সম্ভাৰ**

**কবিতা**

ঝৰা পালক (১৯২৭)
ধূসৰ পাণ্ডুলিপি (১৯৩৬)
বনলতা সেন (১৯৪২)
মহাপৃথিবী (১৯৪৪)
সাতটি তাৰাৰ তিমিৰ (১৯৪৮)
জীনানন্দ দাশেৰ শ্ৰেষ্ঠ কবিতা (১৯৫৪)
ৰূপসী বাংলা (১৯৫৭)
বেলা অবেলা কালবেলা (১৯৬১)
সুদৰ্শনা (১৯৭৩)
মনবিহঙ্গম (১৯৭৯)
আলো পৃথিবী (১৯৮১)
প্ৰকাশিত-অপ্ৰকাশিত কবিতাসমগ্ৰ (১৯৯৪)

**প্ৰবন্ধ সংকলন**

কবিতাৰ কথা (১৯৫৫)
সমালোচনা সমগ্ৰ (১৯৮৩)

**গল্প সংকলন**

জীৱনানন্দ দাশৰ গল্প (১৯৭২)
জীৱনানন্দ দাশৰ শ্ৰেষ্ঠ গল্প (১৯৮৯)

**উপন্যাস**

বিভা (ৰচনা কাল ১৯৩৩)
জীৱন প্ৰণালী (ৰচনা কাল ১৯৩৩)
কাৰুবাসনা (ৰচনা কাল ১৯৩৩)
প্ৰেতিনীৰ ৰূপকথা (ৰচনা কাল ১৯৩৩)
জলপাইহাটি (ৰচনা কাল ১৯৪৮)
সুতীৰ্থ (ৰচনা কাল ১৯৪৮)
মাল্যবান (ৰচনা কাল ১৯৪৮)

বাসমতীৰ উপাখ্যান (ৰচনা কাল ১৯৪৮)
মৃণাল
বিৰাজ
কল্যাণী

জীৱনানন্দ দাশৰ সৃষ্টি সম্ভাৰ বিশেষকৈ কবিতা উপন্যাস গল্প আৰু প্ৰবন্ধৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল। গল্প আৰু উপন্যাস সংখ্যাৰ দিশত যথেষ্ট যদিও জীৱনানন্দ দাশ গল্পকাৰ আৰু ঔপন্যাসিক হিচাপে খ্যাত নহ'ল। একমাত্র কবি হিচাপেহে তেওঁ বাংলা কাব্যৰ ইতিহাসত ধ্রুবতৰা হৈ জিলিকি থাকিল।

জীৱনানন্দ দাশৰ কবিতাৰ ভাবৰ গাম্ভীর্য আৰু ব্যাপ্তিৰ বাবেই এওঁৰ কবিতাই বিশেষ মর্যাদা লাভ কৰিলে আৰু ইয়াৰ অন্তৰালত আছিল তেওঁলোকৰ ঘৰখনৰ বৌদ্ধিক পৰিৱেশ। নিজৰ ঘৰৰ পুথিভঁৰালৰ কিতাপ পঢ়িয়ে তেওঁৰ অন্তৰত গ্রন্থ অধ্যয়নৰ ধাউতি গঢ় লৈ উঠিছিল। তদুপৰি তেওঁলোকৰ ঘৰখনত আছিল এটা আধ্যাত্মিক পৰিৱেশ। জীৱনানন্দ দাশে শৈশৱৰ পৰা পোৱা ঘৰুৱা পৰিৱেশ আছিল এনেধৰণৰ —

> ভোব বেলা ঘুম থেকে উঠে মায়েব গান ও বাবাব উপনিষদেব শ্লোক শুনতেন। প্রায় বোজ শেষ বাত্রে — বিশেষত হেমন্ত ও শবৎকালে উপনিষদেব শ্লোক আওড়াতে-আওড়াতে তাঁব পিতা তাঁব সন্তানদেব 'অপৰূপ সূর্য চেতনাব প্রভাতে নিযে আছতেন। তাঁব মাতা কুসুম কুমাবী দেবীব কণ্ঠে ব্রহ্ম সংগীত হত মোবে ডাকি লয়ে যাও মুক্ত দ্বাবে/ তোমাব বিশ্বেব সভাতে/আজ এ মঙ্গল প্রভাতে।[১]

জীৱনানন্দ দাশৰ ঘৰত কেৱল আধ্যাত্মিক পৰিৱেশহে যে আছিল এনে নহয় অধ্যয়নশীল ঘৰখনত বৌদ্ধিক বাতাবৰণ এটাও আছিল। সৰুকালতে জীৱনানন্দ দাশে ৰামায়ণ মহাভাৰত পঢ়িছিল আৰু দেশী বিদেশী সাহিত্যও পঢ়িছিল। তদুপৰি তেওঁৰ পিতৃ সত্যানন্দ দাশে নিজৰ সন্তানসকলক বহুৱাই লৈ আজৰি পৰত সাহিত্য ধর্ম দর্শন আদি বিবিধ বিষয়ত আলোচনা কৰিছিল। এনে ঘৰুৱা পৰিৱেশৰ বাবেই জীৱনানন্দ দাশৰ বৌদ্ধিক চেতনা শিশু কালৰ পৰাই গঢ় লৈ উঠিছিল।

জীৱনানন্দ দাশৰ ঘৰৰ মানুহৰ উপৰিও বংশ পৰিয়াল আৰু মাতৃ পক্ষটোও সংস্কৃতিবান আছিল আৰু জীৱনানন্দ দাশে সেইসকলৰ পৰাও বিভিন্ন দিশত অনুপ্রাণিত হৈছিল। আনকি তেওঁৰ ডাঙৰ মামাক প্রিয়নাথে শিশু জীৱনানন্দক নদ-নদী অৰণ্যত ঘূৰাই প্রাকৃতিক দৃশ্য উপভোগ কৰাইছিল আৰু এই যে শৈশৱতে প্রকৃতি জগতখনৰ প্ৰতি তেওঁ

১ ক্ষেত্র গুপ্ত (সম্পা) **জীবনানন্দ দাশের কাব্য সমগ্র** পৃঃ ৮০৪

আকৃষ্ট হৈছিল সেই বাবেই জীৱনানন্দ দাশৰ কবিতাত প্ৰকৃতিয়ে গভীৰ তথা অৰ্থবহ স্থান দখল কৰা দেখা গ'ল।

জীৱনানন্দ দাশ ডাঙৰ দীঘল হৈছিল তেওঁৰ ঘৰুৱা সাংস্কৃতিক পৰিৱেশত আৰু ইংৰাজীৰ অধ্যাপক হিচাপে পাশ্চাত্য সাহিত্যৰ অধ্যয়নে তেওঁৰ জ্ঞান বিস্তাৰ কৰাৰ উপৰিও সৃষ্টিশীল মন এটাও গঢ়ি তুলিছিল। জীৱনানন্দ দাশৰ সময়ত বাংলা ভাষাত সংখ্যাধিক সাহিত্য আলোচনী প্ৰকাশ হৈছিল আৰু এই আলোচনীসমূহৰ যোগেদিয়ে কবি হিচাপে তেওঁ আত্মপ্ৰকাশ কৰিছিল। 'কল্লোল প্ৰবাসী 'বঙ্গবাণী 'বিজলী' ধূপছায়া 'কালি কলম আদি আলোচনীত তেওঁৰ যথেষ্ট সংখ্যক কবিতা প্ৰকাশ হয় আৰু এই কেইখন আলোচনীৰ যোগেদি জনপ্ৰিয় হৈ উঠা কবি গৰাকীয়ে কাব্য চৰ্চাত আত্মনিয়োগ কৰাত ব্ৰতী হয়। কিন্তু অতি দুখৰ বিষয় যে এই কবি গৰাকীয়ে সম্পূৰ্ণ জীৱন কাল নাপালে। ১৯৫৪ চনৰ ১৪ অক্টোবৰৰ দিনা সান্ধ্যভ্ৰমণ কৰোতে ট্ৰাম-দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় আৰু লগে লগে কলিকতাৰ 'শম্ভুনাথ পণ্ডিত হস্পিতেল'ত তেওঁক ভৰ্তি কৰা হয়। কিন্তু অতি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কবি গৰাকীযে ২২ অক্টোবৰৰ ৰাতি ১১ ৩৫ মিনিটত জীৱন নাটৰ কৰুণ সামৰণি মাৰে। মাত্ৰ ৫৫ বছৰীয়া জীৱন কালতে কাব্য সাধনাৰে যি অক্ষয় কীৰ্তি ৰাখি থৈ গ'ল সম্পূৰ্ণ জীৱন কাল পোৱা হ'লে বাংলা কবিতাৰ ইতিহাস আৰু অধিক ঐশ্বৰ্যৰে গৰিমাময় কৰি তুলিলেহেঁতেন এইষাৰ কথাত সন্দেহ নাই।

## নৱকান্ত বৰুৱাৰ জীৱন আৰু সৃষ্টি সম্ভাৰ

আধুনিক অসমীয়া কবিতাৰ শিৰোমণি কবি নৱকান্ত বৰুৱাৰ জন্ম হৈছিল নগাঁৱত ১৯২৬ চনত। পিতৃ স্বৰ্গীয় নীলকান্ত শইকীয়া আৰু মাতৃ স্বৰ্গীয়া স্বৰ্ণলতা বৰুৱাৰ সুযোগ্য সন্তান নৱকান্ত বৰুৱাই নগাঁৱৰ পৰাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ পশ্চিমবঙ্গৰ শান্তি নিকেতনৰ বিশ্ব ভাৰতীত উচ্চ শিক্ষা লয় আৰু তাৰ পৰাই ইংৰাজীত অনাৰ্চসহ বি এ পাচ কৰে। ইয়াৰ পাছত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম এ পাচ কৰে।

নৱকান্ত বৰুৱাই কলেজত অধ্যাপনা কৰিয়ে কৰ্ম জীৱন অতিবাহিত কৰে। ১৯৫৪ চনত কটন কলেজত ইংৰাজীৰ অধ্যাপক হিচাপে যোগদান কৰি শেহৰ ফালে উপাধ্যক্ষ হয় আৰু উপাধ্যক্ষ হিচাপেই ১৯৮৪ চনত অবসৰ গ্ৰহণ কৰে।

নৱকান্ত বৰুৱাই কলেজত অধ্যাপনা কৰি থকা সময়ৰ পৰাই নিজৰ গুণ আৰু যোগ্যতাৰ বাবেই অনেক বৌদ্ধিক অনুষ্ঠানৰ সৈতে জড়িত হৈ পৰিছিল। জীৱনৰ আদি পৰ্বৰ পৰাই কাব্য-চৰ্চা কৰিছিল বাবেই পাঁচিচ বছৰ বয়সতে সমকালীন অসমীয়া কাব্য জগতত আলোড়ন সৃষ্টি কৰিছিল হে অৰণ্য হে মহানগৰ' কবিতাৰে আৰু এইখন কাব্যৰ কবিতাৰে

এগৰাকী আগশাৰীৰ কবি ৰূপে স্বীকৃত হৈছিল বাবেই ১৯৬৮ চনত অসম সাহিত্য সভাৰ টিং অধিৱেশনৰ কবি সন্মিলনৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। কবি হিচাপে নৱকান্ত বৰুৱাই পৰম্পৰাৰ বিপৰীতে নতুন দৃষ্টি আৰু দৰ্শনেৰে প্ৰগতিশীল মনৰ পৰিচয় দিছিল বাবেই তেওঁক ১৯৯০ চনত অসম প্ৰগতিশীল শিল্পী-সাহিত্যিক সংঘৰো সভাপতি পতা হৈছিল। অসমীয়া কবিতা আৰু উপন্যাস সাহিত্যলৈ অগতানুগতিক তথা বিশিষ্ট অৱদান আগবঢ়োৱা ব্যক্তি হিচাপে ১৯৯০ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসনখনো তেওঁ অলংকৃত কৰিছিল। নৱকান্ত বৰুৱাই কেৱল অসমৰ বৌদ্ধিক অনুষ্ঠানৰ সভাপতিৰ দৰে সন্মানীয় আসন অলংকৃত কৰাই নাছিল তেওঁ নিজৰ গুণ, যোগ্যতা আৰু প্ৰতিভাৰ বলত ১৯৯০ চনত কলিকতাত অনুষ্ঠিত সৰ্বভাৰতীয় লেখক সন্মিলনৰ তৃতীয় অধিৱেশনৰ সভাপতিও হৈছিল।

নৱকান্ত বৰুৱাৰ কৰ্ম-জীৱনৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে কটন কলেজত শিক্ষকতা কৰাৰ উপৰিও তেওঁ যি বিলাক কৰ্মত জড়িত বা আত্মনিয়োগ কৰিছিল সেই সকলো বিলাকেই আছিল বিদ্বৎ সমাজৰ আৰু সকলোবোৰেই আছিল বৌদ্ধিক অনুষ্ঠান। ইতিপূৰ্বে কৈ অহা অসমৰ আগশাৰীৰ অনুষ্ঠান সমূহৰ উপৰিও তেও ভিন ভিন সময়ত আন্তঃৰাষ্ট্ৰীয় বৌদ্ধিক অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ সুযোগ পাইছিল। ১৯৬২ চনত দিল্লীত অনুষ্ঠিত আন্তৰ্জাতিক লেখক সন্মিলন ১৯৭৩ চনত পঞ্চম এফ্ৰো-এছীয় লেখক সন্মিলন ১৯৭৩ চনত এফ্ৰো-এছীয় কবি সন্মিলন ১৯৭৫ চনত ছোভিয়েতৰ বেলগ্ৰেডত ৰিভলিউচন ৰিমেমব্ৰেন্স ডে ১৯৮৫ চনত দিল্লীত অনুষ্ঠিত বাল্মীকি বিশ্ব কবিতা দিৱস ১৯৮৮ চনত যুগোশ্লাভিয়াত ষ্ট্ৰুগা পয়েট্ৰি ফেষ্টিভেল ১৯৮৮ চনত ভূপালত অনুষ্ঠিত কবিতা এছিয়া ১৯৯৫ চনত দিল্লীত সাহিত্য অকাডেমিৰ 'সম্বৎসৰ বক্তৃতা প্ৰদান কৰে। তদুপৰি ভিন ভিন সময়ত ছোভিয়েট ইউনিয়ন ছোভিয়েতৰ কাজাখাস্তান পোলেণ্ড যুগোশ্লাভিয়া ৰোম এথেন্স আদি দেশ ভ্ৰমণ কৰে।

নৱকান্ত বৰুৱাৰ সামগ্ৰিক জীৱনটোৱে সাধনা উৎসৰ্গিত জীৱন আৰু তেওঁৰ জীৱন জোৰা সাধনাৰ দ্বাৰা যিমানবোৰ সৃষ্টি হ'ল সেই সকলোবোৰেই নৱকান্ত বৰুৱাক বিবিধ প্ৰকাৰ সন্মানৰ অধিকাৰী কৰি তুলিলে। এনে আনুষ্ঠানিক সন্মানসমূহৰ ভিতৰত ১৯৫৮ চনত শিশু সাহিত্যৰ বাবে ৰাষ্ট্ৰীয় বঁটা ১৯৭৪ চনত অসম প্ৰকাশন পৰিষদ বঁটা ১৯৭৫ চনত সাহিত্য অকাডেমি বঁটা ১৯৮০ চনত ছোভিয়েত লেণ্ড নেহেৰু বঁটা ১৯৭৫ চনত অসম সাহিত্য সভাৰ দ্বাৰা সম্বৰ্দ্ধনা ১৯৭৬ চনত পদ্মবিভূষণ উপাধি লাভ ১৯৮৩ চনত বিশ্ব হিন্দী পৰিষদৰ দ্বাৰা সম্বৰ্জনা আৰু ১৯৯৭ চনত অসম উপত্যকা বঁটা লাভ কৰে।

জীৱন জোৰা সাধনাৰ বাবেই নৱকান্ত বৰুৱাই দেশ আৰু বিদেশ সৰ্বত্ৰ সন্মানিত হ'ল আৰু ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় সন্মানৰ মূলত তেওঁৰ অধ্যয়নপুষ্ট জ্ঞান আৰু গুণগত সংখ্যাধিক সৃষ্টি সম্ভাৰ। কবি হিচাপে পৰিচিত নৱকান্ত বৰুৱাৰ ৰচনা-সম্ভাৰ বহুমুখী। কবিতা গীত,

উপন্যাস আলোচনামূলক গ্ৰন্থ, ভ্ৰমণ বৃত্তান্ত নাটক শিশু সাহিত্য অনুবাদ সংকলন আৰু সম্পাদনা — এই সকলোবোৰতে তেও দক্ষতাৰ পৰিচয় দি গৈছে।

## নৱকান্ত বৰুৱাৰ সৃষ্টি সম্ভাৰ

### কবিতা

হে অৰণ্য হে মহানগৰ (১৯৫১)

এটি দুটি এঘাৰটি তৰা (১৯৫৮)

যতি আৰু কেইটামান স্কেচ (১৯৬০)

সম্ৰাট (১৯৬২)

ৰাৱণ (১৯৬৩)

মোৰ আৰু পৃথিৱীৰ (১৯৭৩)

ৰত্নাকৰ (১৯৮৬)

এখন স্বচ্ছ মুখাৰে (১৯৯০)

মহাকাব্যৰ পাণ্ডুলিপি (১৯৯০)

সূৰ্যমুখীৰ অঙ্গীকাৰ (১৯৯০)

দলঙত তামীঘৰা (১৯৯৯)

ৰাতি জিলমিল তৰা জিলমিল (১৯৯৯)

(মোৰ আৰু পৃথিৱীৰ আৰু সূৰ্যমুখীৰ অঙ্গীকাৰত সন্নিবিষ্ট কবিতাসমূহ বিভিন্ন স,কলনৰ পৰা নিৰ্বাচিত)

### গীতৰ সংকলন

মনৰ খবৰ (১৯৬৩)

### উপন্যাস

কপিলী পৰীয়া সাধু (১৯৫৩)

ককাদেউতাৰ হাড় (১৯৭৩)

গৰমা কুঁৱৰী (১৯৮০)

মানুহ আটাইবোৰ দ্বীপ (১৯৮০)

অ-পদাৰ্থ (১৯৮১)

এহি ভিক্‌খুণী (১৯৮৭)

অহিংসাৰ জুই (অসম্পূৰ্ণ 'সীৰলু আলোচনীত প্ৰকাশিত)

**আলোচনামূলক গ্ৰন্থ**

মোৰে ভাৰতৰে (১৯৬২)

অসমীয়া ছন্দ শিল্পৰ ভূমিকা (১৯৫৮)

ৰমণীয় (১৯৬৩)

কবিতাৰ দেহ বিচাৰ (১৯৮৭)

অসমীয়া লোক কবিতাৰ সৌন্দৰ্য বিচাৰ (১৯৯৬)

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ড লীলা গগৈ স্মাৰক বক্তৃতা)

সীৰলুৰ শহ (১৯৯০)

ছেকস্‌পীয়েৰৰ নাটকৰ সাধু

নৱকান্ত বৰুৱাৰ ঘৰুৱা মেল

**ভ্ৰমণ বৃত্তান্ত**

দেশে দেশে মোৰ দেশ (১৯৮৯)

**নাটক**

এটি গীতৰ জন্ম হ'ল

কুশ জাতক

অভিৰূপান্দ

পাটাছাৰা

**শিশু ৰচনা (উপন্যাসিকা গীতিনাট্য গল্প)**

শিয়ালী পালেগৈ ৰতনপুৰ (১৯৫৫)

আখৰৰ জখলা (১৯৫৮)

ভত উকাৰে ভূ (১৯৬০)

মাখনৰ কুকুৰা পোৱালী (১৯৬২)

মই টুনীয়ে টুন টুনালোঁ (১৯৮১)

গোলাপ আৰু বেলি ফুল (১৯৮১)

মনত পৰাৰ শব্দ (১৯৮৩)

মৰুৱা ফুল (সংকলন আৰু সম্পাদনা ১৯৮৪)

কিশোৰ ৰামায়ণ (১৯৮৭)

কিশোৰ উপনিষদ (১৯৮৮)

**অনুবাদ**

বিশ্ব মানৱৰ অভিমুখে (মূল ৰবীন্দ্ৰনাথ ঠাকুৰ)
বাল্ট হুইটমেনৰ এশ কবিতা (সাহিত্য অকাডেমি)
নজৰুল ইছলামৰ কবিতা (সাহিত্য অকাডেমি)
সুমিত্রানন্দন পন্তৰ কবিতা (অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি)
মুক্তধাৰা (মূল ৰবীন্দ্ৰনাথ ঠাকুৰ)
এলছেচটিছ (মূল ইউৰিডিচ)
হিন্দু মুছলমানৰ যুক্ত সাধনা (মূল ক্ষিতিমোহন সেন)
আহত মৰাল (আলেকজেণ্ডাৰ পুস্কিন)
ভাস্ক পপা আৰু অন্যান্য যুগোশ্লাভিয়া কবিৰ কবিতা
কাৰ্ণই চুকাৰভস্কীৰ শিশু কবিতা

**সংকলন-সম্পাদনা**

ভাৰতীয় চাৰুকলাৰ ভূমিকা
আধুনিক অসমীয়া অভিধান
গাৰো ইংৰাজী অসমীযা অভিধান
ৰবীন্দ্ৰ চয়নিকা (ৰত্নকান্ত বৰকাকতিৰ সহযোগত)
সীৰলু (সাহিত্য সংস্কৃতি বিষয়ক আলোচনী ১৯৮৩ ৮৫)
নতুন সীৰলু
জোনবাই (শিশু আলোচনী ১৯৫০-৬২)
পোহৰ (শিশু আলোচনী ১৯৬৯ ৭০)

নৱকান্ত বৰুৱাৰ কৰ্ম-জীৱন আৰু সৃষ্টিসম্ভাৰৰ বিষয়ে লক্ষ্য কৰিলে দেখা যায় যে শিক্ষাবিদ হিচাপে ত্ৰিশ বছৰ শিক্ষকতা কৰি অতিবাহিত কৰা কৰ্ম-জীৱনৰ উপৰিও গোটেই জীৱন বৌদ্ধিক চিন্তা-চৰ্চা আৰু সৃষ্টি কৰ্মৰে জীৱনক সফল কৰি তুলিলে। নৱকান্ত বৰুৱাৰ সৃষ্টি কৰ্মও বহুমুখী। কবিতা গীত উপন্যাস আলোচনা ভ্ৰমণ-বৃত্তান্ত, নাটক শিশু সাহিত্য অনুবাদ আৰু বিবিধ গ্ৰন্থ আৰু আলোচনী সম্পাদনা — এই সকলোবোৰতে তেওঁ সফলতা প্ৰদৰ্শন কৰি গৈছে।

নৱকান্ত বৰুৱাৰ ৰচনা সম্ভাৰ বহুমুখী হ'ব পাৰে তেওঁ কিন্তু মূলতঃ কবি। কবিতা লিখিছিল বাবেই যে তেওঁ কবি সেইটো নহয় নৱকান্ত বৰুৱাৰ সমগ্ৰ সৃষ্টি সম্ভাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁৰ কবি মানস সকলো সৃষ্টিতে ফলত ৰস থকাৰ দৰে বিয়পি

আছে। আনকি তেওঁৰ উপন্যাসকেইখনো অত্যন্ত কাব্যিক আৰু গীতিধৰ্মী। বিশেষকৈ 'কপিলীপৰীয়া সাধু' আৰু 'ককাদেউতাৰ হাড' এই দুয়োখনেই কাব্যিক বৰ্ণনা ভঙ্গীৰে সমৃদ্ধ। আনহাতে কবিতা আৰু গীতৰ সম্পৰ্ক যে এৰাব নোৱৰা এইষাৰ কথাও অনুভৱ হয় নৱকান্ত বৰুৱাৰ কবিতাত। সংক্ষেপে ক'বলৈ গ'লে নৱকান্ত বৰুৱাৰ কবিতা সাংগীতিক লয় মাধুৰ্যযুক্ত আৰু তেওঁৰ গীত কাব্যিক সুষমাময়। তদুপৰি তেওঁৰ উপন্যাসো গীতিময় সুৰ মাধুৰীযুক্ত আৰু কাব্যিক মায়াচ্ছন্ন। মুঠতে যি লেখাই নহওক সকলো লেখাতে গীতৰ সুৰ মাধুৰ্য আৰু কাব্যিক আবেদন যুক্ত হৈ আছে। এনে কাৰণতে নৱকান্ত বৰুৱাৰ শিশু সাহিত্যসমূহো গীতিধৰ্মী আৰু কাব্যিক কোমলতাৰে সমৃদ্ধ। মুঠতে নৱকান্ত বৰুৱাৰ সৃষ্টি সম্ভাৰ তেওৰ কবি মানসৰ শাব্দিক প্ৰকাশ স্বৰূপ।

# তৃতীয় অধ্যায়
# জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা-জগত

## জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা-জগত

(এক)

### সমকাল চেতনা আৰু সামাজিক দায়বদ্ধতা

কবি সাহিত্যিকসকল যিমানেই মৌলিক সৃষ্টি প্ৰতিভাসম্পন্ন নহওক লাগিলে তেওলোকৰ সৃষ্টি সম্ভাৰ সমৃদ্ধ হয় সমকালৰ মানুহ আৰু সমকালৰ ৰাজনৈতিক অৰ্থনৈতিক সমাজ-সাংস্কৃতিক পটভূমিত গঢ লৈ উঠা সমকাল চেতনাৰ আধাৰত। সন্দেহ নাই যে জীৱনানন্দ দাশ জন্মগতভাৱেই কবি প্ৰতিভাৰ অধিকাৰী। কিন্তু সিয়ে হলেও তেওৰ কবি মন আৰু কাব্যিক দৃষ্টিভঙ্গী গঢ লৈ উঠিছে সমকাল চেতনাৰ পৰা গ্ৰহণ কৰা উপকৰণেৰে। জীৱনানন্দ দাশৰ সময় ৰাজনৈতিকভাৱে দ্বন্দ্বমুখৰ সময়। তেও জন্মই হৈছে ভাৰতে পৰাধীনতাৰ শৃংখল পিন্ধি থকাৰ সময়ত আৰু তেওৰ জন্মৰ পোন্ধৰ বছৰ পাছতে অৰ্থাৎ ১৯১৪ চনত আৰম্ভ হোৱা প্ৰলয়ংকৰী প্ৰথম মহাসমৰ আৰু তেওঁৰ চল্লিশ বছৰ বয়সত ১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় মহাসমৰে সৃষ্টি কৰা ৰাজনৈতিক সংঘাত আৰু সামগ্ৰিকভাৱে ক্ষয়িষ্ণু মানৱ সমাজৰ সৈতে তেওঁৰ পৰিচয় আছিল অতি গভীৰ। তদুপৰি উচ্চশিক্ষা ল'বলৈ নগৰলৈ অহাৰ পাছৰ পৰাই চাকৰিসূত্ৰে তেও নগৰবাসী হৈ জীৱন কটাব লগা হোৱাত সমকালীন নগৰীয়া সমাজৰ যান্ত্ৰিকতা কুটিলতা আৰু চূড়ান্ত ব্যক্তিকেন্দ্ৰিক বীভৎসতাৰ সৈতেও তেওঁৰ চাক্ষুস পৰিচয় হৈছিল। সমকালৰ মানুহৰ হৃদয়হীনতা দেখি তেওঁ বিব্ৰত হ'ল সঁচা কিন্তু নিৰাশ নহ'ল। বৰং তেওঁ যৌৱন-সুলভ সাহস আৰু আত্মপ্ৰত্যয়েৰে অবক্ষয়মান মানৱ সমাজৰ মাজতে অনাগত ভৱিষ্যতৰ সম্ভাৱনা দেখি ক'লে —

> নেই নেই মনে হয়েছিল কবে চাৰিদিকে উঁচু উঁচুগাছে
> বাতাস? না সময় বলেছে, 'আছে আছে।
>
> (সূৰ্য নিভে গেলে আলো পৃথিবী)

সমকালৰ সাম্রাজ্যবাদী শোষণ পীড়নে জৰ্জৰিত কৰি তোলা ভয়াবহ অৱস্থা অনুভৱ কৰি ক'লে —

বাণিজ্য বায়ুর গন্ধে একদিন শতাব্দীব শেষে
অভ্যুত্থান শুরু হলো এইখানে নীল সমুদ্রেব কটি দেশে
বাণিজ্য বায়ুব হর্ষে কোন এক দিন
চারদিকে পামগাছ — খোলামদ — বেশ্যালয় সেঁকো কেবোসিন
+ + + + +
বক্তিম গীর্জাব মুণ্ড দেখা যায় সবুজেব ফাঁকে।

(নিবঙ্কুশ সাতটি তারার তিমির)

সাম্রাজ্যবাদী লালসাত বিপন্নপ্রায় হোৱা সমাজৰ মৰ্মবেদনা আছিল জীৱনানন্দ দাশৰ সময়ৰ সামূহিক চিৎকাৰ। এই সামূহিক চিৎকাৰ অনুভৱ কৰিব পাৰিছিল বাবেই তেওঁ কৈছে —

অন্ন নেই। হৃদয়বিহীনভাবে আজ
মৈত্রেয়ী ভূমাব চেয়ে অন্ন লোভাতুবা
বক্তেব সমুদ্র চাবি দিকে
কলকাতা থেকে দূব
গ্রীসেব অলিভ বন
+ + + + +
অগণন লোক মবে যায়
এম্পিডোক্লেসেব মৃত্যু নয় —
সেই মৃত্যু ব্যসনেব মতো হয়।

(দীপ্তি সাতটি তারার তিমির)

সমাজ সচেতন কবি হিচাপে জীৱনানন্দই সমকালৰ সমাজৰ সামূহিক দুৰ্দশা দেখি কৈছে—

পৃথিবীতে ঢেব দিন বেঁচে থেকে আমাদেব আয়ু
এখন মৃত্যুব শব্দ শোনে দিনমান।
হৃদয়কে চোখঠার দিয়ে ঘুমে বেখে
হয়তো দুর্যোগে তৃপ্তি পেতে পাবে কান
এ রকম একদিন মনে হয়েছিলো
অনেক নিকটে তবু সেই ঘোব ঘনায়েছে আজ
আমাদেব উঁচু নিচু দেয়ালেব ভিতবে খোড়লে
ততোধিক গুনাগাব আপনাব কাজ
ক'বে যায় ঘরের ভিতব থেকে খ'সে গিয়ে সন্ততির মন

(বিভিন্ন কোবাস সাতটি তারার তিমির)

জীৱনানন্দ দাশ গভীৰভাৱে সমাজ সচেতন কবি আৰু এনে সমাজ সচেতনতাৰ বাবেই সমকালৰ বিবিধ প্ৰকাৰ সমস্যাৰ ভিতৰত সাম্ৰাজ্যবাদী শোষণত জৰ্জৰিত সাধাৰণ জনতাৰ শোষণ পীডাই তেওক অধিক আক্ৰান্ত কৰিছে আৰু এনে শোষণৰ পৰা জনতাক মুক্ত কৰাৰ মানসেৰে তেও বিপ্লৱী চেতনাৰে উদ্বুদ্ধ হৈছে। এনে কাৰণতে জীৱনানন্দ দাশৰ কবিতাত সমাজ বিশ্লেষণৰ আধাৰত সমাজৰ শ্ৰেণী শত্ৰুক চিনাক্ত কৰি দেখুওৱা হৈছে আৰু এনে ভুমিকাই কবি গৰাকীৰ সমকাল চেতনা আৰু সামাজিক দায়বদ্ধ চেতনাক স্বচ্ছ কৰি তুলিছে।

(দুই)

## অৱক্ষয় চেতনা

সমকাল চেতনা যাৰ প্ৰখৰ তেনে ব্যক্তিৰ সামাজিক দায়বদ্ধ চেতনাও গভীৰ হয। সমকাল চেতনাৰ প্ৰখৰ দৃষ্টিত সাধাৰণতে সমকালীন সমাজৰ ক্ষয়িষ্ণু ৰূপটো ভাসমান হৈ উঠে। সমাজ সচেতন কবি হিচাপে জীৱনানন্দ দাশে তেওঁৰ আপোন যুগৰ সমাজখনৰ ক্ষযমান ৰূপ দেখি তেও চিন্তাক্লিষ্ট হৈ পৰিছে। এই বিষয়ত শক্তিনাথ ঝাই কৈছে —

> স্বদেশীয় মধ্যবিত্ত এবং উচ্চবিত্তদেব অন্তঃসার শূন্যতা কবি লক্ষ্য কবেছেন। অতীতেব বোমন্থন বাস্তবকে স্বীকাব কবাব ভীতি ভীরুতা স্ববিবোধ নৈবাশ্য (আভিভাবিকা) বিচ্ছিন্ন ও ফেনিল বুদ্ধি এদেব বৈশিষ্ট্য।[১]

জীৱনানন্দ দাশে তেওৰ সময়ৰ নগৰীয়া জীৱনৰ অৱক্ষয়ৰ ছবিখন দেখিছে। যিখন নগৰত মানুহ আছে, কিন্তু মানৱীয় হৃদয় নাই, প্ৰাত্যহিক জীৱনৰ ব্যস্ততা আছে, কিন্তু গতি নাই। নগৰীয়া জীৱনৰ এনে এখন ছবি চিত্ৰণ কৰি কৈছে —

> কোন দূব ঘাসেব দেশ নদী জোনাকীব কথা মনে পড়ে আমাব —
> তাবা কোথায়?
> তাবা কি হাবিয়ে গেছে?
> পায়েব তলে লিক্‌লিকে ট্রামেব লাইন — মাথার ওপরে
> অসংখ্য জটিল তাবেব জাল
> শাসন কবছে আমাকে।
> গুঁড়ি গুঁড়ি বৃষ্টি পডছে কেবল যেন ঠাণ্ডা বাতাস
>
> (ফুটপাথে মহা পৃথিবী)

---

১ শক্তিনাথ ঝা 'জীবনানন্দের কবিতা ঃ মার্কসীয় দর্শনের প্রভাব ও স্বীকৃতি তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃঃ ১১৮

মানুহৰ নৈতিক অৱক্ষয় কেন্দ্ৰীভূত হয় সাধাৰণতে নগৰীয়া সমাজত আৰু জীৱনানন্দ দাশে তেওঁ বাস কৰা কলকাতা মহানগৰত মানুহৰ বীভৎসতা দেখি কম্পমান হৈছে। আধুনিক শিক্ষাৰে নতুন সভ্যতা গঢ়া মহানগৰীয়া সমাজখনত কবিগৰাকীয়ে সভ্যতাৰ পোহৰ দেখা নাই। দেখিছে দূৰ অতীতৰ প্ৰাগৈতিহাসিক আদিম মানুহৰ আৰণ্যিক জীৱন ধাৰা। সমকালৰ এনে অৱক্ষয়মান অৱস্থা অনুভৱ কৰি কৈছে —

হাইড্রান্ট খুলে দিয়ে কুষ্ঠ রোগী চেটে নেয় জল
অথবা সে-হাইড্রান্ট হয়তো বা গিয়েছিলো ফেঁসে।
এখন দুপব বাত নগবীতে দল বেঁধে নামে।
একটি মোটবকাব গাড়লেব মতো গেল কেশে
অস্থির প্রেটল ঝেড়ে
\+ \+ \+ \+ \+
নগবীর মহৎ বাত্রিকে তাব মনে হয়
লিবিয়াব জঙ্গলেব মতো।
তবুও জন্তুগুলো আনুপর্ব — অতিবৈতনিক
বস্তুত কাপড় পবে লজ্জাবশত।

(বাত্রি সাতটি তারার তিমির)

অৱক্ষয়মান নগৰীয়া সমাজত মানুহে সভ্যতাৰ মুখা পিন্ধি ভিতৰি পশুৱৎ জীৱন যাপন কৰে। সমকালৰ নগৰীয়া মানুহৰ এনে জান্তৱ স্বভাৱ দেখি কবি গৰাকীয়ে চিকাৰী শিয়ালৰ স্বৰূপ দাঙি ধৰি কৈছে —

যেই সব শেয়ালেবা জন্ম-জন্ম শিকাবেব তবে
দিনেব বিশ্রুত আলো নিভে গেল পাহাবেব বনেব ভিতবে
নীববে প্রবেশ ক'বে — বাব হয় — চেয়ে দেখে ববফেব বাশি
জ্যোৎস্নায় প'ড়ে আছে, — উঠিতে পাবিত যদি সহসা প্রকাশি
সেই সব হৃদয়যন্ত্র মানবেব মতো আত্মায়
তাহ'লে তাদেব মনে সেই এক বিদীর্ণ বিস্ময়
জন্ম নিতো — সহসা তোমাক দেখে জীবনেব পাবে
আমাবও নিবভিসন্ধি কেঁপে উঠে স্নায়ুর আধাবে।

(যেইসব শেয়ালেরা সাতটি তারার তিমির)

আধুনিক নগৰকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাত কবিয়ে পোহৰ দেখা নাই। দেখিছে মানৱতাক আহত আৰু আচ্ছন্ন কৰি তোলা অন্ধকাৰ। তথাকথিত যান্ত্ৰিক সভ্যতাৰ গ্ৰাসত পৰি মানুহে নিজৰ ধ্বংসে নিজে মাতি আনিছে বুলি অনুভৱ কৰি কৈছে —

সূর্যলোক নেই — তবু —
সূর্যালোক মনোবম মনে হ'লে হাসি।
স্বতই বিমর্ষ হ'য়ে ভদ্র সাধাবণ
চেয়ে দ্যাখে তবু সেই বিষাদেব চেয়ে
আবো বেশি কালো-কালো ছায়া
লঙ্গবখানাব অন্ন খেয়ে
মধ্যবিত্ত মানুষেব বেদনাব নিরাশাব হিসেব ডিঙিয়ে
নর্দমাব থেকে শূনা ওভার ব্রিজে উঠে
নর্দমায় নেমে —
ফুটপাত থেকে দূব নিরুত্তব ফুটপাতে গিয়ে
নক্ষত্রেব জ্যোৎস্নায় ঘুমাতে বা ম'বে যেতে জানে।
এয়া সব এই পথে
ওবা সব ওই পথে — তবু
মধ্যবিত্তমদিব জগতে
আমবা বেদনাহীন — অন্তহীন বেদনাব পথে।
(তিমিব হননেব গান সাতটি তারার তিমির)

সভ্যতা সদায় আদৰণীয়। যদিহে যথাৰ্থ সভ্যতা হয়। কিন্তু জীৱনানন্দ দাশৰ সময়ৰ সভ্যতা যেন ছদ্মবেশী বৰ্বৰতাৰ নামান্তৰ। এনে উপলব্ধি কৰিয়ে তেওঁ কৈছে —

মানুষেব সভ্যতার মর্মে ক্লান্তি আসে
বড়ো-বড়ো নগবীর বুকভবা ব্যথা
ক্রমেই হারিয়ে ফেলে তারা সব সংকল্প স্বপ্নের
উদ্যমেব অমূল্য স্পষ্টতা।
তবুও নদীর মানে স্নিগ্ধ শুশ্রূষার জল সূর্য নানে আলো
এখনো নারীর মানে তুমি কত রাধিকা ফুরালো।
(মিত ভাষণ বনলতা সেন)

আধুনিক যান্ত্ৰিক সভ্যতাই সৃষ্টি কৰা সমাজৰ সৰ্বস্তৰৰ অৱক্ষয়ৰ ছবিখন অতি চিত্ৰৰূপময়ভাৱে দাঙি ধৰি কৈছে —

কোথায় সমাজ অর্থনীতি — স্বর্গগামী সিঁড়ি
ভেঙে গিয়ে পায়ের নিচে রক্তনদীর মতো —
মানব ক্রমপরিণতির পথে লিঙ্গশরীরী
হয়ে কি আজ চারিদিকে গণনাহীন ধূসর দেয়ালে

ছড়িয়ে আছে যাব দ্বৈপসাগব দখল ক'বে।
পুবাণপুরুষ গণমানুষ নাবীপুরুষ মানবতা অসংখ্য বিপ্লব
অর্থবিহীন হয়ে গেলে — তবু আবেক নবীনতব ভোবে
সার্থকতা পাওয়া যাবে ভেবে মানুষ সঞ্চারিত হ'য়ে
পথে পথে সবে শুভ নিকেতনেব সমাজ বানিয়ে
তবুও কেবল দ্বীপ বানালো যে যাব নিজেব অবক্ষয়েব জলে।

(যতিহীন বেলা অবেলা কালবেলা)

সমকাল চেতনাৰে আপোন যুগৰ প্ৰতি সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰি কবি জীৱনানন্দ দাশে সমাজৰ যি ধৰণৰ ক্ষয়মান ৰূপ দেখা পাইছে; সিয়ে কবিক বিষাদ আক্ৰান্ত কৰিছে আৰু এই বিষাদ ভৰা দৃষ্টিভঙ্গী ক্ৰমশ° গভীৰ হৈ গৈছে। ইয়াৰ ফলত তেওৰ অৱক্ষয় চেতনাই কবিতাক ভাব গধুৰ কৰিও তুলিছে। এই বিষযত জগদীশ ভট্টাচার্যই কোৱা কথা এষাৰ জীৱনানন্দ দাশৰ কবিতাৰ পৰিৱৰ্তিত ভাবনাৰ ক্ষেত্ৰত প্ৰাণিধানযোগ্য। ভট্টাচার্যই কৈছে —

> সমকালীন যুগ জীবনেব স্খলন পতন ত্রুটি সম্পর্কে তিনি অধিকতব সচেতন হয়েছেন। কাব্যকে তিনি বলেছেন 'কবিমনেব সত্যতাপ্রসূত অভিজ্ঞতা ও কল্পনাপ্রতিভাব সন্তান ।নাগবিক জীবনেব অভিজ্ঞতাব ফলে তাঁব কবি ভাষাবও পবিবর্তন হযেছে। তাঁব প্রথম যুগেব কবিভাষা ছিল হৃদয়াবেগপ্রধান দ্বিতীয় যুগেব কবিভাষা মননাবেগ প্রধান। প্রথম যুগেব কবিভাষায় ছিল বিষণ্ণচিত্তেব বিস্ময়াবেগ দ্বিতীয় যুগেব কবিভাষায় দেখা দিয়েছে বিক্ষুব্ধ চিত্তেব শ্লেষবক্রোক্তি।[২]

জীৱনানন্দ দাশৰ কবিতাত অৱক্ষয় চেতনা বিচাৰ কৰি দেখা গ'ল যে এওৰ কবিতাত সমকালৰ অৱক্ষয় চেতনা যৌৱনসুলভ উদাত্ত আৱেগ নহয় দাশৰ কবিতাত প্ৰকাশ পোৱা অৱক্ষয় চেতনা গভীৰ সামাজিক দায়বদ্ধ চেতনাজনিত মননশীলতাৰে সমৃদ্ধ। সেয়ে দাশৰ কবিতাত সমকালীন অৱক্ষয়ৰ ৰূপটো কেৱল চিত্ৰবৎ প্ৰতিফলিত হোৱাই নহয় বুদ্ধিনিষ্ঠ বিশ্লেষণেৰে সমৃদ্ধ হৈয়ো উঠিছে আৰু ইয়ে জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখনক গাম্ভীৰ্য দানো কৰিছে।

## (তিনি)

### দ্বিধাগ্ৰস্ততা আৰু দ্বন্দ্ব

গভীৰ সামাজিক দায়বদ্ধ চেতনাই যাৰ মন বোধ আৰু বুদ্ধি ভাৰাক্ৰান্ত কৰি

---

২ জগদীশ ভট্টাচার্য ঃ আমার কালের কয়েকজন কবি পৃ ২১

তোলে তেনে ব্যক্তিৰ দৃষ্টিত সমকালীন সমাজৰ অৱক্ষয়মান অৱস্থাই ভয়াবহ ৰূপত ধৰা দিয়ে আৰু তেতিয়াই মানুহৰ মনত নানান প্ৰকাৰ দ্বিধাগ্ৰস্ততাই ক্ৰিয়া কৰে। এনে দ্বিধাগ্ৰস্ততাই ব্যক্তিৰ মনত জন্ম দিয়ে ভিন্নপ্ৰকাৰ দ্বন্দ্বৰ। সমাজ সচেতন কবি হিচাপে জীৱনানন্দ দাশৰ মনত যি ধৰণৰ দায়বদ্ধ চেতনা গঢ লৈ উঠিছিল তেনে দায়বদ্ধ চেতনাৰে তেওঁ বিচাৰিছিল সকলো মানুহেই যেন মানুহ হিচাপে জীয়াই থাকে। নতুন যুগৰ নতুন সভ্যতাৰ পৰা আশা কৰিছিল আৰু বিজ্ঞানৰ পৰা আশা কৰিছিল মানুহে সমত্ববোধ আৰু মমত্ববোধেৰে জীয়াই থকাত সহায় কৰিব বুলি। কিন্তু ৰূঢ় বাস্তৱে তেওঁৰ আকাংক্ষাক যেন ধূলিসাৎ কৰি পেলালে। যাৰ ফলত সময়ে সময়ে তেওঁ দ্বিধাগ্ৰস্ততা অনিশ্চয়তা আৰু সংশয়ৰ যন্ত্ৰণাত ভুগিবলৈ ধৰিলে। আধুনিক যুগত বিজ্ঞানৰ ওপৰত বিশ্বাস কৰাটোৱে আধুনিক মনৰ পৰিচয়। কিন্তু ভোগবাদী সমাজ ব্যৱস্থাই বিজ্ঞানকো ৰচনাত্মক ৰূপত গ্ৰহণ নকৰি ধ্বংসাত্মক ৰূপত গ্ৰহণ কৰা দেখি কবিগৰাকীৰ মন বিজ্ঞানৰ প্ৰতি সন্দিহান হৈ উঠিছে। এইখাৰ কথা স্পষ্ট কৰি তুলিবৰ বাবে দীপ্তি ত্ৰিপাঠীয়ে কোৱা কথা এষাৰ তুলি দিয়া হ'ল।

বিজ্ঞানেব প্রতিও তাঁব আস্থা নেই। কবিব মতে যদিও
আমাদেব ব্যবহাবিক জ্ঞান বেড়েছে কিন্তু সে জ্ঞান প্রেম বিধৃত নয়।
আমাদেব এই শতকেব
বিজ্ঞান তো সংকলিত জিনিসেব ভীড শুধু বেড়ে যায় শুধু,
তবুও কোথাও তাব প্রাণ নেই ব'লে অর্থময়
জ্ঞান নেই আজ এই পৃথিবীতে জ্ঞানেব বিহনে প্রেম নেই।
(১৯৪৬ ৪৭ শ্রেষ্ঠ কবিতা)[৩]

যি বিজ্ঞানৰ ওপৰত পৰম বিশ্বাসী আছিল সেই বিজ্ঞানৰ ওপৰত বিশ্বাস হেৰুৱাই কবি গৰাকীয়ে কঠিন বাস্তৱৰ পৰা যেন সময় বিশেষে পলায়ন কৰিব খুজিছে।[৪] মনৰ দুৰ্বলতা প্ৰকাশ কৰি কবিগৰাকীয়ে যুগধৰ্ম বুলি ধ্বংস যজ্ঞতে যেন আত্মাহুতি দিবলৈ বিচাৰি ক'লে —

সূৰ্যেব আলোর দিন ছেড়ে দিয়ে পৃথিবীর যশ পিছে ফেলে
শহর—বন্দর—বস্তি কাবখানা দেশলাইয়ে জ্বেলে
আসিয়াছি নেমে এই খেতে
শবীবের অবসাদ — হৃদয়ের জ্বর ভুলে যেতে।

---

৩ দীপ্তি ত্রিপাঠী আধুনিক বাংলা কাব্য পরিচয় পৃঃ ১৪৩
৪ উল্লিখিত পৃঃ ১৪৩

শীতল চাঁদের মতো শিশিবের ভেজা পথ ধ'বে
আমরা চলিতে চাই তারপব যেতে চাই ম'বে।
(অবসবের গান ধূসর পাণ্ডুলিপি)

কবিগৰাকীৰ মন ইমানেই দ্বিধাগ্রস্ত যে যি জ্ঞানৰ সাধনাৰে তেওঁ নিজকে উত্তৰণ ঘটাইছে আৰু যি জ্ঞানৰ বলতে মানব সমাজে বিকাশৰ পথত অগ্রসৰ হৈ আহিছে, সেই জ্ঞানৰ ওপৰতো সময় বিশেষে আস্থা হেৰুৱাইছে। জ্ঞানৰ ওপৰত সন্দিহান হৈ তেওঁ ক'লে —

এক দিন সমুদ্রেব কালো আলোডনে
উপনিষদেবও শাদা পাতাগুলো ক্রমে ডুবে যাবে।
(মনোবীজ মহা পৃথিবী)

সমকালৰ ক্ষয়িষ্ণু অৱস্থাই কবিক দিক্‌ভ্রান্ত কৰি তুলিছে আৰু এনে মানসিক অৱস্থাত তেওঁ হেৰুৱাই পেলাইছে সকলোৰে ওপৰত বিশ্বাস। জ্ঞান বিজ্ঞান ধর্ম আৰু মানুহৰ ওপৰতো বিশ্বাস হেৰুৱাই কবিগৰাকী যেন হেৰাই যাবলৈ ধৰিছে দ্বিধাগ্রস্ততাত। এই ক্ষেত্রত প্রদ্যুম্ন মিত্রই কৈছে —

জ্ঞান নয় বিজ্ঞানো নয় কাবণ বেলেব লাইনেব মতো পাতা জ্ঞানবিজ্ঞানের অন্তহীন কার্যকাবিতায় অনেক প্রাসাদ আছে, প্রেম নেই। শক্তিব শ্রমও তাই তাঁর কাছে মনে হয়েছে নিয়ন্ত্রিত করছে দেশ ও জাতির ভবিষ্যত 'সমস্ত সমস্যা কেটে দেয় তরবার। ধর্ম বিশ্বাসের দিন বহুকাল বিগত মানুহ তার নিহত উজ্জ্বল ঈশ্বরেব পবিবর্তে 'অন্য কোন সাধনার ফল — এ বিশ্বাস অর্পণ কবতে চেয়েছে। কিন্তু মানুষেব তবে এক মানুষেব গভীর হৃদয়ের যে প্রত্যয় একদা ইতিহাসকে প্রাণিত করেছিল জীবনানন্দ তাকে দেখেছেন দূবাপসৃত — তাঁব হৃদয়ের সুবঞ্জনাকে যুবকের বাহুলগ্ন হয়ে হারিয়ে যেতে দেখেন রাত্রির আঁধারে। পৃথিবীর মানুষকে মানুষের মতো ভালবাসা দিতে গিয়ে দেখেন 'আমারই হাতে হয়তো নিহত ভাই বোন বন্ধু পরিজন পড়ে আছে।[৫]

জীবনানন্দ দাশৰ দ্বিধাগ্রস্ত মনে সময়ে সময়ে নিজৰ ধাৰণাকে অস্বীকাৰ কৰা দেখা যায়। আনকি যিজন কবিয়ে প্রেমেই জীৱনৰ সত্য আৰু সর্বস্ব বুলি ভাবে যি জন কবিয়ে মৰুময় জীৱনত প্রেমক শান্তিৰ মাজুলী বুলি অনুভৱ কৰে সেইজন কবিয়েই প্রেমতো

৫ প্রদ্যুম্ন মিত্র ঃ কবিতার গাঢ় এনামেলে ঃ জীবনানন্দের কাব্য ভাবনা পৃঃ ৬২

আস্থা হেৰুৱাই ক'লে —

সময় অনেক চিহ্ন লক্ষ্য ভেঙে ফেলে ছুটেছে দুবন্ত অশ্বক্ষুর
একে একে সকলকে নষ্ট কবে দেবে সময়েব হাতে সবই বিচ্ছিন্ন ভঙ্গুর
হয়ে যায় জেনেছি অনেক দিন আমি। তবুও সময় তাব সকল ধ্বংসেব পটভূমি
দিয়ে আচ্ছাদিত ক'রে অপ্রেম প্রেমকে তবু ও দেখেছো অনাচ্ছাদিত হে প্রেমিক তুমি।
(প্রেমিক শাৰদীয় বন্দেমাতৰম ১৩৬১)

অবিশ্বাস সন্দেহ আৰু সংশযেৰে জীৱনানন্দ দাশৰ কবিতা যে ধূসৰ হৈ উঠিছে, এই বিষয়ে হিমানী বন্দ্যোপাধ্যায়ে কৈছে —

আত্মবিস্মৃত উন্মাদনা আব তাঁকে আক্রান্ত কবে না। অনেক ভয়াবহ শেষ সত্য তিনি স্থিবভাবে মেনেনিতে পাবেন। এমনকী যে — আকাশ এত দিন পর্যন্ত তাঁব কাছে মুক্তি উল্লাস ও পবিত্রতাব প্রতীক ছিলো তাও এখন আব সন্দেহেব অতীত নয় 'নীলিমাকে যতদূৰ শান্ত নির্মল মনে হয়/হয়তো বা সে বকম নেই তাব মহানুভতা (পবিচায়ক)। জীবনানন্দ এখন ভীষণ সন্দিগ্ধ ও অবিশ্বাসী অথবা যে বিশ্বাস তাঁকে সঞ্জীবিত বাখে এব, এই ধ্বংসলীলাকে কাব্যে ৰূপান্তবিত কবাব প্রেবণা দেয় তা হচ্ছে এই আশা যে হযতো কোনো এক দূব ও অনাগত জগতে ইতিহাস শুদ্ধিব অনুষ্ঠান ঘটবে। কাল যেহেতু নিত্যবহমান তাব স্রোত ও পবিবর্তশীলতাই একদিন মনীষা ও পবিত্রতাকে প্রতিষ্ঠিত কববে। কিন্তু আপাতত চাবিদিকে 'নবকেব আগুনেব মত বক্তপাত (পবিচায়ক)।[৬]

অবিশ্বাস সংশয় আৰু অনিশ্চয়তাত দ্বিধাগ্রস্ত কৱি জীৱনানন্দ দাশৰ কবিতাত শ্বাসৰূদ্ধ মানসিক দ্বন্দ্ব অনুভূত হয়। এই বিষয়ে বিমলচন্দ্র ঘোষে কৈছে —

তাঁব অসুস্থ মানসিকতাব অনর্গল উচ্ছ্বাসে সাধাবণ মানুষেব কাছে চিব দুর্বোধ্য জীবন-দর্শনেব অবতাবণা কবতে চেয়েছেন সেখানেই তিনি আমাদেব আতংকিত করেছেন। এই অদ্ভুত মানসদ্বন্দ্ব তাঁব অধিকাংশ কবিতার মধ্যেই প্রতিফলিত। জীবনানন্দেব জীবন দর্শন একাকীত্বের তমসাচ্ছন্ন নৈবাশ্যে অন্তর্মুখীন। যে অন্তবেব দ্বাব জানালা গবাক্ষ বাতায়ন মনুষ্যময়ী পৃথিবীকে এড়িয়ে চলার অত্যদ্ভুত অহংকারে অবরুদ্ধ।[৭]

৬ হিমানী বন্দ্যোপাধ্যায় **জীবনানন্দ সুধীন্দ্রনাথ এবং** পৃ ১৪
৭ বিমলচন্দ্র ঘোষ 'কবি জীবনানন্দ দাশেব জীবন-দর্শন সুব্রত রুদ্র (সম্পা) **জীবনানন্দ ঃ জীবন আর সৃষ্টি** পৃঃ১৮৯

জীৱনানন্দ দাশৰ কবিতাত প্রবল আশাবাদৰ স্বচ্ছতা আছে। অথচ সময়ে সময়ে কবি গৰাকীয়ে অবিশ্বাস সংশয় আৰু অনিশ্চয়তাৰ সন্ধিক্ষণত দ্বিধাগ্রস্ততাত ভুগিছে আৰু এনে দ্বিধাগ্রস্ততাৰ বাবেই কবি গৰাকীৰ মানসিক দ্বন্দ্বই তীব্র ৰূপ লোৱা দেখা গৈছে। আনকি যি প্রেমৰ প্রতি কবিৰ গভীৰ বিশ্বাস সেই প্রেমো কবিৰ দৃষ্টিত সময় বিশেষে ধূসৰ হৈ পৰা দেখা যায়।

> প্রেমেই জীবনকে ব্যাপ্ত কবে আছে। প্রেম একটি স্রোতস্বিনীব মতো বয়ে চলেছে কবিব লেখায় — সে হচ্ছে যৌবনেব স্রোতস্বিনী নবজীবনেব স্রোতস্বিনী অনেক সময় প্রেম অন্তবঙ্গ আলাপ — অথবা দুজনে মুখোমুখি বসে থাকা। কখনও বা প্রেম হয়েছে কলবোল মুখব।[৮]

প্রেমৰ প্রতি এনে গভীৰ বিশ্বাসৰ বাবেই কৈছে —

ডানে বাঁয়ে উপবে নিচে সময়েব
চলন্ত তিমিবেব ভিতব তোমাকে পেয়েছি।
শুনেছি বিবাট শ্বেতপক্ষিসূর্যেব
ডানায উড্ডীন কলবোল
আগুনের মহান পবিধি গান ক'বে উঠছে।

(সময়েব তীবে বেলা অবেলা কালবেলা)

প্রেমৰ প্রতি কবিৰ যিমানেই গভীৰ আস্থা নাথাকক সময়ে সময়ে এই প্রেমৰ প্রতিও তেওঁ আস্থাহীনতাৰ দ্বন্দ্বত ভুগিছে। মুঠতে প্রেম জ্ঞান বিজ্ঞান মানুহ, ভূত ভৱিষ্যৎ সকলোৰে প্রতি গভীৰ বিশ্বাস স্থাপন কৰা কবি গৰাকীয়ে দুৰন্ত দ্বিধাগ্রস্ততাৰ বাবেই সময় বিশেষে এই সকলোবোৰৰ প্রতি যেতিয়াই বিশ্বাস হেৰুৱাই পেলাইছে তেতিয়াই তেওঁ গভীৰ মানসিক দ্বন্দ্বত ভুগিছে। অৱশ্যে এনে দ্বিধাগ্রস্ততাজনিত মানসিক দ্বন্দ্বই কবিৰ অনুভূতিক অতি বেছি স্পর্শকাতৰ কৰি তুলিছে আৰু ইয়ে জীবনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখন ক্রমশ গভীৰৰ পৰা গভীৰলৈ নি আছে।

(চাৰি)

## প্রেম চেতনা

জীৱনানন্দ দাশৰ কবিতা প্রেমৰ সুকোমল অনুভূতিৰে সমৃদ্ধ। প্রখৰ সমাজ সচেতন কবি জীৱনানন্দ দাশে সমকালৰ কঠিনতাত বিপন্ন হৈ কেতিয়াবা প্রেমৰ প্রতিও আস্থা হেৰুৱাইছে সঁচা কিন্তু প্রেমৰ প্রতি এনে অনাস্থা স্থায়ী নহয়। জীৱনানন্দ দাশৰ মতে জীৱনৰ সকলো প্রকাৰ জটিলতা আৰু যন্ত্রণাৰ পৰা জীৱনক উদ্ধাৰ কৰিব পাৰে কেৱল প্রেমে। এনে অনুভৱেৰে তেওঁ কৈছে —

---

৮ বণেশ দাশগুপ্ত 'মার্কসীয় দৃষ্টিতে জীবনানন্দ দাশের কবিতা কেন ইতিবাচক' আবু হাসান শাহবিয়াব (সম্পা) জীবনানন্দ দাশ : মূল্যায়ন ও পাঠোদ্ধার পৃঃ ৪৮

কারণ সূর্যের চেয়ে আকাশের নক্ষত্রের থেকে
প্রেমের প্রাণের শক্তি বেশি — তাই রাখিয়াছে ঢেকে
পাখির মায়ের মতো প্রেম এসে আমাদের বুক।
সুস্থ ক'রে দিয়ে গেছে আমাদের রক্তের অসুখ।
পাখির শিশুর মতো যখন প্রেমেরে ডেকে ডেকে
রাতের গুহার বুকে ভালোবেসে লুকায়েছি মুখ —
ভোরের আলোর মতো চোখের তারায় তারে দেখে।
প্রেম কি আসেনি তবু? — তবে তার ঈশারা আসুক।
প্রেম কি চলিয়া যায় প্রাণের জলের ঢেউয়ে ছিঁড়ে।
ঢেউয়ের মতন তবু তার খোঁজে প্রাণ আসে ফিরে।

(প্রেম ধূসর পাণ্ডুলিপি)

জীৱনানন্দৰ প্রেম চেতনা যেন কেৱল জীৱন প্রেৰণাই নহয় তেওঁৰ মতে প্রেম পৃথিৱীৰো মোহময়তা। জীৱনানন্দৰ এনে প্রেমৰ সর্বব্যাপ্ত ৰূপৰ গৰিমাৰ বিষয়ে প্রদ্যুম্ন মিত্রই কৈছে —

> ধূসর পাণ্ডুলিপির চিত্রের পর চিত্রে চড়িয়ে রয়েছে বিষণ্ণ শীতার্ত নৈসর্গিক পৃথিবীর রূপ। সেই প্রাকৃতিক পটভূমিকায় প্রেম বারবার নিয়ে এসেছে এক রোমাণ্টিক দীর্ঘশ্বাস। এ কাব্যের প্রথমতম কবিতা 'নির্জন স্বাক্ষর যেখানে এক পরিব্যাপ্ত নৈসর্গিক নশ্বরতার প্রেক্ষাপটে মানবিক প্রেম তার মৃত্যুহীনতার এমন দ্যোতনা আনে যা 'নক্ষত্রের আকাশ কিংবা 'সমুদ্রের জল কখনও জানেনি। চারিপাশের সবুজ মাঠ ঘাস আর 'আকাশে আকাশে ছড়ানো নীল আকাশ ইন্দ্রিয়গোচর সব জাগতিক মাধুরিমার চেয়েও ঢের বড় বিস্ময় যেন এই প্রেম।[৯]

জীৱনানন্দ দাশৰ প্রেম চেতনা পৃথিৱীমুখী যদিও পুন পুনঃ ঘূৰি আহি নাৰী প্রেমত নিমজ্জিত হয়হি আৰু এনে কাৰণতে তেও কৈছে —

সে সূর্য অয়নে নেই কোনো দিন
— মনে তাকে দেখা যেতো যদি —
যে-নারী দেখেনি কেউ — ছ'সাতটি তারার তিমিরে
হৃদয়ে এসেছে সেই নদী।

(অনেক নদীর জল বেলা অবেলা কালবেলা)

৯ প্রদ্যুম্ন মিত্র জীবনানন্দের চেতনা জগৎ পৃঃ ৫১

উদ্ধৃত কবিতাংশত নাৰী প্ৰেমৰ যি মহিমা ঘোষিত হৈছে, প্ৰেমৰ এনে মোহনীয় আৱেশ বহু কবিতাত অনুভূত হয়। এনে কাৰণতে জগদীশ ভট্টাচাৰ্যই কৈছে —

কবিব প্ৰেম চেতনায় চিবন্তনী নাবীব অস্তিত্ব কোনো দিনই লুপ্ত হয় নি। ববং ববাববে মতো তাঁব প্ৰেমময় বিশ্বে নাবীই নদী নদীই নাবী।[১০]

মানৱী প্ৰিয়াৰ প্ৰেমত কবি গৰাকীয়ে অনুভৱ কৰিছে জীৱন মাধুৰ্য আৰু প্ৰাণ সঞ্চাৰিণী জীৱন প্ৰেৰণা। সেয়ে মানৱী প্ৰিয়াৰ অপৰূপ ৰূপ মাধুৰী দেখা পাইছে সৰ্বত্ৰ। এনে অনুভৱেৰে কৈছে —

ভ্ৰমবীব মত চুপে সৃজনেব ছায়াধূপে ঘুবে মবে মন
আমি নিদালিব আঁখি — নশাখোব চোখেব স্বপন।
নিবালায় সুব সাধি — বাঁধি মোব মানসীব বেণী
মানুষ দেখে নি মোবে কোনো দিন — আমাবে চেনে নি।

(কবি ঝৰা পালক)

নাৰীৰ প্ৰেমময় ৰূপত জীৱন প্ৰেৰণাৰে দীপ্ত হয় বুলি অনুভৱ কৰা জীৱনানন্দ দাশৰ প্ৰেম চেতনাৰ বিষয়ে জগদীশ ভট্টাচাৰ্যই কৈছে —

ইন্দ্ৰিয়বোধাতীত এক বহস্যময় প্ৰেমাবেশেব ভিতব দিয়ে কেটেছে তাঁব সাবা জীবন। এই প্ৰেমেব আবেশেই কবি তাঁব পলাতকা প্ৰিয়াকে দেখেছেন আকাশ ভুবনেব অপৰূপ ৰূপেব জগতে। এই অৰ্থেই জীবনানন্দ প্ৰেমেব কবি [১১]

জীৱনানন্দ দাশৰ প্ৰেম চেতনাই কেতিয়াবা ইন্দ্ৰিয়গ্ৰাহ্য স্তৰত আৰু কেতিয়াবা ইন্দ্ৰিয়াতীত স্তৰত মোহময় স্বপ্নাৱেশ ৰচনা কৰিছে। এনে অৰ্থতে বুদ্ধদেব বসুৱে কৈছে—

'ক্যাম্পে কবিতায় মৃগয়াব গল্প অবলম্বন কবে প্ৰেমেব ভয়াবহ গম্ভীর স্তম্ভ তুলেছেন তিনি মানবিক প্ৰেমেব যৌন প্ৰেমেব যা ব্যাপ্ত হয়ে আছে কোথাও ফড়িঙে কীটে মানুষেব বুকেব ভিতবে যাব ক্ষমতাব চাপে ক্ষমতাশালী মাংসাশী শিকাবীদেবও হৃদয়গুলো 'বসন্তেব জ্যোৎস্নায় মৃত মৃগদেব মতোই পাংশু হয়ে প'ড়ে থাকে।[১২]

জীৱনানন্দ দাশৰ প্ৰেম আকলুৱা অন্তৰত প্ৰেমে কেতিয়াবা ধৰা দিয়ে ইন্দ্ৰিয়গ্ৰাহ্য

---

১০ জগদীশ ভট্টাচাৰ্য 'জীবনানন্দ দাশ সুব্ৰত রুদ্ৰ (সম্পা) জীবনানন্দ জীবন আর সৃষ্টি পৃ ২২২

১১ জগদীশ ভট্টাচাৰ্য পূৰ্বোক্ত গ্ৰন্থ, পৃ ১৯৯

১২ বুদ্ধদেব বসু 'জীবনানন্দ দাশ-এর স্মরণে সুব্ৰত রুদ্ৰ (সম্পা) পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০

ৰূপত কেতিয়াবা প্ৰেমে কবিক বিচৰণ কৰায় ইন্দ্ৰিয়াতীত ধূসৰ জগতত আৰু কেতিয়াবা কবিৰ উদ্ভ্ৰান্ত প্ৰেমে কোনোবা পলাতকা প্ৰেমিকা হৈ কবিক চিকমিক মৰীচিকা দেখুৱায়। প্ৰেমৰ এনে মহিমাময় ৰূপ অনুভৱ কৰি কৈছে —

হায়চিল সোনালি ডানাব চিল এই ভিজে মেঘের দুপুরে
তুমি আব কেঁদো নাকো উড়ে উড়ে ধানসিড়ি নদীটিব পাশে
তোমাব কান্নাব সুবে বেতেব ফলেব মতো তাঁব ম্লান চোখ মনে আসে।
পৃথিবীব বাঙা বাজকন্যাদেব মতো সে যে চলেগেছে ৰূপ নিয়ে দূবে
আবাব তাহারে কেন ডেকে আন? কে হায হৃদয় খুঁড়ে বেদনা জাগাতে ভালবাসে।
(হায় চিল বনলতা সেন)

'হায চিল কবিতাত প্ৰকাশ পোৱা কবিৰ প্ৰেম স্বপ্নাতুৰ মনৰ ব্যাকুলতাৰ বিষয়ে জগদীশ ভট্টাচাৰ্যই কৈছে —

কবিব হৃদযেব শব্দহীন জ্যোৎস্নাব ভিতবে পাখিব ডাক
যে পলাতকা প্রেমেব স্মৃতিকে জাগিয়ে দেয় তাবই অনবদ্য কাব্যৰূপ
হল 'হায চিল কবিতাটি।[১৩]

প্ৰেম এক প্ৰকাৰ আবেগিক উন্মাদনা আৰু এনে আবেগিক উন্মাদনাৰ বাবেই প্ৰেমৰ গভীৰ স্তৰটো বিষাদ ভৰা। জীৱনানন্দ দাশৰ প্ৰেমৰ গভীৰতা আছে আৰু এই গভীৰতাৰ বাবেই তেওঁৰ প্ৰেমে পৃথিৱীৰ সবত্ৰ বিয়পা হৈয়ো বাৰম্বাৰ গভীৰতাৰ বিষাদেৰে নীলচীয়া হৈ উঠিছে। জীৱনানন্দ দাশৰ বিষাদঘন প্ৰেমৰ বিষয়ে দীপ্তি ত্ৰিপাঠীয়ে কৈছে —

যে প্রেম তিনি পান নি যে প্রেম শেষ হ'য়ে গিয়েছে, যা
আব কোনোদিনও ফিবে আসবে না জীবনানন্দ সেই অচবিতার্থ
প্রেমেব কবি। অথচ বিবহ ও বিচ্ছেদকে তিনি বোমান্টিক দৃষ্টিভঙ্গীতে
দেখেন নি। জীবনানন্দ অনুভব কবেছেন বিচ্ছেদ পূর্ণতা দেয়
না বিধ্বস্ত ক'রে দিয়ে যায় দেহ মন আত্মা।[১৪]

বিৰহলৈ ৰূপান্তৰ হোৱা প্ৰেমৰ জ্বালা কিমান অসহ্যকৰ হ'ব পাৰে তাৰ ব্যাখ্যা দি কোৱা হৈছে —

যদিও বীণার মত বেজে উঠে হৃদয়ের বন
একবাব — দুইবার — জীবনের অধীর আঘাতে —

---

১৩ জগদীশ ভট্টাচাৰ্য 'জীবনানন্দ দাশ সুব্ৰত ৰুদ্ৰ (সম্পা) পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২০২
১৪ দীপ্তি ত্ৰিপাঠী ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ ১২৪

তবু — প্রেম তবু তাবে ছিড়ে ফেড়ে গিয়েছে কখন।
তেমনি ছিঁড়িতে পাবে প্রেম শুধু

(প্রেম ধূসর পাণ্ডুলিপি)

প্ৰেমৰ বিচ্ছেদ বিহ্বলতা অনুভৱ কৰি কবিযে দেখা পাইছে সৰ্বাত্মক শূন্যতা আৰু বিৰহাকুল শূন্যতা উপলব্ধি কৰি কৈছে —

সুবঞ্জনা
তোমাব হৃদয় আজ ঘাস
বাতাসেব ওপাবে বাতাস
আকাশেব ওপাবে আকাশ।

(আকাশ নীলা সাতটি তারার তিমির)

প্ৰেম এক অতৃপ্ত বিষাদঘন আৱেশ। ইযাৰ তৃপ্তিৰ অতৃপ্তি নাই অতৃপ্তিৰো অন্ত নাই। সেয়ে জীৱনানন্দ দাশে জীৱনৰ গভীৰতৰ কন্দৰত কেতিযাবা অনুভৱ কৰে প্ৰেমৰ নশ্বৰতা আৰু তেতিয়া তেও প্ৰেমৰ স্বপ্নাৱেশেৰে বিভোৰ হৈ থাকিব খোজে প্ৰেমৰ মধুৰ স্মৃতিৰে আৰু এনেধৰণৰ প্ৰেমোন্মাদনাৰে তেও কৈছে —

একদিন দিয়েছিলে যেই ভালোবাসা
ভুলে গেছ আজ তাব ভাষা।
জানি আমি — তাই
আমিও ভুলিযা যেতে চাই
একদিন পেয়েছি যে ভাঁলোবাসা
তাব স্মৃতি — আব তাব ভাষা
পৃথিবীতে যত ক্লান্তি আছে,
একবাব কাছে এসে আসিতে চায় না আব কাছে
যে মুহূর্তে —

(কয়েকটি লাইন ধূসর পাণ্ডুলিপি)

প্ৰেমোন্মাদনাত অস্থিৰ কবি গৰাকীৰ মনত বাৰে বাৰে প্ৰশ্ন হৈছে — প্ৰেম নশ্বৰ কিন্তু স্মৃতিও যে নশ্বৰ। তেনেহ'লে জীৱনত স্থাযী কি? অন্তহীন এনে প্ৰশ্ন উত্থাপন কৰি কৈছে —

ব্যথাব বুকেব পবে আব এক ব্যথা বিহ্বলতা
নেমে এলো — উল্লাস ফুবায়ে গেল নতুন উৎসবে
আলো অন্ধকাব দিয়ে বুনিতেছি শুধু এই ব্যথা —

দুলিতেছি এই ব্যথা উল্লাসেব সিন্ধুব বিপ্লবে।
সব শেষ হবে — তবু আলোড়ন — তা কি শেষ হবে।
(অনেক আকাশ ধূসর পাণ্ডুলিপি)

প্রেমৰ বিষয়ে এনে প্রশ্নশীলতাৰে কবিৰ মন ইমানেই বিধ্বস্ত প্রায় হৈ উঠিছে যে সৌৰজগতত নক্ষত্র ক্ষয় হোৱাৰ দৰে ব্যৰ্থ প্রেমে বিপন্ন কৰা হৃদয়খনো ছিন্নভিন্ন হৈ উৰলি যায় বুলি অনুভৱ কৰি কৈছে —

একবার কথা ক'লে দেশ আব দিকেব দেবতা
বোবা হ'য়ে প'ডে থাকে — ভুলে যায় কথা
যে আগুন উঠেছিলো তাদেব চোখেব তলে জ্ব'লে
নিভে যায় — ডুবে যায় — তাবা যায় স্খলে।
\+ + + + +
তোমাব আকাশে তুমি উষ্ণ হ'যে আছো — তবু —
বাহিবেব আকাশেব শীতে
নক্ষত্রেব হইতেছে ক্ষয়
নক্ষত্রেব মতন হৃদয
পডিতেছে ঝবে —
(নির্জন স্বাক্ষব ধূসব পাণ্ডুলিপি)

প্রেমৰ ব্যৰ্থতাত কবি হৃদয় বিপন্নপ্রায় হৈছে সঁচা অথচ যি জন কবিয়ে প্রেমৰ ওপৰত সময় বিশেষে আস্থা হেৰুৱাই পেলাইছে সেইজন কবিয়ে কিন্তু প্রেমৰ অজেয় শক্তিক জীৱন নিয়ন্ত্রিত কৰিব পৰা মোহময় শক্তি ৰূপেও অভিহিত কৰি কৈছে —

ওগো প্রেম — বাতাসেব মতো যেই দিকে যাও চ'লে
আমাবে উডায়ে লও আগুনেব মতন এখন।
আমি শেষ হবু শুধু, ওগো প্রেম তুমি শেষ হ'লে।
তুমি যদি বেঁচে থাকো — জেগে ৰ'বো আমি এই পৃথিবীব পব —
যদিও বুকের পরে ব'বে মৃত্যু — মৃত্যুর কবব।
(প্রেম ধূসর পাণ্ডুলিপি)

প্রেমত আত্মমগন কবি গৰাকীৰ প্রেম চেতনা ক্রমশ গভীৰ আৰু বিস্তৃত হৈ পৰা দেখা যায়। এনে কাৰণতে প্রেমৰ অপৰিমেয় শক্তি অনুভৱ কৰা কবি গৰাকীৰ দৃষ্টি আৰু ভাব গভীৰ দুখবোধ প্রকৃতি চেতনা আৰু ইতিহাস চেতনা পৰ্যন্ত প্রসাৰিত হোৱা দেখা যায়। জীৱনানন্দ দাশৰ প্রেম চেতনাৰ এনে বৈশিষ্ট্যৰ প্রতি লক্ষ্য কৰিয়ে জগদীশ

ভট্টাচাৰ্যই কৈছে —

> শেষ পর্যন্ত জীবনানন্দ প্রেম চেতনা প্রকৃতি চেতনা ও ইতিহাস চেতনাব কবি। কিন্তু তাঁব প্রকৃতি চেতনা ও ইতিহাস চেতনাব মর্মমূলে বয়েছে তাঁব প্রেম চেতনা।[১৫]

প্রকৃতি চেতনা আৰু ইতিহাস চেতনাৰ উৎস প্রেম বুলি ভবা কবিগৰাকীৰ মতে প্রেম যিহেতু অজেয় গতিকে মানুহৰ মৃত্যুৰ পাছতো প্রেম অক্ষয় অব্যয় হৈ থাকে।

> মৃত্যুব পবে কী হবে সেকথাও কবিকল্পনায় ৰূপ পেযেসে। একদিন অন্ধকাবে নক্ষত্রেব নিচে যখন তিনি মৃত্যুব ঘুমে শুয়ে থাকবেন তখনও এই ভালোবাসা বেঁচে থাকবে।[১৬]

মৃত্যুৰ পাছতো যি প্রেম চিৰসনাতন চিৰ শ্বাশ্বত ৰূপত ৰৈ যায় সেই প্রেমৰ প্রতি সময়ে সময়ে মাত্রাধিক ভাবাৱেগ প্রৱণতাৰ তাড়নাত কবিৰ আস্থা হেৰাই যাব খুজিছে যদিও প্রেমৰ প্রতি এই নেতিবাচক ধাৰণা স্থায়ী নহয়। সামগ্রিকভাৱে বিচাৰ কৰিলে দেখা যায় যে জীৱনানন্দ দাশৰ প্রেমে অফুৰন্ত জীৱন প্রেৰণা হৈ ধৰা দিছে। কেতিয়াবা প্রেমে যদি মানুহক বিষাদ বেদনা দিছে, তাৰ বাবে প্রেম দায়ী নহয়। দায়ী মানুহ। এই বিষয়ত কৃষ্ণ গোপাল ৰায়ে কৈছে —

> প্রেমেব প্রতি কবি কোনো দিনই বিশ্বাসহীন নন। বর্তমান পৃথিবীতে মানুষ প্রেমেব মহতী শক্তিকে অধিকাব কবতে পাবেনি — পাবছে না যে কোনো জাগতিক কাবণেই মানুষ একবাব ভালোবেসে সেই ভালোবাসাকে আব ভালোবাসছে না অর্থাৎ প্রেমেব মধ্যে নেই সাধনা — এ যদি দোষ বা ভুল হয় তবে সে দোষ বা সে ত্রুটি মানুষেব — এই অবক্ষবিত শতকেব মানুষেব কিন্তু তাব জন্যে প্রেমকে — প্রেমেব অস্তিত্ব এবং শক্তিকে সন্দেহ বা কটাক্ষ কবা বা নেতি ব চোখে দেখা কবি ন্যায-সঙ্গত মনে কবতে পাবেননি।[১৭]

জীৱনানন্দ দাশৰ প্রেম চেতনা সম্পর্কে কৃষ্ণগোপাল ৰায়ে কৰা মন্তব্যটো নি সন্দেহে গ্রহণযোগ্য। কিন্তু এইখিনিতে এষাৰ কথা ক'ব লাগিব যে প্রেমৰ ব্যর্থতা আৰু এই ব্যর্থতাজনিত বিষাদ বেদনাবোধ সম্পর্কে জীৱনানন্দ দাশে যি ধৰণে অনুভৱ কৰিছে; সেই অনুভৱেহে কবিগৰাকীৰ প্রেম চেতনাক গভীৰতালৈ লৈ গ'ল। এনে কাৰণতে

---

১৫ জগদীশ ভট্টাচার্য জীবনানন্দ সুব্রত রুদ্র (সম্পা) পূর্বোক্ত গ্রন্থ, পৃ ২০৩

১৬ উল্লিখিত ঃ পৃ° ২০৯

১৭ কৃষ্ণগোপাল রায় জীবনানন্দের কবিতা পাঠ পৃঃ ৯

ক'ব লাগিব যে প্ৰেমত বিশ্বাস আৰু অবিশ্বাসৰ যি দ্বন্দ্ব সেই দ্বন্দ্বই জীৱনানন্দ দাশৰ প্ৰেম চেতনাক আগেৰপ্ৰধান ৰোমাণ্টিক ভাবোচ্ছ্বাসৰ পৰা আঁতৰাই আনি দাৰ্শনিক গাম্ভীৰ্য দান কৰিলে আৰু এনে বৈশিষ্ট্যৰ বাবেই জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখনো দাৰ্শনিকতা সুলভ গাম্ভীৰ্যৰে সমৃদ্ধ হৈ পৰিল।

(পাঁচ)

## মৃত্যু চেতনা

জীৱনানন্দ দাশৰ কবিতাত প্ৰেম চেতনা আৰু মৃত্যু চেতনা এই দুয়োটাৰ মাজত সম্পৰ্ক অতি নিবিড় ৰূপত দেখা যায়। জীৱনানন্দৰ দৃষ্টিত প্ৰেম যিদৰে মোহময় এক পৰম ৰহস্য সেইদৰে মৃত্যুৰো ৰহস্যময় শক্তি আছে আৰু কবিতাবিশেষে জীৱনানন্দ দাশে মৃত্যুক আলোক ৰূপে অভিহিত কৰি কৈছে —

আবো এক আলো আছে দেহে তাব বিকালবেলাব ধূসবতা
চোখেব দেখাব হাত ছেড়ে দিয়ে সেই আলো হ'যে আছে স্থিব

(মৃত্যুব আগে ধূসর পাণ্ডুলিপি)

যি মৃত্যুক কবি গৰাকীয়ে আলোক অৰ্থাৎ জ্যোতি বুলি অভিহিত কৰিছে; সেইদৰে মৃত্যুকো জীৱনৰ আটাইতকৈ সহজতম সত্যৰূপে গ্ৰহণ কৰাৰ মানসিকতাৰে কৈছে —

পৃথিবীব কঙ্কাবতী ভেসে গিযে সেইখানে পায় ম্লান ধূপেব শবীব
আমবা মৃত্যুব আগে কি বুঝিতে চাই আব? জানি না কি আহা
সব বাঙা কামনাব শিয়বে যে দেয়ালেব মতো এসে জাগে
ধূসব মৃত্যুব মুখ।

(মৃত্যুব আগে ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ মৃত্যু চেতনা ৰোমাণ্টিক বিলাস নহয় এওঁৰ মৃত্যু চেতনাই ক্ৰমশ বুদ্ধিনিষ্ঠ স্তৰলৈ উন্নীত হৈ অনুভাবাত্মক গভীৰ বোধত সোমাই পৰিছেগৈ। এনে অৰ্থতে কোৱা হৈছে —

মাথার ভিতবে
স্বপ্ননয় কোন এক বোধ কাজ কবে।
স্বপ্ন নয় শান্তি নয় — ভালবাসা নয়
হৃদয়ে মাঝে এক বোধ জন্ম লয়।

(বোধ ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশব কবিতাৰ মৃত্যু চেতনা কিদৰে গভীৰ জীৱন চেতনালৈ ৰূপান্তৰ হৈছে এই বিষয়ে সঞ্জয় ভট্টাচাৰ্যই কৈছে —

'মৃত্যুর আগে কবিতাব মৃত্যু বোধ ধানেব গুচ্ছেব মতো সহজ সবুজ। পল্লী জীবনেব স্বপ্নময় উদ্বেগহীন — কেননা মৃত্যু সে-জীবনে শান্তিবই মতন। কিন্তু তেমন চাষীব প্রাণ তো কবিব নয়। সে জীবনেব অন্তর্গতও হতে পাবেন নি। অতৃপ্তিবোধ থেকেই গেছে।[১৮]

জীৱনানন্দ দাশৰ মৃত্যু চেতনা যে এক প্ৰকাৰ গভীৰ জীৱনবোধ এই সম্পৰ্কে সঞ্জয় ভট্টাচাৰ্যই পুনৰ কৈছে —

জীবনেব উপকবণগুলো থেকে আশ্রয়চ্যুতিতেই নিঃসঙ্গ মনে এই বোধেব জন্ম। সভ্য মনেব অভিশাপ। কিন্তু এই বোধ হৃদয নষ্ট কবলেও তিনি জীবন প্রেমিক হতে পেবেছেন। যে জীবন চিব বর্তমান হয়ে থাকছে পৃথিবীতে আপন মৃত্যুবোধ নিযেও সেই জীবনেব স্থিব প্রতিমাকে তিনি বলতে পাবছেন

আমাব সকল গান তবুও তোমাবে লক্ষ্য কবে।

(নির্জন স্বাক্ষব ধূসর পাণ্ডুলিপি)[১৯]

গভীৰ জীৱনবোধেৰে জীৱনানন্দ দাশে মৃত্যুক সৰ্বত্ৰ দৰ্শন কৰিছে। সময় বিশেষে তেওঁ অনুভৱ কৰিছে জীৱনৰ চৌপাশে অন্ধকাৰ আৰু এই অন্ধকাৰত জীৱন অস্পষ্ট। ধূসৰ। কিন্তু মৃত্যু স্পষ্ট। মৃত্যুৰ এনে স্পষ্টতাত তেওঁ অনুভৱ কৰিছে —

গভীব অন্ধকাবেব ঘুমেব আস্বাদে আমাব আত্মা লালিত
কেন আমাকে জাগাতে চাও?

(অন্ধকাব বনলতা সেন)

যি গভীৰ অন্ধকাৰত আত্মা লালিত হয় সেই অন্ধকাৰ মৃত্যুসম ৰহস্যময় আৰু এই ৰহস্যই জীৱনৰ ৰহস্য বিশ্বৰ ৰহস্য।

জীৱনানন্দ দাশৰ কবিতাত মৃত্যু চেতনাই যি ধৰণৰ পৰম ৰহস্যময় দাৰ্শনিকতা লাভ কৰিছে, এতিয়ালৈকে তেনে দাৰ্শনিক গাম্ভীৰ্য লাভ কৰা কবিতা আন কবিৰ কবিতাত দৃষ্টিগোচৰ হোৱা নাই। জীৱনানন্দ দাশৰ কবিতাৰ মৃত্যু চেতনাৰ পৰিব্যাপ্ত ৰূপটোৰ বিষয়ে মন্তব্য কৰি জহৰ সেনমজুমদাৰে কৈছে —

জীবনানন্দেব কবিতাব একটি তাৎপর্যপূর্ণ বিষয় হ'ল — মৃত্যু। হেমন্ত ঋতুব প্রতীকে ফসলশূন্য মাঠেব প্রতীকে ডুবন্ত চাঁদেব প্রতীকে ঝাপসা ষ্টিমাবেব প্রতীকে সমুদ্র বুদবুদেব প্রতীকে নিরন্ন

১৮ সঞ্জয় ভট্টাচাৰ্য কবি জীবনানন্দ দাশ পৃঃ ২৮
১৯ উল্লিখিত পৃ ২৯

বীজেব প্রতীকে ডানা ভাঙা হিম নিরুদ্দেশেব প্রতীকে তাঁব কবিতায় মৃত্যু চেতনা বাববাবই এসেছে। অর্থাৎ তাঁব কবিতাব প্রেক্ষাপটে মৃত্যু চেতনা একটা বিশেষ চবিত্র হয়ে গেছে।[২]

মানুহৰ জীৱন আৰু বিশ্বৰ সত্য মাথোন মৃত্যু। এই মৃত্যুৰ পৰা হাত সৰাৰ উপায় কাৰো নাই। জীৱনৰো। বিশ্বৰো। জহৰ সেনমজুমদাৰে কৈছে —

ধূসব পাণ্ডুলিপি কাব্যগ্রন্থে বাববাব মানসিক ক্লান্তির অনুসঙ্গে ঘুম প্রসঙ্গ এসেছে এবং ঘুমেব সঙ্গে সঙ্গেই এসেছে প্রবল মৃত্যু চেতনা। এই কাব্যগ্রন্থে এসে তিনি উপলব্ধি করেছেন শুধু মানুষেবই মৃত্যু ঘটে না নক্ষত্র আগুন-ধানক্ষেত শিশিব মেঘেব বঙ গাছ-জ্যোৎস্না ফুল সবকিছুবই মৃত্যু ঘটে যায়। এই পৃথিবীও একদিন বুড়ো হয়ে মৃত্যু দ্বাবা ধ্বংসপ্রাপ্ত হয়।[২১]

'বনলতা সেন কাব্যগ্রন্থত কবিৰ মৃত্যু চেতনা গঢ লৈ উঠিছে ব্যক্তিগত আত্মিক সংকটৰ আধাৰত আৰু 'সাতটি তাবাব তিমিব কাব্যগ্রন্থৰ কবিতাত মৃত্যু চেতনা উদ্ভৱ হৈছে সমাজ সংকটৰ আধাৰত। কবিৰ দৃষ্টিত ধৰা পৰিছে সমকালৰ একাংশ মানুহৰ হৃদযহীন শোষণ পীডন আৰু ব্যক্তিকেন্দ্রী ভোগবাদী চৰিত্রৰ দানৱীযতা। কবিয়ে অনুভৱ কৰিছে যে এই শ্রেণী জান্তৱ প্রবৃত্তিৰ মানুহৰ বাবেই সৰহ স খ্যক মানুহৰ জীৱনলৈ নামি আহে কালৰূপী মৃত্যুৰ ভয়াবহতা। এনে ভয়াবহতাৰে মানুহৰ জীৱন যে মৃত্যু তুল্য হৈ পৰে তাকে উপলব্ধি কৰি কৈছে —

নগবীব বাজপথে মোডে মোডে চিহ্ন প'বে আছে,
একটি মৃতেব দেহ অপবেব শবকে জডায়ে
তবুও আতঙ্কে হিম — হয়তো দ্বিতীয় কোনো মবণেব কাছে
(বিভিন্ন কোবাস সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ কবিতাৰ মৃত্যু চেতনা আত্মদ্বন্দ্ব আৰু সমাজ সংকটৰ পৰা আঁতৰি আহি 'ৰূপসী বাংলা কাব্যগ্রন্থত আধ্যাত্মিক ভাবনাত সোমাই পৰিছেহি। এইখন কাব্যগ্রন্থৰ কবিতাত কবিগৰাকীৰ দৃষ্টি আৰু দর্শন ভাৰতীয় দর্শনৰ পুর্নজন্মবাদত নিবিষ্ট হোৱা দেখা যায়। ভাৰতীয় পুনর্জন্মবাদৰ আধাৰতে তেওঁৰ বিশ্বাস ব্যক্ত কৰি কৈছে —

যখন মৃত্যুব ঘুমে শুয়েশে — অন্ধকাবে নক্ষত্রেব নিচে
কাঁঠাল গাছের তলে হয়তো বা ধলেশ্বরী চিলাইয়ের পাশে
দিনমানে কোনো মুখ হয়তো সে শ্মশানের কাছে নাহি আসে

২০ জহর সেনমজুমদাব ঃ জীবনানন্দ ও অন্ধকারের চিত্রনাট্য পৃ ১০৫
২১ উল্লিখিত পৃ ১০৬

তবুও কাঁঠাল জাম বাংলার — তাহাদেব ছায়া যে পডিছে
আমাব বুকের পবে — আমাব মুখেব পবে নীববে ঝড়িছে
খয়েবী অশথপাতা — বঁইচি শেয়ালকাঁটা আমাব এ দেহ ভালোবাসে
নিবিড় হয়েছে তাই আমার চিতাব ছাইয়ে — বাংলাব ঘাসে
গভীব ঘাসেব গুচ্ছে র'য়েছি ঘুমায়ে আমি
+ + + + +
আবাব আসিব ফিরে ধানসিড়িটিব তীবে — এই বাংলায়
হয়তো মানুষ নহয় — হয়তো বা শঙ্খচিল সালিখেব বেশে।

(ৰূপসী বাংলা)

জীৱনানন্দ দাশৰ কবিতাত মৃত্যু চেতনাই এনে বৰ্ণবহুল ৰূপ লাভ কৰিছে যে তেওঁৰ বাবে যি মৃত্যু ভয়াবহ, সেই মৃত্যুৱেই কবিৰ দৃষ্টিত ধৰা দিছে প্ৰেমময় ৰূপত। কেতিয়াবা ভাব হয় জীৱনানন্দ দাশ যেন মৃত্যুপ্ৰেমিক কবি। এই ধাৰণাটো শুদ্ধ ধাৰণা ৰূপে স্পষ্ট হৈ উঠিছে তলৰ কবিতাৰ শাৰীকেইটাত।

যেখানে গাছেব শাখা নডে
শীত বাতে — মডাব হাতেব শাদা হাডেব মতন
যেইখানে বন
আদিম বাত্রিব ঘ্রাণ
বুকে ল'য়ে অন্ধকাবে গাহিতেছে গান।

(সহজ ধূসর পাণ্ডুলিপি)

বিয়োগেব — বিয়োগেব — মবণেব মুখে এসে পড়ে সব
ঐ মৃত মৃগদেব মতো।
প্রেমেব সাহস সাধ স্বপ্ন ল'য়ে বেঁচে থেকে ব্যথা পাই, ঘৃণা মৃত্যু পাই,
পাই না কি?

(ক্যাম্পে ধূসর পাণ্ডুলিপি)

গভীৰ জীৱনবোধৰ পৰা উত্তৰ হোৱা কবিৰ মৃত্যু চেতনাই বহুবৰ্ণময় ৰূপ লোৱা বাবেই জীৱনানন্দ দাশে মৃত্যুক মুক্তি বুলি গণ্য কৰিছে। এই বিষয়ে জগদীশ ভট্টাচাৰ্যই কৈছে —

মৃত্যুতে এই মহাপৃথিবীর চেতনা এই চিবকালীন অস্তিত্বেব সম্ভাবনা বাধাহীন হবে বলেই কবিব কাছে মৃত্যু সমাপ্তি নয় মুক্তি। খণ্ডবিখণ্ডিত স্থান কালেব গণ্ডি থেকে অখণ্ড অনন্ত জীবনে মুক্তি।[২২]

---

২২ জগদীশ ভট্টাচাৰ্য ঃ আমার কালের কয়েক জন কবি পৃঃ ৩৭-৩৮

কবিৰ মতে মৃত্যু জীৱন যাত্ৰাৰ শেষ দুৱাৰ আৰু এই দুৱাৰেদিয়ে জীৱনে মহাপ্ৰস্থান কৰে মহাজীৱনত মিলি যাবৰ বাবে। এনে ভাবনাৰে কোৱা হৈছে —

তবু এই পৃথিবীর সব আলো একদিন নিভে গেলে পবে
পৃথিবীব সব গল্প একদিন ফুবাবে যখন
মানুষ ব'বেনা আব ব'বে শুধু মানুষেব স্বপ্ন তখন
সেই মুখ আব আমি ব'বো সেই স্বপ্নেব ভিতবে।

(স্বপ্ন মহাপৃথিবী)

জীৱনানন্দ দাশৰ কবিতাৰ মৃত্যু চেতনাই তেওঁৰ দৃষ্টি আৰু ভাবনাৰ সুমেৰু কুমেৰু জিনি বিভিন্ন প্ৰকাৰ ভাবৰ সৃষ্টি কৰিছে। ক্ষয়মান জীৱন আৰু পৰিবৰ্তনশীল জীৱনত মৃত্যু অপ্ৰতিৰোধ্য আৰু এই অপ্ৰতিৰোধ্য মৃত্যুত জীৱনে ৰূপ সলায়। মৃত্যুৰ মাজেদি জীৱনৰ ৰূপান্তৰ ঘটে ইয়ে কবিক বিষাদগ্ৰস্ত কৰিও তুলিছে। মৃত্যুৰ সৈতে বিষাদ অনুভৱ কৰি কৈছে —

পৃথিবীব বাধা — এই দেহেব ব্যাঘাতে
হৃদয়ে বেদনা জমে — স্বপ্নেব হাতে
আমি তাই
আমাবে তুলিয়া দিতে চাই।
যে সব ছায়া এসে পড়ে
দিনেব — বাতেব ঢেউয়ে — তাহাদেব তবে
জেগে আছে আমাব জীবন
সব ছেড়ে আমাদেব মন
ধবা দিতো যদি এই স্বপ্নেব হাতে।
পৃথিবীব বাত আব দিনেব আঘাতে
বেদনা পেত না তবে কেউ আর —
থাকিত না হৃদয়েব জবা —

(স্বপ্নের হাতে ঃ ধূসর পাণ্ডুলিপি)

মৃত্যু যিমানেই ভয়াবহ নহওক মৃত্যুৰ সৈতে বেদনা যিমান গভীৰভাবে সম্পৃক্ত হৈ নাথাকক লাগিলে জীৱনানন্দ দাশৰ অন্তৰানুভূতিত যেন মৃত্যুপ্ৰেমে পুলক মধুৰ শিহৰণ জগাই থাকে। মৃত্যু চেতনা সম্পৰ্কে জীৱনানন্দ দাশৰ এনে মানসিকতাৰ বিষয়ে কোৱা হৈছে —

ব্যক্তিগতভাবে জীবনানন্দ মৃত্যুকামী বা মৃত্যুপ্রেমী। 'আট বছর আগের এক দিন 'শীত রাত 'স্থবির যৌবন 'আজকের এক

> মুহূর্ত — এই প্রত্যেকটি কবিতা মৃত্যুব উচ্ছাকাংক্ষাই টান হ'য়ে আছে। 'আমাব হৃদয়েব ভিতব/ সেই সুপক্ক বাত্রিব গন্ধ পাই আমি (আজকেব এক মুহূর্ত)। প্রাকৃতিক পৃথিবীতে জীবনানন্দ পাকা পচা দৈহিক অবক্ষয়েব প্রক্রিয়া লক্ষ্য কবেন। শীত হিম কুয়াশা বন্ধ্যা হিম চাঁদ পাকা হলুদ পচা পাতা শীর্ণ ডালপালা ইত্যাদিব পৌন পুনিক ব্যবহাবে এক ধবণেব মৃত্যু চেতনাব আভাস আছে।[২৩]

জীৱনানন্দ দাশৰ কবিতাত মৃত্যু চেতনা বিচাৰ কৰিলে দেখা যায় যে জীৱনানন্দ দাশৰ মৃত্যুৰ প্ৰতি দৃষ্টিভঙ্গী সুদূৰপ্ৰসাৰী আৰু বহুমুখী। সেইদৰে দাশৰ কবিতাত মৃত্যু চেতনাই এনে এক গভীৰতাত প্ৰৱেশ কৰিছেগৈ যে সেই গভীৰতাত মৃত্যুচেতনাই স্বতন্ত্ৰ মৃত্যু দৰ্শন এটা গঢ লৈ উঠিছে। এনে দাৰ্শনিকতাসুলভ মৃত্যু চেতনাৰ বাবেই জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখন মহিমান্বিত হৈ উঠা দেখা গ'ল।

(ছয়)

## প্ৰকৃতি চেতনা

জীৱনানন্দ দাশৰ কবিতাত প্ৰেম মৃত্যু ইতিহাস আৰু প্ৰকৃতি এনেদৰে সংমিশ্ৰিত হৈ আছে যে বহু সময়ত এটাৰ পৰা আনটো পৃথকাই অনুভৱ কৰা টান হৈ পৰে। বহু কবিতাতে দেখা যায় যে কবিগৰাকীয়ে যিদৰে জীৱনৰ সমগ্ৰতাত প্ৰেমৰ ব্যাপ্তি অনুভৱ কৰিছে, সেইদৰে প্ৰকৃতিত তেওঁ আত্মনিমজ্জিত হৈছে। মন কৰিবলগীয়া যে বহু সময়ত কবিৰ প্ৰেম নিঃসাৰিত হৈছে বিনন্দীয়া প্ৰকৃতিৰ পৰা আৰু কেতিয়াবা প্ৰকৃতি বিলীন হৈ গৈছে প্ৰেমানুভূতিৰ স্বপ্নাৱেশত। সময় বিশেষে কবিয়ে প্ৰকৃতিৰ মাধ্যমেদিয়ে জীৱন উপভোগ কৰাৰ মানসিকতা প্ৰকাশ কৰিছে। জহৰ সেনমজুমদাৰে কৈছে —

> প্রকৃতিব মধ্যেও যে জীবনাভোগ্যতাব উৎসাহ প্রবলভাবে বয়েছে — তাও তিনি চিহ্নিত কবাতে আগ্রহী হলেন।[২৪]

জীৱনক উপভোগ কৰা বুলি ভাবিব পাৰিলেই শান্তি আৰু জীৱনত শান্তি অনুভৱ কৰিব পাৰিলেই জীৱন উপভোগ্য হয়। জীৱনানন্দ দাশে প্ৰকৃতিত আত্মনিমজ্জিত হৈ শান্তি উপভোগ কৰিছে এইদৰে —

> জমি উপড়ায়ে ফেলে চ'লে গেছে চাষা
> নতুন লাঙল তাব প'ড়ে আছে — পুরানো পিপাসা
> জেগে আছে মাঠের উপবে

---

২৩ হিমানী বন্দ্যোপাধ্যায় ঃ জীবনানন্দ সুধীন্দ্রনাথ এবং পৃ° ১৫

২৪ জহৰ সেনমজুমদাব পূর্বোক্ত পৃ ১২৩

সময় হাঁকিয়া যায় পেঁচা ওই আমাদেব তবে।
হেমন্তেব ধান ওঠে ফ'লে
দুই পা ছড়ায়ে বোসো এইখানে পৃথিবীব কোলে।
(অবসবেব গান ধূসর পাণ্ডুলিপি)

সমকালৰ কুটিলতাত কবিৰ মন বিপন্নপ্ৰায় হৈ উঠিছে আৰু এনে মানসিক অস্থিৰতাত তেওঁ পৰম প্ৰশান্তি কামনা কৰিছে। দুৰ্গাশঙ্কৰ মুখোপাধ্যায়ে কৈছে —

> বিশ শতকেব মানুষেব জীবনেব নানা সমস্যা হতাশা যন্ত্রণা টিকে থাকাব জন্যে অনুক্ষণ লডাই, মানুষেব লোভ নীচতা পশুবৃত্তি নানা মতবাদেব সংঘাত হৈ হট্টগোল — জীবনানন্দেব কবি চিত্তকে পীডিত কবেছিল। তাই শান্তিপ্রিয় নির্জনতাকামী কবি মনুষ্যেতব কীটপতঙ্গ দূব মৃত ইতিহাস এবং প্রকৃতিব জগতে আশ্রয় নিয়েছিলেন।[২৫]

যি জন কবিয়ে প্ৰকৃতিৰ মাজতে জীৱন উপভোগ কৰিব খুজিছে, যি জন কবিয়ে প্ৰকৃতিত প্ৰেমৰ স্বপ্নমদিৰ আবেশ অনুভৱ কৰিছে আৰু যি জন কবিয়ে প্ৰকৃতিত জীৱনৰ চৰম প্ৰশান্তি অনুভৱ কৰিছে, সেই জন কবিয়ে প্ৰকৃতিত জীৱনৰ আত্মিক মুক্তি পথৰ সন্ধান পাইছে। জীৱনানন্দ দাশৰ কবিতাত প্ৰকৃতিৰ এনে মহিমাময় শক্তিত কবি গৰাকীয়ে যে মুক্তি পথৰ সন্ধান পাইছে, এই বিষয়ে জগদীশ ভট্টাচাৰ্যই কৈছে —

> জীবনানন্দেব কবিতাব আঙ্গিবস হ'ল প্রেমেব বসৰূপ। তাঁব প্রকৃতিকবিতাও এই প্রেমেব বসে জবিত। চোখে প্রেমেব মাযাঞ্জন পরেই সৌন্দর্যমুগ্ধ কবি বাংলাব প্রকৃতিকে দেখেছেন। সে দেখাব মধ্যে এমন একটা কোমল মধুব স্পর্শ আছে যে অতি তুচ্ছ নগণ্য বস্তুও অসামান্য মহিমায মণ্ডিত হযে উঠেছে। জীবনানন্দেব প্রকৃতিবিষয়ক কবিতাগুলি পড়লে বুঝতে পাবা যায় জীবনকে তিনি কত গভীবভাবে ভালোবাসতেন। জীবনানন্দ মানুষকে ভালোবেসেই পেয়েছিলেন প্রকৃতিকে। প্রকৃতিব বুকেই তাঁব প্রেমেব — তাঁব প্রেমজ বেদনাব মুক্তি।[২৬]

মুক্তি শব্দই বন্ধন ছিন্ন হোৱা বুজায় কিন্তু জীৱনানন্দ দাশৰ এই মুক্তি চেতনা জাগতিক দুখ আৰু মানুহে সৃষ্টি কৰা শ্বাসৰুদ্ধ জটিলতাৰ পৰা মুক্তিৰ প্ৰয়াস। এনে মুক্তিপ্ৰয়াসৰ বাবে কবি গৰাকীয়ে ঘাঁহৰ সেউজ ৰঙত আত্মবিলোপ হোৱাৰ দুৰন্ত কামনাৰে কৈছে —

---

২৫ দুর্গাশংকর মুখোপাধ্যায় 'কবিতায় নাট্য লক্ষণ ও কবি জীবনানন্দ দাশ তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃ ৮৯

২৬ জগদীশ ভট্টাচার্য জীবনানন্দ দাশ সুব্রত রুদ্র (সম্পা) পূর্বোক্ত পৃঃ ২০৫ ২০৬

কঁচি লেবুপাতাব মতো নবম সবুজ আলোয়
পৃথিবী ভ'বে গিয়েছে এই ভোবেব বেলা
কাঁচা বাতাবিব মতো সবুজ ঘাস — তেমনি সুঘ্রাণ —
হবিণেবা দাঁত দিয়ে ছিঁড়ে নিচ্ছে।
আমাবো ইচ্ছা কবে এই ঘাসেব এই ঘ্রাণ হবিৎ মদেব মতো
গেলাসে গেলাসে পান কবি
এই ঘাসেব শবীব ছানি — চোখে চোখ ঘষি
ঘাসের পাখনায় আমাব পলক
ঘাসেব ভিতব ঘাস হয়ে জন্মাই কোনো এক নিবিড ঘাস মাতাব
শবীরেব সুস্বাদ অন্ধকার থেকে নেমে।

(ঘাস বনলতা সেন)

'ঘাস কবিতাত কবি গৰাকী কিদৰে আত্মবিলোপ হ'ব খুজিছে, সেই সম্পৰ্কে প্ৰদ্যুম্ন মিত্ৰই কৈছে —

'ঘাস কবিতাটিতে এই আত্মবিলোপী নৈসর্গিক নিমজ্জনেব প্রবল আকাংক্ষা অভিব্যক্ত। যখন লেবুপাতাব মতো নবম সবুজ আলোয় পৃথিবী ভবে গিয়েছে ভোবেব বেলা তখন সমস্ত কবিচেতনা অনুবণিত হয়ে উঠেছে এই প্রাকৃতিক প্রাণ-প্রবাহেব অবিনাশী প্লাবনে নিজেকে ডুবিয়ে দিতে 'ঘাসেব ভিতব ঘাস হ'ই জন্মাই কোনো এক নিবিড় ঘাস মাতাব শবীরেব সুস্বাদ অন্ধকাব থেকে নেমে।প্রাকৃতিক জীবনের সপ্রাণতা জৈব নির্লিপ্তি ও নিশ্চিন্ত শান্তির মধ্যে আত্ম অবলোপেব এই সচেতন আগ্রহ 'বনলতা সেন গ্রন্থে জীবনানন্দেব প্রকৃতিচেতনায় শুধু নবীন স্বাদ আনেনি তাব সঙ্গে সংযুক্ত করেছে সচেতন মননবদ্ধ এক নিসর্গ অনুধ্যান। নিসর্গৰূপেব ইন্দ্রিয় সংবাগী আস্বাদন বা তাকে ঘিরে অপ্রাপনীয় কোনো স্বপ্নজগৎ বচনা বা সে জগতে প্রয়াণের তীব্র ব্যাহত আকাংক্ষাই শুধু নয় কবি অনুভব করেছেন প্রকৃতিব জীবনের সঙ্গে সাঙ্গীকবণেব এক প্রয়োজন।'[২৭]

যি জন কবিয়ে প্ৰকৃতি প্ৰেমত আত্ম নিমজ্জিত হ'ব খুজিছে, সেইজন কবিয়ে প্ৰকৃতিক বিভিন্ন শক্তিৰে শক্তিমান ৰূপত অনুভৱ কৰিছে। আনকি যিজন কবিয়ে প্ৰেমক মৃত্যু বিজয়ী এক পৰম শক্তি বুলি অভিহিত কৰিছে, সেইজন কবিয়েই প্ৰকৃতিক মৃত্যুৰ বিৰুদ্ধ শক্তি ৰূপেও গণ্য কৰিছে। এই বিষয়ে জহৰ সেনমজুমদাৰে কৈছে —

২৭ প্ৰদ্যুম্ন মিত্ৰ ঃ জীবনানন্দের চেতনা জগৎ পৃঃ ৩১

> জীবনানন্দ প্রকৃতিকে মৃত্যুৰ বিবুদ্ধ শক্তি হিসাবে দাঁব কবাবেন বলে প্রকৃতিব কাছ থেকে নিবাময় নির্মল প্রাকৃতিক দৃশ্য হিসাবে নিয়েছেন।
>
> \+ \+ \+ \+ \+
>
> তাই জীবন সংবক্ষণকারী প্রকৃতিকে জীবনানন্দ মৃত্যুব বিপক্ষে এনে বাংলা কবিতাব প্রকৃতিচেতনায নতুনত্ব আনলেন। একটি মানুষ যখন জ্যোৎস্নায় ভূত দেখে ভূতগ্রস্থ হ'ল তখন প্রকৃতি জগতে চলছে জীবন স্পন্দনেব প্রাত্যহিক চাঞ্চল্য। কারণ প্রাকৃতিক প্রেক্ষাপটেব বিশালতায় আসলে বয়েসে — 'জীবনেব প্রচুব ভাঁড়াব। সেই ভাড়াব থেকে ক্রমাগত জীবন-বস সংগ্রহ কবছে মশা মাছি-ব্যাঙ পেঁচা প্রমুখ। এমন কি প্রাকৃতিক সময়েব নিয়মে ব্যাঙ গলিত স্থবিব জবাগ্রস্ত। পেঁচাও সময়েব আক্রমণে থুবথুবে ও অন্ধ হযে গেছে। তবুও তারা প্রাকৃতিক 'জীবনেব প্রচুব ভাঁবাব থেকে ক্রমাগত প্রাণেব বসদ সংগ্রহ কবছে এবং এই প্রাকৃতিক প্রেক্ষাপটে আবও দুমুহূর্ত বেঁচে থাকবাব উষ্ণ অনুবাগ প্রকাশ কবছে। প্রকৃতিব সর্বত্র প্রকৃতিকে কেন্দ্র করেই এইভাবে চলছে জীবনেব লীলা। সেই প্রাকৃতিক ছন্দসমৃদ্ধ প্রবহমানতাকেই জীবনানন্দ মৃত্যুব দিকে ধাবমান মানুষটিব সমানে তুলে যেন ধবলেন এবং 'বিপন্ন বিস্ময় কে প্রকৃতি দিয়ে নির্মূল কবতে চাইলেন।[২৮]

জীৱনানন্দ দাশৰ কবিতাত প্ৰকৃতিয়ে প্ৰেমময় ৰূপ লাভ কৰিছে আৰু লগতে প্ৰকৃতিয়ে মৃত্যুবিজয়ী মহাশক্তি ৰূপেও ধৰা দিছে বাবেই বিভিন্ন সমালোচকে জীৱনানন্দ দাশক প্ৰকৃতিৰ কবি বুলিও অভিহিত কৰিছে। এই বিষয়ত বুদ্ধদেৱ বসুৱে কৈছে —

> প্রকৃতিকে নিবিড়ভাবে অনুভব করেন না এমন কোনো কবি নেই, কিন্তু সমগ্র জীবনকে প্রকৃতিব ভিতর দিয়েই গ্রহণ ও প্রকাশ কবেন এমন কবিব সংখ্যা অল্প। তাঁবাই বিশেষভাবে প্রকৃতিব কবি। আমার মনে হয় আমাদেব আধুনিক কবিদেব মধ্যে একজনকে এই বিশেষ অর্থে প্রকৃতির কবি বলা যায় তিনি জীবনানন্দ দাশ।[২৯]

জীৱনানন্দ দাশৰ কবিতাত স্বমহিমোজ্জ্বল হৈ উঠা প্ৰকৃতি কবি গৰাকীৰ মতে পৰিবৰ্তনশীল। প্ৰকৃতিৰ এনে পৰিবৰ্তনশীল ৰূপৰ কথা অনেক কবিতাত স্পষ্ট হৈ

---

২৮ জহর সেনমজুমদার ঃ পূর্বোক্ত পৃঃ ১২৪

২৯ বুদ্ধদেব বসু ঃ কালের পুতুল পৃঃ ৪৭

আছে। তথাপি 'শিকার (বনলতা সেন) বুনো হাঁস (বনলতা সেন) আদি কবিতাত প্রকৃতি যে চিৰ পৰিবর্তনশীল এই কথাষাৰ অধিক স্পষ্ট হৈ উঠিছে। প্রকৃতিত আত্ম নিমগ্ন হোৱা কবি জীৱনানন্দ দাশ যে প্রকৃততে প্রকৃতিৰ কবি এই বিষয়ে বুদ্ধদেৱ বসুৱে কৈছে —

> আমাব মনে হয আমাদেব আধুনিক কবিদেব মধ্যে এক জনকে এই বিশেষ অর্থে প্রকৃতিব কবি বলা যায় তিনি জীবনানন্দ দাশ। জীবনানন্দ দাশ প্রকৃত কবি ও প্রকৃতিব কবি।[৩]

জীৱনানন্দ দাশৰ কবিতাত প্রকৃতি চেতনা বিচাৰ কৰিলে দেখা যায় যে এওঁৰ কবিতাত প্রকৃতি চেতনাই আৰম্ভণিৰ পৰা ক্রমশ বিকাশ লাভ কৰিছে। তেওঁৰ 'ঝবা পালক ধূসব পাণ্ডুলিপি আৰু 'ৰূপসী বাংলা'ত প্রকৃতি চেতনাৰ প্রথম স্তৰটো গঢ লৈ উঠিছে আৰু দ্বিতীয় স্তৰটোলৈ উন্নীত হৈছে 'বনলতা সেন 'মহাপৃথিবী 'সাততি তাৰাব তিমিব' আৰু বেলা অবেলা কালবেলা কাব্যগ্রন্থৰ কবিতাসমূহৰ যোগেদি। সি যি নহওক — জীৱনানন্দ দাশৰ কবিতাৰ প্রকৃতি চেতনাই স্বমহিমাময ৰূপ লাভ কৰিছে বিশেষকৈ 'বনলতা সেন কাব্যগ্রন্থত আৰু এইখন কাব্যগ্রন্থৰ কবিতাতে প্রকৃতি চেতনাই গভীৰ দার্শনিকতাসুলভ তত্ত্বলৈ ৰূপান্তৰ হৈছে। সেইদৰে 'মহাপৃথিবী বেলা অবেলা কালবেলা কাব্যগ্রন্থত কবিগৰাকীয়ে সমাজৰ কুটিলতাত দিশহাৰা হৈ মনৰ শান্তি কামনাৰে কেতিযাবা আত্মাৰ শান্তিৰ বাবেই প্রকৃতিত আত্মবিলীন হৈ যাব খুজিছে। কিন্তু প্রকৃতিত শান্তিৰ আশাৰে আত্মবিলীন হ'ব খুজিলেও ই কিন্তু ৰোমাণ্টিক পলাযন নহয ই একপ্রকাৰ বুদ্ধিনিষ্ঠ প্রকৃতি দর্শনহে। ক'বই লাগিব যে এনে প্রকৃতি দর্শনে দাশৰ কবিতাৰ ভাব জগতখনক গভীৰতা দান কৰিছে।

(সাত)

## ইতিহাস চেতনা

জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখন গাম্ভীর্যপূর্ণ আৰু ঐশ্বর্যশালী কৰি তোলাত গুৰুত্বপূর্ণ ভূমিকা লৈছে প্রেম চেতনা মৃত্যু চেতনা প্রকৃতি চেতনা আৰু ইতিহাস চেতনাই। উল্লেখযোগ্য যে চাৰিওটাই ৰোমাণ্টিক কবিতাৰো বৈশিষ্ট্য। কিন্তু জীৱনানন্দ দাশৰ কবিতাত প্রেম মৃত্যু প্রকৃতি আৰু ইতিহাস চেতনা ৰোমাণ্টিক ভাবোচ্ছ্বাসৰ উৰ্দ্ধলৈ গৈ দার্শনিকতাসুলভ বুদ্ধিনিষ্ঠ স্তৰত উপনীত হৈছে। এগৰাকী মননশীল কবি হিচাপে জীৱনানন্দ দাশৰ কবিতাত ইতিহাস চেতনাই ৰোমাণ্টিক কবিৰ সুখস্বপ্নাতুৰ আৱেশৰ পৰা মুক্ত হৈ মননঋদ্ধ এক দার্শনিক দৃষ্টিভঙ্গী ৰূপে গঢ় লৈ উঠা দেখা যায়। এনে কাৰণতে জীৱনানন্দ দাশৰ প্রথম স্তৰৰ কবিতাতে ইতিহাস চেতনাই যুক্তি বুদ্ধি আৰু বোধৰ সৈতে

---

৩০ বুদ্ধদেব বসু প্রকৃতিব কবি' আবু হাসান শাহারিয়া (সম্পা) জীবনানন্দ দাশ : মূল্যায়ন ও পাঠোদ্ধার পৃঃ ১২ ১৪

জড়িত হোৱা দেখা যায়। এনে যুক্তি আৰু বুদ্ধিনিষ্ঠ বোধেৰে বেবিলনীয় বা মিছৰীয় সভ্যতাৰ বিশ্লেষণ দি কৈছে —

দুশচব দেউলে কোন্ — কোন যক্ষ-প্রাসাদেব তটে
দূব উড — ব্যাবিলোন — মিশবেব মরুভূ সংকটে
কোথা পিডামিড তলে — ঈসিসেব বেদিকাব মূলে
+ + + + +
আমাবে দেখেছে সে যে আসীবীয় সম্রাটেব বেশে
প্রাসাদ অলিন্দে যবে মহিমায় দাডায়েছি এসে
হাতে তাব হাত পায়ে হাতিয়াব বাখি
+ + + + +
আমি ছিনু 'ক্রবেদুব কোন দূব প্রভেন্স্ প্রান্তবে
দেউলিয়া পায়দল অগোচব মনচোব মানিনীব তবে
সাবেঙেব সুব মোব এমনি উদাস বাত্রে উঠিত ঝঙ্কাবি।
(অন্তচাঁদে ঝরা পালক)

জীৱনানন্দ দাশৰ 'ঝবা পালক কাব্যগ্রন্থৰ ইতিহাস চেতনাৰ যুক্তিনিষ্ঠতা পৰৱৰ্তী কাব্যগ্রন্থ ধূসব পাণ্ডুলিপি'ত মৃত্যু চেতনালৈ ৰূপান্তৰ হোৱা দেখা গ'ল আৰু 'বনলতা সেন কাব্যগ্রন্থত অধিক বুদ্ধিনিষ্ঠ স্তৰলৈ উন্নীত হ'ল। এই বিষযত দীপ্তি ত্রিপাঠীয়ে কৈছে —

> ঝবা পালকে'র যুগেব এই ইতিহাসচেতনা ধূসর পাণ্ডুলিপি'ব যুগের মৃত্যু চেতনাব মধ্যে লুপ্ত হ'য়ে গিয়েছিল। 'বনলতা সেন এ তাব পুনবাবির্ভাব দেখে মনে হয় কবি মৃত্যু চেতনাকে অতিক্রম কববাব জন্যই ইতিহাসচেতনাকে আশ্রয় কবেছেন।[৩১]

জীৱনানন্দ দাশৰ কবিতাত কবি গৰাকী অচৰিতাৰ্থ প্ৰেম আৰু অতৃপ্ত সৌন্দৰ্যৰ তৃষ্ণাত ব্যথিত আৰু এনে অচৰিতাৰ্থ প্ৰেম আৰু অতৃপ্ত সৌন্দৰ্যৰ সন্ধান কৰিছে ভৌগোলিক স্থিতি আৰু ইতিহাসৰ বিশালতাৰ প্ৰেক্ষাপটত।

> ইতিহাসচেতনাব কবিতাগুলিব মধ্যে প্রথমেই উল্লেখযোগ্য 'বনলতা সেন। Timeless এবং temporal এর সময় সমন্বয় বাংলা সাহিত্যে ইতিপূর্বে হয়নি। বর্তমান যুগে প্রেমেব অচরিতার্থ ৰূপ দেখে কবি ব্যথিত সৌন্দর্যহীনতায় পীড়িত। তাই তিনি প্রেমের ও সৌন্দর্যের প্রকৃত স্বৰূপকে খুঁজেছেন ভূগোল ও ইতিহাসেব বৃহত্তব পটে। দেশকালে

৩১ দীপ্তি ত্রিপাঠী : পূর্বোক্ত পৃঃ ১৫০

> সীমাবদ্ধ নাটোবেব বনলতা সেনেব পশ্চাতে বযেছে ভূগোলেব বিস্তৃত ও ইতিহাসেব বেধ (depth)।[৩২]

এনে অৰ্থতে কোৱা হৈছে —

> হাজাব বছব ধবে আমি পথ হাটিতেছি পৃথিবীব পথে
> সিংহল সমুদ্র থেকে নিশীথেব অন্ধকাবে মালয় সাগবে
> অনেক ঘুবেছি আমি বিম্বিসাব অশোকেব ধূসব জগতে
> সেখানে ছিলাম আমি আবো দুৰ অন্ধকাবে বিদর্ভ নগবে
> আমি ক্লান্ত প্রাণ এক চাবিদিকে জীবনেব সমুদ্র সফেন
> আমাবে দুদণ্ড শান্তি দিয়েছিল নাটোবেব বনলতা সেন।
> চুল তাব কবে-কাব অন্ধকাব বিদিশাব নিশা
> মুখ তাব্র শ্রাবন্তীব কারুকার্য
> (বনলতা সেন বনলতা সেন)

মানুহ মৰণশীল হ'ব পাৰে কিন্তু সামগ্রিকভাৱে মানবাত্মা সুদূৰ অতীতৰ পৰা চলমান ৰূপত প্রবাহিত হৈ আছে। এই যে যুগে যুগে মানুহৰ শ্বাশ্বত যাত্রা এই যাত্রাই ইতিহাসৰ সমল।

> জীবনানন্দ তাঁব কবিতায় মানুষকে 'শ্বাশ্বত যাত্রী হিসাবে গ্রহণ কবেছেন বলেই তাব কবিতাব ইতিহাসচেতনাব সংক্রমণ অধিক। জীবনানন্দ উপলব্ধি কবেছিলেন যে মানুষেব প্রবহমান অস্তিত্বকে মানুষেব অস্তিত্বেব শূন্যতা ও পবিপূর্ণতাকে আবিষ্কাব কবতে হলে সর্বাগ্রে বুঝতে হবে মানুষেব চলমানতা দ্বাবা সৃষ্ট ইতিহাসচেতনাকে — যে ইতিহাসচেতনা আসলে প্রবহমান সময়চেতনাবই গভীব সম্পৃক্ত অংশ কিংবা প্রবহমান সময়চেতনা থেকেই আগত।[৩৩]

জীৱনানন্দ দাশৰ ইতিহাসৰ প্ৰতি এক বিশেষ ধৰণৰ দৃষ্টি আছে আৰু তেওঁৰ এই দৃষ্টিত ইতিহাস মানে কেৱল অতীতৰ সম্যক জ্ঞান নহয় তেওঁৰ দৃষ্টিত ইতিহাস মানে অতীত বৰ্তমান আৰু ভৱিষ্যৎ এই তিনিওটাই এক গতিপ্ৰবাহ মাথোন। এই গতিপ্ৰবাহৰ আধাৰ মানুহৰ অবিৰত শ্বাশ্বত যাত্ৰা। এনে দৃষ্টিভঙ্গীসম্ভূত বোধেৰে তেওঁ কৈছে —

> আমরা মানুষ ঢেব ক্রুবতব অন্ধকূপ থেকে
> অধিক আয়ত চোখে তবু ঐ অমৃতেব বিশ্বকে দেখেছি,

---

৩২ উল্লিখিত গ্ৰন্থ, পৃ ১৫১

৩৩ জহর সেনমজুমদার পূর্বোক্ত গ্রন্থ, পৃঃ ১৯২

শান্ত হয়ে স্তব্ধ হয়ে উদ্বেলিত হয়ে অনুভব ক'বে গেছি
প্রশান্তিই প্রাণবণনেব সত্য শেষ কথা তাই
চোখ বুজে নীরবে থেমেছি।

(মৃত্যু স্বপ্ন সংকল্প বেলা অবেলা কালবেলা)

এক গভীৰ অন্তর্দৃষ্টিৰে ইতিহাসক গ্রহণ কৰাৰ বাবেই জীৱনানন্দ দাশৰ কবিতাৰ ইতিহাস চেতনাই ইতিহাসৰ প্রকৃত অর্থময়তাৰ মাজত সোমাই পৰিছে। ইতিহাস শব্দৰ গূঢ়ার্থ বিশ্লেষণ কৰি অতুল গুপ্তাই কৈছে—

> ইতিহাসেব মূল লক্ষ্য হচ্ছে, অতীতের আলোতে বর্তমানের পথ দেখানো সমাজ ও গোষ্ঠিব চলাচলের পথ ও বিপথ দেখিয়ে মানুষকে সাবধান কবা। তত্ত্বদর্শী জ্ঞানীবা যেসব উপদেশ কবেছেন তাঁদেব উপদেশেব বাস্তব ৰূপ দেখা যায় ইতিহাসে। সমাজ ও সভ্যতাব অভ্যুদয় ও পতনেব বন্ধুব পথে মানুষেব যাত্রা ও যাত্রা শেষেব দিগদর্শন হচ্ছে ইতিহাস। ইতিহাস কাহিনীকাব নয় ইতিহাস উপদেষ্টা। মানুষেব চবিত্রেব নিগূঢ় তত্ত্বদর্শীদেব নীতিসূত্রেব ভাষ্য হচ্ছে ইতিহাস। মানুষ নিজেব কাজেই ইতিহাস সৃষ্টি কবেছে, ইতিহাসও মানুষেব মুক্ত মনেব সৃষ্টি চিব পবিচিত মানুষ মানুষেব চিরকালেব বিস্ময়। সেই বিস্ময়েব বার্তা বহন কবে ইতিহাস।[৩৪]

জীৱনানন্দ দাশৰ ইতিহাসৰ ওপৰত অতি গভীৰ বিশ্বাস আৰু গভীৰ বিশ্বাসৰ আধাৰত তেওঁ ইতিহাসক এক গুৰু-গম্ভীৰ দৃষ্টিৰে চাব পাৰিছে আৰু বিশ্লেষণ কৰিব পাৰিছে। এনে অন্তর্বোধ শক্তিৰ বাবেই তেওঁ 'উত্তব বৈবিক বাংলা কাব্য শীর্ষক প্রবন্ধত কৈছে —

> কবিব পক্ষে সমাজকে বোঝা দবকাব কবিতাব অস্থি-ব ভিতবে থাকবে ইতিহাস চেতনা ও মর্মে থাকবে পবিচ্ছন্ন কালজ্ঞান।[৩৫]

কবিৰ সমাজ বীক্ষা থাকিব লাগিব আৰু গভীৰ অন্তর্মুখীন সমাজ বীক্ষাৰ লগতে ইতিহাস চেতনাও থাকিব লাগিব বুলি বিশ্বাস কৰা বাবেই জীৱনানন্দ দাশৰ কবিতাত অতীত বর্তমান আৰু ভৱিষ্যৎ অখণ্ড এক প্রবাহ ৰূপে ধৰা দিছে আৰু এনে কাৰণতে প্রকৃতি চেতনা আৰু ইতিহাস চেতনা এই দুয়োটাৰে নিবিড় সম্পর্ক তেওঁ অনুভৱ কৰিছে।

> জীবনান্দের এই প্রকৃতি-চাবণার সবচেয়ে বড়ো বৈশিষ্ট্য এই যে তাঁর ভৌগোলিক এবং ঐতিহাসিক জগতে কোথাও কোনো

---

৩৪ অতুল গুপ্তা ইতিহাসের মুক্তি প্রসঙ্গ ইতিহাস পৃঃ ৪৫

৩৫ জীবনান্দ দাশ 'উত্তর রৈবিক বাংলা কাব্য Q V সুব্রত রুদ্র (সম্পা ) পূর্বোক্ত গ্রন্থ, পৃ ২১৫

> কালেব যতিচিহ্ন নেই। হাজাব হাজাব বছবেব পুবোনো অতীত আব এই মুহূর্তেব অন্তবঙ্গ বর্তমান একটি অখণ্ড সময়েব বৃত্তে ধবা পড়েছে। তাই তাঁব কল্পনাব স্বচ্ছন্দচর্যা সীমনাহীন সময়েব মধ্যে প্রসারিত।[৩৬]

জীৱনানন্দ দাশে যি ধৰণৰ তাত্ত্বিক ইতিহাস চেতনাৰ কথা তেওৰ কবিতাৰ মাজেদি ব্যক্ত কৰিছে, সেই তাত্ত্বিক ইতিহাস চেতনা উপলব্ধি কৰিব লাগিব জ্ঞানৰ দ্বাৰা। এই বিষয়ে অম্বুজ বসুৱে কৈছে —

> জ্ঞান সাধনাব মধ্য দিযে আমবা অনেক কিছু জানতে পাবি। কিন্তু তাব পবেও আবও কিছু অজ্ঞাত থেকে যায় — তা জানতে হয় উপলব্ধি থেকে ইতিহাস থেকে। এইভাবে গ্রন্থেব থেকে আহৃত জ্ঞান স্বভাবেব থেকে প্রাপ্ত অভিজ্ঞতা মিলিয়ে ইতিহাসেব ইঙ্গিত অনুসবণ কবেছেন বলেই দূবতব ভাবীকালেব চবিত্র উদঘাটিত হযেছে তাঁব কাছে।[৩৭]

জীৱনানন্দ দাশৰ মতে যি জ্ঞান ইতিহাসে বহন কৰি থাকে সেই জ্ঞান অক্ষয় অব্যয় আৰু চিৰ সনাতন।

> ইতিহাস চেতনাব তাৎপর্য হলো বিনাশশীল কাল ও অবিনাশী ঐতিহ্য সম্পর্কে জ্ঞান। অতীত কখনোই নিজেব যুগেব সম্পূর্ণ বিনষ্ট হয় না। বর্তমানেব অন্তবে সে ফল্গুব মতো প্রবাহিত হয় বর্তমানেব অন্তবালে সে প্রেতেব মতো বিবাজ কবে ভবিষ্যতেব গর্ভে সে ভ্রূণেব মতো পুনর্জাত হয়। হে অতীত তুমি ভুবনে ভুবনে কাজ কবে যাও গোপনে গোপনে। অতীতেব এই অবিনাশী অস্তিত্বকেই বলে ঐতিহ্য। ঐতিহ্য সম্পর্কে স্পষ্ট ও পবিপূর্ণ বোধকে সংহত আকাবে বলা যায ইতিহাস চেতনা।[৩৮]

জীৱনানন্দ দাশৰ মতে জ্ঞানৰ দ্বাৰাই ইতিহাস চেতনা উপলব্ধি কৰিব পাৰি আৰু আনহাতে ইতিহাস অক্ষয় অব্যয় আৰু সনাতন জ্ঞানৰ ভাণ্ডাৰ। জীৱনানন্দৰ বাবে ইতিহাস কেৱল জ্ঞান-ভাণ্ডাৰে নহয় এওঁৰ মতে ইতিহাস মহাজীৱনৰ মহাজিজ্ঞাসা। যি মহাজিজ্ঞাসাই সামৰি লয় অতীত বর্তমান ভৱিষ্যৎ এই তিনিও কালকে। মহাজীৱনৰ এনে মহাজিজ্ঞাসাৰ আভাস পোৱা যায় তলৰ কবিতাংশত।

---

৩৬ নাবায়ণ গঙ্গোপাধ্যায় 'জীবননন্দ দাশ সুব্রত রুদ্র (সম্পা) জীবনানন্দ জীবন আর সৃষ্টি পৃ° ২২৬

৩৭ অম্বুজ বসু একটি নক্ষত্র আছে, পৃঃ ৫৪

৩৮ অম্বুজ বসু ঃ পূর্বোক্ত গ্রন্থ ঃ পৃ ৫০ ৫১

কৃষ্টি বাতাস হলুদ পাতা ছাতকুড়ো ঘুণ মাকড়সাজাল এসে
বলছে 'আবো কঠিন আঁধাব নেমে পডাব আগে
আমবা এলাম কোথাও কিছু নেই
একটি শুধু সূর্য আছে মানব ইতিহাসে
টঙে চডে চেয়েছে নীল আকাশ ধববেই
তবুও মহা জিজ্ঞাসা ও অপাব আশাব কালো
অকুল সীমা আলোব মতো — হয়তো সত্য আলো।

(অবিনশ্বর)

যি জন কবিযে মহাজীৱনৰ জিজ্ঞাসা কৰিছে, সেইজন কবিয়ে ইতিহাসত অনাবিল প্ৰেমৰো সন্ধান পাইছে।

> অতীতচাবিতা বোমাণ্টিক কবি মানসেব ধর্ম। কিন্তু এখানে শুধু অতীতচাবিতাই নয় পৃথিবীব পথে হাজাব বছর ধবে ইতিহাস পবিক্রমায় খণ্ডদেশকাল পেবিয়ে কবি মহাকালেব মহাপৃথিবীতে জন্ম গ্রহণ কবেছেন। নিখিল ইতিহাসে কবিব সেই মহাজীবনবোধের সঙ্গে ওতপ্রোত হয়ে আছে একটি প্রেমেব স্বপ্ন একটি প্রেমেব আকর্ষণ।[৩৯]

জীৱনানন্দ দাশে বিশ্বৰ যুগমীয়া স্থাপত্যক ঐতিহাসিক ঐশ্বৰ্য বুলি গ্ৰহণ কৰাৰ পৰিবৰ্তে ইতিহাস চেতনা ৰূপেহে গণ্য কৰিছে। এনে ইতিহাস চেতনাৰ দৃষ্টিৰে চোৱা বাবেই পিৰামিডে কেবল মিছৰৰ নহয় বিশ্ব মানৱ সভ্যতাৰ ঐতিহ্য ৰূপে ধৰা দিছে। ক'বই লাগিব যে জীৱনানন্দ দাশে পিৰামিডক যি দৃষ্টিভঙ্গীৰে মানৱ সভ্যতাৰ ঐতিহ্য স্বৰূপ বুলি অভিহিত কৰিছে, সেই দৃষ্টিভঙ্গী কিন্তু ৰোমাণ্টিক দৃষ্টিভঙ্গী নহয় ই এক প্ৰকাৰ বুদ্ধিনিষ্ঠ দৃষ্টিভঙ্গী। এনে বুদ্ধিনিষ্ঠ দৃষ্টিভঙ্গীৰ বাবেই জীৱনানন্দ দাশৰ ইতিহাস চেতনা গভীৰ জীৱনবোধৰ সৈতেও সম্পৃক্ত হৈ পৰিছে।

(আঠ)

## জীৱন জিজ্ঞাসা আৰু জীৱনবোধ

জীৱনানন্দ দাশ অন্তর্মুখিন কবি আৰু সেয়ে তেওঁৰ কবিতাত গভীৰ জীৱন জিজ্ঞাসা আছে। জীৱনানন্দ দাশৰ কবিতাত জনতাৰ কলৰৱ আছে আৰু সেইদৰে আছে মানুহৰ অন্তৰ্জীৱনৰ নিভৃততম স্থানৰ নিৰ্জনতা। এই যে অন্তৰ্জীৱনৰ নিবিড় নিৰ্জনতা সেই নিৰ্জনতাত কবিৰ আত্মসত্তা নিৰন্তৰ ক্ৰিয়াশীল আৰু এই আত্মসত্তাত মূৰ্তমান হৈ উঠে জনতাৰ অন্তৰসত্তা। আত্মসত্তা আৰু সকলো মানুহৰ অন্তৰসত্তা একেকাৰ ৰূপত অনুভৱ কৰিব পাৰে বাবেই জীৱনানন্দ দাশে অন্তৰ বেদনাৰ দাহন অনুভৱ কৰে আৰু এনে অনুভৱেৰে তেওঁ কৈছে —

---

৩৯ জগদীশ ভট্টাচার্য ঃ 'জীবনানন্দ দাশ সুব্রত রুদ্র (সম্পা) পূর্বোক্ত গ্রন্থ, পৃ ২১১

আমাব খাবাব ডিশে হবিণেব মাংসেব ঘ্রাণ আমি পাবো
মাংস খাওয় হ'লো তবু শেষ?
কেন শেষ হবে?
কেন এই মৃগদেব কথা ভেবে ব্যথা পেতে হবে
তাদেব মতন নই আমিও কি?
কোনো এক বসন্তেব বাতে
জীবনেব কোনো এক বিস্ময়েব বাতে
আমাকেও ডাকেনি কি কেউ এসে জ্যোৎস্নায় — দখিনা বাতাসে
ওই ঘাইহবিণীব মতো?

(ক্যাম্পে ধূসর পাণ্ডুলিপি)

মানুহৰ উপৰিও হৰিণীৰ বিৰহ যন্ত্ৰণাক নিজৰ যন্ত্ৰণা ৰূপে অনুভৱ কৰা কবিগৰাকীয়ে গভীৰ জীৱন বোধেৰে আত্মজিজ্ঞাসা কৰি পৃথিবীৰ পৰা মানুহৰ মনৰ পৰা পশুবৎ ভাবৰ তিমিৰ নাশ কৰাৰ দুৰ্বাৰ মানসেৰে কৈছে —

তিমিব হননে তবু অগ্রসব হ'য়ে
আমবা কি তিমিব বিলাসী?
আমবা তো তিমিববিনাশী
হ'তে চাই।
আমবা তো তিমিব বিনাশী

(তিমিব হননেব গান সাতটি তারার তিমির)

মানুহৰ হৃদয় যন্ত্ৰণাক আত্ম যন্ত্ৰণা ৰূপে অনুভৱ কৰা কবিগৰাকীয়ে আধুনিক যুগৰ মানুহৰ হৃদয়হীনতা দেখি মানুহৰ অন্তৰ্জগতত প্ৰবেশ কৰি জীৱন সত্যৰ সন্ধান কৰিছে। এনে কাৰণতে জীৱানন্দ দাশৰ কবিতাত গভীৰ জীৱনবোধে পাঠকৰ মনত গভীৰ বিষাদবোধৰো জন্ম দিছে। গভীৰ জীৱনবোধৰ বাবেই তেওৰ অন্তৰ বিষাদবোধেৰে বিধ্বস্তপ্ৰায় হৈছে আৰু এনে বিষাদঘন অন্তৰ উজাৰি তেওঁ কৈছে —

স্বপ্ন তুমি দ্যাখোনি তো — পৃথিবীব সব পথ সব সিন্ধু ছেড়ে দিয়ে একা
বিপতীত দ্বীপে দূবে মায়াবীব আবশিতে হয় শুধু দেখা
ৰূপসীব সাথে এক সন্ধ্যাব নদীব ঢেউয়ে আসন্ন গল্পের মতো বেখা
প্রাণে তাব —ম্লান চুলে চোখ তার হিজল বনেব মতো কালো
একবাব স্বপ্নে তাবে দেখে ফেলে পৃথিবীব সব স্পষ্ট আলো
নিভে গেছে,

\+ + + + +

তুমি সেই নিস্তব্ধতা চেনো নাকো অথবা বক্তের পথে পৃথিবীর ধূলির ভিতরে
জানো নাকো আজো কাঞ্চী বিদিশার মুখশ্রী মাছির মতো ঝরে
সৌন্দর্য বাখিছে হাত অন্ধকাব ক্ষুধাব বিববে
গভীব নীলাভতম ইচ্ছা চেষ্টা মানুষেব — ইন্দ্রধনু ধরিবার ক্লান্ত আয়োজন
হেমন্তেব কুয়াশায় ফুবাতেছে অল্পপ্রাণ দিনেব মতন
(সিন্ধু সাবস মহাপৃথিবী)

জীৱন স্বপ্নাতুৰ কবিয়ে স্বপ্নভঙ্গৰ বেদনাত মৰ্মাহত হৈছে আৰু স্বপ্নভঙ্গৰ এই বেদনা কবিৰ গভীৰ জীৱনবোধৰ পৰা নিঃসাৰিত হৈ করুণ মধুৰ মৰ্মবাণী ৰূপে ধ্বনিত হৈছে। গভীৰ বিষাদবোধেৰে সিক্ত জীৱন বোধৰ আধাৰতে কৈছে —

মাথাব ভিতবে
স্বপ্ন নয় — প্রেম নয় — কোন এক বোধ কাজ কবে।
আমি সব দেবতাবে ছেড়ে
আমাব প্রাণেব কাছে চ'লে আসি
বলি আমি এই হৃদয়েবে
সে কেন জলেব মতো ঘুবে ঘুবে একা কথা কয়।
অবসাদ নাই তাব? নাই তাব শান্তিব সময়?
(বোধ ধূসর পাণ্ডুলিপি)

দেখা গ'ল যে জীৱনানন্দ দাশৰ জীৱনবোধ অত্যন্ত গভীৰ আৰু এই গভীৰ জীৱনবোধ কেতিযাবা অন্তৰ্মুখিনতাৰে ৰহস্যসন্ধানী হৈ পৰিছে আৰু কেতিয়াবা গভীৰ বিষাদবোধত বিলীন হৈ গৈছে। জীৱনানন্দ দাশৰ বিষাদবোধৰ সম্পৰ্কে এগৰাকী সমালোচকে কৈছে —

জীবনানন্দেব অন্তর্লোকে যে — সমুদ্র মন্থন চলেছে তার
উগবানো বিষ তাঁকেই পান কবে নীলকণ্ঠ হ'তে হয়েছে। এজন্য তাঁব
কাব্যের ট্রাজিক মহিমা এত বেশি মর্মভেদী।[৪০]

এনে মৰ্মভেদী বেদনাবোধ ব্যক্ত কৰি কৈছে —

মানুষেবা বাব বাব পৃথিবীব আয়ুতে জন্মেছে,
নব-নব ইতিহাস সৈকতে ভিড়েছে;
তবুও কোথাও সেই অনির্বচনীয়
স্বপ্নেব সফলতা — নবীনতা — শুভ্র মানবিকতার ভোর?

---

৪০ প্রদ্যুম্ন মিত্র : 'অস্তিত্ববাদ ও জীবনানন্দ পার্থজিৎ গঙ্গোপাধ্যায় (সম্পা.) জীবনানন্দ পৃঃ ২৩৪

নাচিকেতা জরাথুস্ত্র লাওৎসে এঞ্জেলো রুশো লেনিনেব মনেব পৃথিবী
হানা দিয়ে আমাদেব স্মরণীয় শতক এনেছে?
অন্ধকারে ইতিহাস পুরুষেব সপ্রতিভ আঘাতের মতো মনে হয়
যতই শান্তিতে স্থিব হ'য়ে যেতে চাই

(সময়েব কাছে সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ গভীৰ জীৱনবোধৰ পৰা নিঃসাৰিত বেদনাবোধ ইমানেই মৰ্মভেদী হৈ উঠিছে যে ব্যাধৰ শৰত মৃত্যু বৰণ কৰা মতা হৰিণৰ বিৰহত হৰিণীৰ চিৎকাৰে কবি হৃদয় ক্ষত বিক্ষত কৰিছে এনেদৰে —

কেন এই মৃগদেব কথা ভেবে ব্যথা পেতে হবে
তাদেব মতন নই আমিও কি?
কোনো এক বসন্তেব বাতে
জীবনেব কোনো এক বিস্ময়েব বাতে
আমাবেও ডাকে নি কি কেউ এসে জ্যোৎস্নায় — দখিনা বাতাসে
অই ঘাইহবিণীব মতো?
আমাব হৃদয় — এক পুরুষ হবিণ —
পৃথিবব সব হিংসা ভুলে গিয়ে
+ + + + +
তোমাবে কি চায় নাই ধবা দিতে?
আমাব বুকেব প্রেম এই মৃত মৃগদেব মতো
যখন ধুলায় বক্তে সিশে গেছে
এই হবিণীব মতো তুমি বেঁচেছিলে নাকি
জীবনেব বিস্ময়েব বাতে
কোনো এক বসন্তেব বাতে?

(ক্যাম্পে ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ গভীৰ জীৱনবোধৰ বাবেই জীৱনক তেওঁ গভীৰ বিষাদঘন ৰূপত অনুভৱ কৰিছে আৰু এনে অনুভৱৰ বাবেই কবিগৰাকীয়ে প্ৰেমৰ সুকোমল অনুভূতিকো বিষাদ-যন্ত্ৰণাত বিলীন হৈ যোৱা বুলি অনুভৱ কৰিছে।

(ন)

## নিঃসঙ্গ চেতনা

যি মানুহৰ অন্তৰ অত্যন্ত সংবেদনশীল তেনে মানুহৰ মন অতি স্পৰ্শকাতৰ আৰু এনে স্পৰ্শকাতৰ অন্তৰ অতি সহজে গভীৰ বিষাদবোধেৰে আক্ৰান্ত হয়। এনে ধৰণৰ মানুহেই

জনতাৰ কোলাহলৰ মাজত থাকিও নিজকে নিঃসঙ্গ বুলি অনুভৱ কৰে। এনে কাৰণতে জীৱনানন্দ দাশ জনতাৰ মাজত থাকিও নির্জনতা প্রিয় মানুহ।

> তিনি নির্জনতা প্রিয়। লোকেব সঙ্গে মিশতে চান না এ বকম একটা কথা মুখে মুখে প্রচাবিত হয়েছিল। সন্দেহ নেই, তিনি লাজুক স্বভাবেব ছিলেন। কিন্তু এ-কথা সত্য নয় যে তিনি সব সময়ে নির্জনতাপ্রিয় ছিলেন। বহু লোকের কাছ থেকে বহু আঘাত পেয়েছিলেন অনেক জ্ঞানপাপী তাঁকে যথার্থ মূল্য দিতে নাবাজ এমন একটা ধাবণাও বোধহয় তাঁব ছিল। সুতরাং অভিপ্রায় সম্বন্ধে নিশ্চিন্ত না হওয়া পর্যন্ত সকলেই তাঁব কাছে suspect হয়ে থাকত। কিন্তু তাঁব হৃদয়েব জমাট ববফ যদি কেউ একবাব ভেঙ্গে দিতে পাবত সেই সুভাজনেব সমাগমে তিনি আনন্দই পেতেন।[৪১]

জনতাৰ মাজত থাকিও কবিয়ে অনুভৱ কৰিছে এনে এক নিবিড় নিঃসঙ্গতা যি নিঃসঙ্গতাৰ বাবে কবিৰ মনত তেওৰ স্থিতিৰ সম্পৰ্কে অন্তহীন প্ৰশ্ন উত্থাপিত হৈছে। আনকি আত্মস্থিতিৰ বিষয়ে সন্দিহান হৈ কবিয়ে নিজকে এনেদৰে নিঃসঙ্গ ৰূপত অনুভৱ কৰিছে যে তেওৰ চেতনাত চৌদিশে মহাশূন্যতা অনুভব কৰিছে আৰু সেই সীমাহীন শূন্যতাত তেওঁ নিজকে চৰম নিঃসঙ্গ বুলি ভাবিছে। এনে বোধ বা চেতনাৰে তেওঁ কৈছে —

আলো অন্ধকাবে যাই — মাথাব ভিতবে
স্বপ্ন নয় — কোন এক বোধ কাজ কবে
স্বপ্ন নয় — শান্তি নয় — ভালোবাসা নয়
হৃদয়েব মাঝে এক বোধ জন্ম লয়
আমি তাবে পাড়ি না এড়াতে
সে আমাব হাত বাখে হাতে
সব কাজ তুচ্ছ হয় — পণ্ড মনে হয়
সব চিন্তা — প্রার্থনাব সকল সময়
শূন্য মনে হয়
শূন্য মনে হয়।

(বোধ ধূসর পাণ্ডুলিপি)

কবিৰ বোধ বা চেতনাত নিজকে বিচ্ছিন্ন ৰূপত অনুভৱ কৰা কবি গৰাকীৰ মনত প্ৰশ্নৰ উপৰি প্ৰশ্ন উত্থাপিত হৈছে আৰু অন্তহীন প্ৰশ্নশীলতাৰ তাড়নাত কৈছে —

---

৪১ আশোকানন্দ দাশ 'বাল্যস্মৃতি সুব্রত রুদ্র (সম্পা ) পূর্বোক্ত গ্রন্থ, পৃঃ ৭৮

সকল লোকেৰ মাঝে ব'সে
আমাৰ নিজেৰ মুদ্রাদোষে
আমি একা হতেছি আলাদা?
আমার চোখেই শুধু ধাঁ ধাঁ?
আমার পথেই শুধু বাধা?

(বোধ ধূসর পাণ্ডুলিপি)

সকলোৰে মাজত থকিও নিজকে অকলশৰীয়া বুলি অনুভৱ কৰা কবি গৰাকীয়ে নিজৰ একাকীত্বৰ সংশয় প্ৰকাশ কৰি কৈছে —

জন্মিয়াছে যাৰা এই পৃথিবীতে
সন্তানেৰ মতো হ'য়ে —
সন্তানেৰ জন্ম দিতে দিতে
যাহাদেৰ কেটে গেছে অনেক সময়
কিম্বা আজ সন্তানেৰ জন্ম দিতে হয়
যাহাদের কিম্বা যারা পৃথিবীর বীজখেতে আছিতেছে চ'লে
জন্ম দেবে — জন্ম দেবে ব'লে
তাদেৰ হৃদয় আৰ মাথাৰ মতন
তাদেৰ হৃদয় না কি? — তাহাদেৰ মন
আমাৰ মনেৰ মতো না কি?
তবু কেন এমন একাকী?
তবু আমি এমন একাকী?

(বোধ ধূসৰ পাণ্ডুলিপি)

নিঃসঙ্গবোধৰ যন্ত্ৰণাত চিৎকাৰ কৰি 'তবু কেন এমন একাকী অৰ্থাৎ তথাপি কিয় ইমান অকলশৰীয়া বুলি অনুভৱ কৰা কবি গৰাকীয়ে গভীৰ অন্তৰ্মুখিন দৃষ্টি আৰু অনুভূতিৰে জীৱন বীক্ষা কৰি কৈছে —

মাথাৰ ভিতৰে
স্বপ্ন নয় — প্ৰেম নয় — কোন এক বোধ কাজ কৰে।
আমি সব দেবতারে ছেড়ে
আমাৰ প্ৰাণেৰ কাছে চ'লে আসি
বলি আমি এই হৃদয়েৰ
সে কেন জলেৰ মতো ঘুৰে ঘুৰে একা কথা কয়।
অবসাদ নাই তাৰ? নাই তার শান্তিৰ সময়?

কোনোদিন ঘুমাবে না? ধীরে শুয়ে থাকিবাব স্বাদ
পাবেনা কি? পাবেনা আহ্লাদ
মানুষেব মুখ দেখে কোনোদিন।
মানুষীব মুখ দেখে কোনো দিন।
শিশুদেব মুখ দেখে কোনো দিন।

(বোধ ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ একাকীত্ববোধ তেওঁৰ অন্তৰৰ গভীৰতম স্থানৰ পৰা উদ্ভুত। এই একাকীত্ববোধ অস্তিত্ববাদী দৰ্শন সমৰ্থিত আৰু সেয়ে মানুহ জনতাৰ মাজত থাকিও প্ৰত্যেকেই নিজৰ অস্তিত্ব বিচ্ছিন্নভাৱে নিজে ৰক্ষা কৰে বুলি কবি গৰাকীয়ে অনুভৱ কৰিছে। ক'বই লাগিব যে যাৰ জীৱনবোধ গভীৰ তেনে ব্যক্তি হয় অত্যন্ত অন্তমুৰ্খিন আৰু এনে অন্তমুখিন দৃষ্টিৰ মানুহৰ মনত নিঃসঙ্গ চেতনা হৈ পৰে যন্ত্ৰণাময়। জীৱনানন্দ দাশ গভীৰ অন্তমুখিন দৃষ্টিভঙ্গীৰ কবি। সেয়ে তেওঁৰ কবিতাত নিঃসঙ্গ চেতনা বেদনাঘন হৈ পৰিছে।

> জীবনানন্দেব কবিতার আদি পর্যায় থেকেই অনুভব ও বোধের কেন্দ্রে বসে আছে এই নিঃসঙ্গ একক যন্ত্রণাহত আধুনিক। তাঁব ধূসব পাণ্ডুলিপি পর্যায়েব বচনায় অনেকগুলি কবিতাতেই একদিকে বয়েছে এক অন্ধ অনড় জৈবতা এক আগ্রাসী আত্ম অবলোপী ভিড অন্যদিকে তাঁব নির্জন নিঃসঙ্গ নায়ক — যে গভীব ভাবে আত্মস্থিত অথচ আর্ত যে তাঁব প্রেমে ও ঘৃণায় উল্লাস ও বেদনায় একেবাবে সঙ্গীহীন একক বিকল্পহীন এক ব্যক্তি মানুষ।[৪২]

জীৱনানন্দ দাশৰ কবিতাৰ নিঃসঙ্গ চেতনা বিচাৰ কৰি দেখা গ'ল যে তেওঁৰ কবিতাত গভীৰ জীৱনবোধ গভীৰ জীৱনবোধজনিত অন্তমুৰ্খিন দৃষ্টিভঙ্গী আৰু গভীৰ অন্তমুৰ্খিন দৃষ্টিৰে জীৱনৰ অন্তৰ্লোকত প্ৰৱেশ কৰাৰ বাবে নিঃসঙ্গ চেতনাই গভীৰ অন্তৰ্দ্বন্দ্ব আৰু আত্মক্ষয়ী বিষাদবোধত মিলিত হৈছেগৈ আৰু এনে ধৰণৰ বৈশিষ্ট্যই জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখনকো গাম্ভীৰ্য দান কৰিছে।

(দহ)

## ৰোমাণ্টিক চেতনা

কবিৰ অন্তৰ সাধাৰণতে সুকোমল আৰু অনুভূতি অতি স্পৰ্শকাতৰ আৰু অন্তৰৰ এনে কোমলতা আৰু অনুভূতিৰ স্পৰ্শকাতৰতাৰ বাবেই কম বেছি পৰিমাণে সকলো কবিৰ অন্তৰ ৰোমাণ্টিক স্বপ্নাৱেশেৰে ভৰা। জীৱনানন্দ দাশ দৈনন্দিন জীৱনত অত্যন্ত লাজকুৰীয়া

৪২ প্ৰদুম্ন মিত্ৰ: 'অস্তিত্ববাদ ও জীবনানন্দ' পাৰ্থজিৎ গঙ্গোপাধ্যায় (সম্পা) জীবনানন্দ পৃঃ ২৩৪

আৰু গভীৰ অন্তমুৰ্খিন কবি হিচাপে তেওঁ গভীৰ নিঃসঙ্গবোধত জৰ্জৰিত। এনে ব্যক্তিৰ অন্তৰ ৰোমাণ্টিক স্বপ্নাবেশেৰে উন্মনা হোৱাটোৱে স্বাভাৱিক।

> জীৱনানন্দ কি ৰোমাণ্টিক? — নিঃসন্দেহে। কেননা ৰোমাণ্টিক কল্পনা বস্তু আহৰণে তাকে বিগলিত ৰূপান্তৰিত এবং পুনৰ্গঠিত কৰে।
>
> \+ \+ \+ \+ \+
>
> বস্তুৰ তন্নিষ্ঠ ৰূপটিকেও তিনি আদৌ ঝাপসা হতে দেন নি তাৰ ৰূপৰেখা সুস্পষ্ট বহাল আছে।[৪৩]

ৰোমাণ্টিক কল্পনাৰে স্বপ্নমদিৰ জগত এখন নিৰ্মাণ কৰি কবিৰ অশান্ত অন্তৰত শান্তিৰ মাজুলী নিৰ্মাণ কৰিছে এনেদৰে —

মিনাৰেৰ মত মেঘ সোনালি চিলেৰে তাৰ জানালায ডাকে
বেতেৰ লতাৰ নিচে চড়ুয়েৰ ডিম যেন শক্ত হয়ে আছে,
নৰম জলেৰ গন্ধ দিয়ে নদী বাৰবাৰ তীৰটিৰে মাখে
খড়েৰ চালেৰ ছায়া গাঢ় ৰাতে জ্যোৎস্নাৰ উঠানে পডিয়াছে,

(মৃত্যুৰ আগে ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশ যিমানেই বাস্তৱ জীৱনৰ দ্বন্দ্ব সংশয আৰু অনিশ্চযতাত দ্বিধাগ্ৰস্ত কবি নহওক লাগিলে তেওঁৰ কাব্য চিন্তা ৰোমাণ্টিক চেতনাৰ পৰা মুক্ত নহয়। কল্পনাৰে ধূসৰ জগত এখন নিৰ্মাণ কৰি সেই জগতত আত্মনিমগ্ন হৈ তেওঁ কৈছে —

পৃথিবীৰ অই অধীৰতা
থেমে যায় — আমাদেৰ হৃদয়েৰ ব্যথা
দূৰেৰ ধূলোয় পথ ছেড়ে
স্বপ্নেৰ ধ্যানেৰে
কাছে ডেকে লয়।
উজ্জ্বল আলোৰ দিন নিভে যায়
মানুষেৰো আয়ু শেষ হয়।
পৃথিবীৰ পুৰানো সে পথ
মুছে ফেলে ৰেখা তাৰ
কিন্তু এই স্বপ্নের জগৎ
চিরদিন রয়।

(স্বপ্নের হাতে ধূসর পাণ্ডুলিপি)

---

৪৩ প্ৰদ্যুম্ন মিত্ৰ পূৰ্বোক্ত গ্ৰন্থ পৃ ৩৩

এই বস্তুজগত ক্ষয়মান কিন্তু স্বপ্নৰ জগত চিৰ দিন স্থায়ী হৈ ৰয় বুলি ভবা কবি গৰাকীয়ে কেতিয়াবা ৰোমাণ্টিক ভাব-প্ৰৱণতাৰে ৰোমাঞ্চকৰ স্বপ্নবিলাসী জগত এখনত বিচৰণ কৰা দেখা যায়। এনে এখন স্বপ্নময় বৰ্ণালি জগত নিৰ্মাণ কৰি কৈছে —

জ্যোৎস্নারাতে বেবিলনের রাণীর ঘাড়ের ওপর চিতার উজ্জ্বল চামড়ার
শালের মতো জ্বল জ্বল করছিলো বিশাল আকাশ
কাল এমন আশ্চর্য রাত ছিলো।
যে নক্ষত্রেরা আকাশের বুকে হাজার হাজার বছর আগে ম'রে গিয়েছে,
তারাও কাল জানালার ভিতর দিয়ে অবসংখ্য মৃত আকাশ সঙ্গে করে এনেছে,
যে রূপসীদের আমি এশিরিয়ায় মিশরে বিদিশায় মরে যেতে দেখেছি
কাল তারা অতিদূরে আকাশের সীমানার কুয়াশায় কুয়াশায় দীর্ঘ বর্শা হাতে ক'রে
কাতারে কাতারে দাঁড়িয়ে গেছে যেন —
মৃত্যুকে দলিত করিবার জন্য?
জীবনের গভীর জয় প্রকাশ করবার জন্য?
প্রেমের ভয়াবহ গম্ভীর স্তম্ভ তুলবার জন্য?
আড়ষ্ট — অভিভূত হয়ে গেছে আমি
কাল রাতের প্রবল নীল অত্যাচার আমাকে ছিঁড়ে ফেলেছে যেন
আকাশের বিরামহীন বিস্তৃর্ণ ডানার ভিতর
পৃথিবী কীটের মতো মুছে গিয়েছে কাল।
আর উত্তুঙ্গ বাতাস এসেছে আকাশের বুক থেকে নেমে
আমার জানালার ভিতর দিয়ে শাঁই শাঁই করে
সিংহের হুংকারে উৎক্ষিপ্ত হরিৎ প্রান্তরে অজস্র জেব্রার মতো।
(হাওয়ার রাত বনলতা সেন)

ৰোমাণ্টিক কল্পনাৰে কোনোবা ৰহস্যময় কল্পলোকলৈ পথী হৈ উৰা মাৰিব খুজি কৈছে —

মনে পড়ে কবেকার পাড়াগার অরুণিমা সান্যালের মুখ
উড়ুক উড়ুক তারা পউষের জ্যোৎস্নায় নীরবে উড়ুক
কল্পনার হাঁস সব — পৃথিবীর সব ধ্বনি সব রং মুছে গেলে পর
উড়ুক উড়ুক তারা হৃদয়ের শব্দহীন জ্যোৎস্নার ভিতর।
(বুনো হাঁস বনলতা সেন)

জীৱনানন্দ দাশৰ কবিতাত ৰোমাণ্টিক চেতনাই কেতিয়াবা প্ৰেমানুভূতি কেতিয়াবা স্বপ্নমদিৰ কল্প জগতত কেতিয়াবা নিঃসঙ্গ চেতনাজনিত গভীৰ বিষাদবোধত আৰু কেতিয়াবা ৰহস্যঘন ধূসৰ জগতত বিচৰণ কৰা দেখা যায়। কিন্তু সামগ্ৰিকভাবে দাশৰ কবিতাত অন্তৰ্লোক

আলোড়িত গভীৰ বিষাদবোধ আৰু ৰহস্যময়তাই ৰোমাণ্টিক চেতনাক অধিক ঘনীভূত কৰি তোলা দেখা যায়। এনে কাৰণতে দাশৰ কবিতাত ৰহস্যবাদী সুৰ এটাও অনুৰণিত হোৱা শুনা যায়। অৱশ্যে ৰহস্যবাদৰ সুৰ ভিন্ন প্ৰকাৰৰ। কিন্তু সিয়ে হ'লেও ৰহস্যবাদী সকলে কঠিনতৰ বাস্তৱ জগত আৰু সংঘাতময় জীৱনৰ পৰা আঁতৰি গৈ আনন্দময় কল্প জগত এখন নিৰ্মাণ কৰি লয়।[৪৪]

জীৱনানন্দ দাশৰ কবিতাতো কবিগৰাকীৰ স্বপ্নবিলাসী জগত এখন ভাসমান হৈ উঠিছে আৰু তাৰ মাজেদিয়ে কবি গৰাকীৰ ৰোমাণ্টিক চেতনা প্ৰতিভাত হৈছে।

(এঘাৰ)

**আধ্যাত্মিক চেতনা**

জীৱনানন্দ দাশৰ কবিতা বাস্তৱবাদী কবিতা আৰু তেওঁৰ কবিতা আধুনিক চিন্তা আৰু চেতনাৰে সমৃদ্ধ। তেনেস্থলত জীৱনানন্দ দাশৰ কবিতাত আধ্যাত্মিকতা বিচাৰ কৰাটো অবাস্তৱ কথা যেন লাগে। কিন্তু আচলতে সেইটো নহয়। কাৰণ ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কীয় ৰক্ষণশীল ধাৰণাবোৰ আধুনিকতা বিৰোধী হ'ব পাৰে কিন্তু আধ্যাত্মিকতা আধুনিকতা বিৰোধী নহয়। ধৰ্ম বিশ্বাস আৰু ঈশ্বৰ বিশ্বাসৰ পৰা মুক্ত হৈয়ো আধ্যাত্মিক ভাবনাযুক্ত হ'ব পৰা যায়। ঈশ্বৰক সৰ্বময় কৰ্তা বুলি নভবাকৈ মানুহৰ অন্তৰাত্মাৰ প্ৰতি গভীৰ বোধ যদি অনুভূত হয় তেতিয়াই আধ্যাত্মিক চেতনা গঢ় লৈ উঠে। অৱশ্যে এইটোও সত্য যে জীৱনানন্দ দাশৰ অন্তঃস্থিত আধ্যাত্মিক ভাবনাৰ মূলত তেওলোকৰ ঘৰখনৰ আধ্যত্মিক প্ৰভাৱে যথেষ্ট অনুপ্ৰাণিত কৰিছিল। তেও যে ঘৰখনত আশৈশৱ আধ্যাত্মিক পৰিৱেশ পাইছিল এই বিষয়ে ক্ষেত্ৰ গুপ্তই কৈছে —

> ভোববেলা ঘুম থেকে উঠে মায়েব গান ও বাবাব উপনিষদেব শ্লোক শুনতেন। 'প্রায় বোজ শেষ বাত্রে — বিশেষত হেমন্ত ও শবৎ কালে উপনিষদেব শ্লোক আওড়াতে আওড়াতে তাঁব পিতা তাঁব সন্তানদেব 'অপৰূপ সূর্য-চেতনাব প্রভাতে নিয়ে আসতেন ।তাঁব মাতা কুসুম কুমাবী দেবীব কণ্ঠে ব্রহ্ম সংগীত হত মোরে ডাকি লয়ে যাও মুক্ত দ্বারে / তোমাব বিশ্বেব সভাতে / আজ এ মঙ্গল-প্রভাতে।[৪৫]

যিখন ঘৰত শৈশৱতে জীৱনানন্দ দাশে পিতৃৰ মুখৰ পৰা প্ৰতিটো পুৱা উপনিষদৰ শ্লোক শুনিছিল আৰু মাতৃৰ মুখত প্ৰতিটো পুৱাতে ভক্তিমূলক প্ৰাৰ্থনা শুনিছিল সেই জন জীৱনানন্দৰ অন্তৰত সৰু কালতে আধ্যাত্মিক ভাবনা গঢ় লৈ উঠাটো স্বাভাবিক।

---

৪৪ বুদ্ধদেব বসু : ভূমিকা আধুনিক বাংলা কবিতা Q V সুমিতা চক্রবর্তী (সম্পা) আধুনিক কবিতার চালচিত্র পৃঃ ২

৪৫ ক্ষেত্র গুপ্ত : জীবনানন্দ দাশের কাব্য সমগ্র পৃ ৮০৪

জীৱনানন্দ দাশৰ আধ্যাত্মিক ভাবনা অগতানুগতিক আৰু নতুন স্বাদৰ। তেওঁৰ আধ্যাত্মিকতা আত্মাৰ গভীৰ উপলব্ধি মাথোন আৰু এই উপলব্ধি আধুনিক ৰূপত প্ৰকাশ পাইছে তেওঁৰ কবিতাৰ মাজেদি। উদাহৰণ স্বৰূপে —

একবাব কথা ক'য়ে দেশ আব দিকেব দেবতা
বোবা হ'য়ে পডে থাকে — ভুলে যায় কথা
যে আগুন উঠেছিলো তাদেব চোখেব তলে জ্ব'লে
নিভে যায় — ডুবে যায — তাবা যায় স্খ'লে।
নতুন আকাংক্ষা আসে — চ'লে আসে নতুন সময় —
পুবোনো সে-নক্ষত্রেব দিন শেষ হয়
নতুনেবা আসিতেছে ব'লে
আমাব বুকেব থেকে তবুও কি পাডিয়াসে স্খ'লে
কোনো এক মানুষীব তবে
যেই প্রেম জ্বালায়েছি পুবোহিত হ'য়ে তাব বুকেব উপবে।
আমি সেই পুবোহিত — সেই পুবোহিত।

(নির্জন স্বাক্ষব ধূসর পাণ্ডুলিপি)

এই কবিতাংশ অথবা সামগ্ৰিকভাৱে 'নিৰ্জন স্বাক্ষব কবিতাটো প্ৰেমৰ কবিতা যেন লাগে। হয়ো অৱশ্যে। কিন্তু এই প্ৰেম চেতনা কবিৰ আধ্যাত্মিক চেতনাৰেই ৰূপান্তৰ। কোনো এক মানৱীৰ প্ৰতি থকা প্ৰেমেই পুৰোহিত হৈছে। সেই মানৱী মৰ্তৰ তেজ মঙহৰ মানৱী নে বেদান্তৰ ব্ৰহ্ম? বিশ্ব ব্ৰহ্মাণ্ডৰ পৰম সত্তা ব্ৰহ্মাই যেন ইয়াত প্ৰেমানুভূতিৰ ৰূপত আধ্যাত্মিক ভাবনা হৈ ধৰা দিছেহি। এনে কাৰণতে জীৱনানন্দ দাশৰ বহু কবিতাতে 'মই শব্দই কবিয়ে নিজকে বুজোৱা নাই। কবিৰ 'মই ব্যক্তিগত জীৱনৰ উৰ্দ্ধলৈ গৈ সামগ্ৰিকভাৱে মানৱ সত্তা বা মানৱতাক বুজাইছে। এই বিষয়ে সুতপা ভট্টাচাৰ্যই সঠিক মন্তব্য কৰি কৈছে —

ব্যক্তিগত যে কোনো অভিজ্ঞতাকে সময়ের দেশের বড়ো অভিজ্ঞতারই অঙ্গ হিশেবে বুঝে নিতে চেয়েছিলেন জীবনানন্দ। তাই তাঁর কবিতার 'আমি কখনোই কোনো ব্যক্তিগত 'আমি নয়। তাঁর যে সময়ের কবিতায় বুদ্ধদেব বসু তাকে 'নির্জনতম কবি বলে চিনিয়ে দিচ্ছিলেন সে সময়ের পক্ষে এ কথা সত্য। 'আট বছর আগের এক দিন কবিতা প্রসঙ্গে জীবনানন্দ খেয়াল করিয়ে দেন এ কবিতার নায়ক কবি নিজে নন। কিন্তু সে তবে কে? প্রকৃতি আর চৈতন্যের বিরোধ এমন মর্মস্পর্শী বাংলা ভাবার আর কোন কবিতায়? আধুনিক

যুগমানসকেই কি একটি চবিত্রের ভঙ্গিতে নাটকীয়তাই উপস্থিত কবতে চেয়েছেন এখানে কবি? এই কবিতাব আলোচনায় জীবনানন্দ খুব স্পষ্ট ভাষায় জানিয়েছেন যে আধুনিক কবিতাব 'আমি কবিব নিজেব ব্যক্তিগত সত্তা মোটেই নয় 'কবি মানসেব কাছে সমাজ ও কালেব রূপ যে ভাবে ধবা পডেছে তাবই প্রতিভূ সত্তা।[৪৬]

আধ্যাত্মিকতা বহির্জীৱন বীক্ষা নহয় আধ্যাত্মিকতা অন্তঃজীৱন জিজ্ঞাসা। এনে অন্তর্মুখিন জীৱন জিজ্ঞাসাৰে তেওঁ কৈছে —

অনেক লবণ ঘেঁটে সমুদ্রেব পাওয়া গেছে এ মাটিৰ ঘ্রাণ
ভালোবাসা আব ভালোবাসাব সন্তান
আব সেই নীড়
এই স্বাদ — গভীব — গভীব।
(পাখিবা ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতাত আধ্যাত্মিক চেতনা প্ৰবল কিন্তু ই অতি গভীৰ আৰু প্ৰকাশভঙ্গী অতি কৌশলপূৰ্ণ বাবে সহজে বোধগম্য নহয়। তেওঁৰ অন্তমুৰ্খিন আধ্যাত্মিক জীৱন জিজ্ঞাসাৰ সম্পৰ্কে কবিগৰাকীয়ে কোৱা তলৰ কথা কেইষাৰৰ যোগেদি ধাৰণা কৰিব পাৰি।

সৃষ্টিব ভিতব মাঝে মাঝে এমন শব্দ শোনা যায় এমন বর্ণ দেখা যায় এমন আঘ্রাণ পাওয়া যায় এমন মানুষেব বা এমন মানবীব সাক্ষাৎ লাভ কবা যায় — কিংবা প্রভুত বেদনাব সঙ্গে পবিচয় হয় যে মনে হয় এই সমস্ত জিনিসই অনেকদিন থেকে প্রতিফলিত হয়ে কোথায় যেন ছিল এবং ভঙ্গুব হয়ে নয় সংহত হয়ে আরো অনেকদিন পর্যন্ত হয়তো মানুষেব সভ্যতার শেষ জাফবান বৌদ্রালোক পর্যন্ত, কোথাও যেন বয়ে যাবে এই সবেব অনুরূপ উদ্গীবণেব ভিতবে এসে হৃদয়ে অনুভূতিব জন্ম হয় নীহাবিকা যেমন নক্ষত্রের আকাব ধাবণ কবতে থাকে তেমনি বস্তু সঙ্গতিব প্রসব হতে থাকে যেন হৃদয়ের ভিতব এবং সেই প্রতিফলিত অনুচ্চাবিত দেশ ধীবে ধীবে উচ্চাবণ কবে ওঠে যেন সুবেব জন্ম হয় এই বস্তু ও সুবেব পবিণয় শুধু নয় কোনো মানুষেব কল্পনা-মনীষাব ভিতব এদেব একাত্মতা ঘটে — কাব্য জন্ম লাভ কৰে।[৪৭]

---

৪৬ সুতপা ভট্টাচার্য : 'জীবনানন্দের কবিতা কবিতার তত্ত্ব তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃঃ ৯-১০

৪৭ জীৱনানন্দ দাশ কবিতার কথা পৃ° ১৪

এই যে বস্তুসংগতি আৰু মানুহৰ কল্পনা মনীষাৰ সৈতে সুৰৰ একাত্মতাৰ কথা ক'লে ইয়ে দাৰ্শনিকতাসুলভ আধ্যাত্মিক ভাবনা। এনে দাৰ্শনিকতাসুলভ আধ্যাত্মিকতা আধাৰিত অনুভাবাত্মক দৃষ্টিৰে তেওঁ ক'লে —

মাথাব ভিতবে
স্বপ্ন নয় — প্রেম নয় — কোন এক বোধ কাজ করে।
আমি সব দেবতাবে ছেড়ে
আমাব প্রাণেব কাছে চ'লে আসি
বলি আমি এই হৃদয়েবে
সে কেন জলেব মতো ঘুবে ঘুরে একা কথা কয়।
অবসাদ নাই তার? নাই তাব শান্তিব সময়?
কোনোদিন ঘুমাবে না? ধীরে শুয়ে থাকিবাব স্বাদ
পাবেনা কি? পাবেনা আহ্লাদ
মানুষেব মুখ দেখে কোনোদিন।
মানুষীব মুখ দেখে কোনোদিন।
শিশুদেব মুখ দেকে কোনোদিন।

(বোধ ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতাত জীৱন-জিজ্ঞাসা অতি গভীৰ আৰু এই জীৱন জিজ্ঞাসু দৃষ্টিৰে তেওঁ মানুহৰ অন্তৰ্জীৱনৰ গোপনতম গহ্বৰত প্ৰৱেশ কৰি কৈছে —

শূন্য তবু অন্তহীন শূন্যময়তাব রূপ বুঝি
ইতিহাস অবিবল শূন্যের গ্রাস
যদি না মানব এসে তিনিফুট জাগতিক কাহিনীতে নীলাভ আকাশ
বিছিয়ে অসীম ক'বে বেখে দিয়ে যায়
অপ্রেমেব থেকে প্রেম গ্লানি থেকে আলোকেব মহাজিজ্ঞাসায়

(মহাজিজ্ঞাসা শাৰদীয় আনন্দ বজাৰ পত্ৰিকা ১৩৬১)

'কয়েকটি লাইন কবিতাটো কবিৰ মৃত্যুৰ কেইমাহমানৰ আগৰ ৰচনা আৰু এই কবিতাটোত বৌদ্ধ ধৰ্মৰ শূন্যবাদ আৰু বেদান্তৰ ব্ৰহ্মবাদৰ আধাৰতে যেন জীৱনৰ মহাসত্যৰ সন্ধান কৰিছে। জীৱনানন্দ দাশৰ প্ৰখৰ দৃষ্টিত সমকালৰ মানুহৰ কদৰ্যতা যিদৰে ধৰা পৰিছে; তাৰ পটভূমিতে তেওঁ যেন মানুহৰ অন্তৰ্লোকত প্ৰৱেশ কৰি জীৱনৰ সন্ধান কৰিছে। এনে অন্তৰ্লীন জীৱনজিজ্ঞাসাই কবিৰ আধ্যাত্মিক চেতনাক ক্ৰমশঃ গভীৰৰ পৰা গভীৰলৈ লৈ গৈছে। জীৱনানন্দ দাশৰ এনে ধৰণৰ আধ্যাত্মিক ভাবনা প্ৰকাশ পাইছে মৃত্যু চেতনাৰ মাজেদি এইদৰে —

সময় অনেক চিহ্ন লক্ষ্য ভেঙে ফেলে ছুটেছে দুবন্ত অশ্বক্ষুর
একে একে সকলকে নষ্ট কবে দেবে সময়েব হাতে সবই বিচ্ছিন্ন ভঙ্গুর
হয়ে যায় জেনেছি অনেকদিন আমি। তবুও সময় তাব সকল ধ্বংসেব পটভূমি
দিযে আচ্ছাদিত ক'রে অপ্রেম প্রেমকে তবু ও দেখেছো অনাচ্ছাদিত হে প্রেমিক তুমি।
(প্রেমিক শারদীয় বন্দে মাতরম ১৩৬১)

এই কবিতাংশত প্রকাশ পোৱা কবিৰ আধ্যাত্মিক ভাবনাৰ প্রতি লক্ষ্য কৰি বিমল চন্দ্র ঘোষে কৈছে —

এব পব আব কোন সন্দেহেই থাকে না যে কবি মৃত্যুকেই মনে-প্রাণে একমাত্র সত্য বলে জেনেছিলেন বলে শেষ পর্যন্ত সনাতন ঈশ্ববেব কাছে আত্মসমর্পণ কবা ছাডা আব কোন পথ খুঁজে পাননি প্রথম যৌবনেব দিশহাবা নক্ষত্র বিলাসী জ্যোতির্বিদ পৌঢ বয়সে ব্রহ্মবিদ হতে চেয়েছিলেন।[৪৮]

জীৱনানন্দ দাশৰ বিষয়ে কৰা বিমল চন্দ্র ঘোষৰ মন্তব্যটো নির্বিবাদে মানি ল'ব নোৱাৰি। কাৰণ জীৱনানন্দ দাশে সনাতন ঈশ্বৰত আত্মসমর্পণ কৰা কথাষাৰ শুদ্ধ নহয়। জীৱনানন্দ দাশৰ কোনো কবিতাতে ঈশ্বৰৰ ওচৰত আত্মসমর্পণ কৰা আভাস নাই। তেওঁ ঈশ্বৰ বিশ্বাসক একাধিক কবিতাত অস্বীকাৰ কৰিছে। বিমল চন্দ্র ঘোষে ঈশ্বৰ বিশ্বাস আৰু আধ্যাত্মিকতা — এই দুয়োটা সমার্থক ৰূপত গ্রহণ কৰা বাবেই এই ভুলটো কৰা বুলি ক'ব লাগিব। সি যি নহওক — জীৱনানন্দ দাশৰ আধ্যাত্মিক বোধ চিন্তা আৰু দৃষ্টি কিন্তু অগতানুগতিক আৰু এই অগতানুগতিক আধ্যাত্মিক ভাবনা গঢ লৈ উঠিছে আধুনিক মন আৰু মানসিকতা বোধ আৰু বুদ্ধি যুক্তি আৰু দৃষ্টিৰ আধাৰত। মুঠতে সামগ্রিকভাৱে আধুনিক বৌদ্ধিক পৃষ্ঠভূমিত। সেয়ে জীৱনানন্দ দাশৰ আধ্যাত্মিক ভাবনাও আধুনিক চিন্তা আৰু দৃষ্টিভঙ্গীৰপৰা উদ্ভূত এক আধুনিক দর্শন। ক'বই লাগিব যে এনে নতুন দৃষ্টিভঙ্গীসম্ভূত আধ্যাত্মিক ভাবনাই জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগতখনক গাম্ভীর্যপূর্ণ কৰি তুলিলে।

(বাৰ)

## আধুনিক চেতনা

জীৱনানন্দ দাশ যুগ সচেতন কবি আৰু এই যুগ সচেতনতাৰ বাবেই তেওঁৰ দৃষ্টীভঙ্গী সমাজ চেতনাৰ দ্বাৰা প্রখৰ হৈ পৰিছে। এনে কাৰণতে জীৱনানন্দ দাশৰ আধুনিক দৃষ্টিভঙ্গী গঢ় লৈ উঠা স্বাভাবিক। বাস্তববাদী জীৱনানন্দ দাশৰ কবিতাত ৰোমাণ্টিক ভাবোচ্ছাস আছে

---

৪৮ বিমল চন্দ্র ঘোষ 'কবি জীবনানন্দ দাশের জীবন-দর্শন সুব্রত রুদ্র (সম্পা) পূর্বোক্ত গ্রন্থ, পৃঃ ১৮৮

যদিও সেই সুৰ দাশৰ কবিতাত প্ৰধান সুৰ নহয় প্ৰধান সুৰ বাস্তৱবাদ আধাৰিত আধুনিকতাহে। এনে কাৰণতে তেও স্বপ্নাচাৰী ৰোমাণ্টিক পথ পৰিহাৰ কৰি আধুনিকতাৰ পৰিমণ্ডলত সোমাই পৰিছে। এনে নতুন দৃষ্টিৰে কবি গৰাকীয়ে কল্প জগতৰ পৰা মাটিলৈ নামি আহি কৈছে —

আকাশে সাতটি তাবা যখন উঠেছে ফুটে আমি এই ঘাসে
ব'সে থাকি কামবাঙা-লাল মেঘ যেন মৃত মনিয়াব মতো
গঙ্গা সাগবেব ঢেউয়ে ডুবে গেছে — আসিয়াছে শান্ত অনুগত
বাংলাব নীল সন্ধ্যা — কেশবতী কন্যা যেন এসেছে আকাশে
আমাব চোখেব পবে আমার মুখেব পবে চুল তাব ভাসে
পৃথিবীব কোনো পথ এ কন্যাবে দেখেনিকো — দেখি নাই অত
অজস্র চুলেব চুমা হিজলে কাঁঠালে জামে ঝবে অবিবত
জানি নাই এত স্নিগ্ধ গন্ধ ঝবে ৰূপসীব চুলেব বিন্যাসে

(ৰূপসী বাংলা)

ৰোমাণ্টিক ভাবোচ্ছ্বাসৰ বিপৰীতে আধুনিক দৃষ্টিৰে কবি গৰাকীয়ে মাটিৰ পৃথিবীৰ মানুহৰ জীৱনৰ বীক্ষা কৰিছে আৰু এনে দৃষ্টিভঙ্গীৰে তেও কৈছে —

অবাক হ'যে ভাবি আজ বাতে কোথায় তুমি?
ৰূপ কেন নির্জন দেবদারু — দ্বীপেব নক্ষত্রেব ছায়া চেনে না —
পৃথিবীব সেই মানুষেব ৰূপ?
স্থূল হাতে ব্যবহৃত হ'য়ে — ব্যবহৃত — ব্যবহৃত — ব্যবহৃত — ব্যবহৃত হ'য়ে
ব্যবহৃত — ব্যবহৃত
আগুন বাতাস জল আদিম দেবতাবা হো হো করে হেসে উঠলো
ব্যবহৃত — ব্যবহৃত হ'য়ে শুয়োরেব মাংস হ'য়ে যায়?

(আদিম দেবতারা : মহাপৃথিবী)

জীৱনানন্দ দাশে সমকালৰ অৱক্ষয় দেখি মৰ্মাহত হৈছে। অথচ তেওঁ সমকালৰ মানুহৰ মুক্তি সাধন কৰিব নোৱাৰি বাস্তৱ জগত আৰু বাস্তৱ জীৱনৰ পৰা পলায়ন কৰি ৰোমাণ্টিক স্বপ্নচাৰিতাৰে কল্পনাৰ ধূসৰ জগতলৈ উৰা মাৰিব খোজা নাই। সেইদৰে পৰম্পৰাগত ৰক্ষণশীল মানসিকতাৰে অদৃষ্ট আৰু ঈশ্বৰৰ ওচৰতো ভাৰসা কৰা নাই। এই বিষয়ে প্ৰদ্যুম্ন মিত্ৰই কৈছে —

স্বপ্নের নিভৃতি ও নিশ্চিতি ছেড়ে লোকালয়েব পারে দাঁড়িয়ে
জীবনানন্দ এক 'বক্তবণিক পৃথিবীব অভিজ্ঞতাব শরিক হ'য়ে কোনও
আস্থাব আলোক খুঁজে পাননি। তখন তিনি গেছেন গ্রন্থের কাছে, মানবেব

বহু যুগ সমাহৃত প্রজ্ঞার ভাণ্ডারে। সেখানে দেখেছেন বিবর্ণ জ্ঞানের রাজ্যে কাগজেব ডাইয়ে পড়ে আছে। তার 'স্বাক্ষবেব অক্ষবের অমেয় স্তুপেব নিচে বসে থেকে যুগ কোথাও সংগতি তবু পায়নাকো তাব ।

জ্ঞান নয় বিজ্ঞান নয কাবণ বেলেব লাইনেব মতো পাতা জ্ঞান বিজ্ঞানেব অন্তহীন কার্যকাবিতায় অনেক প্রসাদ আছে, প্রেম নেই'। শক্তির শ্রমও তাই তাঁব কাছে মনে হয়েছে নিয়ন্ত্রিত কবছে দেশ ও জাতিব ভবিষ্যৎ, 'সমস্ত সমস্যা কেটে দেয় তববাব । ধর্ম বিশ্বাসেব দিন বহুকাল বিগত মানুষ তাব 'নিহত উজ্জ্বল ঈশ্বরেব পবিবর্তে 'অন্য কোন সাধনাব ফল — এ বিশ্বাস অর্পণ কবতে চেয়েছে।[৪৯]

পৰম্পৰাগত ঈশ্বৰ বিশ্বাসৰ পৰা আঁতৰি আহি জীৱনানন্দ দাশে মানুহৰ ওপৰতহে বিশ্বাস স্থাপন কৰিছে আৰু সম্পূর্ণ আধুনিক দৃষ্টিৰে মানুহৰ জীৱনৰ স্বৰূপ ব্যাখ্যা কৰি কৈছে —

একবাব যখন দেহ থেকে বাব হ'য়ে যাব
আবাব কি ফিবে আসব না আমি পৃথিবীতে?
আবাব যেন ফিবে আসি
কোনো এক শীতেব বাতে
একটা হিম কমলালেবুব কৰুণ মাংস নিয়ে
কোন এক পবিচিত মুমূর্ষুব বিছানাব কিনাবে।

(কমলালেবু বনলতা সেন)

ঠিক একে ধৰণৰ বাস্তববাদী দৃষ্টিৰে কৈছে —

নিখিল ও নীড় জনমানবেব সমস্ত নিয়মে
সজন নির্জন হ'য়ে থেকে
ভয় প্রেম জ্ঞান ভুল আমাদেব মানবতা বোল
উত্তর প্রবেশ কবে আবো বড়ো চেতনাব লোপে
অনন্ত সূর্যের অস্ত শেষ ক'রে দিয়ে
বীতশোকহে অশোক সংগী ইতিহাস
এ ভোর নবীন ব'লে মেনে নিতে হয়
এখন তৃতীয় অংক এতএব আগুনে আলোয় জ্যোর্তিময়।

(উত্তর প্রবেশ সাতটি তারার তিমির)

---

৪৯ প্রদ্যুম্ন মিত্র : কবিতার গাড় এনামেলে পৃঃ ৬২

জীৱনানন্দ দাশ যুগ সচেতন মানৱতাবাদী কবি। সেয়ে তেওঁৰ দৃষ্টিত পৰম্পৰাগত বিশ্বাস আৰু ধ্যান-ধাৰণাবোৰ অসাৰ হৈ ধৰা দিছে আৰু বোধ বুদ্ধি আৰু যুক্তিৰ আধাৰত তেওঁৰ দৃষ্টিভঙ্গী আধুনিকতাৰে সমৃদ্ধ হৈ উঠিছে। আধুনিকতা সম্পৰ্কে বুদ্ধদেৱ বসুৱে কৈছে —

> একে বলা যেতে পাবে বিদ্রোহেব প্রতিবাদের কবিতা সংশয়েব ক্লান্তিব সন্ধানের আবার এবই মধ্যে প্রকাশ পেয়েছে বিস্ময়ের জাগরণ জীবনেব আনন্দ বিশ্ববিধানে আস্থাবান চিত্তবৃত্তি। আশা আব নৈবাশ্য অন্তর্মুখিতা বা বহির্মুখিতা সামাজিক জীবনের সংগ্রাম আর আত্মিক জীবনেব তৃষ্ণা এই সবগুলো ধাবাই খুঁজে পাওয়া যাবে শুধু ভিন্ন ভিন্ন কবিতে নয় কখনো হয়তো বিভিন্ন সময়ে একই কবিব রচনায়।[৫০]

বুদ্ধদেৱ বসুৱে কোৱা কথাষাৰ জীৱনানন্দ দাশৰ কবিতাৰ ক্ষেত্ৰতো প্ৰযোজ্য। দাশৰ কবিতাতো বিপ্লৱী চেতনা সংশয় ক্লান্তি, আশা নৈৰাশ্য আৰু দ্বন্দ্ব আছে আৰু এইবোৰৰ উপৰিও তেওঁৰ আছে বাস্তৱ দৃষ্টিভঙ্গী। এই বাস্তৱ দৃষ্টিভঙ্গীৰে তেওঁ অতীত আৰু বৰ্তমান সমাজৰ ৰক্ষণশীলতা আৰু প্ৰগতিশীল চিন্তাৰ প্ৰতি এক নতুন মানসিকতা গঢ়ি তুলিছে। সন্দেহ নাই যে এই নতুন মানসিকতাটোৱেই আধুনিকতাৰ পৰিচায়ক আৰু এই ধৰণৰ মানসিক মেজাজটোৰ বাবেই জীৱনানন্দ দাশ আধুনিক কবি।

## নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগত

(এক)

কবিতা বহু প্ৰকাৰ শৈল্পিক উপাদানেৰে নিৰ্মিত ধ্বনিময় কলা আৰু বিবিধ প্ৰকাৰ উপাদানেৰে নিৰ্মিত এই কাব্যশিল্পৰ আধাৰ ভাব-বস্তু। সেইবুলি কবিতাৰ ভাব স্থূল নহয় ই সূক্ষ্ম। আনহাতে কবিতা কল্পনানিৰ্মিতও। কিন্তু আধুনিক কবিতাৰ কল্পনা বাস্তৱবিবৰ্জিত অলৌকিক বিলাস নহয়। বাস্তৱ জীৱন আৰু বাস্তৱ জগতৰ পৰাই গ্ৰহণ কৰা অৰ্থময় ধাৰণাক ভাবনা ৰূপ দিয়া হয় আধুনিক কবিতাত। এনে ভাবনা-ৰূপ দিওঁতে অৱশ্যে গুৰুত্বপূৰ্ণ ভূমিকা লয় কল্পনাই।[৫১] কবিতাৰ ভাব কল্পনাসমৃদ্ধ যদিও কবিতাৰ ভাবনা জগতত বাস্তৱ মানুহৰ বাস্তৱ জীৱনৰ গূঢ়তম সত্যৰ ভিন্ন দিশ প্ৰতিফলিত হয়। সেইবাবে সাহিত্যৰ সত্য আচলতে

৫০ বুদ্ধদেব বসু : 'ভূমিকা আধুনিক বাংলা কবিতা Q V সুমিত্রা চক্রবর্তী (সম্পা) আধুনিক কবিতার চালচিত্র পৃ ২

৫১ Sir Maurice Bowra The Romantic Imagination, p 5.

জীৱনৰে সত্য।[৫২] সেয়ে কবিতাত যি ভাব-বস্তু গঢ় লৈ উঠে সেই ভাব-বস্তু কবিৰ কল্পনা বাস্তৱ দৃষ্টিভঙ্গী জীৱন সম্পৰ্কীয় বোধ আৰু বুদ্ধি গভীৰ বিশ্লেষণ ক্ষমতা কলাসুলভ সৃষ্টিশীলতা আৰু মনংসমীক্ষাত্মক দৃষ্টিভঙ্গীৰেই গঢ় লৈ উঠে। এনেদৰে কবিতাৰ ভাবনা জগত নিৰ্মাণ কৰোতে কবিয়ে অভিজ্ঞতা আহৰণ কৰে অতীতৰ পৰা আৰু সমকালৰ পৰা।

অসমীয়া ভাষাত কবিতা লেখিলেও গুণগতভাৱে এগৰাকী ভাৰতীয় কবি নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগত গভীৰ বিশাল আৰু বহুৰঙী। নৱকান্ত বৰুৱা অত্যন্ত অধ্যয়নশীল কবি। সেইবাবে তেওঁৰ জ্ঞানৰ পৰিধি বিচিত্ৰ আৰু বিস্তৃৰ্ণ। ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে তেওঁৰ পাশ্চাত্য সাহিত্যৰ সৈতে পৰিচয় আছিল অতি গভীৰ। তদুপৰি পশ্চিমৰ বৰেণ্য কবি সকলৰ কবিতা প্ৰতীকবাদ চিত্ৰকল্পবাদ অভিব্যক্তিবাদ আদি অনেক মতবাদৰ জ্ঞানেৰে নিজৰ দৃষ্টিভঙ্গীক স্বচ্ছ কৰি লোৱা কবি নৱকান্ত বৰুৱাই খৃষ্ট ধৰ্ম কনফুছিয়াছৰ ধৰ্মীয় দৰ্শন অধ্যয়ন কৰাৰ উপৰিও ভাৰতৰ বৈদিক দৰ্শন বেদান্ত দৰ্শন ৰামায়ণ মহাভাৰত আদি অধ্যয়নেৰে তেওঁৰ কবি মানস ধ্ৰুপদী জ্ঞানেৰে সমৃদ্ধ কৰি তুলিছিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ ভিন ভিন দৰ্শনৰ সৈতে নিবিড় পৰিচয় থকা বাবেই তেওঁৰ কবিতাত প্ৰাচ্য পাশ্চাত্যৰ ভিন্ন ভাবাদৰ্শ প্ৰতিফলিত হোৱা দেখা যায়।

কবিয়ে অতীতৰ পৰা জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰাৰ উপৰিও সমকালৰ পৰাও বিচিত্ৰ অভিজ্ঞতা আহৰণ কৰে আৰু সমকালৰ বাস্তৱ অভিজ্ঞতাৰ আধাৰত কবিয়ে মানুহৰ জীৱনৰ ইতিবাচক আৰু নেতিবাচক উভয় সত্যৰ সন্ধান কৰে। নৱকান্ত বৰুৱাৰ কালচেতনা অত্যন্ত প্ৰখৰ। এনে কাৰণতে তেওঁ সমকালৰ মানুহ আৰু সমকালৰ সমাজ সমীক্ষা কৰিছে আৰু সেয়ে তেওঁৰ কবিতা হৈ পৰিছে সমকাল সমীক্ষা স্বৰূপ।

গভীৰ আৰু বিস্তৃত অধ্যয়নপুষ্ট মন প্ৰখৰ বুদ্ধিদীপ্ততা আৰু সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতাৰ বাবেই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা-জগতখনো বিস্তৃৰ্ণ আৰু বৰ্ণময় হৈ উঠিছে। এতিয়া নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা-জগতৰ বিচিত্ৰ দিশবোৰত উদাহৰণ সহকাৰে আলোকপাত কৰা যাওক।

## (দুই)

## সমকাল চেতনা আৰু সামাজিক দায়বদ্ধতা

যি কোনো কবিয়েই সমকালৰ সমাজ জীৱনৰ দ্বন্দ্ব ধ্যান-ধাৰণা আৰু সামগ্ৰিকভাৱে সমাজ-চেতনাৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰে। কবি সকলে সেইবুলি সমকালৰ সমাজৰ ধ্যান-ধাৰণাৰ বন্যাত উটি-ভাহিও নাযায়। কিন্তু সমকালৰ ব্যক্তি মন তথা সমাজ মনৰ চিন্তা-ভাবনা ধ্যান-ধাৰণাবোৰৰ সমীক্ষা চলাই কবি মানস এটা গঢ়ি তোলে আৰু তেনে কবি

---

৫২ Rene Wellek and Austin Warren Theory of Literature p 33

মানসৰ আধাৰতে নিজস্ব দৃষ্টিভঙ্গী এটা গঢ়ি লয়। এনে কাৰণতে একোজন কবিৰ কবিতাত যিদৰে সমকাল চেতনা প্ৰকাশ পায় সেইদৰে কবি গৰাকীৰ দৃষ্টিভঙ্গীসম্ভূত ভাবনা জগতখনো স্পষ্ট হৈ উঠে।

নৱকান্ত বৰুৱাৰ সময় আছিল বিভিন্ন দিশত দ্বন্দ্বমুখৰ সময়। কবি গৰাকীৰ জন্মই হৈছে ভাৰতে পৰাধীনতাৰ গ্লানি বহন কৰি থকা সময়ত আৰু গান্ধীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনৰ সময়ত। ভাৰতৰ স্বাধীনতা আন্দোলনে জনসাধাৰণৰ মনত প্ৰত্যাশা আৰু সংশয়ৰ দ্বন্দ্ব সৃষ্টি কৰি থকা সময়তে সমগ্ৰ পৃথিৱীত আলোড়ন তোলা দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাই জনগণৰ মন আতংকগ্ৰস্ত কৰি তোলে। মন কৰিবলগীয়া যে এনে সংকট কালতে নৱকান্ত বৰুৱাৰ কবি মানস সৃষ্টিশীলতাৰে উদ্দীপ্ত হৈ উঠিছিল আৰু তেওঁৰ মন আৰু মানসিকতাত সমকাল চেতনাজনিত স্বচ্ছ ভাবনা-জগতখন স্পষ্ট হৈ পৰিছিল। এইষাৰ কথাৰ সত্যতা প্ৰমাণিত হয় নৱকান্ত বৰুৱাৰ পাঁচিশ বছৰ বয়সত প্ৰকাশ পোৱা তেওঁৰ কাব্য-গ্ৰন্থ হে অৰণ্য হে মহানগৰ 'ৰ (১৯৫১) কবিতা সমূহত। এইখন কাব্য-গ্ৰন্থত সন্নিবিষ্ট কবিতাকেইটা ৰচনা কৰাৰ সময়ত এফালে ১৯৪৭ চনত ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্ত পৰিছে আৰু আনফালে প্ৰলয়ংকাৰী দ্বিতীয় বিশ্বযুদ্ধও সমাপ্ত হৈছে। কিন্তু সিয়ে হলেও এই দুয়োটা ৰাজনৈতিক পৰিঘটনাৰ পাৰ্শ্বক্ৰিয়াই নেতিবাচক ৰূপত জনসাধাৰণৰ মন পূৰ্বতকৈয়ো অধিক ভয় সংশয় অবিশ্বাস আৰু অনিশ্চয়তাৰে ত্ৰস্তমান কৰি তুলিলে। ৰাজনীতিকসকলৰ ব্যক্তিকেন্দ্ৰী ভোগবাদী চৰিত্ৰৰ বাবে শোষণ পীড়নৰ মাত্ৰাধিক্য ৰাজনীতিকসকলৰ অশুভ অনুগ্ৰহ লাভ কৰা ব্যৱসায়ীসকল আৰু একশ্ৰেণী মধ্যভোগীৰ শোষণ পীড়নে জনগণৰ জীৱন পঙ্গুপ্ৰায় কৰি তোলা অৱস্থাত নৱকান্ত বৰুৱাৰ দৰে কবিৰ মনত মানৱাত্মাৰ অপমান অসহ্যকৰ হৈ পৰিছিল। তদুপৰি নতুনকৈ গঢলৈ উঠা নগৰীয়া যান্ত্ৰিক সভ্যতাৰ বিভীষিকায়ো নৱকান্ত বৰুৱাৰ কবি মানস জোকাৰি গৈছিল।

সি যি কি নহওক — এইবোৰ আছিল নৱকান্ত বৰুৱাৰ সমকালৰ সমাজ জীৱনৰ দ্বন্দ্ব আৰু এনে দ্বন্দ্বই নৱকান্ত বৰুৱাৰ কবি মানসত সমকাল চেতনাক অধিক দৃঢ় কৰি তুলিছিল। যাৰ পৰিণতিত তেওঁৰ প্ৰথম কাব্য-গ্ৰন্থ হে অৰণ্য হে মহানগৰ'ৰ কবিতাৰ পৰা পৰৱৰ্তী কালৰ কবিতালৈকে সকলোতে কবি গৰাকীৰ সমকাল চেতনাই তেওঁৰ কবিতাৰ প্ৰধান চালিকা শক্তি হৈ থাকিল।

নৱকান্ত বৰুৱা সমকাল সচেতন কবি হিচাপে তেওঁৰ কবিতাত প্ৰখৰ সমকাল চেতনা প্ৰকাশ পোৱাৰ উপৰিও এগৰাকী সামাজিক দায়বদ্ধ কবি হিচাপে তেওঁ আশাবাদী। নৱকান্ত বৰুৱাই সমকালৰ ক্ষয়মান অৱস্থা দেখিও হতাশ হোৱা নাই। বৰং তেওঁ বিশ্বাস কৰে এদিন মানুহৰ শুভ-বুদ্ধি উদয় হ'ব আৰু এই শুভ-বুদ্ধিয়েই মানৱতাৰ জয় প্ৰতিষ্ঠা কৰিব। নৱকান্ত বৰুৱাৰ কবিতাৰ মাজেদি প্ৰকাশ পোৱা এনে ভাবনাৰ বিষয়ে নলিনীধৰ ভট্টাচাৰ্যই

কৈছে —

> যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতাৰ প্ৰসঙ্গ আৰু প্ৰকৰণৰ ক্ষেত্ৰ প্ৰসাৰণত নৱকান্তৰ দান স্বীকাৰ্য। এতিয়ালৈকে কেইবাখনো কবিতা পুথিৰ ৰচক নৱকান্ত কাল চেতনাৰ সাৰ্থক কবি। চমুকৈ ক'বলৈ হ'লে মুক্তকৰ সাজত গুলোৱা বিভিন্ন কবিতাসমূহত তেওঁৰ কাল চেতনা প্ৰকট হৈছে আৰু কালৰ অৱক্ষয়ৰ ব্যৱস্থা পত্ৰ তেওঁ দিছে প্ৰাণ-ঔষধিৰ অনুপানেৰে। এটা সহজাত শুভবুদ্ধিয়েহে আজিৰ ক্ষয়িষ্ণু পৃথিৱীক ৰক্ষা কৰিব — এনে এটা ধাৰণা তেওঁৰ কবিতাবোৰৰ মূল প্ৰতিপাদ্য।[৫৩]

কাল সচেতন কবি হিচাপে নৱকান্ত বৰুৱাৰ দৃষ্টিত ধৰা পৰিছে সমকালৰ কদৰ্যতাৰ বিবিধ দিশ। সমকালৰ ব্যক্তিকেন্দ্ৰী তথা ভোগবাদী শাসকসকলে দেশৰ জনতাৰ সুখ দুখ আশা আকাংক্ষাৰ প্ৰতি পিঠি দি কেৱল নিজৰ দানৱীয় ভোগ বিলাসত কেনেকৈ মত্ত হয় তাক মৰ্মে মৰ্মে উপলব্ধি কৰি কৈছে —

আমিতো নেপালোঁ হায় পৃথিৱীৰ প্ৰথম যৌৱন
অৰণ্যৰ সেউজী সুৰভি।
নুশুনিলো নক্ষত্ৰৰ পাখিৰ স্পন্দন।
আমাৰ তৰাই মাথোঁ আকাশকে পোহৰ কৰিলে
তলত উচুপি ৰ'ল
অন্ধকাৰ পৃথিৱীৰ স্বপ্নাতুৰ ক্ষয়িষ্ণু কংকাল।
(আমাৰ পৃথিৱী মোৰ আৰু পৃথিৱীৰ)

দেশৰ ৰাজনীতি যেতিয়া ভ্ৰষ্টাচাৰী হয় তেতিয়া ৰাজনীতিকৰ অৰ্থাৎ শাসকৰ ছত্ৰছাঁয়াত একশ্ৰেণী মধ্যভোগী শোষকে জনতাৰ ওপৰত শোষণ-পীড়নৰ ৰণচালি কৰে। এগৰাকী মানৱদৰদী কবি হিচাপে নৱকান্ত বৰুৱাৰ দৃষ্টিত কেৱল গণবিমুখী ৰাজনীতিক সকলেই ধৰা পৰা নাই, শাসকসকলৰ অনুগ্ৰহ লাভ কৰি অতি নিৰ্মমভাৱে জনতাক শোষণ কৰা হৃদয়হীন একাংশ বিত্তৱান মানুহৰ অমানৱীয় মানসিকতাও তেওঁৰ দৃষ্টিত ধৰা পৰিছে। এই শ্ৰেণী মানুহৰ স্বৰূপ প্ৰকাশ কৰি কৈছে —

দুপৰৰ এই মৃত্যু নীৰৱ বীভৎসতা
প্ৰাণগঙ্গাৰ বন্দৰ।
বক্চাৰ আৰু পলাচীৰ আৰু ইয়াণ্ডাবুৰ ইতিহাস

---

৫৩ নলিনীধৰ ভট্টাচাৰ্য ঃ কবিতা আৰু নেপথ্য পৃঃ ৭০

জগৎ শেঠৰ ক্ৰেনৰ চকাত ঘূৰে
ঘাম সাগৰত লোহাৰ জাহাজ ঋানু
মৰণপণ্য প্ৰাণ কঁপে নিস্ফল।
\+ \+ \+ \+ \+
বালিৰ কণাত কত নাবিকৰ হাড়
ওপৰত উৰে ষ্টাৰ্লিং আৰু ডলাৰৰ কত চিলা
মাটিত বগায় কুমজেলেকুৰা দৃষ্টি
বিয়াল্লিছৰ জোৱাৰতো হেৰা নহ'ল ইয়াত
ন ইতিহাস সৃষ্টি
শিয়নিত কোন শোৱে?
জগৎ শেঠৰ ক্ৰেনৰ চকাত তেজৰ চৰ্বি
এতিয়াও কোনে
দিয়ে ?

(প্ৰাণগঙ্গাৰ বন্দৰ মোৰ আৰু পৃথিৱীৰ)

কাল সচেতন কবি নৱকান্ত বৰুৱাৰ দৃষ্টিত আপোন যুগৰ শাসক আৰু একাংশ মধ্যভোগী শোষকৰ দ্বাৰা শোষণজৰ্জৰিত সাধাৰণ জনতাৰ মৰ্মভেদী চিৎকাৰ ধৰা পৰিছে আৰু ক্ৰমশ তেওঁ কেউফালে অৱক্ষয়ৰ ভয়াবহ ৰূপ দেখা পাইছে। সমকালৰ এনে অৱক্ষয় অনুভৱ কৰি কৈছে —

আকাশত ৰং নাই
প্ৰেমৰ কবিতা নাই
ৰামধেনু মছি নিয়ে কুঁৱলীৰ ৰঙে
চাৰ্কাচৰ বাঘিনীৰ চকুৰ অক্ষম জ্বালা
বুকুত হানি দি যায় সন্ধ্যাৰ চিলঙে।

(সন্ধ্যাৰ চিলঙ মোৰ আৰু পৃথিৱীৰ)

ঠিক সেই একেই সমকালৰ অৱক্ষয় অনুভৱ কৰি পুনৰ কৈছে —

মেক্সিকোৰ সাগৰ পাৰত আসন্ন সন্ধিয়াৰ
শান্তিৰ গান। যা নিশা সৰ্বভূতানাং মই বিনিদ্ৰ প্ৰহৰী।
দীঘলী পুখুৰীত বিহমেটেকাৰ খেৰেজু-বুলীয়া মৃত্যু।
মগজৰ তিনিভাগ সাগৰ — বাকী ভাগত কেনচাৰ।
ঠিক বাৰ বজাত বন্ধ হৈ যায় ৰেডিয়াম ডায়েলৰ ঘড়ী
\+ \+ \+ \+ \+

বুকুত সৰি পৰা গধুৰ কিতাপখনৰ হেঁচাত
তোমাক বাঘমোৰে ধৰে হেজাৰ
শতাব্দীৰ পুঞ্জ পুঞ্জ মৃত্যুৰে গটি উঠা
পোৱাল দ্বীপৰ কলা মাটি সেউজীয়া
জীৱনৰ ডিঙিত আকাশীলতাৰ চিপজৰী —
মানুহৰ বুকুৰ সম্বাদ।

(নিদান মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ মানৱদৰদী অন্তৰত সমকালৰ ক্ষয়িষ্ণু বীভৎস ৰূপটো ইমান স্বচ্ছ হৈ উঠাৰ মূলত কবি গৰাকীৰ মানৱতাবাদী মনোভাব। মানৱিক চেতনাৰ গভীৰতাৰ বাবেই তেওঁ মানুহৰ পৰা নিজকে বিচ্ছিন্ন কৰি একো কথাই ভাবিব নোৱাৰে। এইটো দিশত ইমদাদ উল্লাহে কৈছে —

> কাল চেতনা নাইবা যুগ-চেতনা কবি নৱকান্ত বৰুৱাৰ কবিতাৰ এটা ঘাই লক্ষণ। এই কবিয়ে নিজক বিচ্ছিন্ন সত্তাৰূপে নেদেখি প্ৰায়েই সমগ্ৰ মানৱীয় পৰম্পৰা নাইবা অতীতৰ অবিচ্ছেদ্য অংগ স্বৰূপে নিজকে উপলব্ধি কৰা দেখা যায়। কেতিয়াবা তেখেতে মানৱ সত্তাৰ অতীত আৰু ভৱিষ্যতৰ দোমোজাত পৰা যন্ত্ৰণাকাতৰ অথচ স্বপ্ন-মুগ্ধ এক সংযোগকাৰী সত্তা স্বৰূপেও নিজক কল্পনা কৰি থাকে। কবিৰ এই যুগচেতনাই প্ৰমাণ কৰে যে তেখেত 'আত্মকেন্দ্ৰিক' নহয় বা হ'ব পৰা নাই।[৫৪]

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰকাশ পোৱা সমকাল চেতনাৰ বিষয়ে ইমদাদ উল্লাহৰ দৰেই নলিনীধৰ ভট্টাচাৰ্যয়ো কৈছে এনেদৰে —

> নৱকান্ত আত্ম-সচেতন কবি। কাল চেতনা আৰু সমাজবোধ জড়িত যদিও নৱকান্ত কাল চেতনাৰহে কবি।[৫৫]

নলিনীধৰ ভট্টাচাৰ্যই পুনৰ কৈছে —

> অজ্ঞাতবাসৰ বৃহন্নলাৰ দৰে তেওঁ বিমূঢ় — কুৰুক্ষেত্ৰৰ মুক্ত সংগ্ৰামো তেওঁৰপৰা বহুত আঁতৰত। তেওঁৰ কাল চেতনা ভৱিষ্যতমুখী — এখন পৃথিৱী মুমূৰ্ষু, আনখন জন্মৰ বেদনাত ব্যাকুল কিন্তু বৰ্তমানৰ প্ৰতি তেওঁৰ দৃষ্টি এলিয়টসুলভ।[৫৬]

---

৫৪ ইমদাদ উল্লাহ সৃজন আৰু মনন পৃ ৮৯

৫৫ নলিনীধৰ ভট্টাচাৰ্য ঃ 'আধুনিক কবিতা ঃ হোমেন বৰগোহাঞিঃ (সম্পা) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য পৃঃ ৫৪

৫৬ উল্লিখিত পৃঃ ৫১

গভীৰ সমকাল চেতনাৰে সমকালৰ সমাজ জীৱনৰ ক্ষয়মান ৰূপ দেখি এলিয়টেও পৃথিৱীখনক ক্ৰমশঃ মৰি অহা যেন অনুভৱ কৰিছে আৰু ক্ৰমশ° পৃথিৱীখন কাঁইটীয়া হৈ অহা যেন অনুভৱ কৰিছে। ঠিক সেইদৰে প্ৰখৰ সমাজ সচেতনতাৰ বাবেই সমকাল সচেতন কবি নৱকান্ত বৰুৱাই পৃথিৱীখনক ক্ৰমশ° মৰি অহা যেন অনুভৱ কৰি কৈছে —

ইতিহাস জুৰি পৰি ৰ'ল মাথোঁ
শুকান হাড়ৰ
শিজু কাঁইটৰ দেশ।
মৰা পৃথিৱীৰ দেহ
সাউদৰ নাও তথাপি চলিছে
সাউদৰ নাও খৰাং মাটিতো চলে
পানীৰ পিয়াহ সাউদৰ নাই মাথোন সোণৰ পিয়াহ
পানী দিম বুলি আমাৰ চ'ৰাতে
গাঁত খানি খানি সোণ বিচাৰোতে
সাউদে কেৱল পালে
হেজাৰ হেজাৰ ফুলকোঁৱৰ মণিকোঁৱৰৰ
লাওখোলা আৰু জকা
আমি তাত এটা পুৰণি সাধুকে শুনো
শুকান বালিত শুকান বোকাত সিহঁতে উচুপি কান্দে
'আছিলো ৰজাৰ পুতাই
তপত বালিত পৰি কান্দো আজি
আৰু বা কি বিলৈ?
আৰু কি বিলৈ ?
কিহৰ বিলৈ?
আমি জানো কি বেদনা
অসংখ্য মৃত্যুৰ সেতু
তাৰ ওপৰেদি
জীৱনৰ সৰীসৃপ আহিছে বগাই

(ক্ৰমশ° মোৰ আৰু পৃথিৱীৰ)

সমকালৰ ৰাজনৈতিক অৰ্থনৈতিক নৈতিক আৰু সামগ্ৰিকভাৱে মানৱীয় মূল্যবোধৰ অবক্ষয়ে নৱকান্ত বৰুৱাৰ সমকাল চেতনাক দ্বিধাগ্ৰস্ত কৰি তুলিছে আৰু এই দ্বিধাগ্ৰস্ততাই তেওঁৰ ভাবনা জগতখন বৈচিত্ৰ্যময় কৰিও তুলিলে।

(তিনি)

## নগৰীয়া জীৱনৰ কদৰ্যতাৰ অনুভৱ

নৱকান্ত বৰুৱাৰ সময়ত অসমৰ প্ৰধান প্ৰধান নগৰসমূহত উচ্চ শিক্ষানুষ্ঠানবোৰ গঢ় লৈ উঠিছিল আৰু এই শিক্ষানুষ্ঠানবোৰত গাঁৱৰ ছাত্ৰ ছাত্ৰীসকলে উচ্চ শিক্ষা লোৱাৰ উদ্দেশ্যত সাময়িকভাৱে হলেও নগৰবাসী হৈছিল। সেইদৰে বৃটিশে প্ৰৱৰ্তন কৰা শাসন নীতিৰ আৰ্হিতে স্বৰাজোত্তৰ কালৰ নগৰকেন্দ্ৰিক শাসননীতিৰ পৰিণতি স্বৰূপে নগৰীয়া বিলাসী সভ্যতা এটা গঢ় লৈ উঠে। যিটো সভ্যতা মানুহৰ আত্মিক সৌন্দৰ্যৰ বিপৰীতে বাহ্যিক বিলাসী জীৱনৰ ভোগসৰ্বস্বতাৰ সৈতে জড়িত। এনে ভোগসৰ্বস্ব নগৰীয়া সমাজৰ চূড়ান্ত ব্যক্তিকেন্দ্ৰিকতাই মানুহক শোষণ পীড়নৰ প্ৰতি উন্মত্ত কৰি তুলিবলৈ ধৰাত নগৰত বাস কৰা সাধাৰণ শ্ৰেণী মানুহৰ জীৱন যন্ত্ৰণাজৰ্জৰ হৈ উঠিল আৰু ভোগসৰ্বস্ববাদী শ্ৰেণীটোৰ দ্বাৰা মনুষ্যত্ব লুণ্ঠিত হ'বলৈ ধৰিলে।

নৱকান্ত বৰুৱাই উচ্চ শিক্ষা লৈছিল কলিকতাত আৰু সেইখিনি সময়ত কলিকতাৰ মহানগৰীয়া জীৱনৰ যান্ত্ৰিকতা ব্যক্তিকেন্দ্ৰিকতা আৰু ভোগসৰ্বস্ববাদী মানসিকতাই সৃষ্টি কৰা কদৰ্যপূৰ্ণ নগৰীয়া সমাজ জীৱনৰ সৈতে নৱকান্ত বৰুৱাৰ চাক্ষুষ পৰিচয় হৈছিল। সমাজ সচেতনতা আৰু মনুষ্যত্ববোধ গভীৰ নোহোৱা হলে নৱকান্ত বৰুৱাৰ দৰে নগৰবাসী উচ্চ শিক্ষিত ব্যক্তিৰ দৃষ্টিত সমকালৰ নগৰীয়া জীৱনে বীভৎস ৰূপত ধৰা নিদিলেহেঁতেন। বৰং তেখেঁ সমকালৰ কুটিল নগৰীয়া জীৱনৰ সৌন্দৰ্য আৰু মাধুৰ্যহে অনুভৱ কৰিলেহেঁতেন। কিন্তু গভীৰভাৱে সমাজসচেতন কবি নৱকান্ত বৰুৱাৰ দৃষ্টিত নগৰীয়া জীৱনৰ কদৰ্যতাই মানৱতাৰ ধ্বংসকাৰী ৰূপত ধৰা দিলে আৰু এনে দৃষ্টিভঙ্গীয়ে নৱকান্ত বৰুৱাৰ কবি মানসৰ ভাবনা-জগতখন বৈশিষ্ট্যপূৰ্ণ ৰূপত গঢ লৈ উঠাত প্ৰভূত প্ৰেৰণা যোগালে। এনে কাৰণতে নৱকান্ত বৰুৱাই কৈছে —

> পথ আৰু উপপথ গলি আৰু এভিনিউ
> বোবা যন্ত্ৰণাত অন্ধকাৰ
> পিচল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়
> (পোহৰ পোহৰ ক'ত)
> টেটুচেপা ট্ৰেফিকৰ দূৰৰ স্পন্দনে
> ভয় আৰু আশ্বাসৰ জটিল উৎকণ্ঠা আনে
> (অৰণ্যত চকু জ্বলে বাঘ আৰু মেচেকাৰ)
> জীৱন জীয়াই থাকে। তথাপি জীয়াই থাকে
> আৰু থাকে জীৱিকাৰ গলিৰ সাঁথৰ
> অমৃতৰ পুত্ৰ আমি

মৃত্যুস্নাতা হে মহানগৰ
(হে অৰণ্য হে মহানগৰ  হে অৰণ্য হে মহানগৰ)

সমকালৰ গলিত মূল্যবোধৰ স্খলিত জনজীৱনক দেখি কবিৰ অন্তৰ ভীতিসন্ত্ৰস্ত হৈ উঠিছে যাবেই কবিগৰাকীয়ে মহানগৰক মৃত্যুস্নাতা আখ্যা দিছে আৰু সেইদৰে মহানগৰীৰ মৰণমুখী অবস্থা অনুভৱ কৰি কৈছে —

মোৰ দলিত আত্মাৰ আলিবাটত
বলিয়াবোৰৰ পদক্ষেপে
আঁকি যায়
কঠোৰা অভঁজা পদধ্বনিৰ চাপ

মহনগৰী ওলমি থাকে
ডাৱৰৰ চিপজৰীত
চেপা খায়
সৌধৰ গম্বুজ

মই যাওঁ
আৰু অকলৈ কান্দো
আলি দোমোজাই ক্ৰুচত দিয়ে
পহৰীয়াক।
(স্বপ্নাৰম্ভ  হে অৰণ্য হে মহানগৰ)

সমাজসচেতন কবি নৱকান্ত বৰুৱাৰ দৃষ্টিত মহানগৰীয়া জীৱনে ধৰা দিছে বিশ্বাস আৰু অবিশ্বাস  প্ৰাণচঞ্চলতা আৰু মৃত্যু বিভীষিকা আৰু বঞ্চনা আৰু কৰুণাৰ বিচিত্ৰ মিছিল ৰূপত। এনে দ্বিধাগ্ৰস্ত মনৰ সম্ভাৱনা আৰু সংশয়ৰ আলি দোমোজাত থিয় হৈ তেওঁ কৈছে —

প্ৰাণ স্বপ্ন মৃত্যু আৰু বঞ্চনাৰ
হে মহানগৰ
দেশ
কাল
আলোকবৰ্ষৰ পথ লক্ষ কোটি নিখৰ্ব নিযুত
বিধাতাৰ চিৰ বৰ্তমান
মোৰ চেতনাৰ স'তে এক হৈ যায়
মোৰ যাত্ৰা

সেই ৰহস্যৰ ওৰণি গুচাই
ভীতি আৰু কল্পনাৰ গিৰি সংকটেৰে
আহি পালো
পদ্মা নে প্ৰমত্তা নদী
ফুটপাথ জোৱাৰ চঞ্চল

অদৃশ্য স্ংগীত তাৰ
স্থিতি তাৰ মৃত্যুৰ ডুৱেট
মৃত্যু আৰু মৃত্যু মাথোঁ
গণিতৰ একোটি একক
স্থিতি তাৰ সমস্যাৰ দ্বিকেন্দ্ৰিক বৃত্তাভাস
+ + + + +
প্ৰাণ মৃত্যু দয়া আৰু নিহিত স্বাৰ্থৰ
হে মহানগৰ

(উপলব্ধি মোৰ আৰু পৃথিৱীৰ)

ওপৰৰ কবিতাটোত দেখা গৈছে যে চিৰন্তন মানৱাত্মা আৰু আধুনিক যুগৰ নগৰকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ ভয়াবহ দ্বন্দ্ব অনুভৱ কৰিছে কবিগৰাকীয়ে। এই বিষয়ে দিলীপ বৰুৱাই যুক্তিনিষ্ঠ মন্তব্য কৰি কৈছে —

> এই সংঘাতৰ প্ৰখৰতম অনুভূতি আহে মহানগৰীৰ বুকুত। ইয়াত শুনা যায় জীৱনৰ অশ্লীল সংগীত আৰু উপলব্ধি কৰা যায় মানৱ আত্মাৰ নিসঙ্গতা। এই নিসঙ্গতা আৰু গভীৰ হৈ উঠে যেতিয়া ব্যক্তি চেতনাত উপলব্ধি হয় — যে এই সভ্যতা উন্মোচনৰ বাবে জীৱাত্মাই আলোকবৰ্ষৰ পথ অতিক্ৰম কৰি আহিছে। মুঠতে এই মহানগৰীৰ বুকুত একমাত্ৰ এটা অনুভূতিয়েই তীব্ৰভাৱে অনুভৱ কৰা যায়। সি হ'ল ভীতি। এই ভীতি বঞ্চনাৰ স্থিতি আৰু স্বীকৃতিহীনতাৰ আৰু মৃত্যুৰ। আদিম মানৱক মহাঅৰণ্যই যি নিসঙ্গতা আৰু নিষ্ঠুৰতাৰে ত্ৰস্ত কৰিছিল মহানগৰীৰ ৰাজ আলিত কবিয়ে অৰেই সন্ধান পায়। ইয়াৰ ট্ৰেফিক চিগ্‌নেল কাজিৰঙা ডবকাৰ বাঘ আৰু মেচেকাৰ চকু জ্বলে।[৫৭]

বিজ্ঞানৰ ন ন চিন্তা আৰু সৃষ্টিয়ে মানৱ সভ্যতাক বিকাশৰ পথত দ্ৰুতগতিৰে

৫৭ দিলীপ বৰুৱা : কবিতাৰ ভৱিষ্যত : পঞ্চদশকৰ সাহিত্যৰ পৰম্পৰা পৃঃ ৭৪

উৰ্দ্ধমুখী হোৱাৰ সন্ধান দিলে। কিন্তু ভোগসৰ্বস্ববাদী একাংশ মানুহ, বিশেষকৈ শাসক-শ্ৰেণীৰ দানবীয় প্ৰবৃত্তিয়ে বিজ্ঞানসৃষ্ট সামগ্ৰীক প্ৰয়োগ কৰিলে মানুহৰ মৃত্যুযজ্ঞ পাতি নিজৰ ভোগৰ লালসা চৰিতাৰ্থ কৰিবৰ বাবে। এনে কাৰণতে ভাৰতৰ স্বাধীনতা লাভৰ ঠিক অলপ আগতে সাম্প্ৰদায়িক সংঘৰ্ষই সৃষ্টি কৰা বীভৎস নৰহত্যাৰ সময়ত কলিকতা মহানগৰীত সৃষ্টি হোৱা শোকাবহ অবস্থাৰ ছবি চিত্ৰণ কৰি নৱকান্ত বৰুৱাই ক'লে —

কাৰ্ফুৰ সময় হ'ল
নগৰীৰ আচলৰ শেষ ৰশ্মিকণো
শুহি ললে ৰাতিৰ আকাশে।
নিস্তব্ধ মৰণ নামে নগৰীৰ ধমনিত কৰো অনুভৱ
কাজিৰঙা ডবকাৰ আৰণ্যক অপস্মাৰ
সৰীসৃপ ক্ৰুৰ মৃত্যু সৰ্পিল জীৱন
\+ + + + +
পথ আৰু উপপথ গলি আৰু এভিনিউ
বোবা যন্ত্ৰণাত অন্ধকাৰ
পিছল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়
(পোহৰ পোহৰ ক'ত)
(হে অৰণ্য হে মহানগৰ হে অৰণ্য হে মহানগৰ)

সমকালৰ মহানগৰীয়া বীভৎসতা দেখি কবিৰ অন্তৰাত্মা সময়ে সময়ে দিক্‌ভ্ৰান্ত হোৱাৰ দৰে হৈছে। এনে অস্থিৰতাত কবি গৰাকীয়ে কেতিয়াবা নৈৰাশ্যৰ যন্ত্ৰণাত চাটি-ফুটি কৰিছে, কেতিয়াবা জীৱনৰ অৰ্থহীনতা অনুভৱ কৰিছে আৰু কেতিয়াবা ভাবাবেগপ্ৰৱণতাৰে সূৰ্যক প্ৰাৰ্থনা জনাইছে। এনে অস্থিৰতা প্ৰকাশ কৰি কোৱা হৈছে —

ৰাতিৰ স্পন্দন স্তব্ধ।
নগৰীত আবিৰ্ভাৱ বিবৰ্ণ বিস্বাদ দিন
সূৰ্যৰ আঙুলি আহি কৰে উদ্‌ঘাটন
\+ + + + +
অবান্তৰ মই আৰু
অবান্তৰ অৰ্বাচীন বিৰাট নগৰী।
হেজাৰ জীৱন বলি। জীৱনৰ। জীৱিকাৰ।
হে নগৰী কুৰঙ্গীৰ ক্ষণিক অতিথি।
\+ + + + +
ৰাতিৰ তপস্যা ব্যৰ্থ

মৃত্যুৰ তপস্যা ব্যৰ্থ
অৰ্থহীন
জীৱনৰ শতদল পাহি মেলি ফুলাৰ আশ্বাস
আনা ৰাতি
হে সূৰ্য উন্মুক্ত কৰা হিৰণ্ময় জ্যোতি-যৱনিকা
আনা ৰাতি। আনা অন্ধকাৰ।
অতিথিৰ পৰিচয় কৰক ঘোষণা
কালপুৰুষৰ তৰোৱাল।

(পঞ্চম অংক মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ কবিতা দ্বিধাগ্ৰস্ত চিন্তা আৰু চেতনাৰে ধুঁৱলী-কুঁৱলি। সমকালৰ মহানগৰীয়া জীৱনৰ বীভৎস কুটিলতা দেখি তেওঁৰ অন্তৰে চিৎকাৰ কৰি উঠিছে মানৱীয় প্ৰমূল্যবোধৰ শ্মশানি যাত্ৰাত। সেয়ে কেতিযাবা তেও মহানগৰীয়া জীৱনৰ প্ৰতি মোহ হেৰুৱাইছে আৰু কেতিয়াবা তেওঁ নগৰীয়া জীৱনৰ মৃত্যুস্নাত নীৰৱতাৰ মাজতে মানুহৰ মহামহত্ত্বৰ অজেয় সত্তাৰ সম্ভাৱনা দেখিছে। মুঠতে প্ৰখৰ সমকাল চেতনাজনিত নগৰ চেতনাই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনক এনেদৰে সমৃদ্ধ কৰি তুলিছে যে যিখন ভাবনা জগতত কবি গৰাকীৰ দৃষ্টি আৰু দৰ্শন অধিক স্বচ্ছ হৈ পৰিছে। ইয়াৰ পাছৰ আলোচনাৰ বিভিন্ন দিশসমূহে এই কথাষাৰ অধিক স্পষ্ট কৰি তুলিব।

(চাৰি)

## অৱক্ষয় চেতনা ইতিহাস চেতনা আৰু মানৱতাবাদ

সমকাল সচেতন কবিসকলে যেতিয়া নিজৰ আপোন যুগৰ মানুহৰ নৈতিক অৱক্ষয় হোৱা দেখে আৰু সেই অৱক্ষয়ত মানৱাত্মাৰ যেতিয়া অপমান হোৱা বুলি গভীৰভাৱে অনুভৱ কৰে তেতিয়া সমাজ সচেতন কবিসকলে অসহায় অনুভৱ কৰি ঐতিহ্যৰ আশ্ৰয় লয়। সমকালৰ কুটিলতাত থাউনি নেপাই ৰোমাণ্টিক কবিসকলে ভাবাবেগ প্ৰৱণতাৰে কল্পনাবিলাসী হৈ ধূসৰ অতীতলৈ উৰা মৰাৰ বিপৰীতে আধুনিক কবিসকলে সমকালৰ ক্ষয়িষ্ণু অৱস্থাৰ পৰা মুক্তি কামনাৰে ইতিহাসৰ প্ৰেৰণাৰ ঐশ্বৰ্য আহৰণ কৰাৰ পোষকতা কৰে। অতীত প্ৰীতিৰ ক্ষেত্ৰত ৰোমাণ্টিক কবি আৰু আধুনিক কবিৰ মাজত এইখিনিতে পাৰ্থক্য। কিন্তু সিয়ে হলেও কবিতা বিশেষে নৱকান্ত বৰুৱাই ৰোমাণ্টিক উচ্ছ্বাসৰ পৰা সম্পূৰ্ণ মুক্ত হৈ যুক্তিনিষ্ঠ চিন্তা আৰু চেতনাৰে যে আধুনিক হ'ব পাৰিছে, সেইটোও সঁচা নহয়। এই বিষয়ত হীৰেন গোহাঁয়ে সঠিক মন্তব্য কৰি কৈছে —

> নৱকান্ত বৰুৱাৰ কবিতা যদিও আধুনিকতাৰ অনুগামী তেওঁৰ মানসিকতাত কিন্তু এক বিলীয়মান অতীতৰ প্ৰবল স্মৃতিহে প্ৰভাৱশীল।

কালৰ অপ্ৰতিহত আৰু অপ্ৰতিৰোধ্য পৰিৱৰ্তনত তেওঁ এক প্ৰকাৰ নিৰুপায় হৈ কেতিয়াবা অভিমানাহত অন্তৰেৰে মানি লৈছে। কিন্তু নিজৰ শাসনৰ বাহিৰত ইচ্ছা অনিচ্ছাৰ বাহিৰত যি পৰিৱৰ্তন তাক স্বাগতম জনাবলৈ তেওঁ প্ৰায় কুণ্ঠাবোধ কৰে। অৱশ্যে অতীতৰ স্মৃতিয়ে মোহগ্ৰস্ত বৰ্তমানৰ দাস হোৱাৰ পৰা তেওঁক দূৰত ৰাখিছে। তেওঁৰ আঙ্গিক সেয়ে সম্পূৰ্ণ নিৰালম্ব বুৰ্জোৱা আত্মচেতনাৰ যন্ত্ৰ হৈ পৰা নাই। তেওঁৰ কবিতাত জিজ্ঞাসা আছে, চিন্তা আছে। ক্ৰমাৎ সংকীৰ্ণ হৈ অহা মধ্যবিত্ত জীৱনৰ গ্লানিময় গণ্ডীৰ মাজত যেন তেওঁ মাজে মাজে শুনিছে স্বাধীনতা সংগ্ৰামৰ যুগৰ জাতীয় চেতনাৰ উদাত্ত আহ্বান।[৫৮]

আধুনিক চেতনাৰে নিজকে সমৃদ্ধ কৰিলেও নৱকান্ত বৰুৱাই কবি প্ৰকৃতিসুলভ কোমলতাৰে তেওঁ সমাজৰ অৱক্ষয় চেতনাক উজ্জীৱিত কৰিবলৈ কেতিয়াবা ইতিহাসৰ পৰা অৰ্থাৎ অতীতৰ পৰাও জীৱন প্ৰেৰণাৰ সঞ্জীৱনী আহৰণ কৰাৰ বাট বিচাৰি পোৱা নাই। এনে অনিশ্চয়তাৰ ধামখুমিয়াত পৰি তেওঁ জীৱনৰ গতিক উৰ্দ্ধমুখী হৈ যোৱাৰ বিপৰীতে নিম্নগামী হোৱা অনুভৱ কৰি কৈছে —

এনেকৈ
এনেকৈয়ে আমি নামি যাও
ওপৰত ৰুগ্ন স্বৰ্গৰ বাৰান্দা
তলত জীৰ্ণ জীৱিকাৰ ফুটপাথ
মাজত অনিশ্চয়তাৰ শংকা।
আকৃতি বিহীন এটা 'যদি
যদি আমি বৈ যাও

এনেকৈ
এনেকৈ আমি নামি যাওঁ।
এনেকৈয়ে নামি যাওঁ
ক্লান্তিৰ পৰা শ্ৰান্তিলৈ
জাগৰণৰ পৰা সুপ্তিহীনতালৈ
বিস্মৰণৰ পৰা স্মৃতিহীনতালৈ
ঠিক এনেকৈয়ে
এডাল যান্ত্ৰিক সাপৰ কোঁচ কোঁচনিৰ মাজেৰে
আমি নামি যাওঁ

৫৮ হীৰেন গোহাঁই : 'নৱকান্ত বৰুৱা আৰু আমি' মোৰ আৰু পৃথিৱীৰ পৃ ২৩২

যি যোৱাত নাই গতি আৰু
ৰৈ যোৱাতেই য'ত গতিৰ আৰম্ভণ
এনেকৈয়ে এনেকৈয়ে।
ওপৰত ৰুগ্ন স্বৰ্গৰ বাৰান্দা
তলত জীৱিকাৰ জীৰ্ণ ফুটপাথ
মাজত আকৃতি বিহীন এটা বিৰাট 'যদি ।
এনেকৈয়ে
এনেকৈয়ে আমি নামি যাওঁ।
(লিফ্ট মোৰ আৰু পৃথিৱীৰ)

বৰ্তমানৰ কঠিনতাৰ আঘাতত বিব্ৰত আৰু বিবৰ্ণ হোৱা কবিগৰাকীয়ে জীৱনৰ চিৎকাৰজনিত নিম্নগামী গতি অনুভৱ কৰিছে। কবিৰ বাবে শান্তি আৰু মুক্তিৰ বাবে যেন ক'তো অকণো সুৰুঙা নাই। এনে বেদনাঘন মুহূৰ্তত কবিৰ বাবে যেন অতীতৰ ধূসৰ জগতখনো স্বপ্নমদিৰ নহয়। নৱকান্ত বৰুৱাৰ এনে দিক্‌ভ্ৰান্ত মনৰ অৱস্থাৰ সন্ধান দি হীৰেন গোহাঁয়ে কৈছে —

> অতীতৰ স্নেহ কোমল কোলা এৰি আহি বৰ্তমানত তাৰ বিনিময়ত কবিয়ে পাইছে মাত্ৰ কষ্ট। বৰ্তমানৰ শ্ৰেষ্ঠ কীৰ্তি বুলি যিবোৰ বস্তু পৰিচিত — যেনে যুক্তি বিজ্ঞান — সেইবোৰে কবিৰ অন্তৰত তৃপ্তি দিব পৰা নাই। সেয়ে কেৱল সিহঁতৰ ক্ষয়ংকৰ ৰূপটোহে দেখা পাইছে। মগজুৰ অসংখ্য ভাব কল্পনা দ্বিধা সংশয় কবিৰ বাবে বিৰক্তিৰ কাৰণ। তেও বিচাৰে অতীত জীৱনৰ সহজ স্বতস্ফূৰ্ত আকাংক্ষা আৰু তাৰ অভিব্যক্তি। যুক্তি আৰু বিজ্ঞান বৰ্তমান ভাৰতত নৱজীৱন গঢ়াৰ সমল হ'ব পৰা নাই। তাৰ প্ৰয়োগ আজি বহুলাংশে সৰ্বসাধাৰণৰ জীৱনৰ পৰা বিচ্ছিন্ন — এতেকে চিনিকেল। সেয়ে কবিৰ অন্তৰাত্মাৰ বিদ্ৰোহ সমৰ্থন নকৰিলেও তাৰ প্ৰতি আমাৰ সহানুভূতি জন্মাটো অস্বাভাৱিক নহয়। সেইদৰে 'জীৱনক জীৱিকাৰে বন্দী কৰাৰ ধৰ্ম' 'নীৰস যান্ত্ৰিকতা প্ৰভৃতি আধুনিক বুৰ্জোৱা চহৰীয়া জীৱনৰ বৈশিষ্ট্যবোৰে তেওঁক যেনেকৈ পীড়া দিছে, আমাকো নিদিয়াকৈ থকা নাই।[৫৯]

নৱকান্ত বৰুৱাৰ কবিতাত ইতিহাসৰ পৰা কেতিয়াবা প্ৰেৰণা আহৰণ কৰাৰ চেষ্টা আৰু সেইদৰে কেতিয়াবা ইতিহাস প্ৰেৰণাবিহীন ভ্ৰান্ত ধূসৰতালৈ ৰূপান্তৰ হৈছে। কবিৰ এনে দিক্‌ভ্ৰান্ত মনৰ অস্থিৰতাত অতীতৰ শূন্যতা উপলব্ধি কৰি ক'লে —

---

৫৯ উল্লিখিত পৃঃ ২৩৫

স্নায়ুয়ে স্নায়ুয়ে মোৰ বাজি উঠে
কত মৰা সভ্যতাৰ
কংকালৰ হাড়
হাড়ৰ
কড়ড়ৎ
মৰি যোৱা শতাব্দীৰ দেহ
উঠি আহে,
সময়ৰ কবৰৰ পৰা
ভিৰৰ মাজত মই ডুবি যাওঁ যাও
ভাঙি ছিঙি শেষ হৈ যাওঁ
মই নাই। মই আৰু নাই।
(এন্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

বাস্তৱৰ কাঠিন্যত কবিৰ সুকোমল অনুভূতিৰ স্বপ্নাৱেশ সময়ে সময়ে ভাগি ছিগি থানবান হ'ব খোজে আৰু এনে হোৱাটোৱে স্বাভাবিক। কাৰণ স্বপ্নভঙ্গৰ বিষাদত কবিয়ে বৰ্তমানৰ শ্বাসৰুদ্ধ অবস্থাৰ দৰেই অতীততো অনুভৱ কৰিছে প্ৰাণহীন শূন্যতা। এনে অনুভৱ কৰিয়ে কৈছে —

এয়া নৈৰ পাৰ
শামুকৰ খোলা ৰ'দত জিলিকি চকুত পিয়াহ লগায়
পানী ক'ত পানী?
ক'ত সেউজীয়া পাৰৰ ধাননি?
কাগজৰ পোকে খাই গ'ল নেকি কবিতাৰ সেই ৰং?
লুইত শুকান লুইতত পানী নাই
পাতকুঁৱাবোৰ পাতালৰ পৰা বিহ অহা বাট
এটোপা পানী?
বিলৰ শুকান বোকাৰ মাজত
শুকান মাছৰ কাঁইটত লাগি ওলায় আমাৰ লুণীয়া তেজ
পানী ক'ত পানী?
+ + + + +
ইতিহাস জুৰি পৰি ৰ'ল মাথোঁ
শুকান হাড়ৰ
শিজু কাইটৰ দেশ
মৰা পৃথিৱীৰ দেহ।
(ক্ৰমশ: মোৰ আৰু পৃথিৱীৰ)

যি জন কবিয়ে এটোপী পানীৰ সন্ধান কৰি ভগ্নমনোৰথ হৈ হতাশাত লুণ্ঠিত হৈছে, সেইজন কবিয়ে অতীত বৰ্তমান উভয়তে শূন্যতা দেখিছে। শান্তি কামনাৰ আকুলতাই বৰ্তমানত বিফল হৈ অতীতলৈ যাত্ৰা কৰিও শান্তিৰ নামত শূন্যতা অনুভৱ কৰি কৈছে —

> টেটুচেপা ট্ৰেফিকৰ বোবা আৰ্তনাদ স্তব্ধ কৰি
> আমাৰ স্নায়ুত বাজি উঠে
> মৰা অতীতৰ
> হেজাৰ হেজাৰ মহেঞ্জদাৰোৰ
> বুকুৰ হাড়ৰ পাশাৰ কৰকৰণি
> জয় কাৰ নেজানো। মাথোন জানো
> আমি যেন হাৰো

(অজ্ঞাত বাসৰ আগনিশা মোৰ আৰু পৃথিৱীৰ)

অৱক্ষয় চেতনাৰ আধাৰত নৱকান্ত বৰুৱাৰ কবিতাৰ ইতিহাস চেতনা বিচাৰ কৰোতে দেখা গ'ল যে আন বহু কবিয়ে বৰ্তমান জটিলতাৰ সন্মুখীন হৈ যেতিয়া হতাশাগ্ৰস্ততাত বিমৰ্ষ হয় তেতিয়াই সুদূৰ অতীতৰ গৌৰৱময় ঐতিহ্যৰ পৰা প্ৰাণ সঞ্চাৰিণী শক্তি আৰু প্ৰেৰণাৰ আশ্ৰয় গ্ৰহণ কৰে। কিন্তু নৱকান্ত বৰুৱাৰ কবিতাৰ অৱক্ষয় চেতনাজনিত ইতিহাস চেতনা আন কবিৰ তুলনাত ব্যতিক্ৰম। বৰ্তমানৰ যি ভয়াবহতাত তেওঁৰ সকলো সম্ভাৱনাক নিঃশেষ কৰাৰ উপক্ৰম হোৱা বুলি ভাবিছে, সেইদৰে অতীতৰ কোনো ঐতিহ্যই তেওঁক সম্ভাৱনাৰে প্ৰেৰণাদীপ্ত কৰিব পৰা নাই। কিন্তু এই ক্ষেত্ৰত 'সম্ৰাট' 'ৰাৱণ' 'ৰত্নাকৰ' — এই দীঘল কবিতাকেইটা ব্যতিক্ৰম। এই দীঘল কবিতাকেইটাৰ নামকৰণৰ চৰিত্ৰ তিনিটাৰ এটাও আদৰ্শ চৰিত্ৰ নহয়। সম্ৰাট কবিতাৰ আধাৰ চৰিত্ৰ ধৃতৰাষ্ট্ৰ কেৱল চৰ্মচক্ষুৰ দিশতে অন্ধ নহয়। ধৃতৰাষ্ট্ৰ জ্ঞানান্ধ আৰু মোহান্ধ। ৰাৱণ পৰস্ত্ৰী হৰণকাৰী খল চৰিত্ৰ আৰু ৰত্নাকৰ দস্যু। কিন্তু এই তিনিওটা অসাধু চৰিত্ৰৰ যি বুদ্ধিনিষ্ঠ বিশ্লেষণ সেই বিশ্লেষণত নৱকান্ত বৰুৱাৰ ইতিহাস চেতনাই পৰম্পৰাৰ বৃত্ত ভাঙি চিন্তা আৰু দৃষ্টিভংগীৰ আচহুৱা দিগন্ত এখন উন্মোচন কৰিলে। সম্ৰাট কবিতাৰ বিষয়ে নলিনীধৰ ভট্টাচাৰ্যই কৈছে —

> জিজ্ঞাসাৰ পৰাই 'সম্ৰাট' কাব্যৰ জন্ম। ঐতিহ্য চেতনাৰ সহায়ত অতীত আৰু বৰ্তমানৰ সূক্ষ্ম পাৰ্থক্য দেখুওৱা আৰু বৰ্তমানৰ সন্মুখত অতীতৰ এটি নতুন অৰ্থ কৰা এলিয়টী দৃষ্টিত বৈপ্লৱিক বুলি ক'ব পাৰি। সম্ৰাট কবিতাৰ মূলত এনে এটা দৃষ্টি আছে যদিও এলিয়টী ৰূপায়ণৰ ইকাৰ চাপিব পৰা নাই আৰু সি সম্ভৱো নহয়। কবিৰ কাল-চেতনাই অতীত-চেতনাৰ উৎস সেই কথা সম্ৰাট কাব্যত পৰিস্ফুট হৈছে।[৬০]

৬০ নলিনীধৰ ভট্টাচাৰ্য কবিতা আৰু নেপথ্য পৃঃ ৭১

নৱকান্ত বৰুৱাৰ দীঘল কবিতা তিনিটাত অতীতৰ তথাকথিত ঐতিহ্যৰ সন্ধান কৰা নাই। বৰং বৰ্তমানৰ দৰেই অতীতো যে সংঘাতময় আৰু সুন্দৰ-অসুন্দৰ মঙ্গলময়তা আৰু অমঙ্গলময়তাৰে ভৰা এই সত্যটো আবিষ্কাৰ কৰি দেখুওৱা হৈছে। নৱকান্ত বৰুৱাৰ কবিতাৰ ইতিহাস চেতনাই এনে দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ মূলত কবিগৰাকীৰ অন্তৰত গভীৰ সাঁচ বহোওৱা অবক্ষয় চেতনা বুলি ক'ব লাগিব আৰু এনে অবক্ষয় চেতনাৰ গভীৰতাৰ বাবেই নৱকান্ত বৰুৱাৰ কবিতাত ইতিহাস চেতনা ধূসৰ হৈ ৰ'ল।

নৱকান্ত বৰুৱাৰ কবিতাত অবক্ষয় চেতনাজনিত যি ধৰণৰ ইতিহাস চেতনা গঢ় লৈ উঠিল ইয়াৰ ভিত্তি কবি গৰাকীৰ অন্তৰব্যাপ্ত মানৱতাবাদ। নৱকান্ত বৰুৱা মানৱদৰদী কবি। স''কালৰ কুটিলতাই সৃষ্টি কৰা অবক্ষয়ত মানৱতাৰ যি ধৰণৰ অপমান হোৱা তেওঁ অনুভৱ কৰিছে, সেই অনুভৱত তেও মৰ্মাহত হৈছে। এনে হোৱাৰ মূলত তেওঁৰ অন্তৰ ভৰি থকা মানৱীয় বোধ। এই বিষয়ত ইমদাদ উল্লাহে কৈছে —

> তেখেত একান্তভাৱেই মাটিৰ পৃথিৱীৰ আৰু মাটিৰ মানুহৰ কবি। এই পৰিচিত পৃথিৱীখনক আৰু ইয়াৰ মানুহবিলাকক তেখেতে গভীৰভাৱে ভাল পায়। নৱ বৰুৱা এজন Humanist নৱ বৰুৱাৰ মানৱতাবাদত ৰবীন্দ্ৰনাথ ঠাকুৰৰ চিন্তাধাৰাৰ পৰোক্ষ প্ৰভাৱ হয়তো পৰিছে। কিন্তু ৰবীন্দ্ৰনাথৰ চিন্তাধাৰাত ভাৰতীয় আধ্যাত্মিকতাৰ যি প্ৰভাৱ নৱ বৰুৱাৰ কবিতাত তাক বিচাৰি পোৱা টান।[৬১]

ইমদাদ উল্লাহে নৱকান্ত বৰুৱাক মানৱতাবাদী কবি বোলা কথাষাৰ নিঃসন্দেহে মানি ল'ব লাগিব। ৰবীন্দ্ৰনাথৰ ভাৰতীয় আধ্যাত্মিকতাৰ প্ৰভাৱ নৱকান্ত বৰুৱাৰ কবিতাত বিচাৰি পোৱা টান বুলি কোৱা কথাষাৰৰ প্ৰসঙ্গত কিন্তু কিছু ক'ব লগা আছে। নৱকান্ত বৰুৱাৰ কবিতাত ৰবীন্দ্ৰনাথৰ আধ্যাত্মিক চেতনাৰ প্ৰভাৱ নাথাকিব পাৰে কিন্তু নৱকান্ত বৰুৱাৰ মন আৰু মানসিকতা চিন্তা আৰু চেতনা গঢ় লৈ উঠিছে অন্যান্য আধুনিক চিন্তাৰ লগতে আধ্যাত্মিক চেতনাৰ আধাৰতো। আধ্যাত্মিকতা মানে ধৰ্মবিশ্বাস আৰু ঈশ্বৰ বিশ্বাস নহয়। ধৰ্ম আৰু ঈশ্বৰত বিশ্বাস নাথাকিলেও আধ্যত্মিক চেতনা গঢ় লৈ উঠিব পাৰে। বেদ উপনিষদ গীতা ৰামায়ণ মহাভাৰত অধ্যয়ন কৰা নৱকান্ত বৰুৱাৰ মনত মানৱতাআধাৰিত আধ্যাত্মিক চেতনা গঢ লৈ উঠিছে আৰু এনে কাৰণতে দেশৰ শাসক আৰু শোষকৰ হৃদয়হীন শোষণত মানৱাত্মাৰ অপমান হোৱা বুলি তেও অনুভৱ কৰিছে। সেইবাবে নৱকান্ত বৰুৱাৰ কবিতাত অবক্ষয় চেতনা ইতিহাস চেতনা আৰু মানৱতাবাাদ — এই তিনিওটা একাকাৰ হৈ পৰিছে।

---

৬১ ইমদাদ উল্লাহ : পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯১

(পাঁচ)

## অন্তর্মুখিন বিষাদবোধ

বিষাদবোধ আধুনিক যান্ত্রিক জীৱনৰ সহচৰ আৰু এই বিষাদবোধে আধুনিক যুগৰ মানুহক ইমানেই যন্ত্রণাজর্জৰ কৰি তুলিছে যে আধুনিক জীৱন মানেই যেন বিষাদঘন জীৱন — এনে ধাৰণা হয়। কবিতাই হওক বা যিয়ে নহওক আধুনিক সাহিত্য বিষাদবোধেৰে সেমেকা। এই ক্ষেত্রত আধুনিক কবিতা বহুত বেচি বিষাদবোধেৰে আর্দ্র।

আধুনিক জীৱনৰ বিষাদগ্রস্ততাৰ উৎস মানৱীয় মূল্যবোধৰ অৱক্ষয়। সভ্যতাই যুগে যুগে মানুহক পশুত্বৰ পৰা নিলগলৈ আঁতৰাই আনি মনুষ্যত্বৰ বিকাশ সাধন কৰি আহিছে। কিন্তু আধুনিক যান্ত্রিক সভ্যতাত সমাজৰ বুজন অংশ মানুহৰ মনৰ পৰা মনুষ্যত্ব নোহোৱা হৈ আহিছে আৰু কৌশলগতভাৱে পশুত্ব জাঙুৰ খাই উঠিছে। তদুপৰি আধুনিক বস্তুবাদী সভ্যতাৰ যিমান দ্রুত বিকাশ হৈছে, মানুহ সিমান যান্ত্রিক হ'বলৈ ধৰিছে। সন্দেহ নাই যে এনে নিম্নগামী মন মানসিকতা আৰু চিন্তাই মনুষ্যত্বৰ অৱক্ষয় প্রশস্ত কৰি তুলিছে। এনে অৱক্ষয়ৰ ভয়াবহ ৰূপ দেখি সমাজ সচেতন কবি নৱকান্ত বৰুৱাৰ অন্তৰ বিষাদবোধেৰে ভাৰাক্রান্ত হৈ পৰা দেখা যায়।

নৱকান্ত বৰুৱাই অন্তর্লীন দৃষ্টিৰে মানুহৰ জীৱনৰ গভীৰতৰ সত্য আৰু সূক্ষ্মতম অনুভূতিৰ সন্ধান কৰিছে বাবে শোষণ পীড়নত যন্ত্রণাকাতৰ মানুহৰ মনৰ খবৰ পাইছে। এনে কাৰণতে নৱকান্ত বৰুৱাৰ কবিতাত গভীৰ বিষাদবোধৰ ভাব এটাই তেওঁৰ কবিতাক আর্দ্র কৰি ৰাখিছে। অসমীয়া কবিতাত বিষাদবোধ আৰু নৱকান্ত বৰুৱাৰ কবিতাত বিষাদৰ সুৰ সম্পর্কে নলিনীধৰ ভট্টাচার্যই কৈছে —

> অসমীয়া কবিতাত জুইৰ ফিৰিঙতি কম চকু পানীৰ আমেজ আৰু আয়োজন বেছি। তাহানি ব'ৰাগী কবিয়ে গালে — 'আলো মাই, কি কহব দুখ। পৰাণ নিগৰা সেই অশ্রু সজল দৃষ্টি। তেতিয়াৰে পৰা ইয়াত অমৃত মথোঁতে বিহ উপজিল ফুল শয্যা আৰু মৃত্যু শয্যা একাকাৰ হ'ল। তাৰ পিছত শুনিলোঁ আধুনিকতাৰ খবৰ। এই আধুনিক পটভূমিত জন্ম হ'ল ফোপোলা মানুহৰ সিজু কাঁইটৰ দেশ। জন্ম হ'ল মৰুভূমি বালিদাঁহী সাপৰ কিলবিল নৃত্য। এতিয়া সাউদৰ সোণৰ পিয়াহো কবিয়ে চিনি পালে চিনি পালে যুদ্ধ উন্মাদৰ পদক্ষেপ। কিন্তু তেও পথ নেদেখিলে। তেওঁৰ প্রহৰী আত্মা ক্রুচবিদ্ধ হ'ল। তেওঁ অকলে অশ্রুপাত কৰিলে। এই সাধু পুৰণি হৈ যায় সকলোৰে তাকেই শুনে শুনি শুনি বিলাপ কৰে তপত বালিত পৰি কান্দো আজি। আৰু বা কি বিলৈ?
>
> ইতিহাসৰ ঘূৰি থকা চকাটোলৈ কবিয়ে চকু নিদিয়ে। ইফালে

পুজিবাদ সাম্রাজ্যবাদলৈ অতৰ্কিতে ৰূপান্তৰ হয় পশ্চিমৰ মন'পলি কৰ্পৰেচনৰ কৰুণাত গুৰি হৈ যায় মনুষ্যত্ব। ইংৰাজী শিক্ষিত কবি অধ্যাপকৰ চেতনা চূৰ্ণমনুষ্যত্বৰ আধুনিকতাই স্পৰ্শ কৰেহি। এই অভিব্যক্তি যেন ঔপনিৱেশিক। ইয়াত জাতীয় চেতনাৰ তীব্রতা নাই। আছে ব্যক্তিগত অশ্রুপাত। বিপদৰ উৎস সম্বন্ধে কৌতূহল নথকা এখন বেদনা কৰুণ হৃদয়। এইখন হৃদয়ে কেৱল মৰুভূমি চৰ্চা কৰে।[৬২]

নলিনীধৰ ভট্টচাৰ্যই কোৱা কথাষাৰ নৱকান্ত বৰুৱাৰ ক্ষেত্ৰত সম্পূৰ্ণ প্ৰযোজ্য আৰু এই কথাষাৰ নৱকান্ত বৰুৱাৰ কবিতাই প্ৰমাণ কৰে।

কেনেকৈ বিশ্বাস কৰোঁ যে জীৱনটো এপ্ৰিলফুল নহয়
লাইলাক আৰু জিনিয়া
কত লক্ষ বছৰৰ
এই ফুল গ্ৰহণ কৰাৰ যোগ্যতা মোৰ জানো আছে?
(অক্ষমতাৰ অশ্লীল টোপনিত মগ্ন
মোৰ অনুভূতিৰ আঁহবোৰ
টোপনি — গ্লানিৰ টোপনি —)

কল্পনা কল্পনা
এবাৰ দেখা পোৱাৰ বিলাস কৰ
মহান আকাশৰ তলত
(নীলা খুব কৰুণ নীলা)
(ত্ৰিশংকুৰ আত্মজীৱনী মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ গভীৰ অন্তমুৰ্খিন জীৱন জিজ্ঞাসা আছে আৰু এনে কাৰণতে তেওঁ অনুভৱ কৰে গভীৰ বিষাদ আৰু এই বিষাদ কবিৰ বাবে পৃথিৱীৰ সৰ্বত্ৰ বিৰাজমান।

পৃথিৱীৰ প্ৰথম নাৰীয়ে যিটি ফুল খোপাত গুজিলে
সেই ফুল বিহ মেটেকাৰ।
সেইবাবে পৃথিৱীত সৌন্দৰ্যৰ পূজাৰীয়ে মাথোঁ পায়
বিহৰ দংশন
ধ্বংস হয় শান্তি অন্তৰৰ
সেই অশান্তিয়ে জন্ম দিলে পৃথিৱীৰ অশান্ত কবিতা
(প্ৰথমে মোৰ আৰু পৃথিৱীৰ)

---

৬২ নলিনীধৰ ভট্টাচাৰ্য : কবিতা আৰু নেপথ্য পৃঃ ৮১

সৃষ্টিৰ আদিৰ পৰা সৰ্বত্ৰ কেৱল মাথোন বিষাদ। এয়ে কবিৰ ধাৰণা। কেতিয়াবা ভাব হয় বৌদ্ধ দৰ্শনত বিশ্বাসী কবি গৰাকীৰ বিষাদবোধক যেন বৌদ্ধ দৰ্শনৰ দুখেই জীৱনৰ চৰম সত্য বোলা কথাষাৰেও প্ৰভাব পেলাইছে। এই যে সৰ্বত্ৰ কেৱল দুখ এই অনুভৱ নৱকান্ত বৰুৱাৰ বহু কবিতাতে অনুভৱ হয়। কেৱল মাটিৰ মানুহেই দুখৰ ভৰত কোঙা নহয় আকাশৰ স্নিগ্ধ শীতল জোনটোও দুখেৰে নীলচীয়া।

মৰা জোন উঠি আহে কবৰৰ পৰা
মই শুই চাই ৰও মিছৰৰ বালিৰ মাজত
ৰূপালী কোমল বালি
তথাপি চাহাৰা।
মৰা জোন উঠি আহে, আধা জোন
শিং লগা বেঁকা এটি জোন
বৰকাকতীৰ সেই কবিতাৰ জোন
গাত তাৰ কবৰৰ মাটি।
(সন্ধ্যাৰ ৰেপচ'দি মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ কবিতাত দুখবোধে পৃথিৱী চেৰাই গৈ সৌৰ জাগতিক দুখবোধৰ ৰূপ লৈছে। এনে কাৰণতে সৌৰজগতৰ শান্ত স্নিগ্ধ পোহৰ বিলোৱা জোনক মৃত ৰূপত কবৰৰ পৰা উঠি অহা দেখিছে। পৃথিৱীৰ পৰা সৌৰজগতলৈকে বিয়পা নৱকান্ত বৰুৱাৰ কবিতাৰ দুখবোধৰ সম্পৰ্কে ভবেন বৰুৱাই কৈছে —

> নৱকান্ত বৰুৱাৰ কবিতাত আৰম্ভণিৰে পৰা প্ৰধান ৰাগিণী হৈও বাজিছিল এক বিশেষ ক্লীৱতাবোধ আৰু বিষাদৰ সুৰ। অসমীয়া কবিতাত এই বিষাদৰ নতুনত্ব এই কথাতো আছিল যে দুৰৰা-গগৈ দেৱকান্তৰ কবিতাত হোৱাৰ দৰে কোনো মানৱীক কেন্দ্ৰ কৰি এই বিষাদ প্ৰকাশ হোৱা নাছিল — ই কেন্দ্ৰ কৰিছিল বসুন্ধৰাকেই।[৬৩]

সি যি কি নহওক — নৱকান্ত বৰুৱাৰ কবিতাত বিষাদবোধ বিচাৰ কৰোতে দেখা যায় যে মানৱতাক পঙ্গু কৰিব খোজা সমাজৰ বুজন অংশ মানুহৰ নৈতিক অৱক্ষয়ৰ দ্বন্দ্ব আৰু এনে দ্বন্দ্বৰ আলিদোমোজাত কবিয়ে দিশবিদিশ হেৰুৱাই পেলাইছে। এনে দিক্‌ভ্ৰান্ত অৱস্থাত কবিয়ে ক'তো আস্থা স্থাপন কৰিব পৰা নাই। ঈশ্বৰবিশ্বাসী সকলে ঈশ্বৰৰ ওচৰত আস্থা স্থাপন কৰি সকলো সমস্যাৰ সমাধান ঈশ্বৰৰ ওচৰত অৰ্পণ কৰি শান্তি লাভ কৰে। নৱকান্ত বৰুৱাই ঈশ্বৰকো বিশ্বাস নকৰে। যি মানুহৰ প্ৰতি প্ৰেমেৰে তেওঁৰ অন্তৰ পৰিপূৰ্ণ সেই মানুহৰো যান্ত্ৰিকতা আৰু হৃদয়হীনতা দেখি মৰ্মাহত। যি পৃথিৱী-প্ৰেমত তেওঁ ব্যাকুল

৬৩ ভবেন বৰুৱা ঃ অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব পৃঃ ৯৮

সেই পৃথিৱীৰ ওপৰতো ক্ৰমশ বিশ্বাস হেৰাই গৈছে, পৃথিৱী কিয় সৌৰ জগতৰ নিৰ্মল জ্যোতিৰ জোনটোও মৃতদেহ হৈ কবৰৰ পৰা উঠি অহা অনুভৱ কৰিছে। তেনে সৰ্বত্ৰ আস্থাহীনতাত তেওঁ অনুভৱ কৰিছে নিঃসঙ্গতা আৰু নিঃসঙ্গ চেতনাৰ বাবেই তেওঁৰ অন্তৰত উমি উমি জ্বলা তুঁহ জুইৰ পৰা ওলোৱা ধোঁৱাৰ দৰে বিষাদ বেদনা নিগৰি নিগৰি ওলাইছে। প্ৰশ্ন হয় — এই বিষাদ ৰোমাণ্টিক উচ্ছ্বাস নে আধুনিক বিষাদ? ক'বই লাগিব — এই বিষাদবোধ আধুনিক যন্ত্ৰজীৱী সমাজৰ দান আৰু এনে কাৰণতে নৱকান্ত বৰুৱাৰ কবিতাৰ বিষাদ আধুনিক ব্যক্তিকেন্দ্ৰী ভোগবাদী আৰু যান্ত্ৰিক জীৱনে সৃষ্টি কৰা আত্মপীড়া মাথোন।

(ছয়)

## দ্বিধাগ্ৰস্ততাজনিত দ্বন্দ্ব

নৱকান্ত বৰুৱা জন্মই হৈছে বিভিন্ন দিশৰ দ্বন্দ্বৰে জৰ্জৰিত সময়ত। মন কৰিবলগীয়া যে নৱকান্ত বৰুৱাই কলিকতা হেন মহনগৰীত উচ্চ শিক্ষা লোৱাৰ সময়ৰ পৰা চাকৰি সূত্ৰে তেওঁ গুৱাহাটীৰ দৰে নগৰত জীৱন অতিবাহিত কৰে। এই যে যৌৱনৰ পৰা বাৰ্দ্ধক্যলৈকে তেওঁ মহানগৰবাসী হৈ কটালে ইয়াৰ ফলত নগৰীয়া জীৱনৰ কুটিলতাৰ সৈতে তেওঁৰ নিবিড় পৰিচয় ঘটিলে। কবিগৰাকীৰ যদি সমাজ সচেতনতা নাথাকিলেহেঁতেন তেতিয়া তেওঁৰ অন্তৰত বিষাদবোধেও ক্ৰিয়া নকৰিলেহেঁতেন আৰু অন্তৰ্দ্বন্দ্বৰ পীড়াও অনুভৱ নকৰিলেহেঁতেন। কিন্তু প্ৰখৰ সমাজচেতনাৰে যাৰ অন্তৰ পৰিপূৰ্ণ তেনে মানুহৰ মন সমকালৰ কুটিল সমাজৰ ক্ষয়মান অৱস্থাই আক্ৰান্ত নকৰাকৈ নাথাকে।

নৱকান্ত বৰুৱাৰ কবিতাত যি ধৰণৰ দ্বন্দ্ব অনুভৱ হয় সেই দ্বন্দ্ব বাস্তৱ সমাজ আৰু বাস্তৱ পৰিস্থিতিয়ে তেওঁৰ অন্তৰত সৃষ্টি কৰাতকৈ এই দ্বন্দ্ব সৃষ্টি হৈছে কবি গৰাকীৰ চিন্তাৰ বিচ্ছিন্নতা আৰু সিদ্ধান্তৰ অস্থিৰতাৰ পৰাহে। এই বিষয়ত ইমদাদ উল্লাহে অতি তাৎপৰ্যপূৰ্ণ কথা এযাৰ কৈছে এনেদৰে —

> নৱকান্ত বৰুৱাৰ কবিতাত এক চিৰন্তন দ্বন্দ্বৰ প্ৰেষ বৰ্তমান। এই দ্বন্দ্ব বিশ্বাস আৰু অবিশ্বাসৰ যুক্তি সিদ্ধ জ্ঞানৰ আৰু অযুক্তিপ্ৰসূত উপলব্ধিৰ ব্যক্তি-জীৱনৰ নিৰুত্তাপ শান্তিৰ আৰু বৃহত্তৰ মানৱ জীৱনৰ সংঘৰ্ষময় অশান্তিৰ। আনকি তেখেতৰ দীঘল কবিতা দুটাৰ নায়ক — ৰাৱণ আৰু ধৃতৰাষ্ট্ৰও এনে দ্বন্দ্বৰে ক্ষত-বিক্ষত। সামাজিক জীৱনত সকলো ক্ষমতা সকলো জ্ঞানৰ গৰাকী হৈয়ো তেওঁলোক নিঃস্ব অসহায় — কিয়নো ব্যক্তিগত জীৱনত প্ৰেমৰ পৰা বঞ্চিত। কেতিয়াবা এই দ্বন্দ্ব বিক্ষুব্ধ অৱস্থাৰ পৰা মুক্তি পাবলৈ কবিয়ে — 'ইও ঠিক সিও ঠিক এনে এটা মনোভাব ল'বলৈ চেষ্টা কৰিছে।'[৬৪]

---

৬৪ ইমদাদ উল্লাহ : পূৰ্বোক্ত গ্ৰন্থ, পৃ ৯০ ৯১

নৱকান্ত বৰুৱাৰ কবিতাৰ দ্বন্দ্ব যে কবিগৰাকীৰ স্থিৰ সিদ্ধান্তহীন মনৰ সৃষ্টি এইষাৰ কথাৰ সত্যতা প্ৰতিপন্ন হৈছে তলৰ কবিতাটোত।

মই বিশ্বাস কৰোঁ
প্ৰিমিটিভ মানুহৰ ঈশ্বৰ আৰু অৰ্দ্ধ ঈশ্বৰৰ সতে
নিৰীশ্বৰ বিজ্ঞানৰ স্বপ্নত।
বুদ্ধদেৱৰ ত্যাগৰ লগতে
কছাইখানাৰ নিৰ্মম বাস্তৱ
উপনিষদৰ শ্লোকৰ লগতে
হিয়াওৱাথাৰ বন্দনা।
সকলো কবিৰ সকলো কথাৰ সতে
বিশ্বাস কৰোঁ মানুহৰ সতে মানুহৰ
সকলো প্ৰকাৰ সম্বন্ধ।
সকলোকে মই বিশ্বাস কৰোঁ
কল্পনা বুলি বাস্তৱ বুলি সঁচা কথা বুলি
মিছা গান বুলি
প্ৰয়োজন বুলি অপ্ৰয়োজনৰ কোমল বিলাস বুলি
মই বিশ্বাস কৰোঁ
আমাৰ লগত আমি নোহোৱাৰ সতে
আমি নোহোৱাৰ লগতো আমাৰ অস্তিত্ব।

(স্বীকৃতি মোৰ আৰু পৃথিৱীৰ)

যিজন কবিৰ ক'তো সম্পূৰ্ণ বিশ্বাসো নাই আৰু ক'তো সম্পূৰ্ণ অবিশ্বাসো নাই, তেনে ব্যক্তিৰ মন আৰু মানসিকতা দ্বিধাগ্ৰস্ততাৰে আক্ৰান্ত হ'বই। এই ক্ষেত্ৰত হীৰেন গোহাঁয়ে কোৱা কথা এষাৰ তুলি দিয়া সমীচীন হ'ব।

> ব্যক্তিগত আলাপসূত্ৰে এই পাতনি লেখকক কৈছিল যে কোনো পথ কোনো আদৰ্শকে সঁচা বুলি সৰ্বান্তঃকৰণে বিশ্বাস কৰাৰ প্ৰবৃত্তি তেওঁৰ নহয়। তেনেকৈ কোনো এটা পথ বা আদৰ্শক সম্পূৰ্ণ ভ্ৰান্ত বুলি নাকচ কৰাৰ সাহসো হেনো তেওঁৰ নাই। তাৰ লগতে জড়িত আছে তেওঁৰ উদাৰনৈতিক সহনশীলতা।[৬৫]

এইখিনি কথাৰ লগতে নৱকান্ত বৰুৱাৰ আৰু এষাৰ কথা তুলি দিব খুজিছোঁ। নৱকান্ত বৰুৱাই কৈছিল—

---

৬৫ হীৰেন গোহাঁই পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৩৯-২৪০

> কিহত বিশ্বাস কৰিম? কেনেকৈ কৰিম? যুক্তিৰে বিশ্বাস কৰিবলৈ গৈয়ো বাধা পাওঁ বিশ্বাসেৰে বিশ্বাস কৰিবলৈ গলেও যুক্তিয়ে বাধা দিয়ে। জীৱন ধাৰণৰ প্ৰয়োজনত সেয়ে কিছুমান সংস্কাৰৰ লগত adjust কৰি চলিব লগা হয়। আদৰ্শ মানে কষ্ট বিশ্বাস মানে সংশয় — মনৰ এনে দোমোজাত সঁচা যেন লাগে কেতবোৰ স্থূল জৈৱিক প্ৰক্ৰিয়া মাত্ৰ।[৬৬]

এই একে প্ৰসঙ্গতে হোমেন বৰগোহাঞে নৱকান্ত বৰুৱাক কৰা প্ৰশ্নৰ উত্তৰত নৱকান্ত বৰুৱাই কোৱা আন এষাৰ কথা তুলি দিওঁ।

> মোৰ বিশ্বাসৰ সমল ভালেখিনি আহৰিত। কবি হিচাপে সেইবোৰ মই কেতিয়াও চালিজাৰি চোৱা নাই। মই মোৰ পৰস্পৰ বিৰোধী সংঘাতময় বিশ্বাসবোৰ লৈয়েই জীৱনটো পাৰ কৰি দিব খোজোঁ। মই সংস্কাৰমুক্ত হ'ব পৰা নাই সম্ভৱতঃ নোৱাৰিম।[৬৭]

নৱকান্ত বৰুৱাৰ কবিতাত কবি গৰাকীৰ দ্বিধাগ্ৰস্ত মনৰ দ্বন্দ্বৰ বিষয়ে কোৱা কথাখিনিত স্পষ্ট হৈ পৰিল যে সমকালৰ সংঘাতময় অৱস্থাই তেওঁৰ মনত দ্বন্দ্ব সৃষ্টি কৰাতকৈ এই দ্বন্দ্ব কবিৰ বিশ্বাস আৰু অবিশ্বাসৰ দোমোজাত সৃষ্টি হোৱা দ্বিধাগ্ৰস্ত মনহে। হ'ব পাৰে এইটো কিন্তু এনে দ্বিধাগ্ৰস্ত মনৰ দ্বন্দ্বই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনত যে গভীৰতা দান কৰিছে, সেইষাৰ কথাও কিন্তু সঁচা।

(সাত)

## নিঃসঙ্গ চেতনা

ব্যক্তিৰ মন যেতিয়া বিশ্বাস অবিশ্বাস আস্থা আৰু আস্থাহীনতাৰে দ্বিধাগ্ৰস্ত হয় তেতিয়াই অন্তৰ্জগত দ্বন্দ্বমুখৰ হৈ উঠে আৰু মনৰ এনে অৱস্থাই ব্যক্তিৰ মনত নিঃসঙ্গ চেতনাৰ জন্ম দিয়ে। নৱকান্ত বৰুৱাৰ নিঃসঙ্গ চেতনাও এনে কাৰণতে গঢ় লৈ উঠা। এনে নিঃসঙ্গবোধৰ বাবেই জনতাৰ ভিৰৰ মাজতে থাকিও নিৰ্জনতা অনুভৱ কৰি তেওঁ কৈছে —

> সাঁতুৰি আহিলো হেজাৰ লোকৰ ভিৰ
> জনসাগৰত চিৰকাল চিৰ-অকলশৰীয়া আমি
> আমাৰ কাৰণে বালিচৰ আছে
> পাৰৰ সপোন নাই।
>
> (আবেলিৰ আলিবাটৰ গান : মোৰ আৰু পৃথিৱীৰ)

---

৬৬ উল্লিখিত : পৃঃ ২৪১

৬৭ ভবেন বৰুৱা : পূৰ্বোক্ত গ্ৰন্থ পৃঃ ১১৭

নৱকান্ত বৰুৱাৰ এই নিঃসঙ্গ চেতনা তেওঁৰ এক অন্তৰ্লীন অনুভূতি যি অনুভূতিত কবিৰ নিজৰ বাহিৰে আন কাৰো স্থিতি এই পৃথিৱীত স্বীকৃত হোৱা নাই।

নৱকান্ত বৰুৱাৰ কবিতাত আমি কাণ পাতি শুনোঁ এটা নিসঙ্গ আত্মাই নিজৰ লগতে কথা পতা প্ৰাণৰ নিভৃত কোণৰ কথা।[৬৮]

নিঃসঙ্গ চেতনাই কবিৰ মনত গঢ়ি তুলিছে একপ্ৰকাৰ ক্ষুদ্ৰত্ববোধ। কবিৰ এই ক্ষুদ্ৰত্ববোধ কবিৰ আধ্যাত্মিক চেতনাসম্ভূত আৰু এনে আধ্যাত্মিক চেতনাসম্ভূত ক্ষুদ্ৰত্ববোধৰ গভীৰতাৰ বাবেই তেওঁ কৈছে —

এই মুকলিত
চাৰিওফালে অসীমৰ এনে বিশাল ৰূপটি দেখি
অন্তৰখন হৈ পৰে ক্ষীণ আৰু শংকিত
কিমান হীন যেন লাগে নিজক

(কুপ মণ্ডুক **মোৰ আৰু পৃথিৱীৰ**)

একেদৰে জীৱনৰ ক্ষুদ্ৰত্ব উপলব্ধি কৰি পুনৰ কলে —

তুমি যে আছিলা — আমি আছোঁ আজি
জীয়াই আছোঁ
এই পৃথিৱীতে চন্দ্ৰালোকত বেলিৰ জ্যোতিত
মানিমুনি শাক আমিও জীয়াই আছোঁ
আমি আছোঁ আৰু তুমিও আছা
আমাৰ স্থিতিৰ মুকলি মৰ্মমূলত

(বুদ্ধ পূৰ্ণিমা **মোৰ আৰু পৃথিৱীৰ**)

গভীৰ সমাজ চেতনা আৰু মানৱতাবোধ — এই দুই অনুভূতিৰে সমৃদ্ধ মানসিকতা আৰু তাৰ বিপৰীতে সমকালীন সমাজৰ কুটিলতা — এই বিপৰীতধৰ্মী অৱস্থাৰ সন্ধিক্ষণত কবিয়ে অনুভৱ কৰিছে গভীৰ নিঃসঙ্গতা। কিন্তু মন কৰিবলগীয়া যে নৱকান্ত বৰুৱাৰ এই নিঃসঙ্গবোধ বহু পৰিমাণে আধ্যাত্মিক চেতনাসম্ভূত আৰু তেওঁৰ নিঃসঙ্গ চেতনাৰ সৈতে আধ্যাত্মিক ভাবনা সংযুক্ত হোৱা বাবেই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনো গাম্ভীৰ্যপূৰ্ণ হৈ উঠিছে।

(আঠ)

**ঈশ্বৰবোধ**

নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব-জগতখন অধিক গভীৰ আৰু অধিক বৈচিত্ৰ্যপূৰ্ণ

---

৬৮ দিলীপ বৰুৱা পূৰ্বোক্ত গ্ৰন্থ, পৃ ৭২

কৰি তুলিছে কবিৰ ঈশ্বৰ সম্পৰ্কীয় দ্বিধাগ্ৰস্ত মানসিকতাৰ বাবে। ঈশ্বৰৰ স্থিতি সম্পৰ্কে তেওঁৰ কোনো স্থিৰ সিদ্ধান্ত নাই। কিন্তু নৱকান্ত বৰুৱাৰ আধ্যাত্মিক চেতনা স্পষ্ট আৰু গভীৰ। ধৰ্মৰ লৌকিক আচাৰ অনুষ্ঠানত তেওঁৰ বিশ্বাস নাই। যুগ যুগান্তৰে পূজনীয় হৈ অহা ঈশ্বৰৰ প্ৰতিও তেওঁৰ আস্থা নাই। কিন্তু তেওঁৰ অন্তৰত অনুভৱ কৰে গুৰু-গম্ভীৰ আধ্যাত্মিক চেতনা আৰু প্ৰেৰণা। ঈশ্বৰৰ অস্তিত্বৰ ক্ষেত্ৰত তেওঁৰ ধাৰণা নেতিবাচক। সেয়ে কোৱা হৈছে —

ঈশ্বৰ ঈশ্বৰ
ঈথাৰৰ দৰে শূন্য ঈশ্বৰ
মন্দিৰৰ ধূপৰ ধোঁৱাৰ আঁৰত তুমি থাকা
সেইহে তুমি ইমান অস্পষ্ট।
\+ \+ \+ \+ \+
হায় অবোধ মানুহ
আৰু মানুহৰ অবোধ ঈশ্বৰ।
তুমি মাথোন প্ৰিমিটিভ মানুহৰ
অনুৰ্বৰ কল্পনা
এটা জীৱন্ত কুসংস্কাৰ
মানুহৰ বৰ্বৰ দিনৰ এটা দুখ লগা সোঁৱৰণি
অথচ
তুমি নাই বুলিবৰো সাহস আমাৰ নহয়।

(প্ৰাৰ্থনা মোৰ আৰু পৃথিৱীৰ)

দেখা গ'ল যে ঈশ্বৰৰ স্থিতিৰ সম্পৰ্কে তেওঁৰ বিশ্বাস নাই। অথচ ঈশ্বৰ নাই বুলি দৃঢতাৰে ক'বলৈও তেওঁৰ সাহস নাই। কিন্তু যিগৰাকী কবিৰ ঈশ্বৰত বিশ্বাস নাই সেই গৰাকী কবিয়েই নিজকে ঈশ্বৰৰ প্ৰতিযোগী বুলি ভাবিছে আৰু স্বৰ্গৰ সোপান গঢ়ি স্বৰ্গৰ পৰা ঈশ্বৰক নমাই আনিব খুজিছে মৰ্তলৈ।

আত্মাৰ নগ্নতা এই গছ লতা পতংগৰ
শ্লীলতাজ্ঞানেৰে মই নকৰো অশ্লীল
মানুহ নহওঁ মই ঈশ্বৰৰ প্ৰতিযোগী।
স্বৰ্গৰ সোপান গঢ়োঁ স্বৰ্গৰ কামনা মোৰ নাই।
স্বৰ্গৰ সোপান গঢ়ি ঈশ্বৰক আনিম নমাই।

(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

ঈশ্বৰক স্বৰ্গৰ পৰা নমাই অনাৰ যি আকাংক্ষা কবিয়ে পোষণ কৰিছে; সেই

আকাংক্ষাতে কবিৰ ঈশ্বৰ বিশ্বাসৰ বীজ নিহিত হৈ আছে। সেইদৰে কোৱা হৈছে —

শিলোৱা ভাষাৰে কলে এদিন ফচিলে
ঈশ্বৰে নিজৰো বহু ব্যৰ্থতাৰ বাবে
মানুহক চকুলো টোকালে।
(যাদু ঘৰত মোৰ আৰু পৃথিৱীৰ)

ঈশ্বৰৰ ব্যৰ্থতাৰ বাবেই হওক বা যি কাৰণতে নহওক — ঈশ্বৰে মানুহক চকুলো টোকালে বুলি কোৱা কথাষাৰতো ঈশ্বৰৰ স্থিতি মানি লোৱা হ'ল।

ঈশ্বৰৰ স্থিতি স্বীকাৰ কৰি পুনৰ ক'লে —

মানুহ পোক মানুহ পোক
আৰুনো লাগে কিমান তোক
ঈশ্বৰৰ ব্যৰ্থতাৰ তয়েই হবি সাক্ষী
(মানুহ পোক মোৰ আৰু পৃথিৱীৰ)

বিশ্বাস অবিশ্বাসেৰে দ্বিধাগ্ৰস্ত কবি নৱকান্ত বৰুৱাই বাৰে বাৰে ঈশ্বৰৰ স্থিতি স্বীকাৰ কৰি কৈছে —

এপাত কাড়েৰে ঈশ্বৰজন মৰিব বুলি
মই ভবা নাছিলো
জনা নাছিলোঁ তেবেঁই তোমালোকৰ ঈশ্বৰ
(জড় আৰু জৰা মোৰ আৰু পৃথিৱীৰ)

যি জন ঈশ্বৰৰ মৃত্যু হৈছে এপাত কাঁড়ত সেইজন ঈশ্বৰৰ স্থিতি থাকিবই লাগিব। নথকা বস্তু এটা শৰবিদ্ধ হৈ মৰিব কেনেকৈ? কিন্তু একেটা কবিতাতে তেওঁ ক'লে —

মোৰ কাঁড় মোৰ জুৰা নহয় — জীৱন
মোৰ কাঁড় মোৰ ধেমালি নহয় — ধ্যান।

এই দুটা শাৰীত ঈশ্বৰৰ স্থিতি সম্পৰ্কে কবিগৰাকীৰ যি ধৰণৰ বোধ আৰু বুদ্ধি প্ৰকাশ পাইছে, তাতে আধুনিক যুক্তিনিষ্ঠ বৌদ্ধিকতাৰো প্ৰকাশ ঘটিছে। তেওঁ ঈশ্বৰক হত্যা কৰিছে আচলতে কাঁড়েৰে নহয় জীৱনৰ বাস্তৱ অভিজ্ঞতা আৰু ধ্যানময় চিন্তাৰে। ঈশ্বৰৰ স্থিতিৰ বিষয়ে নৱকান্ত বৰুৱাৰ ইয়ে বৌদ্ধিক দৰ্শন।

ঈশ্বৰ বিশ্বাস সম্পৰ্কে নৱকান্ত বৰুৱাৰ যি ধৰণৰ দ্বিধাগ্ৰস্ততা তেওঁৰ প্ৰথমৰ কবিতাবোৰত আছিল বয়সৰ লগে লগে সেই দ্বিধাগ্ৰস্ততা ক্ৰমশঃ ক্ষীণতৰ হৈ আহিবলৈ ধৰিলে। ষাঠি বছৰ বয়সত প্ৰকাশ পোৱা 'ৰত্নাকৰ আৰু অন্যান্য কবিতা আৰু তেষষ্টি বছৰ বয়সত প্ৰকাশ পোৱা 'দলঙত তামীঘৰা কাব্যগ্ৰন্থৰ কবিতাত ঈশ্বৰ সম্পৰ্কীয় চিন্তা আৰু

দৃষ্টিভঙ্গী পৰিবৰ্তন হ'ল। ষাঠিৰ উৰ্দ্ধ কালৰ কবিতাত ঈশ্বৰ সম্পৰ্কীয় ধাৰণা হৈ পৰিল সম্পূৰ্ণ বৌদ্ধিক চিন্তাপ্ৰসূত। পূৰ্বৰ দ্বিধাগ্ৰস্ত ঈশ্বৰ চিন্তাৰ পৰা মুক্ত হৈ আধুনিক যুক্তিবাদৰ আধাৰত ঈশ্বৰৰ স্বৰূপ ব্যাখ্যা কৰি ক'লে —

শূন্যতা বিয়পি পৰিব অবয়বৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
মৈথুন শ্ৰমৰ বাস্পায়িত ঘামৰ দৰে —
পুৰুষ আকাশে পৃথিৱীক দিব শস্য
পুৰুষ পৃথিৱীয়ে আকাশক দিব ঈশ্বৰ

(ৰত্নাকৰৰ দুঃস্বপ্ন মহাকাব্যৰ পাণ্ডুলিপি)

নৱকান্ত বৰুৱাৰ ভাৰতীয় বেদ আৰু উপনিষদ দৰ্শনৰ বিষয়ে গভীৰ জ্ঞান আছিল বাবেই আকাশ আৰু পৃথিৱীক সৃষ্টি ৰহস্যৰ উৎসৰূপে দেখুৱাইছে। ঋক্‌বেদত দৌ অৰ্থাৎ আকাশক পিতৃ আৰু পৃথিৱীক মাতৃৰূপে দেখুৱাইছে আৰু আকাশৰূপী পিতৃ আৰু পৃথিৱীৰূপী মাতৃৰ মিলনৰ পৰিণতিত জগত সৃষ্টি হোৱা বুলি কৈছে। এনে বৈদিক ধাৰণাৰ আধাৰতে ঈশ্বৰক শস্যৰ লগত তুলনা কৰি ক'লে —

শস্যও সত্য হ'ব ঈশ্বৰৰ দৰে
শস্যৰ দৰেই ভোগ্য হ'ব ঈশ্বৰ।

(ৰত্নাকৰৰ দুঃস্বপ্ন ঃ মহাকাব্যৰ পাণ্ডুলিপি)

দেখা গ'ল যে প্ৰশ্ন উপনিষদ'ত 'অন্নং বৈ প্ৰজাপতিঃ'[৬৯] অৰ্থাৎ অন্নই প্ৰজাপতি 'ছান্দোগ্য উপনিষদ'ত 'অন্নম্ বাব বলা ভূয়'[৭০] অৰ্থাৎ বলতকৈ অন্ন শ্ৰেষ্ঠ 'মুণ্ডক উপনিষদ'ত 'তপসা চীয়তে ব্ৰহ্ম ততো অন্ন অভিজায়তে'[৭১] অৰ্থাৎ তপস্যাৰ পৰা ব্ৰহ্মাৰ উৎপত্তি আৰু তাৰ পৰা অৰ্থাৎ ব্ৰহ্মাৰ পৰা অন্নৰ সৃষ্টি হয় বুলি কোৱা হৈছে।

উপনিষদৰ বক্তব্যৰ পৰা দেখা গ'ল যে অন্নই প্ৰজাপতি অন্নই শ্ৰেষ্ঠ আৰু ব্ৰহ্মাৰ পৰাই অন্নৰ সৃষ্টি যেতিয়া অন্ন আৰু ব্ৰহ্মা একেই। নৱকান্ত বৰুৱাৰ 'ৰত্নাকৰৰ দুঃস্বপ্ন কবিতাতো কোৱা হৈছে যে শস্যও (অৰ্থাৎ অন্নও) ঈশ্বৰৰ দৰেই সত্য। ঈশ্বৰ উপাস্য নহয় বৰং শস্যৰ দৰে (অন্নৰ দৰেই) উপভোগ্য।

নৱকান্ত বৰুৱাৰ 'ৰত্নাকৰ আৰু অন্যান্য কবিতা কাব্য সংকলনত ঈশ্বৰবোধে যি দাৰ্শনিকতাসুলভ গাম্ভীৰ্য লাভ কৰিছে, একেবাৰে শেহতীয়া কাব্যগ্ৰন্থ 'দলঙত তামীঘৰা'ৰ কবিতাত ঈশ্বৰবোধ বাস্তৱ জীৱন আৰু বাস্তৱ জগত আধাৰিত বোধ বুদ্ধি আৰু যুক্তিনিষ্ঠ হৈ পৰিছে। শ্ৰীকৃষ্ণৰ আত্মকথনৰ ছলেৰে ঈশ্বৰৰ ধাৰণা দি কোৱা হৈছে—

---

৬৯ প্ৰশ্নোপনিষদ ঃ প্ৰথম প্ৰশ্ন — ১৪
৭০ ছান্দোগ্য উপনিষদ নৱম খণ্ড — ৫৩৭
৭১ মুণ্ডক উপনিষদ ঃ ১ ১ ৮

মোৰ জীৱনৰ দাম মই দি আছিলোঁ
প্ৰেমেৰে বুদ্ধিৰে সততাৰে শঠতাৰে
বিনিময়ত পালো ঈশ্বৰত্ব।
(শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ দলঙত তামীঘৰা)

দেখা গ'ল যে নৱকান্ত বৰুৱাৰ মতে ঈশ্বৰ বুলি একো নাই। প্ৰেম বুদ্ধি আৰু সততাৰে জীৱনক মহৎ কৰিব পাৰিলে মানুহেই ঈশ্বৰ হ'ব পাৰে। শ্ৰীকৃষ্ণ ঈশ্বৰ ৰূপে গণ্য হ'ল এনেবোৰ মানবীয় মহৎ গুণৰ বাবেই।

ঈশ্বৰ-ধাৰণা সম্পৰ্কে নৱকান্ত বৰুৱাৰ দৃষ্টিভঙ্গী ষাঠিৰ উৰ্দ্ধত স্পষ্ট আৰু স্বচ্ছ হৈ উঠিছে যদিও চল্লিছৰ দশকতে ঈশ্বৰৰ প্ৰতি তেওঁৰ নেতিবাচক দৃষ্টিভঙ্গী গঢ় লৈ উঠিছিল। কিন্তু সেই নেতিবাচক দৃষ্টিভঙ্গী আছিল বিশ্বাস অবিশ্বাসৰ দোমোজাত ধুঁৱলী কুঁৱলি। চল্লিছৰ দশকৰ ৰচনা 'চাৰ্বাক কবিতাত ঈশ্বৰৰ প্ৰতি ভ্ৰূকুটি কৰি তেওঁ কৈছে —

হঠাৎ তোমাক আজি মনত পৰিল তৰুণ চাৰ্বাক।
তুমি মোৰ আত্মাৰ আৰাম।
কিমান যুগৰে তুমি আধুনিক কবি — চিৰ আধুনিক।
ঈশ্বৰক ঢাকি থ'ই
সংহিতাৰ অনুস্বৰ বিসৰ্গৰ স্তুপৰ মাজত
তুমি বন্ধু আহিলা ওলাই
স্বাধীন মানুহ হৈ মুকলি বাটেৰে

মাথোঁ পথ পথেই মাথোম সঁচা এই পৃথিৱীত।
ঈশ্বৰত বিশ্বাসৰ আফিঙেৰে মিহলি অমৃত
তুমি নকৰিলা পান।
কিয়নো কৰিবা?
হেয় কৰি ধূলিৰ বুকুৰ এই স্নেহময়ী পৃথিৱী-প্ৰিয়াক
(চাৰ্বাক ঃ মোৰ আৰু পৃথিৱীৰ)

চল্লিছৰ দশকত ৰচনা কৰা চাৰ্বাক কবিতাত নৱকান্ত বৰুৱাই নিৰীশ্বৰবাদী চাৰ্বাকৰ ঈশ্বৰমুক্ত চিন্তত আত্মাৰ আৰাম অনুভৱ কৰিছিল আৰু ঈশ্বৰ বিশ্বাস মানেই আফিঙৰ ভ্ৰান্ত নিচা বুলি ভাবিছিল। কিন্তু চল্লিছৰ পাছৰ বহু কবিতাত সময়ে সময়ে ঈশ্বৰৰ প্ৰতি কেতিয়াবা বিশ্বাস স্থাপন কৰিছে আৰু কেতিয়াবা বিশ্বাস হেৰুৱাইছে। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাত দৃষ্টিভঙ্গীৰ এনে অস্পষ্টতা আৰু সিদ্ধান্তৰ অস্থিৰতা বহু কবিৰ কবিতাত দেখা যায়। সৰাচলতে প্ৰগতিবাদী চিন্তাৰ নামত সেয়া আছিল বৌদ্ধিক বিলাস। এনে বৌদ্ধিক বিলাসৰ পৰা নৱকান্ত বৰুৱাও মুক্ত নাছিল। কিন্তু তেওঁৰ বয়স ষাঠিৰ সীমা অতিক্ৰম কৰাৰ পাছৰ পৰা ঈশ্বৰ

সম্পৰ্কীয় চিন্তাত তেওঁ বৌদ্ধিক বিলাসৰ পৰা আঁতৰি আহিল আৰু ঈশ্বৰ সম্পৰ্কে বুদ্ধিনিষ্ঠ বিশ্লেষণেৰে যুক্তিসিদ্ধ সিদ্ধান্তত উপনীত হোৱা দেখা গ'ল। এনে পৰিবৰ্তিত নতুন চিন্তা আৰু দৃষ্টিভঙ্গীয়ে নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনক অধিক গাম্ভীৰ্য দান কৰিলে। উল্লেখযোগ্য যে নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতক গাম্ভীৰ্য দান কৰা ঈশ্বৰ সম্পৰ্কীয় চিন্তা বৈচিত্ৰ্যময় হৈ উঠিল বৌদ্ধ দৰ্শনৰ সংমিশ্ৰণত। নৱকান্ত বৰুৱাই বৌদ্ধ ধৰ্ম বুলি নহয় বৌদ্ধ দৰ্শনৰ দুখবাদ শূন্যতাবাদ আৰু মৃত্যু চেতনাৰ প্ৰতি আকৃষ্ট হৈছিল। কিন্তু সিয়ে হলেও অবিকৃত ৰূপত তেওঁ যে বৌদ্ধ দৰ্শনক বিশ্বাস বা গ্ৰহণ কৰিছিল সেইটোও নহয়। বুদ্ধদেৱৰ নিৰীশ্বৰবাদত বিশ্বাসী নৱকান্ত বৰুৱাই বুদ্ধদেৱৰ নিৰ্বাণ তত্ত্বকো কিন্তু নিৰ্বিবাদে গ্ৰহণ কৰিব পৰা নাই। সেয়ে তেওঁ ক'লে —

মহানিৰ্বাণ নিৰ্বাণ এই জোনৰ পোহৰ
জোনৰ মৰা আৰ্চীৰ পৰা উফৰি অহা বেলিৰ পোহৰ
(অতি বেঙুনীয়া ৰশ্মি?)
সিও কি
মহাজীৱনৰ জ্যোতি?
\+ \+ \+ \+ \+
এই যে পৃথিৱী মাটি শিল জুই
এয়েই আমাৰ নিৰ্বাণ মহানিৰ্বাণ।
বুকচেল্‌ফৰ ওপৰত বহি বুদ্ধ পুতলা
তুমি দুখ নকৰিবা।
(বুদ্ধ পূৰ্ণিমা মোৰ আৰু পৃথিৱীৰ)

এই কবিতাংশতে স্পষ্ট হৈ উঠিছে যে নৱকান্ত বৰুৱাই বৌদ্ধ দৰ্শনবো সকলোবোৰ মত নিৰ্বিবাদে মানি লোৱা নাই। নৱকান্ত বৰুৱাৰ মতে মাটিৰ পৃথিৱীখনেই নিৰ্বাণ মহানিৰ্বাণ। অৰ্থাৎ আত্মাৰ উৰ্দ্ধত পৰমাত্মা বাস্তৱৰ ধূলিৰ পৃথিৱীৰ উৰ্দ্ধত কোনোবা মহানিৰ্বাণে দিয়া অদৃশ্য স্থানত নৱকান্ত বৰুৱাৰ বিশ্বাস নাই। এনে দৃষ্টিভঙ্গীৰেই বুকচেল্‌ফৰ ওপৰত বহি থকা বুদ্ধ পুতলাক দুখ নকৰিবলৈ কৈ পৰোক্ষভাৱে বুদ্ধদেৱৰ মহানিৰ্বাণ তত্ত্বক অস্বীকাৰ কৰিছে। মুঠতে ঈশ্বৰ বিশ্বাসক নৱকান্ত বৰুৱাই যুক্তিনিষ্ঠ বিচাৰ বিশ্লেষণ কৰিছে আৰু এনে বৈশিষ্ট্যই দৰাচলতে নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনক বুদ্ধিনিষ্ঠ গভীৰতা দান কৰিছে।

(ন)

## মৃত্যু চেতনা

ঈশ্বৰ সম্পৰ্কে নৱকান্ত বৰুৱাৰ আস্তিক আৰু নাস্তিক দৃষ্টিভঙ্গী থকাৰ দৰেই মৃত্যু

সম্পৰ্কে তেওঁৰ ধাৰণাও ধৰ্ম-দৰ্শন আৰু আধুনিক দৃষ্টিভঙ্গীৰ সৈতে সম্পৰ্কিত। চল্লিশৰ দশকৰ কবিতাখিনিয়েই নৱকান্ত বৰুৱাৰ প্ৰথম পৰ্বৰ কবিতা আৰু এই চল্লিশৰ দশকৰ কবিতাতে নৱকান্ত বৰুৱাৰ মৃত্যু চেতনাই দাৰ্শনিকতাসুলভ গাম্ভীৰ্য লাভ কৰা দেখা যায়। মৃত্যুৰ সৰ্বত্ৰ ভয়াবহতা অনুভৱ কৰি কৈছে —

স্নায়ুয়ে শিৰায় জ্বলে আমাৰ মৃত্যুৰ জ্বালা
সিহঁতৰো মৃত্যুৰ বেদনা
আমাৰ আগেয়ে আৰু আমাৰ পিচতো
পৃথিৱীৰ বাটে যিবোৰ মানুহে
বিচাৰিলে বিচাৰিব অৰ্থ জীৱনৰ

(এন্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

মৃত্যুৰ জ্বালা অনুভৱ চিৰন্তন সত্য আৰু এনে অনুভৱে জীৱনৰ অৰ্থহীনতাকে ঘোষণা কৰে বুলি ভবা কবি গৰাকীৰ বাবে এই পৃথিৱী 'মৃত্যু শীতল ধূলি । পৃথিৱীত জন্ম মানেই মৃত্যু — এই অৱধাৰিত সত্য ৰূপে মৃত্যুৰ অজেয শক্তি স্বীকাৰ কৰি ক'লে—

আৰু কি বিলৈ ?
কিহৰ বিলৈ ?
আমি জানো কি বেদনা
অসংখ্য মৃত্যুৰ সেতু
তাৰ ওপৰেদি
জীৱনৰ সৰীসৃপ আহিছে বগাই

(ক্ৰমশঃ মোৰ আৰু পৃথিৱীৰ)

অসংখ্য মৃত্যুৰ সেতু বগাই অহা মানেই ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদক বিশ্বাস কৰা। ভাৰতীয় জন্মান্তৰবাদৰ আধাৰত নৱকান্ত বৰুৱাৰ মৃত্যু চেতনাই অৱশ্যে মৃত্যুক সহজে ল'বলৈও শিক্ষা নিদিয়া নহয়। এনে কাৰণতে প্ৰতিদিনেই মৃত্যু যন্ত্ৰণা অনুভৱ কৰি কৈছে —

অন্তৰৰ জ্যোতিৰ গৌৰৱ মই নকৰোঁ
বাহিৰৰ এন্ধাৰেও মোক ভয় নোখোৱায়
মই জানো
মোৰ দৈনন্দিন মৃত্যু —

(হুইটমেনৰ চকুলো মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ দৃষ্টিত মৃত্যুৰ ভয়াবহতা নাই ক'ত? দৈনন্দিন মৃত্যুৰ জ্বালা অনুভৱ কৰা কবি গৰাকীয়ে মহানগৰত গঢ় লৈ উঠা ন সভ্যতাৰ ভয়াবহতাত মৃত্যুৰ বিভীষিকা অনুভৱ কৰি কৈছে —

নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমনীত কৰোঁ অনুভৱ
কাজিৰঙা ডবকাৰ আৰণ্যক অপস্মাৰ
সৰীসৃপ-ক্রুৰ মৃত্যু সৰ্পিল জীৱন
পলাতক দৈনন্দিন নিয়ন উজ্জ্বল গধূলিৰ
ৰঙা নীলা শেতা মুখ
হেনা মধুমালা আৰু অলকানন্দাৰ
পথ আৰু উপপথ গলি আৰু এভিনিউ
বোবা যন্ত্রণাত অন্ধকাৰ
পিচল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়।
পোহৰ পোহৰ ক'ত
(হে অৰণ্য হে মহাসাগৰ হে অৰণ্য হে মহানগৰ)

সকলো ঠাইতে সকলো সময়তে পিচল মৃত্যুৰ সাপ মানুহৰ ভৰিৰ তলেদি যোৱাৰ দৰে মানুহৰ জীৱনৰ গতিও কেৱল মৰণক লক্ষ্য কৰিয়ে চলে বুলি ভাবি ক'লে —

আমি গৈ আছো হবলা
তাক গম পাবৰ উপায় নাই
প্রমাণ কৰিবৰ আৰু উপায় নাই
আমি গৈ আছোঁ??
গৈয়ে আছোঁ
কেনি
মৰণ
আৰু একো কথা মোৰ মনলৈ নাহে
তাৰ মানে মৰণ
(হৈলিজী মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ কবিতাত মৃত্যু-চেতনাৰ যি সৰ্বব্যাপী স্থিতি সেই স্থিতিৰ বিষয়ে ভবেন বৰুৱাই কৈছে —

> নৱকান্ত বৰুৱাৰ চল্লিছৰ দশকৰ প্রাক্-এলিয়টী পৰ্বৰ বহু কবিতাতে এই বিশেষ বিষয়টো লক্ষ্য কৰিব পাৰি। তেওঁৰ কবিতাৰ কেন্দ্রতে আছিল প্রত্যক্ষভাবেই এই মৃত্যু-চেতনা — প্রবল আৰু নিবিড় মৃত্যু-চেতনা। এনে পৰিব্যাপী মৃত্যু-চেতনায়েই নৱকান্ত বৰুৱাৰ কবিতাক আধুনিক অসমীয়া কবিতাত এটা বিশেষ আৰু ব্যতিক্রমী সুৰ দিছিল।[৭২]

---

৭২ ভবেন বৰুৱা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০০

নৱকান্ত বৰুৱাৰ কবিতাৰ মৃত্যু চেতনা সম্পৰ্কে যিখিনি কথা কোৱা হ'ল — সেইখিনিত ভাৰতীয় জন্মান্তৰবাদ আৰু বুদ্ধদেৱৰ দুখবাদজনিত মৃত্যু চেতনাৰ সুৰ একেটি সুৰত ধ্বনিত হোৱা শুনা যায়। কিন্তু জন্মান্তৰবাদ আৰু বৌদ্ধ দুখবাদজনিত মৃত্যু চেতনাৰ আধাৰত যি ধৰণৰ পৰম্পৰাপ্ৰবাহী দৃষ্টিভঙ্গী গ্ৰহণ কৰা দেখা গৈছে, তাৰ বিপৰীতে আধুনিক যুগৰ যান্ত্ৰিক সভ্যতাই সৃষ্টি কৰা কুটিল পৰিস্থিতিত মানুহে যি ধৰণৰ ভয় সংশয় অবিশ্বাস আৰু অস্থিৰতাত ভুগিব লগা হৈছে, সেই অৱস্থাকো মৃত্যু-যন্ত্ৰণা তুল্য বুলি অনুভৱ কৰা হৈছে। এনে অনুভৱ কৰিয়ে কৈছে —

প্ৰাণ স্বপ্ন মৃত্যু আৰু বঞ্চনাৰ
হে মহানগৰ
দেশ
কাল
আলোকবৰ্ষৰ পথ লক্ষ কোটি নিখৰ্ব নিযুত
\+ \+ \+ \+ \+
অদৃশ্য সংগীত তাৰ
স্থিতি আৰু মৃত্যুৰ ডুৱেট
মৃত্যু তাৰ মৃত্যু মা'থোঁ
স্থিতি তাৰ সমস্যাৰ দ্বিকেন্দ্ৰিক বৃত্তাভাস
(উপলব্ধি হে অৰণ্য হে মহানগৰ)

দেখা গ'ল যে প্ৰাণেৰে মৃত্যু বৰণ কৰা আৰু বাস্তৱ জীৱনত মনুষ্যত্বক উপহাস কৰা মহানগৰীয়া জীৱনৰ স্বপ্ন ভাঙি চুৰমাৰ কৰা অৱস্থাও মৃত্যুৰেই নামান্তৰ। মৃত্যু সম্পৰ্কীয় এনে দৃষ্টিভঙ্গীত ধৰ্ম দৰ্শন প্ৰতিপাদিত মৃত্যু দৰ্শনৰ কোনো সম্পৰ্ক নাই। সমকালৰ জটিলতাত মানুহে ভয় সংশয় অবিশ্বাস আৰু অনিশ্চয়তাৰ দ্বন্দ্বত ভোগা অৱস্থাটোকে৷ মৃত্যু যন্ত্ৰণা ৰূপেই অনুভৱ কৰা হৈছে।

নৱকান্ত বৰুৱাৰ কবিতাৰ মৃত্যু চেতনাই বুদ্ধিনিষ্ঠ চিন্তাস্নাত হৈ গভীৰতাত প্ৰৱেশ কৰিছেগৈ। জন্মান্তৰবাদ আৰু সমকালৰ কুটিলতাজনিত যন্ত্ৰণা — এই দুয়োটাৰ আধাৰত মৃত্যু চেতনা গঢ লৈ উঠাৰ উপৰিও যি কাৰণতে নহওক জীৱনৰ গতিহীনতা বা স্থিতিশীলতাকো এক প্ৰকাৰ মৃত্যু বুলিয়ে অভিহিত কৰিছে। দুখ-কষ্ট শোষণ পীড়ন আৰু মানুহৰ হৃদয়হীনতাৰ বলি হৈ মানুহে যি ধৰণৰ যন্ত্ৰণাকাতৰ জীৱন যাপন কৰিব লগা হৈছে, সেই নিস্পেষিত জীৱন যন্ত্ৰণাই মানুহৰ জীৱন গতিহীনতাৰে স্তব্ধ কৰি তুলিছে আৰু ইও এক প্ৰকাৰ মৃত্যুৱে। এনে আধুনিক দৃষ্টিৰে তেওঁ কৈছে —

অসন্তৰ বসুন্ধৰা। তেজৰ তেলেৰে চলে
জীৱনৰ কল। অবিশ্ৰান্ত যন্ত্ৰণাৰ

অশ্লীল ঘৰ্ঘৰ তাৰ — আমাৰ স্থিতিৰ গান।
স্থিতি মানে অক্ষম মৰণ।
(অসম্ভৱ বসুন্ধৰা মোৰ আৰু পৃথিৱীৰ)

দেহৰ তেজেৰে চলা জীৱন-যন্ত্ৰ জানো চলমান হ'ব পাৰে? নোৱাৰে বাবেই জীৱন স্থিতিশীল হয় আৰু এই স্থিতিশীলতাই মৰণ। গতিহীন জীৱন মানেই মৃত্যু — এই ভাবনাৰে পুনৰ ক'লে —

সময়ৰ যঁতৰৰ বীভৎস স্পন্দনে কাটে
আমাৰ স্থিতিৰ সূতা সৰু সৰু অসংখ্য মৃত্যুৰে।
(অসম্ভৱ বসুন্ধৰা মোৰ আৰু পৃথিৱীৰ)

সমকালৰ বীভৎসতাই জীৱনৰ গতিত যতি পেলায় আৰু এই যতি বা স্থবিৰতাও মৃত্যুৰেই নামান্তৰ। এনে যন্ত্ৰণাময় জীৱন উপলব্ধিৰে কৈছে —

শেতাঁ পৰা আত্মীয়তা।
এয়ে কবিতাৰ দাম। নিৰুপায়। এক মুহূৰ্তৰ
কাব্য। মৰণৰ। মৃত্যুক
অমৰ কৰা জীৱনৰ ভীৰু প্ৰসহন।
(অসম্ভৱ বসুন্ধৰা মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ কবিতাৰ মৃত্যু চেতনা বিচাৰ কৰি দেখা গ'ল যে এওঁৰ কবিতাৰ মৃত্যু চেতনা তিনিটা ধাৰাইদি সমান্তৰালভাৱে প্ৰবাহিত হৈ আছে। প্ৰথম — ভাৰতীয় জন্মান্তৰবাদ আৰু বৌদ্ধ দুখবাদজনিত মৃত্যু চেতনা দ্বিতীয় — সমকালৰ যান্ত্ৰিক সভ্যতাই গঢ়ি তোলা হৃদয়হীনতাজনিত নিষ্ঠুৰতা আৰু তৃতীয় — যি কাৰণতে নহওক — জীৱনৰ গতিহীনতা। এই তিনিটা ধাৰাৰ পাছৰ দুটা বিশেষকৈ শেহৰটো দৃষ্টিভংগীয়ে নৱকান্ত বৰুৱাৰ মৃত্যু চেতনাক বুদ্ধিনিষ্ঠ স্তৰলৈ উত্তৰণ ঘটাইছে আৰু ইয়ে তেওঁৰ কবিতাৰ ভাবনা জগতখনো ঐশ্বৰ্যশালী কৰি তুলিছে।

(দহ)

## প্ৰেম-চেতনা

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম-চেতনা — এই বিষয়ে ক'বলৈ লওঁতেই প্ৰশ্ন হয় — সমকালৰ কুটিল বাস্তৱৰ সন্মুখীন হৈ আত্মদ্বন্দ্বত ভোগা আধুনিক মননশীল কবি গৰাকীৰ কবিতাত প্ৰেম-চেতনাৰ স্থান ক'ত? কিন্তু ক'বই লাগিব যে এনে প্ৰশ্ন অবান্তৰ। কাৰণ মানুহ যিমানেই বাস্তৱবাদী নহওক প্ৰেমানুভূতিৰ স্নিগ্ধ-শীতল স্পৰ্শৰ পৰা কোনো মানুহেই মুক্ত হ'ব নোৱাৰে। প্ৰেম ইন্দ্ৰিয়গ্ৰাহ্য অনাবিল মৌলিক অনুভূতি আৰু এনে কাৰণতে

প্ৰেমানুভূতিয়ে কম বেছি পৰিমাণে সকলো মানুহৰ হৃদয়-তন্ত্ৰীত ঝংকাৰ তোলে। এনেবোৰ কাৰণতে নৱকান্ত বৰুৱা যিমানেই বাস্তৱবাদী মননশীল কবি নহওক লাগিলে তেওঁৰ কবিতাও প্ৰেমৰ সুকোমল আবেশৰ পৰা মুক্ত হ'ব পৰা নাই। অৱশ্যে নৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰেম চেতনা ৰোমাণ্টিক ভাবাবেগপ্ৰৱণতাত উটি ভাহি যোৱা উচ্ছ্বাসসৰ্বস্বও নহয়। এওঁৰ কবিতাত প্ৰেমে আধুনিক চিন্তা আৰু চেতনাৰ স্পৰ্শত বহুমাত্ৰিক ৰূপ লাভ কৰিছে; এইষাৰ কথা কিন্তু সঁচা। তথাপি ৰোমাণ্টিক প্ৰেমৰ স্বপ্নমদিৰ আবেশ এটাৰ পৰা তেওঁৰ কবিতা মুক্ত নহয়।

হয়তো নহয় বন্ধু, সঁচাকৈয়ে আছে, মই জানো
শান্তিৰ অকণি এটি দ্বীপ — য'ত আছে বাট চাই
দেহত বসন্ত সাঁচি তোমাৰ প্ৰেয়সী যি অমৃত
আমাৰ নিশ্বাসে বিহ কৰি তোলা নাই — তাৰ
আস্বাদ দিবৰ বাবে।

(স্বনিমন্ত্ৰণ মোৰ আৰু পৃথিবীৰ)

উদ্ধৃত কবিতাংশত অশান্ত জীৱনত শান্তিৰ অকণি দ্বীপ এটাৰ ইংগিত আছে, যিটো দ্বীপত জীৱনৰ শান্তিৰ অমৃত একোৱে বিষাক্ত কৰিব পৰা নাই। সন্দেহ নাই — সেই শান্তিৰ দ্বীপ অমৃতনিস্বন্দিনী প্ৰেমৰ দ্বীপ। তদুপৰি চিন্তা আৰু দুশ্চিন্তাই ঘোলা কৰা মন মগজু আৰু হৃদয়তে এটা মাজুলী আছে। যিটো মাজুলীত 'প্ৰিয়াৰ কলাফুল মিলি থাকে সৰিয়হ ফুল আৰু কুহুমীয়া ৰ'দালি উমত।

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰেমানুভূতিৰ আলফুল আবেশটো বুদ্ধিদীপ্ততাৰে আবৰি আছে। কিন্তু বুদ্ধিদীপ্ত আবৰণ ভেদি প্ৰেমৰ আবেদন বিৰিঙিও থাকে। যেতিয়া কবিয়ে কয় —

মনত পৰেনে অৰুন্ধতী
দুৰ্বৰি বনত মুকুতাৰ মণি
চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন
(জোৱাৰৰ বাবে সাগৰ নাছিল)
বৰফৰ দৰে চেঁচা পৰশতো
সি যে কি শান্তি
অৰুন্ধতী

(মনত পৰেনে অৰুন্ধতী মোৰ আৰু পৃথিবীৰ)

এইকেইটা কাব্যিক সুষমা সনা শাৰীয়ে পাঠকৰ মনত সুকোমল ৰোমাণ্টিক প্ৰেমৰ স্বপ্নাবেশ এটা গঢ়ি তোলে। পুনৰ কৈছে —

অৰুন্ধতী
বহুতো আকাশ পাৰ হৈ অহা
ধুমুহা পখীৰ এটি লহমাৰ নীড়
বহুতো সপোন পাৰ হৈ অহা
কেঁচা টোপনিৰ ভিৰৰ মাজত
সেই এটা মাথোঁ 'জাগৰ ৰাতি —
মনত পৰেনে অৰুন্ধতী?

উদ্ধৃত কবিতাংশত যি হৃদয় উদ্বেলিত আবেশৰ ৰোমাঞ্চকৰ শিহৰণ অনুভব কৰা যায় ইয়াতকৈ আৰু অধিক ৰোমাণ্টিক প্ৰেমৰ হৃদয়াবেগ কি হ'ব পাৰে? এনে শাৰ ভঙা ৰোমাণ্টিক স্বপ্নাবেশেৰে কৈছে —

প্ৰেম? সি যে উজাগৰ অবাধ আকাশ
অনন্ত অপেক্ষা যাৰ
ঈশ্বৰৰ সপোনৰ বাবে।
(ক্ৰুচত ডন্‌জুৱান মোৰ আৰু পৃথিৱীৰ)

চিৰন্তন মৌলিক অনুভূতি হিচাপে প্ৰেমৰ অজেয় মোহময় শক্তি স্বীকাৰ কৰি কোৱা হৈছে —

তাৰ বাবে লাগে মোক কেৱল এমুঠি প্ৰেম
তাৰ বাবে লাগে মোক তোমাৰ অকণি প্ৰেম
দাবী নাই ভাৰ নাই যাৰ আছে দায়।
এটোপাল চকুপানী প্ৰাণৰ তৃষ্ণাৰ্ত দায়িত্বৰ
লাগে মোক মস্তিকৰ উৰণীয়া স্বপ্নবীজ সঞ্জীবিত
কৰিবৰ বাবে।
(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

প্ৰেম চিৰন্তন মুক্তিপ্ৰয়াসী। কিন্তু চিৰন্তন মুক্তিপ্ৰয়াসী এই প্ৰেম চিৰবন্ধনযুক্ত। প্ৰেমৰ এনে বন্ধন যন্ত্ৰণা তথা অচৰিতাৰ্থ যন্ত্ৰণা অনুভব কৰি কৈছে —

পশু হম কীট হম হম বিদুষক
লাগিলে দেৱতা হম সুচতুৰ ক্লীৱতাৰে
লালসাৰ উৰ্ণালই এখনি চীনাংশু ৰচি
প্ৰেম বুলি তোমাক যাচিম
পশু হম কীট হম কবি হম দেৱতাৰ উৰ্ণনাভ ৰূপ লম
কেৱল নোৱাৰোঁ হ'ব

কেৱল নোৱাৰোঁ মই
নোৱাৰোঁ মানুহ হ'ব
নোৱাৰোঁ মানুহ হৈ প্ৰেমেৰে সজাব যাদুঘৰ।
পশুত্বক নিয়মৰ শিকলি পিন্ধাই
নোৱাৰোঁ কৰিব তাক স্বপ্নৰ ৰখীয়া এটি ঢেকৰা কুকুৰ।

(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

'ৰাৱণ কবিতাত কবি নৱকান্ত বৰুৱাৰ হৃদয় প্ৰোথিত প্ৰেমৰ উদ্‌ভ্ৰান্ত নিৰ্যাস ঘটা দেখা যায়। ৰাৱণ চৰিত্ৰৰ মাজেদি আচলতে কবিৰ প্ৰেম স্বপ্নাতুৰ্ অস্থিৰতাই প্ৰকাশ পাইছে আৰু ৰাৱণৰ চৰিত্ৰৰ যোগেদি কোৱা হৈছে যে ৰাৱণৰ দৰে মানুহ প্ৰজ্ঞা শিল্প আৰু শৌৰ্যৰ অধিকাৰী অথচ মানুহ প্ৰেমৰ ভিক্ষাৰী। মানুহৰ জীৱনত প্ৰেমৰ সৰ্বগ্ৰাহী প্ৰভাৱ আৰু মহত্ব ঘোষণা কৰি কোৱা হৈছে —

মই যে ৰাৱণ মই শিল্প শৌৰ্য সভ্যতাৰো সিপাৰৰ ৰাষ্ট্ৰদূত
মই প্ৰেম ভিক্ষা কৰোঁ
ভিক্ষা মোৰ সৰ্বশ্ৰেষ্ঠ দান।

(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম চেতনা বিচাৰ কৰিলে দেখা যায় যে লক্ষ্মীনাথ বেজবৰুৱাই প্ৰেমত ফুলিছে শতদল প্ৰেমত ঘুৰিছে ভূমণ্ডল বুলি কোৱাৰ দৰে নৱকান্ত বৰুৱায়ো অনুভৱ কৰিছে জীৱনৰ সৰ্বস্বত প্ৰেমৰ অমেয় সম্মোহন। প্ৰেমৰ এনে অজেয় আৰু অমেয় শক্তি স্বীকাৰ কৰি কবি গৰাকীয়ে প্ৰেমৰ সংজ্ঞা দি কৈছে —

প্ৰেম চিৰ বিকল্প বিহীন
প্ৰেমতো নহয় কোনো পাৰ-পত্ৰ গভীৰ নিষ্ঠাৰ
প্ৰেম সি যে সুপৰিপূৰণ সৰ্ব খৰ্বতাৰ
প্ৰেম নোহে অন্ধ মনসিজ মনৰ সি সন্দীপন শিখা।
প্ৰেম নোহে মহীয়ান মহত্ত্বৰ জনক কেৱল।
প্ৰেমৰ কৰিলোঁ পৰিমাপ তুলা যন্ত্ৰ আনি বৈৰাগ্যৰ
প্ৰেম নোহে সমব্যথা প্ৰেম সঞ্জীৱন আৰু
জীৱনৰ পৰিমাপ নাই।
প্ৰেমতো নহয় তৃপ্তি, নোহে যি ত্যাগৰ শুভ্ৰ বৈৰাগ্য বিলাস
প্ৰেমে পৰিপূৰ্ণ কৰে নাই তাৰ সমবেদনাৰ অহমিকা।

(সম্ৰাট মোৰ আৰু পৃথিৱীৰ)

প্ৰেমৰ সৰ্বগ্ৰাহী প্ৰভাৱত মিলনেই প্ৰেমৰ পৰিপূৰ্ণতা আনে আৰু মিলন বিহীন

প্ৰেম আত্মনাশী প্ৰণয় বুলি অনুভৱ কৰি কৈছে —

তাৰ মুক্তি নাই, যদি
নহয় মিলন আজি তোমাৰ প্ৰেমৰ স'তে
আত্মনাশী মোৰ প্ৰণয়ৰ।
তুমিও হেৰাই যাবা — ময়ো যে হেৰাই যাম
কালৰ কীটানুবোৰে খুলি খাই খাই
আমাক কৰিব ইতিহাস

(ৰাৱণ . মোৰ আৰু পৃথিৱীৰ)

প্ৰেমৰ এনে অনিৰ্বচনীয মহিমা স্বীকাৰ কৰিয়ে অতি দৃঢ় উপলব্ধিৰে ক'লে —

মাথোঁ প্ৰেম নাই প্ৰেম যাৰে
সপোন অমৰ হ'ব পাৰে।

(ৰাৱণ মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ দৃষ্টি আৰু দৰ্শন দ্বিধাগ্ৰস্ততাৰে ধূসৰ। এইষাৰ কথা আগতে আলোচনা কৰা ঈশ্বৰবোধৰ প্ৰসঙ্গতো কোৱা হৈছিল। প্ৰেমৰ ক্ষেত্ৰতো নৱকান্ত বৰুৱা দ্বিধামুক্ত হ'ব পৰা নাই। যিজন কবিয়ে জীৱনত অমেয় প্ৰেমৰ সৰ্বময় প্ৰভাৱ অনুভৱ কৰি প্ৰেমেই জীৱনৰ সঞ্জীৱনী বুলি ভাবিছে, সেই গৰাকী কবিয়ে প্ৰেমৰ বিষয়ে বিপৰীত ধাৰণা পোষণ কৰি কৈছে —

মই জানোঁ সেয়ে হ'ব। ইয়াকেই দিয়াঁ মোক।
তাকে দেখুৱাই দিয়াঁ এই মুহূৰ্তত
যেতিয়া বুজিলোঁ মই প্ৰেম নোহে জীৱন যাত্ৰাৰ
এনে কোনো মহত্তম প্ৰয়োজন
যেতিয়া জানিলোঁ মই কৰুণাৰ আত্মম্ভৰিতাই
অশ্ৰুৰ বাস্পেৰে ঢাকে বাৰ্দ্ধক্যৰ
অসাৰ আকাশ।

(সম্ৰাট মোৰ আৰু পৃথিৱীৰ)

প্ৰেমেই জীৱন-সঞ্জৱনী প্ৰেমেই জীৱনৰ সুধা বুলি ভৱা কবিগৰাকীৰ দৃষ্টিত প্ৰেম জীৱনৰ মহত্তম প্ৰয়োজন হৈ ধৰা নিদিলে। প্ৰেমৰ প্ৰতি এনে বিক্ষিপ্ত ধাৰণাৰ বাবেই নৱকান্ত বৰুৱাৰ প্ৰেমানুভূতি প্ৰিয়াৰ প্ৰেমৰ পৰা আঁতৰি আহি পৃথিৱী প্ৰেমত নিমজ্জিত হৈছেগৈ। পৃথিৱীৰ মানুহ পৃথিৱীৰ প্ৰেমত ব্যাকুল হৈ ক'লে —

তুমি মোক ক্ষমা কৰা হে পৃথিৱী
মই যে কৃপণ

তোমাৰ সকলো দান গ্ৰহণ কৰিও
তোমাক যে সঁচাকৈয়ে
ভাল পোৱা নাই,
অকুণ্ঠ স্বীকৃতি মোৰ
মই অকৃতজ্ঞ।
(কৃপণ মোৰ আৰু পৃথিৱীৰ)

মানৱী প্ৰেমত উন্মনা হোৱা কবিয়ে মানৱী প্ৰেমৰ পৰা আঁতৰি আহি পৃথিৱী প্ৰেমত মত্ত হৈ ঘোষণা কৰিলে —

সৌ নীলা আকাশৰ
কোনো এক নেদেখা দেশত
বাট চাই আছে যেন
মোৰ প্ৰিয়া প্ৰিয়া মোৰ প্ৰিয়া
মোৰ ঘৰ
মোৰ ভালপোৱা।
মগ্ন চেতনাই মোক আনি দিলে ছঁয়ামন্না সেউজী ছবি
তোমাৰেই — হে পৃথিৱী।
(কৃপণ মোৰ আৰু পৃথিৱীৰ)

ওপৰৰ কবিতাংশ দুটাত স্পষ্ট হৈ পৰিছে যে কবিগৰাকীৰ প্ৰেমৰ উন্মাদনাই যেন গতি সলাই নতুন মোৰ ল'লে।

> কবিগৰাকীৰ ৰোমাণ্টিক প্ৰেমানুভূতিযে ক্ৰমশঃ পৃথিৱী প্ৰেমলৈ যেন প্ৰসাৰিত হ'ব খুজিছে। 'কৃপণ কবিতাত স্তুপীকৃত হোৱা ৰোমাণ্টিক ভাববস্তু ক্ৰমশ হুইটমেনৰ The earth that is sufficient বোলা ভাববস্তুত মিলি যাবলৈ উপক্ৰম কৰিছে। আচলতে ই কাব্যৰ ঐতিহাসিক বিৱৰ্তন। ৰোমাণ্টিক ভাবানুভূতিক আধুনিক বোলেৰে বোলাই কবিতাক বিৱৰ্তনৰ পথত আগুৱাই অনা কবিতা হিচাপে নৱকান্ত বৰুৱাৰ 'কুপ মণ্ডুক জোনাক নিশাৰ জ্যামিতি তেজীমলা 'বৰযুণ আদি উল্লেখযোগ্য কবিতা।'[৭৩]

মানৱী প্ৰেমতকৈ পৃথিৱী প্ৰেমেই শ্ৰেয় বুলি অনুভৱ কৰি কবিগৰাকীয়ে মুক্তকণ্ঠে ক'লে —

---

৭৩ প্ৰহ্লাদ কুমাৰ বৰুৱা আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য পৃঃ ১৮

হে পৃথিৱী ভালপাওঁ তোমাক সঁচায়ে
— তাৰ বেছি আৰু একো নাই।
সন্দেহৰ বহু মেঘ পাৰ হৈ দুখৰ নিশাত
আজি মই এটি কথা কওঁ
সহজ সৰল সঁচা —
ভাল পাওঁ তোমাক পৃথিৱী।
(স্বগত মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ প্ৰেমৰ অনুভূতিয়ে কবিগৰাকীৰ জীৱনৰ সময়ে সময়ে গতি সলোৱা কথা আগতে কৈ আহিছোঁ আৰু এইষাৰ কথাৰ সত্যতা প্ৰমাণ কৰি উদাহৰণ সহ ইতিমধ্যে বিশ্লেষণ কৰিও দেখুৱালোঁ। প্ৰেমৰ ক্ষেত্ৰতো যে কবি গৰাকীৰ দৃষ্টিভঙ্গী আৰু উপলব্ধি সলনি হৈছে এইষাৰ কথা তেওঁৰ কবিতাই প্ৰমাণ কৰে। যি জন কবিয়ে পৃথিৱী প্ৰেমত উন্মনা হৈ পৃথিৱীৰ সৈতে প্ৰেমময় একাত্মতা গঢ়ি তুলিছিল সেইজন কবিয়ে তেওঁৰ জীৱনৰ শেহৰ ফালৰ ৰচনা 'দলঙৰ তামীঘৰা কাব্য গ্ৰন্থৰ কবিতাত ক'লে —

মই নাহোঁ মই নাহোঁ
এবাৰেই আহি গুচি গ'লোঁ মই
উভতি অহাৰ কথা নাই
মই জানোঁ মই নাহোঁ
মই জানোঁ কোনো নাহে
মাথোন এই পৃথিৱী ভাল পাই গ'লোঁ
এই কথাটোকে কিমানবাৰ যে ক'লোঁ
কিমান ভাবেৰে ক'লো
(উভতি নহাৰ কবিতা দলঙত তামীঘৰা)

উদ্ধৃত কবিতাংশত পৃথিৱী প্ৰেমৰ যি ধৰণৰ সৰ্বগ্ৰাহী ৰূপ অনুভূত হয় সেইদৰে জীৱনৰ আগৰ ফালৰ বহু কবিতাত প্ৰকাশ পোৱা কবিৰ জন্মান্তৰবাদত বিশ্বাস এইটো কবিতাত অস্বীকাৰ কৰা দেখা গ'ল। সেইদৰে প্ৰেমানুভূতিৰ আতিশয্যত কবিগৰাকীয়ে প্ৰেমৰ মাজতে আত্মজিজ্ঞাসাও কৰা দেখা গৈছে। এনে আত্মজিজ্ঞাসাৰে কৈছে —

মাথোঁ লোভ? মাথোঁ তৃষ্ণা? মাথোঁ এয়া
আত্ম-কণ্ডুয়ন?
নিজক বিচাৰোঁ মই তোমাৰ মাজত
সেয়া লোভ সেয়া তৃষ্ণা সেয়া মাথোঁ
আত্ম-কণ্ডুয়ন?
(ৰাৱণ ঃ মহাকাব্যৰ পাণ্ডুলিপি)

সি যি কি নহওক — নৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰেম চেতনা সম্পৰ্কে কৰা আলোচনাত স্পষ্ট হৈ পৰিল যে নৱকান্ত বৰুৱাৰ কবিতাত আধুনিক অসমীয়া পূৰ্ববৰ্তী স্তৰৰ ৰোমাণ্টিক প্ৰেমৰ ধাৰাটো অব্যাহত হৈ ৰ'ল কিন্তু অবিকৃত ৰূপত নহয়। ৰোমাণ্টিক কবিতাৰ প্ৰেমানুভূতিক নৱকান্ত বৰুৱাই বিৱৰ্তিত ৰূপ দান কৰিলে আৰু এই বিৱৰ্তনত নৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰেম মানৱী প্ৰেমৰ পৰা পৃথিৱী প্ৰেমলৈ আৰু পৃথিৱী প্ৰেমৰ পৰা প্ৰেমৰ মাজত আত্মজিজ্ঞাসাৰ স্তৰলৈ উত্তৰণ ঘটোৱা দেখা গ'ল। তদুপৰি নৱকান্ত বৰুৱাই প্ৰেমক আবেগসৰ্বস্বতাৰ পৰা মুক্ত কৰি বুদ্ধিনিষ্ঠ বিশ্লেষণৰ স্তৰলৈয়ো উত্তৰণ ঘটালে। দৰাচলতে এনে ধৰণৰ অন্তৰ্মুখিন বুদ্ধিনিষ্ঠ বিশ্লেষণেৰে সমৃদ্ধ হোৱা বাবেই প্ৰেম চেতনাই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখনক দাৰ্শনিকতাসুলভ গাম্ভীৰ্য দান কৰিলে।

(এঘাৰ)

## শান্তিৰ প্ৰয়াস

সমকালৰ কুটিলতা দেখি বিমৰ্ষ হোৱা কবি নৱকান্ত বৰুৱাই ভিন্নমুখী আত্মদ্বন্দ্বত ভুগিছে আৰু এনে আত্মদ্বন্দ্বত ভুগি কবিগৰাকীয়ে প্ৰেমৰ ৰাগিত আত্মপৰিতৃপ্তি লাভৰ প্ৰয়াস কৰা দেখা গৈছে। কিন্তু সকলো দিশতে দ্বিধাগ্ৰস্ত কবি গৰাকীক প্ৰেমানুভূতিৰ সুকোমল আবেশেও যেন প্ৰশান্তি দিব পৰা নাই। সেয়ে জীৱনৰ প্ৰশান্তি বিচাৰি কেতিয়াবা তেওঁ মাটিৰ পৃথিৱীৰ পৰা আকাশলৈ উৰা মাৰিছে, কেতিয়াবা তেও ভূমি এৰি ভূমাত জীৱনৰ প্ৰশান্তিৰ সন্ধান কৰিছে।

শান্তি প্ৰয়াসী কবি নৱকান্ত বৰুৱাই ভূমিত শান্তি নাপাই আকাশত শান্তিৰ জিলমিল জ্যোতিৰ সন্ধান কৰি কৈছে —

এদিন হেৰাব জোন জোনৰ হাঁহিৰ স'তে
নীল নদী সময়ৰ চুমাত শুকাব
তথাপিতো ৰই যাব
অন্তহীন ক্লান্তিহীন এখনি আকাশ
আমাৰ আকাশ ?

(সন্ধ্যাৰ ৰেপচ'দি মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ প্ৰেমে যিদৰে মৰ্তৰ মানৱীৰ পৰা পৃথিৱী প্ৰেমলৈ প্ৰসাৰিত হৈছে, সেইদৰে তেওঁৰ প্ৰেম পৃথিৱীৰ পৰা উৰ্দ্ধমুখী হৈ আকাশৰ প্ৰতি ধাবমান হৈছে। এনে আকাশ প্ৰীতিৰ তাড়নাৰে কৈছে —

আকাশ তোমাৰ নীলা ৰং মোৰ ব্যথাৰে
আৰু নীলা কৰি কৰুণ কৰাৰ অপৰাধ

ক্ষমা কৰা আজি নিৰাকাশ মোৰ জীৱনত
মোক লই কিয় অৰ্থ গঢ়েছি মহা জীৱনৰ সাথৰে?
মোৰ জীৱনৰ মূল্যৰ বাবে মোৰ আকাশ শূন্য
হে আকাশ মোক আকাশ দিয়াছোঁ অকণি।
(প্ৰাৰ্থনা আকাশৰ প্ৰতি মুকলিত মোৰ আৰু পৃথিৱীৰ)

কবিৰ জীৱনৰ মহামূল্য দিব নোৱৰা আকাশৰ প্ৰতি কবিৰ বিৰাগ নাই। বিক্ষোভো নাই। সেয়ে উদাস আকাশৰ প্ৰতি সকাতৰ প্ৰাৰ্থনা জনাইছে —

আকাশ তোমাৰ সান্ত্বনা মোৰ জীৱনত
কৰোঁ অনুভৱ স্বপ্ননীড় ৰচনাত
ভাগি থাকে মোৰ আকাশ গঢ়াৰ ব্যৱধান।
আকাশ তোমাৰ বহুত মূল্য
মোৰ জীৱনৰ মূল্যৰে মই পৰা নাই দিব দাম
মাথোন স্নায়ুত জাগে তোমালৈ কামনা।
(প্ৰাৰ্থনা আকাশৰ প্ৰতি মুকলিত মোৰ আৰু পৃথিৱীৰ)

উদ্ধৃত কবিতাৰ অংশ দুটাৰ প্ৰথমটোত আকাশৰ প্ৰতি কবিৰ নিৰাশজনক স্থিতি কাৰণ আকাশে তেওঁৰ জীৱনৰ মূল্য নুবুজে। তেওঁৰ প্ৰতি আকাশ নিৰ্বিকাৰ। উদাস। কিন্তু একেটা কবিতাৰে পাছৰ স্তবকত যিটো স্তবক ওপৰত তুলি দিয়া হৈছে, সেই স্তবকটোত কবিয়ে আকাশ প্ৰদত্ত সান্ত্বনা অনুভৱ কৰিছে। আনকি আকাশে দিয়া প্ৰশান্তিৰ মূল্য দিব নোৱাৰি আকাশৰ ওচৰত কবিয়ে যেন ক্ষমা প্ৰাৰ্থনা কৰিছে। দেখা গ'ল যে একেটা কবিতাতে কবিয়ে আকাশৰ পৰা বহু আশা কৰি একো নোপোৱাৰ ক্ষোভ আৰু আকাশৰ পৰা বহুত পোৱাৰ প্ৰশান্তি। এনে দ্বিধাগ্ৰস্ততা নৱকান্ত বৰুৱাৰ কবিতাৰ অন্যতম বৈশিষ্ট্য।

কিন্তু এনে দ্বিধাগ্ৰস্ততাক অতিক্ৰম কৰি কবিগৰাকীয়ে আকাশৰ পৰা শান্তি কামনা কৰিবলৈ এৰা নাই আৰু এনে কামনাৰে তেওঁ আকাশক প্ৰাৰ্থনা জনাই কৈছে —

আমাৰ আকাশ কোঁচ খাই যায়।
তথাপি শান্ত সাধনা চলে ৰাতি দিন। হে আকাশ তুমি
আমাক দিয়াহি তোমাৰ আকাশ অকণি —
মহাজীৱনৰ ইঙ্গিত আমি — সাৰ্থক কৰি তোলোঁ
হে আকাশ তুমি আকাশ পিয়াসী প্ৰাণৰ কামনা শুনা।
(প্ৰাৰ্থনা ঃ আকাশৰ প্ৰতি মুকলিত ঃ মোৰ আৰু পৃথিৱীৰ)

কবিতাটোৰ এইটো স্তবকত কবিৰ দৃষ্টিভঙ্গীয়ে কিন্তু বিশালতা আৰু গভীৰতাৰ ইঙ্গিত দিলে। আকাশৰ পৰা প্ৰাপ্তি আৰু অপ্ৰাপ্তি যিয়ে নহওক- আকাশৰ প্ৰতি কবিৰ কিন্তু

গভীৰ আস্থা আছে। এনে গভীৰ আস্থাৰ বাবেই আকাশত তেওঁ মহাজীৱনৰ ইঙ্গিত দেখা পাইছে আৰু আকাশতে মহাজীৱনৰ শান্তি কামনাৰে তেওঁৰ শান্তি পিয়াসী প্ৰাণৰ আকুল প্ৰাৰ্থনা জনাইছে।

দৃষ্টি আৰু দৰ্শনত দ্বিধাগ্ৰস্ত কবি নৱকান্ত বৰুৱাৰ শান্তিৰ ঠাই আকাশ যদিও কেতিয়াবা এই সিদ্ধান্তও ধুৱলী-কুঁৱলি।

ঘোঁৰাৰ খুৰাৰ
দপ্‌দপনিৰ পিছত ৰথৰ চকাৰ ঘৰ্‌ঘৰণিৰ পিচত
সকলো কোলাহলৰ ধূলি নিজম পৰাৰ পিছত সকলোতে
ৰাতিৰ আকাশ — ঈশ্বৰৰ ঘৰ।

(অঘৰীৰ ঈশ্বৰ ৰত্নাকৰ আৰু অন্যান্য কবিতা)

হয় কথাষাৰ। ধ্বংসৰ সময়ত ঈশ্বৰ নিৰ্বিকাৰ। ধ্বংসৰ পাছতহে ঈশ্বৰৰ স্থিতিৰ অনুভৱ হয়। আকাশ আৰু ঈশ্বৰ এইটো স্তৱকত একেকাৰ হৈ গৈছে আৰু ইয়ে কবিৰ বক্তব্যকো অস্পষ্ট কৰি তুলিছে। কিন্তু একেটা কবিতাতে ঈশ্বৰৰ পৰা শান্তি আশা যে বিড়ম্বনা আৰু আকাশৰ পৰাহে যে শান্তি পাব পাৰি এইষাৰ কথা স্পষ্ট কৰি ক'লে —

সকলোবোৰ ঈশ্বৰৰ খং যেতিয়া বিফল আক্ৰোশত মাৰ যায়
সকলোবোৰ ঈশ্বৰৰ প্ৰেমে যেতিয়া মনটো লেকেটা লগায়
ঈশ্বৰ নোহোৱাকৈয়ো যেতিয়া বাট বিচাৰি পোৱা নাযায়
তেতিয়া নিৰুপায় মানুহৰ হাতেৰে
ঘৰ ভাঙি ওলাই আহি ৰৈ থাকে কেৱল আকাশ

এইটো স্তৱকত কবিৰ পৰম বাঞ্ছিত শান্তিৰ উৎস কেৱল আকাশ। আন একো নহয়। কিন্তু তেওঁৰ জীৱনৰ শেহৰ ৰচনা 'দলঙত তামীঘৰা কাব্যগ্ৰন্থত কোৱা হ'ল —

আৰু আছে এখন আকাশ
বহুভূজী এখন আকাশ
কেতিয়াবা ডাৱৰীয়া কেতিয়াবা সুনীল উজ্জ্বল
কেতিয়াবা কুঁৱলীৰে ঢকা।
চৰম কুঁৱলী আহি কেতিয়া দিবহি ঢাকি
নিৰুত্তাপ জীৱনৰ বাট?
দোমোজা নে পোন?

(এতিয়া জাৰত দলঙত তামীঘৰা)

এইটো স্তৱকত কিন্তু আকাশৰ প্ৰতি কবি আশাবাদী নে নিৰাশাবাদী— এইটো স্পষ্ট নহয়। আকাশ কেতিয়াবা উজ্জ্বল কেতিয়াবা ডাৱৰে ঢকা কেতিয়াবা কুঁৱলীৰে ঢকা।

এনে আকাশৰ পৰা শান্তি কামনা কৰি ফলৱতী হ'ব পাৰিনে? আকাশৰ পৰা শান্তি কামনাও অনিশ্চিত আৰু দুখৰ কুঁৱলীয়ে ঢকা নিৰুত্তাপ জীৱনৰ বাটো পোন নে বেঁকা সিও অনিশ্চিত। এইজন কবিয়েই পঞ্চাশৰ দশকত অশান্ত জীৱনত শান্তিৰ উৎস দেখা পাইছিল প্ৰাচীন সৰলতাত। এনে পশ্চাৎ মুখী দৃষ্টিৰে কৈছে —

পোহৰত শান্তি নাই, অগ্নিত আশ্ৰয় নাই
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।
আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে —
চিৰশিশু মানুহৰ মহামূঢ়তাত
তামোলৰ পিকসনা আইতাৰ জধলা চুমাত।
আমাৰ কাৰণে শান্তি
জীৱিকাত জীৱনৰ আবিৰ সানিব খোজা এমুঠি মৰম।
আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লৈ
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম চেঁচা ছাল।

(বোধিদ্ৰুমৰ খৰি **মোৰ আৰু পৃথিৱীৰ**)

পঞ্চাশৰ দশকত কবি গৰাকীয়ে সমকালৰ ক্ৰুৰ-কুটিলতাত থাউনি নাপাই প্ৰাচীন সৰলতাত শান্তিৰ সন্ধান পাইছিল আৰু তেওঁৰ জীৱনৰ শেহৰ ফালে ৰোমাণ্টিকতাসুলভ পশ্চাৎমুখী দৃষ্টি পৰিহাৰ কৰি আধুনিক দৃষ্টিৰে কবি গৰাকীয়ে শান্তিৰ কামনাৰে ভূমিৰ পৰা আকাশলৈ উৰা মাৰিছে। কিন্তু শেহৰ ফালে তেওঁ দ্বিধাগ্ৰস্ত মনে আকাশতো শান্তি লাভৰ শংকাত ভোগা দেখা গ'ল।

**(বাৰ)**

## জীৱন জিজ্ঞাসা

কবিতাই হওক বা যিয়ে নহওক — কলাৰ ধৰ্মই হৈছে জীৱনৰ গভীৰতৰ সত্য বিশালতৰ সৌন্দৰ্য আৰু বিপুলায়তন মহত্বৰ সন্ধান কৰা। কলাৰ যোগেদি জীৱনৰ এই তিনিটা দিশৰ সন্ধান কৰিবলৈ হলে সাধনাও লাগিব আৰু জীৱন জোৰা জীৱন জিজ্ঞাসাও লাগিব। নৱকান্ত বৰুৱাই ইতিহাস চেতনা আৰু সমকাল চেতনাৰে সমাজ জীৱন অধ্যয়ন কৰাৰ উপৰিও গভীৰ অন্তৰ্মুখিন দৃষ্টিৰে জীৱন জিজ্ঞাসা কৰি জীৱনৰ গভীৰতৰ সত্য বিশালতৰ সৌন্দৰ্য আৰু বিপুলায়তন মহত্বৰ সন্ধান কৰা দেখা গৈছে। কবিগৰাকীয়ে জীৱনৰ অস্তিত্বৰ সন্ধান কৰি দাৰ্শনিকতাসুলভ দৃষ্টিৰে কৈছে —

সকলোকে মই বিশ্বাস কৰোঁ
কল্পনা বুলি বাস্তৱ বুলি সঁচা কথা বুলি
মিছা গান বুলি
প্ৰয়োজন বুলি অপ্ৰয়োজনৰ কোমল বিলাস বুলি
মই বিশ্বাস কৰোঁ
আমাৰ লগত আমি নোহোৱাৰ স'তে
আমি নোহোৱাৰ লগতো আমাৰ অস্তিত্ব।

(স্বীকৃতি মোৰ আৰু পৃথিবীৰ)

যিজন কবিয়ে সমকালৰ মানুহৰ হৃদয়হীন নিষ্ঠুৰতা দেখি বিমৰ্ষপ্ৰায় হৈছে, সেইজন কবিয়েই অসহনীয় দ্বন্দ্বৰ মাজতো বিশ্বাস হেৰুওৱা নাই। তেও বিশ্বাস স্থাপন কৰিছে সকলোতে আৰু সকলোতে নিজৰ অস্তিত্ব অনুভৱ কৰিছে।

জীৱনক ইতিবাচক আৰু নেতিবাচক উভয় দৃষ্টিৰে চাই শেষত কবিয়ে জীৱনৰ সত্যতাকে স্বীকাৰ কৰি ল'লে। জীৱনে স্বপ্ন দেখে। কিমান স্বপ্ন ফলিয়ায়? এনে উদ্ভ্ৰান্ত চিন্তাই বিপন্ন কৰা কবিৰ মনে কিন্তু জীৱনক অস্বীকাৰ নকৰি সঁচা ৰূপেই গ্ৰহণ কৰি ক'লে —

সেইবোৰ উদ্বাস্তু স্বপ্নই
মোক আহি উতলা কৰেহি। মিছা বুলি সিহঁতক
ক'বলৈ কাৰো সাহ নাই। সঁচা বুলি জীৱনত
গ্ৰহণ কৰাৰো দাম বৰ বেছি বৰ বেছি
কেনেকৈ কৰে বাৰু?
ঠাই নাই ঠাই নাই ছোট সে তৰী — জন্ম
আৰু মৰণৰ মুহূৰ্ত এটি — ক্ষুদ্ৰ পৰিসৰ

(মহাকাব্যৰ পাণ্ডুলিপি মোৰ আৰু পৃথিবীৰ)

জন্ম আৰু মৰণৰ মাজত ক্ষুদ্ৰ এটি পৰিসৰ বুলি জীৱনক উপলব্ধি কৰিব পৰা কবি গৰাকীয়ে জীৱন জিজ্ঞাসাৰে জীৱনৰ সত্য উপলব্ধি কৰি ক'লে —

পোহৰত শান্তি নাই, অগ্নিত আশ্ৰয় নাই,
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।

(বোধিদ্ৰুমৰ খৰি ঃ মোৰ আৰু পৃথিবীৰ)

পোহৰতো শান্তি নাই, অগ্নিতো আশ্ৰয় নোহোৱা জীৱন মানেই সংঘাত দ্বন্দ্ব। এই সংঘাত বা দ্বন্দ্বৰ জুইত পুৰি জীৱনক সোণ কৰিব পৰাটোৱে জীৱনৰ মহত্ত্ব। গভীৰ জীৱন জিজ্ঞাসাৰে জীৱনক এনেকৈয়ে গ্ৰহণ কৰা কবি গৰাকীয়ে পুনৰ ক'লে —

যন্ত্ৰণাক স্বপ্ন বুলি লোৱাতে এদিন
সান্ত্বনা ওচৰ চাপে — স্বপ্নজীৰ্ণ দুচকুত
নিৰুত্তাপ জীৱন বিজ্ঞান
ইমান সপোন আছে মগজুৰ এন্ধাৰ গুহাত
ইমান পোহৰ আছে এন্ধাৰৰ ইপাৰে সিপাৰে।
(বিনিদ্ৰ **মোৰ আৰু পৃথিৱীৰ**)

জীৱন জ্যোতি। জীৱন মানেই স্বপ্ন। অথচ যন্ত্ৰণাও জীৱনৰ সত্য। সেয়ে জীৱন জ্যোতি জীৱন স্বপ্ন আৰু জীৱন যন্ত্ৰণাক সমৰূপত গ্ৰহণ কৰিব পাৰিলেই জীৱন শান্তিৰ হয়। ইয়াকে জীৱনৰ সান্ত্বনা বুলি গ্ৰহণ কৰা কবিগৰাকীয়ে গভীৰ জিজ্ঞাসাৰে পুনৰ ক'লে —

কিবা এটা আমি বিচাৰি ফুৰিছোঁ
যাক বিচাৰি পালেই, আমি ভাবোঁ আমি পাম আমাক নিজৰ।
(প্ৰাপ্তি দুঃসংবাদ **ৰত্নাকৰ আৰু অন্যান্য কবিতা**)

'কিবা এটা আমি বিচাৰি ফুৰিছোঁ — এই বাক্যটোৰ অৰ্থই হৈছে নিজক বিচৰা জীৱনক বিচৰা। জীৱন এক ৰহস্য। এই জীৱন ৰহস্যৰ কুহক ভেদি জীৱনৰ প্ৰকৃত সত্যৰ সন্ধান কৰাই জীৱন জিজ্ঞাসা। এনে জীৱন জিজ্ঞাসাৰেই জীৱন প্ৰাপ্তি ঘটে। জীৱনৰ সন্ধান কৰি জীৱনৰ চিৰন্তন স্থিতিৰ যেন সন্ধান পালে কবিয়ে। সেয়ে জীৱনৰ অনন্ত প্ৰবাহ স্বীকাৰ কৰি ক'লে —

আনৱিক কাঠফুলাটোৰ তলত
বুদ্ধই বহি ভাবিছে
ধৰ্ম নে সংঘ
ক'ত থৈ যাম মই মোক?
(চিৰন্তন ১৯৮২ **সূৰ্যমুখীৰ অঙ্গীকাৰ**)

নিজক থৈ যোৱা স্থানৰ সন্ধান কৰি কবিয়ে স্পষ্টভাৱে ক'লে —

ভয় নাই এতিয়াও
মৈথুন আৰু শস্যৰ প্ৰয়োজন থকালৈকে
থাকিব মানুহ, আৰু
কবিতা থাকিব মানুহৰ ৰখীয়া হৈ
(চিৰন্তন ১৯৮২ **সূৰ্যমুখীৰ অঙ্গীকাৰ**)

গভীৰ মননশীলতাৰে জীৱনৰ গভীৰতাত প্ৰৱেশ কৰি জীৱন জিজ্ঞাসা কৰা কবি নৱকান্ত বৰুৱাই যন্ত্ৰণাময় জীৱনকো মধুময় ৰূপত গ্ৰহণ কৰিবলৈ শিকিলে। সেইদৰে জীৱন

যিমানেই যন্ত্ৰণাময় নহওক জীৱন যিমানেই সংঘাতময় নহওক — জীৱন জীয়াই থাকে অমৰত্বৰ মহিমাৰে। এনে ধৰণৰ অন্তৰ্মুখিন জীৱন জিজ্ঞাসাই নৱকান্ত বৰুৱাৰ কবিতাক ভাবগধুৰ কৰি তোলা দেখা যায়।

(তেৰ)

### আধ্যাত্মিক চেতনা ঃ

আধ্যাত্মিকতা বুলি ক'লেই ধৰ্ম আৰু ঈশ্বৰৰ ধাৰণা মনলৈ আহে। এফালৰ পৰা চাবলৈ গ'লে এইটো ভুল নহয়। কাৰণ ধৰ্ম চিন্তা আৰু ঈশ্বৰ ধাৰণাৰ সৈতে আধ্যাত্মিক ভাবনা জড়িত হৈ থাকে। কিন্তু ব্যক্তিভেদে অৰ্থাৎ ব্যক্তিৰ মন বোধ বুদ্ধি আৰু দৃষ্টিভঙ্গী ভেদে ধৰ্ম আৰু ঈশ্বৰ বিশ্বাস নকৰাকৈও আধ্যাত্মিক ভাবনা থাকিব পাৰে। নৱকান্ত বৰুৱা লৌকিক ধৰ্ম আৰু ঈশ্বৰ বিশ্বাসৰ পৰা নিলগত। অথচ তেওঁৰ অন্তৰ বিয়পি আছে আধ্যাত্মিক ভাবনাৰে। অৱশ্যে ক'বই লাগিব যে নৱকান্ত বৰুৱাৰ আধ্যাত্মিক ভাবনাৰ ভিত্তি বেদান্ত দৰ্শন আৰু বৌদ্ধ দৰ্শন। এই দুই দৰ্শনৰ আধাৰত গঢ় লৈ উঠা আধ্যাত্মিক চেতনাই নৱকান্ত বৰুৱাৰ কবিতাক দাৰ্শনিক গাম্ভীৰ্য দান কৰিছে। চিৰ শ্বাশ্বত পৰমাত্মাৰ অংশ বিশেষ আত্মাও অবিনশ্বৰ। এই আত্মাই স্থিতি বা আশ্ৰয় বা আধাৰ ৰূপে গ্ৰহণ কৰা দেহহে বিনশ্বৰ। এনে আধ্যাত্মিক বোধেৰে তেও কৈছে —

উভতি যোৱাৰ বাট আমাৰ জন্মৰ পদুলিৰে
উভতি যোৱাৰ বাট আমাৰ মৃত্যুৰ পদুলিৰে
চিৰ প্ৰত্যাৱৰ্তনৰ যাত্ৰী আমি

(উভতি অহাৰ কবিতা **সূৰ্যমুখীৰ অঙ্গীকাৰ**)

জন্মৰ দুৱাৰেদি জীৱনৰ আত্মপ্ৰকাশ আৰু মৃত্যুৰ দুৱাৰেদি জীৱনৰ প্ৰস্থান। জীৱনৰ এই অহাযোৱা আচলতে আত্মাৰ অহাযোৱা। এনে আধ্যাত্মিক বোধেৰে ক'লে — 'চিৰ প্ৰত্যাৱৰ্তনৰ যাত্ৰী আমি বুলি। এয়া যেন গীতাৰ 'বাসাংসি জীৰ্ণানি যথাবিহায় নবানি গৃহ্নাতি শ্লোকত কোৱা পুৰণি কাপোৰ এৰি নতুন কাপোৰ লোৱাৰ দৰে আত্মায়ো জীৰ্ণ দেহ এৰি নতুন দেহ ধাৰণ কৰা কথাষাৰৰ প্ৰতিধ্বনি। ঠিক সেইদৰে বিনাশী দেহৰ পৰা ওলাই গৈ অবিনাশী আত্মাই যে আন এটা দেহত আশ্ৰয় লয় আৰু এনেকৈয়ে আত্মাই দেহৰ পৰা দেহ বাগৰি চলমান ৰূপত প্ৰবাহিত হৈ থাকে সেইষাৰ কথাকে কোৱা হ'ল —

**অনু আৰু মোৰ মৰম-চেনেহবোৰ থুপ খালে**
**ভৱিষ্যৰ স্বপ্নৰ বুকুত। আমি ৰই যাম।**
**নৱজাতকৰ স্নায়ুৰে স্নায়ুয়ে শিৰাই শিৰাই।**

**(সন্তান ঃ মোৰ আৰু পৃথিৱীৰ)**

আধ্যাত্মিক দৃষ্টিৰে সৃষ্টিৰ ৰহস্যৰ ব্যাখ্যা কৰি কোৱা হৈছে —

সৃষ্টিৰ যিমান প্ৰজ্ঞা প্ৰাণহীন বস্তু প্ৰবাহৰ
সৃষ্টিৰ যিমান দীপ্তি সৌন্দৰ্যৰ নজ্বলা দীপৰ
সৃষ্টিৰ সৰ্বস্ব যত দশোদিশে ভিৰ কৰি অহা —
থুপ খাই ৰচিছিল আদিম অণিমা জীৱনৰ ঃ
জন্ম হ'ল প্ৰাণবীজ পূৰ্ণ হ'ল পদাৰ্থৰ প্ৰসব বেদনা।

(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

সৃষ্টি তত্ত্বৰ এই ব্যাখ্যা ভাৰতীয় দৰ্শন আধাৰিত আৰু এই দৰ্শনৰ আধাৰতে হৈছে —

যি পূৰ্ণতাৰ অভিমুখে গতিহীন বেগেৰে মই যাত্ৰা কৰিছোঁ
সেই বাঞ্ছিত নৱ-জন্ম মোৰ পৰিবৃদ্ধি নে পৰিৱৰ্তন?

(ৰত্নাকৰৰ দুঃস্বপ্ন মহাকাব্যৰ পাণ্ডুলিপি)

আত্মা পৰমাত্মাৰেই অংশ বিশেষ। অথচ আত্মা পৰিপূৰ্ণ নহয়। পৰিপূৰ্ণ পৰমাত্মাহে। জ্বলন্ত জুইৰ পৰা চিটিকি পৰা স্ফুলিঙ্গও অগ্নিয়ে। অথচ এই অগ্নি পৰিপূৰ্ণ নহয়। ক্ষণিকৰ পাছতে নুমাই যায়। এনে তাত্ত্বিক দৃষ্টিৰে কৈছে —

উন যদি শেষ হয় তেতিয়াহে আৱিৰ্ভাৱ হয় শূন্যতাৰ।
শূন্যতা যে পৰম পূৰ্ণতা — কাৰ কথা বুদ্ধৰ নে মোৰ?
পূৰ্ণতাৰ পৰা যদি পূৰ্ণ এৰোঁ পূৰ্ণতাই থাকে অৱশেষ
শূন্যৰ লগত যদি শূন্য যোগ দিও — তাৰো জানো হয় বৃদ্ধি লেশ?
শূন্য আৰু পূৰ্ণতাই দুৰ্বল চিত্তত মোৰ জগায় দোলনি।

(তুমি বাক্যৰ পতি দলঙত তামীঘৰা)

উদ্ধৃত কবিতাংশত বেদান্ত দৰ্শন আৰু বৌদ্ধ দৰ্শনৰ প্ৰভাৱ সুস্পষ্ট। বেদান্তৰ নিৰাকাৰ ব্ৰহ্ম আৰু বৌদ্ধ দৰ্শনৰ শূন্য তত্ত্ব — এই দুয়োটা আচলতে একেই। উপনিষদত কোৱা হৈছে —

ওঁ পূৰ্ণমদ পূৰ্ণৰ্মিদ, পূৰ্ণাৎ পূৰ্ণমুদচ্যতে।
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাবশিষ্যতে।।[৭৪]

অৰ্থাৎ পৰমব্ৰহ্ম পৰিপূৰ্ণ। এই পৰিপূৰ্ণ ব্ৰহ্মৰ পৰাই সমস্ত বিশ্বব্ৰহ্মাণ্ড সৃষ্টি হৈছে যদিও পৰম ব্ৰহ্মৰ কোনো ক্ষয়-ক্ষতি নহয়। পৰিপূৰ্ণ ব্ৰহ্ম পৰিপূৰ্ণ হৈয়ে থাকে।

এতেকে দেখা গ'ল যে উপনিষদৰ পূৰ্ণমদঃ পূৰ্ণমিদং পূৰ্ণাৎ পূৰ্ণমুদচ্যতে'ৰ সৈতে নৱকান্ত বৰুৱাৰ পূৰ্ণতাৰ পৰা যদি পূৰ্ণ এৰোঁ পূৰ্ণতাই থাকে অৱশেষ' বোলা কথাষাৰৰ অৰ্থ

৭৪ 'শান্তিপাঠ ঈশোপনিষদ শ্বেতাশ্বতৰ উপনিষদ আৰু বৃহদাৰণ্যক উপনিষদ

একেই। সেইদৰে বেদান্তৰ নিৰাকাৰ ব্ৰহ্ম আৰু বৌদ্ধ দৰ্শনৰ শূন্যবাদক 'শূন্যতা যে পৰম পূৰ্ণতা বুলি কৈ সমাৰ্থকৰূপত দেখুৱালে। সেইদৰে বেদান্তৰ মায়াবাদৰ তত্ত্ব কথাকে ব্যাখ্যা কৰি ক'লে —

আত্মাত বিশ্বাস কৰা যদি কোৱা মায়া বুলি। আচলতে
সকলোটি মতিভ্ৰম আৰু মতিভ্ৰমৰে কৃতি এই ঘটনা প্ৰবাহ।

(অবৰ্তমান দলগুত তামীঘৰা)

বেদান্তত মাযাক ভ্ৰম অজ্ঞানতা আদি একাধিক শব্দৰে বুজাইছে আৰু সেইদৰে মায়াক আৱৰণ মায়া আৰু বিক্ষেপণ মায়া ভ্ৰমক সংবাদী ভ্ৰম আৰু বিসম্বাদী ভ্ৰম ৰূপে দেখুৱাইছে। ব্ৰহ্মাই এই মায়াৰ সহায়তে জগত সৃষ্টি কৰে। বেদান্তৰ এই মায়াতত্ত্বই উদ্ধৃত কবিতাৰ শাৰী দুটাৰো অৰ্থ। এই মায়া জীৱাত্মাৰ বন্দিত্বৰ কাৰণ। এই অৰ্থত কোৱা হৈছে—

কোনো ক'তো বন্দী হৈ থকা নাই, কোনেও
পোৱা নাই মুক্তি। মুক্তিহে কেৱল বন্দী হৈ আছে।
আৰু মুক্ত হৈ আছে চিৰন্তন বন্দিত্ব।

(অবৰ্তমান দলগুত তামীঘৰা)

নৱকান্ত বৰুৱাৰ কবিতাত আধ্যাত্মিকতা বিচাৰ কৰিলে দেখা যায় যে অন্তমুৰ্খিন দৃষ্টিৰে জীৱন জিজ্ঞাসা কৰোতে কবি গৰাকীৰ দৃষ্টিভঙ্গী ক্ৰমশ গভীৰ হৈ গৈ আছে আৰু তেওৰ ভাবনা জগত আধ্যাত্মিক ভাবনা জগতত বিলীন হৈ গৈছে। যি জন কবিয়ে সমকালৰ কুটিলতা দেখি অবিশ্বাস আৰু অনিশ্চয়তাৰ দ্বন্দ্বত ভুগিছে আৰু গভীৰ বিষাদবোধত ভাৰাক্ৰান্ত হৈছে, সেই জন কবিযে আচলতে গভীৰ বিষাদবোধৰ আধাৰতে জীৱন জিজ্ঞাসাৰ যাত্ৰা আৰম্ভ কৰিলে। বিষাদবোধতেই কবিৰ যি ধৰণৰ অন্তৰ্মুখিন জীৱন জিজ্ঞাসা আৰম্ভ হ'ল সিয়ে কবিক আধ্যাত্মিক চেতনা জগতত প্ৰৱেশ কৰালে মুঠতে গভীৰ বিষাদবোধ অন্তৰ্মুখিন জীৱন জিজ্ঞাসা আৰু আধ্যাত্মিক চেতনাই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতৰ ঐশ্বৰ্য।

(চৈধ্য)

## আধুনিক চেতনা আৰু গতিধৰ্মী চিন্তা

সাহিত্যত আধুনিকতা একো নতুন কথা নহয়। প্ৰতিযুগৰ সাহিত্যই আগৰ সময়ৰ সাহিত্যৰ ভাষা বিষয়-বস্তু ভাব-বস্তু আৰু আঙ্গিক হয বহু পৰিমাণে নহয় সম্পূৰ্ণৰূপে পৰিহাৰ কৰি আপোন যুগৰ চিন্তা আৰু চেতনা অনুসৰি গঢ় লৈ উঠে। উদাহৰণ স্বৰূপে শংকৰদেৱৰ সময়ৰ পৰা চলি থকা অসমীয়া সাহিত্যৰ স্বৰূপ সামগ্ৰিকভাৱে সলনি হ'ল 'অৰুণোদয় আলোচনীৰ পৰা। গতিকে সেই সময়ত অৰুণোদয় যুগৰ অসমীয়া সাহিত্য

আধুনিক সাহিত্য ৰূপেই গণ্য হৈছিল। কিন্তু প্ৰাক্ জোনাকী যুগৰ ৰমাকান্ত চৌধুৰী ভোলানাথ দাস কমলাকান্ত ভট্টাচাৰ্যই অৰুণোদয়ে প্ৰৱৰ্তন কৰা সাহিত্যৰ ৰূপটোক পৰিহাৰ কৰি অসমীয়া কবিতাৰ পৃথক ধৰণৰ আধুনিক ৰূপ দিলে আৰু জোনাকী আৰু 'আৱাহন যুগলৈকে এইটো ধাৰা চলি থাকিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ পৰা অসমীয়া কবিতা বিষয়-বস্তু ভাব-বস্তু আৰু ৰূপবস্তুৰ দিশত পুনৰ সলনি হ'ল আৰু এতিয়ালৈকে চলি থকা এই ধাৰাটোৱেই আধুনিক অসমীয়া কবিতাৰ ধাৰা।

নৱকান্ত বৰুৱাৰ আধুনিক যুক্তিবাদী মন এটা আছিল আৰু এই আধুনিক মনটোৰ বাবেই তেওঁৰ দৃষ্টিভঙ্গীও আধুনিক আছিল। এনে আধুনিক মন আৰু দৃষ্টিভঙ্গীৰে পৰম্পৰাক যুক্তিৰ অ ধাৰত বিচাৰ বিশ্লেষণ কৰিছিল বাবেই জনগণৰ পৰম্পৰাবাদী চিন্তাধাৰাৰ পৰা আঁতৰি আহি একান্ত নিজৰ মৌলিক দৃষ্টিভঙ্গী এটা গঢ়ি তুলিছিল। চিন্তাপ্ৰসূত মৌলিক দৃষ্টিৰ বাবেই ঈশ্বৰ বিশ্বাসৰ ওপৰতো তেও কঠিন আঘাত হানিছিল। এই বিষয়ত ভবেন বৰুৱাই কৈছে —

> নৱকান্ত বৰুৱাৰ কবি জীৱনৰ চল্লিশৰ দশকৰ পৰ্বটোৰ প্ৰথম পৰিচয় আমি পাও ১৯৪৬ চনত প্ৰকাশিত আৰু যতিনাৰায়ণ শৰ্মা সম্পাদিত 'আধুনিক অসমীয়া কবিতা নামৰ সংকলনখনত। তাতে বৰুৱাই আধুনিক ঈশ্বৰক ধূপৰ ধোঁৱাৰ পৰা এলজেব্ৰাৰ এক্সলৈকে বিচাৰি চোৱা এটা আকৰ্ষণীয় আধুনিক মনৰ পৰিচয় আছিল।[৭৫]

নৱকান্ত বৰুৱাই পৰম্পৰা বিমুখী আধুনিক মনেৰে ঈশ্বৰৰ অস্তিত্বৰ প্ৰতি ভ্ৰুকুটি কৰিছে আৰু ইয়াতে তেওৰ আধুনিক চিন্তাও পোহৰলৈ আহিছে। এই খিনিতে এষাৰ কথা মনত ৰাখিব লাগিব যে ঈশ্বৰক বিশ্বাস নকৰাকে আধুনিকতা নোবোলে। কেনে ধৰণৰ যুক্তিৰ আধাৰত ঈশ্বৰৰ স্থিতিৰ প্ৰতি সন্দেহ পোষণ কৰা হয় তাৰ ওপৰতহে আধুনিকতা নিৰ্ভৰ কৰে। 'চাৰ্বাক কবিতাত ঈশ্বৰ বিশ্বাস মানেই অন্ধবিশ্বাস বুলি মত পোষণ কৰোতে কবিতাটোত তেও যেনে ধৰণৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰিছে, তাতে তেওঁৰ আধুনিক মনৰ পৰিচয় ফুটি উঠিছে। কবিতাটোত কোৱা হৈছে —

> আজি মোৰ মন যায়
> তোমাৰ হাতত ধৰি ময়ো যেন গুচি আহোঁ
> বাটৰ মাজলৈ
> বাটৰ ধূলিৰ দৰে গচকি যুক্তিৰ আৱৰ্জনা
> এৰি থৈ সংস্কাৰৰ ভ্ৰান্ত প্ৰতাৰণা।

---

৭৫ ভবেন বৰুৱা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০৭

সমুখত মাথো থক পথ
মুকলি আকাশ আৰু অন্তহীন পথ
তাৰ মাজেদিয়ে আমি যাম আগবাঢ়ি

(চাৰ্বাক মোৰ আৰু পৃথিবীৰ)

উদ্ধৃত কবিতাংশত স্পষ্ট হৈ পৰিছে যে নৱকান্ত বৰুৱাই বৌদ্ধিক বিলাসপ্ৰৱণতাৰে ঈশ্বৰত অনাস্থা প্ৰকাশ কৰা নাই তেও ঈশ্বৰ বিশ্বাসক ভ্ৰান্ত প্ৰতাৰণা বুলি অভিহিত কৰিছে আৰু এনে ভ্ৰান্ত ধাৰণাত নিজক বন্দী কৰি ৰখাৰ বিপৰীতে অন্তহীন পথৰ যাত্ৰী হৈ মুক্ত আকাশৰ তলত গতিৰে জীৱনক অবিৰাম গতিশীল কৰি তুলিব খুজিছে। গ্যেটেৰ We donot travel in order to arrive but just to travel আৰু উপনিষদৰ ‘চৰৈৱেতি চৰৈৱেতি চৰৈৱেতি মহাবাণীৰ গতিধৰ্মত বিশ্বাস স্থাপন কৰিছে। এনে গতিধৰ্মৰ পোষকতা কৰি কৈছে — ‘মাথোঁ পথ পথেই মাথোন সঁচা এই পৃথিৱীত। সন্দেহ নাই যে ঈশ্বৰ বিশ্বাসেৰে জীৱনক স্থিতিশীল কৰি তোলাৰ বিপৰীতে গতিশীলতাত যি ধৰণৰ বিশ্বাস স্থাপন কৰিছে, তাতে নৱকান্ত বৰুৱাৰ আধুনিক মন বা প্ৰগতিশীল মন মানসিকতা আৰু দৃষ্টিভঙ্গী স্পষ্ট হৈ উঠিছে।

মানৱ সভ্যতাৰ ইতিহাস ৰূপান্তৰৰ ইতিহাস। স্থিতিস্থাপকতাৰ বিপৰীতে নতুন যুগৰ ন চিন্তাৰে নিজকে ৰূপান্তৰ কৰিব নোৱাৰিলে প্ৰগতি সম্ভৱ নহয়। ‘ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে বুলি জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱাৰ দৰেই নৱকান্ত বৰুৱায়ো ৰূপান্তৰত বিশ্বাস কৰি কৈছে —

হাতুৰিৰে ভাঙি বটালিৰে’গঢ়ি
তপত লোহাৰ ফিৰিঙতি ছটিযাই
আমিও জীয়াই থাকিম
সলনিৰ স’তে সৰল সন্ধি কৰি

(বুদ্ধ পূৰ্ণিমা মোৰ আৰু পৃথিবীৰ)

এই যে মানুহ হিচাপে জীয়াই থাকিবৰ বাবে সলনিৰ স’তে অৰ্থাৎ ৰূপান্তৰৰ স’তে সন্ধি কৰিব খুজিছে, তাতেই নৱকান্ত বৰুৱাৰ আধুনিক মনৰ পৰিচয় ফুটি উঠিছে।

কবি হিচাপে নৱকান্ত বৰুৱা গতিৰ উপাসক আৰু এনে কাৰণতে গতিত বিশ্বাসী কবি গৰাকীয়ে কৈছে —

পথৰ বিস্তৃতি য’ত তাতে জানো লক্ষ্যৰো বিস্তাৰ
\+ + + + +
পাৰ ক’ত?
লক্ষ্যহীন বাট মাথোঁ আগবাঢ়ি যায়

প্ৰাপ্তিৰ সংবাদ ক'তো নাই।
এই যন্ত্ৰণাৰ নাম গতিৰে মুখৰ
সেতু তাৰ নাম।

(এতিয়া দল, সজা হ'ল মোৰ আৰু পৃথিৱীৰ)

উদ্ধৃত কবিতাংশত স্পষ্ট হৈ আছে, অন্তহীন গতিয়ে জীৱনৰ লক্ষ্যস্থানো বিস্তাৰিত কৰি নিয়ে আৰু লক্ষ্যস্থানৰ বিস্তাৰে গতিকো অনন্ত প্ৰসাৰী কৰি তোলে। নৱকান্ত বৰুৱাৰ গতিশীলতাত গভীৰ বিশ্বাস আৰু গতিশীলতাই মানুহক মহাজীৱনৰ ফালে লৈ যায় বুলি তেওঁ বিশ্বাস কৰে। এই বিষয়ত নৱকান্ত বৰুৱাৰ ব্যক্তিগত অভিমত প্ৰকাশ কৰি হীৰেন গোহাঁয়ে কৈছে —

> ব্যক্তিগত আলাপত কবিয়ে মোক কৈছিল যে তেখেতক যুগ পৰিৱৰ্তনৰ (transition) তথা সময় প্ৰবাহৰ অভিজ্ঞতাই সকলোতকৈ বেছি পৰিমাণে আলোড়িত কৰিছে। সেয়ে কোনো এটা বিশেষ যুগ বা সময়ৰ ধ্যান-ধাৰণা আৰু বিশ্বাসৰ গোটমৰা খোলাত নিজকে বান্ধি পেলাবলৈ তেওঁ যত্ন কৰা নাই। স্ববিৰোধতকৈ তেখেতে ভয় কৰে জড়তা আৰু গতিহীনতাক।[৭৬]

নৱকান্ত বৰুৱাৰ কবিতাত আধুনিকতা আৰু গতিধৰ্মী চিন্তাৰ বিষয়ে যিখিনি কথা কোৱা হ'ল এইখিনি কথাৰ মাজেদি দৰাচলতে নৱকান্ত বৰুৱাৰ প্ৰগতিশীল দৃষ্টি চিন্তা আৰু চেতনাৰ সম্যক পৰিচয় পোৱা গ'ল। নৱকান্ত বৰুৱা যথাৰ্থতে প্ৰগতিবাদী কবি। কাৰণ তেওঁ স্থিতিস্থাপকতাৰ বিপৰীতে গতিশীলতাত বিশ্বাসী। এই খিনিতে এষাৰ কথা মন কৰিবলগীয়া যে কোনোবা লেখকক প্ৰগতিশীল বুলি অভিহিত কৰিলেই লেখকজন মাৰ্ক্সবাদত বিশ্বাসী বুলি বহুতে স্থূল ধাৰণা এটা পোষণ কৰা দেখা যায়। কেৱল মাৰ্ক্সবাদী চিন্তা ধাৰাই অভ্ৰান্ত সত্য বুলি ধৰি লৈ দৃষ্টিভঙ্গীক একদেশদৰ্শী কৰি তোলাটোও একপ্ৰকাৰ অন্ধসংস্কাৰ। আনহাতে মাৰ্ক্সবাদক ফৰমূলা হিচাপে নোলোৱাকৈও একোজন লেখক প্ৰগতিশীল হ'ব পাৰে। এইফালৰ পৰা চাবলৈ গ'লে নৱকান্ত বৰুৱা যথাৰ্থ প্ৰগতিশীল কবি।

> চল্লিশ আৰু পঞ্চাশৰ দশকৰ মাজেৰে অসমীয়া কবিসকলৰ ভিতৰত নৱকান্ত বৰুৱায়েই মাৰ্ক্সবাদ প্ৰগতিবাদৰ দৰ্শনৰ পৰাও আটাইতকৈ দূৰত ৰোৱা এক চেতনাৰ ধাৰাকে প্ৰতিনিধিত্ব কৰিছিল। এই চেতনাৰ ক্ষেত্ৰত তেখেতৰ সজীৱ এবিধ অনুভূতিৰেই ক্ৰিয়া আছিল— এনে ধৰণৰ কথাবোৰকে তেওঁ তীব্ৰভাৱে অনুভৱ কৰিছিল।[৭৭]

---

৭৬ হীৰেন গোহাঁই 'নৱকান্ত বৰুৱা আৰু আমি' মোৰ আৰু পৃথিৱীৰ পৃ ২৪১

৭৭ ভবেন বৰুৱা পূৰ্বোক্ত গ্ৰন্থ, পৃ ১০৫

নৱকান্ত বৰুৱাৰ বিষয়ে ভবেন বৰুৱাই কোৱা এই কথাষাৰ বিনাদ্বিধাই মানি ল'ব পাৰি। আনহাতে প্ৰগতিবাদৰ সম্পৰ্কে তাৰিণীকান্ত ভট্টচাৰ্যই কৰা মন্তব্য এটাও প্ৰণিধানযোগ্য।

> লিখকজন যদি প্ৰকৃততে নতুন দৃষ্টিসম্পন্ন মেধাৰ হয় তেন্তে তেওঁৰ ভাষা উপমা ৰচনাভঙ্গী নতুন হ'বই কিয়নো তেওঁ নতুন জীৱন্ত, সৃষ্টিশীল দৃষ্টি আৰু সাধনাৰে আৱিৰ্ভূত হৈ জীৱন বস্তু আৰু ঘটনাবিলাকৰ ওপৰত নতুন তীক্ষ্ণ জ্যোতি নিক্ষেপ কৰি তাৰ পৰা নতুন তাৎপৰ্য বাহিৰ কৰিবলৈ উদ্যত। এইটোৱেই প্ৰকৃত প্ৰগতি।[৭৮]

তাৰিণীকান্ত ভট্টাচাৰ্যই প্ৰগতিবাদৰ সম্পৰ্কে কৰা এই মন্তব্য নৱকান্ত বৰুৱাৰ কবিতাৰ ক্ষেত্ৰতো প্ৰযোজ্য। নৱকান্ত বৰুৱা মননশীল কবি আৰু মননশীল চিন্তাৰে তেও গঢ়ি তুলিলে দাৰ্শনিকতাসুলভ এটা দৃষ্টিভঙ্গী। যিটো দৃষ্টিভঙ্গীৰে তেওঁ অনন্ত সময় প্ৰবাহত জীৱনৰ অবিৰাম গতিয়ে একমাত্ৰ সঁচা বুলি উপলব্ধি কৰিব পাৰিলে আৰু গতিধৰ্মই মানুহক মহাজীৱনৰ ফালে মহামহত্ত্বৰ ফালে লৈ যাব পাৰে বুলি দৃঢ় মত পোষণ কৰিব পাৰিলে। মুঠতে বিজ্ঞানসন্মত চিন্তা বৌদ্ধিক বিশ্লেষণেৰে পৰম্পৰাবিমুখ নতুন তথা গতিশীল দৃষ্টিভঙ্গী গঢ়ি তোলা বাবেই তেওৰ আধুনিক মন এটা গঢ় লৈ উঠিল আৰু আধুনিক মনৰ পৰা উদ্ভূত গতিশীল চিন্তা আৰু দৃষ্টিভঙ্গীৰ বাবেই নৱকান্ত বৰুৱাই যথাৰ্থ প্ৰগতিবাদী কবি হিচাপে পৰিচয় দিব পাৰিলে। ক'বই লাগিব যে এনেধৰণৰ মন মানসিকতা আৰু দৃষ্টিভঙ্গীৰ বাবেই নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা জগতখন গুৰু-গম্ভীৰ হৈ উঠিল।

---

৭৮ তাৰিণীকান্ত ভট্টাচাৰ্য সাহিত্যৰ গতিপথ পৃঃ ৪৯

# চতুৰ্থ অধ্যায়
# জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ৰূপ-বৈচিত্ৰ্য

## জীৱনানন্দ দাশৰ কবিতাৰ ৰূপবৈচিত্ৰ্য

(এক)

কবিতা জীৱনৰ সত্যৰ সন্ধান আৰু উদ্‌ঘাটন। কিন্তু সিয়ে হ'লেও কবিতাৰ জীৱন জিজ্ঞাসা আৰু জীৱনৰ সত্যৰ উদ্‌ঘাটন দৰ্শন আৰু বিজ্ঞানৰ জিজ্ঞাসা আৰু সত্য উদ্‌ঘাটনৰ সৈতে একে নহয়। দৰ্শন আৰু বিজ্ঞানৰ জীৱন জিজ্ঞাসা আৰু সত্যৰ উদ্‌ঘাটন যুক্তি আৰু পৰীক্ষা নিৰ্ভৰ। কবিতাৰ জিজ্ঞাসা আৰু সত্য উদ্‌ঘাটন কিন্তু কল্পনা বোধ বুদ্ধি আৰু অন্তৰ্দৃষ্টিজনিত। লগতে এইষাৰ কথাও সত্য যে কবিতাই যি ধৰণৰ জীৱন জিজ্ঞাসা কৰে সেই জীৱন জিজ্ঞাসাৰ স্বৰূপ সৌন্দৰ্যময় আৰু যিধৰণৰ জীৱন-সত্য আৱিষ্কাৰ কৰে সেই সত্যও সুন্দৰ চেতনাৰে মণ্ডিত। এইযে জিজ্ঞাসা আৰু সত্য উদ্‌ঘাটন বা আৱিষ্কাৰ সিও সৌন্দৰ্যশালী সত্য। জীৱন জিজ্ঞাসা আৰু উদ্‌ঘাটিত সত্য প্ৰকাশৰ যি মাধ্যম সিও সুন্দৰ মাধ্যম আৰু ইয়ে কবিতাৰ আঙ্গিক। অৰ্থাৎ কবিতাক সামগ্ৰিকভাৱে সৌন্দৰ্যশালী কৰি তোলাই কবিতাৰ আঙ্গিকৰ লক্ষ্য আৰু উদ্দেশ্য।

আধুনিক বাংলা কবিতাত জীৱনানন্দ দাশৰ কবিতা সমাদৃত হৈছে তেওঁৰ কবিতাৰ কাব্যিক গুণবিশিষ্টতাৰ বাবে। এই গুণবিশিষ্টতাৰ এটা উল্লেখযোগ্য দিশ হ'ল তেওঁৰ কবিতাৰ আঙ্গিক চাৰুত্ব। কবিতাৰ আঙ্গিক চাৰুত্ব গঢ় লৈ উঠে ছন্দ অলংকাৰ প্ৰতীক চিত্ৰকল্প আৰু কাব্যিক শব্দ চাতুৰ্যপূৰ্ণ ভাষাৰ কাৰুকাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি। জীৱনানন্দ দাশৰ কবিতাত ছন্দৰ ধ্বনিশীলতা অলংকাৰৰ মনোহাৰিত্ব ব্যঞ্জনাধৰ্মী প্ৰতীকৰ প্ৰয়োগ মননশীলতাৰে সমৃদ্ধ চিত্ৰকল্প আৰু অৰ্থঘন কাব্যিক শব্দৰ গাঁথনিৰে নিৰ্মাণ কৰা আধুনিক কবিতাৰ ভাষাৰ সুষম প্ৰয়োগ হৈছে আৰু এনে গুণবিশিষ্টতাৰ বাবেই জীৱনানন্দ দাশৰ কবিতাৰ ৰূপবস্তু বা আঙ্গিক সমৃদ্ধিশালী হৈ পৰিছে।

কবিতাৰ আঙ্গিক ভাব প্ৰকাশৰ মাধ্যম। অথচ বহু সময়ত আঙ্গিকৰ মাধ্যমেদি ভাব সম্পূৰ্ণকৈ প্ৰকাশ কৰা সম্ভৱ নহয়। এই বিষয়ত জীৱনানন্দ দাশে কৈছে —

> কবিতা বচনাব পদ্ধতি সম্পর্কে সংক্ষেপে বলতে পাবা যায় এই যখনই 'ভাবাক্রান্ত' হই, সমস্ত ভাবটা বিভিন্ন আঙ্গিকেব পোশাকে ততটা ভেবে নিতে পাবি না যতটা অনুভব কবি — একই এবং বিভিন্ন সময়ে।[১]

আঙ্গিকৰ মাধ্যমেদি ভাবক সম্পূৰ্ণকৈ প্ৰকাশ কৰিব পৰা হওক বা নহওক কিন্তু আঙ্গিকেই কবিতাৰ শৰীৰ। এই শৰীৰ নিৰ্মাণ হয় শব্দৰ দ্বাৰা আৰু শব্দৰ মাধ্যমেদিয়ে ছন্দ অলংকাৰ প্ৰতীক চিত্ৰকল্প আৰু প্ৰকাশভঙ্গী আদি আঙ্গিকৰ দ্বাৰাই কবিতাৰ ৰূপগত সৌন্দৰ্যময় শৰীৰ নিৰ্মাণ হয়। সেয়ে জীৱনানন্দ দাশৰ কবিতাৰ ৰূপগত বৈচিত্ৰ্য বিচাৰ কৰাৰ বেলিকা ছন্দ অলংকাৰ প্ৰতীক চিত্ৰকল্প আৰু শব্দ চাতুৰ্যৰে নিৰ্মাণ কৰা কাব্যিক প্ৰকাশশৈলী বিচাৰ কৰিব লাগিব।

## (দুই)

### ছন্দ বৈচিত্ৰ্য

জীৱনানন্দ দাশ যথাৰ্থতে ছান্দসিক কবি। এওঁৰ কবিতাত বাংলা কবিতাৰ পৰম্পৰাগত ছন্দৰ উপৰিও কবিতাৰ ভাব প্ৰকাশৰ প্ৰযোজনত কবিতা বিশেষে পৰম্পৰাৰ পৰা বাহিৰলৈ আহি নতুন ছন্দৰীতিত কবিতা ৰচনা কৰা দেখা যায়। এই বিষয়ত কবি গৰাকীয়ে কোৱা এযাৰ কথা তাৎপৰ্যপূৰ্ণ।

> কাব্যেব ছন্দতো অনেকবকম গদ্যও তো একবকম ছন্দ। কবি যখন ভাবাক্রান্ত হয় তখন চোখ তাঁব ছবি দেখে কান শোনে ছন্দ এবং চোখও অনুভব কবে যেন ছন্দবিদ্যুৎ, কোন ছন্দে কবিতাটি বচিত হবে মুহূর্তেব ভিতবেই নির্ণীত হয়ে যায় অনেক সময় কারণ যে কোনো আবেগ যে কোনো ছন্দে ৰূপ পবিগ্রহ কবতে পাবে না কবিপ্রেবণাব তাবতম্য অনুসাবে ছন্দেব জাতি নির্ণয় হয়।[২]

ছন্দ সচেতন কবি জীৱনানন্দ দাশৰ সৰহভাগ কবিতা পয়াৰ ছন্দত ৰচিত।

> মাত্রাচালেব ব্যাপাবে তিনি পয়াব প্রেমী — ঠিক পয়ার নয় মহাপয়াব। 'ৰূপসী বাংলা'ব কবিতাগুলি ছাড়াও তাঁব 'জীবন প্রেম 'অনেক আকাশ 'মৃত্যুব আগে প্রভৃতি কবিতায় ৮/১০ মাত্রার মহাপয়াব এমন কি 'শকুন 'অঘ্রাণ 'শীত শেষ পায়য়ারা প্রভৃতি কবিতায় ২৬ মাত্রাব মহাপয়ারেব চর্চা ও জীবনানন্দ কবেছেন।[৩]

---

১ জীবনানন্দ দাশ কবিতার কথা পৃ ২

২ উল্লিখিত গ্রন্থ, পৃ ৪৭

৩ কৃষ্ণগোপাল রায় ঃ জীবনানন্দের কবিতা পাঠ পৃঃ ১৭

সাধাৰণতে পয়াৰৰ ৰূপকল্প ৮ + ৬ = ১৪ মাত্ৰাৰ কিন্তু জীৱনানন্দৰ কবিতাৰ চৰণত ৮ + ১০ = ১৮ মাত্ৰা ৮ + ৮ + ৬ = ২২ মাত্ৰা আনকি ৮ + ৮ + ১০ = ২৬ মাত্ৰা পৰ্যন্ত প্ৰয়োগ হোৱা দেখা যায়।

জীৱনানন্দ দাশৰ কবিতাত মহাপয়াৰ ছন্দৰ প্ৰয়োগ যথেষ্ট দেখা যায়। পয়াৰৰ ৰূপকল্প হ'ল — ৮ + ৬ মাত্ৰাৰ। জীৱনানন্দ দাশৰ কবিতাত ১৮ ২২ মাত্ৰাৰ প্ৰয়োগ হৈছে। আনকি জীৱনানন্দ দাশে ২৬ মাত্ৰাৰ পয়াৰৰ ৰূপ দিয়া দেখা যায়। ইয়াকে বাংলা সমালোচকসকলে মহাপয়াৰ ছন্দ আখ্যা দিছে। যেনে —

| | |
|---|---|
| গানেৰ সুৰেৰ মতো/বিকালেৰ দিকেৰ বাতাসে | ৮ + ১০ = ১৮ |
| পৃথিবীৰ পথ ছেড়ে/সন্ধ্যাৰ মেঘেৰ ৰঙ খুঁজে | ৮ + ১০ |
| হৃদয় ভাসিয়া যায়/সেখানে সে কাৰো ভালবাসে | ৮ + ১০ |
| পাখিৰ মতন কেঁপে/ডানা মেলে হিম চোখ বুজে | ৮ + ১০ |
| অধীৰ পাতাৰ মতো/পৃথিবীর মাঠের সবুজে | ৮ + ১০ |
| উৰে উৰে ঘৰ ছেড়ে/কত দিকে গিয়েসে সে ভেসে | ৮ + ১০ |
| নীড়েৰ মতন বুকে/একবাৰ তাৰ মুখ গুঁজে | ৮ + ১০ |
| ঘুমাতে চেয়েসে তবু/ব্যথা পেয়ে গেছে ফেঁসে | ৮ + ১০ |
| তখন ভোৰেৰ ৰোদে/আকাশে মেঘেৰ ঠোঁট/উঠেছিল হেসে | ৮ + ৮ + ৬ |

(অনেক আকাশ ধূসর পাণ্ডুলিপি)

সেইদৰে ৮ + ৮ + ৬ = ২২ মাত্ৰাৰ মহাপয়াৰ ছন্দৰ প্ৰয়োগ যেনে —

| | |
|---|---|
| আমাৰা হেঁটেছি যাৰা/নিৰ্জন খড়েৰ মাঠে/পউষ সন্ধ্যায় | ৮ + ৮ + ৬ |
| দেখেছি মাঠেৰ পারে/নৰম নদীৰ নাৰী/ছড়াতেছে ফুল | ৮ + ৮ + ৬ |
| কুয়াশায় কবে কারে/পাড়া গাঁর মেয়েদের/মতো যেন হায় | ৮ + ৮ + ৬ |
| তাৰা সব আমৰা দে/খেছি যারা অন্ধকাৰে/আকন্দ ধুন্দুল | ৮ + ৮ + ৬ |
| জোনাকিতে ভৰে গেছে/যে মাঠে ফচল নাই/তাহাৰ শিয়রে | ৮ + ৮ + ৬ |
| চুপে দাড়ায়েছে চাঁদ/কোনো সাধ নাই তাৰ/ফসলের তরে | ৮ + ৮ + ৬ |

(মৃত্যুর আগে ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতাত ২৬ মাত্ৰা পৰ্যন্ত ব্যৱহাৰ কৰা মহাপয়াৰ ছন্দও পোৱা যায়। যেনে—

ঘাসের ভিতরে যেই/চড়ায়ের শাদা ডিম/ভেঙে আছে আমি ভালবাসি

৮ + ৮ + ১০ = ২৬

নিস্তব্ধ করুণ মুখ/তার এই করে যেন/ভেঙেছিছ ঢের ধুলো খড়

৮ + ৮ + ১০

লেগে আছে তার বুকে/বহুক্ষণ চেয়ে থাকি/তারপর ঘাসের ভিতর

৮ + ৮ + ১০

শাদা শাদা ধুলোগুলো/পড়ে আছে দেখা যায়/খইধান দেখি একরাশি
৮ + ৮ + ১০
ছড়ায়ে বয়েছে চুপে /নবম বিষণ্ন গন্ধ/পুকুবেব জল থেকে উঠিতেসে ভাসি
৮ + ৮ + ১০

(৫৭ নং কবিতা রূপসী বাংলা)

জীৱনানন্দ দাশৰ কবিতাত মুক্তক ছন্দই অভিনৱ ৰূপ লাভ কৰা দেখা যায়। বাংলাত বলাকাৰ ছন্দ ৰূপে খ্যাত মুক্তক ছন্দত চৰণৰ সমতা নাথাকে। পৰ্বৰ বান্ধোন কিন্তু ইয়াত ৰক্ষা কৰা হয়। যেনে —

তবুও তো প্যাঁচা জাগে
গলিত স্থবিব ব্যাং আবো দুই মুহূর্তেব ভিক্ষা মাগে
আবেকটি প্রভাতেব ইশাবায় — অনুমেয় উষ্ণ অনুবাগে
টেব পাই যুথচাবী আঁধাবেব গাঢ় নিরুদ্দেশে
চারি দিকে মশাবিব ক্ষমাহীন বিরুদ্ধতা
মশা তাব অন্ধকাব সংঘাবামে জেগে থেকে জীবনেব স্রোত ভালোবাসে।

(আট বছব আগেব একদিন মহা পৃথিবী)

আন এটা মুক্তক ছন্দ যেনে —

আমাকে খোঁজো না তুমি/বহুদিন — কতদিন/আমিও তোমাকে
খুজিনাকো — এক /নক্ষত্রের নিচে তবু/একই আলো পৃথিবীব পাবে
আমবা দুজনে আসি /পৃথিবীব পুবোনো পথের/বেখা হয়ে যায় ক্ষয়
প্রেম ধীরে মুছে যায় /নক্ষত্রেবও একদিন/মরে যেতে হয
হয় নাকি?/বলে সে তাকাল তার/সঙ্গিনীব দিকে
আজ এই মাঠ/সূর্য সহধর্মী/অঘ্রাণ কার্তিকে
প্রাণ তাব ভবে গেছে

(দু'জন বনলতা সেন)

জীৱনানন্দ দাশৰ কবিতাত প্ৰযোগ হোৱা ছন্দ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে জীৱনানন্দ দাশে প্ৰধানতঃ মিশ্ৰ বৃত্ত, দলবৃত্ত আৰু কলাবৃত্ত — এই তিনিটা ৰীতি তেওঁৰ কবিতাত প্ৰয়োগ কৰিছে। উল্লেখযোগ্য যে তেওঁৰ কবিতাসমূহৰ ভিতৰত সৰ্বাধিক কবিতা লিখিছে মিশ্ৰবৃত্ত ৰীতিত। মিশ্ৰবৃত্ত ৰীতিত লিখা তেওঁৰ কবিতাৰ সংখ্যা ১৭৫ টা। সেইদৰে সংখ্যাত কম হ'লেও দলবৃত্ত ৰীতিত ৩৭ টা আৰু কলাবৃত্ত ৰীতিত ১৬ টা কবিতা ৰচনা কৰিছিল।[৪]

---

[৪] ৰামবহাল তেওৱী 'জীবনানন্দ দাশের ছন্দ-ভাবনা ও ছন্দ-শিল্প' পার্থজিৎ গঙ্গোপাধ্যায় (সম্পা) জীবনানন্দ পৃঃ ৩৬৪

জীৱনান্দ দাশে গদ্য ছন্দতো কবিতা ৰচনা কৰিছে। অৱশ্যে গদ্য ছন্দত লিখা কবিতাৰ সংখ্যা বৰ বেছি নহয়। গদ্য ছন্দতত লিখা কবিতা হিচাপে 'নগ্ন নির্জন হাত 'ঘাস 'হাওয়াব বাত উল্লেখযোগ্য। যেনে —

আবাব আকাশে অন্ধকাব ঘন হয়ে উঠেছে;
আলোর বহস্যময়ী সহোদবাব মতো এই অন্ধকাব।
সে আমাকে চিবদিন ভালবেসেছে
অথচ যাব মুখ আমি কোনোদিন দেখিনি
সেই নাবীর মতো
ফাল্গুন আকাশে অন্ধকার নিবিড় হয়ে উঠেছে।
(নগ্ন নির্জন হাত বনলতা সেন)

জীৱনানন্দ দাশে অন্যান্য ছন্দ সজ্জাত যিদৰে পৰম্পৰা মুক্ত হৈ কিছু নতুনত্ব আনিছে, সেইদৰে চনেটৰ বেলিকাও তেওঁ কিছু নতুনত্ব আনিছে। আৱশ্যে জনপ্রিয় পেট্রাকীয় ৰীতিতো তেও কবিতা ৰচনা নকৰা নহয়। যেনে —

এখানে আকাশ নীল — নীলাভ আকাশ জুড়ে সজিনাব ফুল ক
ফুটে থাকে হিম শাদা — বং তাব আশ্বিনেব আলোর মতন খ
আকন্দ ফুলেব কালো ভীমরুল এইখানে কবে গুঞ্জরণ খ
বৌদ্রেব দুপুব ভ'বে — বার বাব বোদ তাব সুচিক্কণ চুল ক
কাঁঠাল জামের বুকে নিঙরায় — দহে বিলে চঞ্চল আঙুল ক
বুলায়ে বুলায়ে ফেবে এইখানে জাম লিচু কাঁঠালেব বন খ
ধনপতি শ্রীমন্তের বেহুলাব লহনার ছুঁয়েসে চবণ খ
মেঠো পথে মিশে আছে কাক আব কোকিলেব শবীবেব ধুল ক
কবেকার কোকিলেব জানো কি তা ? যখন মুকুন্দ রাম হায় গ
লিখিতেছিলেন ব'সে দু পহরে সাধেব সে চণ্ডিকামঙ্গল ঘ
কোকিলের ডাক শুনে লেখা তাঁব বাধা পায় — থেমে থেমে যায় গ
অথবা বেহুলা একা যখন চলেছে ভেঙে গাঙুড়ের জল ঘ
সন্ধ্যার অন্ধকাবে ধানক্ষেতে আমবনে অস্পষ্ট শাখায় গ
কোকিলের ডাক শুনে চোখে তার ফুটেছিলো কুয়াশা কেবল ঘ
(কবিতা নং ৩০ রূপসী বাংলা)

প্ৰথাগত পেট্ৰাকীয় চনেটৰ পৰা আঁতৰি গৈ জীৱনানন্দ দাশে নিজা বৈশিষ্ট্য ৰক্ষা কৰাও দেখা যায়। এনে ধৰণৰ চনেটো তেওঁ ৰচনা কৰিছে; য'ত ষড়কৰ শেষৰ পংক্তি দুটাক সমিল ৰূপত ৰাখিও চনেট ৰচনা কৰিছে। যেনে —

আমি এই ঘাসেব বুকে শুয়ে থাকি শালিখ নিয়েচে নিঙড়ায়ে
নরম হলুদ পায়ে এই ঘাস এ সবুজ ঘাসেব ভিতবে
সোঁদা ধুলো শুয়ে আছে — কাঁচের মতন পাখা এ ঘাসেব গায়ে
ভেবেণ্ডাফুলেব নীল ভোমবাবা বুলাতেছে — শাদা স্তন ঝবে
কববীব কোন এক কিশোবী এসে ছিঁড়ে নিয়ে চলে গেছে ফুল
তাই দুধ ঝবিতেছে কববীব ঘাসে ঘাসে নবম ব্যাকুল
(কবিতা নং ৯ রূপসী বাংলা)

জীৱনানন্দ দাশৰ কবিতাৰ ক্ষেত্রত দেখা যায় যে পৰম্পৰাগতভাৱে চলি অহা ২ ৪ ৬ ৮ চৰণযুক্ত স্তৱকৰ পৰা আঁতৰি আহি তেওঁ নতুন সংখ্যাযুক্ত স্তৱক ৰচনা কৰিছে। যেনে — 'অনেক আকাশ কবিতাত ৯ চৰণযুক্ত স্তৱক 'হায় চিল কবিতাটোত ৭ চৰণযুক্ত 'মুহূর্ত আৰু 'শঙ্খ'ত ৯ চৰণযুক্ত আৰু 'অৱশেষে কবিতাটোত ১৩ চৰণযুক্ত স্তৱক ৰচনা কৰিছে।

কবিতাত ছন্দ প্রয়োগৰ ক্ষেত্রত জীৱনানন্দ দাশে সাধাৰণতে বাংলাত অপ্রচলিত তের্জাৰিমা ছন্দতো কবিতা ৰচনা কৰা দেখা যায়। ই আচলতে ত্রিপংক্তিক ইটালীয স্তৱক বন্ধন। এই ছন্দ সজ্জাত প্রথম স্তৱকৰ প্রথম শাৰীৰ লগত তৃতীয় শাৰীৰ অন্ত্যমিল থাকে। সেইদৰে দ্বিতীয় স্তৱকৰ দ্বিতীয় শাৰীৰ সৈতে পৰৱৰ্তী স্তৱকৰ প্রথম আৰু তৃতীয় শাৰীৰ অন্ত্যমিল হয়। স্তৱকৰ অন্ত্যমিল এনে ধৰণৰ — ক খ ক খ গ খ গ ঘ গ ঘ ঙ ঘ। উল্লেখযোগ্য যে জীৱনানন্দ দাশৰ ধূসৰ পাণ্ডুলিপি কাব্যগ্রন্থৰ 'শকুন 'অঘ্রাণ 'শীত শেষ এই সব 'তাই শান্তি' পায়য়াবা যেন এক দেশলাই এই শান্তি' 'বুনো হাঁস 'নদীবা কবিতাত তের্জাৰিমা ছন্দৰ স্তৱক বন্ধন পৰিলক্ষিত হয়। যেনে —

মাঠ থেকে মাঠে — সমস্ত দুপুৰ ভ'রে এশিয়াব আকাশে আকাশে (ক)
শকুনেবা চরিতেছে, মানুষ দেখেছে হাট ঘাঁটি বস্তি — নিস্তব্ধ প্রান্তব (খ)
শকুনেব যেখানে মাঠেব দৃঢ় নীববতা দাঁড়ায়েছে আকাশেব পাশে (ক)
আবেক আকাশ যেন — সেইখানে শকুনেরা এক বার নামে পবস্পর (খ)
কঠিন মেঘের থেকে যেন দূর আলো ছেড়ে ধূম্রক্লান্ত দিক্ হস্তিগণ (গ)
পড়ে গেছে, — পড়ে গেছে পৃথিবীতে এশিয়ার খেত মাঠ প্রান্তরের পব (খ)
এই সব ত্যক্ত পাখি কয়েক মুহূর্ত শুধু, — আবার করিছে আরোহণ (গ)
আঁধার বিশাল ডানা পাম্ গাছে — পাহাড়েব শিঙে শিঙে সমুদ্রেব পারে (ঘ)
একবাব পৃথিবীর শোভা দেখে — বোম্বায়ের সাগরেব জাহাজ কখন (গ)
বন্দবেব অন্ধকাবে ভিড় করে দ্যাখে তাই, — একবার স্নিগ্ধ মালবারে (ঘ)
উড়ে যায় — কোন এক মিনারের বিমর্ষ কিনারে ঘিরে অনেক শকুন (ঙ)
পৃথিবীর পাখিদের ভুলে গিয়ে চ'লে যায় কোন মৃত্যুর ওপরে (ঘ)

যেন কোন্ বৈতৰণী অথবা এ জীবনের বিচ্ছেদেৰ বিষণ্ণ লেগুণ (ঙ)
কেঁদে উঠে — চেয়ে দ্যাখে কখন গভীর নীলে মিশে গেছে সেই সব হূণ (ঙ)
(শকুনঃ ধূসর পাণ্ডুলিপি)

সি যি নহওক — ছান্দসিক কবি জীৱনানন্দ দাশৰ কবিতাৰ ছন্দ মূলতঃ লয়প্ৰধান। এওঁৰ প্ৰথম কাব্যগ্ৰন্থ 'ঝৰা পালক'ৰ কবিতাত লয়প্ৰধান ছন্দৰ উপৰিও 'মরীচিকার পিছনে যে কামনা নিয়ে কবিতাৰ ছন্দ ধ্বনিপ্ৰধান ছন্দত ৰচনা কৰা। সেইদৰে স্বৰপ্ৰধান ছন্দৰ কবিতা 'সাগৰ বলাকা 'বনেৰ চাতক — মনেৰ চাতক।

জীৱনানন্দ দাশৰ কবিতাৰ ছন্দবৈচিত্ৰ্য অগতানুগতিক তথা অভিনৱ। এওঁৰ কবিতাৰ ছন্দ বৈচিত্ৰ্যই কবিতাসমূহক কাব্যিক সুষমা দান কৰাৰ ক্ষেত্ৰত দীপ্তি ত্ৰিপাঠীয়ে কৈছে —

> জীৱনানন্দেৰ ছন্দেৰ প্ৰধানতম বৈশিষ্ট্য প্ৰচ্ছন্নতা। তাঁৰ কবিতায় কলা কৌশলেৰ অভাব নেই, ছন্দ তাঁৰ কোথাও টলেনি মিল অনুপ্ৰাস পুনরুক্তিতে যথেষ্ট বৈচিত্ৰ্য আছে, কিন্তু সেগুলি কোথাও চমক দেয় না। সব মিলিয়ে কবিৰ ব্যক্তব্যটিকে আৰো স্ফুটমান কৰে তোলে।[৫]

জীৱনানন্দ দাশৰ কবিতাৰ ছন্দ বৈভৱ সম্পৰ্কে আৰু বহু সমালোচকে অতি প্ৰশংসাসূচক মন্তব্য কৰিছে। সি যি নহওক — এইবাৰ কথা কিন্তু ক'বই লাগিব যে জীৱনানন্দ দাশ যথাৰ্থতে ছন্দ-কুশলী কবি আৰু এওঁৰ বিচিত্ৰ ছন্দ সজ্জাই কবিতাৰ শব্দ শৰীৰটোকে কেৱল সৌষ্ঠৱশালী কৰা নাই, শব্দ শৰীৰৰ উপৰিও অৰ্থবৈভৱকো সমৃদ্ধিশালী কৰি তুলিছে।

## (তিনি)

## অলংকাৰ বৈচিত্ৰ্য

মানুহৰ শৰীৰৰ সৌন্দৰ্য যিদৰে বিবিধপ্ৰকাৰ অলংকাৰে বৰ্দ্ধন কৰে কাব্যৰ অলংকাৰে সেইদৰে কাব্য শৰীৰৰ শোভা বৰ্দ্ধন কৰে আৰু লগতে অলংকাৰে কাব্যৰ মনোহাৰিত্ব গুণো বৃদ্ধি কৰে। অৱশ্যে ই সম্পূৰ্ণ নিৰ্ভৰ কৰে কবিৰ নিৰ্মাণ ক্ষমতাৰ ওপৰত। আধুনিক বাংলা কবিতাত ছন্দ কুশলী কবি হিচাপে জীৱনানন্দ দাশৰ যি কৃতিত্ব অলংকাৰ নিৰ্মাণৰ দিশতো তেওঁ সুদক্ষ কবি। সামগ্ৰিকভাৱে কবিতা সৃষ্টিৰ বেলিকা যি দক্ষতা প্ৰদৰ্শন কৰিছে, সেইদৰে অলংকাৰ প্ৰয়োগতো তেওঁৰ কবিতা শ্ৰুতিমাধুৰ্য গুণ সমৃদ্ধ হৈ পৰিছে। এনে গুণবৈশিষ্ট্যৰে জীৱনানন্দ দাশৰ কবিতাৰ শব্দালংকাৰ আৰু অৰ্থালংকাৰ কিমান প্ৰশস্ত বিচাৰ কৰা যাওক।

---

৫ দীপ্তি ত্ৰিপাঠীঃ 'জীবনানন্দের শিল্প-প্রকরণ' আবু হাসান শাহরিয়ার (সম্পা) পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৭

### শব্দালংকাৰ

জীৱনানন্দ দাশৰ কবিতা অধিক শ্ৰুতিমধুৰ হৈছে অনুপ্ৰাস অলংকাৰৰ বাবে। কবিতা পাঠৰ সময়ত শ্ৰৱণেন্দ্ৰিয়ক প্ৰশান্ত কৰিব পৰাকৈ একে ব্যঞ্জন বৰ্ণক ওচৰা ওচৰিকৈ বহোৱাই অনুপ্ৰাস অলংকাৰ নিৰ্মাণ কৰা হয়। যেনে —

### অনুপ্ৰাস অলংকাৰ

(ক) বুনো হাঁস পাখা মেলে — শাঁই শাঁই শব্দ শুনি তাব (বুনো হাঁস ধূসর পাণ্ডুলিপি)

(খ) আমাকে — তাকে — যাকে তুমি ভালোবাসো তাকে
(যদিও দিন বেলা অবেলা কালবেলা)

(গ) চুল তাব কবেকার অন্ধকার বিদিশাব নিশা (বনলতা সেন বনলতা সেন)

(ঘ) সমস্ত দিনের শেষে শিশিবেব শব্দব মতন (বনলতা সেন বনলতা সেন)

(ঙ) যদিও বুকেব উপবে ববে মৃত্যু — মৃত্যুব কবব (প্রেম ধূসর পাণ্ডুলিপি)

(চ) স্বপ্ন তুমি দ্যাখোনি তো — পৃথিবীব সব পথ সব সিন্ধু চেড়ে দিয়ে একা
(সিন্ধু সাবস মহাপৃথিবী)

(ছ) দাঁড়ায়েচি মোবা তরুণ প্রাণেব অরুণেব অনুবাগী (নব নবীনেব লাগি ঝরা পালক)

(জ) হিজলেব জানলায় আলো আব বুলবুলি কবিয়াছে খেলা
(মৃত্যুব আগে ধূসর পাণ্ডুলিপি)

(ঝ) উঁচু উঁচু উলুবন (হাঁস সাতটি তাকার তিমির)

(ঞ) নবম নদীব নাবী (মৃত্যুব আগে ধূসর পাণ্ডুলিপি)

(ট) মনুমেণ্ট মিনাবেব মাথা

### বৃত্তানুপ্রাস

(ক) চুল তাব কবে কাব অন্ধকার বিদিশাব নিশা (বনলতা সেন বনলতা সেন)

(খ) অগণন তাপী সাধাবণ প্রাচী অবাচীব উদীচীব মতন একাকী
(বাত্রিব কোবাস সাতটি তারার তিমির)

(গ) সবুজ পাতাব নীচে ঢাকা প'ড়ে একবার পলকে বাব হয়ে আসে
(মানুষ যা চেয়েছিল বেলা অবেলা কালবেলা)

### ছেকানুপ্রাস

(ক) অনন্ত সূর্যেব অস্ত শেষ ক'রে দিয়ে
বীতশোক হে আশোক সঙ্গী ইতিহাস (উত্তর প্রবেশ ঃ সাতটি তারার তিমির)

(খ) তুও আমার মতো সমুদ্রের পানে জানি রয়েছে তাকায়ে
ঢেউয়েব হুঁচোট লাগে গায়ে —
ঘুম ভেঙে যায় বার-বার
তোমার — আমার (কয়েকটি লাইন ধূসর পাণ্ডুলিপি)

**শ্রুত্যানুপ্রাস**

অবৰুদ্ধ নগৰী কি? বিচূর্ণ কি? বিজয়ী কি? এখন সময়
অনেক বিচিত্র বাত মানুষের ইতিহাসে শেষ কবে তবু
বাতেব স্বাদের মতো সপ্রতিভ ব'লে মনে হয়
(মকব সংক্রান্তির বাতে সাতটি তারার তিমির)

**অন্ত্যানুপ্রাস অলংকাৰ**

(ক) পেঁচাব ধূসব পাখা উবে যায় নক্ষত্রেব পানে
জলা মাঠ ছেড়ে দিয়ে চাঁদেব আহ্বানে
বুনো হাঁস পাখা মেলে শাঁই শাঁই শব্দ শুনি তার
এক দুই তিনি চাব অজস্র অপাব
(বুনো হাঁস বনলতা সেন)

(খ) কেউ যাহা জানে নাই — কোন এক বাণী —
আমি বহে আনি
একদিন শুনেছে যে-সুব —
ফুবায়েছে, — পুবানো তা — কোনো এক নতুন কিছুব
আছে প্রয়োজন
তাই আমি আসিয়াছি, — আমাব মতন
(কয়েকটি লাইন ধূসর পাণ্ডুলিপি)

(গ) আমাদেব প্রভু বীক্ষণ দাও মবি নাকি মোবা মহাপৃথিবীব তরে
পিবামিড যাবা গড়েছিলো একদিন — আব যাবা ভাঙে-গড়ে
মশাল যাহাবা জ্বালায় যেমন জেঙ্গিস যদি হালে
দাঁড়ায় মদিব ছায়াব মতন — যত অগণন মগজের কাঁচা মালে
(প্রার্থনা মহাপৃথিবী)

জীৱনানন্দ দাশৰ কবিতাত শব্দালংকাৰ হিচাপে অনুপ্রাস অলংকাৰেই তেওঁৰ কবিতাত অভিনৱ ৰূপ লাভ কৰিছে। এওঁৰ কবিতাৰ অনুপ্রাস বহু পৰিমাণে পৰম্পৰামুক্ত। এই বিষয়ে গুণময় মান্নাই কৈছে —

> জীবনানন্দেব অনুপ্রাসগুলো একেবারেই প্রথানুসরণ করে নি জয়দেবের কথা দূরে থাক রবীন্দ্রনাথ কিংবা সমকালিন অন্য কবিদের সঙ্গে তাঁর দূরতম সাদৃশ্যও নেই। অথচ নিজস্বরূপে তাব কোনো দ্বিধাও নেই। চারিদিকে নুয়ে পড়ে ফলেছে ফসল — এখানে অনুপ্রাস আছে, কিন্তু গতানুগতিক রীতির নয়। ব্যঞ্জনবর্ণের সমতা লক্ষণীয় কিন্তু লাইনটাকে প্রাণবন্ত করেছে ব্যঞ্জনের সঙ্গে যুক্ত হয়ে স্বরবর্ণের ক্রমাবস্থান

— ই তিনিবারের পব উ একপ্রকাব এ চারবাবেব পর অ তিনবার।
মৃদু ওঠা-পড়া।[৬]

জীৱনানন্দ দাশৰ কবিতাত প্ৰয়োগ হোৱা অনুপ্ৰাসৰ বৈচিত্ৰ্যৰ বিষয়ে কোৱা উল্লিখিত মন্তব্যটোৱে স্পষ্ট কৰি দিছে যে ছন্দ সজ্জাৰ ক্ষেত্ৰত জীৱনানন্দ দাশে পৰম্পৰাৰ পৰা যিদৰে বহু দূৰ আঁতৰি আহিছে, অলংকাৰ নিৰ্মাণৰ দিশতো সেইদৰে মৌলিক উদ্ভাৱনী দক্ষতাৰ পৰিচয় দিছে।

### অৰ্থালংকাৰ

শব্দালংকাৰে কাব্যৰ শব্দময় শৰীৰৰ যিদৰে শোভা বৰ্দ্ধন কৰে অৰ্থালংকাৰে সেইদৰে কাব্যৰ শব্দ শৰীৰৰ উপৰিও অৰ্থ বৈভৱকো স্পষ্টতা দান কৰে। এনে কাৰণতে কবিতাত প্ৰচুৰ অৰ্থালংকাৰ প্ৰয়োগ কৰা দেখা যায়। উপমা ৰূপক উৎপ্ৰেক্ষা আদি অনেক অৰ্থালংকাৰ প্ৰয়োগ কৰা হয়। এতিয়া জীৱনানন্দ দাশৰ কবিতাত অৰ্থালংকাৰৰ বৈচিত্ৰ্য বিচাৰ কৰা যাওক।

### উপমা

(ক) কচি লেবুপাতাব মতো নবম সবুজ আলোয়
পৃথিবী ভ'বে গিয়েছে এই ভোবেব বেলা
(ঘাস বনলতা সেন)

(খ) পাখির নীড়েব মতো চোখ তোলে নাটোবেব বনলতা সেন
(বনলতা সেন বনলতা সেন)

(গ) কড়িব মতন শাদা মুখ তাব (শঙ্খমালা বনলতা সেন)

(ঘ) সোনাব বলেব মতো সূর্য (উত্তব প্রকাশ সাতটি তারার তিমির)

(ঙ) গানেব ছন্দের মতো মন (প্রেম ধূসর পাণ্ডুলিপি)

(চ) হৃদয় ধূপের মতো জ্বলে (প্রেম ধূসর পাণ্ডুলিপি)

(ছ) পাখিব মায়ের মতো প্রেম (প্রেম ধূসর পাণ্ডুলিপি)

(জ) কাচের গুঁরির মতো শিশিরেব জল (পরস্পর ধূসর পাণ্ডুলিপি)

(ঝ) তোমার কান্নাব সুরে বেতের ফলেব মতো তাব ম্লান চোখ মনে আছে
(হায় চিল বনলতা সেন)

### লুপ্তোপমা

(ক) পাখির নীড়ের মতো চোখ তুলে
নাটোরের বনলতা সেন
(বনলতা সেন বনলতা সেন)

---

৬ গুণময় মান্না 'জীবনানন্দের অবসন্ন পাঠক তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃঃ ৪৫

(খ) খেলার বলের মতো তাদের হৃদয়
এই জানিয়াছে।

পূর্ণোপমা

(ক) একদিন আমরায় গিয়ে চিন্ন খঞ্জনাব মতো যখন সে নেচেছিল ইন্দ্রের সভায়।
(কবিতা নং ৩ ঃ রূপসী বাংলা)

(খ) সে কেন জলেব মত ঘুবে ঘুরে একা কথা কয়। (বোধ ঃ ধূসর পাণ্ডুলিপি)

মালোপমা

হলুদ পাতাব মতো — আলেয়ার বাস্পেব মতন
ক্ষীণ বিদ্যুতেব মতো ছেড়া মেঘ আকাশেব ধাবে
আলোর মাছিব মতো — রূপেব স্বপ্নের মতো মন
(জীবন ধূসর পাণ্ডুলিপি)

রূপক

(ক) ঘাস মাতা (ঘাস বনলতা সেন)
(খ) শকুন্ত ক্রান্তির কলবোলে (সূর্য তামসী সাতটি তারার তিমির)
(গ) হিম শয্যা (শ্মশান ঝরা পালক)
(ঘ) কামনা সাহাবা (শ্মশান ঝরা পালক)
(ঙ) সুধা জলধিব (বিবেকানন্দ ঝরা পালক)
(চ) প্রেম খঞ্জব (বিবেকানন্দ ঝরা পালক)
(ছ) করুণা প্রদীপ (বিবেকানন্দ ঝরা পালক)
(জ) ক্লেদ কামনায় (বিবেকানন্দ ঝরা পালক)
(ঝ) জীবন পান্থশালায় (জীবন দুয়োবে আমাব ঝরা পালক)
(ঞ) নেউল ধূসব নদী (আবহমান বনলতা সেন)

উৎপেক্ষা

(ক) কেউ যাহা জানে নাই কোনো এক বাণী
আমি বহে আনি
একদিন শুনেছে যে সুর —
ফুবায়েছে পুরানোতা কোনো এক নতুন কিছুর
আছে প্রয়োজন
তাই আমি আসিয়াছি — আমাব মতন
আর নাই কেউ।
সৃষ্টিব সিন্ধুর বুকে আমি এক ঢেউ
(কয়েকটি লাইন ধূসর পাণ্ডুলিপি)

**বিৰোধ**

(ক) যথাস্থান থেকে খ'সে তবুও সকলি যথাস্থানে
ৰ'য়ে যায় — শতাব্দীব শেষ হ'লে এ-বকম অবিষ্ট নিয়ম নেমে আসে
(বিভিন্ন কাবাস সাতটি তাৱার তিমিৱ)

জীৱনানন্দ দাশৰ কবিতাত অলংকাৰ বৈচিত্ৰ্য বিচাৰ কৰিলে দেখা যায় যে তেওঁৰ কবিতাত অনুপ্ৰাস আৰু উপমা অলংকাৰেই অভিনৱ ৰূপ লাভ কৰিছে; যি অভিনৱত্বই তেওঁৰ কবিতাৰ ৰূপগত বা আঙ্গিকগত সৌন্দৰ্য বৰ্দ্ধন কৰিছে। জীৱনানন্দ দাশৰ কবিতাৰ উপমাই কবিতাৰ শব্দ শৰীৰ আৰু অৰ্থ শৰীৰ উভয় শৰীৰৰ শোভা বৰ্দ্ধন কৰাৰ উপৰিও অৰ্থবোধকো বৈভৱশালী কৰি তোলা দেখা যায়। দাশৰ কবিতাত উপমাত কেতিয়াবা একোটা বিশেষণো উপমা ৰূপত প্ৰয়োগ হৈছে। তেওব 'শিকাব কবিতাত চৈধ্যটা উপমা প্ৰয়োগ কৰি কবিতাটো কাব্যিক সৌন্দৰ্যৰে সৌন্দৰ্যশালী কৰি তোলা হৈছে। দাশৰ কবিতাত প্ৰয়োগ হোৱা বহু উপমাই পৰোক্ষ অৰ্থদ্যোতনা প্ৰকাশ কৰা দেখা যায়। 'কাস্তেব মতো চাঁদ 'ববাবেব বলেব মতো বুক 'ববফেব কুচিব মতোন স্তন আদি উপমা অগতানুগতিক আৰু অভিনৱ।[৭]

সি যি নহওক — জীৱনানন্দ দাশৰ কবিতাৰ অলংকাৰ বৈচিত্ৰ্য বিচাৰ কৰিলে দেখা যায় যে এওঁৰ কবিতাত বিবিধ অলংকাৰৰ প্ৰয়োগ হৈছে যদিও উপমা অলংকাৰেই আটাইতকৈ অধিক বৈচিত্ৰ্যময় হৈ উঠিছে। এওঁৰ কবিতাৰ উপমাই কবিতাক বোধ বুদ্ধি আৰু মননশীলতা দান কৰিছে আৰু সেইদৰে পাঠকৰ মনত প্ৰতিটো উপমাই একোখন স্পষ্ট ছবি ভাসমান কৰিও তুলিছে। এনেবোৰ গুণ বৈশিষ্ট্যৰ বাবেই জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগত আৰু ৰূপগত জগত এই দুয়োখনেই সৌন্দৰ্যশালিতা আৰু মনোহাৰিত্ব গুণ আহৰণ কৰা দেখা যায়।

(চাৰি)

**প্ৰতীক**

শব্দ নিৰ্মিত কলা হিচাপে কবিতাক ভাবৰ গভীৰতা আৰু স্বচ্ছতা দান কৰাত প্ৰতীকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কবিতাৰ ধৰ্মই হৈছে ভাবক পৰোক্ষ পদ্ধতিৰে প্ৰকাশ কৰা। ইয়াকে কৰিবলৈ যাওঁতে কবিতাই উপমা প্ৰতীক চিত্ৰকল্প আদিৰ সহায় লয়। কবিতাৰ গুণধৰ্ম সম্পৰ্কে কোৱা হৈছে —

Poetry should not inform but suggest and
evoke not name things but create their atmosphere[৮]

৭ বুদ্ধদেব বসু প্ৰবন্ধ সংকলন পৃঃ ৯৫

৮ C M Bowra The Heritage of Symbolism, p 9

কাব্যিক ভাবনা জগত এখন নির্মাণ কৰিবৰ বাবেই কবিতাত কাব্যিক পৰিমণ্ডল এটা সৃষ্টি কৰা হয় আৰু এনেকুৱা মায়াময় বাতাবৰণ সৃষ্টিত প্রতীকে প্রভূত সহায় কৰে। কবিৰ ভাব অথবা একোটা কাব্যিক দৃষ্টিভঙ্গীক স্পষ্ট কৰি তুলিবৰ বাবেই কবিৰ নিজা ভাব অনুভূতি আৰু সৃষ্টিশীল কল্পনাৰ দ্বাৰা প্রতীক নির্মাণ কৰা হয়। প্রতীকৰ এনে গুণবিশিষ্টতাৰ প্রতি লক্ষ্য কৰি William York Tindall এ কৈছে—

> The literary symbol whether a work or one of its parts is clearly an embodiment As the Spirit or vital principal occupies our bodies and shines out, so thought and feeling occupy the form, shape or body that we call symbol [১]

ভাব অনুভূতি চিন্তা আৰু সূক্ষ্ম কল্পনাৰে যি প্রতীক নির্মাণ কৰা হয় সেই প্রতীকে কবিৰ ভাব একোটাক অৰ্থময় কৰি তোলে যদিও এই অৰ্থও এক প্রকাৰ কাব্যিক ধ্বনিশীলতাহে। এনে ধৰণৰ প্রতীকী ধ্বনিশীলতাই কবিতাক ভাবগধুৰ আৰু চিত্তহাৰী কৰি তোলে।

প্রতীকৰ ধ্বনিশীলতাৰে কবিতাক ঐশ্বৰ্যমণ্ডিত কৰি তোলাত জীৱনানন্দ দাশ সুদক্ষ কবি। এনে কাব্যিক দক্ষতাৰ বাবেই জীৱনানন্দ দাশৰ কবিতাত ভিন্ন প্রকাৰ প্রতীকৰ প্রয়োগ হোৱা দেখা যায়। আনকি তেওঁ একেটা প্রতীককে ভিন ভিন অৰ্থ প্রকাশ কৰি প্রতীকৰ গভীৰতা আৰু ব্যাপ্তি প্রদর্শন কৰা দেখা যায়। একেটা প্রতীকৰ মাধ্যমেদি ভিন ভিন অৰ্থদ্যোতনা প্রকাশ কৰাৰ দিশত চন্দ্র নক্ষত্র সূৰ্য নদী অন্ধকাৰ চৰাই, নাৰী বিশেষভাৱে উল্লেখযোগ্য। সংঘাতজর্জৰ জীৱনৰ ক্ষণিক শান্তিৰ প্রতীক ৰূপত চন্দ্ৰক গ্ৰহণ কৰি কৈছে—

মেঠো চাঁদ বয়েসে তাকায়ে
আমাব মুখেব দিকে ডাইনে আব বাঁয়ে
পোড়ো জমি খড়-নাড়া মাঠেব ফাটল
শিশিবেব জল।

(মাঠেৰ গল্প ধূসর পাণ্ডুলিপি)

সেইদৰে চন্দ্ৰক আশা আৰু প্রেৰণাৰ প্রতীক ৰূপে গ্ৰহণ কৰি কৈছে—

তারপব তুমি এলে মাঠেব শিয়বে —চাঁদ
পৃথিবীতে আজ আব যা হবাব নয়
একদিন হয়েছে যা তাবপর হাতছাড়া হ'য়ে
হাবায়ে ফুরায়ে গেছে, — আজো তুমি তার স্বাদ ল'য়ে
আর একবাব তবু দাঁড়ায়েছো এসে।

(কার্তিক মাঠের চাঁদ : ধূসর পাণ্ডুলিপি)

---

১ William York Tindall The Literarry Symbol, p 10

চন্দ্ৰৰ দৰেই নক্ষত্ৰকো বিভিন্ন অৰ্থত প্ৰতীক স্বৰূপে গ্ৰহণ কৰা দেখা যায়।

প্ৰাণ শক্তিৰ প্ৰতীকৰূপে —

তোমার আকাশে তুমি উষ্ণ হয়ে আছো — তবু —
বাহিবেব আকাশেব শীতে
নক্ষত্রের হইতেছে ক্ষয়
নক্ষত্রের মতন হৃদয়
পড়িতেছে ঝ'বে

(নির্জন স্বাক্ষব ধূসর পাণ্ডুলিপি)

নক্ষত্ৰক অনাগত ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতীক ৰূপে কৈছে —

সন্ধ্যাব নক্ষত্র তুমি বলো দেখি কোন পথে কোন্ ঘবে যাবো।
কোথায় উদ্যম নাই, কোথায় আবেগ নাই, — চিন্ত্র স্বপ্ন ভুলে গিযে শান্তি আমি পাবো?
বাত্রেব নক্ষত্র তুমি বলো দেখি কোন্ পথে যাবো?

(নিবালোক মহাপৃথিবী)

অবিৰাম গতিধৰ্মিতাৰে সূৰ্যক প্ৰতীক ৰূপে গ্ৰহণ কৰি কৈছে —

সোনাব বলেব মতো সূর্য ছিলো পূবেব আকাশে
সেই পটভূমিকায় ঢেব
ফেনশীর্ষ ঢেউ
উড়ন্ত ফেনাব মতো অগণন পাখি

(উত্তৰ প্ৰবেশ সাতটি তারার তিমির)

নক্ষত্ৰক পিতৃশক্তিৰ প্ৰতীক ৰূপত গ্ৰহণ কৰি কৈছে —

অন্ধকাব বাতে অশ্বত্থেব চূড়ায় প্রেমিক চিল পুরুষেব শিশিব ভেজা চোখেব মতো
ঝলমল কবছিলো সমস্ত নক্ষত্রেবা
জ্যোৎস্নরাতে বেবিলনেব রাণীর ঘাড়েব ওপর চিতাব উজ্জ্বল চামড়ার
শালেব মতো জ্বলজ্বল কবছিলো বিশাল আকাশ

(হাওয়ার বাত বনলতা সেন)

নক্ষত্ৰক যিদৰে পিতৃশক্তিৰ প্ৰতীক ৰূপত গ্ৰহণ কৰা হৈছে, সেইদৰে পৃথিৱীক মাতৃশক্তিৰ প্ৰতীক ৰূপে দেখুৱাইছে এনেদৰে —

মাটির শবীবে তার ছিলো যে পিপাসা
আর সেই ব্যথা ছিলো — সেই ঠোঁট চুল
সেই চোখ — সেই হাত — আর যে — আঙুল
রক্ত আর মাংসের স্পর্শসুখভরা —

সেই দেহ একদিন পৃথিবীর ঘ্রাণের পসরা
পেয়েছিলো — আর ধানীসুরা করেছিলো পান
(পিপাসার গান ধূসর পাণ্ডুলিপি)

নাৰীক পৰম মাধুৰ্যৰ প্ৰতীক ৰূপে দেখুৱাইছে এনেদৰে —

তবুও তোমায় জেনেছি, নারী ইতিহাসের শেষে এসে মানব প্রতিভার
রূঢ়তা ও নিস্ফলতার অধম অন্ধকারে।
মানবকে নয় নারী শুধু তোমাকে ভালোবেসে
বুঝেছি নিখিল বিষ কী রকম মধুর হতে পারে।
(তোমাকে বেলা অবেলা কালবেলা)

নদীক পৰম প্ৰেমৰ প্ৰতীক ৰূপে গ্ৰহণ কৰি কৈছে —

অনেক সমুদ্র ঘুরে ক্ষ'য়ে অন্ধকারে
দেখেছি মণিকা আলো হাতে নিয়ে তুমি
সময়ের শতকের মৃত্যু হ'লে তবু
দাঁড়িয়ে রয়েছে শ্রেয়তর বেলাভূমি
যা হয়েছে যা হতেছে এখুনি যা হবে
তার স্নিগ্ধ মালতী সৌরভে।
(মিতভাষণ বনলতা সেন)

চৰাই প্ৰতীকৰ যোগেদি জীৱনানন্দ দাশে বিভিন্ন প্ৰকাৰ ভাব প্ৰকাশ কৰা দেখা যায়। চৰাইক মুক্ত জীৱনৰ আনন্দঘন ৰূপত কল্পনা কৰি কৈছে —

আকাশে পাখিরা কথা কয় পরস্পর।
তার পর চ'লে যায় কোথায় আকাশে?
তাদের ডানার ঘ্রাণ চারিদিকে ভাসে।
(পাখিরা ধূসর পাণ্ডুলিপি)

যি চৰাইক মুক্ত জীৱনৰ প্ৰতীক ৰূপে গ্ৰহণ কৰিছে, সেই চৰাইক আধুনিক যুগৰ মানুহৰ অস্থিৰতাৰ প্ৰতীক ৰূপে দেখুৱাই কৈছে —

সে এসে পাখির মত স্থির হ'য়ে বাঁধে নাই নীড় —
তাহার পাখায় শুধু লেগে আছে তীর — অস্থিরতা।
অধীর অন্তর তারে করিয়াছে অস্থির — অধীর।
তাহারি হৃদয় তারে দিয়েছে ব্যাধের মতো ব্যথা।
(অনেক আকাশ ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতাত একেটা প্ৰতীকে কবিৰ ভিন্ন দৃষ্টিত ভিন্ন ভাব প্ৰকাশ

কৰা দেখা যায়। যি চৰাইক মুক্ত জীৱনৰ প্ৰতীকৰূপে গ্ৰহণ কৰিছে, সেই চৰাইক আধুনিক যুগৰ মানুহৰ অস্থিৰতা তথা দিশহাৰা অৱস্থাৰ প্ৰতীকৰূপে আৰু ইতিহাসৰ প্ৰতীকৰূপেও দেখুৱাইছে। চৰাইক প্ৰেমৰ প্ৰতীকৰূপে দেখুৱাই কৈছে—

কাবণ সূর্যেব চেয়ে আকাশেৰ নক্ষত্রেব থেকে
প্রেমেব প্রাণেব শক্তি বেশি — তাই বাখিয়েছে ঢেকে
পখিব মায়েব মতো প্রেম এসে আমাদেব বুক
সুস্থ ক'বে দিয়ে গেছে আমাদেব বক্তেব অসুখ।
পাখিব শিশুর মতো যখন প্রেমেবে ডেকে-ডেকে
বাতেব গুহায় বুকে ভালোবেসে লুকায়েছি মুখ
ভোবেব আলোব মতো চোখেব তাবায় তাবে দেখে।

(প্রেম ধূসর পাণ্ডুলিপি)

জয় পৰাজয় ধ্বংস-সৃষ্টি মৃত্যু ক্ষয় প্রেম এই সকলোবোৰ ইতিহাসে সামৰি লয় আৰু চৰাইক সেই ইতিহাসৰ প্ৰতীক ৰূপে দেখুৱাই কৈছে —

ঘুম ভালো — মানুষ সে নিজে
ঘুমাবাব মতন হৃদয়
হাবিয়ে ফেলেছে তবু।
অবরুদ্ধ নগবী কি? বিচূর্ণ কি? বিজয়ী কি? এখন সময়
অনেক বিচিত্র বাত মানুষেব ইতিহাসে শেষ ক'বে তবু
বাতেব স্বাদেব মতো সপ্রতিভ ব'লে মনে হয়।
মানুষেব মৃত্যু ক্ষয় প্রেম বিপ্লবের ঢেব নদীব নগবে
এই পাখি আব এই নক্ষত্রেবা ছিলো মনে পবে।

(মকর সংক্রান্তিব রাতে সাতটি তারার তিমির)

অন্ধকাৰ প্ৰতীকৰ মাজেদি ভিন্ন ভিন্ন ভাব প্ৰকাশ কৰা হৈছে। মানুহৰ জীৱনৰ সুমেৰু কুমেৰু অৰ্থাৎ জন্ম মৃত্যুৰ মাজৰ সময় অন্ধকাৰ মাত্ৰ। এনে ভাব প্ৰকাশ কৰিছে অন্ধকাৰক প্ৰতীক স্বৰূপে লৈ এনেদৰে —

একবাব তাই নীল আকাশের আলোব গাঢ়তা
তাহাবে করেছে মুগ্ধ — অন্ধকার নক্ষত্র আবাব
তাহাবে নিয়েছে ডেকে — জেনেছে সে এই চঞ্চলতা
জীবনের — উড়ে উড়ে দেখেছি সে মবণের পাব
এই উদ্বেলতা ল'য়ে নিশীথের সমুদ্রের মতো চমৎকার।

(অনেক আকাশ ধূসর পাণ্ডুলিপি)

আধুনিক যুগ-যন্ত্ৰণাক অন্ধকাৰ প্ৰতীকৰ মাজেদি স্পষ্ট কৰি কৈছে —

আমি অনেক দিন — অনেক দিন
অন্ধকাবেব সাবাৎসাবে অনন্ত মৃত্যুর মতো মিশে থেকে
হঠাৎ ভোরেব আলোব মূর্খ উচ্ছ্বাসে নিজেকে পৃথিবীব জীব ব'লে
বুঝতে পেরেছি আবাব

ঠিক সেইদৰে একেটা কবিতাতে কোৱা হৈছে —

আমাব সমস্ত হৃদয় ঘৃণায় — বেদনায় — আক্রোশে ভরে গিয়েছে,
সূর্যেব বৌদ্রে আক্রান্ত এই পৃথিবী যে কোটি কোটি শূয়োবেব আর্তনাদে
উৎসব শুরু কবেছে।
হায় উৎসব।
হৃদয়েব অবিবল অন্ধকাবেব ভিতব সূর্যকে ডুবিয়ে ফেলে
আবাব ঘুমুতে চেয়েছি আমি
অন্ধকাবেব স্তনেব ভিতব যোনিব ভিতব অনন্ত মৃত্যুব মতো মিশে থাকতে চেয়েছি।
(অন্ধকাব বনলতা সেন)

জীৱনানন্দ দাশে অন্ধকাৰ প্ৰতীকৰ মাজেদি বিভিন্ন প্ৰকাৰ ভাব প্ৰকাশ কৰাই নহয় অন্ধকাৰ প্ৰতীকক তেওঁ ৰহস্যময় কৰিও তুলিছে। অন্ধকাৰ পোহৰৰ বিপৰীত শব্দ। কিন্তু জীৱনানন্দ দাশে অন্ধকাৰক জ্যোতিৰ অৰ্থতো গ্ৰহণ কৰিছে। অন্ধকাৰ নিশা আকাশত তৰা জিলিকাদি মানুহৰ দুখে ভৰা জীৱনতো সময় বিশেষে শান্তিৰ আভা বিৰিঙি উজ্বলে। এই অৰ্থ প্ৰকাশ কৰি কোৱা হৈছে —

কে পাখি সূর্যেব থেকে সূর্যের ভিতবে
নক্ষত্রেব থেকে আবো নক্ষত্রেব বাতে
আজকেব পৃথিবীব আলোড়ন হৃদয়ে জাগিয়ে
আরো বড় বিষয়েব হাতে
সে সময় মুছে ফেলে দিয়ে
কী এক গভীব সুসময়।
মকব ক্রান্তিব বাত অন্তহীন তারায় নবীন।
(মকব সংক্রান্তির রাত সাতটি তারার তিমির)

জীৱনানন্দ দাশে মনৰ কিছুমান বিশেষ অৱস্থাকো বিভিন্ন প্ৰতীকৰ মাজেদি প্ৰকাশ কৰা দেখা যায়। প্ৰেমোন্মাথী মনৰ অৱস্থাক হৰিণ প্ৰতীকৰ যোগেদি প্ৰকাশ কৰি কৈছে—

স্বপ্নেব ভিতরে বুঝি — ফাল্গুনের জ্যোৎস্নাব ভিতরে
দেখিলাম পলাশেব বনে খেলা করে
হবিণেরা রূপালি চাঁদেব হাত শিশিরে পাতায়

বাতাস ঝাড়িছে ডানা — মুক্তা ঝ'রে যায়
পল্লবের ফাঁকে ফাঁকে — বনে বনে — হরিণের চোখে
হরিণেরা খেলা করে হাওয়া আব মুক্তার আলোকে।
(হবিণেরা বনলতা সেন)

জীৱন এক অতৃপ্ত বাসনা আৰু অতৃপ্ত বাসনাক হাঁহ প্ৰতীকৰ মাজেদি প্ৰকাশ কৰি কৈছে —

পেঁচাব ধূসব পাখা উড়ে যায় নক্ষত্রেব পানে —
জলা মাঠ ছেড়ে দিয়ে চাঁদেব আহ্বানে
বুনো হাঁস পাখা মেলে — শাঁই শাঁই শব্দ শুনি তাব
এক — দুই — তিন — চাব — অজস্র — অপাব —
বাত্রিব কিনাব দিয়ে তাহাদেব ক্ষিপ্র ডানা ঝাড়া
এঞ্জিনেব মতো শব্দে ছুটিতেছে — ছুটিতেছে তাবা।
তাবপব প'ড়ে থাকে নক্ষত্রেব বিশাল আকাশ
হাঁসের গায়েব ঘ্রাণ — দু-একটা কল্পনাব হাঁস
মনে পডে কবেকার পাডাগাঁব অরুণিমা সান্যালেব মুখ
উড়ুক উড়ুক তাবা পৌষেব জ্যোৎস্নায় নীববে উড়ুক
কল্পনাব হাঁস সব — পৃথিবীব সব ধ্বনি সব বঙ মুছে গেলে পব
উড়ুক উড়ুক তাবা হৃদয়েব শব্দহীন জ্যোৎস্নাব ভিতব।
(বুনো হাঁস বনলতা সেন)

ঘোঁৰা জীৱনানন্দ দাশৰ এটা প্ৰিয় প্ৰতীক।

যে ঘোড়ায় চ'ড়ে আমবা অতীত ঋষিদের সঙ্গে আকাশে নক্ষত্র উড়ে যাবো
সেই সব শাদা-শাদা ঘোড়ার ভিড়
যেন কোনে জ্যোৎস্নার নদীকে ঘিবে
নিস্তব্ধ হ'য়ে অপেক্ষা কবছে কোথাও
আমার হৃদয়েব ভিতর
সেই সুপক্ক বাত্রির গন্ধ পাই আমি।
(আজকের এক মুহূর্ত মহাপৃথিবী)

বস্তু জগতৰ উপৰিও জীৱনানন্দ দাসে ইন্দ্ৰিয়ানুভূতি [illegible]মানক প্ৰতীক স্বৰূপে গ্ৰহণ কৰা দেখা যায়। মনৰ অফুৰন্ত শান্তিৰ প্ৰতীক ৰূপে বৰ্ণচেতনাক গ্ৰহণ কৰি কৈছে —

তবু এই বিলম্বিত শতাব্দীর মুখ
যখন জ্ঞানের চেয়ে জ্ঞানেব প্রশ্রয় ঢের বেড়ে গিয়েছিল

যখন পৃথিবী পেয়ে মানুষ তবুও তাব পৃথিবীকে হারিয়ে ফেলেছে,
আকাশে নক্ষত্র সূর্য নীলিমার সফলতা আছে, —

(মহাত্মা গান্ধী বেলা অবেলা কালবেলা)

মৃত্যুক বগা ৰঙৰ দৰে পৰম প্ৰশান্তি ৰূপত কল্পনা কৰি বগা ৰঙক প্ৰতীক ৰূপে গ্ৰহণ কৰি কৈছে —

যেখানে গাছের শাখা নড়ে
শীত বাতে — মড়াব হাতেব শাদা হাড়েব মতন

(সহজ : ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশে প্ৰকৃতিৰ বিভিন্ন বস্তুক প্ৰতীক স্বৰূপে গ্ৰহণ কৰি বিভিন্ন ভাব প্ৰকাশ কৰা দেখা যায়। দৰাচলতে 'জীবনানন্দের কাছে প্রকৃতিই ছিল সব প্রতীকের জননী।[১০] সেয়ে হেমন্ত, শীত বসন্ত আদি ঋতুক প্ৰতীক স্বৰূপে গ্ৰহণ কৰাৰ উপৰিও নদী চৰাই, পৃথিবী আদিকো একাধিক কবিতাত ভিন্ন অৰ্থত প্ৰতীক স্বৰূপে গ্ৰহণ কৰিছে। আনহাতে একেটা প্ৰতীককে জীৱনানন্দ দাশে ভিন্ন পৰিস্থিতিত ভিন্ন উপলব্ধিৰে বিবিধ ভাব প্ৰকাশৰ মাধ্যম কৰিও লোৱা দেখা যায়। এইটো হ'বই। কাৰণ প্ৰতীকে এটা বস্তুৰ উল্লেখেৰে আন এটা ভাব প্ৰকাশ কৰে বাবেই একেটা প্ৰতীকেই ভিন ভিন অৰ্থ কৰে। এই ক্ষেত্ৰত তলৰ মন্তব্যটো উল্লেখযোগ্য —

> If we use the term in any proper and technical sense we must mean by Symbol either the incidental use of one object to represent another object to which it is related through, some common feature or the constant use of a single object (which thereby becomes the object of representation in the poem) to represent throughout the poem another object, unnamed but in some way identified [১১]

জীৱনানন্দ দাশৰ প্ৰতীকসমূহ বহু সময়ত যথেষ্ট দুৰূহ যেন ধাৰণা হয় যাৰ ফলত একোটা প্ৰতীকে বহন কৰি থকা ভাবটো সহজবোধ্য হৈ নুঠে। ইয়াৰ কাৰণ বহুতো। প্ৰথম কথা যে জীৱনানন্দ দাশ অন্তৰ্মুখিন দৃষ্টিভংগীৰ কবি। সেয়ে তেওঁৰ প্ৰতীকবোৰ বুদ্ধিনিষ্ঠতা তথা মননশীলতাৰে সমৃদ্ধ। এনে কাৰণতে তেওঁৰ কবিতাৰ প্ৰায়বোৰ প্ৰতীকেই সহজবোধ্য নহয়। দ্বিতীয়তে জীৱনানন্দ দাশৰ কবিতাত মগ্নচৈতন্যৰ গোপন গহ্বৰত প্ৰৱেশ কৰি মগ্নচৈতন্যৰ ৰহস্য উন্মোচন কৰিবলৈ চেষ্টা কৰা হৈছে। যিদৰে অধিবাস্তৱবাদী সকলে

১০ প্রদ্যুম্ন মিত্র : কবিতার গাঢ় এলাযেলে : জীবনানন্দের কাব্য-ভাবনা পৃঃ ৪২

১১ Bernard Weinberg The Limits of Symbolism, p 168

বহিৰ্জীৱনক চেৰাই গৈ মগ্নচৈতন্যতহে বিচৰণ কৰে।[১২] এনে কাৰণতে দাশৰ কবিতাৰ প্ৰতীকৰ অৰ্থবোধ জটিল হৈ পৰে। তদুপৰি মগ্নচৈতন্যজনিত হোৱা বাবেই দাশৰ বহু প্ৰতীক ৰহস্যময়তাৰে ধুৱলী-কুঁৱলি হৈয়ো পৰে। অৱশ্যে প্ৰতীকবাদ এনেকুৱাই যে ই নানন্দিক সৌন্দৰ্যক ৰহস্যময় কৰি তোলে।[১৩] জীৱনানন্দ দাশৰ কবিতাৰ প্ৰতীকো ৰহস্যময়তাৰে ধুঁৱলী-কুঁৱলি আৰু এওঁৰ প্ৰতীকে আধা আলো আধা ছাঁৰ মাজেদি কাব্যশিল্পৰ নান্দনিক সৌন্দৰ্য বৰ্দ্ধন কৰিছে। এনে কাৰণতে জীৱনানন্দ দাশৰ কবিতাৰ প্ৰতীক বৈচিত্ৰ্যই তেওঁৰ কবিতাৰ ভাবনা জগত আৰু ৰূপগত জগত এই দুয়োটাকে কাব্যিক সুষমাৰে সৌষ্ঠৱশালী কৰি তুলিছে।

(পাঁচ)

**চিত্ৰকল্প**

যুগে যুগে কবিতাত চিত্ৰকল্পই অপৰিহাৰ্য ৰূপে স্থান পাই আহিছে। অথচ সকলো যুগৰ কবিতাৰ চিত্ৰকল্পৰ স্বৰূপ বা প্ৰকৃতি একে নহয়। ধ্ৰুপদী কবিতাতো চিত্ৰকল্প আছিল কিন্তু বৰ্তমান চিত্ৰকল্প বুলি ক'লে যি বুজায় সেই অৰ্থত ধ্ৰুপদী কবিতাত চিত্ৰকল্প প্ৰয়োগ হোৱা নাছিল। ধ্ৰুপদী কবিতাত বাস্তৱৰ হুবহু অনুৰূপ বৰ্ণনাত্মক ছবি চিত্ৰণহে হৈছিল অৰ্থবহ তথা ব্যঞ্জনাধৰ্মী চিত্ৰকল্প নিৰ্মাণ হোৱা নাছিল। যথাৰ্থ চিত্ৰকল্প আধুনিক কবিতাৰহে কাব্যিক বৈভৱ। আধুনিক কবিতাৰ চিত্ৰকল্পৰ স্বৰূপ সম্পৰ্কে C Day Lewis এ কৈছে —

> In its (image) simplest terms if a picture made out of words An epithet a metaphor a simile may create an image or an image may be presented to us in a phrage or passage on the face of it purely descriptive but conveying to our imagination somthing more than the accurate reflection of an external reality Every poetic image therefore is to some degree metaphorical If looks out from a mirror in which life perceives not so much its face as some truth about its face [১৪]

চিত্ৰকল্পৰ স্বৰূপ সম্পৰ্কে গুণময় মান্নাই আন এটা অৰ্থত চিত্ৰকল্পৰ বিষয়ে কৈছে আৰু তেওঁ কোৱা কথাবাৰো তাৎপৰ্যপূৰ্ণ। মান্নাই কৈছে —

১২ Herbert Reed (ed ) **Surrealism, p 172**

১৩ C M Bowra **The Heritage of Symbolism, p 3**

১৪ C Day Lewis **The Poetic Image p 18**

কবিতা আবৃত্তি কৰে গেলে শব্দের সহায়তায় পাঠকের চিত্তে যে স্মৃতি নির্ভৰ দৃশ্যৰূপের অনুভব হয় তাই চিত্ৰকল্প।[১৫]

সি যি কি নহওক — এতিয়া জীৱনানন্দ দাশৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ বা স্থানৰ বিষয়ে সংক্ষেপে বিচাৰ কৰা যাওক।

জীৱনানন্দ দাশ প্ৰকৃতাৰ্থত চিত্ৰকল্পবাদী কবি। দাশৰ কবিতাত চিত্ৰকল্পই ভাবনা ঐশ্বৰ্য আৰু ৰূপগত সৌন্দৰ্য বৰ্দ্ধন — এই দুয়োটা গুণেই আহৰণ কৰা দেখা যায়। জীৱনানন্দ দাশৰ কবিতাত বিবিধ প্ৰকাৰ উপমা আৰু ৰূপকৰ সহায়ত একোখন অৰ্থবহ তথা মনোগ্ৰাহী চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে আৰু চিত্ৰকল্পসমূহৰ যোগেদি কবিৰ ভাব প্ৰকাশ কৰা হৈছে। কিন্তু এই ভাব প্ৰকাশ পোনপটীয়া আৰু সৰল নহয়। দাশৰ কবিতাত প্ৰতীকী ব্যঞ্জনাৰ মাজেদিহে তেওঁৰ ভাব আৰু দৃষ্টিভঙ্গী প্ৰকাশ কৰিছে। অৱশ্যে আধুনিক কবিতাৰ চিত্ৰকল্পৰ বৈশিষ্ট্যও তেনেকুৱাই। আধুনিক কবিতাৰ চিত্ৰকল্পৰ বিষয়ে spurgeonএ কৈছে —

> it is (Image) the little word picture used by a poet or prose writer to illustrate illuminate and embellish his thought It is a description or an idea which by comparision or analogy stated or understood, with something else transmits to us through the emotions and associations it arouses something of the wholeness the depth and richness of the way the writer views conceives or has felt what he is telling us [১৬]

এতিয়ালৈকে কোৱা কথাখিনিত স্পষ্ট কৰি তুলিবলৈ চেষ্টা কৰা হ'ল যে চিত্ৰকল্পত শব্দেৰে যিখন ছবি নিৰ্মাণ কৰা হয় এই ছবিখন স্থূল ছবি নহয়। কিন্তু এই ছবিখন বাস্তৱৰ আধাৰত নিৰ্মাণ কৰা। অথচ এই বাস্তৱ আধাৰিত ছবিখনে ব্যঞ্জনাৰ্থ বহন কৰি থাকে আৰু সেই ব্যঞ্জনাৰ্থটোৱেই চিত্ৰকল্পৰ স্থিতি প্ৰাণ বা আত্মা। উদাহৰণ স্বৰূপে তলৰ কবিতাংশত কেনেকৈ বাস্তৱ ছবি এখনে ব্যঞ্জনাৰ্থ বহন কৰি আছে অলপ গমি চালেই ধৰিব পাৰি।

দুপুর রাতে ও কার আওয়াজ
গান কে গাহে, গান না
কপুতবধু ঘুমায়ে আছে
নিঝুম ঝিঁঝির বুকের কাছে,

---

১৫ গুণময় মান্না : 'জীবনানন্দের অবসন্ন পাঠক' তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃঃ ৩১

১৬ Caroline F E. Spurgeon Shakespear s Imagery And what it tell us, p 9

অন্তচাঁদের আলোব তলে
এ কাব তবে কান্না

(ছায়া প্রিয়া ঝরা পালক)

জীৱনানন্দ দাশৰ কবিতাত উপমা প্ৰতীক আৰু চিত্ৰকল্পৰ সঘন প্ৰয়োগ হোৱা দেখা যায় আৰু এইবোৰে দাশৰ কবিতাক কাব্যিক সৌন্দৰ্যৰে সৌন্দৰ্যশালী কৰিছে। এতিয়া দাশৰ কবিতাত মুকুতাৰ মালাৰ দৰে চিত্ৰকল্পৰ কিদৰে মালা গাঁথি থোৱা হৈছে, তাৰ বিচাৰ কৰি চোৱা যাওক।

জীৱনানন্দ দাশৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্প একাকাৰ হৈ আছে। বিভিন্ন ঋতু চন্দ্ৰ সূৰ্য নক্ষত্ৰ অন্ধকাৰ বিবিধ বৰ্ণক প্ৰতীক ৰূপে গ্ৰহণ কৰিছে আৰু সেই প্ৰতীকবোৰৰ যোগেদি চিত্ৰকল্প কিছুমানো নিৰ্মাণ কৰিছে। হেমন্ত জীৱনানন্দ দাশৰ এটা প্ৰিয় প্ৰতীক। যেনে —

আমি সেই সুন্দবীবে দেখে লই — নুয়ে আছে নদীব এপাবে
বিয়োবাব দেবি নাই — ৰূপ ঝ'বে পড়ে তাব —
শীত এসে নষ্ট কবে দিয়ে যাবে তাবে
আজো তবু ফুবায়নি বৎসবেব নতুন বয়স
মাঠে মাঠে ঝ'বে পডে কাঁচা বোদ ভাঁড়াবেব বস

(অবসরেব গান ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতাত বিবিধ প্ৰতীকৰ দ্বাৰা নিৰ্মাণ কৰা চিত্ৰকল্পক মালা গঁথাদি গাঁথি থোৱা হৈছে। যেনে —

সন্ধ্যার নক্ষত্র তুমি বলো দেখি কোন্ পথে কোন ঘবে যাবো।
কোথায় উদ্যম নাই, কোথায় আবেগ নাই, — চিন্তা স্বপ্ন ভুলে গিয়ে শান্তি আমি পাবো?
রাত্রের নক্ষত্র তুমি বলো দেখি কোন্ পথে যাবো?
তোমারি নিজেব ঘরে চলে যাও — বলিল নক্ষত্র চুপে হেসে —
অথবা ঘাসেব পবে শুয়ে থাকো আমাব মুখেব ৰূপ ঠায় ভালোবেসে
অথবা তকায়ে দ্যাখো গোরুর গাড়িটি ধীরে চ'লে যায় অন্ধকারে সোনালি খড়ের বোঝা বুকে
পিছে তার সাপেব খোলশ নালা খলখল অন্ধকার — শান্তি তার রয়েছে সমুখে
চ'লে যায় চুপে-চুপে সোনালি খড়ের বুঝা বুকে —
যদিও বরেছে ঢের গন্ধর্ব, কিন্নর যক্ষ — তবু তার মৃত্যু নাই মুখে।

(নিরালোক মহাপৃথিবী)

এই কবিতাংশত নক্ষত্ৰ ঘাঁহ, অন্ধকাৰ আদি বিবিধ প্ৰতীকৰ যোগেদি ভিন্ন অৰ্থত চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে।

মানুহৰ জীৱনৰ আশা আকাংক্ষাবোৰ কিদৰে বাস্তৱত বোবা যন্ত্রণাত বিধ্বস্ত হয় সেই আনুভূতিক অৱস্থাটোক প্রকৃতিৰ বহিঃৰূপৰ চিত্রৰ মাজেদি প্রকাশ কৰাত জীৱনানন্দ দাশ সুদক্ষ কবি। অন্তৰ্জীৱনক বহি প্রকৃতিৰ চিত্রকল্পৰ মাজেদি প্রকাশ কৰা হৈছে এনেদৰে —

কচি লেবুপাতাব মতো নবম সবুজ আলোয়
পৃথিবী ভ'বে গিয়েছে এই ভোবের বেলা
কাঁচা বাতাবিব মতো সবুজ ঘাস — তেমনি সুঘ্রাণ —
হবিণেবা দাঁত দিয়ে চিড়েঁ নিচ্ছে।
আমাবো ইচ্ছা করে এই ঘাসের এই ঘ্রাণ হৰিৎ মদের মতো
গেলাসে গেলাসে পান কবি
এই ঘাসেব শবীব ছানি — চোখে চোখ ঘবি
ঘাসেব পাখনায় আমাব পলক
ঘাসেব ভিতব ঘাস হয়ে জন্মাই কোনো এক নিবিড় ঘাস মাতাব
শবীবেব সুস্বাদ অন্ধকাব থেকে-নেমে।
(ঘাস বনলতা সেন)

জীৱনানন্দ দাশৰ কবিতাত এনে ধৰণৰ চিত্রকল্পও নির্মাণ কৰা হৈছে; যি চিত্রকল্পত মানুহৰ ইন্দ্রিয়ানুভূতিৰ বৈপৰীত্যৰ মিশ্রণ ঘটিছে। যেনে —

হৃদয় ভবে গিয়েছে আমাব বিস্তৃর্ণ ফেল্টেব সবুজ ঘাসের গন্ধে
দিগন্ত-প্লাবিত বলীয়ান রৌদ্রেব আঘ্রাণে
মিলনোন্মত্ত বাঘিনীর গর্জনেব মত অন্ধকাবেব চঞ্চল
বিবাট সজীব বোমশ উচ্ছ্বাসে
জীবনেব দুর্দান্ত নীল মত্ততায়
(হাওয়ার রাত বনলতা সেন)

জীৱনানন্দ দাশে সমকালৰ ক্ষয়িষ্ণু তথা সংকটময় অৱস্থাক দৃশ্যমান ৰূপত দাঙি ধৰি একোখন অৰ্থবহ চিত্রকল্প নির্মাণ কৰা দেখা যায়। যেনে —

নতুন সমুদ্রের পারে নক্ষত্রের নগ্নলোক সৃষ্টি হচ্ছে যেন
কোথাও কোনো মানবিক নগর বন্দর মিনার খিলান নেই আর
একদিকে বালিপ্রলেপী মরুভূমি হু হু করছে,
আর এক দিকে ঘাসের প্রান্তর ছড়িয়ে আছে —
\+ + + + +
আন্তঃ নাক্ষত্রিক শূন্যের মতো অপার অন্ধকারে মাইলের পর মাইল।
শুধু বাতাস উড়ে আসছে

\+ + + + +

পাখি নেই, — সেই পাখিব কংকালেব গুঞ্জ বণ
কোনো গাছ নেই, — সেই তুঁতেব পল্লবেব ভিতব থেকে
অন্ধ অন্ধকাব তুষাবপিচ্ছিল এক শোণ নদীব নির্দেশে।

(সময়ের তীবে বেলা অবেলা কালবেলা)

জীৱনানন্দ দাশৰ কবিতাত এনে ধৰণৰ চিত্ৰকল্পও নির্মাণ হৈছে, যিবোৰত এটা ইন্দ্ৰিয়ানুভূতি আন এটা বা একাধিক ইন্দ্ৰিয়ানুভূতিৰ সৈতে সম্পৰ্কিত হৈ অভিনৱ অর্থদ্যোতনা সৃষ্টি কৰা হৈছে। এনে কৰিবলৈ যাওঁতে তেওঁ মালা উপমা আৰু মালা ৰূপকেৰে একোখন চিত্ৰকল্প নির্মাণ কৰিছে। যেনে —

তোমাব মুখেব দিকে তাকালে এখনো
আমি সেই পৃথিবীব সমুদ্রে নীল
দুপবেব শূন্য সব বন্দবেব ব্যথা
বিকেলেব উপকণ্ঠে সাগবেব চিল
নক্ষত্র বাত্রিব জল যুবাদেব ক্রন্দন সব —
শ্যামলী কবেছি অনুভব।

(শ্যামলী বনলতা সেন)

জীৱনানন্দ দাশৰ কবিতাৰ ভাবনা জগত আৰু ৰূপগত জগতখনক বৈচিত্ৰ্যময় কৰি তোলা চিত্ৰকল্পবোৰো ভিন্ন ধৰণৰ। তেওঁৰ কবিতাত অন্ধকাৰে প্ৰতীক ৰূপত যি ধৰণৰ বৈশিষ্ট্য প্ৰদৰ্শন কৰিছে, অন্ধকাৰক ভাবৰ বাহক ৰূপে গ্ৰহণ কৰি অনেক চিত্ৰকল্পও তেওঁ নির্মাণ কৰিছে। কবিৰ মতে মানুহৰ জীৱন ৰহস্য লুকাই থাকে অন্ধকাৰত এনে অর্থতে অন্ধকাৰৰ চিত্ৰকল্প নির্মাণ কৰি কৈছে —

সিন্ধুর ঢেউয়ের তলে অন্ধকাব বাতেব মতন
হৃদয় উঠিতে আছে কোলাহলে কেঁপে বার-বাব।
কোথায় রয়েছে আলো জেনেছে তা — বুঝেছে তা মন —
চারিদিকে ঘিবে তারে রহিয়াছে যদিও আঁধার।

\+ + + + +

সমুদ্রের অন্ধকারে গহ্বরেব ঘুম থেকে উঠে
দেখিবে জীবন তার খুলে গেছে পাখির ডিমের মতো ফুটে।

(অনেক আকাশ ধূসর পাণ্ডুলিপি)

জীৱন যন্ত্ৰণাময়। জীৱনক যন্ত্ৰণাময় কৰি তোলে পৰিস্থিতিয়ে মানুহে আৰু এনে কাৰণতে মানুহৰ জীৱন যেন ঘনঘোৰ অন্ধকাৰত নিমজ্জিত হৈ থাকে। এনে অর্থতে

অন্ধকাৰময় চিত্ৰকল্প এখন নিৰ্মাণ কৰিছে এনেদৰে —

স্বাক্ষবেব অক্ষবেব অমেয় স্তুপেব নিচে ব'সে থেকে যুগ
কোথাও সংগতি তবু পায়নাকো তাব
ভাবে কাটে — তথাপিও ধাবে কাটে ব'লে
সমস্ত সমস্যা কেটে দেয় তববাব।
চোখেব উপবে
বাত্রি ঝবে
যে দিকে তাকাই
কিছু নাই
বাত্রি ছাড়া
অন্ধকাব সমুদ্রেব তিমিব মতন
উদীচীব দিকে ভেসে যাই

(উন্মেষ সাতটি তারার তিমির)

জীৱনানন্দ দাশে অন্ধকাৰ প্ৰতীকৰ মাজেদি যিদৰে বিবিধ চিত্ৰকল্প নিৰ্মাণ কৰিছে, পোহৰ অৰ্থাৎ সূৰ্য চন্দ্ৰ নক্ষত্ৰ আদিক লৈয়ো অনেক চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়। অনেক সংঘাতৰ অন্ধকাৰে মানুহৰ জীৱন আচ্ছন্ন কৰিলেও এদিন আন্ধাৰ নাশি সূৰ্য উদয় হ'বই। সূৰ্য অমৃত। পোহৰ অমৃত। এনে অৰ্থত চিত্ৰকল্প নিৰ্মাণ কৰিছে এনেদৰে —

একদিন ম্লান হেসে আমি
তোমাব মতন এক মহিলাব কাছে
যুগেব সঞ্চিত পণ্যে লীন হ'তে গিয়ে
অগ্নি পবিধিব মাঝে বহস্য দাঁড়িয়ে
শুনেছি কিন্নব কণ্ঠ দেবদারু গাছ,
দেখেছি অমৃত সূর্য আছে।

(সুদর্শনা বনলতা সেন)

পুনৰ সূৰ্য প্ৰতীকৰ আলমত এখন মনোজ্ঞ চিত্ৰকল্প নিৰ্মাণ কৰি কৈছে —

দরদালানের ভিড় — পৃথিবীর শেষে
সেইখানে প'ড়ে আছে — শব্দহীন — ভাঙা —
সেইখানে উঁচু-উঁচু হরীতকী গাছের পিছনে
হেমন্তের বিকেলের সূর্য গোল — রাঙা —
চুপে চুপে ডুবে যায় — জ্যোৎস্নায়।

(গোধুলি সন্ধির নৃত্য সাতটি তারার তিমির)

সূৰ্যক জীৱনী শক্তি ৰূপে অনুভৱ কৰি চিত্ৰকল্প নিৰ্মাণ কৰিছে এনেদৰে —

সূর্যেব সমস্ত গোল সোনাব ভিতবে
মানুষেব শবীবের স্থিবতব মর্যাদাব মতো
তাব সেই মূর্তি এসে পড়ে।
সূর্যেব সম্পূর্ণ বড় বিভোব পবিধি
যেন তাব নিজেব জিনিস

(স্বভাব সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ চিত্ৰকল্প বিভিন্ন বৰ্ণচ্ছটাৰে সমুজ্জ্বল হৈ উঠিছে। যেনে —

(১) বোবেব বোডেব চুমা (২) বৌদ্র ঝিল মিল / উষাব আকাশ মধ্য নিশীথেব নীল / অপাব ঐশ্বর্য বেশে দেকা দাও তুমি বাবে বাবে। (৩) বক্তাভ বৌদ্রেব বিচ্ছুবিত ছেদ (৪) হৃদয় ভবে গিয়েছে / আমাব বিস্তীর্ণ ফেল্টেব / সবুজ ঘাসেব গন্ধে / দিগন্ত প্লাবিত বলীষান / বৌদ্রেব আঘ্রাণে / (৫) মাঠে মাঠে ঝবে পডে কাঁচা বোড — ভাডাবেব বস। উপবিউক্ত চিত্রকল্পগুলি কোথাও আমাদেব দৃষ্টি চেতনাকে আমোদিত কবেছে, কোথাও আলোক-উষ্ণস্পর্শ বাখছে ত্বকে কোথাও আলোক আঘ্রাণ আমাদের ঘ্রাণেন্দ্রিয়কে সুবোভিত করছে, আবাব কখনও রৌদ্রবসে আপ্লুত কবছে আস্বাদন-ইন্দ্রিয়কে।[১৭]

আলোক চেনতাৰ আধাৰত নক্ষত্ৰক প্ৰতীক স্বৰূপে গ্ৰহণ কৰি চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে এনেদৰে —

ঝাউফলে ঘাস ভ'বে — এখানে ঝাউয়ের নিচে শুয়ে আসি ঘাসেব উপবে
কাশ আব চোবকাঁটা ছেড়ে দিয়ে ফড়িং চলিয়া গেছে ঘরে।
সন্ধ্যাব নক্ষত্র তুমি বলো দেখি কোন্ পথে কোন্ ঘবে যাবো।
কোথায় উদ্যম নাই, কোথায় আবেগ নাই, — চিন্তা স্বপ্ন ভুলে গিয়ে শান্তি আমি পাবো?
রাত্রের নক্ষত্র তুমি বলো দেখি কোন্ পথে যাবো?

(নিবালোক মহাপৃথিবী)

মানুহক প্ৰাণোচ্ছল কৰি তোলা প্ৰেমক আলোক চেতনাৰূপে নক্ষত্ৰ প্ৰতীকৰ মাজেদি চিত্ৰকল্প নিৰ্মাণ কৰি কৈছে —

তোমাব মাথাব চুলে কেবলই বাত্রের মতো চুল
তারকার অনটনে ব্যাপক বিপুল

১৭ শ্যামল কুমার ঘোষ : কবিতায় চিত্রকল্প : কবি জীবনানন্দ দাশ পৃঃ ৬০

বাতেব মতন তাব একটি নির্জন নক্ষত্রকে
ধ'বে আছে।

(জনান্তিকে সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ কবিতাত নাৰীৰ ৰূপ বৰ্ণনাৰ মাজেদিও মৰ্মস্পৰ্শী একোখন চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়। যেনে —

ঘুমন্ত বমণীব একটা ৰূপ ফুটে উঠতে দেখি —
শেষ বাতে পৃথিবীব অন্ধকাবে শীতে
তোমাব ক্ষীবেব মতো মৃদু দেহ — ধূসব চিবুক বাম হাত
চালতা গাছেব পাশে খড়ো ঘবে স্নিগ্ধ হয়ে ঘুমায় নিভৃতে।

নদী প্ৰতীকৰ যোগেদি ভিন্ন অৰ্থত ভিন্ন প্ৰকাৰ চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে আৰু নদীকেন্দ্ৰিক অনেক চিত্ৰকল্পৰ ভিতৰত এখন অতি মনোৰম চিত্ৰকল্প এনেধৰণৰ —

কেউ তাবে দেখে নাই — মানুষেব পথ ছেড়ে দূবে
হাড়েব মতন শাখা ছায়াব মতন পাতা ল'য়ে
যেইখানে পৃথিবীব মানুষেব মত ক্ষুব্ধ হ'য়ে
কথা কয় — আকাংক্ষাব আলোড়নে চলিতেছে ব'যে
হেমন্তব নদী — ঢেউ ক্ষুধিতেব মতো এক সুবে
হতাশ প্রাণেব মতো অন্ধকাবে ফেলিছে নিশ্বাস —

(অনেক আকাশ ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশে চৰাই প্ৰতীকৰ আলমতো অনেক চিত্ৰকল্প নিৰ্মাণ কৰিছে; আৰু চৰাই প্ৰতীকৰ যোগেদি নিৰ্মাণ কৰা এখন চিত্তহাৰী চিত্ৰকল্প এনে ধৰণৰ —

কে পাখি সূর্যেব থেকে সূর্যেব ভিতরে
নক্ষত্রেব থেকে আবো নক্ষত্রেব বাতে
আজকেব পৃথিবীব আলোড়ন হৃদয়ে জাগিয়ে
আবো বড় বিষয়েব হাতে
সে সময় মুছে ফেলে দিয়ে
কি এক গভীব সুসময় —

(মকর সংক্রান্তিব বাতে সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ কবিতাত পুৰাণ আৰু ইতিহাসৰ চৰিত্ৰ বিশেষৰ আধাৰতো ভাবগভীৰ অনেক চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়। আধুনিক যুগৰ জটিলতাত কবিৰ মন সময় বিশেষে দিশহাৰা হোৱাৰ দৰে হৈছে আৰু তেনে মানসিক অৱস্থাত কবি গৰাকীয়ে পুৰাণ বা ইতিহাসৰ মাজলৈ গৈ প্ৰাণসঞ্জীৱনী শক্তিৰে আত্মপ্ৰত্যয় আনিব খুজিছে আৰু

তাকে কৰোতে তেওঁ পুৰাণ আৰু ইতিহাসৰ আধাৰত অনেক চিত্ৰকল্প নিৰ্মাণ কৰিছে। সেইদৰে তেও পুৰণি ৰূপকথাৰ আলমতো অনেক চিত্ৰকল্প নিৰ্মাণ কৰিছে। যেনে —

আমরা বুঝেছি যাবা বহুদিন মাস ঋতু শেষ হলে পব
পৃথিবীব সেই কন্যা কাছে এসে অন্ধকাবে নদীদেব কথা
ক'য়ে গেছে, — আমবা বুঝেছি যাবা পথ ঘাট মাঠেব ভিতব
আবো-এক আলো আছে দেহে তাব বিকালবেলাব ধূসবতা
চোখেব দেখাব হাত ছেড়ে দিয়ে সেই আলো হ'য়ে আছে স্থিব
পৃথিবীব কংকাবতী ভেসে গিয়ে সেইখানে পায় ম্লান ধূপেব শরীব

(মৃত্যুব আগে ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতাত ইন্দ্ৰিয়সংবেদনশীল চিত্ৰকল্পই অতি মহিমামণ্ডিত হৈ উঠা দেখা যায়। দৃষ্টি ইন্দ্ৰিয়ানুভূতি স্পৰ্শ শ্ৰুতি স্বাদ ঘ্ৰাণ আদি ইন্দ্ৰিয়ানুভূতিৰেও তেও এনেধৰণৰ চিত্ৰকল্প নিৰ্মাণ কৰিছে, যিবোৰত মানুহৰ ইন্দ্ৰিয়ানুভূতিবোৰ আৰ্চিত প্ৰতিবিম্বিত হোৱাদি হৈছে। যেনে —

**দৃষ্টি ইন্দ্ৰিয়ানুভূতিজনিত চিত্ৰকল্প**

সন্ধ্যা হয় — চাবিদিকে শান্ত নীববতা
খড় মুখে নিয়ে এক শালিখ যেতেসে উড়ে চুপে
গোরুব গাড়িটি যায় মেঠো পথ বেযে ধীবে ধীবে
আঙিনা ভড়িযা আছে সোনালি খড়েব ঘন স্তুপে।

(কবিতা নং ৫৯ রূপসী বাংলা)

**স্পৰ্শানুভূতিজনিত চিত্ৰকল্প**

কাস্তেব মতো বেঁকা চাঁদ
ঢালিয়াছে আলো —
প্রণয়ীব ঠোঁটেব ধাবালো
চুম্বনেব মতো

(পিপাসাব গান ধূসর পাণ্ডুলিপি)

**শ্ৰুতি অনুভূতিজনিত চিত্ৰকল্প**

বীণাব তাবেব মতো কেঁপে কেঁপে ছিঁড়ে যায় প্রাণ
অসংখ্য পান্তাব মতো লুটে তাবা পথে পথে ছোটে —
যখন ঝড়েব মতো জীবনের এসেছে আহ্বান।
অধীর ঢেউয়েব মতো — অশান্ত হাওয়াব মত গান
কোন্ দিকে ভেসে যায়।

(জীবন ধূসর পাণ্ডুলিপি)

**স্বাদ ইন্দ্রিয়ানুভূতিজনিত চিত্ৰকল্প**

এ মাটিব ছলনাব সুবাপাত্র অনিবাব চুমি
আজ মোব বুকে বাজে শুধু খেদ — শুধু অবসাদ
মহুয়াব ধুতবাব স্বাদ
জীবনেব পেয়ালায় ফোঁটা ফোঁটা ধরি
দুবন্ত শোণিতে মোব বাব বাব নিয়েছি যে ভরি।

(একদিন খুঁজেছিনু যাবে ঝরা পালক)

**ঘ্রাণেন্দ্রিয় অনুভূতিজনিত চিত্ৰকল্প**

চুয়া চন্দন গন্ধ বিলায়ে আমবা ঝবিয়া পডি
সুবাস ছড়াই উশীবেব মত — ধূপের মতন দহি

(নব নবীনেব লাগি ঝরা পালক)

**শৰীৰ চেতনাজনিত চিত্ৰকল্প**

আলো — অন্ধকাবে যাই — মাথাব ভিতবে
স্বপ্ন নয় কোন এক বোধ কাজ কবে
স্বপ্ন নয় — শান্তি নয় — ভালবাসা নয়
হৃদয়েব মাঝে এক বোধ জন্ম লয়

(বোধ ধূসর পাণ্ডুলিপি)

জীবনানন্দ দাশৰ কাব্যত মনঃসমীক্ষাত্মক বিশ্লেষণক স্পষ্ট কৰি তুলিবৰ বাবেও একোখন চিত্ৰকল্প নিৰ্মাণ কৰিছে আৰু এনে চিত্ৰকল্পই মনঃসমীক্ষাত্মক বিশ্লেষণক সহজবোধ্য কৰি তুলিছে। জটিল জীৱন তত্ত্বক কল্পনাৰে ছবি আঁকি দিয়াটো অৱশ্যে কবিতাৰ ধৰ্ম। কলাত কল্পনাৰ কিমান মূল্য কিমান গুৰুত্ব — এইষাৰ কথা স্পষ্ট হৈ উঠিছে চিগমাণ্ড ফ্ৰয়েডৰ এইষাৰ কথাত —

> The artist, like the neurotic had withrown from an unsatisfying reality into this world of imagination but unlike the neurotic he knew how to find away back from it and once more to get firm foothold in reality [১৮]

জীৱনানন্দ দাশে মনঃসমীক্ষাত্মক দৃষ্টিভঙ্গীৰে জীৱনৰ ৰহস্যৰ ব্যাখ্যা দিছে এনেধৰণৰ চিত্ৰকল্পৰে —

যাহাদেব আকাংক্ষাব জন্ম — মৃত্যু — সব —
পৃথিবীর দিন আব বাতিব বব

---

১৮ Sigmand Frued An Autobiographical Study p 118

শোনে না তাহাবা
+ + + + +
দিনেব উজ্জ্বল পথ ছেড়ে দিয়ে
ধূসর স্বপ্নেব দেখে গিয়া
হৃদয়েব আকাংক্ষাব নদী
ঢেউ তুলে তৃপ্তি পায় — ঢেউ তুলে তৃপ্তি পায় যদি —
তবে অই পৃথিবীব দেয়ালেব পবে
লিখিতে যেও না তুমি অস্পষ্ট অক্ষবে
অন্তবেব কথা

(স্বপ্নেব হাতে ধূসর পাণ্ডুলিপি)

এই কবিতাংশত ফ্ৰয়েডৰ স্বপ্ন তত্ত্বৰ আধাৰত যি মনংসমীক্ষাত্মক বিশ্লেষণেৰে চিত্ৰকল্প অংকন কৰিছে, সেইদৰে মানুহৰ নিৰ্জ্ঞান মনত অৱদমিত হৈ থকা বাসনাৰ চিত্ৰকল্প আঁকি কৈছে —

কাবা যেন বডো — বড়ো কপাট খুলছে,
বন্ধ কবে ফেলেছে আবাব
কোন দূব নীবব — আকাশ বেখাব সীমানায়।

(শ্ৰাবণ বাত মহাপৃথিবী)

জীৱনানন্দ দাশৰ কবিতাত অধিবাস্তৱবাদী (surrealist) চিত্ৰকল্পও প্ৰচুৰ ব্যৱহাৰ হোৱা দেখা যায়। অধিবাস্তৱবাদৰ মতে চেতন অৱচেতন জগতৰ বিশ্লেষণ কৰা আৰু চেতন মনৰ দ্বাৰা পৰিচালিত বহিৰ্জীৱনতকৈ অন্তৰ্জীৱনৰ অবিৰাম কোলাহল আবিষ্কাৰ কৰা।

and to create a superreality in which real
and unreal meditation and action meet and mingle
and dominate the whole of life [১৯]

চেতন মনক অতিক্ৰম কৰি অৱচেতন মনৰ সন্ধান কৰি চিত্ৰকল্পৰ মাজেদি দেখুৱাইছে এনেদৰে—

কড়িব মতন শাদা মুখ তার
দুইখানা হাত তার হিম
চোখে তাব হিজল কাঠেব বক্তিম
চিতা জ্বলে —

(শংখমালা বনলতা সেন)

১৯ Herbert Reed (ed.) The Meaning of Art, p 237

জীৱনানন্দ দাশৰ কবিতাত ইমপ্ৰেশনিষ্ট চিত্ৰকল্পও নিৰ্মাণ কৰা দেখা যায়। দাশৰ কবিতাত ঠিক ইমপ্ৰেশনিষ্ট শিল্পীৰ দৰেই ভিন্ন ৰং ভিন্ন আকাৰ স্থূল আৰু সূক্ষ্ম অনেক চিত্ৰকল্প আঁকা হৈছে; যিবোৰ আপাতদৃষ্টিত ভিন্ন যেন লাগিলেও বিভিন্ন চিত্ৰকল্প মিলি এটা সামগ্ৰিক আবেদন (total effect) সৃষ্টি কৰে। মুক্ত আকাশ সমুদ্ৰ চন্দ্ৰ সূৰ্য বিভিন্ন চৰাই, নদী নাৰী দৃশ্য স্পৰ্শ শ্ৰুতি ঘ্ৰাণ আস্বাদন আদি ইন্দ্ৰিয়ানুভূতিক আধাৰ স্বৰূপে লৈ যিমানবোৰ চিত্ৰকল্প নিৰ্মাণ কৰিছে, সেই চিত্ৰকল্পবোৰৰ যোগেদি একো একোটা ভাব বা ধাৰণাক স্পষ্ট কৰি তোলা হৈছে।

সি যি কি নহওক — জীৱনানন্দ দাশৰ কবিতাৰ চিত্ৰকল্প সীমিত পৰিসৰত বিচাৰ কৰা সম্ভৱ নহয়। কাৰণ দাশৰ কবিতা চিত্ৰকল্পপ্ৰধান আৰু এনে কাৰণতে এওঁৰ কবিতাক ৰবীন্দ্ৰনাথ ঠাকুৰে 'চিত্ৰৰূপময় বুলি মন্তব্য কৰিছে। জীৱনানন্দ দাশৰ কবিতাৰ সোৱাদ লওঁতে দৃষ্টিপটত চিত্ৰকল্পসমূহ ভাসমান হৈ উঠে কিছুমান খণ্ডিত আৰ্চিৰ ৰূপত। যিবোৰত একোখন ছবি চিত্ৰিত হোৱা দেখা যায় আৰু সেই ছবিবোৰ ভিৰ দি থাকে বিবিধ প্ৰকাৰ ভাব আৰু ধাৰণাৰে। ই অৱশ্যে চিত্ৰকল্পৰ গুণবৈশিষ্ট্য। Cecil Day Lewis এ কৈছে —

> The images in a poem are like a series of mirror set at different angles so that as the theme moves on it is reflected in a number of different aspects But they are magic mirrors they do not merely reflect the theme but give it life and forms it in there power to make a spirit visible [২০]

জীৱনানন্দ দাশৰ কবিতাৰ চিত্ৰকল্পৰ ক্ষেত্ৰত Lewis ৰ এই মন্তব্য নিঃসন্দেহে প্ৰযোজ্য। কবিতাত যি চিত্ৰকল্প প্ৰযোগ কৰা হয় সেই চিত্ৰকল্পবোৰ কেৱল কিছুমান ছবি নহয় কবিতাৰ চিত্ৰকল্প এক প্ৰকাৰ শব্দহীন ভাষা। চিত্ৰকল্পৰ এই ভাষা শব্দহীন কিন্তু অনুভাবাত্মক। এই বিষয়ত হিউমে কোৱা কথা এষাৰ অতি তাৎপৰ্যপূৰ্ণ।

> (poetry) is not a counter language but a visual concrete one It is a compromise for a language of intuition which would hand over sensations bodily
>
> \+ + + + +
>
> Images in verse are not mere decoration but the very essence of an intuitive language [২১]

---

২০ C Day Lewis **The Image of Poetry** p 18

২১ T E Hume **Speculations** p 135

জীৱনানন্দ দাশৰ কবিতাৰ চিত্ৰকল্পই পাঠকৰ অন্তৰ্দৃষ্টিত বোধ বুদ্ধি আৰু অনুভূতিক ক্ৰিয়াশীল কৰি তোলে। এনে কাৰণতে জীৱনানন্দ দাশৰ কবিতাত চিত্ৰকল্প হৈ পৰিছে কবিতাৰ প্ৰাণ বা আত্মা স্বৰূপ। কাৰণ তেওঁৰ কবিতাৰ চিত্ৰকল্পবোৰ একো একোটা ভাব বা ধাৰণা যেন একো একোটা নিয়ৰৰ টোপাল। অৰ্থাৎ ভাব বা ধাৰণাৰ ঘনত্বৰে দুৰ্বল খোৱা তেওঁৰ চিত্ৰকল্পবোৰ। আৰু ধাৰণা হয় — জীৱনানন্দ দাশে কবিতা লিখাৰ বেলিকা তেওঁৰ সৃষ্টিশীল মানসপটত চিত্ৰকল্পবোৰে যেন লানি পাতি ধৰা দিয়েহি। 'ছবি আঁকতে তাঁব নিপুণতা অসাধাবণ। তাব উপব ছবিগুলো শুধু দৃশ্যেব নয় গন্ধেব ও স্পর্শেবিও বটে বিশেষভাবে গন্ধেব ও স্পর্শেব।'[২২] এনে ধৰণৰ বিভিন্ন কাৰণত জীৱনানন্দ দাশক চিত্ৰ কল্পবাদী কবি বুলি কোৱাৰ যুক্তি আছে, আৰু চিত্ৰকল্পৰ বহুবৰ্ণময় গুণবিশিষ্টতাই জীৱনানন্দ দাশৰ কবিতাৰ ভাবনাজগত আৰু ৰূপগত জগত — এই দুয়োখন জগতক ঐশ্বৰ্যশালী কৰি তুলিছে বুলি ক'লে অলপো অত্যুক্তি কৰা নহয়।

(ছয়)

## ভাষা

কবিতা শব্দ নিৰ্মিত কলা। কবিতাৰো এটা নিজস্ব ভাষা থাকে। যদিও সামগ্ৰিকভাৱে কবিতাৰ এটা নিজা ভাষা থাকে অথচ কবিতাৰ ভাষা কবি ভেদে একে নহয়। প্ৰতিজন কবিৰে মন মানসিকতা চিন্তা দৃষ্টিভংগী আৰু জীৱনবোধ পৃথক আৰু এই বিলাকৰ পৃথকতাৰ বাবেই কবি ভেদে ভাষাশৈলীও বেলেগ হয়।

জীৱনানন্দ দাশ যিমানেই সমাজ সচেতন কবি নহওক যিমানেই বাস্তৱবাদী কবি বুলি স্বীকৃত নহওক লাগিলে মূলত জীৱনানন্দ দাশ অন্তৰ্মুখিন কবি। বাস্তৱ জগত আৰু বাস্তৱ জীৱন অৰ্থাৎ বহিৰ্জীৱনৰ বৃত্তৰ পৰিধি ভেদি তেও জীৱনৰ অন্তৰ্লোকত প্ৰৱেশ কৰি মনোজগতৰ সন্ধান কৰিছে আৰু এনে সন্ধানী দৃষ্টিভংগীয়ে কবিক অন্তমুৰ্খিন কৰি তুলিছে।

জীৱনানন্দ দাশৰ কবিতাৰ ভাষা বহু দিশত বৈশিষ্ট্যযুক্ত। প্ৰথম কথা জীৱনানন্দ দাশৰ কবিতাৰ ভাষা সকলো কবিতাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় যদিও সৰহ ভাগ কবিতাৰ ভাষা সাংগীতিক। উদাহৰণ বহুত দিব পৰা যায়। সংক্ষেপে দুটামান উদাহৰণ দিয়া যাওক।

(ক) কোথায় হবিণ আজ হতেছে শিকাব
বনেব ভিতব আজ শিকাবীবা আসিয়াছে

(ক্যাম্পে ধূসর পাণ্ডুলিপি)

(খ) চুল তাব কবেকাব অন্ধকাব বিদিশাব নিশা
মুখ তার শ্রাবস্তীব কারুকার্য

(বনলতা সেন)

---

২২ বুদ্ধদেব বসু : কালের পুতুল পৃঃ ৫৪

(গ) তুমি এই রাতের বাতাস
বাতাসেব সিন্ধু — ঢেউ
তোমাব মতন কেউ
নাই আব।
অন্ধকাব — নিঃসাড়তাব
মাঝ খানে
তুমি আনো প্রাণে
সমুদ্রেব ভাষা
রুধিবে পিপাসা
যেতেসে জাগায়ে
ছেঁড়া দেহে — ব্যথিত মনেব ঘায়ে
কবিতেছে জলেব মতন
বাতেব বাতাস তুমি — বাতাসেব সিন্ধু — ঢেউ
তোমাব মতন কেউ
নাই আব।
(কয়েকটি লাইন ধূসর পাণ্ডুলিপি)

উল্লিখিত তিনিওটা কবিতাংশত সাংগীতিক সুৰৰ গুঞ্জনধ্বনি পাঠকৰ অন্তৰত গুণগুণাই উঠে আৰু এই সাংগীতিক ভাষাৰ গুঞ্জনময়তাৰ ফাঁকে ফাঁকে যেন কবিৰ ভাব ঢেও ধৰি ধৰি প্ৰকাশ পাইছে।

জীৱনানন্দ দাশৰ কবিতা গীতিময় সুৰীয়া হোৱাৰ উপৰিও নাটকীয়তায়ো তেওঁৰ কবিতাৰ ভাষাক বৈচিত্ৰ্য দান কৰিছে। দাশৰ বহু কবিতাত মন'লগধৰ্মী গুণবৈশিষ্ট্যও লক্ষ্য কৰা যায়। যেনে —

(ক) সকল লোকেব মাঝে বসে
আমাব নিজেব মুদ্রা দোষে
আমি একা হতেছি আলাদা?
আমার চোখেই শুধু ধাঁধা?
আমাব পথেই শুধু বাধা?
(বোধ ধূসর পাণ্ডুলিপি)

(খ) মৃত্যুকে দলিত কববাব জন্য?
জীবনেব গভীব জয় প্রকাশ করবার জন্য?
প্রেমের ভয়াবহ গম্ভীর স্তম্ভ তুলবার জন্য?
(হাওয়ার রাত ঃ বনলতা সেন)

জীৱনানন্দ দাশৰ কবিতাত নাটকীয়তাই একাধিক গুণবৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ উঠা দেখা যায়। দাশৰ বহু কবিতাত ৰবার্ট ব্রাউনিঙৰ ড্রেমেটিক মন'লগ'ৰ সাদৃশ্য আছে। উল্লেখযোগ্য যে দাশৰ কবিতাত ড্রেমেটিক মন'লগ আৰু গীতিময়তা — এই দুয়োটা কবিতাবিশেষে এনে বৈশিষ্ট্যযুক্ত হৈ পৰিছে যে বহু সময়ত নাটকীয়তাক নিস্প্ৰভ কৰি গীতিময়তা প্ৰধান সুৰ হৈ মুঞ্জৰি উঠা দেখা যায়। যেনে —

এই ব্যথা এই প্রেম সব দিকে বয়ে গেছে
কোথাও ফডিঙে কীটে মানুষেব বুকেব ভিতবে

(ক্যাম্পে ধূসৰ পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ কবিতা নাটকীয় আৰু গীতিমাধুৰ্যময় যদিও তেওঁৰ বহু কবিতাৰ ভাষা কিন্তু গদ্যগন্ধীও। জীৱনানন্দ দাশে গ্রাম্য দেশজ আৰু প্রয়োজন বিশেষে ইংৰাজী ভাষাৰ শব্দ প্রয়োগ কৰি তেওঁ নিজস্ব ভাষাশৈলী গঢ়ি তুলিছে তেওঁৰ কবিতাত। 'জ্যান্ত' 'ছুঁড়ি' 'নাকেব ডাঁশা' 'পাখিব ডিমেব খোলা' 'নষ্ট শস্য' আদি শব্দক কাব্যিক মর্যাদা প্রদান কৰা দেখা গৈছে। সেইদৰে মেঠো চাঁদ পাখীব ডিমেব খোলা ঠাণ্ডা কড় কড 'মুবখুটে কানা' 'ছাতকুড়ো মাখা ক্লান্ত' আদি দেশজ শব্দ প্রয়োগ কৰিছে তেওৰ কবিতাত।

ক্রিয়াপদ ব্যৱহাৰৰ ক্ষেত্ৰতো জীৱনানন্দ দাশে গ্রাম্য ভাষাৰ ক্রিয়া ব্যৱহাৰ কৰা দেখা যায়। যেনে — 'ফলানো' 'ছুঁয়ে' 'ছেনে' 'ফেসে' 'ছিঁডে' 'ফেঁড়ে' আদি।

জীৱনানন্দ দাশৰ কবিতাত কেৱল শব্দইহে যে ছন্দোময় গতি লাভ কৰিছে এনে নহয় তেওঁৰ কবিতাৰ ভাবেও ঢেঁও ধৰি ধৰি প্ৰকাশ লাভ কৰিছে। সেয়ে ভাবৰ যতি অনুসৰি কমা চেমিকলন ড্রেচ আদিৰ সঘন প্রয়োগ হৈছে আৰু এইবিলাকে ভাবক হিল্লোলিত কৰি তুলিছে।

জীৱনানন্দ দাশৰ কবিতাৰ ভাষা বহু দিশৰ পৰা বৈচিত্র্যময় হৈ উঠিছে। জীৱনানন্দ দাশে গ্রাম্য সমাজত প্রচলিত ভাষা দেশজ শব্দ ইংৰাজী শব্দ আৰু প্রচুৰ সংস্কৃত শব্দ প্রয়োগ কৰা দেখা যায়। কিন্তু এজন সমালোচকৰ মতে —

তাঁব (জীবনানন্দ দাশৰ) প্রধান বিশেষত্ব আমবা এই লক্ষ্য
কবি যে সংস্কৃত শব্দ যতদূব সম্ভব এড়িয়ে চলে শুধু দেশজ শব্দ
ব্যবহাব কবে'ই তিনি কবিতা বচনা কবতে চাচ্ছেন।[২৩]

সমালোচক গৰাকীৰ এই মন্তব্যটো কিন্তু মানি ল'ব নোৱাৰি। কাৰণ জীৱনানন্দ দাশে তেওঁৰ কবিতাত ইমানেই সংস্কৃত শব্দ প্রয়োগ কৰিছে যে তাৰ তুলনাত ইংৰাজী শব্দৰ প্ৰয়োগহে বহুত কম। সংস্কৃত শব্দ যেনে —তপ্তশ্বাস নগ্নশিব আবক্ত কঙ্কব মেঘপুঞ্জ শুক্লাকাশ অতন্দ্র

---

২৩ বুদ্ধদেৱ বসু 'জীবনানন্দ দাশ-এব স্মবণে' সুব্রত রুদ্র (সম্পা) পূর্বোক্ত গ্রন্থ, পৃ° ৩

দ্বাদশ সূৰ্য বহ্নি কক্ষচ্যুত অনিৰ্বাণ ইত্যাদি। এনে ধৰণৰ ভাষা শৈলীৰে কবিতা ৰচনা কৰোঁতে জীবনানন্দ দাশৰ এটা নিজস্ব ভাষাশৈলীয়ে তেওঁৰ দাশৰ কবিতাৰ আঙ্গিকৰ দিশটোক বৈচিত্ৰ্যময় কৰি তোলা দেখা গ'ল। জীবনানন্দ দাশৰ কবিতাৰ ছন্দ-সুষমা আলংকাৰিক ধ্বনিশীলতা প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যঞ্জনাধৰ্মিতা সাংগীতিক সুৰ মাধুৰ্য গ্ৰাম্য সমাজৰ মুখৰ ভাষা তৎসম শব্দ দেশজ শব্দ আৰু ইংৰাজী শব্দৰ সংমিশ্ৰণেৰে গঢ়ি তোলা নিজস্ব ভাষা শৈলীৰে জীৱনানন্দ দাশে তেওঁৰ কবিতাক ভাবনাৰ গভীৰতাৰ উপৰিও ৰূপগত বৈচিত্ৰ্যময় সৌন্দৰ্যৰেও ঐশ্বৰ্যশালী কৰি তুলিছে, এইবাৰ কথাত সন্দেহ নাই।

## নৱকান্ত বৰুৱাৰ কবিতাৰ ৰূপবৈচিত্ৰ্য

(এক)

কবিতা শব্দ নিৰ্মিত কলা। এই কলাৰ দুটা শৰীৰ। এটা ভাবনা শৰীৰ আৰু আনটো ৰূপগত শৰীৰ বা আঙ্গিক শৰীৰ। কিন্তু দুয়োটাই এটা আনটোৰ পৰিপূৰক। T S Eliot ৰ মতে —

> If poetry is a form of communication yet that which is to be communicated is the poem itself and only incidentally the experience and the thought which have gone into it The poem s existence is somewhere between the writer and the reader it has a reality which is not simply the reality of what the writer is trying to express or of his experience of writing it or of the experience of the reader or of the writer as reader [২৪]

কবিতাই, কবি আৰু কবিতা পাঠকৰ মাজত অন্তঃসংযোগ স্থাপন কৰে আৰু এই সংযোগ সাধিত হয় কবিতাৰ ভাবনা শৰীৰ আৰু শব্দ নিৰ্মিত আঙ্গিক শৰীৰ এই দুই শৰীৰৰ মাধ্যমেদি। কবিতাৰ ভাবগত আৰু ৰূপগত বা আঙ্গিকগত শৰীৰ এই দুয়োটাই পাঠকৰ অন্তৰত বোধ আৰু বুদ্ধিত কলাত্মক শিহৰণ তোলে। ইয়াকে কবিবলৈ কবিতাৰ ভাব-বস্তু যিমান ব্যঞ্জনাধৰ্মী হোৱা উচিত সেইদৰে ৰূপবস্তুও সিমান ধ্বনিব্যঞ্জনাময় হোৱা উচিত। এনে কাৰণতে কবিতাত ৰূপগত বা আঙ্গিকগত ধ্বনিশীল সৌন্দৰ্যৰ প্ৰয়োজন। কবিতাত ৰূপগত সৌন্দৰ্যৰ এনে গুৰুত্বৰ প্ৰতি লক্ষ্য কৰিয়ে C M Bowra ই হয়তো কৈছে —

> The worth of poetry is decided not by the meaning (otherwise is would be wisdom, instruction)

২৪ T S Eliot **The use of poetry and The use of criticism**, p 30

> but by form i e nothing external throughout, by stirring every depth in metre and sound by which at all times the original spirits the Masters have distinguished themselves from the followers the second class artists [২৫]

সি যি কি নহওক — এইষাৰ কথা সঁচা যে কবিতাৰ ক্ষেত্ৰত কবিতাৰ ভাবনা শৰীৰ আৰু ৰূপগত শৰীৰৰ ভিতৰত কোনটো শ্ৰেষ্ঠ এই প্ৰশ্ন অবান্তৰ। কাৰণ কবিতা যিহেতু কলা গতিকে ইয়াৰ ভাব আৰু ৰূপ এই দুয়োটাৰ উদ্দেশ্য সৌন্দৰ্য আৰু আনন্দ প্ৰদান কৰা। এনে কাৰণতে কবিতাৰ বাবে ভাব আৰু ৰূপ এই দুয়োটাৰ সমান গুৰুত্ব সমান মূল্য।

কবিতা সংযত কলা। নিৰ্বাচিত অৰ্থঘন অতি কম শব্দৰে কবিতা নিৰ্মাণ কৰা হয়। এনে অতিসীমিত শব্দ প্ৰয়োগেৰে কবিতা নিৰ্মাণ কৰোতে অতি বেছি সহায় কৰে প্ৰতীক চিত্ৰকল্প উপমা ৰূপক আৰু বিবিধ প্ৰকাৰ কাব্যালংকাৰে। সেয়ে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ৰূপবৈচিত্ৰ্য বিচাৰ কৰোতে কবি দুগৰাকীৰ কবিতাত প্ৰয়োগ হোৱা বিবিধ প্ৰকাৰ অলংকাৰ বিচাৰ কৰিব লগা হয়। সেইদৰে কবিতাৰ সম্পৰ্ক বহু পৰিমাণে গীতৰ ওচৰ চপা। কবিতাক শ্ৰুতি মাধুৰ্য গুণেৰে গুণান্বিত কৰি তোলাৰ প্ৰয়োজনত কবিতাক ছন্দোময় কৰি তোলা হয়। এনে কাৰণতে দুয়ো গৰাকী কবিৰ কবিতাত প্ৰয়োগ হোৱা ছন্দবৈচিত্ৰ্যও বিচাৰ কৰা প্ৰয়োজন। সেয়ে কবি দুগৰাকীৰ কবিতাৰ ৰূপ বৈচিত্ৰ্য বিচাৰ কৰিবলৈ যাওঁতে দুয়ো গৰাকী কবিৰ কবিতাৰ ছন্দ বৈচিত্ৰ্য অলংকাৰ বৈশিষ্ট্য প্ৰতীক চিত্ৰকল্প শব্দবৈভব আৰু ভাষাৰ চাতুৰ্যৰ বিষয়ে আলোচনা কৰা হৈছে।

## (দুই)

### ছন্দ বৈচিত্ৰ্য

ছন্দ কবিতাৰ সুৰীয়া সৌন্দৰ্য। এই সৌন্দৰ্য কিন্তু দৰ্শনেন্দ্ৰিয়গ্ৰাহ্য নহয় ই শ্ৰৱণেন্দ্ৰিয়ইদি পাঠকৰ মনৰ পৰ্দাত মৃদু স্পৰ্শ কৰি শিহৰণ তোলা গুণময় সৌন্দৰ্য। কবিতা কলা। সেইবাবেই কবিতা সুৰ আৰু ধ্বনি গুঞ্জনময় অনুভাবাত্মক সৌন্দৰ্য। এই সৌন্দৰ্যৰ বহু উপকৰণৰ ভিতৰত ছন্দ অন্যতম উপকৰণ। ছন্দই কবিতাৰ কি কাৰ্য সাধন কৰে সেই বিষয়ে এগৰাকী ছন্দশিল্পবিদ হিচাপে নৱকান্ত বৰুৱাই কৈছে —

> কবিতাৰ ছন্দৰ নিয়মিত লয়ে কাণৰ মাজেদি গৈ শ্ৰোতাৰ মনটো অভিভূত কৰি একপ্ৰকাৰ জাগ্ৰত অথচ তুৰীয় অৱস্থালৈ লৈ

---

২৫ C M Bowra The Heritage of Symbolism, p 99

যায় আৰু সেই মানসিক স্তৰতেই কবি আৰু পাঠকৰ মনৰ সংযোগ গভীৰতৰ হয়। ই যেন একপ্ৰকাৰ সম্মোহনী শক্তি — যি শক্তিৰ প্ৰভাৱেৰে কবিয়ে পাঠকৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰে।[২৬]

কবিতাত ছন্দৰ প্ৰয়োজন কেৱল লয় মাধুৰ্য সৃষ্টি কৰাই নহয়; ইয়াতকৈয়ো আৰু বহু গুৰু দায়িত্ব পালন কৰে ছন্দই। ছন্দই কবিতাক লয় মাধুৰ্য দান কৰে সুৰৰ মাধুৰিমাৰে পাঠকৰ প্ৰাণত আনুভূতিক শিহৰণ তোলে আৰু বহু পৰিমাণে অৰ্থবোধক ব্যঞ্জনাময় কৰি তোলাতো সহায় কৰে। আৰু অলপ গভীৰলৈ গৈ ক'ব পাৰি — ছন্দ কবিতাক কলালৈ উন্নীত কৰা এক শব্দময় কালিকা। এইষাৰ কথাকে নৱকান্ত বৰুৱাই পৃথক ধৰণে কৈছে এইদৰে —

> জীৱন আৰু আৰ্টৰ মাজত দূৰত্বৰ স্বচ্ছ আঁৰ-কাপোৰ এখন আছে। সেই অদৃশ্য আঁৰ-কাপোৰখন প্ৰস্তুত কৰে আৰ্টৰ অৰ্থাৎ ৰসসৃষ্টিৰ বিভিন্ন উপাদানে। অৰ্থাৎ আমাৰ দৈনন্দিন ভাষাৰে শিল্পৰূপ হ'ল ছন্দ। সি আৰ্টৰ ক্ষেত্ৰত প্ৰয়োজনীয় এই মনস্তাত্ত্বিক দূৰত্ব আনি দি পাঠকৰ মন ৰস উপলব্ধি কৰিবৰ বাবে প্ৰস্তুত কৰি তোলে।[২৭]

'অসমীয়া ছন্দ শিল্পৰ ভূমিকা শীৰ্ষক গ্ৰন্থৰ প্ৰণেতা নৱকান্ত বৰুৱা যিদৰে ছন্দশিল্পজ্ঞানেৰে পৰিপক্ক সেইদৰে তেওঁ ছন্দকুশলী কবিও। কিন্তু এই কবিগৰাকী মুক্তক ছন্দৰ প্ৰতিহে অধিক আকৰ্ষিত। এই বিষয়ত কবিগৰাকীয়ে স্বীকাৰোক্তি কৰি কৈছে —

> হেমবৰুৱাৰ কবিতাত নিয়মিত লয় নাই, যিহেতু মুক্তক ছন্দত নেলেখে। তেওঁ গদ্যত লেখে। আকৌ নৱকান্ত, হৰি বৰকাকতিৰ কবিতাত প্ৰায়ে লয় পোৱা যায় কাৰণ তেওঁলোকৰ বেছি ভাগ কবিতা মাত্ৰাবৃত্ত আৰু যৌগিক ছন্দৰ মুক্তক ছন্দোবন্ধত সজোৱা।[২৮]

যি মুক্তক ছন্দৰ প্ৰতি কবি গৰাকী আগ্ৰহী বা আকৰ্ষিত সেই মুক্তক ছন্দনো কি আৰু কেনেকুৱা এই বিষয়ে কবি গৰাকীয়ে কৈছে এনেদৰে —

> মুক্তক ছন্দ কথাটো ভ্ৰমাত্মক। দৰাচলতে মুক্তক কোনো ছন্দ ৰীতিৰ নাম নহয়। ছন্দ সজ্জাৰহে নাম। অমিত্ৰাক্ষৰ ছন্দৰ দৰেই ইও স্তবক বন্ধনহীন ছন্দ সজ্জা। প্ৰবহমানতাক আশ্ৰয় কৰি ছেদৰ অৱলম্বনত কেনেকৈ অমিতাক্ষৰ ছন্দ সজ্জাৰ জন্ম সম্ভৱ হ'ল তাৰো আভাস দিয়া

---

২৬ নৱকান্ত বৰুৱা ঃ অসমীয়া ছন্দ শিল্পৰ ভূমিকা পৃঃ ২
২৭ উল্লিখিত গ্ৰন্থ, পৃঃ ৩
২৮ উল্লিখিত গ্ৰন্থ, পৃঃ ৭৫

হৈছে। অমিতাক্ষৰ ছন্দ যৌগিক ৰীতিৰ আশ্ৰয়তেই সৃষ্ট হয়। আৰু তাৰেই অসম চৰণৰ ব্যৱহাৰে যি ছিন্ন অমিতাক্ষৰ ছন্দ সজ্জাৰ জন্ম দিলে সিয়েই মুক্তক ছন্দৰ আদি ৰূপ। ছিন্ন অমিতাক্ষৰে কেৱলমাত্ৰ যৌগিক ছন্দৰীতিতেই পৰ্ব সংস্থাপন আৰু চৰণ বিন্যাসৰ স্বাধীনতা দিলে। কিন্তু মাত্ৰাবৃত্ত স্বৰবৃত্ত ছন্দত এনে আপাতত শিথিল বিন্যাস সম্ভৱপৰ কৰি তুলিলে মুক্তকে।[২৯]

নৱকান্ত বৰুৱাই মুক্তক ছন্দৰ বিষয়ে কৰা এইখিনি কথাৰ আধাৰত তেওঁ প্ৰয়োগ কৰা মুক্তক ছন্দ নৱকান্ত বৰুৱাৰ কবিতাত বিচাৰ কৰি চোৱা যাওক। মুক্তক ছন্দসজ্জা মাত্ৰাবৃত্ত যৌগিক আৰু স্বৰবৃত্ত এই তিনিওটা ৰীতিতে সম্ভৱ। নৱকান্ত বৰুৱাই কিন্তু স্বৰবৃত্ততকৈ মাত্ৰাবৃত্ত আৰু যৌগিক ৰীতিতহে অধিক প্ৰযোগ কৰা দেখা যায়। মাত্ৰাবৃত্ত মুক্তক ছন্দৰ উদাহৰণ —

কাৰ পথ খোলা/পূৱৰ তোৰণ/বন্ধ কাৰ/
মিছানেকি এই/সূৰ্যমুখীৰ/অঙ্গীকাৰ।
বন্ধ দৃষ্টি/সূৰ্যৰো বুকু/অন্ধকাৰ/
ত্ৰস্ত ব্যাকুল/উপনিষদৰ/ছন্দকাৰ/
পোহৰৰ শিশু/মন তোৰ/চিৰ সন্ধানী/
জীৱন মৃত্যু/দুই তুৰঙ্গ উদ্যত/
চিৰ ৰজনীৰ/চক্ৰৰেখাৰ/পথ এৰি/
কোনে নিয়ে তোৰ/নিৰুদ্দেশৰ/ৰথ টানি/
(সৌৰ স্বপ্ন হে অৰণ্য হে মহানগৰ)

ঠিক সেইদৰে —

হে নৱজাতক/আগত যুগৰ/স্বপ্ন সাধনা ৰত/
ঘৰ জেউতিৰ/বোবা যন্ত্ৰণা/শেষ হক হক শেষ/
উষাৰ পোহৰ/স'তে এটিবাৰ/চকুৰ পাপৰি/
মেলা/
উজাগৰ গাৰু/নেলাগে তিয়াব/তপত চকুৰ লোৰে/
(স্বপ্ন সম্ভৱ ঃ হে অৰণ্য হে মহানগৰ)

মাত্ৰাবৃত্ত মুক্তক ছন্দৰ দৰেই যৌগিক মুক্তক ছন্দৰ প্ৰয়োগত নৱকান্ত বৰুৱাই যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। যেনে —

---

২৯ উল্লিখিত গ্ৰন্থ, পৃঃ ৫৫

কাৰ্ফুৰ সময় হ'ল/
সূৰ্যস্নাতা নগৰীৰ/আচলৰ/শেষ ৰশ্মি কণো/
শুহি ললে/ৰাতিৰ আকাশে/
নিস্তব্ধ মৰণ নামে/নগৰীৰ ধমনীত/কৰোঁ অনুভৱ/
কাজিৰঙা ডবকাৰ/আৰণ্যক অপস্মাৰ/
সৰীসৃপ ক্রুৰ মৃত্যু/সৰ্পিল জীৱন/
পলাতক/দৈনন্দিন/নিয়ন উজ্জ্বল/গধূলিৰ/
ৰঙা নীলা শেতা মুখ/
হেনা মধুবালা/আৰু অলকানন্দাৰ/
(হে অৰণ্য হে মহানগৰ)

সেইদৰে —

আমিতো নেপালোঁ হায়/পৃথিৱীৰ প্ৰথম যৌৱন/
অৰণ্যৰ সেউজী সুৰভি/
নুশুনিলো নক্ষত্ৰৰ/পাখিৰ স্পন্দন/
আমাৰ তৰাই মাথোঁ/আকাশকে পোহৰ কৰিলে/
তলত উচুপি ৰ'ল/
অন্ধকাৰ পৃথিৱীৰ/স্বপ্নাতুৰ ক্ষয়িষ্ণু কংকাল/
(আমাৰ পৃথিৱী এটি দুটি এঘাৰটি তৰা)

নৱকান্ত বৰুৱাই মাত্ৰাবৃত্ত মুক্তক ছন্দ আৰু যৌগিক মুক্তক ছন্দকে অধিক প্ৰয়োগ কৰিছে যদিও কম পৰিমাণে সম পংক্তিক মুক্তক ছন্দ আৰু সমিল মুক্তক ছন্দও প্ৰয়োগ কৰা দেখা যায়। সমপংক্তিক মুক্তক ছন্দৰ উদাহৰণ যেনে —

পলাশৰ জুই/নুমাল এতিয়া/শাল আৰু চতিয়ন/
বনত মানৰ/দিনৰ অতীত/বহাগৰ ধুমুহাৰ/
কিমান সপোন/সৰি গ'ল তাৰ/কোনে ৰাখে খতিয়ন/
কলং কপিলী/দিজুৰ পাৰত/ককাদেউতাৰ হাড়/
(পলস মোৰ আৰু পৃথিৱীৰ)

সমিল মুক্ত ছন্দৰ উদাহৰণ যেনে —

ভ্ৰষ্ট কত/আখ্যানৰ নায়কে/বাটিতে বৈ হাত বাউলেৰে/ ক
দেখুৱাব খোজে মোক/অন্তৰৰ গভীৰ গুহাত/ খ
নিহিত স্বপ্নৰ লেখা/লেখা আছে/এন্ধাৰৰ অন্ধ আখৰেৰে/ ক

যাৰ বাবে উকা হৈ ৰ'ল/কত বুৰঞ্জীৰ পাত/ খ

(সেতু বন্ধ মহাকাব্যৰ পাণ্ডুলিপি)

সমপংক্তিক আৰু সমিল মুক্তক ছন্দ নৱকান্ত বৰুৱাই যিদৰে কম প্ৰয়োগ কৰে সেইদৰে স্পন্দিত গদ্যৰ প্ৰয়োগো তেঁও অতি কম প্ৰয়োগ কৰিছে। কিন্তু কম সংখ্যক যি কেইটা কবিতাত তেওঁ স্পন্দিত গদ্য প্ৰয়োগ কৰিছে, সেই কেইটাত গদ্যধৰ্মিতাযো ছন্দ স্পন্দনৰ গুঞ্জনধ্বনি তুলিছে। যেনে —

মৰমৰ সোণজনী
তোমাৰ চিঠিয়ে দিয়া/ধুনীয়া খবৰটিয়ে/
মনটো বুইছা মোৰ/উগুল থুগুল কৰি দিলে/
কিবা কিবি কথাবোৰ/ধুনীয়া ধুনীযা কথা/
ভাবি ভাবি আবেলিটো/
ধুনীয়াকৈ পাৰ হৈ গ'ল/
কিনো নাম থবা বাৰু/
মালবিকা/মধুবালা/
সেই নামবোৰ চোন/আজিকালি ভালকে নেলাগে/
কবিতা কবিতা লগা/অসমীযা নামবোৰ/
নেওগে থ'লেই/

(সন্তান মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ কবিতাৰ ছন্দ বিচাৰ কৰিলে দেখা যায় যে কবিগৰাকীক যথাৰ্থতে ছন্দ কুশলী হিচাপে আখ্যা দিব পৰা যায়। কবিতাত লয় সৃষ্টি কৰি শ্ৰুতিমধুৰ কৰি তোলাত নৱকান্ত বৰুৱা সিদ্ধহস্ত। এই বিষযত এগৰাকী সমালোচকে কৈছে —

> এখেতৰ খুব কম সংখ্যক কবিতাতহে লয় বা ছন্দ নাই। য'ত লয় নাই তাৰ পৰিস্থিতি সৃষ্টি সুন্দৰ। বৰুৱাই শব্দ সংযোজনাত সাংগীতিক মূল্যলৈ বীৰেন বৰকটকীৰ দৰেই চকু দিয়ে। লয়ৰ ব্যৱহাৰত বা প্ৰয়োগত নৱ বৰুৱাক কোনো আধুনিক অসমীয়া কবিয়ে এতিয়ালৈকে চেৰ পেলাব পৰা নাছিল। এই লয় বৰুৱাৰ কবিতাৰ প্ৰাণ।[৩০]

নৱকান্ত বৰুৱাৰ কবিতাৰ ছন্দ বৈচিত্ৰ্যৰ বিষয়ে জ্ঞানানন্দ শৰ্মা পাঠকে কোৱা কথাষাৰ গ্ৰহণযোগ্য। কাৰণ ছন্দৰ সুষম প্ৰয়োগেৰে নৱকান্ত বৰুৱাই তেওঁৰ কবিতাক এনেদৰে সজাই তুলিছে যে এওঁৰ কবিতাই পাঠকৰ মনত সুৰৰ গুঞ্জনধ্বনি তুলি সাংগীতিক লয়

৩০ জ্ঞানানন্দ শৰ্মা পাঠক ঃ নতুন কবিলৈ মুকলি চিঠি পৃ ৫১-৫২

মাধুৰ্য দান কৰে। এনেবোৰ গুণ বৈশিষ্ট্যৰ বাবেই নৱকান্তবৰুৱাৰ কবিতাৰ শৰীৰৰ শোভাবৰ্দ্ধন হৈছে।

(তিনি)

## অলংকাৰ বৈচিত্ৰ্য

কবিতাৰ ৰূপ বৈচিত্ৰ্য বিচাৰৰ বেলিকা ছন্দৰ পাছতে অলংকাৰৰ কথা আহে। কাৰণ ছন্দই কবিতাক যিদৰে লয় বা সুৰ মাধুৰ্য দান কৰে সেইদৰে অলংকাৰে কবিতাৰ ভাবগত সৌন্দৰ্য বহন কৰে। এনে অৰ্থতে সাহিত্য দৰ্পণত কৈছে —

> কাব্যৰ অতিশয় সৌন্দৰ্যবৰ্দ্ধক ৰস আদিৰ উপকাৰক শব্দ আৰু অৰ্থৰ অস্থিৰ ধৰ্মই (মানৱ শৰীৰৰ কেয়ুৰ আদি অলংকাৰৰ দৰে) কাব্যৰ অলংকাৰ।
>
> যেনেকৈ কেয়ুৰ-কুণ্ডল আদি পৰিধান কৰিলে সেইবিলাকে মানৱ শৰীৰৰ শোভা বঢাই শৰীৰী বা আত্মাৰ উপকাৰ সাধন কৰে ঠিক সেইদৰেই অনুপ্ৰাস উপমা আদি যিবিলাকে কাব্যৰ শৰীৰৰ স্বৰূপ শব্দ আৰু অৰ্থৰ শোভা বঢাই কাব্যৰ আত্মা স্বৰূপ ৰসৰ উপকাৰ সাধন কৰে তাকে অলংকাৰ বোলা হয়।[৩১]

সি যি কি নহওক — যুগে যুগে কাব্যৰ সৌন্দৰ্য বৰ্দ্ধনৰ উদ্দেশ্যে অলংকাৰ প্ৰয়োগ হৈ আহিছে। কিন্তু সিয়ে হ'লেও যুগে যুগে কাব্যৰ বিষয়-বস্তু আৰু ভাব-বস্তু সলনি হৈ অহাৰ পৰিণতিত অলংকাৰৰ স্বৰূপো সলনি হৈ আহিছে। নাৰীয়ে দেহত ধাৰণ কৰা অলংকাৰৰ গঢ যিদৰে সময়ৰ লগে লগে সলনি হৈছে, কবিতাৰ অলংকাৰৰ প্ৰকৃতিও সেই দৰে সলনি হৈ আহিছে।

পূৰ্বৰ ধ্ৰুপদী কবিতাৰ পৰা আধুনিক কবিতা বহুদিশত আঁতৰি আহিলে আৰু এনে কাৰণতে আধুনিক কবিতাত প্ৰয়োগ হোৱা অলংকাৰেও ৰূপ সলোৱা দেখা গ'ল। নৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰৰ এই ৰূপান্তৰ স্পষ্ট হৈ উঠা দেখা যায়। এওঁৰ কবিতাত শব্দালংকাৰ আৰু অৰ্থালংকাৰ এই দুয়োটাই অভিনৱ ৰূপ লাভ কৰিছে, যাৰ ফলত কবিতাসমূহৰ আলংকাৰিক সৌন্দৰ্য বৰ্দ্ধন হোৱা দেখা গৈছে। শব্দালংকাৰৰ ভিতৰত অনুপ্ৰাস অন্ত্যানুপ্ৰাস ছেকানুপ্ৰাসৰ প্ৰয়োগ আৰু সেইদৰে অৰ্থালংকাৰৰ ভিতৰত উপমা ৰূপক সন্দেহ, প্ৰতীপ উৎপ্ৰেক্ষা অতিশয়োক্তি বিৰোধ বিষম বিভাবনা আদিৰ প্ৰয়োগেৰে নৱকান্ত বৰুৱাই তেওঁৰ কবিতাক ৰূপগত সৌন্দৰ্যৰে সৌন্দৰ্যশালী কৰি তুলিছে। এতিয়া উল্লিখিত শব্দালংকাৰ আৰু অৰ্থালংকাৰ সমূহৰ উদাহৰণ দিয়া যাওক।

---

৩১ বিশ্বনাথ কবিৰাজ সাহিত্য দৰ্পণ পৃ° ৪৬৩

**শব্দালংকাৰ**

অনুপ্ৰাস

(ক) গুৰু ঘন ঘন ঘোৰ ঘৰিষণ গৰ্জন

(ৰাবণ মহাকাব্যৰ পাণ্ডুলিপি)

(খ) সূৰ্য অন্ধ তথাপি সত্য সূৰ্যমুখীৰ স্বীকৃতি

(সৌৰ স্বপ্ন হে অৰণ্য হে মহানগৰ)

(গ) মোৰ শিৰাই শিৰাই সিৰসিৰাই গ'ল ধনশিৰী

(ধনশিৰীৰ বাবে দুটা স্তবক ৰত্নাকৰ আৰু অন্যান্য কবিতা)

অন্ত্যানুপ্ৰাস

কাৰ পথ খোলা? পূবৰ তোৰণ বন্ধ কাৰ
ত্ৰস্ত ব্যাকুল উপনিষদৰ ছন্দকাৰ।

(সৌৰ স্বপ্ন হে অৰণ্য হে মহানগৰ)

ছেকানুপ্ৰাস

উৰণীয়া পখিটিৰ জিৰণিৰ নীড় নাই
মাথো আকাশ

(কৃপণ এটি দুটি এঘাৰটি তৰা)

ছেকানুপ্ৰাস আৰু অন্ত্যানুপ্ৰাসৰ মিশ্ৰণ

লুব্ধকৰ লুব্ধদৃষ্টি কুৰুক্ষেত্ৰ শ্মশানত
ফুৰিছেনে শুকান অস্থিৰ সন্ধানত? উত্তৰত
মেঘে মেঘে ধ্ৰুৱৰ ঘটিছে লুপ্তি

(সম্ৰাট সম্ৰাট)

**অৰ্থালংকাৰ -**

উপমা

(ক) জোনটো দেখোঁ
বিধবাৰ দৰে বগা ডাৱৰৰ কাপোৰ পিন্ধা

(ডন কুইক চ'ট মোৰ আৰু পৃথিৱীৰ)

(খ) ঈৰ্ষাৰ দৰে নীলা আকাশত
অণ্ঠাৰ দৰে জোনৰ পোহৰত

(জোনাক নিশাৰ জ্যামিতি : মোৰ আৰু পৃথিৱীৰ)

(গ) উত্তাল নদীৰ দৰে যি জীৱন শেষ হৈ গ'ল তাৰ
উভতি যোৱাৰ বাট

প্ৰতিটি ঢউৰে স'তে অতীতেই বন্ধ কৰি থলে।

(অৰ্জুন মোৰ আৰু পৃথিৱীৰ)

লুপ্তোপমা

তোমাৰ মুখ
ঠিক যেন এখনি প্ৰতিমা

(কুপ মণ্ডুক মোৰ আৰু পৃথিৱীৰ)

ৰূপক

(ক) ঘাম সাগৰত লোহাৰ জাহাজ স্থানু

(প্ৰাণ গঙ্গাৰ বন্দৰ মোৰ আৰু পৃথিৱীৰ)

(খ) সাবিত্ৰী পৃথিৱী এয়া আমাৰ আপোন

(এন্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

(গ) মনৰ খবৰ আছে জোন শেঁতা চেঁচা কপালত

(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

সন্দেহ

(ক) পাহাৰ ইমান ওখ
ওখনে মেঘতকৈও ওখ নে প্ৰেমতকৈও

(ইয়াত নদী আছিল মোৰ আৰু পৃথিৱীৰ)

(খ) নগা পাহাৰৰ টিঙৰ সিপাৰে
মেঘ জানো সেয়া?
চিএঞাহীৰে ক'লা ব্লটিং কাগজ
পানী নাই পানী নাই

(ক্ৰমশ মোৰ আৰু পৃথিৱীৰ)

প্ৰতীপ

আকাশ তোমাৰ নীলা ৰঙ মোৰ ব্যথাৰে

(প্ৰাৰ্থনা আকাশৰ প্ৰতি মোৰ আৰু পৃথিৱীৰ)

উৎপ্ৰেক্ষা

মই যেন অতীতৰ অশৰীৰী অনুভূতি
ভৱিষ্যৰ স্বপ্নেৰে উতলা।

(এন্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

অতিশয়োক্তি

পৰশমণিয়ে মোক নোৱাৰিলে কৰিব সোণালী

মোৰ কালিমাৰে মই মণিটোক কৰিলো মলিন

(কৃপণ মোৰ আৰু পৃথিৱীৰ)

বিৰোধ

(ক) তেতিয়া বাজিব মোৰ অমৰ মৃত্যুৰ গান

(ৰাৱণ মোৰ আৰু পৃথিৱীৰ)

(খ) তাৰ যে বহুত কাম শূন্যতাৰে বিশ্বপূৰ্ণ কৰা

(অন্নপথ মোৰ আৰু পৃথিৱীৰ)

বিষম

প্ৰেমৰ জাহ্নবী আহি ধুৱালে জীৱন
তথাপিও নুগুচিল ক্লেদ

(কৃপণ মোৰ আৰু পৃথিৱীৰ)

বিভাবনা

শান্তিৰ উত্তাপে তাক ধ্বংস কৰি দিলে।

(মোৰ দেশ কতনা দেশ মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ কবিতাক ছন্দ সজ্জাৰ বৈচিত্ৰ্য আৰু অলংকাৰৰ সুষম প্ৰয়োগে সৌন্দৰ্যশালী কৰি তুলিছে বাবেই এওঁৰ কবিতাৰ ভাবনা জগতখনে পাঠকক বোধ বুদ্ধি আৰু মননশীলতাৰ যিমান ওচৰ চপাই নিয়ে সেইদৰে ৰূপ বৈচিত্ৰ্যই কাব্যমোদী পাঠকৰ প্ৰহৰী মনক সিমান সন্মোহিত কৰে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল ছন্দ সজ্জা আৰু অল কাৰৰ মনোৰম উপাদানেৰে সজাই তোলা কাৰুকাৰ্যখচিত চিত্তহাৰী গুণবিশিষ্টতা।

## (চাৰি)

### প্ৰতীক

কবিতাত প্ৰতীকৰ প্ৰয়োগ নতুন কথা নহয়। লোক কবিতাৰ পৰা ধ্ৰুপদী কবিতালৈকে সকলো যুগৰ সকলো শ্ৰেণীৰ কবিতাতে প্ৰতীকৰ প্ৰয়োগ হৈ আহিছে। কিন্তু সিয়ে হ'লেও লোক কবিতা আৰু ধ্ৰুপদী কবিতাৰ প্ৰতীকৰ সৈতে আধুনিক কবিতাৰ প্ৰতীকৰ মাজত পাৰ্থক্য আছে। লোক কবিতা আৰু ধ্ৰুপদী কবিতাৰ প্ৰতীক পোনপটীয়া আৰু সৰল। এই দুয়োবিধ কবিতাৰ প্ৰতীকে সহজে ধাৰণা এটা দিয়াতে লক্ষ্য আৰু উদ্দেশ্য সমাধা কৰে। সেইবাবে লোক কবিতা আৰু ধ্ৰুপদী কবিতাৰ প্ৰতীক বহু ক্ষেত্ৰত প্ৰায় উপমাৰ সমধৰ্মী। কিন্তু আধুনিক কবিতাৰ প্ৰতীক লোক কবিতা আৰু ধ্ৰপদী কবিতাৰ সম্পূৰ্ণ বিপৰীত। আধুনিক কবিতাৰ প্ৰতীকে ভিন্ন প্ৰকাৰ অৰ্থ বহন কৰে আৰু প্ৰতীকে বহন কৰা অৰ্থবোৰ

এক প্ৰকাৰ কাব্যিক ধ্বনিশীলতা। প্ৰতীকৰ অৰ্থময়তা আৰু অৰ্থৰ ধ্বনিশীলতাৰ প্ৰতি লক্ষ্য কৰিয়ে ইয়েটচে প্ৰতীকক দুটা ভাগত ভাগ কৰি দেখুৱাইছে। এই দুটা ভাগৰ এটাক symbol of sound আৰু আনটোক symbol of idea বুলি অভিহিত কৰিছে।[৩২] ধ্বনিশীল প্ৰতীকক ইয়েটচে আনুভূতিক প্ৰতীক বুলি কৈ বুজাব খুজিছে যে এই শ্ৰেণীৰ প্ৰতীকে ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতি কিছুমানক অৰ্থঘন কৰি তোলে।[৩৩]

প্ৰতীকৰ প্ৰযোগৰ ক্ষেত্ৰত কবিৰ সূক্ষ্ম কল্পনা শক্তি অনুভূতিৰ সূক্ষ্মতা আৰু প্ৰতীকী শব্দক অৰ্থঘন কৰি তুলিব পৰা শব্দনিৰ্বাচন ক্ষমতাৰ একান্ত প্ৰয়োজন। নৱকান্ত বৰুৱা এই কেইটা গুণৰ অধিকাৰী আৰু সেইবাবেই এওঁৰ কবিতাত প্ৰতীক অত্যন্ত ব্যঞ্জনাধৰ্মী হৈ উঠিছে। সমকালে সৃষ্টি কৰা কুটিলতা হতাশাগ্ৰস্ততাক জয় কৰি আশাৰ ৰেঙণি দেখিছে আৰু তাকে সেউজীয়া ৰঙৰ পৃথিৱী প্ৰতীকৰ দ্বাৰা প্ৰকাশ কৰি কৈছে —

মগ্ন চেতনাই মোক আনি দিলে ছঁয়ামযা সেউজীয়া ছবি
তোমাৰেই — হে পৃথিৱী
সেউজীয়া পৃথিৱীৰ আদিম অৰণ্য
মই তাৰ আদিম মানুহ।

(কৃপণ এটি দুটি এঘাৰটি তৰা)

মানুহৰ আশা আকাংক্ষা সুদূৰপ্ৰসাৰী। কিন্তু কঠিন বাস্তৱ তাৰ প্ৰতিবন্ধন। তথাপি মানুহৰ আশা আকাংক্ষা স্বপ্ন আৰু কল্পনাই বাস্তৱৰ বাঘজৰী ছিঙি উৰা মাৰে। মানুহৰ মনৰ এনে চিৰন্তন মুক্তি স্পৃহাক জীপ্চী কল্পনা প্ৰতীকেৰে প্ৰকাশ কৰি কৈছে —

মই কোন অতীতৰ অশৰীৰী অনুভূতি
ভৱিষ্যতৰ স্বপ্নেৰে উতলা
জীপ্চী কল্পনা মোৰ গুচি যায় সময়ৰ বাঘজৰী ছিঙি।

(এন্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

আধুনিক কবিতাৰ প্ৰতীক বুদ্ধিনিষ্ঠ। ই কবিৰ মননঋদ্ধ বোধৰ পৰা সৃষ্টি হোৱা অৰ্থবৈভৱ। এই অৰ্থবৈভৱ প্ৰকাশ পায় শব্দই নিৰ্মাণ কৰা একোটা ভাৱৰ মাধ্যমেদি। পৰিদৃশ্যমান জগত ক্ষয়িষ্ণু। কিন্তু আকাশ মানে শূন্যতা। শূন্যতাৰ ক্ষয় নাই। সময়ৰ লগে লগে সব হেৰায়। নেহেৰায় শূন্যতা। শূন্যতা সনাতন। এনে গভীৰ ভাৱনাক বুদ্ধিনিষ্ঠতাৰে আকাশ প্ৰতীকৰ মাজেদি কৈছে —

---

৩২ C M Bowra **The Heritage of Symbolism, p 185**

৩৩ ibid, p 185

এদিন হেৰাব জোন জোনৰ হাঁহিৰ স'তে
নীল নদী সময়ৰ চুমাত শুকাব
তথাপিতো ৰৈ যাব
অন্তহীন ক্লান্তিহীন এখনি আকাশ
আমাৰ আকাশ

(সন্ধ্যাৰ ৰেপৰ্ট'দি মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ আকাশ আটাইতকৈ প্ৰিয় প্ৰতীক। ভিন ভিন ভাবক আকাশ প্ৰতীকৰ মাজেদি তেওঁ প্ৰকাশ কৰিছে। ওপৰৰ প্ৰতীকটোৰ দৰেই আকাশক অক্ষয় অব্যয় সত্বা ৰূপে কল্পনা কৰি কৈছে —

আমাৰ পৃথিৱী আমাৰ সময় আমাৰ আকাশ
তাৰ মাজে মাজে ওপৰে ভিতৰে
আমি গৈ আছোঁ — গৈয়ে আছোঁ

(জোনাক নিশাৰ জ্যামিতি মোৰ আৰু পৃথিৱীৰ)

প্ৰতীক বাস্তৱৰ প্ৰতি কবিৰ এক বিশেষ ধৰণৰ দৃষ্টিভঙ্গী আৰু এই দৃষ্টিভঙ্গীয়ে বাস্তৱ জগত আৰু বাস্তৱ জীৱনৰ একোটা সত্যক এটা বা একাধিক শব্দৰ প্ৰতীকৰ মাজেদি প্ৰকাশ কৰে।[৩৪] মানুহৰ জীৱন সুখ দুখ হৰ্ষ বিষাদ আৰু আশা নিৰাশাৰে ভৰা। কেতিয়াবা সুখ কেতিয়াবা দুখ কেতিয়াবা বিষাদ কেতিয়াবা আশাৰে ৰঞ্জিত কেতিয়াবা নিৰাশাৰে বিবৰ্ণ। এয়ে জীৱনৰ সত্য। এনে সত্য প্ৰকাশ কৰি আকাশ প্ৰতীকৰ মাজেদি কৈছে—

আৰু আছে এখন আকাশ
বহুভূজী এখন আকাশ
কেতিয়াবা ডাৱৰীয়া কেতিয়াবা সুনীল উজ্জ্বল
কেতিয়াবা কুঁৱলীৰে ঢকা।
চৰম কুঁৱলী আহি কেতিয়াবা দিবহি ঢাকি
নিৰুত্তাপ জীৱনৰ বাট?
দোমোজা নে পোন?

(এতিয়া জাৰ দলগুত তামীঘৰা)

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰতীকৰ সঘন প্ৰয়োগ হোৱা দেখা যায় আৰু তেওঁৰ এনে কবিতাও আছে, য'ত বিবিধ প্ৰতীকেৰে যেন একোধাৰ মালা গাঁথি থৈছে। অনেক প্ৰতীকৰ প্ৰয়োগেৰে ভাবৰ স্পষ্টীকৰণ আৰু অৰ্থক গাম্ভীৰ্য দান কৰা কবিতা হ'ল 'ইয়াত নদী আছিল। আধুনিক বিজ্ঞানৰ প্ৰভাবত গঢ় লৈ উঠা আধুনিক সমাজৰ অৱক্ষয়ৰ ভাব-চিত্ৰ

৩৪ William York Tindall The Literary Symbol, p 18

এখন অংকন কৰি কৈছে —

কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাই বৰণৰ এখন পৃথিৱী।
(ইয়াত নদী আছিল মোৰ আৰু পৃথিৱীৰ)

দেখা যায় যে এই স্তৱকটোত একাধিক প্ৰতীকৰ যেন মালা গাঁথি থোৱা হৈছে। মৰুভূমি ক্ৰমশ গলিত হৈ আহিবলৈ ধৰা ক্ষয়মান সমাজৰ প্ৰতীক। প্ৰাণৰ যিমান ৰং আধুনিক জীৱনৰ প্ৰাণস্পন্দনশীলতাৰ প্ৰতীক আৰু সেউজী সোণালী আশাৰে উদ্দীপ্ত জীৱনৰ প্ৰতীক যিটো জীৱনক গোপন ব্যাধিৰ দৰে ক্ষয়িষ্ণু মূল্যবোধে পঙ্গু কৰি আনিছে। এই একেটা স্তৱকতে দুটা অতি অৰ্থবহ তথা ব্যঞ্জনাধৰ্মী প্ৰতীকৰ প্ৰয়োগ কৰা হৈছে। এই দুটা হ'ল তামৰঙী আকাশ আৰু ফুটছাই বৰণৰ পৃথিৱী। সামগ্ৰিকভাৱে অৱক্ষয় হৈ অহা সমাজখনৰ জীৱনৰ বাবে যেন ক'তো শান্তি নাই। সুখৰ সামান্যতম ৰেঙণি নাই। শান্তিহীন আশাহীন সমাজখনৰ ওপৰৰ আকাশৰ নীলাবোৰো যেন তামৰঙী হৈ উঠিল বাস কৰা পৃথিৱীখনো সাৰহীন ফুটছাই যেন হৈ পৰিল।

ক্ষয়িষ্ণু অৱস্থাই পঙ্গু কৰা আধুনিক সমাজখনৰ বাবে এতিয়া গোলাপ নুফুলে পাৰিজাত নুফুলে শেৱালি নুফুলে। আৰু যে কি নহয় এইখন সমাজত? এই গলিত সমাজত —

কেৱল ফুলিব শিজু মাজনিশা তৰাৰ পোহৰে
ৰেণু তাৰ বালিদাঁহী সাপক বিলাব। দুবৰি ধৰিব ছাটি
কাঁইটীয়া বনে।
ৰাতিৰ বতাহে আহি ছটিয়াব শুকান বৰফ
দিনৰ পোহৰে তাতে ঢালি দিব কমলা ৰঙৰ গলা লোহা।
তাৰ পিচে
উটৰ ডিঙিৰ ছাঁ দীঘল ডিঙিৰ ছাঁ শুই ৰ'ব
হাড় হৈ সাগৰৰ বাবে।
(ইয়াত নদী আছিল মোৰ আৰু পৃথিৱীৰ)

ইয়াত শিজু ফুল অবাঞ্ছিত বেদনাৰ প্ৰতীক দুবৰি বনক ছাটি ধৰা কাঁইটীয়া বন আধুনিক যন্ত্ৰণাৰ প্ৰতীক ৰাতিৰ বতাহে ছটিওৱা শুকান বৰফ নিৰাশাৰ প্ৰতীক আৰু লোহা

জীৱন যন্ত্ৰণাৰ প্ৰতীক।

আগতেই কোৱা হৈছে, নৱকান্ত বৰুৱাৰ কবিতাত প্ৰতীকে ধ্বনি ব্যঞ্জনাৰে অৰ্থ বা ভাবক ঘনত্ব দান কৰাৰ কথা। পলস নামৰ কবিতাত পলাশৰ জুই, মৰা মকৰাৰ খোলা আদি অৰ্থঘন প্ৰতীকৰ প্ৰয়োগ কৰা হৈছে। বৰ্তমানৰ কুটিলতাত অতীতৰ সহজ-সৰল জীৱনৰ আনন্দ অৰ্থত পলাশৰ জুইক প্ৰতীক ৰূপত গ্ৰহণ কৰি কৈছে — পলাসৰ জুই নুমাল এতিয়া বুলি। সেইদৰে বৰ্তমানৰ মৃতপ্ৰায় জীৱনক বুজাবলৈ 'মৰা মকৰাৰ খোলা প্ৰতীক স্বৰূপে ব্যৱহাৰ কৰি কৈছে — 'উৰুথা পানীয়ে উটুৱাই নিয়ক মৰা মকৰাৰ খোলা বুলি। বৰ্তমানৰ পুতিদুৰ্গন্ধময় অৱস্থা দেখি কবি গৰাকীয়ে দুখ অনুভৱ কৰিছে, কিন্তু নিৰাশ হোৱা নাই। সেয়ে তেও 'আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সিৰলিত আমি সাৰ পাম বুলি কৈ নতুন প্ৰজন্মৰ ওপৰত ভাৰসা ৰাখিছে। ইয়াত নাতি অনাগত নতুন প্ৰজন্মৰ প্ৰতীক।

নৱকান্ত বঁৰুৱাৰ কবিতাত শব্দ স্পৰ্শ গন্ধ আদি ইন্দ্ৰিয়ানুভূতিগ্ৰাহ্য প্ৰতীকৰো প্ৰয়োগ হোৱা দেখা যায়। যেনে —

শব্দ ইন্দ্ৰিয়ানুভূতিজনিত প্ৰতীকৰ প্ৰয়োগ কৰি কোৱা হৈছে —

আঁহত পাতৰ পৰা টোপটোপ ৰ'দ সৰি পৰে

(বশিষ্ঠত পিকনিক **মোৰ আৰু পৃথিৱী**)

গন্ধ ইন্দ্ৰিয়ানুভূতিগ্ৰাহ্য প্ৰতীক —

সেমেকা পোহৰে পাহৰাই দিয়া
তোমাৰ খোঁপাৰ আবেলি আবেলি গোন্ধ

(মনত পৰেনে অৰুন্ধতী **মোৰ আৰু পৃথিবীৰ**)

ইয়াত দুটা ইন্দ্ৰিয়ানুভূতিযুক্ত প্ৰতীকৰ প্ৰয়োগ হোৱা দেখা যায়। সেমেকা পোহৰ ৰূপ বৰ্ণ ইন্দ্ৰিয়ানুভূতিযুক্ত প্ৰতীক। সেইদৰে 'ইয়াত নদী আছিল কবিতাত বৰ্ণ ইন্দ্ৰিয়ানুভূতিযুক্ত প্ৰতীক হিচাপে তামৰঙী আকাশ আৰু ফুটছাই বৰণৰ পৃথিৱী অতি অৰ্থঘন প্ৰতীক।

'ইয়াত নদী আছিল কবিতাত পলসক ধ্বংসৰ প্ৰতীক ৰূপে কল্পনা কৰি কৈছে —

দেখিছোঁ নদীৰ ঢলে বলাৎকাৰ কৰা পথাৰক
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান।

ইয়াত পলসৰ ধ্বংস কাৰ্যটো দৃশ্যানুভূতিজনিত প্ৰতীকৰূপে গ্ৰহণ কৰা হৈছে।

স্পৰ্শানুভূতিযুক্ত প্ৰতীকৰ প্ৰয়োগ কৰি কোৱা হৈছে —

পথ আৰু উপপথ গলি আৰু এভিনিউ
বোবা যন্ত্ৰণাত অন্ধকাৰ

পিছল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়।

(হে অৰণ্য হে মহানগৰ)

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰতীকৰ সঘন প্ৰয়োগৰ ফলত কবিতাবোৰ অৰ্থঘন হৈ পৰিছে। নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল পলস আদি কবিতা সম্পূৰ্ণৰূপে প্ৰতীক সৰ্বস্ব কবিতা। বহু সময়ত বহু কবিৰ কবিতা যে প্ৰতীকসৰ্বস্ব এইষাৰ কথা C M Bowra ই কৈছে এইদৰে —

> The poems are a symbolical presentation of a crisis in the poet s life [৩৫]

C M Bowra ই কোৱা এইষাৰ কথা নৱকান্ত বৰুৱাৰ কবিতাতো প্ৰযোজ্য। আধুনিক কবিতাত প্ৰতীকৰ প্ৰয়োগৰ আধিক্যৰ প্ৰতি লক্ষ্য কৰি Bernard Weinberg এ কৈছে — The symbol as the sole instrument of the modern poet [৩৬]

নৱকান্ত বৰুৱাৰ কবিতাৰ বেলিকাও দেখা যায় তেওঁৰ কবিতা বহু পৰিমাণে প্ৰতীক আধাৰিত। আকাশ দলং বোধিদ্ৰুম মৰুভূমি বুদ্ধদেৱ যীশু তম্বু, কালপুৰুষ অৰুন্ধতী নযানজুলি সৰীসৃপ আদি অনেক প্ৰতীকৰ সমাৱেশত নৱকান্ত বৰুৱাৰ কবিতা ভাবসমৃদ্ধ হোৱাই নহয় ধ্বনিব্যঞ্জনাৰেও ঐশ্বৰ্যময় হৈ উঠিছে। প্ৰতীকৰ এনে বিশিষ্টততাৰ বাবেই নৱকান্ত বৰুৱাৰ কবিতাৰ ৰূপবস্তুও সৌন্দৰ্যশালী হৈ উঠিছে। কবিতাত ৰূপবস্তুৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব স্বীকাৰ কৰি C M Bowra ই কৈছে —

> The worth of poetry is decided not by the meaning (otherwise it would be wisdom instruction) but by form [৩৭]

C M Bowra ই কোৱা এই কথাষাৰ সম্পূৰ্ণৰূপে মানি ল'ব নোৱাৰি। কাৰণ কবিতাৰ মূল্য কেৱল form অৰ্থাৎ ৰূপবস্তুত নিৰ্ভৰশীল হ'লে আত্মাক অস্বীকাৰ কৰি মানুহৰ দেহটোকহে মূল্যবান বুলি কোৱাৰ দৰে হ'ব। আত্মা আৰু দেহ পৰস্পৰ নিৰ্ভৰশীল। এটাক বাদ দিলে আনটোৰ অৰ্থ বা মূল্য নাথাকে। কবিতা যিহেতু শব্দৰ কৌশলী নিৰ্মাণ গতিকে কবিতাৰ শব্দ শৰীৰৰ সুস্থতা আৰু চাৰুত্ব থাকিবই লাগিব। সেইবুলি কবিতাৰ আত্মা স্বৰূপ ভাবনাক অস্বীকাৰ কৰিব নোৱাৰি। ভাব-বস্তু কবিতাৰ ঐশ্বৰ্য আৰু কবিতাৰ সৌন্দৰ্যও। আচলতে গুৰু-গম্ভীৰ অৰ্থঘন ধ্বনিব্যঞ্জনাময় ভাবনা আৰু একেই ধ্বনিব্যঞ্জনাৰে সমৃদ্ধ

---

৩৫ C M Bowra **The Heritage of Symbolism, p 110**

৩৬ **Bernard Weinberg The Limits of Symbolism, p 6**

৩৭ C M Bowra opcit, p 99

কাব্যশৰীৰ অৰ্থাৎ ৰূপবস্তুৰ সৌন্দৰ্য এই দুয়োটাৰ অভেদ মিশ্ৰণতহে কবিতাই মনোহাৰিত্ব গুণ লাভ কৰে। প্ৰতীকৰ এনে গুণশালী বৈভৱৰ বাবেই নৱকান্ত বৰুৱাৰ কবিতাই মনোহাৰিত্ব গুণ আহৰণ কৰিছে।

(পাঁচ)

**চিত্ৰকল্প**

চিত্ৰকল্পক কবিতাৰ আঙ্গিক ৰূপে গণ্য কৰা হয়। কাৰণ কবিতাৰ সামগ্ৰিক সৌন্দৰ্যবৰ্দ্ধনত চিত্ৰকল্পৰ ভূমিকা গুৰুত্বপূৰ্ণ। কিন্তু চিত্ৰকল্পই কবিতাৰ শৰীৰৰে যে শোভাবৰ্দ্ধন কৰে এনে নহয় চিত্ৰকল্পই কবিতাৰ ভাব আৰু ৰূপ উভয়কে গুৰু-গম্ভীৰতা দান কৰে আৰু ইয়াতে চিত্ৰকল্পই সৃষ্টি কৰা সৌন্দৰ্য আৰু মনোহাৰিত্বও সংমিশ্ৰিত হৈ থাকে। চিত্ৰকল্প আচলতে এক প্ৰকাৰ মায়াময় কাব্য শক্তি বা গুণ যি গুণৰ সহায়তে চিত্ৰকল্পই কবিত্মক ভাবৰ স্পষ্টতা আৰু গাম্ভীৰ্য দান কৰে আৰু কাব্য শৰীৰৰ সৌন্দৰ্য বৰ্দ্ধন কৰি কবিতাক কলাৰ মনোহাৰিত্ব গুণেৰে গুণময় কৰি তোলে। এই বিষয়ত C Day Lewis ৰ এষাৰ কথা প্ৰাণিধানযোগ্য।

> In its simplest terms it is a picture made out of words An epithet a metaphor a simile may create an image or an image may be presented to us in a phrase or passage on the face of it purely descriptive but conveying to our imagination somthing more than the accurate reflection of an external reality Every poetic image therefore is no some digree metaphorical It looks out from a mirror in which life perceives not so much its face as some truth about its face [৩৮]

সি যি নহওক — চিত্ৰকল্প শব্দচিত্ৰ আৰু এই শব্দচিত্ৰৰ আঁৰত অৰ্থময়তা দুৰুল খাই থাকে। নৱকান্ত বৰুৱাৰ কবিতাত অৰ্থবহ শব্দৰে নিৰ্মাণ কৰা চিত্ৰকল্প অনেক আছে আৰু এই চিত্ৰকল্পবোৰে তেওঁৰ কবিতাক কাব্যিকতা দান কৰিছে। মানৱ সভ্যতাৰ ধৰ্মই হৈছে পৰিবৰ্তন আৰু উত্থান পতনৰ পৰিবৰ্তনৰ ভাবটোক চিত্ৰকল্পৰ সহায়ত প্ৰকাশ কৰিছে এনেদৰে —

মৰা জোন উঠি আছে কবৰৰ পৰা
মই শুই চাই ৰওঁ মিছৰৰ বালিৰ মাজত
ৰূপালী কোমল বালি
তথাপি চাহাৰা।

(সন্ধ্যাৰ ৰেপচ'দি ঃ মোৰ আৰু পৃথিৱীৰ)

---

৩৮ C Day Lewis The Poetic Image p 18

সভ্যতাৰ উত্থান পতন হয়। অথচ মানৱতা নিঃশেষ নহয়। পৰিৱৰ্তনৰ একোটা স্তৰত কবি গৰাকীয়ে আত্মস্থিতিত সন্দিহান হৈ এখন স্বচ্ছ চিত্ৰকল্পৰ মাধ্যমেদি ভাব প্ৰকাশ কৰি কৈছে —

মৰি যোৱা শতাব্দীৰ দেহ
উঠি আহে
সময়ৰ কবৰৰ পৰা
ভিৰৰ মাজত মই ডুবি যাও
ভাঙি ছিঙি শেষ হৈ যাও
মই নাই। মই আৰু নাই।

(এন্ধাৰ ৰাতিৰ ইলিজী **মোৰ আৰু পৃথিবীৰ**)

আধুনিক সভ্যতাই পঙ্গু কৰি পেলোৱা মহানগৰীয়া জীৱনৰ অনিশ্চয়তা ভৰা সমাজখনক অৰ্থবহ চিত্ৰকল্পৰে স্পষ্ট কৰি কোৱা হৈছে —

মহনগৰী ওলমি থাকে
ডাৱৰৰ চিপ জৰীত
চেপা খায়
সৌধৰ গম্বুজ

(স্বপ্নাৰম্ভ **মোৰ আৰু পৃথিবীৰ**)

মনৰ অৱস্থা এটাক ফাগুনৰূপে দেখুৱাই ভাবব্যঞ্জক চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে এইদৰে—

চিনি জানো পোৱা মোক সঁচাকৈয়ে?
মই যে ফাগুন। মই
কেৱল নিশ্বাস আৰু ধূলি আৰু ধোঁৱালি বেলিৰ
আৰু ৰঙচুৱা সন্ধ্যাৰ জোনৰ
অন্ধকাৰ।
মোৰ হুমুনিয়া লাগি জৰথৰ তেজবোৰ ফাঁকু
হৈ উৰে
বেঙুনীয়া কুঁহিপাতে আমৰ ডালত
পোহৰৰ টোকে চকুপানী
মোক জানো পোৱা চিনি? ময়েই ফাগুন।

(চকু পানী ফাগুনৰ **মোৰ আৰু পৃথিৱী**)

জাপানী কবিতাৰ দৰে অতি সংযত ৰূপত স্বচ্ছ চিত্ৰকল্প নিৰ্মাণ কৰিছে এনেদৰে —

এটা জোন সৰি পৰিছিল

এটোপাল পোহৰৰ মম
এটোপাল ৰঙা লা'ৰে বেলিয়ে দিছিল বন্ধ কৰি
এটা খাম।

(কুমটি মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ আকাশ অতি প্ৰিয় প্ৰতীক আৰু এই প্ৰিয় প্ৰতীকটোক অৱলম্বন কৰি তেওঁ অনেক মনোজ্ঞ চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়। সেইদৰে তেওৰ আন এটা অতি প্ৰিয় প্ৰতীক দলং আৰু এই বিষয়ে কবি গৰাকীয়ে কৈছে —

> দলং মোৰ বৰ প্ৰিয় চিত্ৰকল্প কিমান যে প্ৰযোজনত মই ব্যৱহাৰ নকৰোঁ তাক। দল, সেতু-সাঁকো — আমাৰ নিজা ভাষাৰ এই তিনিটা শব্দৰ প্ৰত্যেকৰে আঁতি গুৰি আৰু জাত্যৰ্থ পৃথক কিন্তু লক্ষ্যাৰ্থি এতিয়া একেই।[৩৭]

দলঙৰ বাস্তৱ ছবি এখন চিত্ৰিত কৰা হৈছে এনেদৰে —

মাইলৰ খুটা বাগৰি গ'ল
তলত কুৰুং দ —
সিয়েই এখন দল, হ'ল
হেৰৌ কবি তাতেই অলপ ৰ।
তললৈ চাই মুৰ ঘূৰাব পাৰে
আকাশখনলৈ চা
পাৰ হলে পাবি নতুন আলি দোমোজা
পাৰ হৈ গুচি যা।

(মাইলৰ খুটা আৰু দলং দলঙত তামীঘৰা)

নৱকান্ত বৰুৱাৰ কবিতাৰ বহু চিত্ৰকল্প বুদ্ধিদীপ্ততাৰ আৱৰণেৰে আচ্ছন্ন। আধুনিক কৰ্মব্যস্ত মানুহৰ প্ৰাত্যহিক জীৱনৰ অন্তঃ আৰু বহিঃ এই উভয়ৰ চিত্ৰ অংকন কৰি কৈছে—

বিষণ্ণ সন্ধিয়া নামে
অৱসন্ন কেৰাণীৰ লিবিডোৰ আসন্ন সংকেত
নগৰীৰ দুচকুত
উজাগৰ নাৰ্চৰ স্থবিৰ জড়তা
ৰিক্ত শাখা ঋজু নগ্ন পাইনৰ ফাঁকে ফাঁকে
সূৰ্য নাই সূৰ্যৰ আভাস

(সন্ধ্যাৰ চিলঙ মোৰ আৰু পৃথিৱীৰ)

---

৩৭ নৱকান্ত বৰুৱা পাতনি দলঙত তামীঘৰা

আধুনিক জীৱনৰ বিক্ষিপ্ত মানসিক অৱস্থাৰ ছবি চিত্ৰণ কৰা হৈছে এই কবিতাংশত। দিনৰ কৰ্মব্যস্ততাৰ অন্তত আধুনিক মানুহৰ জীৱনলৈ সন্ধিয়া আহে বিষণ্ণ ৰূপত আৰু এই বিষণ্ণতাৰ পৰা মুক্তিৰ কামনাত অৱসাদগ্ৰস্ত কেৰাণীৰ লিবিডো সজাগ হৈ উঠে নাৰ্চৰ চকুত স্থবিৰ জড়তাৰে ভিৰ দিয়ে। এনে ধৰণৰ বিষণ্ণতাক্ৰান্ত সন্ধ্যা ৰিক্তশাখা অৰ্থাৎ পত্ৰহীন পাইনৰ ফাঁকে ফাঁকে সূৰ্যৰ আভাস মাত্ৰ বিৰিঙি ওলায়। কবিতাৰ এই পংক্তিটোত যি কেইখন চিত্ৰকল্প ভাহি উঠিছে, সেই চিত্ৰকল্প কেইখনো ভগ্নচিত্ৰকল্প স্বৰূপ। এনে বুদ্ধিগ্ৰাহ্য মননশীল চিত্ৰকল্পৰ প্ৰসঙ্গত C Day Liwis ৰ এষাৰ কথা উল্লেখযোগ্য।

> When we come to consider the modern use of the image we must have in mind two things which the poet is trying to do with it He is trying with its help to find his way about emotionally and intellectually in the confusion of the modern world and he is trying to make some impact upon a highly sophisticated reader Surrealist poetry is evedently the most violent form of shock treatment aimed at this later end But, throughout the whole range of modern verse from the symbolist onward we find a tendency towards the illogicall away from the old cause and-effect sequence of images within the poem [৪০]

নৱকান্ত বৰুৱাৰ কবিতাত যিদৰে আনুভূতিক চিত্ৰকল্প প্ৰয়োগ হৈছে, সেইদৰে মননঋদ্ধ বৌদ্ধিক চিন্তাপ্ৰসূত চিত্ৰকল্পও প্ৰযোগ হৈছে। তদুপৰি এইমাত্ৰ উদ্ধৃত কৰা 'সন্ধ্যাৰ চিলঙ' কবিতাৰ অংশটোত অধিবাস্তৱবাদী চিত্ৰকল্পৰ দৰে ভগ্ন চিত্ৰকল্পও প্ৰয়োগ হোৱা দেখা গৈছে।

চিত্ৰকল্প ভাবৰ দৃশ্যকৰণ। এই দৃশ্য নিৰ্মাণ কৰা হয় অৰ্থসমৃদ্ধ নিৰ্বাচিত শব্দৰে। চিত্ৰকল্পই বহন কৰা ভাবক পাঠকৰ অন্তৰলৈ সম্প্ৰসাৰিত কৰা হয়। ই একপ্ৰকাৰ মাধ্যম। যি মাধ্যমৰ যোগেদি একোটা ভাবক পাঠকক উপলব্ধি কৰোৱায়।

> a medium which promoted visual responses in the reader that is to say images [৪১]

---

৪০ idem, p 114

৪১ Roger Fowler (ed) **A Dictionary of Modern Critical terms** p 92

কবিতাত চিত্ৰকল্পৰ মহিমাময় গুণধৰ্মৰ বিষয়ে C Day Lewis এ কৈছে —

> The images in a poem are like a series of mirrors set at different angles so that as the theme moves on it is reflected in a number of different aspects But they are magic mirrors they do not merely reflect the theme they give it life and form it is in their power to make a spirit visible [৪২]

চিত্ৰকল্পই একোটা ভাব প্ৰকাশ কৰে যদিও কবিতাৰ চিত্ৰকল্প কিন্তু শব্দনিৰ্মিত আনুভূতিক চিত্ৰহে (sensous picture in words)। ই আনুভূতিক বাবেই চিত্ৰকল্পই পাঠকৰ মনত অৰ্থঘন অথচ আবেগিক বা আনুভূতিক ধাৰণা এটাহে দিযে। এই বিষয়ে C Day Lewis এ কৈছে —

> the picture image is a more or less sensous picture in words to some degree metaphorical with an undernote of some human emotion in its context but also charged with and releasing into the reader a special poetic emotion or passion which – no it won t do the thing has got out of hand [৪৩]

চিত্ৰকল্প যদিও দৃশ্যমান ৰূপত পাঠকৰ মনত ভাসমান হয অথচ ই অনুভূতিৰে অঁকা ছবি আৰু পাঠকেও এনে ছবিৰ ধাৰণা লয় অনুভূতিৰে। চিত্ৰকল্প যে আনুভূতিক উপকৰণেৰে নিৰ্মাণ কৰা হয এই বিষয়ে নৱকান্ত বৰুৱাই কৈছে —

> আধুনিক সমালোচকসকলে কেৱল দৃশ্যমান বৰ্ণনাকে কল্পচিত্ৰ নোবোলে। শব্দ স্পৰ্শ ঘ্ৰাণ আদি ইন্দ্ৰিয় অভিজ্ঞতাসমূহ আৰু ধাৰণাসম্ভূত বস্তুসমূহো (conceptual) কল্পচিত্ৰৰ অন্তৰ্ভূক্ত।[৪৪]

নৱকান্ত বৰুৱাৰ কবিতাত ইন্দ্ৰিয়ানুভূতিগ্ৰাহ্য চিত্ৰকল্পৰ অনেক প্ৰয়োগ দেখা যায়। শব্দ ইন্দ্ৰিয়ানুভূতিজনিত চিত্ৰকল্প নিৰ্মাণ কৰি কোৱা হৈছে —

> আঁহত পাতৰ পৰা টোপ টোপ ৰ'দ সৰি পৰে —
>
> (বশিষ্ঠত পিকনিক মোৰ আৰু পৃথিৱীৰ)

ইয়াত টোপ টোপকৈ শব্দ কৰি ৰ'দ সৰি পৰাৰ শব্দ ইন্দ্ৰিয়ানুভূতিজনিত চিত্ৰকল্প

৪২ C Day Lewis ibid, p 80

৪৩ ibid p 22

৪৪ নৱকান্ত বৰুৱা কবিতাৰ দেহ বিচাৰ পৃ ১৩৬

এখন অংকন কৰা হৈছে। সেইদৰে গন্ধ ইন্দ্রিয়ানুভূতিযুক্ত চিত্ৰকল্প —

সেমেকা পোহৰে পাহৰাই দিয়া —
তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ
(মনত পৰেনে অৰুন্ধতী **মোৰ আৰু পৃথিৱীৰ**)

স্পর্শানুভূতিৰ চিত্ৰকল্প যেনে —

পথ আৰু উপপথ গলি আৰু এভিনিউ
বোবা যন্ত্রণাত অন্ধকাৰ
পিচল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়
(**হে অৰণ্য হে মহানগৰ**)

ইয়াত মৃত্যুক সাপৰ লগত তুলনা কৰা হৈছে আৰু মৃত্যু-সৰ্পক ভৰিৰে স্পর্শ কৰি হোৱা অনুভৱৰ ধাৰণা দিয়া হৈছে।

বর্ণ অনুভূতিযুক্ত চিত্ৰকল্প নির্মাণ কৰি কোৱা হৈছে —

ৰাতিৰ বতাহে ছটিযাব শুকান বৰফ
দিনৰ পোহৰে তাত ঢালি দিব কমলা ৰঙৰ গলা লোহা
(ইয়াত নদী আছিল **মোৰ আৰু পৃথিৱীৰ**)

আস্বাদন অনুভূতিৰে নির্মিত চিত্ৰকল্প যেনে —

টোপনিত এগাৰু আকাশ তিতে লুণীয়া বৰ্ষাৰে।
(ধূলিৰ কণাই ক'লে আকাশক **এটি দুটি এঘাৰটি তৰা**)

সহজ সৰল চাক্ষুষ দৃশ্য নির্মাণ কৰি কোৱা হৈছে —

নদীক নিজৰা কৰি জুৰিক শিলনি কৰি
বালিৰ দ'লেৰে গঢ়ে গছ-লতা ফুলৰ সমাধি
ছঁয়াময়া জীঁয়া এটি বালিয়ে বালিয়ে উৰি
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়।
(ইয়াত নদী আছিল **মোৰ আৰু পৃথিৱীৰ**)

নৱকান্ত বৰুৱা গভীৰ অন্তর্মুখিন দৃষ্টিৰ কবি। সেয়ে তেওঁ অন্তৰ্জীৱনৰ গভীৰতম কন্দৰত প্ৰৱেশ কৰি জীৱনৰ গভীৰতম সত্য বিশালতৰ সৌন্দৰ্য আৰু ৰহস্যঘন জীৱনৰ সন্ধান কৰিছে। এনে সন্ধানী দৃষ্টিৰে এখন অর্থঘন চিত্ৰকল্প নির্মাণ কৰিছে এনেদৰে —

এচপৰা আকাশৰ সোণ
খহি পৰি ৰয় দুবৰিত

জোনাকীৰ দুটা জিলমিল
নিমাত জুনুকা দুভৰিত
ইঞ্জিনৰ তন্দ্ৰালু তালত
মনে মনে সঁহাৰি জনায়
সন্ধ্যা আহি ৰেলৰ আলিৰে
পাহাৰৰ সিপাৰে লুকায়।

(শৰণীয়াত সন্ধ্যা **বছৰৰ কবিতা ১৯৬৫**)

কবিতাটোৰ ভাব বা অৰ্থবোধত পাঠক বিমুখ হ'ব পাৰে কিন্তু নীৰৱ নিজান ৰাতি এটাত আকাশৰ পৰা সঁচাকৈয়ে এচপৰা সোণ খহি পৰি দুবৰিত যেন ৰৈ গৈছে আৰু জোনাকী পৰুৱাই ৰুণজুন মৃদু গুঞ্জন তুলি উৰি আছে। সেইদৰে ৰেলৰ ইঞ্জিনৰ তালে তালে গতি কৰি সন্ধ্যাটোৱে পাহাৰৰ সিপাৰলৈ গৈ অদৃশ্য হৈ গ'ল। ক'বই লাগিব যে এই চিত্ৰখন যিমান চাক্ষুষ সিমান আনুভূতিক। এইটো চিত্ৰকল্প বহু পৰিমাণে অধিবাস্তৱবাদী চিত্ৰকল্পৰ অনুৰূপ। সমধৰ্মী আন এখন ছবি আঁকিছে এনেদৰে —

মোৰ ছাঁটো পৰাৰ শব্দত
চক খাই
বাৰান্দাৰ সিপাৰে এখন আকাশ
নিৰুদ্দেশ হ'ল

(মোৰ ছাঁটো পৰাৰ শব্দত **মোৰ আৰু পৃথিৱীৰ**)

উল্লিখিত দুয়োটা কবিতাৰ চিত্ৰকল্প সহজ বোধগম্য নহয় কিন্তু দুয়োটাই কাব্যিক সুষমামণ্ডিত। এই দুখন চিত্ৰকল্পৰ উৎস কবিৰ মগ্ন চৈতন্য আৰু মগ্ন চৈতন্যৰ দ্বাৰা সৃষ্ট বাবেই দুয়োখন চিত্ৰকল্পই অধিবাস্তৱবাদধৰ্মী হৈ উঠিছে। মুঠতে নবকান্ত বৰুৱাৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পই অভিনৱ ৰূপ লাভ কৰিছে আৰু এনে কাৰণতে নবকান্ত বৰুৱাক কোনোৱে প্ৰতীকবাদী কবি আৰু কোনোৱে চিত্ৰকল্পবাদী কবি বুলিও আখ্যা দিছে। কিন্তু যি আখ্যাই নিদিয়ক লাগিলে নবকান্ত বৰুৱাৰ কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্পই যে তেওঁৰ কবিতাক ভাবগভীৰ আৰু সৌন্দৰ্যশালী কৰি তুলিছে তাত সন্দেহ নাই।

**(ছয়)**

## ভাষা

কবিতাৰ ভাষা বিচাৰ দুৰূহ কাম। একোটা ভাষাৰ যিবোৰ শব্দৰে গদ্য লিখা হয় কবিতা লিখাৰ বেলিকাও প্ৰায় একেবোৰ শব্দকে প্ৰয়োগ কৰা হয়। অথচ কবিতাৰ ভাষা পৃথক হৈ পৰে। কাৰণ কবিতা লিখাৰ পৰত শব্দ নিৰ্বাচনত অধিক গুৰুত্ব দিয়া হয় এইকাৰণেই যে কবিতা সংযত কলা। সংযত কলা হিচাপে কবিতাত প্ৰয়োগ কৰা শব্দই পোনপটীয়া

অৰ্থ প্ৰকাশ কৰিলেই নহ'ব অভিধাৰ্থক চেৰাই গৈ ব্যঞ্জনাৰ্থও প্ৰকাশ কৰিব লাগিব। এই ক্ষেত্ৰত নৱকান্ত বৰুৱা অতি শব্দসচেতন কবি। শব্দ প্ৰয়োগত সচেতন কবি হিচাপে নৱকান্ত বৰুৱাই যি কোনো আজৰি সময় পালেই অভিধান মেলি লৈ শব্দৰ সন্ধান কৰে। শব্দ-জ্ঞান আহৰণৰ প্ৰতি আগ্ৰহী কবি নৱকান্ত বৰুৱাই সচেতনতা অৱলম্বন কৰি শব্দ প্ৰয়োগ কৰে বাবেই তেওঁৰ কবিতা ধ্বনিব্যঞ্জনাৰে স্পন্দিত হৈ পৰে আৰু ভাবক ব্যঞ্জনাধৰ্মিতাৰ মাজেদি প্ৰকাশ কৰাত সফলতা লাভ কৰিছে। উদাহৰণস্বৰূপে 'স্বপ্নাৰম্ভ কবিতাটোলৈ আঙুলিয়াব পাৰি।

মোৰ দলিত আত্মাৰ আলিবাটত  
বলিযাবোৰৰ পদক্ষেপে  
আঁকি যায়  
কঠুৱা অভজাঁ পদধ্বনিৰ ছাপ  
মহানগৰী ওলমি থাকে  
ডাৱৰৰ ছিপজৰীত  
চেপা খায়  
সৌধৰ গম্বুজ

মই যাও  
আৰু অকলৈ কান্দোঁ  
আলি দোমোজাই ক্ৰুচত দিয়ে  
পহৰীয়াক।

এই কবিতাটোৰ কাব্যিক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত বিস্তৰলৈ নগৈ ইমদাদ উল্লাহৰ মন্তব্য এটা তুলি দিয়া হ'ল।

> সংযত প্ৰকাশ ভঙ্গীৰ এই কবিতাটোত কবিয়ে প্ৰত্যক্ষভাবে কোনো বক্তব্য দাঙি ধৰা নাই অথচ কিছুমান বাক্যাংশৰ প্ৰতীকী ব্যঞ্জনাই এটা ভাবৰ পৰিমণ্ডলৰ সৃষ্টি কৰিছে। — যেনে 'দলিত আত্মা 'বলিয়াবোৰৰ পদক্ষেপ 'ডাৱৰৰ চিপজৰীত' মহানগৰী ওলমি থকা অৱস্থা আৰু পহৰীয়াক ক্ৰুচত দিয়া । এই বলিয়াবোৰ কোন ? সম্ভৱতঃ ক্ষমতা লিপ্সু, যুদ্ধোন্মাদ মানুহৰ কথাই কবিয়ে ভাবিছে। 'ক্ৰুচ শব্দেৰে পহৰীয়া জনৰ লগত যীশুখৃষ্টৰ সমীকৰণ কৰা হৈছে — এসময়ত মানৱতাৰ মুক্তিৰ বাবে যিগৰাকী মহামানৱে নিজক 'ক্ৰুচত' উছৰ্গা কৰিছিল। এই আৰ্হিৰ কবিতাত প্ৰত্যক্ষ কোনো উক্তিৰ সহায় নোলোৱাকৈ কবি বৰুৱাই যি ভাব-ব্যঞ্জনাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে, তাৰ পৰাই নৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ ভাষা নাইবা আঙ্গিকক ৰোমাণ্টিক যুগৰ

> তথাকথিত 'কাব্যিক ভাষাৰ পৰা আধুনিক কবিতাৰ ভাষালৈ কিদৰে ৰূপান্তৰিত কৰিছে — তাৰ প্ৰমাণ পোৱা যায়।[৪৫]

ইমদাদ উল্লাহে নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষা সম্পৰ্কে কোৱা এই কথাখিনিয়ে নৱকান্ত বৰুৱাৰ কবিতাত শব্দ চয়ন শব্দই বহন কৰা ভাব-ব্যঞ্জনাধৰ্মিতা আধুনিক কবিতাৰ প্ৰকাশভঙ্গী আৰু ভাষাৰ বৈশিষ্ট্য স্পষ্ট কৰি তুলিছে।

নৱকান্ত বৰুৱা এগৰাকী গীতিকাৰো। বহু সময়ত নৱকান্ত বৰুৱাৰ কবিতাত গীতিকাৰ মানুহজন প্ৰভাৱশালী ৰূপত ধৰা দিযেহি। নৱকান্ত বৰুৱাৰ বহু কবিতাত সাংগীতিক লয় আৰু ধ্বনি গুঞ্জন অনুভূত হয়। 'সন্ধ্যাৰ ৰেপচ'দি এন্ধাৰ ৰাতিৰ ইলিজী 'কৃপণ 'ইয়াত নদী আছিল আদি বহু কবিতা আছে, যিবোৰত সাংগীতিক লয আৰু সুৰৰ মূৰ্চ্ছনা মুঞ্জৰি উঠিছে।

আগতে কোৱা হৈছে যে নৱকান্ত বৰুৱা শব্দ-সচেতন কবি আৰু শব্দজ্ঞান আহৰণৰ দুৰ্বাৰ আকাংক্ষাত তেওঁ বিভিন্ন ভাষাৰ অভিধান পঢ়ি সময় কটায। এনে শব্দ সন্ধানী কবি নৱকান্ত বৰুৱাই কবিতাৰ ভাব প্ৰকাশক শব্দ প্ৰযোগ কৰোঁতে প্ৰযোজন সাপেক্ষে অতি সহজ-সৰল ঘৰুৱা শব্দ প্ৰযোগ কৰিছে আৰু কবিতা বিশেষে তেওঁ তৎসম শব্দ আৰু বিদেশী শব্দও প্ৰযোগ কৰিছে। পৰ্জন্য কূপ মণ্ডুক আদিত্যবৰ্ণ ক্লীৱ আলোক বঞ্চিত প্ৰভঞ্জন মৃত্যু স্নাতা সৰীসৃপ-ক্ৰুৰ মৃত্যু আত্মকণ্ডুয়ন মৰুৎগণ সৰ্বংপ্ৰাণং এজতি অশ্ৰু-সিক্ত বোধিদ্ৰুম ৰুদ্ধদ্বাৰ শ্ৰৱণৰ শব্দ তৰঙ্গ ক্ৰান্তদৰ্শী অপস্মাৰ আদি অনেক তৎসম শব্দ প্ৰয়োগ কৰিছে। সেইদৰে বিদেশী শব্দৰ লগত দেশী শব্দ প্ৰয়োগ কৰি মিশ্ৰ শব্দও প্ৰয়োগ কৰিছে। যেনে — প্ৰিমিটিভ সন্দেহ, মৃত্যুৰ ডুৱেট হাঁহিৰ এনাটমি ইত্যাদি। সেইদৰে ট্ৰেফিক ফ্লোৰেচেণ্ট এনাচ্থেচিয়া ইলিজী একুৰিয়াম ব্লাড ট্ৰেন্সিফিউচ আদি ইংৰাজী শব্দ পোনপটীযাকৈ গ্ৰহণ কৰা দেখা গৈছে।

নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষাৰ অনেক ইতিবাচক বৈশিষ্ট্য আছে যদিও দোষ কিছুমানো দৃষ্টিগোচৰ নোহোৱা নহয়। এইখন অচিনাকী চীন মোৰ দেশ ঃ কতনা দেশ আৰু 'দলঙত তামীঘৰা'ৰ বহু কবিতাই কাব্যিক ভাষা-কুশলতাহীন আৰু অতি ৰূঢ় গদ্যধৰ্মী। তদুপৰি কবিতা বিশেষে শুনা পালো (ব্লাড ট্ৰেন্সফিউচন **মোৰ আৰু পৃথিৱীৰ**) আদি শব্দৰ ভুল প্ৰয়োগ হোৱা দেখা যায়।

সি যি কি নহওক — অতি সামান্য দোষ-ত্ৰুটীৰ বাহিৰে ছন্দৰ সুষম প্ৰয়োগ আলংকাৰিক ধ্বনিশীল বৈচিত্ৰ্য প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যঞ্জনাধৰ্মী চমৎকাৰিতা সাংগীতিক তথা অৰ্থবৈভৱযুক্ত শব্দচয়ন আধুনিক কবিতাৰ উপযোগী ভাষাৰ বৈশিষ্ট্য আৰু ব্যঞ্জনাধৰ্মী প্ৰকাশভঙ্গীৰ বাবেই নৱকান্ত বৰুৱাৰ কবিতা ৰূপগত সৌন্দৰ্যৰে সৌন্দৰ্যশালী হৈ উঠিছে।

---

৪৫ ইমদাদ উল্লাহ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮৮

# পঞ্চম অধ্যায় ঃ

# সামগ্ৰিক তুলনামূলক বিচাৰ আৰু সামৰণি

(এক)

## ভাব-বৈচিত্ৰ্যৰ তুলনামূলক বিচাৰ

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক বিচাৰ কৰিবলৈ কিয় লোৱা হ'ল এই বিষযে ভূমিকাৰ বিষয় চিনাক্তকৰণত বহলাই কোৱা হৈছে। দৰাচলতে দুয়োগৰাকী কবিৰ জন্মৰ সময় সাতাইশ বছৰ আগ পিছ যদিও পশ্চিমবঙ্গ আৰু অসম এই চুবুৰীয়া ৰাজ্য দুখনৰ কবি দুগৰাকীৰ যি সময় সেই সময়ৰ স্বৰূপ একেই। ভাৰতৰ ৰাজনৈতিক সমস্যা অৰ্থনৈতিক সংকট পাশ্চাত্য শিক্ষাৰ প্ৰসাৰ সমাজ-সাংস্কৃতিক অৱক্ষয় নৈতিক মূল্যবোধৰ স্খলন মানৱীযতাৰ অৱক্ষয় আদি সকলো দিশত সংঘাতজৰ্জৰ সময় ছোৱাতে দুয়োগৰাকী কবিয়ে কাব্য চৰ্চা কৰিছিল। এনে কাৰণতে দুয়োগৰাকী কবিৰ কবিতাৰ ভাব আৰু দৃষ্টিভঙ্গীৰ বহুখিনি মিল আছে। কম পৰিমাণে দুই এটা দিশতহে অমিল দেখা যায়। এনে অমিল হোৱাটো স্বাভাৱিক। কাৰণ সময় একে হ'লেও সময়ৰ পৰা জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰোতে মন মানসিকতা আৰু দৃষ্টিভঙ্গী ব্যক্তিভেদে পৃথক হয়। এনে পৃথকতাৰ বাবেই দুয়োগৰাকী কবিৰ কবিতাত কিছু অমিল হোৱা দেখা যায়।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ শিক্ষা আৰু বৃত্তিৰ দিশতো বহুত মিল দেখা যায়। দুযোজনেই ইংৰাজী বিষয়ৰ অধ্যাপক আৰু দুয়োজনেই খ্যাতিমান কবি যদিও কবিতাৰ উপৰিও উপন্যাস চিন্তামূলক আলোচনা লিখিছিল। পাৰ্থক্যও অৱশ্যে নোহোৱা নহয়। দুয়োগৰাকী কবিৰ সৃষ্টি সম্ভাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱাৰ সৃষ্টি-সম্ভাৰৰ বিচিত্ৰতা অধিক বেছি। জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱাই ভিন্ন ক্ষেত্ৰলৈ গৈ গীত ভ্ৰমণ বৃত্তান্ত, নাটক শিশু সাহিত্য অনুবাদ — এই কেইটা দিশতো সমান দক্ষতা প্ৰদৰ্শন কৰিছে। জীৱনানন্দ দাশে কিন্তু কবি হিচাপে যি দক্ষতাৰ পৰিচয় দিলে আনবোৰ দিশত তেনে দক্ষতা প্ৰদৰ্শন কৰা দেখা নগ'ল।

(দুই)

## সমকাল চেতনা আৰু সামাজিক দায়বদ্ধতা

একোজন কবিৰ দৃষ্টি আৰু দৰ্শন স্পষ্ট হৈ উঠে কবি গৰাকীৰ কবিতাৰ ভাব-বস্তুৰ

গভীৰতা ব্যাপ্তি আৰু বৈচিত্ৰ্যৰ মাজেদি। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুয়োগৰাকী কবিৰ কবিতাৰ ভাব গভীৰতা আছে, ব্যাপ্তি আছে আৰু দুয়োজনৰে কবিতাৰ ভাবনা-জগত দুখন বৈচিত্ৰ্যময় আৰু বিপুল ঐশ্বৰ্যময়।

প্ৰথমতে দেখা যায় যে দুয়ো গৰাকী কবি সমকালৰ প্ৰতি সজাগ আৰু কবি দুগৰাকীৰ সময়ত বিশ্ব আলোডনকাৰী পৰিঘটনা স্বৰূপে দ্বিতীয় মহাসমৰৰ সময়ৰ পৰা সমাজ জীৱনত যি ধৰণৰ সৰ্বগ্ৰাহী ক্ষয়িষ্ণু অৱস্থাই জনজীৱন বিপন্নপ্ৰায় কৰি তুলিছিল মনুষ্যত্ব বিধ্বংসকাৰী সেই অৱস্থাক দুয়োগৰাকী কবিয়ে জীৱন যন্ত্ৰণা ৰূপে অনুভৱ কৰিছে। এনে অনুভৱ কবি দুগৰাকীৰ বাবে অসহনীয় আত্মপীড়া আৰু এই আত্মপীড়াই কবি দুগৰাকীক কিন্তু পলায়নবাদী কৰি তোলা নাছিল। বৰং সমকালৰ ক্ষয়িষ্ণু অৱস্থাৰ মৰ্মন্তুদ উপলব্ধিয়ে দুয়োজন কবিকে সামাজিকভাৱে দাযবদ্ধ চেতনাৰ অধিকাৰী কৰিহে তুলিছিল। এনে দায়বদ্ধ চেতনাৰে উদ্বুদ্ধ হৈ কবি দুগৰাকীযে সমাজৰ অশুভ শক্তিবোৰ চিনাক্ত কৰাত গুৰুত্ব দিয়া দেখা গ'ল আৰু সমাজৰ শত্ৰু শ্ৰেণীবোৰৰ প্ৰতি প্ৰতিবাদ সাব্যস্ত কৰা দেখা গ'ল।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ প্ৰখৰ সমাজ সচেতন দৃষ্টিত ধৰা পৰিছিল আধুনিক সভ্যতাৰে সজোৱা নগৰীযা সমাজৰ গলিত অৱস্থা আৰু দুয়োজনৰ দায়বদ্ধ দৃষ্টিত ধৰা পৰিছিল সমাজৰ শত্ৰুৰূপী তথাকথিত ব্যক্তিকেন্দ্ৰী তথা ভোগবাদী ৰাজনীতিকসকল আৰু বিত্তবান শ্ৰেণীটো। সমকালৰ গলিত মূল্যবোধৰ স্খলিত জনজীৱনক দেখি দুয়োগৰাকী কবিৰ অন্তৰ সময় বিশেযে কম্পিত হৈ উঠিছে অনিশ্চয়তা আৰু শংকাত। এনে সংশয়াকুল অৱস্থাত দুযোগৰাকী কবিযে গভীৰ সামাজিক দায়বদ্ধ চেতনাৰে বিপ্লৱী মনোভাব প্ৰকাশ কৰা দেখা যায়। এনে সমকাল চেতনাৰে জীৱনানন্দ দাশে কৈছে —

বাণিজ্য বায়ুব হৰ্ষে কোন এক দিন
চাবদিকে পামগাছ — খোলামদ — বেশ্যালয় সেঁকো কেবোসিন
সমুদ্ৰেব নীল মৰুভূমি দেখে কাঁদে সাবাদিন।

(নিবঙ্কুশ সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ দৰেই সমকাল সচেতন কবি নৱকান্ত বৰুৱাৰ দৃষ্টিত ধৰা পৰিছে ৰঘুমলাৰূপী শোষক ৰাজনীতিকসকলৰ ভোগবাদী চৰিত্ৰ। আমাৰ দেশৰ ৰাজনীতিকসকলে জনতাক দুখ দুৰ্দশাৰ অন্ধকাৰত ডুবাই ৰাখি নিজৰ দানৱীয় ভোগ বিলাসত মত্ত হয়। সেয়ে সমাজ সমালোচনাৰ মনোভাবেৰে তেওঁ কৈছে —

আমিতো নেপালোঁ হায় পৃথিৱীৰ প্ৰথম যৌৱন
অৰণ্যৰ সেউজী সুৰভি।
নুশুনিলো নক্ষত্ৰৰ পাখিৰ গুঞ্জন

আমাৰ তৰাই মাথোঁ আকাশকে পোহৰ কৰিলে
তলত উচুপি ৰ'ল
অন্ধকাৰ পৃথিবীৰ স্বপ্নাতুৰ ক্ষয়িষ্ণু কংকাল
(আমাৰ পৃথিৱী মোৰ আৰু পৃথিবীৰ)

সাম্রাজ্যবাদী শোষণ পীড়নৰ কদৰ্য্যৰূপ দেখি জীৱনানন্দ দাশে কৈছে —

অন্ন নেই। হৃদয়বিহীনভাবে আজ
মৈত্রেয়ী ভূমাব চেয়ে অন্ন লোভাতুব
বক্তেব সমুদ্র চাবি দিকে
\+ \+ \+ \+ \+
অগণন লোক ম'বে যায
এম্পিডোক্লেসেব মৃত্যু নয় —
সেই মৃত্যু ব্যসনেব মতো হয।
(দীপ্তি সাতটি তারার তিমির )

সমকালৰ ভোগবাদী ৰাজনীতিকসকলৰ ছত্ৰছাঁয়াত গঢ় লৈ উঠা মধ্যভোগী বিত্তৱান শ্ৰেণীটোৰ দানৱীয়তাক উদঙাই নৱকান্ত বৰুৱাই কৈছে —

দুপৰৰ এই মৃত্যু বীভৎসতা
প্রাণ গঙ্গাৰ বন্দৰ।
বক্‌চাৰ আৰু পলাচীৰ আৰু ইয়াণ্ডাবুৰ ইতিহাস
জগৎ শেঠৰ ক্রেনৰ চকাত ঘূৰে
ঘাম সাগৰত লোহাৰ জাহাজ স্থানু
মৰণ পণ্য প্ৰাণ কঁপে নিস্ফল।
\+ \+ \+ \+ \+
বালিৰ কণাত কত নাবিকৰ হাড
ওপৰত উৰে ষ্টাৰ্লিং আৰু ডলাৰৰ কত চিলা
মাটিত বগায় কুমজেলেকুৱা দৃষ্টি
\+ \+ \+ \+ \+
শিয়নিত কোন শোৱে?
জগৎ শেঠৰ ক্রেনৰ চকাত তেজৰ চৰ্বি
এতিয়াও কোনে
দিয়ে ?
(প্ৰাণ গঙ্গাৰ বন্দৰ ঃ মোৰ আৰু পৃথিবীৰ)

সমাজ সচেতন কবি জীৱনানন্দ দাশে সামাজিক দায়বদ্ধ চেতনাৰে সমকালৰ মানুহৰ দুৰ্দশা দেখি কৈছে —

পৃথিবীত ঢেৰদিন বেঁচে থেকে আমাদেব আয়ু
এখন মৃত্যুব শব্দ শোনে দিনমান।
হৃদয়কে চোখঠাব দিয়ে ঘুমে বেখে
হয়তো দুর্যোগে তৃপ্তি পেতে পাবে কান
এ বকম একদিন মনে হয়েছিলো
অনেক নিকটে তবু সেই ঘোব ঘনায়েছে আজ
আমাদেব উঁচু নিচু দেয়ালেব ভিতবে খোডলে
ততোধিক গুনাগাব আপনাব কাজ
ক'বে যায় ঘবেব ভিতব থেকে খ'সে গিয়ে সন্ততিব মন
(বিভিন্ন কোবাস সাতটি তারার তিমির)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাযো সমকাল চেতনাৰে সমাজ বীক্ষা কৰি ক্ষয়মান সমাজৰ দুৰ্দশাক গভীৰভাৱে অনুভৱ কৰিছে আৰু এনে অনুভৱেৰে কৈছে —

ইতিহাস জুৰি পৰি ৰ'ল মাথোঁ
শুকান হাড়ৰ
শিজু কাঁইটৰ দেশ
মৰা পৃথিৱীৰ দেহ
সাউদৰ নাও তথাপি চলিছে
সাউদৰ নাও খৰাং মাটিতো চলে
পানীৰ পিয়াহ সাউদৰ নাই মাথোন সোণৰ পিয়াহ
(ক্ৰমশ মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত সমকাল চেতনা আৰু তৎজনিত দায়বদ্ধ চেতনাৰ তুলনামূলক বিচাৰ কৰি দেখা গ'ল যে দুয়োজন কবিৰে প্ৰখৰ সমকাল বীক্ষা কৰিব পৰা দৃষ্টি আছে আৰু দুয়োজনেই দায়বদ্ধ কবি। অথচ জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱাৰ সমকাল চেতনা অধিক বাস্তৱসন্মত আৰু দায়ৱদ্ধ চেতনাও অধিক স্পষ্ট।

(তিনি)

### অৱক্ষয় চেতনা

সমকাল চেতনা যাৰ প্ৰখৰ তেনে ব্যক্তিৰ মনত সমাজৰ অৱক্ষয় চেতনা অতি স্পষ্ট ৰূপত প্ৰকট হৈ পৰে। এনে কাৰণতে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত

সমাজৰ অৱক্ষয়ৰ ছবিখন জীৱন্ত ৰূপত ফুটি উঠিছে। আধুনিক সভ্যতাৰ ব্যহ্যিকতাৰে সজ্জিত বীভৎস নগৰীয়া জীৱনৰ কদৰ্যময় ছবি অংকন কৰি জীৱনানন্দ দাশে কৈছে —

কোন দূৰ সবুজ ঘাসেৰ দেশ নদী জোনাকিৰ কথা মনে পড়ে আমাৰ
তাৰা কোথায়?
তাৰা কি হাৰিয়ে গেছে?
পায়েৰ তলে লিকলিকে ট্ৰামেৰ লাইন — মাথাৰ ওপরে
অসংখ্য জটিল তাৰেৰ জাল
শাসন কৰছে আমাকে।
গুডি গুড়ি বৃষ্টি পডেছে, কেবল যেন ঠাণ্ডা বাতাস

(ফুটপাথে মহাপৃথিবী)

আধুনিক সভ্যতাৰ বিকৃতিয়ে মানুহক অধোমুখী কৰা দেখি মানৱদৰদী কবি নৱকান্ত বৰুৱাই সমকালৰ ক্ষয়িষ্ণু ৰূপটো উপলব্ধি কৰিছে এনেদৰে —

এনেকৈ
এনেকৈয়ে আমি নামি যাও
ওপৰত ৰুগ্ন স্বৰ্গৰ বাৰান্দা
তলত জীৰ্ণ জীৱিকাৰ ফুটপাথ
মাজত অনিশ্চয়তাৰ শংকা।

(লিফ্‌ট মোৰ আৰু পৃথিৱীৰ)

মহানগৰৰ যান্ত্ৰিক জীৱনৰ নগ্নতাই কবিৰ স্পৰ্শকাতৰ মনত কঠিন আঘাত হানে আৰু এনে আঘাতত মৰ্মাহত হৈ দুয়ো গৰাকী কবিয়ে মহানগৰীয়া জীৱনৰ উলঙ্গপ্ৰায় জীৱন চিত্ৰ অংকন কৰিছে। জীৱনানন্দ দাশে এনে ক্ষয়মান সমাজ চিত্ৰ আঁকি কৈছে —

নগৰীৰ মহৎ ৰাত্ৰিকে তাৰ মনে হয়
লিবিয়াৰ জঙ্গলেৰ মতো।
তবুও জন্তুগুলো আনুপৰ্ব — অতিবৈতনিক
বস্তুত কাপড পৰে লজ্জাবশত

(ৰাত্ৰি সাতটি তাৰাৰ তিমিৰ)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱায়ো ইতিহাস চেতনাৰ আধাৰত সমকালৰ অৱক্ষয়মান সমাজৰ ছবি চিত্ৰণ কৰি কৈছে —

মৰি যোৱা শতাব্দীৰ দেহ
উঠি আহে,
সময়ৰ কবৰৰ পৰা

ভিৰৰ মাজত মই ডুবি যাও
ভাঙি ছিঙি শেষ হৈ যাও
মই নাই। মই আৰু নাই।
(এন্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

অৱক্ষয়মান সমাজত তথাকথিত সভ্য মানুহে ভদ্রতাৰ মুখা পিন্ধি লোকচক্ষুৰ আঁৰত পশুবৎ জীৱন যাপন কৰে আৰু এনে ভণ্ড মানুহৰ স্বৰূপ উদঙাই জীৱনানন্দ দাশে কৈছে —

যেই সব শিয়ালেবা জন্ম জন্ম শিকাবেব তবে
দিনেব বিশ্রুত আলো নিভে গেলে পাহাবেব বনেব ভিতবে
নীববে প্রবেশ ক'বে — বাব হয় — চেয়ে দেখে ববফেব বাশি
(যেই সব শেয়ালেবা সাতটি তারার তিমির)

সমাজৰ ভণ্ড তথা অসাধু শ্রেণীৰ মানুহৰ শোষণ পীডাত জৰ্জৰিত হোৱা জীৱনৰ কৰুণ ছবি চিত্রণ কৰি নৱকান্ত বৰুৱাই কৈছে —

এয়া নৈৰ পাৰ
শামুকৰ খোলা ৰ'দত জিলিকি চকুত পিয়াহ লগায
পানী ক'ত পানী?
ক'ত সেউজীয়া পাৰৰ ধাননি
লুইত শুকান
পাত কুঁৱাবোৰ পাতালৰ পৰা কিহ অহা বাট
এটোপা পানী?
বিলৰ শুকান বোকাৰ মাজত
শুকান মাছৰ কাঁইটত লাগি ওলায় আমাৰ লুণীয়া তেজ।
(ক্রমশ মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত অৱক্ষয় চেতনা বিচাৰ কৰিলে দেখা যায় যে দুয়োজন কবিৰ অৱক্ষয় চেতনাৰ মিল আছে যদিও কিছুমান দিশত অমিলো দেখা যায়। জীৱনানন্দ দাশৰ কবিতাত প্রকাশ পোৱা অৱক্ষয় চেতনা বুদ্ধিনিষ্ঠ মননশীলতাৰে সমৃদ্ধ। কিন্তু দাশৰ কবিতাৰ অৱক্ষয় চেতনাত কবিৰ সামাজিক দায়বদ্ধ চেতনা কিছু কম। আনহাতে নৱকান্ত বৰুৱাৰ অৱক্ষয় চেতনা কেৱল সামাজিক দায়বদ্ধতাতে আবদ্ধ নহয় ই মানৱতাবাদৰ গভীৰতালৈ গৈছে আৰু এনে কাৰণতে নৱকান্ত বৰুৱাৰ কবিতাৰ অৱক্ষয় চেতনা মানৱতাবাদ আৰু ইতিহাস চেতনাৰ সৈতে মিলি গৈ বুদ্ধিনিষ্ঠ হৈ পৰিছে।

## (চাৰি)

### দ্বিধাগ্রস্ততাজনিত দ্বন্দ্ব

গভীৰ সমকাল চেতনা প্ৰখৰ দাযবদ্ধ চেতনা আৰু গভীৰ অবক্ষয় চেতনাৰে ভাৰাক্রান্ত কবিৰ মন দ্বিধাগ্রস্ত হোৱাটোৱেই স্বাভাৱিক। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই আধুনিক দ্বন্দ্বমুখৰ যুগৰ কবি। ভাৰতীয় কবি হিচাপে দুয়োজনেই এফালে ভাৰতীয় অধ্যাত্মবাদী ঐতিহ্য আৰু আনফালে যুক্তিনির্ভৰ বিজ্ঞানৰ চাক্ষুস প্ৰগতি, এই দুই বিপৰীতমুখী চিন্তাধাৰাৰ সন্ধিক্ষণত কবি দুগৰাকীৰ মন দ্বিধাগ্রস্ততাৰ দোমোজাত। আধুনিক বিজ্ঞান নিঃসন্দেহে জনকল্যাণকামী আৰু এই বিজ্ঞানেই মানৱ সভ্যতাক বিকাশৰ পথত দ্রুত গতিৰে আগবঢাই নিছে। কিন্তু যি বিজ্ঞান জনকল্যাণকামী সেই বিজ্ঞানক স্বার্থান্বেষী তথা ভোগবাদী এটা শ্রেণীযে বিজ্ঞানৰ মঙ্গলময ৰূপটোক বিকৃত কৰি মানুহক ধ্বংসৰ ফালে নিব খুজিছে। এনে বিজ্ঞান বিকৃতি দেখি জীৱনানন্দ দাশে কৈছে —

> আমাদেব এই শতকেব
> বিজ্ঞানতো সংকলিত জিনিসেব ভীব শুধু বেড়ে যায় শুধু,
> তবুও কোথাও তাব প্ৰাণ নেই ব'লে অর্থময
> জ্ঞান নেই আজ এই পৃথিবীতে জ্ঞানেব বিহনে প্রেম নেই।
> (১৯৪৬ ৪৭ শ্রেষ্ঠ কবিতা)

নৱকান্ত বৰুৱাৰ মনতো বিজ্ঞান চেতনা আছে। এই বিজ্ঞান চেতনা কিন্তু জীৱনানন্দ দাশৰ বিজ্ঞান চেতনাৰ সৈতে একে নহয। জীৱনানন্দ দাশে বিজ্ঞানৰ বস্তুৰূপ বা স্থূল ৰূপটোহে দেখিছে; বিজ্ঞানৰ চিন্তৰ সূক্ষ্ম ৰূপটোৰ প্ৰতি বিশেষ দৃষ্টি দিয়া যেন নালাগে। বিজ্ঞানসৃষ্ট মাৰণাস্ত্রৰ ভয়াবহতাত জীৱনানন্দ দাশৰ মনত বিজ্ঞানৰ প্ৰতি আস্থা হেৰাইছে। নৱকান্ত বৰুৱাই কিন্তু বিজ্ঞানপ্রদত্ত যুক্তি বোধ আৰু বুদ্ধিৰ দিশটোত পৰম আস্থা স্থাপন কৰিছে। বিজ্ঞানৰ এই সূক্ষ্ম দিশটোৱে মানুহৰ মন ৰক্ষণশীলতাৰ পৰা আৰু কুসংস্কাৰৰ পৰা মুক্ত কৰে বাবে নৱকান্ত বৰুৱাই বিজ্ঞানৰ ওপৰত আস্থা হেৰুওৱা নাই। বৰং তেও বিজ্ঞানৰ ওপৰত গভীৰ বিশ্বাস স্থাপন কৰি কৈছে —

> মই বিশ্বাস কৰোঁ
> প্রিমিটিভ মানুহৰ ঈশ্বৰ আৰু অৰ্দ্ধ ঈশ্বৰৰ স'তে
> নিৰীশ্বৰ বিজ্ঞানৰ স্বপ্নত
> (স্বীকৃতি মোৰ আৰু পৃথিবীৰ)

জীৱনানন্দ দাশৰ দ্বিধাগ্রস্ত মনে কেতিয়াবা কিবা এটাত বিশ্বাস স্থাপন কৰিলেও বেলেগ সময় আৰু বিশেষ পৰিস্থিতিত সেই বিশ্বাসকো অবিশ্বাসত লীন নিয়ায়। যি জ্ঞানৰ ওপৰত তেওঁ বাৰম্বাৰ বিশ্বাস স্থাপন কৰি আহিছে, সেই জ্ঞানৰ ওপৰত বিশ্বাস হেৰুৱাই কৈছে —

একদিন সমুদ্রের কালো আলোড়নে
উপনিষদেরও শাদা পাতগুলো ক্রমে ডুবে যাবে।
(মনোবীজ মহাপৃথিবী)

জীৱনানন্দ দাশে জ্ঞানৰ প্ৰাপ্তি এবাৰ বিশ্বাস আৰু এবাৰ অবিশ্বাস কৰাৰ দৰে নৱকান্ত বৰুৱাই জ্ঞানৰ প্ৰতি তেনে কোনো ইতিবাচক বা নেতিবাচক মন্তব্য কৰা নাই। কিন্তু নৱকান্ত বৰুৱাই আধুনিক যুগৰ ভণ্ড শোষক শ্ৰেণী চৰিত্ৰৰ প্ৰতি আস্থা হেৰুৱাইছে। অথচ তেওঁ ভাল বেয়া বুলি কথা নাই সকলোকে সমানে বিশ্বাস কৰোঁ বুলি কৈছে —

সকলোকে মই বিশ্বাস কৰোঁ
কল্পনা বুলি বাস্তৱ বুলি সঁচা কথা বুলি
মিছা গান বুলি
প্ৰয়োজন বুলি অপ্ৰয়োজনৰ কোমল বিলাস বুলি
মই বিশ্বাস কৰোঁ
আমাৰ লগত আমি নোহোৱাৰ স'তে
আমি নোহোৱাৰ লগতো আমাৰ অস্তিত্ব।
(স্বীকৃতি মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশ এনে এজন দ্বিধাগ্ৰস্ত মনৰ কবি যি জনে প্ৰেমেই জীৱনৰ সত্য আৰু সৰ্বস্ব বুলি ভাবে। কিন্তু যি জন কবিয়ে দুখময় জীৱনত প্ৰেমেই সঞ্জীৱনী সুধা বুলি ভাবে সেইজন কবিয়েই প্ৰেমতো আস্থা হেৰুৱাই কৈছে —

সময় অনেক চিহ্ন লক্ষ্য ভেঙে ফেলে ছুটেছে দুরন্ত অশ্বক্ষুর
একে একে সকলকে নষ্ট করে দেবে সময়ের হাতে সবই বিচ্ছিন্ন ভঙ্গুর
হয়ে যায় জেনেছি অনেক দিন আমি। তবুও তার সকল ধ্বংসের পটভূমি
দিয়ে আচ্ছাদিত ক'রে অপ্রেম প্রেমকে তবু ও দেখেছোঁ অনাচ্ছাদিত হে প্রেমিক তুমি।
(প্রেমিক)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ মনৰ দ্বিধাগ্ৰস্ততা বিচাৰ কৰি দেখা গ'ল যে দুয়োজন কবি দ্বিধাগ্ৰস্ত মনৰ যদিও দুয়োজনৰ দ্বিধাগ্ৰস্ততাৰ মাজত পাৰ্থক্য আছে। জীৱনানন্দ দাশৰ দ্বিধাগ্ৰস্ততা বহু পৰিমাণে আবেগজনিত নৱকান্ত বৰুৱাৰ দ্বিধাগ্ৰস্ততা কিন্তু কবি গৰাকীৰ উদাৰনৈতিক সহনশীলতাজনিত। নৱকান্ত বৰুৱাৰ দ্বিধাগ্ৰস্ততাৰ বিষয়ে বিস্তৰ ব্যাখ্যালৈ নগৈ কেইষাৰমান কথা তুলি দিলেই যথেষ্ট হয়।

ব্যক্তিগত আলাপ সূত্ৰে কৈছিল যে কোনো পথ কোনো আদৰ্শকে সঁচা বুলি সৰ্বান্তঃকৰণে বিশ্বাস কৰাৰ প্ৰবৃত্তি তেওঁৰ নহয়। তেনেকৈ কোনো এটা পথ বা আদৰ্শক সম্পূৰ্ণ ভ্ৰান্ত বুলি নাকচ কৰাৰ

> সাহসো তেওঁৰ হেনো নাই। তাৰ লগতে জড়িত আছে তেওঁৰ উদাৰনৈতিক সহনশীলতা।[১]

এইখিনি কথাৰ উপৰিও আৰু এষাৰ কথাত নৱকান্ত বৰুৱাৰ দ্বিধাগ্ৰস্ত মনৰ উৎসটো স্পষ্ট হৈ পৰে। তেওঁ কৈছে —

> কিহত বিশ্বাস কৰিম? যুক্তিৰে বিশ্বাস কৰিবলৈ গৈয়ো বাধা পাও বিশ্বাসেৰে বিশ্বাস কৰিবলৈও যুক্তিয়ে বাধা দিয়ে। জীৱন ধাৰণৰ প্ৰয়োজনত সেয়ে কিছুমান সংস্কাৰৰ লগত adjust কৰি চলিব লগা হয়। আদৰ্শ মানে কষ্ট বিশ্বাস মানে সংশয় — মনৰ এনে দোমোজাত সঁচা যেন লাগে কেতবোৰ স্থূল জৈৱিক প্ৰক্ৰিয়া মাত্ৰ।[২]

এইবোৰ মন্তব্যৰ উপৰিও স্থানান্তৰত নৱকান্তবৰুৱাই তেওঁৰ দ্বিধাগ্ৰস্ততাৰ বিষয়ে কৈছে—

> মোৰ বিশ্বাসৰ সমল ভালেখিনি আহৰিত। কবি হিচাপে সেইবোৰ মই কেতিয়াও চালি জাৰি চোৱা নাই। মই মোৰ পৰস্পৰ বিৰোধী সংঘাতময় বিশ্বাসবোৰ লৈয়েই জীৱনটো পাৰ কৰি দিব খোজোঁ। মই সংস্কাৰমুক্ত হ'ব পৰা নাই সম্ভৱত নোৱাৰিম।[৩]

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ দ্বিধাগ্ৰস্ততাৰ সম্পৰ্কে যিখিনি কথা কোৱা হ'ল সেইখিনি কথাত স্পষ্ট হৈ পৰিছে যে জীৱনানন্দ দাশৰ দ্বিধাগ্ৰস্ততা যিদৰে আবেগজনিত তাৰ বিপৰীতে নৱকান্ত বৰুৱাৰ দ্বিধাগ্ৰস্ততা বাস্তৱ-জগত বাস্তৱ-জীৱন আৰু বাস্তৱ অভিজ্ঞতাজনিত। এইষাৰ কথা সঁচা প্ৰমাণিত হয় ইতিপূৰ্বে তুলি দিয়া মন্তব্যকেইটাৰ মাজেদি।

## (পাঁচ)

### নি সঙ্গ চেতনা

ৰোমাণ্টিক কবিতাৰ পৰা আধুনিক কবিতালৈকে নিঃসঙ্গ চেতনা এটা সাধাৰণ বৈশিষ্ট্য। যাৰ অন্তৰ অত্যন্ত স্পৰ্শকাতৰ আৰু অত্যন্ত সংবেদনশীল তেনে মানুহৰ মন সাধাৰণতে নিঃসঙ্গ চেতনাৰ দ্বাৰা আক্ৰান্ত হয়। তাতে যদি ব্যক্তিজনৰ মন বিশ্বাস আৰু অবিশ্বাস আস্থা আৰু আস্থাহীনতা আশা আৰু নিৰাশাৰ দোমোজাত থাকে তেনে মানুহৰ মন গভীৰ অসহায়বোধত আক্ৰান্ত হৈ পৰে আৰু এনে মানসিক অৱস্থাই নিঃসঙ্গবোধৰ জন্ম দিয়ে। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুয়োজনেই এনে মানসিকতাৰ কবি।

---

১ হীৰেন গোহাঁই 'নৱকান্ত বৰুৱা আৰু আমি মোৰ আৰু পৃথিৱীৰ পৃঃ ২৪০

২ উল্লিখিত গ্ৰন্থ, পৃঃ ২৪১

৩ ভবেন বৰুৱা ঃ অসমীয়া কবিতা ৰূপান্তৰ পৰ্ব পৃঃ ১১৭

নিঃসঙ্গবোধৰ দ্বাৰা যাৰ মন ভাৰাক্রান্ত তেনে মানুহে জনতাৰ কোলাহলৰ মাজতে থাকিও নিঃশব্দ নীৰৱতা অনুভৱ কৰে আৰু জনতাৰ ভিৰৰ মাজতে থাকিও নিজকে নিঃসঙ্গ বুলি ভাবে। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই নিঃসঙ্গতাৰ পীড়া অনুভৱ কৰিছে। জনতাৰ মাজতে থাকিও নিজকে চিৰ অকলশৰীয়া বুলি অনুভৱ কৰে আৰু এনে অনুভৱেৰে নৱকান্ত বৰুৱাই কৈছে —

সাঁতুৰি আহিলোঁ হেজাৰ লোকৰ ভিৰ
জন সাগৰত চিৰকাল চিৰ অকলশৰীয়া আমি
আমাৰ কাৰণে বালিচৰ আছে
পাৰৰ সপোন নাই।

(আবেলিৰ আলিবাটৰ গান মোৰ আৰু পৃথিৱীৰ)

ঠিক একেদৰে জনতাৰ মাজতে থাকিও চৌদিশে মহাশূন্যতা অনুভৱ কৰি জীৱনানন্দ দাশে কৈছে —

হৃদয়েব মাঝে এক বোধ জন্ম লয়
আমি তাবে পাড়ি না এড়াতে
সে আমাব হাত বাখে হাতে
সব কাজ তুচ্ছ হয় — পণ্ড মনে হয
সব চিন্তা — প্রার্থনাব সকল সময
শূন্য মনে হয
শূন্য মনে হয।

(বোধ ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ একাকীত্ববোধৰ বিষযে তলৰ মন্তব্যটো প্রণিধানযোগ্য।

জীবনানন্দেব কবিতাব আদি পর্যায় থেকেই অনুভব ও বোধেব কেন্দ্রে বসে আছে এই নিঃসঙ্গ একক যন্ত্রণাহত আধুনিক। তাঁব ধূসব পাণ্ডুলিপি পর্যায়েব বচনায় অনেকগুলি কবিতাতেই একদিকে রয়েছে এক অন্ধ অনড জৈবতা এক আগ্রাসী আত্ম অবলোপী ভিড় অন্যদিকে তাঁব নির্জন নিঃসঙ্গ নায়ক — যে গভীরভাবে আত্মস্থিত অথচ আর্ত যে তার প্রেমে ও ঘৃণায় উল্লাস ও বেদনায় একেবাবে সঙ্গীহীন একক বিকল্পহীন এক ব্যক্তি মানুষ।[৪]

---

৪ প্রদ্যুম্ন মিত্র ঃ 'অস্তিত্ববাদ ও জীবনানন্দ পার্থজিৎ গঙ্গোপাধ্যায় (সম্পা) জীবনানন্দ পৃঃ ২৩৪

এই দুয়োগৰাকী কবিৰ নিঃসঙ্গ চেতনাৰ বিষয়ে বিচাৰ কৰিলে দেখা যায় যে নৱকান্ত বৰুৱাৰ নিঃসঙ্গতাবোধ গভীৰ জীৱন জিজ্ঞাসাজনিত আৰু বহু পৰিমাণে আধ্যাত্মিক চেতনাসম্ভূত। সেইদৰে অন্তমুৰ্খিন কবি হিচাপে জীৱনানন্দ দাশৰ নিঃসঙ্গবোধো গভীৰ আত্ম উপলব্ধিৰ পৰা উদ্ভূত আৰু বহু পৰিমাণে আধ্যাত্মিক চেতনাজনিত। জীৱনানন্দ দাশৰ এই নিঃসঙ্গ চেতনা প্ৰদ্যুম্ন মিত্ৰৰ মতে জাঁপল ছাৰ্ত্ৰেৰ অস্তিত্ববাদী দৰ্শনৰ প্ৰভাৱৰ ফল। প্ৰদ্যুম্ন মিত্ৰৰ এই কথাষাৰ কিন্তু গ্ৰহণযোগ্য নহয়। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ নিঃসঙ্গতাবোধ দুয়োগৰাকী কবিৰ গভীৰ অন্তৰ্মুখিন মানসিকতাৰ পৰা উদ্ভৱ হোৱা আত্মপীড়া আৰু ই বহু পৰিমাণে আধ্যাত্মিক চেতনাৰ দ্বাৰা পৰিচালিত।

## (ছয়)

### ৰোমাণ্টিক চেতনা

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা বাস্তৱবাদী আধুনিক কবি। কিন্তু এইষাৰ কথাও সঁচা যে যিমানেই বাস্তৱবাদী নহওক — দুয়োজন কবিয়ে কিন্তু ৰোমাণ্টিক স্বপ্নাৱেশৰ পৰা মুক্ত হ'ব পৰা নাই।

> জীবনানন্দ কি বোমাণ্টিক ? — নিঃসন্দেহে। কেননা বোমাণ্টিক কল্পনা বস্তু আহবণে তাকে বিগলিত ৰূপান্তবিত এবং পুনর্গঠিত কবে।
>
> \+ + + + +
>
> বস্তুব তন্নিষ্ঠ ৰূপটিকেও তিনি আদৌ ঝাপসা হতে দেন নি তাব ৰূপবেখা সুস্পষ্ট বহাল আছে।[৫]

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই অন্তৰ্মুখিন ভাবনাৰ কবি আৰু দুয়োজনৰ অন্তৰতে ৰোমাণ্টিক প্ৰেম অনুভৱ হয় তেওঁলোকৰ কবিতাৰ মাজেদি। এনে ৰোমাণ্টিক স্বপ্নাৱেশৰ মাধুৰ্যময় যন্ত্ৰণা অনুভৱ কৰিয়ে জীৱনানন্দ দাশে কৈছে —

> কাবণ সূর্যের চেয়ে আকাশেব নক্ষত্রেব থেকে
> প্রেমের প্রাণেব শক্তি বেশি — তাই বাখিয়েছে ঢেকে
> পাখির মায়ের মতো প্রেম এসে আমাদের বুক।
> সুস্থ ক'রে দিয়ে গেছে আমাদেব রক্তেব অসুখ।
> পাখির শিশুর মতো যখন প্রেমেবে ডেকে-ডেকে
> বাতেব গুহাব বুকে ভালোবেসে লুকায়েছি মুখ

---

৫ তৰুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ জিজ্ঞাসা পৃঃ ৩৩

ভোবেব আলোব মতো চোখেব তাবায় তাবে দেখে।
প্রেম কি আসেনি তবু? — তবে তাব ঈশাবা আসুক।
প্রেম কি চলিয়া যায় প্রাণেব জলের ঢেউযে ছিঁড়ে।
ঢেউযেব মতন তবু তাব খোঁজে প্রাণ আসে ফিবে।

(প্রেম ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱায়ো ৰোমাণ্টিক প্রেম মদিৰাৰ ৰাগিত ৰোমাঞ্চিত হৈ কৈছে —

হয়তো নহয় বন্ধু, সঁচাকৈযে আছে মই জানো
শান্তিৰ অকণি এটি দ্বীপ — য'ত আছে বাট চাই
দেহত বসন্ত সাঁচি তোমাৰ প্রেযসী যি অমৃত
আমাৰ নিশ্বাসে বিহ কৰি তোলা নাই — তাৰ
আস্বাস দিবৰ বাবে।

(স্বনিমন্ত্রণ মোৰ আৰু পৃথিবীৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত প্রকাশ পোৱা বিভিন্ন দিশৰ ভাবৰ ভিতৰত ৰোমাণ্টিক তন্দ্রাবেশ অন্যতম। প্রখৰ সমাজ চেতনা প্রখৰ সমাজ চেতনাজনিত সামাজিক দায়বদ্ধ চেতনাৰে বাস্তৱবাদী কবি যদিও দুযোজন কবিৰ কবিতাত ৰোমাণ্টিক তন্দ্রালু আবেশ এটা গভীৰভাবে অনুভূত হয়।

## (সাত)

### প্রেম চেতনা

প্রেম চেতনাই ৰোমাণ্টিক কবিতা আৰু আধুনিক কবিতা উভয়তে স্থান পাই আহিছে। কিন্তু সিয়ে হ'লেও ৰোমাণ্টিক কবিতাৰ প্রেম আৰু আধুনিক কবিতাৰ প্রেমৰ মাজত পাৰ্থক্য আছে। ৰোমাণ্টিক কবিতাৰ প্রেম আবেগসর্বস্ব আৰু আধুনিক কবিতাৰ প্রেম চেতনা মননশীল চিন্তাপ্রসূত।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়ো জনেই প্রেমৰ গভীৰ প্রেষ অনুভব কৰিছে। তেওঁলোকৰ প্রেম চেতনাও আবেগ বিটৌত। অথচ আধুনিক কবি হিচাপে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ প্রেম যুক্তি বোধ আৰু বুদ্ধিৰ দ্বাৰা কৰ্ষিত হৈ মননশীল ৰূপত গঢ় লৈ উঠিছে।

জীৱনানন্দ দাশৰ প্রেম জীৱন প্রেৰণা আৰু ই এক অমেয় মোহময়তা। তেওঁৰ বাবে প্রেম জীৱন আগুৰি থকা এক মহাশক্তি।

ধূসব পাণ্ডুলিপিব চিত্রেব পব চিত্রে চডিযে বয়েছে বিষণ্ন শীতার্ত নৈসর্গিক পৃথিবীব ৰূপ। সেই প্রাকৃতিক পটভূমিকায প্রেম বারবাব নিয়ে এসেছে এক বোমাণ্টিক দীর্ঘশ্বাস। এ কাব্যেব প্রথমতম কবিতা 'নির্জন স্বাক্ষব' যেখানে এক পরিব্যাপ্ত নৈসর্গিক নশ্ববতাব প্রেক্ষাপটে মানবিক প্রেম তাব মৃত্যুহীনতাব এমন দ্যোতনা আনে যা 'নক্ষত্রের আকাশ' কিংবা 'সমুদ্রেব জল' কখনও জানে নি। চাবি পাশেব 'সবুজ মাঠ ঘাস' আব 'আকাশে আকাশে ছড়ানো' নীল আকাশ ইন্দ্রিয় গোচর সব জাগতিক মাধুবিমাব চেয়েও ঢেব বড বিস্ময যেন এই প্রেম।[৬]

জীৱনানন্দ দাশৰ প্রেম পৃথিৱীমুখী যদিও তেওঁৰ প্রেম পুন পুনঃ ঘূৰি আহি নাৰীৰ প্রেমত নিমজ্জিত হয়হি। প্রেমৰ নাৰীমুখী অনুৰাগ প্রকাশ পাইছে এনেদৰে —

সে সূর্য অয়নে নেই কোনো দিন
— মনে তাকে দেখা যেতো যদি —
যে নাবী দেখেনি কেউ — ছ সাতটি তাবাব তিমিবে
হৃদয়ে এসেছে সেই নদী।

(অনেক নদীব জল **বেলা অবেলা কালবেলা**)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাৰো বহু কবিতাত প্রেমানুভূতিৰ আলফুল আবেশ এটা অনুভব হয়। যেনে —

অৰুন্ধতী
বহুতো আকাশ পাৰ হৈ অহা
ধুমুহা পখীৰ এটি লহমাৰ নীড়
বহুতো সপোন পাৰ হৈ অহা
কেঁচা টোপনিৰ ভিৰৰ মাজত
সেই এটা মাথোঁ 'জাগৰ ৰাতি —
মনত পৰেনে অৰুন্ধতী ?

(মনত পৰেনে অৰুন্ধতী **মোৰ আৰু পৃথিৱীৰ**)

নাৰীৰ প্রেমত জীৱনমাধুর্য আৰু অপৰিমেয় প্রাণস্পন্দনশীল প্রেৰণা অনুভৱ কৰি জীৱনানন্দ দাশে প্রেমৰ সর্বব্যাপ্তমান স্থিতি অনুভৱ কৰি কৈছে —

ভ্রমরীব মত চুপে সৃজনেব ছায়াধুপে ঘূরে মরে মন
আমি নিদালিব আঁখি — নেশাখোব চোখেব স্বপন

---

৬ প্রদ্যুম্ন মিত্র : জীবনানন্দের চেতনা জগত পৃঃ ৫১

নিবালায় সুব সাধি — বাঁধি মোব মানসীব বেণী
মানুষ দেখেনি মোবে কোনোদিন — আমাবে চেনে নি ।
(কবি ঝৰা পালক)

নৱকান্ত বৰুৱায়ো প্ৰেমৰ মাযামৰ মোহময় আৰু অপৰিমেয শক্তি অনুভৱ কৰি কৈছে —

তাৰ বাবে লাগে মোক কেৱল এমুঠি প্ৰেম
তাৰ বাবে লাগে মোক তোমাৰ অকণি প্ৰেম
দাবী নাই ভাব নাই যাৰ আছে দায।
লাগে মোক মস্তিস্কৰ উৰণীয়া স্বপ্নবীজ সঞ্জীৱিত কৰিবৰ বাবে।
(ৰাৱণ মোৰ আৰু পৃথিৱীৰ)

নাৰীৰ প্ৰেমেৰে জীৱন জোনালী হয আৰু এই নাৰীৰ প্ৰেমে জীৱনক স্বপ্নমদিৰ ৰূপত উপভোগ্য কৰি তোলে। জীৱনানন্দ দাশৰ প্ৰেমানুভূতিৰ এনে ব্যাকুলতাৰ বাবেই তেওঁৰ জীৱন জীপাল হৈ আছে প্ৰেমেৰে।

ইন্দ্ৰিয়বোধাতীত এক বহস্যময় প্ৰেমাবেশেব ভিতব দিয়ে কেঁটেছে তাঁব সাবা জীৱন। এই প্ৰেমেব আবেশেই কবি তাঁব পলাতকা প্ৰিয়াকে দেখেছেন আকাশ ভুবনেব অপৰূপ ৰূপেব জগতে। এই অৰ্থেই জীবনানন্দ প্ৰেমেব কবি।[৭]

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাযো অনুভৱ কৰিছে জীৱনৰ সমগ্ৰতাত প্ৰেমৰ সম্মোহন। এনে প্ৰেমাকুল অনুভৱেৰে তেও কৈছে —

প্ৰেম চিৰ বিকল্পবিহীন
প্ৰেমতো নহয় কোনা পাৰপত্ৰ গভীৰ নিষ্ঠাৰ
প্ৰেম সি যে সুপৰিপূৰণ সৰ্ব খৰ্বতাৰ
প্ৰেম নোহে অন্ধ মনসিজ মনৰ সি সন্দীপন শিখা।
প্ৰেম নোহে মহীয়ান মহত্ত্বৰ জনক কেৱল।
প্ৰেমৰ কৰিলো পৰিমাপ তুলা যন্ত্ৰ আনি বৈৰাগ্যৰ
প্ৰেম নোহে সমব্যথা প্ৰেম সঞ্জীৱন আৰু
জীৱনৰ পৰিমাপ নাই
প্ৰেমতো নহয় তৃপ্তি নোহে যি ত্যাগৰ শুভ্ৰ বৈৰাগ্য বিলাস
প্ৰেমে পৰিপূৰ্ণ কৰে নাই তাৰ সমবেদনাৰ অহমিকা।
(ধৃতৰাষ্ট্ৰ মহাকাব্যৰ পাণ্ডুলিপি)

---

৭ জগদীশ ভট্টাচাৰ্য জীৱনানন্দ দাশ সুব্ৰত ৰুদ্ৰ (সম্পা) জীৱনানন্দ জীৱন আৰু সৃষ্টি পৃ ১১৯

জীৱনৰ সমগ্ৰতাত ব্যাপ্তমান হৈ থকা প্ৰেমৰ উন্মাদনাত উন্মাদিত হৈ উঠা জীৱনানন্দ দাশৰ প্ৰেমে কেতিয়াবা ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমত আৰু কেতিয়াবা ইন্দ্ৰিয়াতীত স্তৰত স্বপ্নাবেশ ৰচনা কৰিছে। দাশৰ এনে প্ৰেমচেতনাৰ উৎকৃষ্ট নিদৰ্শন 'ক্যাম্পে' আৰু 'হায় চিল' কবিতা দুটা। 'হায় চিল' কবিতাৰ এনে দিক্‌ভ্ৰান্ত প্ৰেমৰ উত্তাল উচ্ছ্বাসৰ বিষয়ে জগদীশ ভট্টাচাৰ্যই কৈছে —

> কবিৰ হৃদয়েৰ শব্দহীন জ্যোৎস্নাৰ ভিতৰে পাখিৰ ডাক
> যে পলাতকা প্ৰেমেৰ স্মৃতিকে জাগিযে দেয় তাৰই অনবদ্য কাব্যৰূপ
> হ'ল 'হায চিল' কবিতাটি।[৮]

জীৱনানন্দ দাশৰ মতে প্ৰেমৰ পৰিণতি যদি বিচ্ছেদ হয় সেই বিচ্ছেদৰ যন্ত্ৰণা বৰ অসহ্যকৰ। এনে ধাৰণাৰে তেওঁ কৈছে —

> যদিও বীণাৰ মতো বেজে উঠে হৃদযেৰ বন
> একবাৰ — দুইবাৰ — জীবনেৰ অধীৰ আঘাতে —
> তবু — প্ৰেম — তবু তাৰে ছিঁড়ে ফেঁড়ে গিযেছে কখন।
>
> (প্ৰেম ধূসৰ পাণ্ডুলিপি)

বিচ্ছেদ যদি প্ৰেমৰ পৰিণতি হয় সেই বিচ্ছেদৰ জ্বালা যিদৰে অসহ্যকৰ বুলি জীৱনানন্দ দাশে ভাবিছে, সেইদৰে নৱকান্ত বৰুৱাযো মিলনেই প্ৰেমৰ পূৰ্ণতা আনে আৰু বিচ্ছেদে প্ৰেমক আত্মনাশী ৰূপ লৈ মানুহৰ জীৱনক বিষাদত চিৎকাৰ কৰোৱায় বুলি ভাবে। এনে ধাৰণাৰে তেওঁ কৈছে —

> তাৰ মুক্তি নাই, যদি
> যদি নহয় মিলন আজি তোমাৰ প্ৰেমৰ স'তে
> আত্মনাশী মোৰ প্ৰণয়ৰ।
> তুমিও হেৰাই যাবা — ময়ো যে হেৰাই যাম
> কালৰ কীটাণুবোৰে খুলি খাই খাই
> আমাক কৰিব ইতিহাস
>
> (ৰাৱণ মোৰ আৰু পৃথিৱীৰ)

প্ৰেম সম্পৰ্কে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়ো জনেই দ্বিধাগ্ৰস্ত। প্ৰেমেই জীৱনৰ সৰ্বস্ব বুলি ভবা কবি দুজনে প্ৰেমৰ প্ৰকৃত স্বৰূপ কি প্ৰেমৰ পৰিণতি আচলতে কি — এনে অনেক প্ৰশ্নৰে নিজকে ভাৰাক্ৰান্ত কৰি তুলিছে। নৱকান্ত বৰুৱাই প্ৰেমক জীৱন প্ৰেৰণা বুলি প্ৰেমক জীৱনৰ সঞ্জীৱনী সুধা বুলি ভাবিলেও সময় বিশেষে প্ৰেমৰ বিষয়ে

---

৮ উল্লিখিত গ্ৰন্থ, পৃ ২০২

তেওঁ বিৰূপ ধাৰণা পোষণ কৰা দেখা যায়। প্ৰেমৰ সম্পৰ্কে নেতিবাচক দৃষ্টিৰে তেওঁ কৈছে —

মই জানোঁ সেযে হ'ব। ইয়াকেই দিয়া মোক।
তাকে দেখুৱাই দিয়াঁ এই মুহূৰ্ত্তত
যেতিয়া বুজিলো মই প্ৰেম নোহে জীৱন যাত্ৰাৰ
এনে কোনো মহত্তম প্ৰয়োজন
যেতিয়া জানিলোঁ মই কৰুণাৰ আত্মম্ভৰিতাই
অশ্ৰুৰ বাস্পেৰে ঢাকে বাৰ্দ্ধক্যৰ
আমাৰ আকাশ

(সম্ৰাট মোৰ আৰু পৃথিৱীৰ)

যি প্ৰেমৰ মহত্তম শক্তিক গভীৰ উপলব্ধিৰে স্বীকাৰ কৰিছে, সেই মহামহত্বশালী গৰিমাময় প্ৰেমৰ প্ৰতি বিৰূপ ধাৰণা পোষণ কৰি নৱকান্ত বৰুৱাই যেতিয়া প্ৰেম নোহে জীৱন যাত্ৰাৰ এনে কোনো মহত্তম প্ৰয়োজন বুলি কয় তেতিয়া প্ৰেমৰ সম্পৰ্কে নৱকান্ত বৰুৱাৰ প্ৰকৃত ধাৰণা কি — এই প্ৰশ্নৰ উত্তৰ অনিশ্চযতা আৰু সংশয়েৰে ধূৱলী-কুঁৱলি হৈ পৰে। প্ৰশ্ন হয় — প্ৰেমৰ বিষযে জীৱনানন্দ দাশৰ এনে সংশয় আছে নে নাই?

প্ৰেমৰ ধাৰণাত জীৱনানন্দ দাশো দ্বিধাগ্ৰস্ত। জীৱনানন্দ দাশেও প্ৰেমেই জীৱনৰ সঞ্জীৱনী বুলি কোৱাৰ পাছত দ্বিধাগ্ৰস্ততাত দিক্‌ভ্ৰান্ত হৈ ধূসৰ পাণ্ডুলিপি'ৰ 'কয়েকটি লাইন কবিতাত কলে প্ৰেম নশ্বৰ বুলি। যি প্ৰেম স্মৃতিৰ মণিকূটত সজাল হৈ থাকে সেই স্মৃতিও যে নশ্বৰ। তেনেহ'লে জীৱনত স্থায়ী কি? প্ৰেম অস্থায়ী স্মৃতি অস্থায়ী। জীৱনো দেখোন অস্থায়ী। প্ৰেম স্মৃতি আৰু জীৱনৰ অস্থায়ীত্ব বা নশ্বৰতা অনুভৱ কৰি কবি গৰাকীয়ে দেখিছে সৰ্বত্ৰ নশ্বৰতাক। তেওৰ মতে সৌৰজগতৰ নক্ষত্ৰ ক্ষয হোৱাৰ দৰে প্ৰেমো ক্ষয়প্ৰাপ্ত হয়। প্ৰেমৰ এনে নশ্বৰতা অনুভৱ কৰি তেও কৈছে—

তোমাব আকাশে তুমি উষ্ণ হ'যে আছো — তবু —
বাহিবেব আকাশেব শীতে
নক্ষত্ৰেব হইতেছে ক্ষয়
নক্ষত্ৰেব মতন হৃদয়
পড়িতেছে ঝবে —

(নিৰ্জন স্বাক্ষব ঃ ধূসৰ পাণ্ডুলিপি)

জীৱনানন্দ দাশ অভাবনীয়ভাৱে দ্বিধাগ্ৰস্তঅৱে আক্ৰান্ত মনৰ কবি। যিজন কবিয়ে প্ৰেমৰ নশ্বৰতাক অনুভৱ কৰিছে, সেই জন কবিয়ে মানুহৰ মৃত্যুৰ পাছতো প্ৰেম অক্ষয় অব্যয় হৈ থাকে বুলি মত পোষণ কৰিছে।

> মৃত্যুব পবে কী হবে সে কথাও কবি কল্পনায় ৰূপ পেয়েছে। একদিন অন্ধকাবে নক্ষত্রেব নিচে যখন তিনি মৃত্যুব ঘুমে শুয়ে থাকবেন তখনও এই ভালোবাসা বেঁচে থাকবে।[৯]

এনেধৰণৰ দ্বিধাগ্রস্ততাৰে প্রেমৰ বিষয়ে ধাৰণা লোৱা কবি জীৱনানন্দৰ প্রেম চেতনাৰ ব্যাপ্তিও লক্ষ্য কৰা যায়। প্রেমৰ প্রতি তেওঁৰ দৃষ্টিভঙ্গী ইতিবাচক অথবা নেতিবাচক যিয়ে নহওক — দাশৰ প্রেমৰ পৰিধিয়ে কিন্তু তেওৰ প্রকৃতি চেতনা আৰু ইতিহাস চেতনাকো সামৰি লৈছে।

> শেষ পর্যন্ত জীৱনানন্দ প্রেম চেতনা প্রকৃতি চেতনা ও ইতিহাস চেতনাব কবি। কিন্তু তাঁব প্রকৃতি ও ইতিহাস চেতনাব মর্মমূলে বয়েছে তাঁব প্রেম চেতনা।[১০]

জীৱনানন্দ দাশৰ প্রেমৰ দৃষ্টিভঙ্গী সলনি হোৱাৰ দৰে নৱকান্ত বৰুৱাৰ প্রেমৰ দৃষ্টিভঙ্গীও ৰূপান্তৰ হৈছে। কিন্তু দুযোজন কবিৰ প্রেমচেতনাৰ পৰিৱৰ্তন একে নহয়। নৱকান্ত বৰুৱাৰ প্রেম ৰূপান্তৰ হৈছে প্রিযাৰ প্রেমৰ পৰা পৃথিৱী প্রেমলৈ। কবি পৃথিৱীৰ মানুহ, আৰু পৃথিৱীৰ মানুহ হিচাপে নৱকান্ত বৰুৱা ক্রমশ পৃথিৱী প্রেমত ব্যাকুল হৈ পৃথিৱী প্রেমতে নিমজ্জিত হৈ গৈছে।

তুমি মোক ক্ষমা কৰা হে পৃথিৱী
মই যে কৃপণ
তোমাৰ সকলো দায় গ্রহণ কৰিও
তোমক যে সঁচাকৈয়ে
ভাল পোৱা নাই
অকুণ্ঠ স্বীকৃতি মোৰ
মই অকৃতজ্ঞ।
(কৃপণ **মোৰ আৰু পৃথিৱীৰ**)

মানৱী প্রেমত আত্মবিলীন হৈ যোৱা কবি নৱকান্ত বৰুৱাই মানৱী প্রেমৰ পৰা আঁতৰি আহি পৃথিৱী প্রেমত আত্মমগ্ন হৈ ঘোষণা কৰিলে —

সৌ নীলা আকাশৰ
কোনো এক নেদেখা দেশত
বাট চাই আছে যেন

---

৯ জগদীশ ভট্টাচার্য পূর্বোক্ত গ্রন্থ, পৃ ২০৯
১০ উল্লিখিত গ্রন্থ, পৃ ২০৩

মোৰ প্ৰিয়া প্ৰিয়া মোৰ প্ৰিয়া
মোৰ ঘৰ
মোৰ ভাল পোৱা।
মগ্ন চেতনাই মোক আনি দিলে ছয়াময়া সেউজী ছবি
তোমাৰেই — হে পৃথিৱী
(কৃপণ মোৰ আৰু পৃথিৱীৰ)

দেখা গ'ল যে প্ৰেম চেতনাৰে যি গৰাকী কবিৰ কৱিতা আগুৰি আছে, সেইগৰাকী কবিৰ কবিতাত প্ৰেম চেতনাই মোৰ সলাই পৃথিৱী প্ৰেমলৈ প্ৰসাৰিত হ'ল।

> কবি গৰাকীৰ ৰোমাণ্টিক প্ৰেমানুভূতিয়ে ক্ৰমশঃ পৃথিৱী প্ৰেমলৈ যেন প্ৰসাৰিত হ'ব খুজিছে। 'কৃপণ কবিতাত স্তুপীকৃত হোৱা ৰোমাণ্টিক ভাববস্তু ক্ৰমশ হুইটমেনৰ The earth that is sufficient বোলা ভাববস্তুত মিলি যাবলৈ উপক্ৰম কৰিছে। আচলতে ই কাব্যৰ ঐতিহাসিক বিবৰ্তন। ৰোমাণ্টিক ভাবানুভূতিক আধুনিক বোলেৰে বোলাই কবিতাক বিবৰ্তনৰ পথত আগুৱাই অনা কবিতা হিচাপে নৱকান্ত বৰুৱাৰ 'কুপমণ্ডুক জোনাক নিশাৰ জ্যামিতি তেজীমলা 'বৰষুণ আদি কবিতা উল্লেখযোগ্য।[১১]

সি যি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম চেতনাৰ তুলনামূলক বিচাৰ কৰি দেখা গ'ল যে দুয়োজন কবিৰে প্ৰেমৰ প্ৰতি ধাৰণা একে। দুয়োজন কবিৰ দৃষ্টিত জীৱন মানেই প্ৰেম আৰু প্ৰেম মানেই জীৱন। প্ৰেমেই একমাত্ৰ সঁচা এই পৃথিৱীত যি প্ৰেমে জীৱনক প্ৰাণ স্পন্দনশীল কৰি তোলে আৰু দুখেভৰা মৰুময় জীৱনত প্ৰেমে শান্তিৰ মৰুদ্যান ৰচনা কৰি জীৱনক মাধুৰ্য দান কৰে।

প্ৰেমৰ সৰ্বগ্ৰাহী মোহনীয় শক্তিক দুয়োজন কবিয়ে স্বীকাৰ কৰাটোত দ্বিধাগ্ৰস্ততাৰ দিশতো দুয়োজন কবিৰ মাজত মিল আছে। প্ৰেমেই জীৱনক স্বপ্নালু সুখানুভূতিৰে সমৃদ্ধ কৰে বুলি দৃঢভাৱে বিশ্বাস কৰা কবি দুজনে সময়ে সময়ে প্ৰেমৰ প্ৰতিও বিশ্বাস হেৰুৱাই পেলাইছে। প্ৰেমৰ ক্ষেত্ৰত এনে দ্বিধাগ্ৰস্ততা দুয়োজন কবিৰ কবিতাৰ বৈশিষ্ট্য।

এইবোৰ দিশত দুয়োজন কবিৰ কবিতাৰ বৈশিষ্ট্যৰ মাজত মিল আছে যদিও এটা দিশত কিন্তু দুয়োজন কবিৰ প্ৰেম চেতনাৰ মাজত অমিল দেখা যায়। দুয়োজন কবিৰ প্ৰেম চেতনাই দুটা ভিন্ন পথেদি বিবৰ্তনৰ পথত আগবাঢ়ি গ'ল। জীৱনানন্দ দাশৰ প্ৰেম চেতনা বিলীন হৈ গ'ল ইতিহাস চেতনা আৰু প্ৰকৃতি চেতনাত আৰু তাৰ বিপৰীতে নৱকান্ত বৰুৱাৰ

---

১১ প্ৰহ্লাদ কুমাৰ বৰুৱা আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য পৃ ১৮

প্ৰেমচেতনা ৰূপান্তৰ হ'ল মানবী প্ৰেমৰ পৰা পৃথিবী প্ৰেমলৈ। কবি গৰাকীৰ প্ৰেম পৃথিবী প্ৰেমত বিলীন হৈ যোৱা বাবেই তেওঁ দৃঢ়তাৰে ঘোষণা কৰিলে —

মাথোন এই পৃথিৱীখনক ভাল পাই গ'লোঁ
এই কথাটোকে কিমানবাৰ যে ক'লোঁ
কিমান ভাবেৰে ক'লোঁ।

(উভতি নহাৰ কবিতা দলঙত তামীঘৰা)

সি যি কি নহওক — মিল অমিল আছে যদিও দুয়োজন কবিৰ প্ৰেমচেতনা গতিশীল আৰু এই গতিশীলতা মননশীলতাজনিত। এনে মননশীল গতিশীলতাই দুয়োজন কবিৰ কাব্যতাৰ ভাবনা জগতখনক গাম্ভীৰ্য দানো কৰিছে আৰু বৈভৱশালীও কৰিছে বুলি নিঃসন্দেহে ক'ব লাগিব।

(আঠ)

## মৃত্যু চেতনা

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত নিহিত হৈ থকা বিবিধ প্ৰকাৰ ভাব-বস্তুৰ বহুদিশত মিল আছে আৰু সেইদৰে দুযোজন কবিৰ মৃত্যু চেতনাতো মিল দেখা যায়। জীৱনানন্দ দাশ গভীৰ জীৱনবোধসম্পন্ন কবি আৰু এনে গভীৰ জীৱনবোধেৰে তেওঁ অনুভৱ কৰিছে জীৱনৰ চৌপাশে কেৱল অন্ধকাৰ আৰু এই অন্ধকাৰত তেওঁ জীৱনক দেখিছে অস্পষ্ট আৰু ধূসৰ ৰূপত। কিন্তু তেওঁৰ দৃষ্টিত মৃত্যুৱে ধৰা দিছে অতি স্পষ্ট ৰূপত।

গভীব অন্ধকাবেব ঘুমেব আস্বাদে আমাব আত্মা লালিত
কেন আমাকে জাগাতে চাও?

(অন্ধকাব বনলতা সেন)

ঠিক সেইদৰে মৃত্যুৱেই জীৱনৰ সত্য বুলি অনুভৱ কৰি নৱকান্ত বৰুৱাই সৰ্বত্ৰ মৃত্যুৰ ভয়াবহতাক দেখিছে এনেদৰে —

স্নায়ুয়ে শিৰায় জ্বলে আমাৰ মৃত্যুৰ জ্বালা
সিহঁতৰো মৃত্যুৰ বেদনা
আমাৰ আগেয়ে আৰু আমাৰ পিচতো
পৃথিৱীৰ বাটে যিবোৰ মানুহে
বিচাৰিলে বিচাৰিব অৰ্থ জীৱনৰ

(এল্ধাৰ ৰাতিৰ ইলিজী মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাই মৃত্যুক জীৱন আৰু জগতৰ অৱধাৰিত

সত্যৰূপে গণ্য কৰিছে। মৃত্যুৰ প্ৰতি জীৱনানন্দ দাশৰ এনে ধাৰণাৰ বিষয়ে কোৱা হৈছে—

তিনি উপলব্ধি কবেছন শুধু মানুষেরই মৃত্যু ঘটে না
নক্ষত্র আগুন-ধানক্ষেত্র শিশিব মেঘেব বঙ গাছ-জ্যোৎস্না ফুল সব
কিছুবই মৃত্যু ঘটে যায়। এই পৃথিবীও একদিন বুড়ো হয়ে মৃত্যু দ্বাবা
ধ্বংসপ্রাপ্ত হয়।[১২]

জীৱনানন্দ দাশৰ দৰে নৱকান্ত বৰুৱাৰ মতেও এই পৃথিবী 'মৃত্যু শীতল ধূলি আৰু এই পৃথিৱীত জন্ম মানেই মৃত্যু। মৃত্যুৰ এনে অজেয় শক্তি স্বীকাৰ কৰি তেওঁ কৈছে। —

আৰু কি বিলৈ?
কিহৰ বিলৈ?
আমি জানোঁ কি বেদনা
অসংখ্য মৃত্যুৰ সেতু
তাৰ ওপৰেদি
জীৱনৰ সৰীসৃপ আহিছে বগাই।

(ক্ৰমশ মোৰ আৰু পৃথিৱীৰ)

জীৱনৰ চৌদিশে মৃত্যুৰ বিভীষিকা দেখা কবি দুগৰাকীৰ দৃষ্টিত দেহৰ পৰা প্ৰাণ বায়ু ওলাই যোৱাটোৱে কেৱল মৃত্যু নহয় মৃত্যুৰ যন্ত্ৰণা বহু প্ৰকাৰ হ'ব পাৰে মৃত্যুৰ উৎসও বহু প্ৰকাৰ হ'ব পাৰে। দুয়োগৰাকী কবিৰ মতে একাংশ মানুহৰ হৃদয়হীনতা এই হৃদয়হীনতাজনিত শোষণ পীড়নো মানুহৰ মৃত্যু যন্ত্ৰণা হৈ পৰে। মৃত্যুৰ বিষয়ে এনে ধাৰণা লৈয়ে জীৱনানন্দ দাশে ক'লে —

নগবীব বাজপথে মোড়ে মোড়ে চিহ্ন প'ড়ে আছে
একটি মৃতেব দেহ অপবেব শবকে জড়ায়ে
তবুও আতঙ্কে হিম — হয়তো দ্বিতীয় কোনো মরণেব কাছে

(বিভিন্ন কোবাছ সাতটি তারার তিমির)

ঠিক জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱায়ো একেধৰণৰ অনুভৱেৰে কৈছে —

নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমনিত কৰোঁ অনুভৱ
কাজিৰঙা ডবকাৰ আৰণ্যক অপস্মাৰ
সৰীসৃপ ক্ৰুৰ মৃত্যু সৰ্পিল জীৱন
পলাতক দৈনন্দিন নিয়ন উজ্জ্বল গধূলিৰ

---

১২ জহর সেনমজুমদার : জীবনানন্দ ও অন্ধকারের চিত্রনাট্য পৃঃ ১০৬

ৰঙা নীলা শেতা মুখ
হেনা মধুমালা আৰু অলকানন্দাৰ
পথ আৰু উপপথ গলি আৰু এভিনিউ
বোবা যন্ত্ৰণাত অন্ধকাৰ
পিচল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়।
পোহৰ পোহৰ ক'ত

(হে অৰণ্য হে মহানগৰ)

জীৱনানন্দ দাশৰ কবিতাত মৃত্যু চেতনাই আত্মদ্বন্দ্বৰ পৰা আঁতৰি আহি আধ্যাত্মিক চেতনাৰ মাজত সোমাই পৰিছেহি। ধাৰণা হয় — এনে ধৰণৰ মৃত্যু চেতনা যেন ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদৰ আৱৰ্তত সোমাই পৰিছেহি। যেনে —

যখন মৃত্যুব ঘুমে শুয়ে ব'বো — অন্ধকাবে নক্ষত্রেব নিচে
কাঁঠাল গাছেব তলে হযতো বা ধলেশ্বরী চিলাইয়েব পাশে
দিনমানে কোনো মুখ হয়তো সে শ্মশানেব কাছে নাহি আসে
+ + + + +
নিবিড় হয়েছে তাই আমাব চিতাব ছাইয়ে — বাংলাব ঘাসে
গভীব ঘাসেব গুচ্ছে ব'য়েছি ঘুমায়ে আমি

(রূপসী বাংলা ১৪ নং কবিতা)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাৰ মৃত্যুচেতনাও ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদৰ বৃত্তৰ মাজত সোমাই পৰিছে আৰু দাৰ্শনিক দৃষ্টিৰে তেওঁ কৈছে —

প্ৰাণ স্বপ্ন মৃত্যু আৰু বঞ্চনাৰ
হে মহানগৰ
দেশ
কাল
আলোকবৰ্ষৰ পথ লক্ষ কোটি নিখৰ্ব নিযুত
+ + + + +
অদৃশ্য সংগীত তাৰ
স্থিতি আৰু মৃত্যুৰ ডুৱেট
মৃত্যু তাৰ মৃত্যু মাথোঁ
স্থিতি তাৰ সমস্যাৰ দ্বিকেন্দ্ৰিক বৃত্তাভাস

(উপলব্ধি মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশৰ কবিতাত জীৱন আৰু মৃত্যুক একাকাৰ ৰূপত অনুভৱ কৰা

দেখা গৈছে। এওঁৰ মতে জীৱন আৰু মৃত্যু এই দুয়োটাৰ সম্পৰ্ক অঙ্গাঙ্গী।[১৩] এনে ধাৰণাৰে তেওঁ কৈছে —

একবাব মৃত্যু ল'য়ে — একবাব জীবনেরে ল'য়ে
ঘূর্ণিব মতন ব'য়ে যে — বাতাস ছেঁড়ে তাব মতো গেছি ব'য়ে
(জীবন ধূসর পাণ্ডুলিপি)

নৱকান্ত বৰুৱায়ো জীৱনত সঁচা বুলি একো থৈ যাব পৰা সম্ভৱ নহয় বুলি অনুভৱ কৰিছে আৰু মৃত্যুতে জীৱন লীন যায় বুলি ভাবি কৈছে —

আমি মাথোঁ গুচি গ'লো পৃথিৱীৰ বাটে বাটে
আমাৰ অঙ্গত তাৰ নাথাকিল কোনো অঙ্গীকাৰ
সময়ৰ পদধ্বনি আমাৰ স্নায়ুত আমি
শুনিছিলো অবিৰাম।
মৃত্যুৰ ঘড়ীত বজা আমাৰো আত্মাৰ ধ্বনি
সময়ৰ বুকু ফালি ফালি
(এন্ধাৰ ৰাতিৰ ইলিজী এটি দুটি এঘাৰটি তৰা)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত মৃত্যুক এক ৰহস্যময় আলোক হিচাপে গণ্য কৰা দেখা যায়। মৃত্যুক আলোক ৰূপত অভিহিত কৰি জীৱনানন্দ দাশে কৈছে —

আবো এক আলো আছে দেহে, তাব বিকালবেলাব ধূসবতা
চোখেব দেখাব হাত ছেড়ে দিয়ে সেই আলো হ'য়ে আছে স্থিব
(মৃত্যুব আগে ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱায়ো মৃত্যুৰ নামান্তৰ ধ্বংসৰ মাজতো আলোক দৰ্শন কৰি কৈছে—

আমি পালো পৃথিৱীৰ অন্তিম দিনৰ ক্ষুধা
আৰু
অনাগত ঊষাৰ সপোন
(আমাৰ পৃথিৱী এটি দুটি এঘাৰটি তৰা)

জীৱনানন্দ দাশৰ বাবে মৃত্যু ভয়াবহ হ'ব পাৰে কিন্তু দাশৰ বাবে মৃত্যুতে শান্তি। মৃত্যু তেওঁৰ বাবে গান। এনে ধাৰণাৰে তেও কৈছে —

যেখানে গাছেব শাখা নড়ে
শীত বাতে — মড়াব হাতেব শাদা হাড়েব মতন

---

১৩ শীতল চৌধুৰী জীৱনানন্দ অন্বেষা পৃ° ৪৫

যেইখানে বন
আদিম বাত্ৰিব ঘ্ৰাণ
বুকে ল'য়ে অন্ধকাবে গাহিতেছে গান।

(সহজ ধূসর পাণ্ডুলিপি)

ঠিক জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱায়ো যন্ত্ৰণাময় পৃথিবীৰ পৰা মৃত্যুৰ দুৱাৰেদি পাৰ হ'লেই পৰম শান্তি পোৱা যায় বুলি উপলব্ধি কৰি কৈছে —

শুক্তিৰ বুকুত মই মুক্তা হৈ জন্ম ল'ম আৰু এটি
বাৰিষাৰ মৰণৰ বৰফৰ সময়ৰ
শেহৰ পিচত
নিটোল অশ্ৰুৰ দৰে শান্তিৰে উজ্জ্বল

(অৰ্জুন মোৰ আৰু পৃথিবীৰ)

জীৱনানন্দ দাশে জীৱনৰ মৰ্মমূলত প্ৰৱেশ কৰি অনুভৱ কৰিছে মৃত্যুৰ চিৰন্তন তথা অজেয শক্তিক। মৃত্যুৰ এনে অজেয শক্তিক স্বীকাৰ কৰি লৈ তেও সিদ্ধান্তত উপনীত হৈ কৈছে যে মৃত্যু একপ্ৰকাৰ মুক্তি। কবিৰ মতে মৃত্যু জীৱন যাত্ৰাৰ শেষ দুৱাৰ যিখন দুৱাৰেদি জীৱনে প্ৰস্থান কৰে মহাজীৱনত মিলি যাবৰ বাবে।

তবু এই পৃথিবীব সব আলো একদিন নিভে গেলে পবে
পৃথিবীব সব গল্প একদিন ফুবাবে যখন
মানুষ ববেনা আব ব'বে শুধু মানুষেব স্বপ্ন তখন
সেই মুখ আব আমি ব'বো সেই স্বপ্নেব ভিতবে

(স্বপ্ন মহাপৃথিবী)

মুক্তি মানেই শান্তি। জীৱনানন্দ দাশে মৃত্যুত মুক্তিৰ সন্ধ্যান পাইছে। নৱকান্ত বৰুৱাই পোনপটীয়াকৈ মৃত্যুক মুক্তি বুলি কোৱা নাই যদিও মৃত্যুত শান্তিৰ সন্ধান পাইছে। তেও মৃত্যুক 'শীতল সুপ্তিৰ নিচুকণি বুলি অভিহিত কৰি কৈছে —

আকাশ ফুলৰ ইমান পাপৰি
উপনিষদৰ ইংগিত
ৰতাহু জোনাক ঢৌ তৰা
মৃত্যু শীতল সুপ্তিৰ নিচুকণি

(সৰ্বং প্ৰাণং এজতি হে অৰণ্য হে মহানগৰ)

এই বিনন্দীয়া পৃথিবীত জীৱন যিমানেই দুখ বেদনা সংঘাতেৰে জৰ্জৰিত নহওক— তথাপি জীৱন মোহনীয়। কিন্তু এই মোহনীয় জীৱনকো নিঃশেষ কৰি পেলায় মৃত্যুৱে। সেয়ে কবিৰ মন বিষাদগ্ৰস্ত। এনে মনোভাবেৰে জীৱনানন্দ দাশে কৈছে —

পৃথিবীব বাধা — এই দেহেব ব্যাঘাতে
হৃদয়ে বেদনা জমে — স্বপ্নেব হাতে
আমি তাই
আমাবে তুলিয়া দিতে চাই।
যে সব ছায়া এসে পড়ে
দিনেব — বাতেব ঢেউয়ে — তাহাদেব তবে
জেগে আছে আমাব জীবন
সব ছেড়ে আমাদেব মন
ধবা দিতো যদি এই স্বপ্নেব হাতে।
পৃথিবীব বাত আব দিনেব আঘাতে
বেদনা পেত না তবে কেউ আব —
থাকিত না হৃদয়েব জবা —

(স্বপ্নেব হাতে ধূসর পাণ্ডুলিপি)

প্রাত্যহিক জীৱনত পোৱা দুখ বেদনাসোপা আছেই তথাপি সমুখত নিশ্চিত মৃত্যুৰ ভয়াবহতা দেখি কবিৰ মনত গভীৰ বিষাদ। এনে বিষাদ প্রকাশ পাইছে নৱকান্ত বৰুৱাৰ কবিতাত এনেদৰে —

অসম্ভৱ বসুন্ধৰা। তেজৰ তেলেৰে চলে
জীৱনৰ কল। অবিশ্রান্ত যন্ত্রণাৰ
অশ্লীল ঘৰ্ঘৰ তাৰ — আমাৰ স্থিতিৰ গান।
স্থিতি মানে অক্ষম মৰণ।

(অসম্ভৱ বসুন্ধৰা মোৰ আৰু পৃথিৱীৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ মৃত্যুচেতনাৰ বিশেষ পাৰ্থক্য দেখা নাযায়। দুয়োজন কবিৰ কবিতাত মৃত্যুচেতনা যে বৈচিত্র্যময় হৈ উঠিছে, এই বিষয়ে দুটা মন্তব্য ইয়াত অতি প্রাসঙ্গিক হৈ পৰে। জীৱনানন্দ দাশৰ মৃত্যু চেতনা সম্পৰ্কে কোৱা হৈছে —

> ব্যক্তিগতভাবে জীবনানন্দ মৃত্যুকামী বা মৃত্যুপ্রেমী। 'আট বছব আগেব একদিন 'শীতরাত 'স্থবিব যৌবন 'আজকেব এক মুহূর্ত — এই প্রত্যেকটি কবিতা মৃত্যুব উচ্ছাকাংক্ষাই টান হ'য়ে আছে। 'আমাব হৃদয়ের ভিতব/সেই সুপক্ক রাত্রির গন্ধ পাই আমি (আজকের এক মুহূর্ত)। প্রাকৃতিক পৃথিবীতে জীবনানন্দ পাকা পচা দৈহিক অবক্ষয়েব প্রক্রিয়া লক্ষ্য করেন। শীত হিম কুয়াশা বন্ধ্যা হিম চাঁদ

পাকা হলুদ পচা পাতা শীর্ণ জলপালা ইত্যাদিব পৌনঃপুনিক ব্যবহারে এক ধবণের মৃত্যু চেতনাব আভাস আছে।[১৪]

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাৰ মৃত্যু চেতনা সম্পৰ্কে কোৱা হৈছে —

তেওঁৰ (নৱকান্ত বৰুৱাৰ) কবিতাৰ কেন্দ্ৰতে আছিল প্ৰত্যক্ষভাৱেই এই মৃত্যু চেতনা — প্ৰবল আৰু নিবিড় মৃত্যু চেতনা। এনে পৰিব্যাপী মৃত্যু চেতনায়েই নৱকান্ত বৰুৱাৰ কবিতাক আধুনিক অসমীয়া কবিতাত এটা বিশেষ আৰু ব্যতিক্ৰমী সুৰ দিছিল।[১৫]

সি যি কি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ মৃত্যুচেতনা বিচাৰ কৰি দেখা গ'ল যে দুয়োজন কবিৰ মৃত্যুচেতনাৰ মাজত মিল আছে আৰু দুয়োজন কবিৰ মৃত্যুচেতনা গভীৰ জীৱনবোধত উদ্ভৱ হৈ দাৰ্শনিকতাৰ আৱৰ্তত সোমাই পৰিছেগৈ। এনে কাৰণতে দুয়োজন কবিৰ মৃত্যুচেতনাই তেওঁলোকৰ কবিতাৰ ভাব-জগতখন গুৰু-গম্ভীৰ কৰিও তুলিছে।

(ন)

## জীৱন জিজ্ঞাসা

কবিতা যিহেতু কলা গতিকে কবিতাত জীৱন জিজ্ঞাসা হোৱাটো স্বাভাৱিক। সকলো কবিৰ ক্ষেত্ৰত অৱশ্যে জীৱন জিজ্ঞাসা আশা কৰিব পৰা নাযায়। যাৰ জীৱনবোধ অতি গভীৰ তেনে ব্যক্তি হয় সাধাৰণতে অন্তৰ্মুখিন আৰু তেনে অন্তৰ্মুখিন কবিয়ে জীৱনৰ স্থিতি আৰু জীৱনৰ ৰহস্য সম্পৰ্কে গভীৰ চিন্তাত নিমগ্ন হয়। এনে মননশীল চিন্তাৰে জীৱন জিজ্ঞাসা কৰা কবি হিচাপে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা অন্যতম।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই অন্তৰৰ গোপন গহ্বৰত নিৰ্জনতাৰ কোলাহল শুনা কবি। এনে নিৰ্জন কোলাহলত আত্মাৰ ব্যাকুলতা অনুভৱ কৰিছে জীৱনানন্দ দাশে কিন্তু আত্মাৰ এই ব্যাকুলতা কাৰ বাবে তেওঁ নাজানে।

কোনো এক বসন্তেব বাতে
জীবনেব কোনো এক বিস্ময়েব রাতে
আমাকেও ডাকেনি কি কেউ এসে জ্যোৎস্নায় — দখিনা বাতাসে
ওই ঘাইহরিণীব মতো?

(ক্যাম্পে ধূসর পাণ্ডুলিপি)

---

১৪ দীপ্তি ত্রিপাঠী : পূর্বোক্ত গ্রন্থ, পৃঃ ১২৪
১৫ ভবেন বৰুৱা : পূর্বোক্ত গ্রন্থ, পৃঃ ১০০

জীৱনানন্দ দাশে যিদৰে তেওঁৰ আত্মাত কাৰোবাৰ আকুল আহ্বান শুনিছে, নৱকান্ত বৰুৱায়ো জীৱনৰ অস্তিত্বৰ সন্ধানত ব্যাকুল হৈ কৈছে —

সকলোকে মই বিশ্বাস কৰোঁ
কল্পনা বুলি বাস্তৱ বুলি সঁচা কথা বুলি
আমাৰ লগত আমি নোহোৱাৰ স'তে
আমি নোহোৱাৰ লগতো আমাৰ অস্তিত্ব।

(স্বীকৃতি মোৰ আৰু পৃথিৱীৰ)

জীৱন জিজ্ঞাসা যেতিয়া গভীৰ হয় সেই গভীৰতাই মানুহক বিষাদ বেদনাকে জীৱনৰ সত্য ৰূপে অনুভৱ কৰোৱায়। জীৱন জিজ্ঞাসাৰে জীৱনৰ বিষাদ অনুভৱ কৰি জীৱনানন্দ দাশে কৈছে —

তুমি সেই নিস্তব্ধতা চেনো নাকো অথবা ৰক্তেৰ পথে পৃথিবীৰ ধূলিৰ ভিতৰে
জানো নাকো আজো কাঞ্চী বিদিশাৰ মুখশ্ৰী মাছিৰ মতো ঝৰে
সৌন্দৰ্য ৰাখিছে হাত অন্ধকাৰ ক্ষুধাৰ বিবৰে
গভীৰ নীলাভতম ইচ্ছা চেষ্টা মানুষেৰ —ইন্দ্ৰধনু ধৰিবাৰ ক্লান্ত আযোজন
হেমন্তেৰ কুয়াশায় ফুৰাতেছে অল্পপ্ৰাণ দিনেৰ মতন

(সিন্ধু সাৰস মহাপৃথিবী)

জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱাযো জীৱনৰ সত্য আৰু স্থিতিৰ সন্ধান কৰি গভীৰ দুখবোধত ভাৰাক্ৰান্ত হৈ ক'লে —

সেইবোৰ উদ্বাস্তু স্বপ্নই
মোক আহি উতলা কৰেহি। মিছা বুলি সিহতক
ক'বলৈ কাৰো সাহ নাই। সঁচা বুলি জীৱনত
গ্ৰহণ কৰাৰো দাম বৰ বেছি বৰ বেছি
ঠাই নাই ঠাই নাই ছোট সে তৰী — জন্ম
আৰু মৰণৰ মুহূৰ্ত এটি — ক্ষুদ্ৰ পৰিসৰ।

(মহাকাব্যৰ পাণ্ডুলিপি মোৰ আৰু পৃথিৱীৰ)

গভীৰ জীৱন জিজ্ঞাসাৰ প্ৰাপ্তি আছে। এই প্ৰাপ্তি কাৰুণ্য। জীৱন জিজ্ঞাসাৰ পৰিণতিত গভীৰ কাৰুণ্য অনুভৱ কৰি জীৱনানন্দ দাশে কৈছে —

মাথাৰ ভিতৰে
স্বপ্ন নয় — প্ৰেম নয় — কোন এক বোধ কাজ কৰে।
আমি সব দেৱতাৰে ছেড়ে

আমাৰ প্ৰাণেৰ কাছে চ'লে আসি
বলি আমি এই হৃদয়েৰে
সে কেন জলেৰ মতো ঘুৰে ঘুৰে একা কথা কয়।
অবসাদ নাই তাৰ? নাই তাৰ শান্তিৰ সময়?
(বোধ **ধূসর পাণ্ডুলিপি**)

জীৱন জিজ্ঞাসাৰ পৰিণতিত জীৱনক গভীৰ বিষাদ ৰূপত অনুভৱ কৰা কবি গৰাকীৰ বিষয়ে এগৰাকী সমালোচকে মন্তব্য কৰি কৈছে —

জীবনানন্দেৰ অন্তৰ্লোকে যে — সমুদ্ৰ মন্থন চলেছে তাৰ
উগৰানো বিষ তাকেই পান কৰে নীলকণ্ঠ হ'তে হয়েছে। এজন্য তাঁৰ
কাব্যেৰ ট্ৰাজিক মহিমা এত বেশী মৰ্মভেদী।[১৬]

জীৱনানন্দ দাশৰ দৰেই একেই কাৰুণ্যজৰ্জৰ অন্তৰেৰে নৱকান্ত বৰুৱাই ক'লে —

পোহৰত শান্তি নাই, আগ্নিত আশ্ৰয় নাই
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা
(বোধিদ্ৰুমৰ খৰি **মোৰ আৰু পৃথিৱীৰ**)

জীৱন জিজ্ঞাসাৰ দিশত জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱা অধিক অনুসন্ধিৎসু আৰু বহুত বেছি আত্মজিজ্ঞাসু কবি। পোহৰতো শান্তি নোপোৱা কবি নৱকান্ত বৰুৱাই গভীৰ জিজ্ঞাসাজনিত দুখবোধৰে জীৱনক অন্তৰ দ্বন্দ্বৰ জুইত পুৰি সোণ কৰিব পৰাটোৱে জীৱন জ্যোতি আৰু জীৱনৰ মহত্ব বুলি ভাবি কৈছে —

যন্ত্ৰণাক স্বপ্ন বুলি লোৱাতে এদিন
নিৰুত্তাপ জীৱন বিজ্ঞান
ইমান সপোন আছে মগজুৰ এন্ধাৰ গুহাত
ইমান পোহৰ আছে এন্ধাৰৰ ইপাৰে সিপাৰে।
(বিনিদ্ৰ **মোৰ আৰু পৃথিৱীৰ**)

জ্ঞানে ঢুকি নোপোৱা আন্ধাৰৰ সিপাৰে পোহৰ মানে জীৱন জ্যোতিৰ সন্ধেদ পোৱা কবি গৰাকীয়ে মানুহৰ চিৰন্তন আত্মানুসন্ধানতেই আত্মপ্ৰাপ্তি অৰ্থাৎ আত্মউপলব্ধি হয় বুলি কৈছে —

কিবা এটা আমি বিচাৰি ফুৰিছোঁ
যাক বিচাৰি পালেই, আমি ভাবোঁ আমি পাম আমাক নিজক
(প্ৰাপ্তিৰ দুঃসম্বাদ **ৰত্নাকৰ আৰু অন্যান্য কবিতা**)

---

১৬ সুব্ৰত ৰুদ্ৰ (সম্পা): পূৰ্বোক্ত গ্ৰন্থ, পৃ ২১১

'কিবা এটা বিচাৰি ফুৰিছো — ইয়ে কবিৰ জীৱন জিজ্ঞাসা। অন্তহীন জীৱন জিজ্ঞাসাৰ দ্বাৰাই জীৱন প্ৰাপ্তি ঘটে আত্মপ্ৰাপ্তি ঘটে আৰু জীৱনৰ প্ৰকৃত স্থিতিৰ সম্ভেদ পোৱা যায়। এনে দাৰ্শনিকতাসুলভ জীৱন জিজ্ঞাসাৰে কৈছে —

আনবিক কাঠফুলাটোৰ তলত
বুদ্ধই বহি ভাবিছে
ধৰ্ম নে সংঘ
ক'ত থৈ যাম মই মোক?
\+ \+ \+ \+ \+
ভয় নাই .. এতিয়াও
মৈথুন আৰু শস্যৰ প্ৰয়োজন থকালৈকে
থাকিব মানুহ, আৰু
কবিতা থাকিব মানুহৰ ৰখীয়া হৈ

(চিৰন্তন ১৯৮২ সূৰ্যমুখীৰ অঙ্গীকাৰ)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুযোজন কবিৰ কবিতাতে গভীৰ জীৱন জিজ্ঞাসা আছে আৰু জীৱন জিজ্ঞাসাজনিত গভীৰ বিষাদবোধ আছে। অথচ জীৱন জিজ্ঞাসাৰ দাৰ্শনিকতাসুলভ গাম্ভীৰ্যৰ দিশত জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱাৰ কবিতা অধিক মহিমামণ্ডিত হৈ উঠিছে।

(দহ)

## বিষাদবোধ

ব্যক্তি মনৰ বিষাদবোধৰ উৎস ক্ষয়মান সমাজ। আধুনিক যান্ত্ৰিক সভ্যতাই মানুহক ক্ৰমশঃ সংকীৰ্ণমনা আৰু ব্যক্তিকেন্দ্ৰী কৰি তুলিছে আৰু ব্যক্তিকেন্দ্ৰী মানসিকতা ক্ৰমশ চূড়ান্ত হৃদয়হীনতালৈ ৰূপান্তৰ হৈছে। আধুনিক ভোগবাদী সমাজৰ হৃদয়হীনতা দেখি স্পৰ্শকাতৰ কবিৰ মন দুখবোধত আক্ৰান্ত হোৱা স্বাভাৱিক। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুয়োজন কবিৰ কবিতা সমকাল চেতনাজনিত দুখবোধেৰে সেমেকা। এনে গভীৰ বিষাদবোধ প্ৰকাশ পাইছে জীৱনানন্দ দাশৰ কবিতাত এনেদৰে —

মানুষেরা বারবার পৃথিবীর আয়ুতে জন্মেছে,
নব-নব ইতিহাস সৈকতে ভিড়েছে
তবুও কোথাও সেই অনির্বচনীয়
স্বপ্নের সফলতা — নবনীতা — শুভ্র মানবিকতার ভোর?
\+ \+ \+ \+ \+

অন্ধকারে ইতিহাস পুরুষেব সপ্রতিভ আঘাতের মতো মনে হয়
যতই শান্তিতে স্থিব হ'য়ে যেতে চাই,

(সময়ের কাছে সাতটি তারার তিমির)

সংঘাতজৰ্জৰ জীৱনত অন্ধকাৰ দেখি নৱকান্ত বৰুৱাই জীৱনৰ বিফলতা অনুভৱ কৰি ক'লে —

কেনেকৈ বিশ্বাস কৰোঁ যে জীৱনটো এপ্ৰিল ফুল নহয়
লাইলাক আৰু জিনিয়া
কত লক্ষ বছৰৰ
এই ফুল গ্ৰহণ কৰাৰ যোগ্যতা মোৰ জানো আছে?
(অক্ষমতাৰ অশ্লীল টোপনিত মগ্ন
মোৰ অনুভূতিৰ আঁহবোৰ
টোপনি — গ্লানিৰ টোপনি)
কল্পনা কল্পনা
এবাৰ দেখা পোৱাৰ বিলাস কৰ
মহান আকাশৰ তলত
(নীলা খুব কৰুণ নীলা)

(ত্ৰিশঙ্কুৰ আত্মজীৱনী মোৰ আৰু পৃথিৱীৰ)

আধুনিক যন্ত্র যুগৰ মানুহৰ হৃদয়হীনতা দেখি কবি জীৱনানন্দ দাশৰ অন্তৰ গভীৰ বিষাদবোধত ছিন্নভিন্ন হৈ পৰিছে আৰু যন্ত্ৰণাক্লিষ্ট হৃদয় ভেদি নিঃসৰিত হোৱা বিষাদ প্ৰকাশ কৰি কৈছে —

জানি — তবু জানি
নাৰীব হৃদয় — প্ৰেম শিশু-গৃহ-নয় সবখানি
অর্থ নয় কীর্তি নয় — সচ্ছলতা নয় —
আবো এক বিপন্ন বিস্ময়
আমাদের অন্তর্গত রক্তেব ভিতবে
খেলা কবে
আমাদের ক্লান্ত কবে
ক্লান্ত — ক্লান্ত করে
লাশকাটা ঘবে
সেই ক্লান্তি নাই,
তাই

(আট বছর আগের একদিন মহাপৃথিবী)

ঠিক জীৱনানন্দ দাশৰ দৰেই নৱকান্ত বৰুৱায়ো জীৱনৰ সমগ্রতাত বিফলতা অনুভৱ কৰি গভীৰ দুখবোধৰ যন্ত্রণা অনুভৱ কৰি কৈছে —

পৃথিৱীৰ প্রথম নাৰীয়ে যিটি ফুল 'খোপাত গুজিলে
সেই ফুল বিহ মেটেকাৰ।
সেইবাবে পৃথিৱীত সৌন্দৰ্যৰ পূজাৰীয়ে মাথোঁ পায়
বিহৰ দংশন
ধ্বংস হয় শান্তি অন্তৰৰ
সেই অশান্তিয়ে জন্ম দিলে পৃথিৱীৰ অশান্ত কবিতা

(প্রথমে **মোৰ আৰু পৃথিৱীৰ**)

জীৱনানন্দ দাশে মানুহৰ জীৱন জুৰি দুখ বেদনা অনুভৱ কৰা বাবেই বনৰ জন্তুৰো মৰ্ম বেদনা অনুভৱ কৰিছে। চিকাৰীৰ হাতত মৃত্যু বৰণ কৰা হৰিণৰ বিৰহত হৰিণীৰ অন্তৰ বিদীর্ণ কৰা বিষাদ বেদনাক নিজৰ বিষাদ যেন ৰূপত অনুভৱ কৰিছে আৰু দুখেই যে জীৱনৰ সত্য এই সিদ্ধান্তৰে কৈছে —

কেন এই মৃগদেব কথা ভেবে ব্যথা পেতে হবে
তাদেব মতন নয় আমিও কি?
কোনো এক বসন্তেব বাতে
জীবনেব কোনো এক বিস্ময়েব বাতে
আমাবেও ডাকেনি কি কেউ এসে জ্যোৎস্নায় — দখিনা বাতাসে

(ক্যাম্পে **ধূসর পাণ্ডুলিপি**)

জীৱনানন্দ দাশৰ দৃষ্টিত মানুহৰ উপৰিও জীৱ জন্তুৰ জীৱনলৈকে দুখ বেদনা যিদৰে বিযপি আছে, নৱকান্ত বৰুৱাৰ দৃষ্টিত মাটিৰ পৃথিৱীৰ উপৰিও সৌৰ জগতখনো বেদনাবিটৌত হৈ পৰিছে। নৱকান্ত বৰুৱাৰ দৃষ্টিত আঁউসীৰ পাছত ওলোৱা জোনটোও যেন কবৰৰ পৰাহে ওলাই আহিছে।

মৰা জোন উঠি আহে কবৰৰ পৰা
মই শুই চাই ৰও মিছৰৰ বালিৰ মাজত
ৰূপালী কোমল বালি
তথাপি চাহাৰা।
মৰা জোন উঠি আহে আধা জোন
শিং লগা বেঁকা এটি জোন
বৰকাকতীৰ সেই কবিতাৰ জোন
গাত তাৰ কবৰৰ মাটি।

(সন্ধ্যাৰ ৰেপচ'দি **মোৰ আৰু পৃথিৱী**)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত বিষাদবোধ বিচাৰ কৰিলে দেখা যায় যে দুয়োজন কবিৰ গভীৰ বিষাদবোধৰ সুৰ এটাই তেওঁলোকৰ কবিতাক আৰ্দ্ৰ কৰি তুলিছে। জীৱনানন্দ দাশৰ কবিতাত গভীৰ দুখবোধ বিভিন্ন দিশত কৰুণ সুৰ ৰূপে অনুৰণিত হোৱাৰ দৰেই নৱকান্ত বৰুৱাৰ কবিতাতো কৰুণ সুৰৰ ৰাগিণী ঝংকাৰিত হৈছে। নৱকান্ত বৰুৱাৰ এনে দুখবোধৰ সম্পৰ্কে ভবেন বৰুৱাই কৈছে —

> নৱকান্ত বৰুৱাৰ কবিতাত আৰম্ভণিৰে পৰা প্ৰধান ৰাগিণী হৈও বাজিছিল এক বিশেষ ক্লীৱতাবোধ আৰু বিষাদৰ সুৰ। অসমীয়া কবিতাত এই বিষাদৰ নতুনত্ব এই কথাতো আছিল যে দুৱৰা-গঁগৈ দেৱকান্তৰ কবিতাত হোৱাৰ দৰে কোনো মানৱীক কেন্দ্ৰ কৰি এই বিষাদ প্ৰকাশ হোৱা নাছিল — ই কেন্দ্ৰ কৰিছিল বসুন্ধৰাকেই।[১৭]

নৱকান্ত বৰুৱাৰ কবিতাৰ বিষাদবোধৰ বিষয়ে কৰা এই মন্তব্যটো জীৱনানন্দ দাশৰ কবিতাৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। দৰাচলতে দুয়োজন কবিয়ে অত্যন্ত স্পৰ্শকাতৰ আৰু এনে স্পৰ্শকাতৰ অনুভূতিত জীৱন আৰু জগতে ধৰা দিছে গভীৰ বিষাদবোধেৰে নীলা ৰূপত। সেই বুলি কবি দুগৰাকী কিন্তু নিৰাশ হোৱা নাই। দুয়োজন কবিৰে গভীৰ আত্মপ্ৰত্যয় আছে আৰু এই আত্মপ্ৰত্যয়ৰ বাবে কঠিন বাস্তৱৰ পৰা তেওঁলোক পৰাঙ্মুখ হোৱা নাই। দুয়োজন কবিয়ে বিষাদৰ বিহ পান কৰি যেন নীলকণ্ঠ হোৱা কবি।

(এঘাৰ)

## আধ্যাত্মিক চেতনা

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুযোজন কবিয়ে আধুনিক বাস্তৱবাদী দৃষ্টিভঙ্গীৰ কবি। তেনে স্থূলত এই দুগৰাকী কবিৰ কবিতাত আধ্যাত্মিক ভাবনা বিচাৰ কৰাটো অবাস্তৱ কথা যেন ধাৰণা হয়। কিন্তু আচলতে ই অবাস্তৱ কথা নহয়। কাৰণ ঈশ্বৰ বিশ্বাস নকৰাকৈও আৰু কোনো প্ৰকাৰ আনুষ্ঠানিক ধৰ্ম নকৰাকৈও মানুহ আধ্যাত্মিক ভাবৰ হ'ব পাৰে। এনে আধ্যাত্মিক ধাৰণা গঢ় লৈ উঠে গভীৰ মানৱতাবোধ জীৱন আৰু জগতৰ স্থিতিৰ ৰহস্যানুসন্ধানজনিত জিজ্ঞাসাৰ আধাৰত। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা আধুনিক মনৰ হৈয়ো এনে কাৰণতে তেওঁলোকৰ অন্তৰত আধ্যাত্মিক ধাৰণা গঢ় লৈ উঠিছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুইজন কবিয়েই ঈশ্বৰ বিশ্বাস নকৰিব পাৰে অথচ দুয়োজনে ভৌতিক দেহৰ নশ্বৰতা আৰু আত্মাৰ অবিনশ্বৰতাত বিশ্বাস কৰে। এনে আধ্যাত্মিক ভাবনাৰে জীৱনানন্দ দাশে কৈছে —

একবাৰ কথা ক'য়ে দেশ আৰু দিকেৰ দেবতা
বোবা হ'য়ে পড়ে থাকে — ভুলে যায় কথা
যে আগুন উঠেছিলো তাদেৰ চোখেৰ তলে জ্ব'লে

১৭ ভবেন বৰুৱা পূৰ্বোক্ত গ্ৰন্থ, পৃ ৯৮

নিভে যায় — ডুবে যায় — তাবা যায় স্ব'লে।
নতুন আকাংক্ষা আসে — চ'লে আসে নতুন সময় —
পুবোনো সে-নক্ষত্রেব দিন শেষ হয়
নতুনেবা আসিতেছে ব'লে
আমাব বুকেব থেকে তবুও কি পড়িয়াসে স্ব'লে
কোনো এক মানুষীব তবে
যেই প্রেম জ্বালায়েছি পুবোহিত হয়ে তাব বুকেব উপবে।
আমি সেই পুবোহিত — সেই পুবোহিত।

(নির্জন স্বাক্ষৰ ধূসর পাণ্ডুলিপি)

এই কবিতাংশ আপাতদৃষ্টিত প্ৰেমৰ কবিতা যেন লাগে। কিন্তু আচলতে সেইটো সঁচা নহয়। কবিতাটোত প্ৰেমেই পুৰোহিত। কবিতাটোত যি মানৱীৰ প্ৰতি প্ৰেম নিবেদন কৰা হৈছে, সেই মানৱী আচলতে তেজ মঙহৰ মানৱী নহয়। বিশ্বব্ৰহ্মাণ্ডৰ পৰম সত্তা অৰ্থাৎ বেদান্তৰ অবাংমনসগোচৰ ব্ৰহ্ম। এনে কাৰণতে কবিতাটোত প্ৰয়োগ হোৱা 'মই ব্যক্তিসত্তাৰ উৰ্দ্ধলৈ গৈ সামগ্ৰিক মানৱসত্তা বা সামগ্ৰিকভাৱে আত্মাক বুজাইছে।

> তাঁব (জীবনান্দেব) কবিতাব 'আমি কখনোই কোনো ব্যক্তিগত 'আমি নয়। তাঁর যে সমযেব কবিতায় বুদ্ধদেব বসু তাকে 'নির্জনতম কবি বলে চিনিয়ে দিচ্ছিলেন সে সময়েব পক্ষে এ কথা সত্য। জীবনানন্দ খুব স্পষ্ট ভাষায জানিযেছেন যে আধুনিক কবিতাব 'আমি কবিব নিজেব ব্যক্তিগত সত্তা মোটেই নয় 'কবি মানসেব কাছে সমাজ ও কালেব ৰূপ যে ভাবে ধবা পডেছে তাবই প্রতিভূ সত্তা।[১৮]

সেই একেদৰে ভৌতিক দেহৰ নশ্বৰতা আৰু আত্মাৰ অবিনশ্বৰতাক স্বীকাৰ কৰি নৱকান্ত বৰুৱাই কৈছে —

উভতি যোৱাৰ বাট আমাৰ জন্মৰ পদুলিৰে
উভতি যোৱাৰ বাট আমাৰ মৃত্যুৰ পদুলিৰে
চিৰ প্ৰত্যাৱৰ্তনৰ যাত্ৰী আমি

(উভতি অহাৰ কবিতা মোৰ আৰু পৃথিৱীৰ)

জন্মৰ দুৱাৰেদি আত্মপ্ৰকাশ আৰু মৃত্যুৰ দুৱাৰেদি জীৱনৰ প্ৰস্থান এই অহাযোৱা আত্মাৰ অহাযোৱা। গীতাৰ 'বাসাংসি জীৰ্ণানি যথা বিহায় নবানি গৃহ্নাতি বোলা কথাষাৰ যেন স্বীকাৰ কৰিছে কবিগৰাকীয়ে।

আধ্যাত্মিকতা অন্তঃজীৱন জীজ্ঞাসাজনিত একপ্ৰকাৰ বোধ আৰু এই বোধৰ সৈতে

---

১৮ সুতপা ভট্টাচার্য: জীবনানন্দের কবিতার তত্ত্ব তরুণ মুখোপাধ্যায় (সম্পা) জীবনানন্দ-জিজ্ঞাসা পৃঃ ৯ ১০

জড়িত হৈ থাকে সত্যানুসন্ধানজনিত ৰহস্য। এনে সত্যানুসন্ধানী আধ্যাত্মিক জিজ্ঞাসাৰে জীৱনানন্দ দাশে কৈছে —

অনেক লৱণ ঘেঁটে সমুদ্রেব পাওয়া গেছে এ মাটির ঘ্রাণ
ভালোবাসা আব ভালোবাসাব সন্তান
আব সেই নীড়
এই স্বাদ — গভীব — গভীব।

(পাখিবা ধূসর পাণ্ডুলিপি)

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ আধ্যাত্মিক ভাবনা বিশ্ব ৰহস্যৰ সৈতে জড়িত আৰু ইয়াতে দুয়োজন কবিৰ আধ্যাত্মিক ভাবনাৰ মিল। জীৱনানন্দ দাঁশে দাৰ্শনিকতাসুলভ আধ্যাত্মিক চেতনা প্ৰকাশ কৰি কৈছে —

মাথাব ভিতবে
স্বপ্নয় — প্রেমনয় — কোন এক বোধ কাজ কবে।
আমি সব দেবতাবে ছেড়ে
আমাব প্রাণেব কাছে চ'লে আসি
বলি আমি এই হৃদয়েবে
সে কোন জলেব মতো ঘুবে ঘুবে একা কথা কয়।
অবসাদ নাই তাব? নাই তাব শান্তিব সময়?
কোনোদিন ঘুমাবে না? ধীবে শুয়ে থাকিবাব স্বাদ
পাবেনা কি ? পাবেনা আহ্লাদ
মানুষেব মুখ দেখে কোনোদিন।
মানুষীব মুখ দেখে কোনোদিন।
শিশুদেব মুখ দেখে কোনো দিন।

(বোধ ধূসর পাণ্ডুলিপি)

ঠিক জীৱনানন্দ দাশৰ দৰে নৱকান্ত বৰুৱায়ো সৃষ্টি ৰহস্যক আধ্যাত্মিক দৃষ্টিৰে চাই ক'লে—

সৃষ্টিৰ যিমান প্ৰজ্ঞা প্ৰাণহীন বস্তু প্ৰবাহৰ
সৃষ্টিৰ যিমান দীপ্তি সৌন্দৰ্যৰ নজ্বলা দীপৰ
সৃষ্টিৰ সৰ্বস্ব যত দশোদিশে ভিৰ কৰি অহা —
থুপ খাই ৰচিছিল আদিম অণিমা জীৱনৰ
জন্ম হ'ল প্ৰাণবীজ পূৰ্ণ হ'ল পদাৰ্থৰ প্ৰসৱ বেদনা।

(ৰাৱণ মহাকাব্যৰ পাণ্ডুলিপি)

আগতে কৈ অহা হৈছে যে সত্যানুসন্ধানী জীৱন জিজ্ঞাসাৰ পৰা আধ্যাত্মিক চেতনা গঢ় লয় বুলি। জীৱনানন্দ দাশেও এনে জীৱন জিজ্ঞাসু দৃষ্টিৰে মানুহৰ জীৱন সত্তাৰ সন্ধান কৰি কৈছে —

শূন্য তবু অন্তহীন শূন্যময়তাব ৰূপ বুঝি
ইতিহাস অবিবল শূন্যেব গ্রাস
যদিনা মানব এসে তিনিফুট জাগতিক কাহিনীতে নীলাভ আকাশ
বিছিয়ে অসীম ক'বে রেখে দিয়ে যায়
অপ্রেব থেকে প্রেম গ্লানি থেকে আলোকেব মহাজিজ্ঞাসায়
(মহাজিজ্ঞাসা শারদীয় আনন্দ বাজার পত্রিকা ১৩৬১)

নৱকান্ত বৰুৱায়ো ভাৰতীয় দৰ্শনৰ জ্ঞানেৰে স্বীকাৰ কৰি ল'লে আত্মা পৰমাত্মা তত্ত্বক। আত্মা স্বয়ং সম্পূৰ্ণ নহয়। আত্মা পৰমাত্মাৰ অংশ বিশেষ। এনে ধৰণৰ দাৰ্শনিক চিন্তাৰে তেওঁ কৈছে —

উন যদি শেষ হয় তেতিয়াহে আবিৰ্ভাব হয় শূন্যতাৰ।
শূন্যতা যে পৰম পূৰ্ণতা — কাৰ কথা — বুদ্ধৰ নে মোৰ?
পূৰ্ণতাৰ পৰা যদি পূৰ্ণ এৰোঁ পূৰ্ণতাই থাকে অৱশেষ
শূন্যৰ লগত যদি শূন্য যোগ দিও — তাৰো জানো হয বৃদ্ধি লেখ
শূন্য আৰু পূৰ্ণতাই দুৰ্বল চিত্তত মোৰ জগায় দোলনি?
(তুমি বাক্যৰ পতি দলঙত তামীঘৰা)

নৱকান্ত বৰুৱাৰ উদ্ধৃত কবিতাংশত স্পষ্ট হৈ পৰিছে যে কবি গৰাকীৰ আধ্যাত্মিক ধাৰণা গঢ লৈ উঠিছে বেদান্ত দৰ্শন আৰু বৌদ্ধ শূন্যবাদ দৰ্শনৰ আধাৰত। বেদান্তত কোৱা হৈছে—

ও পূৰ্ণমদ পূৰ্ণমিদ, পূৰ্ণাৎ পূৰ্ণমুদচ্যতে।
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবশিষ্যতে।।[১৯]

অৰ্থাৎ ব্ৰহ্ম পূৰ্ণ অৰ্থাৎ স্বয়ংসম্পূৰ্ণ আৰু এই পূৰ্ণ ব্ৰহ্মাৰ পৰ'ই কাৰ্য-ব্ৰহ্ম (জগত) সৃষ্টি হৈছে। পূৰ্ণ ব্ৰহ্মাৰ পৰা কাৰ্য ব্ৰহ্ম সৃষ্টি হয় যদিও পূৰ্ণ ব্ৰহ্ম পূৰ্ণ হৈযে থাকে।

জীৱনানন্দ দাশেও তেওঁৰ 'কযেকটি লাইন কবিতাত বেদান্তৰ ব্ৰহ্মবাদ আৰু বৌদ্ধ শূন্যবাদ দৰ্শনৰ আধাৰত জীৱনৰ গোপন ৰহস্যৰ সন্ধান কৰিছে আৰু এনে সন্ধানতে কবি গৰাকীৰ আধ্যাত্মিক চেতনা প্ৰকাশ পাইছে। এই বিষয়ে বিমল চন্দ্ৰ ঘোষে কৈছে —

এব পব আব কোন সন্দেহেই থাকে না যে কবি মৃত্যুকেই
মনেপ্রাণে একমাত্র সত্য বলে জেনেছিলেন বলে শেষ পর্যন্ত সনাতন
ঈশ্ববের কাছে আত্মসমর্পণ করা ছাড়া আর কোন পথ খুঁজে পাননি
প্রথম যৌবনের দিশহারা নক্ষত্র বিলাসী জ্যোতির্বিদ পৌঢ বয়সে
ব্রহ্মবিদ হয়ে ছেয়েছিলেন।[২]

---

১৯ শান্তিপাঠ ঈশোপনিষদ শ্বেতাশ্বতৰ উপনিষদ আৰু বৃহদাৰণ্যক উপনিষদ
২০ বিমল চন্দ্র ঘোষ কবি জীবনানন্দ দাশের জীবন-দর্শন সুব্রত রুদ্র (সম্পা) জীবন আর সৃষ্টি পৃঃ ১৮৮

আধ্যাত্মিক ভাবনাৰ দিশত জীৱনানন্দ দাশতকৈ নৱকান্ত বৰুৱাৰ দৃষ্টিভঙ্গী অধিক স্পষ্ট। নৱকান্ত বৰুৱাই বেদান্তৰ ব্ৰহ্মবাদৰ উপৰিও মায়াবাদৰ আধাৰতো জীৱন জিজ্ঞাসা কৰি কৈছে —

আত্মাত বিশ্বাস কৰা যদি কোৱা মায়া বুলি। আচলতে
সকলোটি মতিভ্ৰম আৰু মতিভ্ৰমৰে কৃতি এই ঘটনা প্ৰবাহ।
(অবৰ্তমান দলঙত তামীঘৰা)

বেদান্তত মায়াক ভ্ৰম অজ্ঞানতা বুলি কোৱাৰ উপৰিও আৱৰণ মায়া বিক্ষেপণ মায়া সংবেদী ভ্ৰম (মাযা) বিসংবাদী ভ্ৰম (মায়া) আদি ভিন ভিন শব্দৰে বুজাইছে। এই মাযাই জীৱাত্মাৰ বন্দিত্বৰ কাৰণ। মায়াই যে জীৱাত্মাৰ বন্ধনৰ কাৰণ এইটো অৰ্থতে নৱকান্ত বৰুৱাই কৈছে —

কোনো ক'তো বন্দী হৈ থকা নাই কোনেও
পোৱা নাই মুক্তি। মুক্তিহে কেৱল বন্দী হৈ আছে।
আৰু মুক্ত হৈ আছে চিৰন্তন বন্দিত্ব।
(অবৰ্তমান দলঙত তামীঘৰা)

সি যি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ আধ্যাত্মিক ভাবনাৰ তুলনামূলক বিচাৰ কৰি দেখা গ'ল যে দুযোজন কবিৰে আধ্যাত্মিক চেতনা আছে। এই বিষযত জীৱনানন্দ দাশে কৈছে —

> সৃষ্টিব ভিতব মাঝে মাঝে এমন শব্দ শুনা যায় এমন বৰ্ণ দেখা যায এমন আঘ্রাণ পাওযা যায এমন মানুষেব বা এমন অমানবীব সাক্ষাৎ লাভ কবা যায় — কিংবা প্রভূত বেদনাব সঙ্গে পবিচয় হয় যে মনে হয এই সমস্ত জিনিসই অনেক দিন থেকে প্রতিফলিত হয়ে কোথায যেন ছিল এবং ভঙ্গুব হয়ে নয় সংহত হয়ে আবো অনেক দিন পর্যন্ত হযতো মানুষেব সভ্যতাব শেষ জাফবান বৌদ্রলোক পর্যন্ত, কোথাও যেন বয়ে যাবে এই সবেব অনুৰূপ উদ্গীবণেব ভিতব এসে হৃদয়েব অনুভূতিব জন্ম হয় নীহারিকা যেমন নক্ষত্রেব আকাব ধাবণ কবতে থাকে তেমনি বস্তু সঙ্গতিব প্রসব হতে থাকে যেন হৃদয়েব ভিতবে এবং সেই প্রতিফলিত অনুচ্চারিত দেশ ধীবে ধীবে উচ্চাবণ কবে উঠে যেন সুবেব জন্ম হয় এই বস্তু ও সুবেব পবিণয় শুধু নয় কোনো মানুষের কল্পনা মনীষার ভিতর তাদেব একাত্মতা ঘটে — কাব্য জন্ম লাভ কবে।[২১]

---

২১ জীবনানন্দ দাশ ঃ কবিতার কথা পৃঃ ১৪

সৃষ্টিৰ মাজত শব্দ বৰ্ণ ঘ্ৰাণৰ সন্তেদ পোৱা কবি জীৱনানন্দ দাশৰ আধ্যাত্মিক চেতনাই ব্যঞ্জনাধৰ্মী ৰূপ লাভ কৰিছে আৰু এনে কাৰণতে তেওঁৰ কবিতাত আধ্যাত্মিক চেতনা স্পষ্ট হৈ নুঠিল। অথচ দাশৰ আধ্যাত্মিক চেতনা আধুনিক চিন্তা আৰু চেতনাৰে এনেদৰে সমৃদ্ধ হৈ উঠিল যে তেওঁৰ আধ্যাত্মিকবোধ ধৰ্মীয় চিন্তাৰ বৃত্তৰ পৰা মুক্ত হৈ আধুনিক চিন্তা জগতত সোমাই পৰিল।

নৱকান্ত বৰুৱাৰ আধ্যাত্মিক চেতনা অধিক গভীৰ। এওঁৰ আধ্যাত্মিক ভাবনাৰ আধাৰ অন্তমুৰ্খিন গভীৰ জীৱন জিজ্ঞাসা আৰু ভাৰতীয় দৰ্শন। এই দুয়োটা আধাৰতে গঢ় লৈ উঠা বাবেই নৱকান্ত বৰুৱাৰ আধ্যাত্মিক ভাবনা অতি স্বচ্ছ আৰু গভীৰ হৈ পৰিল। উল্লেখযোগ্য যে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুযোজন কবিৰ আধ্যাত্মিক বোধ তথাকথিত ধৰ্ম আৰু ঈশ্বৰ বিশ্বাসৰ পৰা মুক্ত আৰু আধুনিক চিন্তা আৰু চেতনা দীপ্ত বৌদ্ধিকতাজনিত আধ্যাত্মিকবোধ।

(বাৰ)

## আধুনিক চেতনা

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজন কবিৰে একোটা ৰোমাণ্টিক মেজাজ আছিল আৰু দুয়োজন কবিয়ে অতি ভাবপ্ৰৱণ আছিল। অথচ তেওলোক দুয়োজন কবিৰে আছিল একোটা যুক্তিবাদী মন আৰু দৃষ্টিভঙ্গী আছিল আধুনিক। এনে বাস্তৱবাদী দৃষ্টিভঙ্গীৰ বাবেই জীৱনানন্দ দাশে ধূসৰ কল্পজগতত জীৱন সত্যৰ সন্ধান কৰাৰ বিপৰীতে মাটিৰ পৃথিৱীত বিচৰণ কৰি কৈছে —

আকাশে সাতটি তাবা যখন উঠেছে ফুটে আমি এই ঘাসে
ব'সে থাকি কামবাঙা-লাল মেঘ যেন মৃত মনিয়াব মতো
\+ \+ \+ \+ \+
পৃথিবীব কোনো পথ এ কন্যাবে দেখেনিকো — দেখি নাই অত
অজস্র চুলেব চুমা হিজলে কাঁঠালে জামে ঝবে অবিবত
জানি নাই এত স্নিগ্ধ গন্ধ ঝবে ৰূপসীব চুলেব বিন্যাসে

(রূপসী বাংলা ৬ নং কবিতা )

ঈশ্বৰ বিশ্বাসক পৰম্পৰাগত ধ্যান-ধাৰণা আৰু বিশ্বাসেৰে গ্ৰহণ কৰাৰ বিপৰীতে গতিধৰ্মিতাক পোষকতা কৰি নৱকান্ত বৰুৱাই কৈছে —

আজি মোৰ মন যায়
তোমাৰ হাতত ধৰি ময়ো যেন গুচি আহোঁ
বাটৰ মাজলৈ
বাটৰ ধূলিৰ দৰে গচকি যুক্তিৰ আবৰ্জনা

এৰি থৈ সংস্কাৰৰ ভ্ৰান্ত প্ৰতাৰণা

সমুখত মাথো থক পথ
তাৰ মাজেদিয়ে আমি যাম আগবাঢ়ি

(চাৰ্বাক মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাৰ দৰেই জীৱনানন্দ দাশেও আধুনিক বাস্তৱবাদী দৃষ্টিৰে ঈশ্বৰত বিশ্বাস কৰাৰ বিপৰীতে মাটিৰ মানুহত বিশ্বাস স্থাপন কৰি কৈছে —

একবাব যখন দেহ থেকে বাব হ'য়ে যাবে
আবাব কি ফিবে আসবে না আমি পৃথিবীতে?
আবাব যেন ফিবে ফিবে আসি
কোনো এক শীতেব বাতে
একটা হিম কমলালেবুব করুণ মাংস নিযে
কোন এক পবিচিত মুমূর্ষুব বিছানাব কিনাবে।

(কমলালেবু বনলতা সেন)

নৱকান্ত বৰুৱাই ঈশ্বৰত অনাস্থা প্ৰকাশ কৰোতে কিন্তু আধুনিকতাৰ নামত বৌদ্ধিক বিলাস কৰা নাই। বৰং গতিশীলতাত বিশ্বাস কৰাৰ বাবেই তেওঁ 'চাৰ্বাক কবিতাত 'মাথোঁ পথ পথেই মাথোন সঁচা এই পৃথিৱীত বুলি কৈ তেও যেন উপনিষদৰ 'চৰৈবেতি চৰৈবেতি চৰৈবেতি এই গতিশীল মহাবাণীতহে বিশ্বাস স্থাপন কৰিছে। ক'বই লাগিব যে ইয়ে নৱকান্ত বৰুৱাৰ আধুনিকতা আৰু ইয়ে তেওঁৰ আধুনিক মন মানসিকতা আৰু দৃষ্টিভঙ্গীৰ পৰিচায়ক।

জীৱনানন্দ দাশেও যুক্তি আধাৰিত চিন্তাৰে বাস্তৱবাদী মনোভঙ্গী প্ৰাকশ কৰি কৈছে —

নিখিল ও নীড় জনমানবেব সমস্ত নিয়মে
সজন নির্জন হ'য়ে থেকে
ভয় প্রেম জ্ঞান ভুল আমাদেব মানবতা বোল
উত্তর প্রবেশ কবে আরো বড়ো চেতনাব লোপে
অনন্ত সূর্যেব অস্ত শেষ ক'বে দিয়ে
বীতশোক হে অশোক সংগী ইতিহাস
এ ভোব নবীন ব'লে মেনে নিতে হয়
এখন তৃতীয় অংক এতএব আগুনে আলোয় জ্যোতির্ময়।

(উত্তৰ প্ৰবেশ সাতটি তারার তিমির)

সি যি কি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত আধুনিক

চিন্তা আৰু দৃষ্টিভঙ্গীৰ তুলনা কৰিলে দেখা যায় যে দুযোজন কবিৰ আধুনিক চিন্তাৰ মিল আছে যদিও এটা দিশত দুয়োজন কবিৰ বোধ বুদ্ধি আৰু দৃষ্টিভঙ্গীৰ ডাঙৰ পাৰ্থক্য এটা স্পষ্ট হৈ পৰে। সেই পাৰ্থক্যটো হ'ল দুয়োজনৰ আধুনিক চিন্তা আৰু দৃষ্টিভঙ্গীৰ পৃথকতা। জীৱনানন্দ দাশে অত্যন্ত বাস্তৱবাদী দৃষ্টিৰে মাটিৰ মানুহৰ জীৱনৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাত গুৰুত্ব দিছে আৰু নৱকান্ত বৰুৱাই মাটিৰ মানুহেই সঁচা ঈশ্বৰ সঁচা নহয় বুলি কৈয়ে ক্ষান্ত থকা নাই। নৱকান্ত বৰুৱাৰ মতে সংস্কাৰ মুক্ত হোৱাটোৱে আধুনিকতা নহয়। সংস্কাৰমুক্ত মনেৰে গতিশীল চিন্তাৰ দ্বাৰা প্ৰগতিৰ পথত আগবঢ়াই নিযাটোহে যথাৰ্থ আধুনিকতা এনে কাৰণতে ক'ব লাগিব — নৱকান্ত বৰুৱা যথাৰ্থ আধুনিক কবি আৰু তেওঁ গতিৰ উপাসক কবি।

(তেৰ)

## বিবিধ মিল অমিল

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব-বস্তুৰ মিল আৰু অমিল বিভিন্ন দিশত বিচাৰ কৰাৰ পাছত এনে কেইটামান দিশ আলোচনালৈ আহে যিকেইটা দিশত দুয়োজন কবিৰ মাজত মিলতকৈ অমিল বেছি। এনে দিশৰ ভিতৰত প্ৰকৃতি চেতনা ঈশ্বৰ বিশ্বাস আৰু শান্তিৰ প্ৰয়াস প্ৰধান।

### প্ৰকৃতি চিন্তা

জীৱনানন্দ দাশৰ কবিতাত প্ৰকৃতিযে এনে ব্যাপ্তি আৰু গভীৰতা লাভ কৰিছে যে বুদ্ধদেব বসুৱে জীৱনানন্দ দাশক প্ৰকৃত কবি আৰু প্ৰকৃতিৰ কবি বুলি অভিহিত কৰিছে।[২২] কিন্তু মন কৰিবলগীয়া যে যি দুজন কবিৰ বিবিধ দিশৰ ভাব-বস্তুৰ মিল আছে, সেই দুজন কবিৰ জীৱনানন্দ দাশৰ কবিতাত প্ৰকৃতিয়ে স্থানবিশেষে মানৱ সত্তা ৰূপত আৰু স্থান বিশেষে এক পৰম শান্তিদায়িনী শক্তি ৰূপে স্থান পাইছে, তাৰ বিপৰীতে নৱকান্ত বৰুৱাৰ কবিতাত প্ৰকৃতিযে তেনে উল্লেখযোগ্য গুৰুত্ব পোৱা দেখা নাযায়।

### ঈশ্বৰ চিন্তা

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব-বস্তুৰ আন এটা দিশ ঈশ্বৰ বিশ্বাসে দুযোগৰাকী কবিৰ কবিতাতে স্থান পাইছে। কিন্তু সিয়ে হ'লেও দুযোগৰাকী কবিৰ ঈশ্বৰবোধৰ মাজত পাৰ্থক্য দেখা যায়। জীৱনানন্দ দাশে ধৰ্ম ঈশ্বৰ ইহলোক পৰলোক অদৃষ্টবাদ এইবোৰত অলপো বিশ্বাস স্থাপন কৰিব পৰা নাই। তেনে স্থলত বিমলচন্দ্ৰ ঘোষে ক'লে—

> এব পব আব কোন সন্দেহই থাকে না যে কবি মৃত্যুকেই
> মনে প্ৰাণে একমাত্ৰ সত্য বলে জেনেছিলেন বলে শেষ পৰ্যন্ত সনাতন

---

২২ বুদ্ধদেব বসু প্ৰকৃতিৰ কবি আবু হাসান শাহাৰিয়া (সম্পা) জীৱনানন্দ দাশ ঃ মূল্যায়ন ও পাঠোদ্ধাৰ পৃ ১২

ঈশ্বৰেব কাছে আত্মসমর্পণ কৰা ছাড়া আব কোন পথ খুঁজে পান নি।[২৩]

জীৱনানন্দ দাশে ঈশ্বৰত আত্মসমৰ্পণ কৰাৰ কথা দাশৰ কবিতাত পোৱা নাযায়। বৰং জীৱনানন্দ দাশৰ ঈশ্বৰ বিশ্বাস সম্পৰ্কে প্ৰদ্যুম্ন মিত্ৰই কোৱা কথাষাৰহে সমৰ্থনযোগ্য। প্ৰদ্যুম্ন মিত্ৰই কৈছে —

> ধর্মবিশ্বাসেব দিন বহুকাল বিগত মানুষ তার 'নিহৃত উজ্জ্বল ঈশ্বৰেব পরিবর্তে 'অন্য কোন সাধনাব ফল — এ বিশ্বাস অর্পণ কবতে চেয়েছে।[২৪]

ঈশ্বৰ বিশ্বাসৰ সম্পৰ্কত নৱকান্ত বৰুৱাও প্ৰায় একে। প্ৰাৰ্থনা কবিতাত নৱকান্ত বৰুৱাই ঈশ্বৰক 'ঈথাৰৰ দৰে শূন্য 'প্ৰিমিটিভ মানুহৰ অনুৰ্বৰ কল্পনা আৰু এটা জীৱন্ত কুসংস্কাৰ বুলি মন্তব্য কৰিছে। তদুপৰি বাস্তৱবাদী দৃষ্টিভঙ্গীৰে নৱকান্ত বৰুৱাই শস্যক ঈশ্বৰ বুলি কৈছে —

> শস্যও সত্য হ'ব ঈশ্বৰৰ দৰে
> শস্যৰ দৰে ভোগ্য হ'ব ঈশ্বৰ।
> (ৰত্নাকৰৰ দুঃস্বপ্ন মহাকাব্যৰ পাণ্ডুলিপি)

শস্যকে ঈশ্বৰ বুলি কোৱা নৱকান্ত বৰুৱাৰ কথাষাৰত উপনিষদৰ বাণী অনুৰণিত হোৱা শুনা যায়। প্ৰশ্ন উপনিষদত 'অন্নং বৈ প্ৰজাপতি [২৫] তৈত্তিৰীয উপনিষদত 'অন্নং ব্ৰহ্মেতি [২৬] ছান্দোগ্য উপনিষদত 'অন্নম্ বাব বলাৎ [২৭] বৃহদাৰণ্যক উপনিষদত 'অন্নং ব্ৰহ্মেতি [২৮] বুলি অন্ন (শস্য)ৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা হৈছে।

নৱকান্ত বৰুৱাৰ ঈশ্বৰ বিশ্বাস আছিল নেতিবাচক। এনে কাৰণতে 'চাৰ্বাক কবিতাত নাস্তিকবাদী চাৰ্বাকক 'আধুনিক কবি আখ্যা দিছে।

সি যি কি নহওক — জীৱনানন্দ দাশৰ ঈশ্বৰ বিশ্বাস আৰু নৱকান্ত বৰুৱাৰ ঈশ্বৰ বিশ্বাসৰ তুলনামূলক বিচাৰ কৰিলে দেখা যায় যে দুয়োজন কবিয়ে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰা নাই। কিন্তু দুয়োজন কবিৰ ঈশ্বৰ বিশ্বাসৰ মাজত পাৰ্থক্য আছে। জীৱনানন্দ দাশৰ ঈশ্বৰৰ প্ৰতি অবিশ্বাস মাৰ্ক্সবাদৰ অনুপ্ৰেৰণাত গঢ লৈ উঠা আৰু নৱকান্ত বৰুৱাৰ ঈশ্বৰবোধ ভাৰতীয় দৰ্শন আধাৰিত আৰু বাস্তৱবাদী যুক্তিনিৰ্ভৰ।

---

২৩ বিমল চন্দ্র ঘোষ 'কবি জীবনানন্দ দাশের জীবন দর্শন সুব্রত রুদ্র (সম্পা ) জীবনানন্দ জীবন আর সৃষ্টি পৃঃ ১৮৮

২৪ প্রদ্যুম্ন মিত্র কবিতার গাঢ় এনেমেলে জীবনানন্দের কাব্য ভাবনা পৃঃ ৬২

২৫ প্ৰশ্ন উপনিষদ প্ৰথম প্ৰশ্ন — ১৪

২৬ তৈত্তিৰীয় উপনিষদ দ্বিতীয় অনুবাক — ৫৫

২৭ ছান্দোগ্য উপনিষদ নবম খণ্ড — ৫৩৭

২৮ বৃহদাৰণ্যক উপনিষদ দ্বাদশ ব্ৰাহ্মণ — ৩৪৭

**শান্তিৰ প্ৰয়াস**

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই শান্তিকামী কবি। অৱশ্যে কেৱল এই দুজন কবিয়ে যে শান্তিকামী এনে নহয় কবি মাত্ৰেই শান্তিকামী। কিন্তু শান্তি কামনাৰ মাধ্যম সকলো কবিৰে একে নহ'বও পাৰে। দৰাচলতে কেনে ধৰণৰ মাধ্যমেৰে শান্তিৰ প্ৰয়াস কৰে তাৰ ওপৰতে কবিগৰাকীৰ মন মানসিকতা আৰু দৃষ্টিভঙ্গীৰ পাৰ্থক্য স্পষ্ট হৈ উঠে।

শান্তিৰ প্ৰয়াস জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনৰে আছে। কিন্তু মাধ্যম একে নহয়। সমকালৰ মানুহৰ হৃদয়হীনতা নিৰ্মম শোষণপ্ৰৱণতা আৰু ব্যক্তিকেন্দ্ৰী ভোগবাদী লালসা দেখি দুয়োজন কবিয়ে সময় বিশেষে শ্বাসৰুদ্ধ অৱস্থা অনুভৱ কৰিছে আৰু দুয়ো গৰাকী কবিয়ে ভিন্ন মাধ্যমেদি শান্তিৰ সম্ভাৱনা নেদেখি প্ৰকৃতিৰ মাজত শান্তিৰ সন্ধান পাইছে।

> প্ৰকৃতিব মধ্যে আশ্ৰয় গ্ৰহণেব অনুৰূপ প্ৰকাশ দেখি 'ঘাস কবিতায়। ঘাসেব সঙ্গে ঘাস হ'য়ে তিনি জন্মাতে চেয়েছেন এক নিশ্চিন্ত, নিৰুপদ্ৰব শান্তিময় জীবনেব প্ৰত্যাশায় — বাস্তবেব জ্বালা ও চিন্তাব জ্বব ভুলতে।[২৯]

নৱকান্ত বৰুৱাৰ বেলিকাও দেখা যায় যে যন্ত্ৰণাজৰ্জৰ সমাজ জীৱন মানেই অশান্তি আৰু কেতিয়াবা এনে অশান্তিৰ পৰা নিষ্কৃতি পাবলৈকে প্ৰেমৰ আশ্ৰয় ল'ব খুজিছে যদিও তেওঁ বহু সময়ত প্ৰেমতো শান্তি পোৱা নাই। সেয়ে শান্তি প্ৰয়াসী কবি গৰাকীয়ে কেতিয়াবা ভূমিত শান্তি নাপাই ভূমালৈ উৰা মাৰিছে। এনে মানসিক অৱস্থাত তেও শান্তিৰ স্থূল ৰূপে আকাশক দেখা পাইছে। (সন্ধ্যাৰ ৰেপচ'দি মোৰ আৰু পৃথিৱীৰ) আকাশত শান্তিৰ সন্ধান পাই তেওঁ কৈছে —

> আকাশ তোমাৰ সান্ত্বনা মোৰ জীৱনত  
> কৰোঁ অনুভৱ স্বপ্ননীড় ৰচনাত  
> ভাগি থাকে মোৰ আকাশ গঢ়াৰ ব্যৱধান।  
> আকাশ তোমাৰ বহুত মূল্য  
> মোৰ জীৱনৰ মূল্যৰে মই পৰা নাই দিব দাম  
> মাথোন স্নায়ুত জাগে তোমালৈ কামনা।  
> (প্ৰাৰ্থনা আকাশৰ প্ৰতি মুকলিত মোৰ আৰু পৃথিৱীৰ)

নৱকান্ত বৰুৱাই আকাশত শান্তি দেখাৰ দৰে জীৱনানন্দ দাশে কেতিয়াবা শান্তি দেখা পাইছে চৰাইৰ মুক্ত জীৱনত।

> কবি নিজে ক্লান্ত ও বেদনাৰ্ত কিন্তু পাখিটি যেহেতু চিন্তাব ও স্মৃতিব জগতে বাস কৰে না তাই সে সমস্ত ক্ষয় ও দুঃখবোধের উৰ্দ্ধে।

---

২৯ দীপ্তি ত্ৰিপাঠী আধুনিক বাংলা কাব্য পৰিচয় পৃ° ১৪৪

এই পাখিটি নিশ্চিন্ত আনন্দময় দৈহিক সত্তাব প্রতীক কিন্তু কবি নিজে পৃথিবীব যাবতীয় ক্ষয় ক্ষতিব দ্বাবা আক্রান্ত।[৩০]

জীৱনানন্দ দাশে চৰাইত শান্তিময় জীৱনৰ সন্ধান পোৱাৰ দৰে নৱকান্ত বৰুৱাই আকাশত শান্তিৰ সন্ধান পালেও কেতিয়াবা তেওঁ শান্তি ক'ত বুলি ব্যাকুল হৈ পৰিছে। এনে ব্যাকুলতাৰ বাবেই জীৱনান্দ দাশে শান্তি ক'তো বিচাৰি নাপাই দিশহাৰা হৈ পৰিছে। এনে দিশভ্রান্ত অবস্থাত নবকান্ত বৰুৱাই বোধিদ্রুমৰ খৰি কবিতাত পোহৰত শান্তি নাই বুলি অভিহিত কৰি গ্রামীণ সৰলতাত শান্তিৰ মাজুলি দেখিছে আৰু 'চিৰশিশু মানুহৰ মহামূঢ়তাত আৰু 'তামোলৰ পিকসনা আইতাৰ জধলা চুমাত শান্তি থুপ খাই থকা বুলি অনুভৱ কৰিছে।

সি যি কি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাবনা ঐশ্বর্যৰ তুলনামূলক বিচাৰ কৰি দেখা গ'ল যে দুয়োগৰাকী কবিৰ ভাব-বস্তুৰ প্রায় মিল দেখা যায় যদিও ব্যক্তি যিহেতু দুজন গতিকে ভাবৰ কিছু মিল অমিল থাকিবই। কিন্তু কবি দুগৰাকীৰ ভাবৰ বিচিত্রতা আছে আৰু এই বিচিত্রতাৰ বাবেই দুয়োগৰাকী কবিৰ কবিতাৰ ভাবনা জগত দুখন বর্ণময় হৈ উঠিছে। দুযোজন কবিয়ে যিহেতু কাল সচেতন কবি দুয়োজন কবিয়ে সামাজিক দাযবদ্ধ কবি দুয়োজন কবিয়ে যিহেতু অন্তর্মুখিন জীৱন জিজ্ঞাসু কবি গতিকে দুয়োজন কবিৰ কবিতা দার্শনিকতাসুলভ গাম্ভীর্য্যপূর্ণ হোৱাটোৱে স্বাভাৱিক। এনে গুৰু-গম্ভীৰ ভাব বৈচিত্র্যই দুয়োজন কবিৰ কবিতাক বিশিষ্ট মাত্রা দান কৰিছে বুলি নিঃসন্দেহে ক'ব লাগিব।

(চৈধ্য)

## ৰূপ-বৈচিত্র্যৰ তুলনামূলক বিচাৰ

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাক ভাব বৈচিত্র্যই যিদৰে সমৃদ্ধ কৰি তুলিছে, ৰূপ বৈচিত্র্যয়ো সেইদৰে দুয়োজন কবিৰ কবিতাক সৌন্দর্যশালী কৰি তুলিছে। ছন্দ বৈভৱ অলংকাৰ বৈচিত্র্য প্রতীক চিত্রকল্প আৰু নিজস্ব শৈলীৰ ভাষাই দুয়োগৰাকী কবিৰ কবিতাৰ সৌন্দর্য বৰ্দ্ধন কৰিছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুয়োগৰাকী কবিয়ে ছান্দসিক কবি। এইখিনিতে উল্লেখযোগ্য যে দুয়োগৰাকী কবিৰ কবিতাত ছন্দ সজ্জাই স্বকীয় গুণবৈশিষ্ট্য লাভ কৰিছে, কিন্তু নৱকান্ত বৰুৱা ছন্দশিল্প আৰু অলংকাৰৰ তাত্ত্বিক দিশতো সিদ্ধহস্ত। নৱকান্ত বৰুৱাই 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা আৰু 'কবিতাৰ দেহ বিচাৰ শীর্ষক দুখন গ্রন্থ লিখি তেওঁৰ ছন্দ আৰু অলংকাৰৰ তাত্ত্বিক জ্ঞানৰো পৰিচয় দিছে।

### ছন্দবৈচিত্র্য

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ ছন্দবৈচিত্র্যৰ প্রতি লক্ষ্য কৰিলে দেখা যায় যে দুয়োজন কবিৰে মুক্তক ছন্দ প্রয়োগত গুৰুত্ব বেছি। জীৱনানন্দ দাশে মিশ্রবৃত্ত দলবৃত্ত আৰু কলাবৃত্ত এই তিনিটা ৰীতি প্রয়োগ কৰা দেখা যায় আৰু সেইদৰে নৱকান্ত বৰুৱাই

---

৩০ হিমানী বন্দ্যোপাধ্যায় ঃ জীবনানন্দ সুধীন্দ্র নাথ এবং পৃঃ ১৬

মাত্রাবৃত্ত যৌগিকবৃত্ত আৰু স্বৰবৃত্ত এই তিনিটা ৰীতি প্রয়োগ কৰিছে। কিন্তু সিয়ে হ'লেও স্বৰবৃত্তত‌কৈ মাত্রাবৃত্ত আৰু যৌগিক ৰীতিহে অধিক প্রযোগ কৰা দেখা যায়। তদুপৰি নৱকান্ত বৰুৱাই সমপংক্তিক আৰু সমিল মুক্তক ছন্দ প্রযোগতো যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। জীৱনানন্দ দাশে পয়াৰ প্রয়োগত যথেষ্ট গুৰুত্ব দিছে। কিন্তু তেওঁ প্রয়োগ কৰা ছন্দসজ্জা হ'ল মহাপয়াৰ হে, সাধাৰণ পয়াৰ নহয়। সাধাৰণতে পয়াৰৰ ৰূপকল্প ৮ + ৬ = ১৪ মাত্রাৰ। কিন্তু জীৱনানন্দৰ কবিতাৰ চৰণত ৮ + ১০ = ১৮ মাত্রা ৮ + ৮ + ১০ = ২৬ মাত্রা পর্যন্ত প্রয়োগ হৈছে। ছন্দ সজ্জাৰ দিশত জীৱনানন্দ দাশ বহু দিশত বৈচিত্র্যপূর্ণ। পৰম্পৰাগতভাৱে ২ ৪ ৬ ৮ চৰণযুক্ত স্তৱকৰ পৰা আঁতৰি আহি তেও নতুন সংখ্যাযুক্ত স্তৱক ৰচনা কৰিছে। যেনে — ৯ ৭ ১৩ চৰণযুক্ত স্তৱক। আনহাতে প্রেট্রাকীয ৰীতিত চনেট ৰচনা কৰাৰ উপৰিও জীৱনানন্দ দাশে নিজা বৈশিষ্ট্যৰেও চনেট ৰচনা কৰিছে। সংখ্যাত বেছি নহ'লেও জীৱনানন্দ দাশে গদ্য ছন্দতো কবিতা ৰচনা কৰা দেখা যায।

ছন্দশিল্পৰ দিশত জীৱনানন্দ দাশ বহু দিশতে অভিনৱ শিল্পী। বাংলা কবিতাত অপ্রচলিত তের্জাৰিমা ছন্দতো কবিতা ৰচনা কৰা দেখা যায। তের্জাৰিমা ছন্দ আচলতে ত্রিপংক্তিক ইটালীয় স্তৱক বন্ধন। অধিক কবিতা নহ'লেও তেওৰ 'শকুন 'আঘ্রাণ 'শীত শেষ এই সব 'তাই শান্তি' পায়য়াবা যেন এক দেশলাই এই শান্তি' 'বুনো হাঁস 'নদীবা আদি কবিতাত তের্জাৰিমা ছন্দৰ স্তৱক বন্ধন দেখা যায।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়ো জনেই ছন্দকুশলী কবি আৰু দুয়োজন কবিৰ কবিতাই ছন্দ সজ্জাৰ অভিনৱত্বৰে সুসজ্জিত হৈ উঠিছে। তদুপৰি দুয়োজন কবিৰ কবিতা লয়প্রধান হোৱা বাবে কবিতাসমূহ সুৰীয়া হৈ পৰাত শ্রুতিমধুৰ হৈয়ো উঠিছে।

**অলংকাৰ বৈভৱ**

ছন্দই যিদৰে কবিতাক লয় বা সুৰমাধুর্য গুণসম্পন্ন কৰি তোলে অলংকাৰে কবিতাক ভাব গাম্ভীর্য দান কৰে। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুয়োজন কবিয়ে যিদৰে ছন্দকুশলী সেইদৰে অলংকাৰ নির্মাণতো নিপুণ শিল্পী।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত প্রয়োগ হোৱা অলংকাৰৰ তুলনামূলক বিচাৰ কৰিলে দেখা যায় যে অনুপ্রাস অলংকাৰ প্রযোগত দুয়োজন কবিয়ে অধিক গুৰুত্ব দিয়া দেখা যায়। অনুপ্রাস অলংকাৰত গুৰুত্ব দিয়া বাবেই দুয়োজন কবিৰ কবিতাত স্পন্দিত সুৰধ্বনি অনুভূত হয়।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাত অর্থালংকাৰে এনে ধ্বণৰ গাম্ভীর্য লাভ কৰা দেখা যায় যে দুয়োগৰাকী কবিৰ কবিতাক অর্থালংকাৰে কেৱল ৰূপগত সৌন্দর্যবর্দ্ধনতে সীমাবদ্ধ কৰি ৰখা নাই, বৰং ৰূপগত সৌন্দর্যবর্দ্ধনৰ উপৰিও কবিতাৰ ভাবনাজগতখনকো অর্থদ্যোতনাৰে সমৃদ্ধ কৰি তুলিছে। উপমা ৰূপক উৎপেক্ষা সন্দেহ, প্রতীপ বিৰোধ বিষম বিভাৱনা অতিশয়োক্তি আদি অর্থালংকাৰৰ প্রয়োগত দুয়োগৰাকী

কবিৰ কবিতা ৰূপগতভাৱেও সৌন্দৰ্যশালী হৈ উঠিছে আৰু ভাবগতভাৱেও সমৃদ্ধিশালী হৈ উঠিছে।

**প্ৰতীক**

প্ৰতীকে কবিতাৰ শব্দ-শৰীৰ আৰু অৰ্থ বা ভাব-শৰীৰ এই উভয় শৰীৰক সৌন্দৰ্যশালী তথা বৈভৱময় কৰি তোলে। সূক্ষ্ম কল্পনাশক্তি অনুভূতিৰ সূক্ষ্মতা আৰু প্ৰতীকক অৰ্থঘন কৰি তুলিব পৰা শব্দনিৰ্বাচনৰ ওপৰতে প্ৰতীকৰ সফলতা নিৰ্ভৰ কৰে। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এইটো দিশত অৰ্থাৎ প্ৰতীক নিৰ্মাণত সুদক্ষ কবি। সংখ্যাৰ লেখত নৱকান্ত বৰুৱাতকৈ জীৱনানন্দ দাশৰ প্ৰতীকৰ ক্ষেত্ৰখন যথেষ্ট বহল। চন্দ্ৰ সূৰ্য পৃথিৱী হাঁহ ঘোঁৰা শগুন ফেঁচা হালধীয়া পাত হেমন্ত শীত বসন্ত আদি অনেক প্ৰতীকৰ মাজেদি কবিতাক ভাবঘন কৰি তোলা হৈছে। ঠিক সেইদৰে নৱকান্ত বৰুৱাৰ কবিতাত আকাশ পৃথিৱী মৰুভূমি তৰা শিজু পলস দল৲, সাকোঁ তম্বু, কালপুৰুষ অৰুন্ধতী নয়ানজুলি সৰীসৃপ পলাসৰ জুই, মৰা মকৰাৰ 'খোলা তামৰঙী আকাশ ফুটছাই বৰণৰ পৃথিৱী আদি অনেক প্ৰতীক প্ৰয়োগ কৰা হৈছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাই পৃথিৱীৰ বস্তু সম্ভাৰৰ উপৰিও সৌৰজগতৰ গ্ৰহ নক্ষত্ৰক প্ৰতীক ৰূপে গ্ৰহণ কৰিছে আৰু ইন্দ্ৰিযানুভূতি কিছুমানকো প্ৰতীক ৰূপে গ্ৰহণ কৰা দেখা যায। শব্দ স্পৰ্শ বৰ্ণ গন্ধ আদি ইন্দ্ৰিয়ানুভূতি কিছুমানকো প্ৰতীকৰূপে গ্ৰহণ ক্ৰৰি কবিতাৰ অৰ্থদ্যোতনা সৃষ্টি কৰা দেখা গৈছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা এই দুযোজন কবিয়ে নিজৰ প্ৰিয় প্ৰতীক কেইটামানক সঘনে প্ৰয়োগ কৰিছে আৰু বহু সময়ত এই একেটা প্ৰতীক ভিন ভিন অৰ্থৰ বাহক ৰূপে ব্যৱহাৰ কৰিছে।

সি যি কি নহওক — দুয়োজন কবি প্ৰতীক নিৰ্মাণৰ ক্ষেত্ৰত সুদক্ষ শিল্পী আৰু দুযোজন কবিয়ে প্ৰতীকৰ ধ্বনিশীলতাৰে কবিতাক ঐশ্বৰ্যমণ্ডিত কৰি তুলিছে। তদুপৰি কবি দুজন যিহেতু অন্তৰ্মুখিন দৃষ্টিভঙ্গীৰে জীৱন জিজ্ঞাসু কবি গতিকে দয়োজন কবিৰ প্ৰতীকসমূহ মননশীলতা তথা বুদ্ধিনিষ্ঠ হৈ উঠিছে।

**চিত্ৰকল্প**

ঠিক প্ৰতীকৰ দৰেই চিত্ৰকল্পয়ো কবিতাৰ আঙ্গিকগত শৰীৰ আৰু ভাবগত শৰীৰ — এই দুয়োটা শৰীৰৰ সৌন্দৰ্য আৰু গাম্ভীৰ্য বৃদ্ধি কৰে। কবিতাৰ এই দুয়োটা শৰীৰক মহিমামণ্ডিত কৰি তোলাত জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা নিপুণ কবি। দুয়োজন কবিৰ চিত্ৰকল্পই প্ৰতীকী অৰ্থব্যঞ্জনাৰ মাজেদি ভাবক স্পষ্ট কৰি তোলা দেখা যায়। সেইদৰে দুয়োজন কবিয়ে চিত্ৰকল্প নিৰ্মাণ কৰোতে প্ৰতীকৰ সহায় লৈছে আৰু একেটা প্ৰতীকক ভিন্ন অৰ্থৰ বাহক কৰি একোখন মনোজ্ঞ চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ চিত্ৰকল্পৰ অৰ্থঘনত্ব আৰু ব্যঞ্জনাধৰ্মিতাৰ বাবে পাঠকৰ মনত ভাবৰ সাঁচ এটা বহি যায়। তদুপৰি দুয়োজন কবিৰ এনে ধৰণৰ কবিতাও আছে, যিকেইটা কবিতাত চিত্ৰকল্পৰ যেন মালা গাঁথি থোৱা হৈছে। এই ক্ষেত্ৰত জীৱনানন্দ দাশৰ 'নিৰালোক (মহাপৃথিবী) আৰু নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল (মোৰ আৰু পৃথিৱীৰ) কবিতা উল্লেখযোগ্য। জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ এনে ধৰণৰ চিত্ৰকল্পও আছে, যিবোৰত বহিৰ্জগতৰ একোখন বাস্তৱচিত্ৰ অংকন কৰা হৈছে আৰু সেই বহিঃজীৱনৰ ছবিখনত অন্তঃজগতৰ ভাব এটা স্পষ্ট হৈ উঠে।

চিত্ৰকল্প নিৰ্মাণত দুয়োজন কবিৰ মাজত সাদৃশ্য দেখা যায়। দুয়োজন কবিয়ে শব্দ স্পৰ্শ গন্ধ বৰ্ণ দৃশ্য ঘ্ৰাণ আস্বাদন আদি ইন্দ্ৰিযানুভূতিৰ আলমতো অনেক অৰ্থবহ তথা মনোগ্ৰাহী চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়। তদুপৰি এনে ধৰণৰ চিত্ৰকল্পও ৰচনা কৰা হৈছে; যিবোৰত ইন্দ্ৰিয়ানুভূতিৰ বৈপৰীত্য ঘটোৱা হৈছে। সেইদৰে এটা প্ৰধান ইন্দ্ৰিযানুভূতিৰ সৈতে একাধিক ইন্দ্ৰিয়ানুভূতিৰ সংমিশ্ৰণ ঘটায়ো চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ চিত্ৰকল্পৰ আৰু এটা দিশত বিশেষ ধৰণৰ মিল দেখা যায়। এই মিলটো হ'ল — পুৰাণৰ চৰিত্ৰৰ আলমত চিত্ৰকল্প নিৰ্মাণ। জীৱনানন্দ দাশে পুৰাণৰ চৰিত্ৰৰ আলমত চিত্ৰকল্প নিৰ্মাণ কৰাৰ উপৰিও ইতিহাস আৰু ৰূপকথাৰ আধাৰতো চিত্ৰকল্প নিৰ্মাণ কৰিছে। এনে ধৰণৰ চিত্ৰকল্পৰ বাবে জীৱনানন্দ দাশৰ ধূসৰ পাণ্ডুলিপি কাব্যগ্ৰন্থৰ 'মৃত্যুৰ আগে কবিতা আৰু নৱকান্ত বৰুৱাৰ পুৰাণৰ চৰিত্ৰ আধাৰিত চিত্ৰকল্প হিচাপে 'ৰাৱণ 'সম্ৰাট 'ৰত্নাকৰ কবিতা উল্লেখযোগ্য।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা অধ্যয়নশীল আৰু চিন্তাশীল কবি। দুয়োজনেই অধ্যয়নপুষ্ট মন আৰু মননশীলতাৰে জীৱন জিজ্ঞাসা কৰা বাবেই দুয়োজনে মনঃসমীক্ষাত্মক অধিবাস্তৱবাদী আৰু অভিব্যক্তিবাদী দৃষ্টিভঙ্গীৰেও চিত্ৰকল্প নিৰ্মাণ কৰা দেখা যায়।

সি যি কি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ চিত্ৰকল্পৰ তুলনামূলক বিচাৰ কৰিলে দেখা যায় যে দুয়ো জনেই চিত্ৰকল্পৰ অভিনৱ নিৰ্মাণ আৰু প্ৰয়োগেৰে কবিতাক ঐশ্বৰ্যমণ্ডিত কৰি তুলিছে আৰু চিত্ৰকল্প নিৰ্মাণত দুয়োজনেই নিপুণ শিল্পী। অথচ জীৱনানন্দ দাশক যিদৰে নিঃসন্দেহে চিত্ৰকল্পবাদী কবি বুলি আখ্যা দিব পাৰি নৱকান্ত বৰুৱাক তেনেকৈ চিত্ৰকল্পবাদী কবি বুলিব পৰা নাযায়।

**ভাষা ঃ**

কবিতা আৰু গদ্য প্ৰায় একেবোৰ শব্দৰে ৰচনা কৰা হয় যদিও কবিতাৰ এক বিশেষ ধৰণৰ ভাষা থাকে। অৱশ্যে কবিতাৰ ভাষা বুলি বিশেষ ভাষা নাই। কবি ভেদে কবিতাৰ ভাষাও বেলেগ। যিদৰে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষাও পৃথক ধৰণৰ। অথচ সেই পৃথকতাৰ মাজতো সাদৃশ্য আছে বহুবোৰ।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষাৰ তুলনামূলক বিচাৰ কৰিলে দেখা যায় যে দুয়োজন কবিৰ কবিতাৰ ভাষা সাংগীতিক সুৰ মাধুৰ্যৰে অন্তৰপৰশা। তাতে নৱকান্ত বৰুৱা এগৰাকী সুপ্ৰতিষ্ঠিত গীতিকাৰো। গীতিমাধুৰ্যময় শব্দৰ সংযোজনৰ বাবেই দুয়োজন কবিৰ কবিতাৰ ভাষা গীতি মাধুৰ্যৰে সুৰীয়া হৈ উঠিছে।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষাই নাটকীয় গুণ আহৰণ কৰাও দেখা যায়। জীৱনানন্দ দাশৰ কবিতাত ব্ৰাউনিঙৰ ড্ৰেমেটিক মনʼলগৰ সমধৰ্মী নাটকীয় ভাষা প্ৰয়োগ হৈছে। সেইদৰে নৱকান্ত বৰুৱাৰ বহু কবিতাত নাটকীয় ভঙ্গীৰে ভাষাক নাট্যগুণধৰ্মী কৰি তোলা হৈছে।

দুয়োজন কবিয়ে তেওঁলোকৰ কবিতাত কমা চেমিকলন ড্ৰেচ দাড়ি, প্ৰশ্নবোধক চিন প্ৰয়োগ কৰিছে আৰু এইবোৰ চিহ্ন প্ৰয়োগ কৰা হৈছে কবিতাৰ ভাবৰ যতি অনুসৰি।

শব্দ প্ৰয়োগৰ ক্ষেত্ৰতো জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষাৰ মিল দেখা যায়। দুয়োজন কবিয়ে গ্ৰামীণ কথিত ভাষাৰ শব্দ তত্ত্বৱ শব্দ তৎসম শব্দ আৰু ইংৰাজী ভাষাৰ শব্দ প্ৰয়োগ কৰিছে। সেইদৰে দুয়োজন কবিৰ কবিতাৰ ভাষা সাংগীতিক লয়মাধুৰ্যযুক্ত যদিও দুয়োজনে কবিতা বিশেষে গদ্যগন্ধী ভাষাও প্ৰয়োগ কৰিছে।

## সামৰণি

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক বিচাৰ কৰিবলৈ গৈ সামগ্ৰিক আলোচনাটোৰ শিৰোনামটো 'জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু ৰূপ বৈচিত্ৰ্য বিচাৰ বুলি দিয়া হʼল। শিৰোনামটোৰ অভিধাৰ্থই দুয়োজন কবিৰ কবিতাৰ কেৱল ভাব আৰু ৰূপ অৰ্থাৎ আঙ্গিকৰহে বিচাৰ কৰা বুজায় যদিও আচলতে সেইটো নহয়। দৰাচলতে দুয়োজন কবিৰ কবিতাৰ ভাব-বস্তু আৰু ৰূপ-বস্তু বিচাৰৰ মাজেদি কবি দুজনৰ কবিতাৰ সামগ্ৰিক মূল্যায়ন কৰা হʼল। বিষয়টো যিহেতু তুলনামূলক বিচাৰ গতিকে কবি দুগৰাকীৰ কেৱল কবিতাৰ তুলনামূলক বিচাৰ কৰা নাই। কবিতাৰ তুলনামূলক বিচাৰৰ প্ৰয়োজনতে দুয়োগৰাকী কবিৰ সময়ৰ পৰ্যালোচনা কৰা হʼল। দৰাচলতে প্ৰত্যেক কবিয়ে বহু পৰিমাণে সময়ৰ সৃষ্টি। কাৰণ যি ছোৱা সময়ত কবিয়ে জীৱন ধাৰণ কৰি থাকে সেই সময় ছোৱাৰ দেশৰ ৰাজনৈতিক অৰ্থনৈতিক শৈক্ষিক সমাজ-সাংস্কৃতিক আৰু বৌদ্ধিক বাতাৱৰণে কবিমানস গঢ়ি তোলে আৰু এনে মানসিকতাৰ পৰাই কবিয়ে কবিতা সৃষ্টি কৰে। এনে কাৰণতে দুয়োজন কবিৰ সময়ৰ ধাৰণা এটা দিয়া হʼল আৰু দুয়োজন কবিৰ সময়ৰ নিজৰ নিজৰ দেশৰ বাতাবৰণ তুলনা কৰি দেখুওৱা হʼল।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ সময়ৰ সম্যক ধাৰণা দিয়াৰ পাছত কবি দুগৰাকীৰ জীৱন আৰু সৃষ্টি সম্ভাৰৰ তথ্যনিৰ্ভৰ আলোচনা কৰা হʼল।

সামগ্ৰিক আলোচনাটোৰ কেন্দ্ৰীয় বা মুখ্য বিষয় স্বৰূপে দুয়োগৰাকী কবিৰ কবিতাৰ ভাব আৰু ৰূপ-বস্তুৰ পৃথকে বিচাৰ-বিশ্লেষণ কৰা হʼল আৰু শেহৰ অধ্যায়ত কবি দুগৰাকীৰ

কবিতাৰ ভাব-বস্তু আৰু ৰূপ-বস্তুৰ সামগ্ৰিকভাৱে তুলনামূলক বিশ্লেষণ কৰা হ'ল।

সি যি কি নহওক — জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ তুলনামূলক বিচাৰ কৰি দেখা গ'ল যে সামান্য দুই এটা দিশৰ বাহিৰে প্ৰায়বোৰ দিশতে দুয়োগৰাকী কবিৰ মিল বেছি। সামগ্ৰিকভাৱে বিচাৰ কৰিলে ধাৰণা হয় যে গুণগত দিশত দুয়োগৰাকী কবিৰ কবিতা নিঃসন্দেহে ভাৰতীয় কবিতাৰূপে গণ্য হ'বৰ যোগ্য আৰু এইফালৰ পৰা চাবলৈ গ'লে জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱা দুয়োজনেই ভাৰতীয় কবি। দুয়োজন কবি দুখন ওচৰা ওচৰি ৰাজ্যৰ কবি। উল্লেখযোগ্য যে কম-বেছি পৰিমাণে দুয়োজন কবিৰ কবিতাত নিজৰ দেশ আৰু জাতিৰ কথা বৰ বেছি নাই। তুলনামূলকভাৱে নৱকান্ত বৰুৱাতকৈ জীৱনানন্দ দাশৰ কবিতাত নিজৰ দেশ আৰু নিজৰ জাতিৰ প্ৰতি আনুগত্যৰ ভাব বেছি। জীৱনানন্দ দাশে বহু কবিতাত ৰূপহী বাংলা আৰু বাঙালী জাতিৰ প্ৰতি গভীৰ আকৰ্ষণ অনুভৱ কৰিছে। আনকি ৰূপসী বাংলা নামৰ কাব্যগ্ৰন্থ এখনো ৰচনা কৰিছে। তদুপৰি জীৱনানন্দ দাশৰ কবিতাত বাংলাৰ নদ-নদী গছ-বিৰিখ প্ৰাকৃতিক শোভাৰ অনেক বৰ্ণনা কৰা হৈছে। কিন্তু নৱকান্ত বৰুৱাৰ দুই এটা কবিতাৰ বাহিৰে আনবোৰ কবিতাত অসম আৰু অসমীয়া জাতিৰ কথা নাই। মুঠতে দুয়োজন মাটিৰ পৃথিৱীৰ কবি আৰু দুয়োজনেই মানুহৰ কবি। কবি দুজনে কবিতা ৰচনা কৰিছে মানুহৰ পৰা লাভ কৰা অভিজ্ঞতাৰে মানুহৰ অন্তৰৰ কথাৰে আৰু মানুহৰ বাবে। সেয়ে দুয়োজন কবি জন্মগতভাৱে এজন বাঙালী আৰু আনজন অসমীয়া হ'লেও দুয়োজন কবিৰ কবিতাত ভাৰতীয় মানুহ তথা বিশ্বৰ মানুহৰ কথা আছে, বিশ্ব মানৱৰ দ্বন্দ্ব সমস্যা আৰু কাৰুণ্যকে ধৰি বিবিধ প্ৰকাৰ মৰ্মকথা আছে। এনে কাৰণতে ভাষান্তৰ কৰিলে দুয়ো গৰাকী কবিৰ কবিতাই বিশ্বৰ মানুহৰ ভাবনা জগত আৰু আনুভূতিক জগতক স্পৰ্শ কৰিব।

জীৱনানন্দ দাশ আৰু নৱকান্ত বৰুৱাৰ কবিতা বিশ্বজনীন আবেদনপুষ্ট আৰু কাব্যিক গুণ বৈশিষ্ট্যৰে গুণান্বিত বাবেই দুয়োগৰাকী কবিয়ে নিজ নিজ দেশৰ পাঠকৰ মাজত সমাদৃত হৈছে। কিন্তু সৰ্বভাৰতীয় কবি হিচাপে যি ধৰণৰ জনপ্ৰিয়তা লাভ কৰিব লাগে সেইটো হোৱা নাই। জীৱনানন্দ দাশৰ কবিতাৰ বিষয়ে বাংলা ভাষাত সংখ্যাধিক আলোচনা গ্ৰন্থ ৰচনা হৈছে, কিন্তু নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে বিভিন্নজন সমালোচকৰ প্ৰবন্ধ সংকলনত আলোচনা কিছুমান বিক্ষিপ্ত ৰূপত থকাৰ বাহিৰে স্বতন্ত্ৰ ৰূপত নৱকান্ত বৰুৱাৰ কবিতাৰ আলোচনা গ্ৰন্থ এতিয়ালৈকে ওলোৱা নাই। কিন্তু দুয়োজন কবিয়ে বিশ্বজনীন আবেদনপুষ্ট কবিতাৰ স্ৰষ্টা আৰু আঙ্গিকগত ঐশ্বৰ্যৰ দিশতো দুয়োজন কবিয়ে সফল কবি।

# গ্রন্থপঞ্জী

## মূলগ্রন্থ ঃ

### বাংলা


দাশ জীবনানন্দ

ঝরা পালক
শ্রী সুধীব চন্দ্র সবকাব
৯০/২ এ হ্যাবিসন বোড কলকাতা
১ ম সংস্কবণ ১৯২৭

ধূসর পাণ্ডুলিপি
সিগনেট প্রেস কলকাতা ২৩
৭ম সিগনেট সংস্কবণ ১৩৯৩ বঙ্গাব্দ

বনলতা সেন
সিগনেট প্রেস কলকাতা ২৩
উনবিংশ সিগনেট সংস্করণ ১৩৯৬ বঙ্গাব্দ

মহাপৃথিবী
সিগনেট প্রেস কলকাতা ২৩
১ম সিগনেট সংস্করণ ১৯৬৯ চন

সাতটি তারার তিমির
ভাববি কলকাতা ৭৩
১ম ভাববি সংস্কবণ ১৯৬৯ চন

রূপসী বাংলা
সিগনেট প্রেস কলকাতা ২৩
অষ্টাদশ সংস্করণ ১৪০০ বঙ্গাব্দ

বেলা অবেলা কালবেলা
দে'জ পাবলিশিং কলকাতা ৭৩
প্রথম দে'জ সংস্করণ
১৩৮৭ বঙ্গাব্দ

জীবনানন্দের কাব্যগ্রন্থ (প্রথম খণ্ড)
বেঙ্গল পাবলিশার্স প্রাইভেট লিমিটেড্
কলকাতা ৭৩
দশম মুদ্রণ ১৩৯৩ বঙ্গাব্দ
জীবনানন্দের কাব্যগ্রন্থ (দ্বিতীয় খণ্ড)
বেঙ্গল পাবলিশার্স প্রাইভেট লিমিটেড
কলকাতা ৭৩
সপ্তম মুদ্রণ ১৩৯০ বঙ্গাব্দ
জীবনানন্দের কাব্যসমগ্র
ভাববি ১৩/১ বঙ্কিম চাটুজ্যে ষ্ট্রিট
কলকাতা ৭৩
পুনর্মুদ্রণ বেশাখ ১৪১১ বঙ্গাব্দ এপ্রিল ২০০৪

অসমীয়া

বৰুৱা নৱকান্ত

হে অৰণ্য হে মহানগৰ
লয়ার্ছ বুক ষ্টল গুৱাহাটী ১
প্ৰথম প্ৰকাশ ১৯৫১
এটি দুটি এঘাৰটি তৰা
১৯৫৮
যতি আৰু কেইটামান স্কেচ
নিউ বুক ষ্টল গুৱাহাটী ১
প্ৰথম প্ৰকাশ ১৯৬০
সন্ত্ৰাট
নিউ বুক ষ্টল গুৱাহাটী ১
প্ৰথম প্ৰকাশ ১৯৬২
ৰাৱণ
১৯৬৩
মোৰ আৰু পৃথিৱীৰ
পকেট বুক চেণ্টাৰ গুৱাহাটী ৮
প্ৰথম সংস্কৰণ ১৯৭৩

ৰত্নাকৰ
ভাৰতী বুক ষ্টল গোলাঘাট
প্ৰথম প্ৰকাশ ১৯৮৩
এখন স্বচ্ছ মুখাৰে
লয়াৰ্ছ বুক ষ্টল গুৱাহাটী ১
প্ৰথম প্ৰকাশ ১৯৯০
সূৰ্যমুখীৰ অঙ্গীকাৰ
শ্ৰী জ্যোতিপদ দেৱ চৌধুৰী
নতুন অসম ৫ উদ্যোগ পাম
গুৱাহাটী ২১
প্ৰথম প্ৰকাশ ১৯৯০
মহাকাব্যৰ পাণ্ডুলিপি
স্মৃতি প্ৰকাশন গুৱাহাটী ৬
প্ৰথম প্ৰকাশ ১৯৯০

## প্ৰাসঙ্গিক গ্ৰন্থ

### অসমীয়া

উল্লাহ ইমদাদ — কবিতাৰ সবিশেষ
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট ১
প্ৰথম প্ৰকাশ ১৯৮৩
সৃজন আৰু মনন
গুৱাহাটী বুক ষ্টল গুৱাহাটী ৩
প্ৰথম প্ৰকাশ ১৯৭৬

কটকী চন্দ্ৰ — আধুনিক অসমীয়া কবিতা
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট ১
প্ৰথম প্ৰকাশ ১৯৮০

কটকী প্ৰফুল্ল — তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ
জ্যোতি প্ৰকাশন গুৱাহাটী ১
দ্বিতীয় প্ৰকাশ ২০০২
তুলনামূলক সাহিত্য
বিনীতা দেৱী গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৮৯

গোস্বামী প্ৰফুল্লদত্ত — মানিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ
বৰুৱা এজেঞ্চি গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৭০

চৌধুৰী সতীশ চন্দ্ৰ (সম্পা) — যোৱা দুই দশকৰ অসমীয়া সাহিত্য
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট ১
প্ৰথম প্ৰকাশ ১৯৯৩

বৰগোহাঞি হোমেন (সম্পা) — বিংশ শতাব্দীৰ অসমীয়া সাহিত্য
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট ১
দ্বিতীয় প্ৰকাশ ১৯৮৭

বৰা মহেন্দ্ৰ — অসমীয়া কবিতাৰ ছন্দ
বাণী মন্দিৰ ডিব্ৰুগড
দ্বিতীয় প্ৰকাশ ১৯৮৬
অসমীয়া ছন্দৰ শিল্প তত্ত্ব
বনলতা ডিব্ৰুগড়
প্ৰথম প্ৰকাশ ১৯৯০

বৰা প্ৰফুল্ল চন্দ্ৰ — জীৱন কবিতা আৰু নৱকান্ত
ষ্টুডেণ্টচ্ ষ্টৰচ্ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৯০

বৰুৱা দিলীপ
কবিতাৰ ভৱিষ্যত পঞ্চদশকৰ সাহিত্যৰ পৰম্পৰা
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৯১

বৰুৱা ভবেন : অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব
গ্ৰন্থ, আমবাৰী গুৱাহাটী ১
প্ৰথম প্ৰকাশ ২০০২

বৰুৱা প্ৰহ্লাদ কুমাৰ
কবিতাৰ সৌৰভ
বনলতা ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৯৬
চিন্তাৰ আভাস
বনলতা ডিব্ৰুগড়
প্ৰথম প্ৰকাশ ১৯৮৩
আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য
বনলতা ডিব্ৰুগড
প্ৰথম প্ৰকাশ ২০০০

বৰুৱা লোপা
আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প
পূৰ্বাঞ্চল প্ৰকাশ
গোপীনাথ বৰদলৈ পথ আমবাৰী
গুৱাহাটী ১
প্ৰথম প্ৰকাশ ১৯৯৯

ভট্টাচাৰ্য বীৰেন্দ্ৰ কুমাৰ
ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি
অসম প্ৰকাশন পৰিষদ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৭৮

ভট্টাচাৰ্য নলিনীধৰ
কবিতা আৰু নেপথ্য
ৰামচৰণ ভৰালী অধ্যক্ষ
ডিমৰীয়া কলেজ ক্ষেত্ৰী
প্ৰথম প্ৰকাশ ১৯৯৩

ভট্টাচাৰ্য তাৰিণীকান্ত — সাহিত্যৰ গতিপথ
বাণীপ্ৰকাশ পাঠশালা কামৰূপ
প্ৰথম প্ৰকাশ ১৯৬১

ভট্টাচাৰ্য পূৰ্ণ — কবিতা আৰু আধুনিক অসমীয়া কবিতা
চন্দ্ৰ প্ৰকাশ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৯৩

মহন্ত বেজবৰা নীৰাজনা — তুলনামূলক সাহিত্য আৰু সাহিত্য গৱেষণা
শংকৰদেৱ প্ৰকাশন ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৯৪

শইকীয়া নগেন (সম্পা) — আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট ১
প্ৰথম প্ৰকাশ ১৯৭৭

শৰ্মা বেণুধৰ — দূৰবীণ
(প্ৰকাশক পোৱা নাই)
প্ৰথম প্ৰকাশ ১৯৬১

শৰ্মা দেবেশ্বৰ — হেৰাই যোৱা দিনবোৰ
সুব্ৰত শৰ্মা মণিৰাম দেৱান লেন
গুৱাহাটী ৩
প্ৰথম প্ৰকাশ ১৯৮০

শৰ্মা পাঠক জ্ঞানানন্দ — নতুন কবিলৈ মুকলি চিঠি
এল বি এচ পাব্লিকেচন গুৱাহাটী ১
প্ৰথম প্ৰকাশ ১৯৮০

শৰ্মা তীৰ্থনাথ — সাহিত্য বিদ্যা পৰিক্ৰমা
বাণী প্ৰকাশ গুৱাহাটী ১
ষষ্ঠ প্ৰকাশ ১৯৯১

শৰ্মা মুকুন্দ মাধব — ধ্বনি আৰু বস তত্ত্ব
বাণী প্ৰকাশ গুৱাহাটী ১
দ্বিতীয় তাঙৰণ ১৯৯১

## বাংলা

কামিল্যা মিহির চৌধুরী — বাংলা ছন্দ রূপ ও রীতি
পুনশ্চ
৯এ নবীন কুণ্ডু লেন কলকাতা ৭০০০০৯
সর্বাধুনিক সংস্করণ ২০০২

গঙ্গোপাধ্যায় পার্থজিৎ (সম্পা) — জীবনানন্দ
সাহিত্যলোক
৩১/৭ বিডন স্ট্রীট কলকাতা ৬
প্রথম সংস্করণ ২০০০

গঙ্গোপাধ্যায় সুনীল — আমার জীবনানন্দ ও আবিষ্কার ও অন্যান্য
আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড
৪৫ বেনিয়াটোলা লেন কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৯৯৯

গুপ্ত ক্ষেত্র — জীবনানন্দ কবিতার শরীর
সাহিত্য প্রকাশ
৬০ জেমস লঙ সরণি কলকাতা ৭০০০৩৪
প্রথম সংস্করণ ২০০০

(সম্পা) — জীবনানন্দ দাশের কাব্য সমগ্র
ভারবি
১৩/১ বঙ্কিম চাটুজ্যে স্ট্রিট কলকাতা ৭৩
প্রথম প্রকাশ ২০০১

ঘোষ শঙ্খ (সম্পা) — এই সময় ও জীবনানন্দ
সাহিত্য অকাডেমী
প্রথম প্রকাশ ১৯৯৬

ঘোষ শ্যামলকুমার : কবিতায় চিত্রকল্প — কবি জীবনানন্দ দাশ
বইপত্র
৮/বি কলেজ রোড কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৩৯৪ বঙ্গাব্দ

ঘোষ দেবকুমার আধুনিক কালের কবিতা পরিচয়
শিলালিপি
৫১ সীতারাম ঘোষ ষ্ট্রীট কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৯৯২

চক্রবর্তী সুমিতা আধুনিক কবিতার চালচিত্র
সাহিত্যলোক
৩২/৭ বিডন ষ্ট্রীট কলকাতা ৭০০০০৬
প্রথম প্রকাশ ১৯৯৬
জীবনানন্দ সমাজ ও সমকাল
সাহিত্যলোক কলকাতা ৬
প্রথম প্রকাশ ১৯৮৭

চক্রবর্তী অমরেন্দ্র (সম্পা) কবিতা পরিচয়
স্বর্ণাক্ষর প্রকাশনী প্রাইভেট লিমিটেড
কলকাতা ৭০০০১৯
প্রথম প্রকাশ ১৯৮১

চৌধুরী শীতল জীবনানন্দ অন্বেষা
সাহিত্যশ্রী মহাত্মা গান্ধী রোড
কলকাতা ৯
প্রথম প্রকাশ ১৯৯২

ত্রিপাঠী দীপ্তি আধুনিক বাংলা কাব্য পরিচয়
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
চতুর্থ সংস্করণ ১৯৮৮

দাশ জীবনানন্দ — কবিতার কথা
২৫/৮ সিগনেট প্রেস
কবি মহ· ইকবাল রোড কলকাতা ৭০০০২৩
ষষ্ঠ সংস্করণ ১৩৯৭ বঙ্গাব্দ

দাশ শিশিরকুমার — কবিতার মিল ও অমিল
দে'জ পাবলিশিং কলকাতা
প্রথম প্রকাশ ১৯৮৭

দাশগুপ্ত আলোকরঞ্জন — জীবনানন্দ
প্রমা প্রকাশনী
৫ ওয়েস্ট বেঞ্জ কলকাতা ৭০০০১৭
দ্বিতীয় সংস্কবণ ১৯৯৩

দাশ ক্ষুদিরাম — বাংলা কাব্যে রূপ ও রীতি
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
পবিমার্জিত দে'জ সংস্কবণ ১৯৯৪

দাস প্রভাতকুমার — জীবনানন্দ চর্চার সমস্যা
হার্দ্য লিট্‌ল ম্যাগাজিন লাইব্রেরী ও গবেষণা কেন্দ্র
১৮ এম টেমাব লেন কলকাতা ৭০০০০৯
প্রথম সংস্কবণ ১৯৮৮

জীবনানন্দ দাশ
পশ্চিমবঙ্গ বাংলা অকাডেমি
১/১ আচার্য জগদীশচন্দ্র বসু বোড
কলকাতা ৭০০০২০
দ্বিতীয় সংস্করণ ২০০৩

দাশ উত্তম — বাংলা সাহিত্যে সনেট
মহা দিগন্ত প্রকাশ সংস্থা
বারুইপুর দক্ষিণ চবিবশ পবগণা ৭৪৩৩০২
প্রথম প্রকাশ, ১৯৮৯

নাগ সুজিতকুমার — বাংলার কবি জীবনানন্দ
আদিত্য প্রকাশালয় ২ শ্যামচবণ দে স্ট্রীট
কলকাতা ৭০০০৭৩
তৃতীয় সংস্কবণ ১৩৮৮ বঙ্গাব্দ

পত্রী পূর্ণেন্দু — রূপসী বাংলার দুই কবি
আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড
কলকাতা ৭০০০০৯
দ্বিতীয় মুদ্রণ ১৯৮৩

বন্দ্যোপাধ্যায় হিমানী — জীবনানন্দ সুধীন্দ্রনাথ এবং
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ২০০৩

বসু, অম্বুজ — একটি নক্ষত্র আসে
পুস্তক বিপনি ২৭ বেনিয়াটোলা লেন
কলকাতা ৭০০০০৯
চতুর্থ সংস্কবণ ১৪০৬ বঙ্গাব্দ

বসু, অমলেন্দু — জীবনানন্দ
বাণীশিল্প কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৯৮৪

বসু, বুদ্ধদেব — কালের পুতুল
নিউ এজ পাবলিশার্স প্রাইভেট লিমিটেড
১২, বঙ্কিম চ্যাটার্জি স্ট্রীট কলকাতা ৭০০০৭৩
দ্বিতীয় সংস্কবণ ১৯৮৪

প্রবন্ধ সংকলন
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ১৯৬৬

বসু, শুদ্ধসত্ত্ব — বাংলা কাব্যে দুরূহতা ও সুররিয়েলিজিম
শরৎ পাবলিশিং হাউচ
১৮/এ টেমাব লেন কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৩৮৭

বসু, বারীন্দ্র — কবিতা আধুনিক ও আধুনিক কবিতা
বত্নাবলী ৫৯ এ ভবন কলকাতা
প্রথম প্রকাশ ১৯৮৭

ভট্টাচার্য জগদীশ — আমার কালের কয়েকজন কবি
ভাববি ১৩/১ বঙ্কিম চাতুর্জ্যে ষ্ট্রিট
কলকাতা ৭০০০৭৩
পুনব মুদ্রণ ২০০৪

ভট্টাচার্য সঞ্জয় — কবি জীবনানন্দ দাশ
ভাববি ১৩/১ বঙ্কিম চাটুর্জে ষ্ট্রীট
কলকাতা ৭০০০৭৩
তৃতীয় মুদ্রণ ১৯৯১

ভট্টাচার্য পরমেশ — ছন্দ-মীমাংসা ও অলংকার সমীক্ষা
জয় দুর্গা লাইব্রেবী
৮এ কলেজ বোড কলকাতা ৭০০০০৯
দ্বিতীয় সংস্করণ ১৯৯০

ভট্টাচার্য প্রভাত কুমার
ভট্টাচার্য উমা — আধুনিকতার রূপপ্রতিমা
ডি এন পাবলিকেশনস
১০/২ বি রমানাথ মজুমদার ষ্ট্রীট,
কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৯৯১

ভট্টাচার্য সুতপা : কবির চোখে কবি
অরুণা প্রকাশনী ৭ যুগল কিশোর দাস লেন
কলকাতা ৭০০০০৬
প্রথম প্রকাশ ১৯৮৭

ভট্টাচার্য তপোধীর
ভট্টাচার্য স্বপ্না
আধুনিকতা জীবনানন্দ ও পরাবাস্তবতা
নর্বাক
ভি চি ৯/৪ শাস্ত্রীবাগান কলকাতা ৭০০০৫৯
প্রথম প্রকাশ ১৯৮৭

মজুমদার সমীরণ
জীবনানন্দ ও অন্যান্যপ্রসঙ্গ
অমৃতলোক সাহিত্য পৰিষদ
মেদিনীপুৰ কলকাতা
প্রথম প্রকাশ ১৯৯২

মালাকার পঞ্চানন
জীবনানন্দ
অক্ষয় প্রকাশন
প্রথম সংস্কৰণ ১৯৯৯

মাযহার আহমদ
জীবনানন্দ বিচিত্রা
অধুনা প্রকাশন ঢাকা

মিত্র প্রদ্যুম্ন
কবিতার গাঢ এনামেলে জীবনানন্দের কাব্য ভাবনা
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ২০০০
জীবনানন্দের চেতনাজগৎ
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ১৯৮৩

মিত্র অরুণ
কবিতা আমি ও আমরা
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ১৯৯৯

মুখোপাধ্যায় তরুণ (সম্পা)
জীবনানন্দ-জিজ্ঞাসা
পুস্তকবিপনি ২৭ বেনিয়াটোলা লেন
কলকাতা ৭০০০০৯
প্রথম প্রকাশ ১৯৮৫

মুখোপাধ্যায় কমল — জীবনানন্দ অন্বেষণ
শিলীন্ধ্র প্রকাশন
এ টি এন চ্যাটার্জি স্ট্রীট কলকাতা ৭০০০৯০

মুখোপাধ্যায় অমূল্যধন — আধুনিক সাহিত্য জিজ্ঞাসা
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ১৯৬০

রায় কৃষ্ণগোপাল — জীবনানন্দের কবিতা পাঠ
এস্ ব্যানার্জি এণ্ড কো° কলকাতা ৭০০০০৯
পবিবর্দ্ধিত তৃতীয় সংস্কবণ ২০০৩

রায় গোপালচন্দ্র — জীবনানন্দ
সুবর্ণবেখা
৭৩ মহাত্মাগান্ধী রোড কলকাতা ৭০০০০৯
তৃতীয় সংস্কবণ ১৯৮৮

রায় জীবেন্দ্র সিংহ — আধুনিক বাংলা কবিতা বিচার ও বিশ্লেষণ
বর্দ্ধমান বিশ্ববিদ্যালয় বর্দ্ধমান
দ্বিতীয় সংস্কবণ ১৯৮৯
আধুনিক কবিতার মানচিত্র
দেজ পাবলিশিং কলকাতা ৭০০০৭৩
দ্বিতীয় সংস্করণ ২০০১

রুদ্র সুব্রত (সম্পা) — জীবনানন্দ ঃ জীবন আর সৃষ্টি
নাথ পাবলিশিং, ২৬ বি পণ্ডিতিয়া প্লেস
কলকাতা ৭০০০২৯
প্রথম প্রকাশ ১৯৯৯

সিকদার অশ্রুকুমার — কবির কথা কবিতার কথা
অরুণা প্রকাশনী কলকাতা ৭০০০০৬
প্রথম প্রকাশ ১৯৯৪

আধুনিক কবিতার দিগ্‌বলয়
অরুণা প্রকাশনী কলকাতা ৭০০০০৬
প্রথম সংস্কৰণ ১৩৮১ বঙ্গাব্দ

সেন দীপক — বাংলা চনেট সমীক্ষা (১৯১৩-১৯৫১)
মুকুতা প্রকাশন গুৱাহাটী ১৪
প্রথম প্রকাশ ১৯৯১

সেন নীলরতন — বাংলা ছন্দ বিবর্তনের ধারা
দে'জ পাবলিশিং কলকাতা ৭০০০৭৩
দ্বিতীয় সংস্কৰণ ১৯৯৬

সেনমজুমদার জহর — জীবনানন্দ ও অন্ধকারের চিত্রনাট্য
মডেল পাবলিশিং হাউস
কলকাতা ৭০০০৭৩
প্রথম প্রকাশ ১৪০৫ বঙ্গাব্দ

সৈয়দ আব্দুল মান্নান (সম্পা) — শ্রেষ্ঠ জীবনানন্দ
অবসব প্রকাশন সংস্থা ঢাকা

শাহরিয়ার আবু হাসান — জীবনানন্দ দাশ মূল্যায়ন ও পাঠোদ্ধার
সাহিত্য বিকাশ
৩৮/৪ বাংলা বাজাব ঢাকা ১১০০
প্রথম প্রকাশ ২০০৩

## সংস্কৃত

পানাশিকৰ শ্রীবাসুদেব লক্ষ্মণ (সংকলিত) — ঈশোপনিষদ
মুণ্ডক উপনিষদ
ছান্দোগ্য উপনিষদ
শ্বেতাশ্বতৰ উপনিষদ
বৃহদাৰণ্যক উপনিষদ

## English

Baruah Birinchi Kumar — **History of Assamese Literature**
Sahitya Akademi New Delhi
First Published 1964

Baruah Hem — **Assamese Literature**
National Book Trust of India
New Delhi First Edition 1965

Bhuyan S K — **Anglo-Assamese Relations**
Lawyer's Book Stall Gauhati
Second Edition 1974

Baulton Marjorie — **The Anatomy of Poetry**
Kalyani Publishers
New Edition 1991

Bowra Sir Maurice — **The Romantic Imagination**
Oxford University Press London
Repnnted 1963

Bowra, C M — **The Heritage of Symbolism**
Macmillan
St Martin s Press New Yourk 1967

Bodkin Mood — **Studids of Type Image in Poetry**
London 1951

Brooks Cleanth and Robert Penn Warren (ed ) — **Understanding Poetry**
New York 1938

Brown Stephen — **The World of Imagery**
Kegan Paul London

Brown J A. C — **Frued and the Post Fruedians**
Penguin Books Ltd London
1972

Chadwick, Charles — **Symbolism**
Methuen & Co Ltd London
First Published 1971

**Dev Amiya**
**Das Sisirkumar** (ed ) — **Comparative Literature Theory and Practice**
Indian Institution of Advanced Study
Simla First Published 1989

**Dutta Amaresh** — **Mysticism in Poetry**
Assam Sahitya Sabha
First Published 1999

**Downey June Etta** — **Creative Imagination**
Harcourt Brace Company
1926

**Durrell, Lawrence** — **Key to Modern Poetry**
Rupa & Co
Calcutta Allahabad Bombay
1961

**Eliot T S** — **The use of poetry and the use of criticism**
Faber and Faber Limited
24 Russel Square

**Fowler Roger** (ed ) — **A Dictionary of Modern Critical Terms**
Routledge & Kegan Paul

**Fraser G S** — **Vision and Rhetoric**
Faber & Faber
London 1959

**Frued Sigmand** — **New Introductory Lectures on Psycho analysis**
London 1967

**Ghosh, Nirmal** (ed ) — **Studies in Modem Bengali Poetry Novela**
45 Amharst Street
Calcutta 700009

**Gifford Henry** — **Comparative Literature**
Routledge and Kekan Paul
1969

Hughes Glenn — **Imagism and Imagist A study in Modern Poetry**
Standard University Press
1931

Hulme T S — **Speculations**
New York H B and Co
1927

Iyenger K R Srinivasa (ed) — **Indian Literature Since Indipendence A Symposium**
Sahitya Akademi New Delhi
First Published 1973

Lewis C Day — **The Poetic Image**
Jonathan Cape
Thirty Bedford Square London

Longfeld Herbert S — **The Aesthetic Attitude**
New York Harcort Brace & Co
1920

Majumdar Swapan — **Comparative Literature Indian Dimension**
Papyrus 2 Ganendra Mitra Lane
Calcutta 700004
1987

Mukherjee Ramranjan — **Imagery in Poetry An Indian Approach**
Sanskrit Pustak Bhandar
Calcutta 1972

Perry Bliss — **A Study of Poetry**
Boston and New York The Houghton
Mifflin Co 1920

Prawer S S — **Comparative Literary Studies An Introduction**
Duckworth 1973

**Reed, Herbert** — **Surrealism**
Faber and Faber Ltd
3 Queen Square London 1936

**The Meaning of Art**
Faber and Faber
London 1951

**Roberts Phill** — **How Poetry Works**
Penguin Books Ltd
27 Wnght Lane London
Repnnted 2000

**Sen Priyaranjan** — **Western Influence in Bengali Literature**
Academic Publishers
2 Panchanan Ghos Lane
Calcutta 700009
Third Edition 1966

**Scott James R. A.** — **The Making of Literature**
Allied Publishers Ltd
New Delhi
Repnnted 1989

**Tindall Willam York** — **The Literary Symbol**
The Indian University Press
Bloominton & London
First Pnnting 1967

**Wellek Rene and Austin Warren** — **Theory of Literature**
Penguin Books Ltd
England 1973

**Weinberg Bernard** — **The Limits of Symbolism**
The University of Chicago Press
Chicago and London

**Wollheim Richard** — **Frued**
Fontana London
1971